মাধৱ কন্দলীৰ ৰামায়ণত লোকায়ত জীৱন

ড° বিজয়া বৰুৱা (ৰাজখোৱা)

অন্তৰীপ
মালিগাঁও চাৰিআলি
গুৱাহাটী-৭৮১০১১

MĀDHAVA KANDALIR RĀMĀYANAT LOKĀYAT JIVON, an analytical study of the Assamese folklife as reflected in Mâdhava Kandali's Râmâyana, by Dr Bijoya Baruah (Rajkhowa), Senior Lecturer in Assamese, Dimoria College, Khetri (Assam), published by *ANTAREEP*, Maligaon, Guwahati-11 , e-mail antareep@rediff mail com

---

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০০৬

গ্ৰন্থকাৰ ঃ ড বিজয়া বৰুৱা (ৰাজখোৱা)

প্ৰকাশক ঃ অন্তৰীপ, প্লাজা মাৰ্কেট, মালিগাঁও, গুৱাহাটী-১১

পৰিৱেশক ঃ জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১
অন্বেষণ, চানমাৰি, গুৱাহাটী-৩

প্ৰচ্ছদ -পৰিকল্পনা ঃ মুকুট ৰাজখোৱা

চিত্ৰন, মুদ্ৰণ ঃ ফেয়াৰ গ্ৰাফিক্‌চ, গুৱাহাটী

মূল্য ঃ ১২০/- টকা

ছপা ঃ ছিগ্‌মা অটো প্ৰিন্টাৰ্চ, গুৱাহাটী-৭৮১০০৩

উছৰ্গা

আমাৰ পৰম আৰাধ্য পিতৃদেৱতা
ঁমানিকচন্দ্ৰ বৰুৱাৰ পবিত্ৰ সোঁৱৰণত

নিবেদন

শৈশৱৰ পৰা মোৰ পিতৃগৃহত বার্ষিকভাবে অনুষ্ঠিত 'ৰাঘব পঢোৱা' নামৰ ৰামায়ণ পাঠৰ অনুষ্ঠানে মোক প্রভাৱিত কৰিছিল। গোটেই ৰাতি ৰামায়ণ পাঠ অনুষ্ঠানত উপস্থিত থাকি ৰাইজৰ লগত কঠত বহি মাহ-প্রসাদ, কোমল চাউল, দৈ খোৱাৰ আনন্দ লাভ কৰাৰ লগে লগে ৰামায়ণ পাঠৰ সুৰ লহৰ, কাহিনীভাগৰ ৰসপূর্ণ আলোচনা বা ভাঙনি শুনি পৰোক্ষভাৱে সৰুকালৰে পৰা মই ৰামায়ণৰ প্রতি এটি মধুৰ আকর্ষণ অনুভৱ কৰি আহিছিলোঁ। কালক্রমত অসমীয়া সাহিত্যৰ ছাত্রী হিচাপে স্নাতক আৰু স্নাতকোত্তৰ শ্রেণীত ভাৰতীয় জীৱন আৰু সমাজত আদিকাব্য ৰামায়ণৰ প্ৰমূল্য, অসমীয়া সাহিত্যৰ বুৰঞ্জীত মাধৱ কন্দলী ৰামায়ণৰ দিক্ দর্শন গুৰুত্ব সম্পর্কে অধ্যয়ন কৰিবলৈ সুযোগ আৰু সুবিধা পালোঁ। ১৯৮৫-৮৬ চনত গুৱাহাটী বিশ্ববিদ্যালযৰ লোক সংস্কৃতি গৱেষণা বিভাগত এম্ ফিল পাঠ্যক্রম অধ্যয়নৰ ফলত অসমীযা ৰামাযণৰ লোকসাংস্কৃতিক অধ্যয়নৰ ফালে মই বিশেষভাৱে আকৃষ্ট হলোঁ। মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণৰ ভাষা, সাহিত্যিক প্ৰমূল্য, পাঠসমীক্ষামূলক অধ্যয়ন ইতিমধ্যে হৈ গৈছে যদিও, লোকসাংস্কৃতিক দিশত পদ্ধতিগত অধ্যযন হোৱা দেখা নাযায। কেৱল ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে এটি প্ৰবন্ধৰ যোগেদি এই বিষয়ত আলোকপাত কৰি গৈছে। পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈদেৱেও অসম সাহিত্যসভাৰ ভাষণ প্রসঙ্গত মাধৱ কন্দলীৰ ৰামায়ণৰ ঐতিহাসিক প্ৰমূল্যলৈ লক্ষ্য ৰাখি অসমীয়া ৰামায়ণৰ প্রকাশ, গৱেষণাই জাতীয় জীৱনৰ প্রয়োজন পূৰণ কৰিব বুলি সকিয়াই গৈছিল। সেয়েহে মাধৱ কন্দলীৰ ৰামায়ণৰ লোকসাংস্কৃতিক অধ্যয়নৰ প্রতি এক স্পৃহা অন্তৰত পুহি ৰাখিছিলোঁ। গৱেষণাৰ এই স্পৃহা আৰু লক্ষ্যক বাস্তৱৰূপ দিয়াত প্রায়োগিক সহায আগবঢালে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা লাভ কৰা পাঁচ বছৰীয়া জলপানিৰ ব্যৱস্থাই। বিশ্ববিদ্যালয় অনুদান আয়োগৰ NET পৰীক্ষাত উত্তীর্ণ হোৱাৰ বাবে এই জলপানি লাভ কৰা হয়।

অসমৰ লোকসংস্কৃতি চৰ্চাত বিশেষ অৰিহণা যোগোৱা, বিশিষ্ট পণ্ডিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক এমেৰিটাচ্ ড° নবীন চন্দ্র শৰ্মাদেৱৰ অধীনত কৰা গৱেষণাৰ ফচল বর্তমানে প্রকাশিত 'মাধৱ কন্দলীৰ ৰামায়ণত লোকায়ত জীৱন'– শীর্ষক এই গ্রন্থখনি।

গ্ৰন্থখনিত মাধৱ কন্দলীৰ ৰামায়ণত প্ৰতিফলিত হোৱা অসমীয়া সমাজখনিক সাংস্কৃতিক দিশত মূল্যায়ন কৰিবলৈ চেষ্টা কৰা হৈছে। অসমীয়া ৰামায়ণ এখনি অনুবাদ গ্ৰন্থ হ'লেও জাতীয় কবি মাধৱকন্দলীৰ অমিত সৃজনাত্মক প্ৰতিভাৰ স্বাক্ষৰ ৰূপে অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ এক বৈভৱপূৰ্ণ পেটাৰিত পৰিণত হৈছে। এই পেটাৰি খুলিব জানিলে বিভিন্ন ৰসিকে বিভিন্ন ৰস আহৰণ কৰি অসমীয়া জাতীয় ঐতিহ্যৰ সম্ভেদ পাব।

উক্ত গৱেষণাৰ বাবে ১৯৯৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে আমাক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। অসমীয়া জাতীয় জীৱনৰ সেৱাৰ্থে আৰু বিদ্যায়তনিক দিশতো স্নাতক আৰু স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজনাৰ্থে মূল গৱেষণা গ্ৰন্থৰ কিছু সংযোজন বিয়োজন কৰি বৰ্তমান গ্ৰন্থখনি যুগুত কৰা হৈছে। এই অধ্যয়ন পূৰ্ণাংগ বুলি দাবী কৰাৰ ধৃষ্টতা আমাৰ মুঠেই নাই। তথাপিও সুধী সমাজে ভুল-শুদ্ধ নিৰ্দেশ কৰি সহৃদয়তাৰে গ্ৰহণ কৰিলে, ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নত নাওমান সহায় হ'লেও, পৰৱৰ্তী গৱেষকসকলক ৰাম-কথাৰ অধ্যয়নত তথ্যগত সন্ধান দিব পাৰিলে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিব পাৰিম।

গ্ৰন্থখনিৰ প্ৰকাশনৰ ক্ষেত্ৰত অন্তৰীপৰ হৈ আগবাঢ়ি অহা ড° উমেশ চন্দ্ৰ ডেকা, গৱেষক ছাত্ৰ হেমন্ত ডেকাৰ সহায় সহযোগৰ আন্তৰিক শলাগ নলৈ নোৱাৰোঁ। ছপাৰ যাবতীয় কাম-কাজত শ্ৰীচিত্ৰৰথ বৰ্মন আৰু সহযোগী সকলৰ শলাগ ল'লোঁ। অৱশেষত গ্ৰন্থখনিৰ প্ৰস্তুতিত বিভিন্ন উৎসৰ পৰা সংগৃহীত তথ্যৰ বাবে প্ৰকাশিত, অপ্ৰকাশিত গ্ৰন্থৰ লেখক, সংবাদদাতাৰ ওচৰত কৃতজ্ঞতাৰ পাশেৰে বান্ধ খাই ৰ'লোঁ।

শ্ৰদ্ধাৰে

বিজয়া বৰুৱা (ৰাজখোৱা)

আগকথা

অপ্ৰমাদী কবি মাধৱ কন্দলীৰ ৰামায়ণক (অৰ্থাৎ বাল্মীকি ৰামায়ণৰ অসমীয়া অনুবাদ) চতুৰ্দশ শতিকাৰ অসমৰ সাংস্কৃতিক জীৱনৰ পূৰ্ণ প্ৰতিফলক অথবা অভিজ্ঞাপক আখ্যা দিয়া হয়। মাধৱ কন্দলীৰ ৰামায়ণ, বাল্মীকি ৰামায়ণৰ বিশ্বাসযোগ্য ভাষান্তৰণ, কিন্তু সমাজ জীৱনৰ চিত্ৰ ৰূপায়ণ কৰাৰ প্ৰসংগত তেওঁ বাল্মীকিৰ সমাজ-জীৱনৰ বান্ধোনৰ পৰা আঁতৰি আহি তেওঁৰ (অৰ্থাৎ মাধৱ কন্দলীৰ) সমাজ জীৱনৰ চিত্ৰ বাঙ্ময় কৰাত মনোনিৱেশ কৰিছিল প্ৰশংসনীয়ভাৱে আৰু এইবাবেই মাধৱ কন্দলীৰ ৰামায়ণক অসমৰ সমাজ জীৱনৰ ইতিহাস বুলিবলৈও মন যায়। অসমৰ সংস্কৃতি বিশেষকৈ অসমৰ লোক সংস্কৃতিৰ বিবিধ উপাদান মাধৱ কন্দলী অনূদিত ৰামায়ণত লক্ষ্য কৰা যায়। আমাৰ জীৱন আৰু সমাজৰ সাংস্কৃতিক বা লোকসাংস্কৃতিক উপাদানৰাজি লোক পৰম্পৰাত সংৰক্ষণ কৰিব নোৱাৰি অবিকৃতভাৱে, যিহেতু সময় আৰু সমাজ স্থৱিৰ নহয়, গতিশীল। এই গতিশীলতা বৈশিষ্ট্যই লোকসংস্কৃতিৰ উপাদানসমূহৰ পৰিৱৰ্তন সূচায়, গতিকে লোকসাংস্কৃতিক বা সাংস্কৃতিক উপাদানৰাজিয়ে স্থিৰতা লাভ কৰিব পাৰে লিখিত পৰম্পৰাতহে শিলালেখ, তাম্ৰলেখ, আৰু আন আন লিখিত মাধ্যমৰ জৰিয়তে। সময়ৰ অগ্ৰগতিৰ লগে লগে আমি লোকসাংস্কৃতিক বা সাংস্কৃতিক উপাদানৰ বাবে আশ্ৰয় গ্ৰহণ কৰিব লগা হয় সেই সময়ৰ লিখিত উপাদানত। মাধৱ কন্দলীৰ ৰামায়ণ তেনে এক লিখিত উপাদান য'ত আমি খ্ৰীঃ চতুৰ্দশ শতিকাৰ অসমৰ সমাজ জীৱন অৰ্থাৎ সাংস্কৃতিক বিভিন্ন দিশৰ উপাদান সংৰক্ষিত হৈ থকা দেখা পাওঁ। এই দিশৰপৰা মাধৱ কন্দলীৰ ৰামায়ণৰ এটি তাৎপৰ্য্যপূৰ্ণ সাংস্কৃতিক মূল্য আছে।

মাধৱ কন্দলীৰ ৰামায়ণ-ৰ বিভিন্ন দিশত আলোকসম্পাত কৰি আলোচনা বিলোচনা কৰা হৈছে, গ্ৰন্থ-প্ৰবন্ধ, সমীক্ষামূলক ৰচনা আদিও ৰচিত হৈছে, গৱেষণামূলক গ্ৰন্থও ৰচিত হৈছে, কিন্তু মাধৱ কন্দলীৰ ৰচনাত লোকসাংস্কৃতিক উপাদানৰ স্থিতি বা ৰক্ষণ সম্পৰ্কে পদ্ধতিমূলক গ্ৰন্থ ৰচিত হোৱা নাই, অথচ বিষয়টো অতিকে প্ৰয়োজনীয়, আন নহ'লেও সামাজিক সংহতি আৰু ঐক্যৰ দিশৰ পৰা। এনে এটা গুৰুত্বপূৰ্ণ বিষয় প্ৰায় অবহেলিত আৰু অনাঘ্ৰাত হৈ আছিল। শ্ৰীমতী বিজয়া বৰুৱাই বিষয়টোৰ গুৰুত্ব আৰু তাৎপৰ্য্য বুজিবলৈ সক্ষম হৈ এই বিষয়টোৰ আধাৰত গৱেষণা

কৰিবলৈ লয মোৰ তত্ত্বাৱধানত ডক্টৰেট ডিগ্ৰীৰ বাবে। তেওঁৰ গৱেষণা— গ্ৰন্থখনৰ নাম মাধৱ কন্দলীৰ ৰামায়ণত লোক সাংস্কৃতিক সমল। শ্ৰীমতী বৰুৱাই ইতিমধ্যে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। গৱেষণা-গ্ৰন্থবোৰে ছপা ৰূপ পালে সকলোৰে সুবিধা আৰু মংগল হয়। পিছে বহুতো গৱেষণা-গ্ৰন্থই পোহৰৰ মুখ দেখিবলৈকে নাপায, কিছুমানে পোহৰ লাভৰ ক্ষণ গণি আছে।

শ্ৰীমতী বিজয়া বৰুৱাই (ড° বিজয়া বৰুৱাই) তেওঁৰ গৱেষণা-গ্ৰন্থখনি অপ্ৰকাশৰ বেদনাত পেলাই ৰাখিবলৈ মন নকৰি কঁকালত টঙালি বান্ধি আগবাঢ়ি আহিছে, ফলত গ্ৰন্থখনৰ লিখিত ৰূপ দেখিবলৈ আমি সক্ষম হৈছোঁ। তাৰ বাবে ড° বিজযা আমাৰ কৃতজ্ঞতাৰ পাত্ৰী। অকল ইমানেই নহয গ্ৰন্থখনত সংযোজন কৰিবৰ বাবে এষাৰছেৰেক লিখি দিবলৈও তেওঁ মোক অনুৰোধ কৰিছে। তেওঁৰ অনুৰোধ পেলাব নোৱাৰি টৌতে খৰমাৰি এই এষাৰছেৰেক লিখি দিলোঁ।

আমাৰ পণ্ডিতসকলৰ বহুতে একো নকৰে, আনে কৰিলেও বেযা পায। আমি কিন্তু ভাল পাওঁ আৰু ভালে বেযাই লিখিবলৈ কওঁ— চেষ্টা প্ৰচেষ্টা চলাবলৈ কওঁ। ভাল-বেযা দুটা আপেক্ষিক শব্দ— কিমান ভাল, কিমান বেয়া তাৰ সংজ্ঞা বা সূত্ৰ দিব নোৱাৰি। গতিকে মানুহৰ দৃষ্টিভংগী অনুসৰি ভাল-বেযাৰ পৰিসীমা নিৰ্ণীত হয়, তোলাপাৰাও কৰা হয মাজে মাজে। এনে ধৰণৰ কথা-মন্তব্য টিপ্পনি আদিলৈ কাণ নিদি নিজৰ নিজৰ বিদ্যায়তনিক কৰ্মত আগবাঢ়ি যোৱাই আমাৰ একমাত্ৰ লক্ষ্য হোৱা উচিত। ড° বিজযা বৰুৱা তেনে এগৰাকী বিদুষী মহিলা যি গৰাকীযে আমাৰ সদ্য আলোচিত গ্ৰন্থখন ৰচনা কৰিছে বিদ্যায়তনিক দিশ আৰু দায়িত্বৰ প্ৰতি সম্পূৰ্ণ সজাগ হৈ।

ড° (শ্ৰীমতী) বিজয়াই তেওঁৰ গ্ৰন্থখন নটা অধ্যাযত ভগাইছে। ইযাৰ বাহিৰেও গ্ৰন্থখনত পদ্ধতিমূলক গ্ৰন্থপঞ্জী, শব্দ নিৰ্দেশিকা আদিও সংযোজিত হৈছে। প্ৰথম অধ্যাযটি উপক্ৰমণিকা স্বৰূপে আখ্যায়িত হৈছে য'ত ভাৰতীয জীৱনত ৰামায়ণৰ প্ৰভাৱ, মাধৱ কন্দলীৰ চমু পৰিচয়, গৱেষণাৰ পদ্ধতি আদি আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত লোকজীৱন, লোকপৰম্পৰা সম্পৰ্কে আলোচনা কৰা দেখা যায। তৃতীয় অধ্যাযটো পুৰণি অসমীয়া কবিৰ ৰচনাত সমসাময়িক লোকায়ত সমাজৰ প্ৰতিফলনৰ বৰ্ণনত সীমিত। চতুৰ্থ অধ্যায়ত মাধৱ কন্দলীৰ ৰামায়ণৰ কাহিনীভাগত প্ৰতিফলিত লোকায়ত সমলৰাজিক বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছে, যদিও দুই এটা ত্ৰুটিও বৈ যোৱা দেখা যায়। মাধৱ কন্দলীৰ ৰামায়ণৰ চৰিত্ৰ চিত্ৰণত লোকাযত সমলৰ বিষযে আলোচিত হৈছে পঞ্চম অধ্যায়ত। ড° বিজয়াই মাধৱ কন্দলীৰ ৰামায়ণত সমসাময়িক সমাজ জীৱনৰ বিভিন্ন পৰিবেশ সৃষ্টিত লোক সমলৰ

প্ৰতিফলন সম্পৰ্কে বিচাৰ বিশ্লেষণ উপস্থাপন কৰিছে ষষ্ঠ অধ্যাযত। সপ্তম অধ্যায়ত ভাষা আৰু ৰচনাভংগীত লোকসমল সম্পৰ্কীয় বহল আলোচনা উপস্থাপন কৰা দেখা যায। নৱম অধ্যায়টিযে উপসংহাৰৰ ভূমিকা পালন কৰিছে।

গ্ৰন্থখনৰ বিষযবস্তু উপস্থাপন পদ্ধতি আকৰ্ষণীয আৰু বস্তুনিষ্ঠ। বস্তুনিষ্ঠ আলোচনা বা সমালোচনাত দোষ-গুণ দুয়োটাই সমানে গুৰুত্ব পোৱা উচিত। লৌকিকতাৰ সৃষ্টি কৰিবলৈ গৈ যে কন্দলীয়ে অনেক ক্ষেত্ৰত ৰুচিবিহীন বৰ্ণনাৰ আশ্ৰয লৈছে সেই বিষযে ড° বিজযা বৰুৱাই আলোচনা কৰিছে। ভাষা প্ৰায দোষমুক্ত, শব্দ চযনত যথাৰ্থতাই স্থান লাভ কৰিছে, বাক্য নিৰ্মাণ কৌশল নিভাঁজ। ড° বৰুৱাৰ বৰ্ণনাৰীতিত নাই অযথা জটিলতা আৰু অস্পষ্টতা। স্পষ্টতা, প্ৰবহশীলতা, ঋজুতা আদি গুণেৰে ড° বৰুৱাৰ ৰচনাৰীতি সমৃদ্ধ।

ড° (শ্ৰীমতী) বিজয়া বৰুৱাৰ "মাধৱ কন্দলীৰ ৰামায়ণত লোকাযত জীৱন" নামৰ গ্ৰন্থখন সৰ্বজনৰ কাৰণে যে হিতকাৰী হ'ব তাত সন্দেহ নাই, বিশেষকৈ গৱেষক গৱেষিকা, ছাত্ৰ-ছাত্ৰীযে এই গ্ৰন্থখনৰ পৰা অনেক অধ্যয়ন-সমল লাভ কৰিবলৈ সক্ষম হ'ব। প্ৰাক বৈষ্ণৱ যুগৰ কবিসকলৰ সমাজ সচেতনতাৰ নিদৰ্শন দিব পাৰে মাধৱ কন্দলীৰ ৰচনা-নিৰ্মিতিযে আৰু সেই সমাজ সচেতনাক আৰু স্পষ্ট কৰিছে ড° বিজয়াৰ এই গ্ৰন্থখনিযে। আমাৰ ছাত্ৰ-ছাত্ৰী আৰু গৱেষক-গৱেষিকাসকল বিশেষকৈ সমাজ-সংস্কৃতি সাহিত্য চৰ্চাকাৰী ছাত্ৰ-ছাত্ৰীসকলে এই গ্ৰন্থখনৰ জৰিয়তে লাভবান হ'ব পাৰিব বুলি আমাৰ বিশ্বাস। এনে এখন গ্ৰন্থ আমাক পঢ়িবলৈ সুবিধা কৰি দিয়া বাবে ড° (শ্ৰীমতী) বিজয়াক ধন্যবাদ জনাইছোঁ।

'কন্দলী' শব্দটোৰ বানন সম্পৰ্কে বহুতে আপত্তি তোলে— ঈ-কাৰৰ ঠাইত ই-কাৰ হ'ব লাগে । 'কন্দল' শব্দৰ পৰা কন্দলী শব্দৰ উদ্ভৱ । কন্দলত যি পাৰ্গত তেওঁ কন্দলী। কন্দল + ঈ বিশেষণ, গতিকে কন্দলী।

গুৱাহাটী
০১।১০।০৫

ড° নবীন চন্দ্ৰ শৰ্মা
প্ৰফেছৰ এমেৰিটাচ্

— সাহিত্য আৰু সংস্কৃতি সমাজৰ দাপোণ স্বৰূপ —

* * * * * * *

যাৱৎ স্থাস্যন্তি গিৰিযহ্ সৰিতশ্চ মহীতলে।
তাৱৎ ৰামাযণীকথা লোকেষু প্ৰচৰিস্যাতি।।

বাল্মীকি ৰামাযণ ১।২।৩৬

বিষয়-সূচী

ক	নিবেদন			০১-০৪
	আগকথা			
	মানচিত্ৰ	ঃ	চৈধ্য শতিকাৰ অসম	
খ	প্ৰথম অধ্যায়	ঃ	উপক্ৰমণিকা, মাধৱ কন্দলীৰ পৰিচয় গৱেষণাৰ গুৰুত্ব, গৱেষণাৰ পদ্ধতি	১-১০
	দ্বিতীয় অধ্যায়	ঃ	লোকজীৱন আৰু লোকপৰম্পৰা সম্পৰ্কে আলোচনা	১১-২৩
	তৃতীয় অধ্যায়	ঃ	পুৰণি অসমীয়া কবিৰ ৰচনাত সমসাময়িক লোকায়ত সমাজৰ প্ৰতিফলন	২৪-৩৯
	চতুৰ্থ অধ্যায়	ঃ	মাধৱ কন্দলীৰ ৰামায়ণৰ কাহিনীভাগত প্ৰতিফলিত লোকায়ত জীৱন	৪০-৬৪
	পঞ্চম অধ্যায়	ঃ	মাধৱ কন্দলীৰ ৰামায়ণৰ চৰিত্ৰ চিত্ৰণত লোকাযত জীৱন	৬৫-৮৮
	ষষ্ঠ অধ্যায়	ঃ	মাধৱ কন্দলীৰ ৰামায়ণৰ বিভিন্ন পৰিবেশ বৰ্ণনাত লোকজীৱনৰ প্ৰতিফলন	৮৯-১৩৭
			ক) বিভিন্ন ঠাই, ৰাজসভাৰ বৰ্ণনা আৰু নৈসৰ্গিক চিত্ৰণাদি	৯০-৯৩
			খ) শাসন ব্যৱস্থা আৰু সমাজ ব্যৱস্থাৰ বৰ্ণনাত	৯৩-৯৮
			গ) জাতি, বৃত্তি, ব্যৱসায় আদিৰ বৰ্ণনাত	৯৮-১০০
			ঘ) ধৰ্ম, ধৰ্মবিশ্বাস প্ৰসঙ্গত	১০০-০৩
			ঙ) খাদ্য আৰু খাদ্যাভ্যাসাদিৰ বৰ্ণনাত	১০৩-০৬
			চ) সাজ-সজ্জা, অলংকাৰ, প্ৰসাধন আদিৰ বৰ্ণনাত	১০৬-০৯
			ছ) সংগীত, নৃত্য, বাদ্য-যন্ত্ৰাদিৰ বৰ্ণনাত	১০৯-০১০
			জ) খেল-ধেমালি আৰু আমোদ-প্ৰমোদৰ বৰ্ণনাত	১১০-১১
			ঝ) উৎসৱ আৰু আচাৰ-অনুষ্ঠান আদিৰ বৰ্ণনাত	১১১-১১৮

ঞ) ঔষধ, ব্যাধি আদিৰ বৰ্ণনাত ১১৮-২২
ট) শাও-শপনি, অন্ধবিশ্বাস, জ্যোতিষ চৰ্চা, যাদু বিদ্যাদিৰ প্ৰসঙ্গত ১২২-২৯
ঠ) দৈনন্দিন ব্যৱহাৰৰ সামগ্ৰী আৰু আদৰ অভ্যৰ্থনা আদি বৰ্ণনাত ১২৯-৩১
ড) শিল্পকলাৰ বৰ্ণনাত ১৩১
ঢ) অতিৰঞ্জনৰ প্ৰাধান্য ১৩২-১৩৭

সপ্তম অধ্যায় : ভাষা আৰু ৰচনাভঙ্গীত লোকজীৱন ১৩৮
ক) ৰাজ্য শাসন বিষযত প্ৰযোগ হোৱা বিভিন্ন শব্দ ১৪০
খ) আদৰ, অভ্যৰ্থনাৰ প্ৰসংগত প্ৰযোগ হোৱা শব্দৰাজি ১৪০
গ) যুদ্ধাদিৰ অনুষংগত ব্যৱহৃত শব্দৰাজি ১৪০
ঘ) অস্ত্ৰ-শস্ত্ৰ নাম বুজোৱা শব্দৰাজি ১৪০
ঙ) যান-বাহন সম্পৰ্কীয় শব্দ ১৪০
চ) ঘৰুৱা বৰ্ণনাত প্ৰয়োগ হোৱা শব্দ ১৪০-১৪১
ছ) গছ-গছনি, বিবিধ ফল-মুল, তৰু-তৃণৰ নাম বুজোৱা শব্দ ১৪১
জ) চৰাই-চিৰিকতি সম্পৰ্কীয় শব্দ ১৪২
ঝ) জীৱ-জন্তু, পোক-পৰুৱা বুজোৱা শব্দ ১৪২
ঞ) অঙ্গ-প্ৰত্যঙ্গবাচক শব্দ ১৪২
ট) খেল-ধেমালি বুজোৱা শব্দ ১৪২
ঠ) বাদ্য বুজোৱা শব্দ ১৪২
ড) জাতি, ব্যৱসায় সম্বন্ধীয় শব্দ ১৪২
ঢ) দৈনন্দিন ব্যৱহাৰৰ সামগ্ৰী নিৰ্দেশক শব্দ ১৪২
ণ) ধৰ্ম, ধৰ্মবিশ্বাস সম্বন্ধীয় শব্দ ১৪৩
ত) সংস্কাৰ সম্বন্ধীয় শব্দ ১৪৩
থ) অপৰাধ বিষয়ক শব্দ ১৪৩
দ) আচাৰ-অনুষ্ঠানৰ লগত জড়িত শব্দ ১৪৩
ধ) গালি-শপনি বুজোৱা শব্দ ১৪৩
ন) মাৰ-কিল বুজোৱা শব্দ ১৪৩

	প) ৰোগ, ব্যাধি সম্পৰ্কীয় শব্দ	১৪৪
	ফ) শিক্ষা, সাহিত্য, সুকুমাৰ কলা সম্বন্ধীয় শব্দ	১৪৪
	ব) বিবিধ বিষয়ক শব্দ	১৪৪
	প্ৰয়োগ হোৱা শব্দসমূহৰ উৎস অনুসৰি বিভাগ	১৪৪
	ক) তৎসম শব্দ	১৪৫
	খ) অৰ্দ্ধ তৎসম	১৪৫
	গ) তদ্ভৱ শব্দ	১৪৬
	ঘ) অনা আৰ্য্যমূলীয়	১৪৬-৪৮
	ঙ) সৰল-ধ্বন্যাত্মক শব্দ	১৪৮
	চ) দ্বিৰুক্তিমূলক ধ্বন্যাত্মক শব্দ	১৪৮
	ছ) অজ্ঞাতমূলৰ পৰা অহা শব্দ	১৪৮
	জ) আন নব্যভাৰতীয় আৰ্য ভাষাৰ শব্দ	১৪৯
	ঝ) আৰবী-ফাৰ্চীমূলীয় শব্দ	১৪৯
	ঘৰুৱা প্ৰবচনৰ উদাহৰণ	১৫০-১৫৫
	অলংকাৰৰ প্ৰয়োগ	১৫৫-১৬২
	ছন্দ সজ্জা	১৬২-১৬৪
অষ্টম অধ্যায় :	অসমৰ পৰম্পৰাগত লোকজীৱনত মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ	১৬৫
	ক) লোকগীত	১৬৬-১৬৭
	বাৰমাহী গীত	১৬৭-১৭৫
	ধৰ্মীয় গীত	১৭৫-১৭৬
	হুচৰি নাম বা হুচৰি কীৰ্তন	১৭৬
	ঢোল, মৃদং আৰু ওজাপালি বাদৰ মালিতা	১৭৭-১৭৮
	নাওখেলোৱা গীত বা নাৱৰীয়া গীত	১৭৮-১৭৯
	বিয়া নাম	১৮১-১৮২
	নিচুকণি গীত	১৮৩
	তুলসী গীত	১৮৩
	শিৱ শিৱ গীত	১৮৪
	মন্ত্ৰপুথিৰ পদ	১৮৫

	খ) পৰবৰ্তী লিখিত সাহিত্যত মাধৱ কন্দলীৰ ৰামাযণৰ প্ৰভাৱ	১৮৫-১৮৯
	গ) আনুষ্ঠেয় কলা	১৮৯
	ওজাপালি	১৮৯-১৯০
	ঢুলীয়াৰ চং	১৯০
	পুতলা নাচ	১৯১
	খুলীয়া ভাউৰীয়া	১৯১
	ভাওনা অনুষ্ঠান	১৯২
	কুশান গান	১৯৩
	ভাৰ্বী গান	১৯৩
	ভাস্কৰ্য্য আৰু চিত্ৰশিল্পত কন্দলী ৰামায়ণৰ প্ৰভাৱ	১৯৪-১৯৭
নৱম অধ্যায় :	উপসংহাৰ	১৯৮-২০৫
	ক) গ্ৰন্থপঞ্জী	২০৬-২১৬
	খ) নিৰ্ঘণ্ট	২১৭-২২৪
	গ) আলোক চিত্ৰ	২২৫-২২৯

—০০০—


চৈধ্য শতিকাৰ
অসম
হিমালয় পৰ্ব্বতমালা
ভোটান
চীন দেশ
মিৰি
আবৰ
মিচিমি
ডুফলা
অকা
চুটীয়া ৰাজ্য
কমতাপুৰ ৰাজ্য
কছাৰী ৰাজ্য
গাঁৰো
পাহাৰ
খাচিয়া
জয়ন্তীয়া ৰাজ্য
গৌড়
মৈমনসিং
মনিপুৰ
ব্ৰহ্মদেশ
পাটকাই
নগা ৰাজ্য
চিংলৌ
ত্ৰিপুৰা
লুচাই
পৰ্ব্বত

* * * * * * *

প্ৰতিখন কিতাপৰ আঁৰত একোজন মানুহ আছে। মানুহজনৰ আঁৰত এটা জাতি আছে। জাতিটোৰ আঁৰত প্ৰাকৃতিক আৰু সামাজিক বাতাবৰণ আছে। অজ্ঞাতসাৰে এই আটাইবোৰৰ প্ৰভাৱ একোখন কিতাপত প্ৰতিফলিত হয়।

—লণ্ড

* * * * * * *

।। প্ৰথম অধ্যায় ।।

উপক্ৰমণিকা

ক ৰামায়ণৰ প্ৰভাৱ

ভাৰতীয় সভ্যতা সংস্কৃতি, কলা-সাহিত্যত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰা গ্ৰন্থসমূহৰ ভিতৰত মহাকাব্য 'ৰামায়ণ' নিশ্চিতভাৱে অন্যতম। ভাৰতীয় সংস্কৃতিত আৰু ভাৰতীয় জীৱন যাত্ৰাত 'ৰামায়ণ' মহাকাব্যৰ প্ৰণেতা মহৰ্ষি বাল্মীকিক 'আদিকবি' ৰূপে জনা যায়।[১] ভাৰতীয় সভ্যতা-সংস্কৃতি, ৰাজনীতি-সমাজনীতি, অৰ্থনীতি, বুৰঞ্জী, ভূগোল, নৃতত্ত্ব তথা জাতীয় জীৱনৰ দৰ্শন স্বৰূপ— এই মহান গ্ৰন্থখনি বিভিন্ন দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰিব পাৰি।

প্ৰাচীন কালৰেপৰা জাতীয় জীৱনৰ ঐতিহ্য বহনকাৰী বিচিত্ৰ জ্ঞানৰ ভাণ্ডাৰ স্বৰূপ, বিশ্বজনীন চৰিত্ৰৰাজিৰ অপূৰ্ব সমাৱেশ ৰাম-কথাৰ এটি অব্যাহত সোঁত ভাৰতীয় বিভিন্ন ভাষা সংস্কৃতিৰ জড়িযতে প্ৰবাহিত হৈ আহিছে। ভাৰতীয় ইতিহাসত ৰাম-কথাৰ সৃষ্টি আৰু বিস্তৃতি প্ৰথমে মৌখিক পৰম্পৰাৰ (Oral tradition) ভিত্তিতহে হয়। আদিকবি বাল্মীকিয়ে 'ৰামায়ণ' ৰচনা কৰাৰ আগৰেপৰা ৰাম-কাহিনী কাহিনী-গীত (Ballad) ৰূপে চলি আহিছিল।[২] ৰাম সীতাৰ কাহিনীৰ লগত সাদৃশ্য থকা বা সেই কাহিনীৰ সমধৰ্মী বহুতো পুৰাণ-কথা (Myth) প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন জাতি আৰু ভাষাত প্ৰচলিত থকাৰ উদাহৰণ সুকুমাৰ সেনে প্ৰদৰ্শন কৰিছে।[৩] সত্যেন্দ্ৰনাথ শৰ্মাই ৰাম-কথাৰ বিভিন্ন উৎসৰ কথা উনুকিয়াই এইদৰে মন্তব্য কৰে যে, ৰাম-কথাৰ বিভিন্ন স্ৰোতৰপৰা অনুমান কৰিলে বোধকৰো ভুল নহ'ব যে, বাল্মীকিৰ আগৰপৰা প্ৰচলিত হৈ অহা বিভিন্ন ৰাম-কথাৰ কোনো এটি পৰম্পৰাক আদি কবিয়ে স্বকবি প্ৰতিভাৰ দ্বাৰা পৰিমাৰ্জিত আৰু কাব্যিক সৌন্দৰ্য্যৰে বিভূষিত কৰি আদৰ্শাত্মক মহাকাব্যিক ৰূপলৈ ৰূপান্তৰণ কৰে।[৪] ৰাম-কথাৰ এই মৌখিক পৰম্পৰাৰ সম্পূৰ্ণ প্ৰভাৱ পিছলৈ সৃষ্টি হোৱা প্ৰাদেশিক ভাষাৰ 'ৰামায়ণ'

১। সত্যেন্দ্ৰনাথ শৰ্মা : ৰামায়ণৰ ইতিবৃত্ত, পৃ ২

২। "From the internal evidence in the Ramayana it is evident that the Ramayana epic, before being reduced to writing, was in a ballad form, and was sung in assemblies - A D. Pusalkar "The Ramayana Its History and character" in Cultural Heritage of India, Vol II, pp 20-21

৩। সুকুমাৰ সেন : ৰামকথাৰ প্ৰাক্ ইতিহাস, পৃ ৫৫

৪। সত্যেন্দ্ৰনাথ শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ, পৃ ১১

সমূহৰ ওপৰতো বিযপি পৰা দেখা যায়। 'ৰামাযণ'ৰ মূল বা আদিৰূপৰ জঁকাটোত পৰৱৰ্তীকালত বিভিন্ন পৰিবেশত, বিভিন্ন লেখকৰ সমল সংযোজিত হৈছে। তাৰ ফলত বিভিন্ন লেখকৰ 'ৰামাযণ'ত কিছুমান পৰিৱৰ্তনে দেখা দিযা স্বাভাৱিক। সাম্প্ৰদাযিক দৃষ্টিভংগী, ধৰ্মীয তথা দাৰ্শনিক আদৰ্শ, ভৌগোলিক আৰু স্থানীয় ঐতিহ্যৰ প্ৰভাৱে এনে পৰিৱৰ্তনত সহায কৰিছে।

খৃীঃ নৱম-দশম শতিকা মানৰ পৰা প্ৰান্তীয ভাষাৰ বিকাশ ঘটাৰ লগে লগে প্ৰান্তীয ভাষাতো ৰামাযণ ৰচিত হ'বলৈ ধৰে। খ্ৰীঃ নৱম শতাব্দীতে কম্বানে (Kamban) তামিল ভাষাত ৰামাযণ' ৰচকৰূপে স্থান অধিকাৰ কৰিছে। খ্ৰীঃ এঘাৰ শতিকাত জৈন ধৰ্মাৱলম্বী পণ্ডিত হেমচন্দ্ৰ আচাৰ্য্যই 'জৈন ৰামাযণ' ৰচনা কৰে। খ্ৰীঃ দ্বাদশ শতিকাত কানাডী ভাষাত 'ৰামাযণ'ৰ ভাঙনি হয। অসমীযা জাতীয কবি মাধৱ কন্দলীয়ে খ্ৰীঃ চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্ধত বাল্মীকি ৰামাযণ অসমীযা সাজ-পাৰেৰে প্ৰণযন কৰি যুগজযী কীৰ্তি অৰ্জন কৰিছে। বঙলা ভাষাৰ কবি কৃত্তিবাসে (কৃত্তিবাসী ৰামাযণ) খ্ৰীঃ পঞ্চদশ শতাব্দীত ৰচনা কৰে। কাশ্মীৰত কাশ্মীৰী ভাষাত ৰামাযাণ ৰচনা হোৱাৰ পূৰ্বে উৰ্দু ভাষাত 'মসিহি ৰামায়ণ' ৰচিত হৈছিল। গুজৰাটী ভাষাতো খ্ৰীঃ ১৫/১৬ শতিকাতে ৰাম-কাহিনী ৰচিত হোৱাৰ প্ৰমাণ পোৱা যায। পঞ্জাৱী ভাষাতো শিখগুৰু গোবিন্দই ৰচনা কৰিছিল পঞ্জাৱী ৰামাযণ 'ৰামাৱতাৰ'। নেপালী কবি ভানুভক্তৰ নেপালী 'ৰামাযণ' অৰ্বাচীন কিন্তু জনপ্ৰিয়। অসমৰ পূব-প্ৰান্তত অৱস্থিত মণিপুৰত বঙালী কৃত্তিবাসী 'ৰামায়ণ'ৰ অনুকৰণত কবি অঙ্গোম গোপযে খ্ৰীঃ ১৮ শ শতিকাত মণিপুৰী ৰামায়ণ ৰচনা কৰে। তেনেকৈ মাৰাঠী, মালাযলম আদি ভাষাতো মধ্যযুগৰ ভিতৰতে একাধিক 'ৰামাযণ' ৰচিত হয। তদুপৰি এই প্ৰান্তীয ভাষাবোৰত ৰামাযণ কাহিনীৰ অৱলম্বনত বিবিধ সৰুবৰ কাব্য, কাহিনী, নাটক, আখ্যান আৰু গীত-পদ ৰচিত হৈছিল।[৫] ভাৰতীয ৰামাযণী সাহিত্যৰ ইতিহাস লক্ষ্য কৰিলে দেখা যায যে, উত্তৰ-পূব ভাৰতৰ প্ৰান্তীয ভাষাসমূহৰ ভিতৰত মাধৱ কন্দলীৰ দ্বাৰা অনূদিত অসমীযা ৰামাযণেই প্ৰথম প্ৰান্তীয ভাষাত ৰচিত ৰামাযণ।

খ্ৰীঃ চতুৰ্দশ শতিকাত মাধৱ কন্দলীয়ে ৰামাযণৰ ৰাম-কথাৰ লিখিত পৰম্পৰাৰ সৃষ্টি কৰিলেও তাৰ আগতে অসমত মৌখিক পৰম্পৰাত ৰাম-কথাৰ প্ৰচলন থকাৰ অনুকূলে মত পোষণ কৰিব পাৰি। ইযাৰ প্ৰমাণ স্বৰূপে অসমীয়া লোক-সমাজত মৌখিক ৰূপত প্ৰচলিত ৰামকথা সম্পৰ্কত গীত-পদ, সাধুকথা, জনশ্ৰুতিমূলক কাহিনী, প্ৰবাদ-প্ৰবচন, যোজনা-পটন্তৰ, লোকবিশ্বাস, মন্ত্ৰ আদিলৈ আঙুলিয়াব পাৰি। অসমীয়া লোক জীৱনত 'ৰামাযণ'ৰ প্ৰভাৱ লক্ষ্য কৰিযেই উপেন্দ্ৰচন্দ্ৰ লেখাৰুৱে সমীচীন মন্তব্য প্ৰকাশ কৰিছে — অসমীযা বিযাগীত, গৰখীয়াগীত, মন্ত্ৰপুথি আদিতো ৰামায়ণী কথাই বিশেষ

৫। শশী শৰ্মা ঃ মাধৱ কন্দলিৰ ৰামাযণ, পৃ ২৩

সহায় কৰিছে। 'ৰামকৰতি' নামৰ স্বতন্ত্র এখন কৰতি পুথিয়েই আছে। বিয়াৰ তৃতীয়দিনা দৰা-কন্যাক পাঠ কৰি শুনোৱা "খোৱা-খোৱী" পুথিৰ মূলতো ৰামায়ণ আখ্যান। বিয়ানামত দৰা-কন্যাক ৰাম-সীতাৰ লগত তুলনা কৰা হয়। এইবোৰৰ পৰাই অসমীয়া-জীৱনৰ লগত ৰামায়ণৰ সম্বন্ধ প্রকাশ পায়।[৬] অসমত ৰামায়ণৰ কাহিনী কিমান প্রাচীন সঠিককৈ কোৱা টান। সমাজ-বিজ্ঞানীসকলৰ মতে মন্ত্রই হ'ল মানুহৰ প্রাচীনতম সাহিত্যকৃতি। এই মন্ত্রতেই যেতিয়া 'ৰামায়ণ'ৰ কাহিনী ছবি, চৰিত্র আদিৰ চিত্রণ সম্ভৱপৰ হৈছিল, তেতিয়া অসমত ৰামাযণী কাহিনীৰ প্রচলন কিমান প্রাচীন তাক অনুভৱ কৰিব পাৰি।[৭]

'কালিকা পুৰাণ'ত চিত্রিত ৰামাযণৰ কাহিনীযেই অসমত প্রাচীনতম ৰামকথাৰ লিখিত নিদর্শন। অসমৰ জনজাতিসকলৰ ভিতৰত কাৰবি লোকজীৱনৰ লগত সংগতি ৰক্ষা কৰি ৰচনা কৰা কাৰবি ৰামাযণ 'ছাবিন আলুন" প্রকৃততে কিমান পুৰণি সঠিককৈ কোৱা টান। মেজৰ শেক্সপিযেৰে সংগ্রহ কৰি প্রকাশ কৰা 'Mizo Leh Vai Thongthu' (মিজো আৰু অনা মিজো সাধু) বোলা গ্রন্থত সন্নিবিষ্ট 'Khena Ramate Unso Thongthu' (খেনা (লক্ষ্মণ) আৰু ৰামৰ-সাধু)ৰ পৰাও জনা যায় যে, মিজোসকলৰ মাজতো বহুদিন আগৰেপৰা ৰামকথাৰ আদৰ আছিল। তেনেদৰে ভেৰিয়াৰ এলুইনে 'Myth of the North Eastern Frontier of India' (উত্তৰ-পূব সীমান্তৰ পুৰাকথা)ত মিছিমিসকলৰ মাজত প্রচলিত ৰাম-কথাৰো সম্ভেদ দিছে।[৮] খামটিসকলৰ মাজত প্রচলিত ৰামকথা "লি-চাও-লামান" বা "চাও-আলম-লামান" ৰূপে জনাজাত।[৯] খামটি ৰামকথাত বৌদ্ধ প্রভাৱ স্পষ্ট।

ওপৰৰ আলোচনাৰ পৰা অনুমান কৰিব পাৰি যে, দূৰ অতীতৰে পৰা অসম আৰু ইয়াৰ ওচৰ-চুবুৰীযা সমাজত ৰাম-কথা পৰম্পৰাগতভাৱে চলি আহিছে। ৰাম আৰু ৰাম-কথা বা 'ৰামাযণ' অসমৰ জনগণৰ মাজত ইমান প্রিয় যে জাতি, প্রজাতি, জনজাতি নির্বিশেষে নিজ সন্তানৰ নাম ৰাম নামেৰে (ৰামচন্দ্র, ৰামনাথ, ৰামচৰণ, ৰামদাস ইত্যাদি); আনকি বহুতে নামৰ পাছত 'ৰাম' শব্দও সুমুৱায় লয় (তৰুণৰাম, কামাখ্যাৰাম, লক্ষ্মীৰাম ইত্যাদি)। অসমৰ ইছলামধর্মীসকলৰ মাজত ৰামৰ জনপ্রিয়তা আছিল কাৰণে নামৰ পিছত ৰাম শব্দ সুমুৱাই ৰাখিছিল, যেনে- সম্বৰুৰাম স্বেখ ইমানেই নহয়, অসমীয়া মানুহে ৰাম শব্দ ভাববোধক আৰু আশ্চৰ্য্যবোধ অব্যয় ৰূপেও ব্যৱহাৰ কৰে যেনে- 'উঃ ৰাম',

৬। উপেন্দ্রচন্দ্র লেখাৰু : অসমীয়া ৰামায়ণ সাহিত্য, পাতনি, পৃ ০২
৭। শশী শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৩
৮। শশী শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ, পৃ ২৪
৯। B K Deva Goswami A Critical Study of the Ramayana Tradition of Assam.(upto 1826 AD), p 104

'ইচৰাম' ইত্যাদি ।এই কথা অসমৰ পৰ্বত-ভৈয়াম ব্যাপী থকা জনজাতীয ভাষা-ভাষী লোক সকলৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য ।।

খ মাধৱ কন্দলীৰ চমু পৰিচয় ঃ

ৰাম-কথাৰ চিৰ প্ৰৱাহিত সুঁতিত ঐতিহাসিক স্থান লাভ কৰা অসমীয়া জাতীয কবি মাধৱ কন্দলী পুৰণি অসমীয়া সাহিত্যৰ এগৰাকী প্ৰথিতযশা পণ্ডিত কবি। কিন্তু কবি মাধৱ কন্দলীৰ কাল, স্থান আৰু ৰচনাকৃতিক লৈ এতিযাও খেলি-মেলি আঁতৰ হোৱা নাই। কন্দলীৰ আত্ম-পৰিচয থকা দুফাকি পদ মাত্ৰ 'লংকাকাণ্ড'ত পোৱা যায় ঃ

কবিৰাজ কন্দলি যে আমাকেসে বুলিবয
কৰিলোহো সৰ্বজনবোধে।
ৰামাযণ সুপযাৰ শ্ৰীমহামাণিক্য যে
বৰাহ ৰাজাৰ অনুৰোধে।।
সাতকাণ্ড ৰামাযণ পদবন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সৰোদ্ধৃত।
মহামাণিক্যৰ বোলে কাব্যৰস কিছো দিলো
দুগ্ধত মথিলে যেন ঘৃত।।[১০]

আত্ম-পৰিচযত যদিও কন্দলীযে সাতকাণ্ড ৰামাযণ পদবন্ধে নিবন্ধিলো' বুলি কৈছে, তথাপিও প্ৰচলিত 'ৰামাযণ'ৰ মাথোন পাঁচোটা কাণ্ডহে তেওঁৰ ৰচনা বুলি নিশ্চিতভাবে জনা গৈছে। আন দুটা কাণ্ড-আদি আৰু উত্তৰকাণ্ড পিছৰ কালত মাধৱদেৱে আৰু শংকৰদেৱে সংযোগ কৰি কন্দলী ৰামাযণ সম্পূৰ্ণ কৰিছে।[১১] আনহাতে আত্ম-পৰিচযৰ পৰা এটা কথা স্পষ্ট হৈছে যে, তেওঁ 'বৰাহ ৰজা' মহামাণিক্যৰ অনুৰোধক্ৰমে মূল ৰামাযণৰ সাৰভাগ লৈ সৰ্বজনৰ বোধগম্যতাৰ বাবে কিছু কাব্যৰস সংযোগ কৰিছে। ইযাৰ পৰাই সহজে বুজিব পাৰি যে, মাধৱ কন্দলীযে বৰাহ-ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। সেয়ে মহামাণিক্য ৰজাৰ ৰাজত্বৰ সময নিৰ্ণয় কৰিব পাৰিলেই মাধৱ কন্দলীৰ কাল সম্পৰ্কে জানিবলৈ অসুবিধা নহয়।

কন্দলীৰ পৃষ্ঠপোষক মহামাণিক্য ৰজাৰ বংশ তথা ৰাজত্বকাল সম্পৰ্কে স্পষ্ট তথ্য দাঙি ধৰিবৰ বাবেও পৰ্যাপ্ত সমলৰ অভাৱ। সেযে মহামাণিক্য ৰজাৰ ৰাজত্বকাল সম্পৰ্কে বিভিন্নজন পণ্ডিতে প্ৰাপ্ত সমলৰ ওপৰত ভিত্তি কৰি বিভিন্ন মত আগবঢাইছে। অৱশ্যে সৰহভাগ পণ্ডিতৰ মতেই মহামাণিক্য কছাৰী বংশৰ ৰজা। সত্যেন্দ্ৰনাথ শৰ্মাই মহামাণিক্য

১০। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড, ৬৭১০
১১। উপেন্দ্ৰচন্দ্ৰ লেখাৰু (সম্পা) - 'কথা-গুৰুচৰিত', পৃ ১১৯

ৰজাৰ সম্পৰ্কে মন্তব্য কৰে যে, 'বৰাহ বা বাৰাহ' ৰজা সম্ভৱতঃ বৃহৎ মঙ্গোলীয় প্ৰজাতিৰ কছাৰী শাখাৰ এটা ঠেঙুলি আছিল আৰু তেওঁলোক বৰাহী নামে পৰিচিত হৈছিল। এই ঠেঙুলিটোৱে প্ৰাচীন অসমৰ ৰজাসকলৰ দৰে ভগৱানৰ বৰাহ অৱতাৰৰ লগত উৎপত্তি দেখুৱাবলৈ 'বাৰাহ' বা 'বৰাহী' বুলি চিনাকি দিছিল। এওঁলোকৰ ৰজাসকলে হিন্দু সংস্কৃতি গ্ৰহণ কৰি কপিলী উপত্যকাৰ ডবকা, যোগীজান অঞ্চলত খ্ৰীঃ ত্ৰয়োদশ চতুৰ্দশ শতিকাত এটা উন্নত হিন্দু সভ্যতা গঢ়াত সহায় কৰিছিল আৰু ৰজাসকলে 'মাণিক্য' উপাধি গ্ৰহণ কৰিছিল। এই ঠালৰে আন এটা শাখাই প্ৰথমতে বৰাক উপত্যকাত আৰু পাছত ত্ৰিপুৰা অঞ্চলতো ৰাজত্ব কৰিছিল।[১২]

বাণীকান্ত কাকতিয়ে মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ ভাষাৰ ভেঁটিত আলোচনা কৰি কয় যে, কন্দলীৰ 'ৰামায়ণ'ৰ ভাষা কোনো পধ্যেই খ্ৰীঃ চতুৰ্দশ শতিকাৰ পিছৰ হ'ব নোৱাৰে।[১৩] মহামাণিক্য বিষয়ক বিভিন্ন পণ্ডিতে আগবঢ়োৱা তথ্য আৰু ভাষাগত দৃষ্টিভংগীৰ আধাৰতে ক'ব পাৰি যে, মাধৱ কন্দলী কোনোপধ্যে চতুৰ্দশ শতিকাৰ পাছৰ কবি হ'ব নোৱাৰে। কন্দলীৰ জন্ম-স্থান, তাৰিখ বা মৃত্যুৰ সময় থাটাংকৈ নিৰ্ধাৰণ কৰিব পৰা নহ'লেও তেওঁ যে শংকৰদেৱৰ আগৰ কবি আছিল সেই সম্পৰ্কে স্পষ্ট তথ্য দাঙি ধৰিছে উত্তৰাকাণ্ডত শংকৰদেৱে কন্দলীৰ কবি প্ৰতিভাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ পৰা ঃ

পূৰ্ব কবি অপ্ৰমাদী মাধৱ কন্দলী আদি
তেহে বিৰচিলা ৰামকথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহয় অৱস্থা ।।[১৪]

'কবিৰাজ' ৰূপে খ্যাত এই পণ্ডিতজনাৰ সাহিত্য-কৃতিৰ বিষয়েও সম্পূৰ্ণ তথ্য পোৱা নাযায়। অসমীয়া ভাষাত অনূদিত 'ৰামায়ণ' আৰু কবি গৰাকীৰ নামত প্ৰচলিত 'দেৱজিত' নামৰ কাব্যখনিৰ বাহিৰে তেওঁৰ আন কাব্যৰ সন্ধান এতিয়ালৈকে উলিয়াব পৰা হোৱা নাই। আনকি 'দেৱজিত' খনো তেওঁৰ ৰচনা বুলি মানি ল'বলৈ বহুতে টান পায়। শৈলেন ভৰালীয়ে 'দেৱজিত' ৰচয়িতা আৰু ৰামায়ণ অনুবাদক মাধৱ কন্দলী একেজন হোৱাই স্বাভাৱিক বুলি উল্লেখ কৰিছে।[১৫]

একান্ত ৰামভক্ত, বৈষ্ণৱ কবি নিজকে বিপ্ৰ বা দ্বিজবৰ মাধৱ কন্দলী বুলি পৰিচয় প্ৰদান কৰা গৰিমাশালী কাব্যকাৰগৰাকী এজন শ্ৰেষ্ঠ ব্ৰাহ্মণ কবি শিৰোমণি। তেওঁ কবিৰাজ উপাধিটো সম্ভৱতঃ তেওঁৰ পৃষ্ঠপোষক ৰজাৰ পৰা বা কোনো পণ্ডিত সমাজৰ পৰা কবি

১২। সত্যেন্দ্ৰনাথ শৰ্মা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ ২৫২-৫৩
১৩। B Kakati Assamese, Its Formation and Development, p 14
১৪। শংকৰদেৱ ঃ উত্তৰাকাণ্ড, পদ-৭০৪১
১৫। শৈলেন ভৰালী ঃ দেৱজিত, ভূমিকা পৃ ১৪-১৫

বা পণ্ডিতৰূপে লাভ কৰা স্বীকৃতি। আনফালে 'কন্দলী' উপাধিত কেইবাজনো প্ৰাচীন অসমীয়া কবিৰ (ৰুদ্ৰ কন্দলী, অনন্ত কন্দলী, শ্ৰীধৰ কন্দলী, ৰুচিনাথ কন্দলী) আৰু কেইবাজনো আহোম ৰজাৰ কটকীৰ (ৰত্ন কন্দলী, মাধৱ কন্দলী, সাগৰ কন্দলী, চন্দ্ৰ কন্দলী)ৰ নাম বুৰঞ্জীত পোৱা যায়। উল্লেখযোগ্য যে কন্দলী কবি কেইজন খ্যাতিসম্পন্ন পণ্ডিত আৰু ৰজাৰ কটকী বুলিলেও সুশিক্ষিত পণ্ডিত লোকৰ কথাকেই ইংগিত কৰে। অনন্ত কন্দলীয়ে নিজৰ বিষয়ে লিখিছিল— 'তৰ্কত লভিলা নাম অনন্ত কন্দলী'। সেয়েহে অনুমান কৰিব পাৰি যে কন্দলী উপাধিটো মাধৱ কন্দলীৰ পাণ্ডিত্যৰ পৰিচায়ক।

আন যি কি নহওক, আমি এটা কথা সঠিককৈ ক'ব পাৰো যে প্ৰথিতযশা পণ্ডিত কবি গৰাকীয়ে মহামাণিক্য ৰজাৰ পৃষ্ঠপোষকতাত সংস্কৃত ভাষাত ৰচিত বাল্মীকি ৰামায়ণখনি কামৰূপীয় ভাষাত অনুবাদ কৰে। 'কন্দলী বোলন্ত মহামাণিযে শুনন্ত'- এনে উক্তিৰ পৰা ৰামায়ণৰ পদখিনি কবিয়ে ৰজাৰ আগত আবৃত্তি কৰাৰ দৃশ্য কল্পনা কৰিব পাৰি। তেওঁ মূল ৰামায়ণৰ অধ্যায় বিভাগ পৰিহাৰ কৰি একোটা প্ৰসংগ শেষ হোৱাৰ লগে লগে 'মাধৱ বোলন্ত ঐত আছো এহিমান' বুলি নতুন বিষয়লৈ আগবাঢ়িছিল।

মাধৱ কন্দলীৰ অসমীয়া 'ৰামায়ণ' মূলতঃ অনুবাদ বা ভাবানুবাদ। কন্দলীয়ে অবিৰতভাৱে মূলৰ কাষ চাপি মূলৰ কথাখিনি চমু কৰিবলৈ আৰু তেওঁৰ ৰচনাত মনেসজা কথা (লম্ভা) পৰিবেশন নকৰিবলৈ যত্ন কৰিছে। তেওঁ নিজা অনুবাদৰীতিৰ বিষয়ে এইদৰে প্ৰকাশ কৰিছে।

কবিসব নিবন্ধয় লোক ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে।।
দৈববাণী নুহি ইটো লৌকিকহে কথা।
এতেক ইহাৰ দোষ নলৈবা সৰ্বথা ।। [১৬]

অনুবাদৰীতি সম্বন্ধীয় কন্দলীৰ উক্ত ঘোষণা অতি কৌশলপূৰ্ণ। যদিও মূল বাল্মীকি ৰামায়ণৰ প্ৰতি সম্পূৰ্ণ আনুগত্য প্ৰকাশ কৰি কবিজনাই অসমীয়া ৰামায়ণ সৃষ্টি কৰিছিল, তথাপিও অসমীয়া ৰামায়ণক অসমীয়া সাজ-পাৰ পিন্ধাই অসমীয়া আ-অলংকাৰেৰে অলংকৃত কৰিহে অসমীয়া সমাজ জীৱনলৈ আগবঢ়াইছিল। এইখিনিতেই কবিজনাৰ মৌলিক সৃজনী প্ৰতিভাৰ কৃতকাৰ্য্যতা প্ৰতিফলিত হয়। অসমীয়া 'ৰামায়ণ' ৰচনা প্ৰসংগত তেওঁ 'লোক-ব্যৱহাৰ'ৰ আদৰ্শৰ পৰা এখোজো আঁতৰি যোৱা নাই। তেওঁ লোক-জীৱনৰ উপযোগীকৈ আৰু লোকজীৱনৰ ভেটিতেই ৰামায়ণ ৰচনা কৰিছিল।

কবি কন্দলী অসাধাৰণ প্ৰতিভা সম্পন্ন আৰু সুকৌশলী আছিল। কন্দলীৰ ৰামায়ণত প্ৰক্ষিপ্ততা বা কন্দলীৰ মৌলিক সংযোজনা নাই বুলি কোৱাও টান। তথাপি তেওঁ প্ৰকাশ কৰিছে—

১৬। মাধৱ কন্দলী : ৰামায়ণ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩১৯১-৯৩

পুস্তক বিচাৰি যেৱে তৈত কথা নপৱাহা
তেৱে সৱে নিন্দিবা আমাক।[১৭]

তেওঁ মৌলিক সংযোজনা নাই কৰা বুলি দায়-দোষ এৰাই থৈছে যদিও "মহামাণিক্যৰ বোলে কাব্যৰস কিছো দিলোঁ"[১৮] বুলি লোক-ব্যৱহাৰৰ উদ্দেশ্যেকো কাব্যত প্ৰাধান্য দিছে। সেযেহে লৌকিকতা কন্দলী ৰামায়ণৰ অন্যতম প্ৰধান বৈশিষ্ট্য। অৱশ্যে কন্দলীয়ে সংযোগ কৰা মৌলিক সংযোজনাই বাল্মীকি ৰামায়ণৰ মূল কাহিনীক ক'তো বিকৃত কৰা নাই। আদিৰ পৰা অন্তলৈকে সমস্ত ৰামায়ণত কন্দলীৰ সশ্ৰদ্ধ আনুগত্য সম্পূৰ্ণ প্ৰকাশ পাইছে। বাল্মীকি ৰামাযণৰ মূল কাহিনীক অকণো আঘাত নকৰাকৈ কন্দলীৰ লৌকিক-স্পৰ্শই অসমীযা ৰামায়ণক অতি আকৰ্ষণীয় কৰিহে তুলিছে।

মাধৱ কন্দলীৰ ৰচনা-ৰীতি স্বাভাৱিক, সুৱলা আৰু মনোগ্ৰাহী। অনুবাদৰ বান্ধোনে তেওঁৰ বৰ্ণনাৰ স্বাভাৱিকতাক পংগু কৰিব পৰা নাই। তেওঁৰ প্ৰাকৃতিক দৃশ্য, স্থান, মানৱ-সৌন্দৰ্য্য, কুৎসিৎ ৰূপ আৰু যুদ্ধ-বিগ্ৰহ আদিৰ বৰ্ণনা অতি হৃদয়গ্ৰাহী আৰু ৰসাল। সুন্দৰাকাণ্ড আৰু অযোধ্যাকাণ্ডত এনে চিত্ৰ বিশেষভাৱে পোৱা যায়। কন্দলীৰ ৰামায়ণত পৰিৱেশন কৰা লংকাৰ বৰ্ণনা, বিভিন্ন ফুল-ফল গছ আদিৰে চিত্ৰিত নৈসৰ্গিক চিত্ৰ আদি নিখুঁত আৰু চমৎকাৰ।

কন্দলীৰ অসমীয়া ৰামায়ণত সমসাময়িক লোকজীৱনৰ লগে লগে সমাজ-জীৱনৰো পৰিস্ফুৰণ ঘটিছে। চৈধ্য শতিকাৰ অসমীয়া সমাজ-জীৱনত প্ৰচলিত বৰ্ণাশ্ৰম ধৰ্মকে আদি কৰি বিভিন্ন জাতি, বৰ্ণ, বৃত্তিৰ উল্লেখ পোৱা যায় কন্দলীৰ ৰামায়ণত। সেইবোৰৰ ভিতৰত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, কায়স্থ আদিৰ উপৰিও তেলী, তাঁতী, সোণাৰী, কঁহাৰ, শংখাৰি, বণিযা, চমাৰ, সূতাৰ, ধোবা, হাড়ি আদিৰ উল্লেখ মনকৰিবলগীয়া। কন্দলীয়ে উপস্থাপন কৰা স্থানীয় ধৰ্মবিশ্বাস দেৱ-দেৱী, মন্ত্ৰ, ৰক্ষামন্ত্ৰ আৰু গণপতিৰ ঘট আদিৰ উল্লেখে সমসাময়িক সমাজখনক আমাৰ চকুৰ আগত দাঙি ধৰে। কাহিনীভাগত সন্নিবিষ্ট অন্ত্যেষ্টিক্ৰিয়াৰ বৰ্ণনাত আম-কাঠেৰে (আমগাণ্ডি) শৱ দাহ কৰা 'খোচনি দাণ্ডি' ব্যৱহাৰ কৰা দশপিণ্ড, কাকবলি, স্নান বলি আদিৰ কথাই সামাজিক আচাৰ-অনুষ্ঠান, লোকাচাৰ আদিৰ লগত কন্দলীৰ যে গভীৰ পৰিচয় আছিল তাৰ আভাস দিয়ে। আনকি স্ত্ৰী-আচাৰৰ কথাও কন্দলীৰ ৰামায়ণত পোৱা যায়।

মাধৱ কন্দলীৰ ভাষাত সংস্কৃতীয়া শব্দতকৈ ঘৰুৱা শব্দৰ প্ৰচলন বেছি। তেওঁৰ ভাষাত কথ্য অসমীয়া ভাষাৰ এটি সাধু বা সাহিত্যিক ৰূপ প্ৰতিষ্ঠিতভাৱে দেখা পোৱা যায়। দৃষ্টান্তত তেওঁ পটু আৰু মানুহৰ মুখে মুখে চলি অহা ঘৰুৱা দৃষ্টান্তও তেওঁ ব্যৱহাৰ

১৭। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড, পদ-৬৭১১
১৮। প্ৰাগুক্ত গ্ৰন্থ, পৃ ৬৭১০

কৰিছিল, যেনে— 'বটালি নকাটে যেন বিনা হাতুৰীয়ে', 'ঢোলৰ ভিতৰে যেন নিঙ্গনিযে পশি', 'ঢোল যেন ডিমা পাৰে চুঙাৰ বাদুলি', 'বৰশীযা ৰাৱণৰ পুঙ্গাতেসে দৃষ্টি,' 'তপত খোলাত দিলে যেন মৎস্য মৰে' ইত্যাদি। আমাৰ ঘৰুৱা জীৱনত নিত্য ব্যৱহৃত বহু প্ৰবচন-যোজনা-পটন্তৰৰ দৃষ্টান্ত কন্দলীৰ ৰামাযণত পোৱা যায।

মাধৱ কন্দলীৰ অসমীযা ৰামাযণৰ কাহিনী, পৰিৱেশ সৃষ্টি, চৰিত্ৰ-চিত্ৰণ, ভাষা আদিৰ ওপৰত আলোকপাত কৰিলে দেখা যায, তেওঁৰ ৰামাযণখন সমসামযিক লোক-জীৱনৰ সমলৰে সমৃদ্ধ। ইযাত অসমীযা লোকাযত জীৱনৰ বিভিন্ন সমল-উৎসৱ পাৰ্বণ, আচাৰ-অনুষ্ঠান, খাদ্যদ্ৰব্য, অলংকাৰ, বস্ত্ৰ, শিল্পকলা, লোককলা, লোকবিশ্বাস, সংগীত, বাদ্যযন্ত্ৰ, খেলা-ধূলা ইত্যাদিৰ বৰ্ণনা পোৱা যায। যি সামাজিক পটভূমিত মাধৱ কন্দলীয়ে ৰামাযণ ৰচনা কৰিছিল তাৰ প্ৰকৃত বিশ্লেষণৰ বিশেষ প্ৰযোজন। সেযে পুৰণি অসমীযা জাতীয জীৱন আৰু সমাজৰ অধ্যযনৰ বাবে মাধৱ কন্দলীৰ অসমীযা ৰামায়ণে যথাৰ্থতে এক ব্যাপক ক্ষেত্ৰ গঢ়ি তুলিছে।

গ অধ্যয়নৰ গুৰুত্ব আৰু তাৎপৰ্য্য ঃ

সংস্কৃতি এখন সমাজ আৰু এটা জাতিৰ অস্তিত্বৰ পৰিচায়ক। সংস্কৃতি অবিহনে এখন সুস্থ, সুন্দৰ সমাজ আৰু এটা উন্নত জাতি বৰ্তি থাকিব নোৱাৰে। অসমীয়া এটা সু-সংস্কৃতিসম্পন্ন ঐতিহ্যপূৰ্ণ জাতি আৰু ইযাৰ অতীতত এখনি কলাসম্পন্ন সমাজ বৰ্তমান। সংস্কৃতিৰ বিষয়ে অধ্যযন কৰিবলৈ গ'লে লোক-সংস্কৃতিৰ বিষযে প্ৰথমে অধ্যযন কৰিব লগা হয। লোক-সংস্কৃতি সংস্কৃতিৰ অপৰিহাৰ্য্য অংগ। আনহাতে "Culture is the intellectual side of civilisation।"[১৯] গতিকে সংস্কৃতিৰ অধ্যযনে এটা জাতিৰ ঐতিহ্য সম্পৰ্কে জানিবলৈ সুবিধা দিয়ে।

সংস্কৃতিৰ অধ্যযন ফলপ্ৰসু আৰু পূৰ্ণাঙ্গ হ'ব নোৱাৰে, যেতিযালৈকে ইযাৰ মূল ভেটি লোকসংস্কৃতি বা লোকবিদ্যাৰ অধ্যযন নহয।[২০] লোক-সংস্কৃতি গঢ় লৈ উঠে লোক-জীৱনৰ পটভূমিত। লোকায়ত জীৱনৰ বিভিন্ন সমলৰ দ্বাৰা লোক-সংস্কৃতি পৰিপুষ্ট। কিন্তু আধুনিক শিক্ষা আৰু নগৰীকৰণ ব্যৱস্থাৰ বাবে লোক সংস্কৃতিৰ মূল ভেটি মৌখিক পৰম্পৰাত প্ৰচলিত বিভিন্ন সম্পদৰ বিলুপ্তিকৰণ ঘটিছে। অৰ্থাৎ আধুনিক বস্তুনিষ্ঠ (materialistic) সংস্কৃতিৰ কৰাল গ্ৰাসত লোকসংস্কৃতিৰ বিভিন্ন সম্পদ হেৰাই গৈছে। এইটো জাতি আৰু সমাজৰ বাবে ক্ষতিকাৰক। সমাজে অতীত আৰু বৰ্তমান এই দুখন ভৰিৰ

১৯। Oxford University Dictionary, 1955, p 437

২০। "The study of a culture cannot be fruitful and perfect without the study of its folklore, because folklore is integrated to culture"
J Bora Folk Elements in Ramasarasvati, an unpublished thesis submitted to G U, 1989, p 21-22

ওপৰত ভৰ দি ভৱিষ্যতলৈ গতি কৰে। এটা জাতিৰ অতীত ঐতিহ্যই বৰ্তমানক অনুপ্ৰাণিত কৰে আগবাঢ়ি যাবলৈ। সেয়েহে লোকবিদ্যাৰ অধ্যয়ন অতি গুৰুত্বপূৰ্ণ আৰু ইয়াক এক শ্ৰেণী পণ্ডিতে স্বীকাৰ কৰি লোকবিদ্যাক বিজ্ঞানসন্মত ৰূপত অধ্যয়ন কৰাৰ ব্যৱস্থা গঢ়ি তুলিছে। অতীতৰ সমাজৰ বুকুত সৃষ্টি হোৱা সাহিত্যৰাজিও এনে ধৰণৰ লোকবিদ্যা অধ্যযনৰ উৎস হ'ব পাৰে। এই দৃষ্টিকোণৰ পৰা মাধৱ কন্দলীৰ 'ৰামায়ণ' চতুৰ্দশ শতিকাৰ অসমীয়া সমাজ আৰু সংস্কৃতি অধ্যয়নৰ উৎকৃষ্ট মাধ্যম। অসমীয়া ৰামায়ণত পৰিলক্ষিত হোৱা লোক-সংস্কৃতিৰ বিজ্ঞানসন্মত অধ্যযনে আমাৰ পুৰণি ঐতিহ্য হৃদয়ংগম কৰাত উত্তৰ পুৰুষক (later generation) যথেষ্ট সহায় কৰিব। এতিয়ালৈকে মাধৱ কন্দলীৰ ৰামাযণৰ ওপৰত ভাষাগত অধ্যযন, সাহিত্যিক মূল্যাংকনৰ পৰ্য্যালোচনা অথবা সমসাময়িক সমাজচিত্ৰৰ আংশিক আলোচনাহে পোৱা গৈছে। কিন্তু অসমীয়া ৰামায়ণৰ সম্পূৰ্ণ বিজ্ঞানসন্মত লোকসংস্কৃতিক অধ্যয়নৰ সাৰুৱা ক্ষেত্ৰ সাম্প্ৰতিকলৈকে অনাঘ্ৰাত হৈয়ে আছে। এই গ্ৰন্থৰ জৰিয়তে পোন প্ৰথমবাৰৰ বাবে এই অভাৱ দূৰ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

ঘ অধ্যয়নৰ পদ্ধতি (Method of study)

সাহিত্যৰ বুকুৰ পৰা লোকসংস্কৃতিক সমল উদ্ধাৰ কৰি বিজ্ঞানসন্মত অধ্যয়ন কৰাটো অতি সহজ নহয়। আৰ এম্ ডৰচনে সেয়েহে মন্তব্য কৰিছে:

> "The techique of identifying folklore in printed sources and the investigation into literary uses of folk materials are large and complicated subject "[২১]

আধুনিক পণ্ডিতসকলে অন্যান্য বিষয়ৰ দৰে লোকবিদ্যাৰ বিজ্ঞানসন্মত পদ্ধতিগত অধ্যয়নৰ বাবে অধ্যয়নৰ পদ্ধতি আৱিষ্কাৰ কৰিছে। সমাজবিজ্ঞান বা অন্যান্য বিষয়ৰ দৰে লোকবিদ্যাৰ পদ্ধতিগত অধ্যয়নক লোকবিদ্যাতত্ত্ব (Folkloristics) বোলা হয়।[২২]

লোকবিদ্যাতত্ত্বত সাধাৰণতে প্ৰযোগ কৰা বিভিন্ন পদ্ধতিবোৰ হৈছে— ঐতিহাসিক ভৌগোলিক বা ফিনিচ পদ্ধতি, মনোসমীক্ষণ পদ্ধতি, বাচিক কাব্য পদ্ধতি, আন্তঃসাংস্কৃতিক পদ্ধতি, লোক-সাংস্কৃতিক পদ্ধতি, গণ-সাংস্কৃতিক পদ্ধতি, গোলাৰ্ধিক সিদ্ধান্ত, প্ৰসংগ প্ৰণালী, আংগিক সংস্থানগত মতবাদ ইত্যাদি। পাশ্চাত্যৰ পণ্ডিতসকলে এই বিভিন্ন পদ্ধতিৰ দ্বাৰা

২১। Dorson, R M (ed) Folklore and Folklife An Introduction, p 476

২২। "The Study of Folklore know as folkloristics has been accepted as a discipline since it requires as much effort and hardshipt to master it as the study of other disciplines like the humanities and social sciences " — Islam, M Folkore The Pulse of the People, pp 35-36

ইউৰোপ আৰু আমেৰিকাৰ লোকবিদ্যা অধ্যয়ন আৰম্ভ কৰিছে। ভাৰতীয় পণ্ডিতসকলেও উপৰি উক্ত পদ্ধতিসমূহৰ প্ৰয়োগ আৰম্ভ কৰিছে। আনহাতে লোকবিদ্যাৰ সম্পূৰ্ণ অধ্যয়নৰ বাবে ক্ষেত্ৰ অধ্যযন (field work), আৰ্কাইভ্ (archive) লোকসংস্কৃতিৰ যাদুঘৰ (folklore museum) আত্মজীৱনীমূলক টোকা, লিখিত আৰু মৌখিক সাহিত্যৰাজি, সমাজতত্ব, মনোবিজ্ঞান আদিৰ জ্ঞানো অতি আৱশ্যক।[২৩]

অধ্যয়ন প্ৰসংগত উল্লিখিত পদ্ধতিসমূহ অৱগত হৈও বিশেষভাৱে সীমিত থকা হৈছে। ক্ষেত্ৰ-অধ্যয়ন প্ৰাসংগিক গ্ৰন্থ, আলোচনী আদিৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণ গ্ৰহণ কৰা হৈছে। এই প্ৰসংগত মাধৱ কন্দলীৰ স্বৰচিত 'ৰামায়ণ'ৰ বিভিন্ন প্ৰতিলিপিৰ (manuscripts) বিচাৰ-বিশ্লেষণেও বিশেষভাৱে গুৰুত্ব লাভ কৰিছে। অসমীয়া, বঙলা, হিন্দী, ইংৰাজী, সংস্কৃত আদি ভাষাত ৰচিত প্ৰাসংগিক গ্ৰন্থসমূহ অধ্যযন কৰা হৈছে। লোকবিদ্যা বা লোক-সংস্কৃতি আৰু তত্ব বিষযক গ্ৰন্থ অধ্যযনেও আলোচনাত সহায় কৰিছে।

গ্ৰন্থ অধ্যযনৰ উপৰিও ক্ষেত্ৰ অধ্যযনৰ (Field study) পৰা সংগ্ৰহ কৰা সমলৰাজিও অধ্যযনত প্ৰযোগ কৰা হৈছে। ক্ষেত্ৰ-অধ্যয়ন পদ্ধতি দুই প্ৰকাৰৰ-পৰ্যবেক্ষণ (observation) আৰু প্ৰশ্নসূচক (interview) পদ্ধতি। এই দুযোটা পদ্ধতিকে বৰ্তমানৰ অধ্যয়নত প্ৰয়োজন সাপেক্ষে গ্ৰহণ কৰা হৈছে। 'ৰামায়ণ'ৰ বিষয়-বস্তুৰ ওপৰত গঢ়ি উঠা পৰিৱেশ্য কলাসম্পদ ওজাপালি, ভাওনা, কুশানগান, ভাৰীগান, ৰাম-কীৰ্তন অনুষ্ঠানাদিৰ অঞ্চল বিশেষে প্ৰচলিত পৰম্পৰাৰ বিষয়ে তথ্য সংগ্ৰহ কৰিবলৈ ক্ষেত্ৰ অধ্যয়ন কৰিব লগা হৈছে। ইযাৰ বাবে অসমৰ বিভিন্ন অঞ্চলৰ বিভিন্ন লোকক লগ ধৰি প্ৰশ্ন আৰু পৰ্য্যবেক্ষণ দুযোটা পদ্ধতিৰে সমল সংগ্ৰহ কৰা হৈছে। অসমৰ বিভিন্ন ঠাইত গৈ নিৰীক্ষণ কৰাত প্ৰযোজন সাপেক্ষে বিবদ্ধ-ক্ষেত্ৰ-অধ্যয়ন (close system) আৰু বিবৃত-ক্ষেত্ৰ-অধ্যযন পদ্ধতিও (open system) প্ৰয়োগ কৰা হৈছে।

২৩। "It is expected that a practicing folklorist masters different skills such as field work, use of archives, use of folk museum, mastery of bibliographic tools, use of indexes, annotating, terminology, using printed sources, international communications, history of folkloristics, familiarity with literature, anthropology, history, linguistics, geography, musicology, sociology and psychology"
— Dorson, R. M (ed) Folklore and Folklife An Introduction, pp 6-7

।। দ্বিতীয় অধ্যায় ।।

লোকজীৱন আৰু লোক পৰম্পৰা সম্পৰ্কে আলোচনা

'লোকজীৱন' পদটো ইংৰাজী 'Folklife' শব্দৰ অসমীয়া ৰূপান্তৰ। লোকজীৱন শব্দটোৰ ব্যৱহাৰ আপেক্ষিকভাৱে নতুন। সংক্ষেপতে ক'বলৈ হ'লে লোকায়ত সংস্কৃতিৰ সাঙ্গোপাঙ্গ বিশ্লেষণেই লোকজীৱন।[১] স্বৰূপাৰ্থত প্ৰাকৃতিক লোকবিদ্যাই (Physical folklore) লোকজীৱন।

আধুনিক লোকবিদ্যা বিজ্ঞানীসকলে ফোকল'ৰৰ পৰিপূৰ্ণতাৰ প্ৰতি লক্ষ্য ৰাখি Folklife অৰ্থাৎ লোকজীৱন পদটি সংযোজন কৰিছে।[২] পণ্ডিতসকলৰ বাবে লোকজীৱন অধ্যয়ন বিশেষ গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। এই কাৰণেই যে লোকজীৱন অধ্যয়নৰ পৰিসীমাত অতীত আৰু বৰ্তমানৰ পৰম্পৰাগত জীৱনৰ প্ৰতিটো দিশ প্ৰতিফলিত হয়। পণ্ডিত Sigurd Frixon ৰ মতে Folklife research was "the science of man as a cultural being"।[৩] লোকজীৱন অধ্যয়নৰ এই প্ৰচেষ্টাই লোকবিদ্যা বা ফোকল'ৰৰ সুবিস্তৃত পৰিসৰকেই ইংগিত কৰে। সেয়েহে লোকবিদ্যাৰ শ্ৰেষ্ঠ অগ্ৰণী R M Dorson-এ লোক জীৱনক লোকবিদ্যাৰ লগত সাঙুৰি লোকবিদ্যা অধ্যয়নৰ পৰিসৰ বহল কৰিছে।

আনহাতে লোকবিদ্যাৰ চিন্তা-চৰ্চাৰ পৰিপূৰ্ণতাৰ প্ৰসংগত পৰম্পৰাৰ আনুষংগিকতা কোনোপধ্যেই নুই কৰিব নোৱাৰি। কিয়নো লোকসংস্কৃতি সদায় পৰম্পৰা আশ্ৰিত। ইয়াৰ মূল ভেটিটোৱেই হ'ল লোকপৰম্পৰা। পৰম্পৰা অবিহনে লোকসংস্কৃতি বৰ্তি থকা কঠিন।[৪]

সময়ৰ অগ্ৰগতিত লোক জীৱনৰ বুকুত পৰম্পৰাৰ সৃষ্টি হয়। সেয়ে লোকজীৱন আৰু লোক পৰম্পৰাৰ এই দুয়োটা অভিধাৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয়ে আধুনিক লোকবিদ্যা বিজ্ঞানীসকলৰ চিন্তা-চৰ্চাত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছিছে।

১। "It in brief, involves the analysis of folk culture in its entriety
—S Sengupta Folklore and Folklife in India, p 3

২। নবীন চন্দ্ৰ : অসমীয়া লোক-সংস্কৃতিৰ আভাস, পৃ ৩

৩। Don Yonder (ed) American Folklife, p 4

৪। "in folklore 'tradition' is felt to be the operative word without traditional link folklore cannot exit "
— Utley, Francies Lee 'A Defination of Folklore' in American Folklore, p 73

'পৰম্পৰা'ৰ ইংৰাজী প্ৰতিশব্দ 'tradition' লেটিন ভাষাৰ 'traditio' শব্দটোৰ পৰা আহিছে। ইযাৰ অৰ্থ হ'ল পুৰুষানুক্ৰমে ইজনৰ পৰা সিজনলৈ একেলেঠাৰিয়ে চলি অহা। পৰম্পৰাই সময়ৰ বুকুত ঘটা সকলোবোৰ কাৰ্য্য আৰু পৰিণতিক সামৰি লয়।[৫]

Lexicon Webster Dictionary ত 'tradition' শব্দটোৰ অৰ্থপূৰ্ণ, স্পষ্ট আৰু প্ৰাঞ্জল ব্যাখ্যা পোৱা যায়। মৌখিকভাৱে বংশানুক্ৰমত চলি অহা বিভিন্ন মত, আদৰ্শ, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতিৰ সমষ্টিযেই কালক্ৰমত সমাজত একোটা পৰম্পৰা সৃষ্টি কৰে।[৬]

'ট্ৰেডিচন' বা পৰম্পৰা সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন প্ৰসংগত বিভিন্ন সংজ্ঞা আগবঢ়াইছেঃ

যোগেন্দ্ৰ সিংহৰ ভাষাত্— 'কোনো এখন সমাজৰ সামাজিক সংগঠনৰ অৰ্থাৎ মূল্যায়ন পদ্ধতি, সামাজিক সংযুতি আৰু ব্যক্তিত্বৰ সংযুতি আদি বিভিন্ন স্তৰৰ স্তুপীকৃত ঐতিহ্যই পৰম্পৰা'।[৭]

বি কে আৰ বি ৰাওৰ মতে কোনো এক সমাজৰ অভ্যাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, দৃষ্টিভংগী, জীৱন-পদ্ধতি আদিৰ স্থিৰীকৃত ৰূপেই পৰম্পৰা।[৮]

চাহাবলাল শ্ৰীবাস্তৱৰ ভাষাত পৰম্পৰা কোনো এক সমাজৰ অভ্যাস, লোকাচাৰ জাগতিক দৃষ্টি আৰু জীৱন পদ্ধতি আদিৰ ৰূপত মৌখিক বা লিখিত ৰূপত পুৰুষৰ পিছত পুৰুষ চলি অহা স্থূপীকৃত সামাজিক ঐতিহ্য মাথোন।[৯]

৫। "The English term tradition has come from the Latin word 'traditio' meaning handing down from generation to gerneration Tradition includes both the process and the product
—S L Srivastav Folk Culture and Oral Tradition, p 9

৬। "The handing down of opinions, doctornnes, practices, rites and customs from father to son, or from ancestors to posterity by oral communication that which is handed down from age to age by oral communicaiton, a doctrine or statement of facts so handed down"
— The Lexicon Webster Dictionary, Encyclopaedic edition, Vol II p 1044

৭। "Tradition is the comulative heritage of a society which permeats through all levels of social organisation for structure of personality "
— Y Singh "Traditional Culture pattern of India and Indutsrial Change" in Tradition and Modernity in India ed., A B Shah and C R.M Rao, p 45

৮। "Tradition as habits, custom, attituides ways of life which get embodied in institutions and then tend to get frozen because of the stability and autonomous existence of these institutions "
— V K R V Rao "Some problems confronting Traditional Societies in the Process of Development" in Tradition and Modernity in India, p 60

৯। 'Tradition which is cumulative social heritage in the form of habits, customs, attitude and ways of life is transmitted from generation to generation either through written seriptures or through word of mouth is called oral tradition "— S.L Srivastava Folk Culture and Oral Tradition, p 9

কিছুমান পণ্ডিতে স্থবিৰতা আৰু সংৰক্ষিত ৰূপক (freezing or getting fixed) পৰম্পৰাত আৰোপ কৰিব বিচাৰে। ইয়াৰ দ্বাৰা এইটো নুবুজায় যে পৰম্পৰাত কোনো পৰিবৰ্তন বা সংস্কাৰ সাধিত হ'ব নোৱাৰে।

যুগৰ পৰিবৰ্তনৰ লগে লগে পৰম্পৰাৰ পৰিবৰ্তনো সম্ভৱ হয়। লোকজীৱন বা আমাৰ জীৱন পদ্ধতি কেতিয়াও স্থবিৰ বা স্থিৰ নহয়। জীৱন-পদ্ধতিৰ কালানুক্ৰমিক পৰিবৰ্তনৰ লগে লগে লোক-সংস্কৃতিৰ যি প্ৰচলিত পৰম্পৰা তাৰো পৰিবৰ্তন সাধিত হয। উল্লেখযোগ্য যে এনে পৰিবৰ্তনৰ বাবে কোনো হেঁচাৰ প্ৰযোজন নহয, এই পৰিবৰ্তন স্বাভাবিক প্ৰক্ৰিযাৰে সকলোৰে চকুৰ আগত কিন্তু কোনেও নেদেখাকৈ হয। স্বাভাৱিক প্ৰক্ৰিযাৰে হোৱা পৰিবৰ্তনত পৰম্পৰাৰ মুলোচ্ছেদ নঘটে। এই সম্পৰ্কত বীৰেন্দ্ৰ নাথ দত্তয়ো উচিত মন্তব্যই কৰিছে :

> "প্ৰকৃততে পৰম্পৰা নিজে এটা স্থিৰ বা স্থবিৰ বস্তু নহয়, সময় আৰু অৱস্থাৰ পৰিপ্ৰেক্ষিতত পৰম্পৰাৰো পৰিবৰ্তন হয়। আগতেও হৈছে এতিযাও হৈ আছে, ভৱিষ্যতেও হ'ব।"[১০]

পৰম্পৰাৰ পৰিবৰ্তন প্ৰসংগত ইংৰাজী সাহিত্যৰ এজন প্ৰখ্যাত কবি আৰু সমালোচক টি এছ, এলিয়টে তাৎপৰ্য্যপূৰ্ণ ব্যাখ্যা দাঙি ধৰিছে। অৱশ্যে এই ব্যাখ্যা সাহিত্যৰ বিশেষ প্ৰসংগত কৰা হ'লেও সকলো কলা-মাধ্যমৰ ক্ষেত্ৰতেই প্ৰযোজ্য। এলিয়টে কৈছে যে পৰম্পৰা মানেই কিছুমান আঁকোৰগোজ বিশ্বাস নহয়। বহু সময়ত পৰম্পৰা ৰক্ষাৰ নামত মৌলিক প্ৰয়োজনৰ তাগিদাতকৈ অনুভূতি প্ৰৱণতাইহে উচ্চ স্থান পায়। পৰম্পৰাক অলঙ্ঘনীয় বা পৰিবৰ্তন-বিৰোধী কিবা বস্তু বুলি ভবাটো ভুল।[১১]

ওপৰত উল্লিখিত সংজ্ঞাবোৰৰ জৰিয়তে পৰম্পৰা সম্পৰ্কে এটি স্পষ্ট ধাৰণা গঢ়ি তোলাৰ লগতে ইয়াকো ক'ব পাৰি যে সক্ৰিয় পৰম্পৰাৰ ক্ষেত্ৰত উত্তৰণ (innovation) বা পৰিবৰ্তনশীলতা (change) স্বাভাৱিক প্ৰৱণতাহে। উত্তৰণ বা পৰিবৰ্তনে এটা পৰম্পৰাক শেষ কৰা নুবুজায়। সক্ৰিয় পৰম্পৰা সদায় পৰিবৰ্তনশীল (dynamic)। এইবোৰ বংশানুক্ৰমে কৰা অন্ধ অনুকৰণো নহয়। বৰঞ্চ সজ্ঞানে আৰু সযতনে আহৰণ কৰা ক্ৰিয়াৰ

১০। বীৰেন্দ্ৰনাথ দত্ত : ব্যক্তি, সংস্কৃতি ইত্যাদি, পৃ ১২৯

১১। "Tradition is not soley, or even primarily, the maintenance of a set of dogmatic beliefs.. pp, We are always in danger, in clinging to an old tradition, or attempting to re-establish one, of confusing the vital and the un-essential, the real and the setimental, Our second danger is to associate tradition with the immovable, to think of it as something hostile to change—"
—T S Eliot Selected Essays, p 20-34

সামূহিক প্ৰকাশ মাথোন। গতিকে পৰম্পৰা নিষ্ক্ৰিয় প্ৰক্ৰিয়া নহয়। যথোপযুক্ত সংস্কাৰ বা পৰিবৰ্তনে একোটা পৰম্পৰাক অধিক শক্তিশালী কৰি তোলে।

পৰম্পৰা অতীতৰ অন্ধ অনুকৰণো নহয। জীৱন্ত পৰম্পৰাই অতীতৰ লগত সংগতি ৰাখি গ্ৰহণ-বৰ্জন নীতিৰে বৰ্তমানক পৰিপুষ্ট কৰে, লগতে অতীতৰ ঐতিহ্যক বৰ্তমানৰ বুকুত জীয়াই ৰাখিবলৈও প্ৰয়াস কৰে। বৰ্তমান যেনেকৈ অতীতৰ দ্বাৰা নিয়ন্ত্ৰিত হয়, তেনেকৈ অতীতো বৰ্তমানৰ পৰিপ্ৰেক্ষিতত ৰূপায়িত হ'ব লাগে।[১২] তদুপৰি এলিয়টৰ মতে ট্ৰেডিচন বা পৰম্পৰাৰ ক্ষেত্ৰত ঐতিহাসিক চেতনা (Historical sense) অতিকে গুৰুত্বপূৰ্ণ উপাদান।[১৩]

পৰম্পৰা সাধাৰণতে দুই প্ৰকাৰৰ ঃ (ক) মৌখিক পৰম্পৰা (oral tradition) আৰু (খ) লিখিত পৰম্পৰা (written tradition) মৌখিক পৰম্পৰা এজন ব্যক্তিৰ পৰা আনজনলৈ, এটা পুৰুষৰ (generation) পৰা পৰৱৰ্তী পুৰুষলৈ (next generation) মুখ বাগৰি আহে। আনহাতে লিখিত পৰম্পৰাই লিপিবদ্ধ হৈ যুগে যুগে সকলোকে প্ৰভাবান্বিত কৰি আহিছে। মৌখিক আৰু লিখিত পৰম্পৰা উভয়েই উভয়ৰ পৰিপূৰক।

পৰম্পৰাৰ ভেটিত গঢ লৈ উঠে এখন সমাজৰ জীৱনধাৰা (way of life) আৰু ইয়াকে বোলা হয পৰম্পৰাগত জীৱন (traditional life)। পৰম্পৰাগত জীৱনক একপ্ৰকাৰে সামাজিক লোক-আচাৰ-ব্যৱহাৰ (social folk custom) বুলিবও পাৰি। এইক্ষেত্ৰত ব্যক্তিগত অন্যোন্য ক্ৰিযাতকৈ সমাজগত অন্যোন্য ক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা দেখা যায। সমাজ আৰু পৰিযালৰ মাজত উদ্‌যাপিত কৃষি, জন্ম, বিবাহ, মৃত্যু আদি বিষয়ক ৰীতি-নীতি আদিও পৰম্পৰাগত জীৱনৰ ভিতৰত পৰে। এনে ধৰণৰ ৰীতিনীতি আৰু আচাৰ ব্যৱহাৰসমূহ মুখ্যতঃ লোকবিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত— যিবোৰে লোকবিদ্যা (folklore)ৰ এটি নতুন শ্ৰেণী (genre) জন্ম দিছে।

অতীজৰে পৰা মানব ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায যে, সমাজত লোক সংস্কৃতিৰ জন্ম, প্ৰচলন আৰু সংৰক্ষণৰ কাৰণ হৈছে ঃ (১) মানুহৰ সৃজনাত্মক স্পৃহা আৰু প্ৰতিভা (the creative idea and urge) আৰু নান্দনিক তথা কলাসুলভ সৌন্দৰ্য্যানুভূতি (aesthetic and artistic impulse)। সমাজৰ পৰম্পৰাগত শিক্ষণে (traditional learning) মানুহৰ এই দুযো শক্তিকে লোক-সংস্কৃতিৰ সৃষ্টিৰ ক্ষেত্ৰত প্ৰেৰণা যোগায়। পিছলৈ এই সৃষ্টিযেই পৰিশোধিত হৈ পৰিমাৰ্জিত ৰূপ লয় আৰু সংস্কৃতিৰূপে অভিহিত

১২। " the past should be altered by the present as much as the present is directed by the past "— T S Eliot Op-cit, pp 20-28

১৩। "The historical sense (i e , tradition involves a perception not only of the pastners of the past but of its presence "
— T S Eliot "Tradition and the talkent" in the Principles and History of literary criticism, ed by Mundra, p 528

হয়। সেয়েহে কোৱা হয় লোক-সংস্কৃতিৰ জড়িয়তেহে সংস্কৃতিৰ পৰিপুষ্টি, পৰিপোষণ আৰু পৰিবৰ্ধন সম্ভৱ হয়। এই দৃষ্টিভংগীৰে চালেই লোক-সংস্কৃতি সংস্কৃতিৰ সাংযুক্তিক উপাদান।[১৪]

স্বৰূপাৰ্থত লোকসংস্কৃতিক সংস্কৃতিৰ ভ্ৰূণৰূপে অভিহিত কৰিব পাৰি। লোকসংস্কৃতিৰ সফল তথা পৰিপূৰ্ণ অধ্যয়নৰ বাবে সংস্কৃতিৰ চিন্তা-চৰ্চা আৰু বিচাৰ বিশ্লেষণ নিতান্ত প্ৰয়োজনীয়। এই সন্দৰ্ভত এম ইছলামে সমীচীন মন্তব্য আগবঢ়াইছে ঃ

> "Thus Folklore finds its expession through culture, it is born in culture's womb And becouse of this, the study of a culture cannot be fruitful and perfect without the study of its folklore "[১৫]

সংস্কৃতিৰ পৰিসৰ অতিশয় ব্যাপক। ইংৰাজী 'কালচাৰ' শব্দৰ অসমীয়া প্ৰতিশব্দ সংস্কৃতি। অসমীয়াত সংস্কৃতি শব্দ সংস্কৃত ভাষাৰ সংস্কাৰৰ পৰা আহিছে। ইংৰাজী 'কালচাৰ' শব্দৰ প্ৰয়োগ লোক-সংস্কৃতি বা লোকবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ ফোকলৰতকৈ মাত্ৰ উনৈশ বছৰ পিছৰ। বৃটিছ নৃতত্ত্ববিদ এড্‌ৱাৰ্ড বাৰ্ণেট টাইলাৰে পোনপ্ৰথমে খৃঃ ১৮৬৫ চনত 'কালচাৰ' শব্দটোৰ ব্যৱহাৰৰে 'সংস্কৃতি'ৰ অৰ্থপূৰ্ণ সংজ্ঞা আগবঢ়ায় আৰু ইয়াৰ প্ৰয়োগৰ পৰিধি বিস্তৃত কৰে। টাইলাৰে 'কালচাৰ'ৰ ব্যাখ্যা এনেদৰে দিছিল ঃ

> সমাজৰ অংগীভূত সদস্যৰূপে মানৱে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।[১৬]

টাইলাৰৰ মতে সংস্কৃতি সামাজিক উত্তৰাধিকাৰ বা ঐতিহ্য (Social heritage)। সংস্কৃতি ব্যক্তিৰ প্ৰতি সমাজৰ দান।[১৭]

স্বৰূপাৰ্থত সংস্কৃতি জীৱনৰ সামগ্ৰিক ৰূপ মাথোন। ধৰ্ম-কলা, অৰ্থনৈতিক, ৰাজনৈতিক বিভিন্ন সামাজিক ব্যাপাৰ সংস্কৃতিৰ পৰিসৰৰ ভিতৰত পৰে অতীতৰ যিসময়ৰ পৰা মানুহে সমাজ পাতি বাস কৰিবলৈ লৈছে, তেতিয়াৰে পৰা মানুহ সামাজিক প্ৰাণী

১৪। "Folklore is thus the product of culture, a component part of culture '
—M Islam, Folklore the pulse of the people, p 14

১৫। Ibid.

১৬।' that complex whole which includes knowledge, belief, art, morals, law, custom and any other capabilities and habits other, acquired by man as a member of society,'
— E B Tylore Primitive Culture, vol I, p 1

১৭। নবীন চন্দ্ৰ শৰ্মা ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ ২৮

হিচাপে পৰিগণিত হৈছে। সামাজিক প্ৰাণী হিচাপে জীৱনৰ বিভিন্ন পৰিস্থিতিত সংযোজন স্থাপন কৰিবলৈ মানুহে সমাজৰ বুকুত বিভিন্ন ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম-অধৰ্মৰ সৃষ্টি কৰিছে আৰু এইবোৰ পিছলৈ পৰম্পৰাগতভাৱে চলি আহিছে। ব্যক্তিয়ে সমাজৰ বুকুৰ পৰা এইবোৰ প্ৰকৃতিগতভাৱে শিকে আৰু এইদৰেই সমাজ জীৱনৰ লগত ব্যক্তি জীৱনৰ সম্পৰ্ক স্থাপিত হয়। মুঠতে ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ পৰম্পৰা আদিৰ সামগ্ৰিক ৰূপক সংস্কৃতি বুলিব পাৰি।

সংস্কৃতি প্ৰাকৃতিক অৱস্থাৰ দ্বাৰা অনুবন্ধিত হ'লেও ই মানৱ অভিজ্ঞতা প্ৰসূত অৰ্থাৎ ই মানৱ সৃষ্ট।[১৮] মানৱৰ জীৱন ইতিহাসৰ লগত প্ৰকৃতিজগত ওতঃপ্ৰোতভাৱে জড়িত। মানৱৰ জীৱন ৰক্ষাত প্ৰকৃতি জগত মুখ্য পৃষ্ঠপোষক। আনহাতে প্ৰকৃতি জগত মানুহৰ আদি শিক্ষা গুৰুও। সেযেহে বিভিন্ন পৰিস্থিতিত মানুহৰ দ্বাৰা সৃষ্ট ৰীতি-নীতি, বিশ্বাস, ধৰ্ম, পৰম্পৰা আদিত প্ৰকৃতি জগতৰ প্ৰচুৰ প্ৰভাৱ লক্ষ্য কৰিলেও সংস্কৃতি মানুহৰ স্ব-উপাৰ্জিত, অভিজ্ঞতালব্ধ আৰু পৰিমাৰ্জিত ৰূপ। মৰেটৰ (Marrett) ব্যাখ্যা এইখিনিতে প্ৰণিধানযোগ্য। তেওঁৰ মতে সংস্কৃতি অভিজ্ঞাপনিক তথ্য (communicable intelligence)।

ৰবাৰ্ট ৰেডফিল্ড-এ (Robert Redfield) মৰেটৰ দৃষ্টিভংগীৰে সংস্কৃতিৰ স্বৰূপ নিৰ্ণয় কৰিবগৈ গৈ কৈছে যে শিল্প, সামাজিক সংযুতি আৰু প্ৰতীকৰ জৰিয়তে বিমূৰ্তিত পৰম্পৰাগত অৰ্থৰ সমষ্টিয়েই সংস্কৃতি।[১৯] জ্ঞান আহৰণ আৰু অভিজ্ঞাপনৰ ক্ষেত্ৰত প্ৰতীকে গ্ৰহণ কৰা ভূমিকাৰ গুৰুত্ব উপলব্ধি কৰিবলৈ সক্ষম হোৱাৰ প্ৰসংগতহে সংস্কৃতিৰ এই আদৰ্শাত্মক দিশটিৰ কথা আহে। ৰুথ বেনেডিক্টে (Ruth Benedict) সংস্কৃতিৰ সংজ্ঞা আনুষ্ঠানিক (formalistic) আৰু নান্দনিক (aesthetic) উভয় দিশৰ ফালৰ পৰা দিবলৈ প্ৰয়াস কৰিছে। প্ৰখ্যাত নৃতাত্ত্বিক মালিনৱস্কিৰ মতে সামগ্ৰিক জীৱন পদ্ধতিয়েই সংস্কৃতি।

সংস্কৃতিৰ পৰিমাৰ্জিত আৰু পৰিশোধিত ৰূপটোলৈকে লক্ষ্য কৰি হয়তো কোনো কোনো পণ্ডিতে সংস্কৃতি সামাজিক সৌন্দৰ্য্য আৰু পৰমোৎকৰ্ষ (intelecutual excellence) বুলিছে। মিথিউ আৰণল্ডৰ মতেও মাধুৰ্য্য আৰু আলোকেই সংস্কৃতি। দাৰ্শনিক কাছিৰাৰ (Cassirer), সমাজবিজ্ঞানী চাৰকিন (Sorokin) আৰু MacIver ৰ মতে মানৱৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশেই সংস্কৃতি।

১৮। R T Lapiere Sociology, p 68
১৯। Robert Redfield The Primitive World, p 85

অতি সংক্ষেপে সংস্কৃতিৰ সংজ্ঞা এনেদৰেও দিব পাৰি যে মানৱৰ দ্বাৰা সৃষ্ট পাৰিপাৰ্শ্বিক অংশবোৰেই সংস্কৃতি।[২০] মানুহে সমাজত বাস কৰাৰ লগে লগে এক সামাজিক পাৰিপাৰ্শ্বিকতা গঢ়ি উঠে। এই সামাজিক পাৰিপাৰ্শ্বিকতাত মানুহে যিবোৰ স্বাভাৱিকভাৱে আয়ত্ত কৰে সেইবোৰেই সমাজত আচৰণ ৰূপে প্ৰতিফলিত হয়। সেয়েহে মানৱ সৃষ্ট সামাজিক আচৰণেই সংস্কৃতি।

সংস্কৃতি সম্পৰ্কে বিভিন্ন পণ্ডিতৰ সংজ্ঞা আৰু আলোচনাৰ অন্তত সংস্কৃতিৰ কেইটামান সাধাৰণ বৈশিষ্ট্য পৰিলক্ষিত হয়। যেনে—

(১) মানৱ অভিজ্ঞতাত সংস্কৃতি বিশ্বজনীন (universal) তথাপিও ইয়াৰ স্থানীয় (local) আৰু আঞ্চলিক (regional) বহিঃপ্ৰকাশ অসম্ভৱ নহয়।

(২) সংস্কৃতি স্থবিৰ অথচ ই গতিশীল। অবিচ্ছিন্ন আৰু অবিৰত পৰিবৰ্তন ইয়াত স্পষ্ট।

(৩) সংস্কৃতিয়ে আমাৰ জীৱনৰ গতি নিৰ্ধাৰণ আৰু ইয়াৰ পৰিপুষ্টিত সমল যোগালেও কেতিয়াবাহে ই আমাৰ সচেতন ভাব-চিন্তাত প্ৰবেশ লাভ কৰিব পাৰে।[২১]

সংস্কৃতিৰ পৰিসৰ অতিকে বিশাল। সংস্কৃতিৰ দুটা ভাগ অভিজাত সংস্কৃতি (Elite Culture) আৰু লোক-সংস্কৃতি (Folk culture) দুয়ো পৰস্পৰে পৰিপূৰক। এই দুয়ো ভাগক সংস্কৃতিৰ উপসংযুতি (sub-structure) আখ্যা দিয়াহে সমীচীন।

ইংৰাজী 'Folk culture' পদটো বুজাবলৈ অসমীয়া ভাষাত সাধাৰণতে লোক-সংস্কৃতি শব্দটো ব্যৱহাৰ কৰা দেখা যায়। আনহাতে Folkloreক সূচিত কৰিবলৈও লোক-সংস্কৃতি পদটো ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। 'Folk' শব্দৰ অৰ্থ লোক বা জন, 'lore' ৰ অৰ্থ বিদ্যা, 'lore' পদে সংস্কৃতিক সূচিত কৰে বুলি স্পষ্টভাৱে কোৱা টান। এইফালৰ পৰা 'Folklore' ক বুজাবৰ বাবে 'লোকবিদ্যা' শব্দটো প্ৰয়োগ কৰাহে অধিক সমীচীন যেন লাগে।[২২] লোকবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ 'Folklore' ৰ প্ৰয়োগ সম্পৰ্কে এক চমু ইতিহাস আছে।[২৩]

ঊনবিংশ শতিকাত Folklore অৰ্থাৎ লোক-সংস্কৃতি বা লোকবিদ্যা অধ্যয়নৰ নতুন এক বিষয়ৰূপে (discipline) স্বীকৃত হৈছে। আধুনিক পণ্ডিতসকলৰ বিজ্ঞানসম্মত অধ্যয়নৰ

২০। 'Culture is the man-made part of the environment'
—Melville J Herskovites Cultural Anthropology, p 305

২১। Ibid., p 306

২২। নবীন চন্দ্ৰ শৰ্মা : পূৰ্বোক্ত গ্ৰন্থ, পৃ ৩৪

২৩। "Folklore is a word with a short but turbulent history"
— R M Dorson American Folklore, quoted from S sengupta's article "The scope of Folklore Study" in Folklore, p 51

প্ৰচেষ্টাই অতীজৰ লোক-সাহিত্যৰ (folk literature) ঠেক পৰিসৰক অধিক বিস্তৃত পৰিসৰলৈ আগবঢাই আনিলে। লোকবিদ্যাৰ এনে বিজ্ঞানসন্মত পৰ্য্যালোচনাত লোকজীৱন, লোকপৰম্পৰা এই সকলোবোৰ অন্তৰ্ভুক্ত। ভাৰতীয় লোকতত্ত্ববিদ শংকৰ সেনগুপ্তৰ ভাষাত—

> " Folklore comprises everything that comes within the purview of the oral tradition of the world of Nature, animate or enanimate, with a customs, rites etc that surround the Three great Eevents of life— birth, marriage and death— continuing through childhood and adult life in the groups of humanities and social science And the activities of all these are constantly expanding "[২৪]

ইংলণ্ডৰ পুৰাতত্ত্ববিদ আৰু জাৰ্মানৰ ভাষাতত্ত্ববিদসকলে নিম্ন শ্ৰেণীৰ লোকৰ আচাৰ-ব্যৱহাৰাদি নিবিড়ভাৱে লক্ষ্য কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে অধ্যয়নৰ নতুন ক্ষেত্ৰ (new field of learning) ৰূপে লোকবিদ্যাই সমাদৰ লাভ কৰিবলৈ আৰম্ভ কৰে। প্ৰথম অৱস্থাত এইবোৰক 'popular antiquities' এই খণ্ড বাক্যটি ব্যৱহৃত হৈছিল। খৃঃ ১৮১২ চনত জাৰ্মান ভ্ৰাতৃদ্বয় জেকব গ্ৰীম আৰু উইলিয়াম জেকবে জাৰ্মান দেশৰ লোককথা আৰু পুৰাবৃত্তৰাজি প্ৰকাশ কৰিবলৈ লয়। 'Grimm's fairy Tales' ত। জাৰ্মান দেশৰ সেই লোককথা আৰু পুৰাবৃত্তৰাজিক সূচিত কৰিবলৈ গ্ৰীম ভ্ৰাতৃদ্বয়ে 'Volkskunde' পদটো ব্যৱহাৰ কৰিছিল। 'Volk' ৰ অৰ্থ লোক (folk) আৰু 'skunde'ৰ অৰ্থ অভিজ্ঞতা (lore)। লোকজ্ঞান আৰু লোক অভিজ্ঞতাক সূচিত কৰিবলৈ খৃঃ ১৮৪৬ চনত ইংৰাজ পণ্ডিত উইলিয়াম থম্ছে 'Folklore' পদটো 'popular antiquities' ঠাইত ব্যৱহাৰ কৰে আৰু অতি কম সময়ৰ ভিতৰতেই Folklore বিষয়টোৱে আন্তৰ্জাতিক সমাদৰ লাভ কৰে।

প্ৰথমাৱস্থাত জাৰ্মান পণ্ডিতসকলৰ মতে জনসংস্কৃতি বা লোক-সংস্কৃতি জনসাধাৰণৰ কবিতা (the poetry of the people, folk creation)। ফৰাচী পণ্ডিতৰ মতে ফোকল'ৰ জনসাধাৰণৰ ঐতিহ্য মাথোন। যদি ফোকল'ৰ জনসাধাৰণৰ বাচিক কাব্যিক সৃষ্টিতেই পৰিসীমিত থাকিলহেঁতেন তেন্তে ফোকল'ৰ সাহিত্যৰ এটা বিশেষ শাখা হ'বলগীয়া হ'লহেঁতেন আৰু তেতিয়া লোকতত্ত্ববিদসকল সাহিত্যিক সকলৰ প্ৰতিভাৰ এটা অংশ হৈ পৰা দেখা গ'লহেঁতেন।[২৫]

২৪। S Sengupta "the scope of folklore study' in Folklore, commemoration volume, p 120

২৫। Y M Sokolov Russian Folklore, p 4

ভাৰতীয় দৃষ্টিভংগীতো প্ৰথমে মৌখিক কবিতাবোৰকেই অৰ্থাৎ লোক-সাহিত্যবোৰকহে (Folk literature) জনসংস্কৃতি বুলি জ্ঞান কৰা হৈছিল। লোক-সংস্কৃতি বা Folklore কথাটি বহুতৰ দৃষ্টিত কুসংস্কাৰবেৰে পৰিপূৰ্ণ। বহুতে ইংৰাজী 'popular belief' পদটোৰ অসমীযাত ৰূপ দিয়ে 'কুসংস্কাৰ'ৰে। কিছুমানে পৰম্পৰাগতভাৱে জনসাধাৰণৰ মাজত যিবোৰ সাহিত্য সৃষ্টি হৈছিল সেইবোৰকেই লোক-সংস্কৃতি বুলিছিল।[২৬]

কিছুমানে আকৌ মৌখিক সাহিত্যৰ লগতে জনবিশ্বাস, লোক ৰীতি-নীতি, নৃত্যগীত, নাটক, শিল্পবিদ্যা যেনে— চিত্ৰকলা, ভাস্কৰ্য্য আদিকো ধৰি জনসংস্কৃতিৰ পৰিসৰ কিছু বৃদ্ধি কৰিছিল। কিন্তু তেওঁলোকৰ ধাৰণা আছিল এইবোৰ জনসাধাৰণ অতীত যুগৰ সৃষ্টি। আধুনিক সমাজত এইবোৰৰ ক্ৰমশঃ বিলুপ্তি ঘটিছে।[২৭] এওঁলোকৰ মতে লোকসংস্কৃতি কেৱল মৌখিক পৰম্পৰা এইবোৰ পিছৰ উন্নত সমাজত সৃষ্টি নহয় বা সৃষ্টি কৰিব পৰা নাযায়।

বৰ্তমান সকলো দেশৰ পণ্ডিত গৱেষকসকলে অতীতৰ এনেবোৰ ধাৰণাৰ পৰিবৰ্তন ঘটাই লোকবিদ্যাৰ বিজ্ঞানসম্মত পৰ্য্যালোচনা আগবঢাবলৈ সক্ষম হৈছে। বিভিন্ন পণ্ডিতে লোকবিদ্যাৰ স্বৰূপ, পৰিসৰ আৰু বিষয়-বস্তুগত বিভিন্ন সংজ্ঞা আগবঢাইছে।[২৮]

Jones Balys ৰ মতে লোকবিদ্যা আদিম (primitive) আৰু সভ্য (civilised) জনসাধাৰণৰ পৰম্পৰাগত সৃষ্টি। জন-বিশ্বাস, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, খেলা-ধূলা, নাচন-কাচন, পৰিবেশ্য কলাৰীতি আদি ইয়াৰ সমল বা উপাদান। লোকবিদ্যা কেৱল লোকবিজ্ঞান (folk science) নহয়, বৰং ই পৰম্পৰাগত লোকবিজ্ঞানহে (traditional folk science)[২৯]

অতিকথা, লেজেণ্ড, সাধুকথা, যঁটেকুটি, লোকোক্তি, প্ৰবচন, যোজনা (যোজানা), প্ৰবাদ, সাৰ্থৰ-দিষ্টান, আবৃত্তি, মন্ত্ৰ, আশীৰ্বাদ, অভিশাপ-গালি, শপত, অপমান-অমৰ্য্যাদা, প্ৰতিশোধ, উপহাস, উত্যক্তকৰণ (teases) সমৰ্ধনা, পোছাক-পৰিচ্ছদ, বেশ-ভূষা, অয়-

---

২৬। "Some belive that folklore is nothing but the literature of the folk that is handed down to us from generation to generation"
—M Islam, Op-cit., p1

২৭। 'Other hold that the elements of folklore, either in the form of literature, beliefs and customs, drama and dance, art and craft, painting and with the development of modern societies, these elements are gradually dorpping out—"
–M Islam, Op.cit , p 1

২৮। Maria Leach (ed.) The Standard Dictionary of Folklore Mythology and Legend, Vol. I, pp 398-4)3

২৯। Ibid., p 403

অলংকাৰ, লোকনৃত্য, লোকনাটক লোককথা, লোকবিশ্বাস, অন্ধবিশ্বাস, লোক-ঔষধ-পাতি, লোকসংগীতৰ লগত জড়িত বাদ্যযন্ত্র, লোকভাষা, লোক উপমা-ৰূপক, নাম (উপনাম, স্থাননাম), লোক-কবিতা, ৰাজহুৱা ঘৰৰ বেৰ বা ৰাজহুৱা পায়খানা-স্নানাগাৰ আদিৰ বেৰ-লেখা, পঞ্চপদী অৰ্থহীন কবিতা (limericks), অংগী-ভংগী, নিচুকণিগীত, মুদ্রা, প্রার্থনা, লোক-বুৎপত্তি, খাদ্য ৰন্ধন প্রণালী, হাঁমি-হাঁচি আদিৰ বিষয়ে কৰা পৰম্পৰাগত মন্তব্য, উৎসৱ-অনুষ্ঠান, লোকধৰ্ম, ব্ৰত-উপবাস, দৃশ্য-শ্ৰাব্য কলাৰীতি আদি লোকবিদ্যাৰ পৰিধিৰ ভিতৰত সামৰিব পাৰি। ইয়াৰ বাহিৰেও লোকবিদ্যাৰ চাৰিসীমাৰ ভিতৰত সামৰিব পৰা অনেক বিষয় আছে। ওপৰোল্লিখিত বিষয় আৰু এইবোৰৰ পদ্ধতিগত অনুশীলন আৰু অধ্যয়নক লোকবিদ্যা বা লোকসংস্কৃতি বোলে। লোকবিদ্যাৰ অংগীভূত বিষয়-বস্তু আৰু এইবোৰৰ অধ্যয়ন অনুশীলনৰ মাজত দেখা দিব পৰা খেলিমেলি দূৰ কৰিবলৈ লোকবিদ্যাৰ বিভিন্ন শ্ৰেণী আৰু ইয়াৰ অধ্যয়ন এই দুয়োটাকে সূচিত কৰিবৰ বাবে ক্ৰমে লোকবিদ্যা (folklore) আৰু লোকবিদ্যাবিজ্ঞান (folkloristics) পৰিভাষা দুটি প্ৰয়োগ কৰা উচিত।[৩০]

আধুনিক পণ্ডিতসকলে লোকবিদ্যা অধ্যয়নৰ বাবে মূল পটভূমিৰূপে লোকজীৱনক (folklife) সামৰি লয়। তেওঁলোকে মত পোষণ কৰে যে লোকজীৱনে পৰম্পৰাগত সংস্কৃতি (traditional culture) আৰু বাচিক কলা ৰূপৰ (verble form) পূৰ্ণ চিত্ৰ ৰূপায়িত কৰে।

ৰিচাৰ্ড এম ডৰচনে লোকবিদ্যা আৰু লোক-জীৱনক মোটামুটিভাৱে চাৰিটা বহল ভাগত বিভক্ত কৰিছে। যেনে— (১) মৌখিক সাহিত্য (Oral literature), (২) ভৌতিক সংস্কৃতি (material culture), (৩) সামাজিক লোকৰীতি-নীতি (social folk custom), (৪) লোক-পৰিৱেশ্য কলা-ৰীতি (performing folk-arts)[৩১]

মৌখিক সাহিত্যৰ ৰূপ (form) আৰু সংযুতিৰ (structure) ফালৰ পৰা উইলিয়াম ৰিচাৰ্ড বেচকম-এ মৌখিক সাহিত্যক সূচিত কৰিবলৈ 'verble art' পদটো ব্যৱহাৰ কৰিছে।[৩২] 'verble art অৰ্থাৎ 'মৌখিক কলা' পৰিভাষাই মৌখিক সাহিত্যৰ লগত থকা বাচিক কলাৰ সম্পৰ্কৰ ওপৰত গুৰুত্ব দি লোককথা পুৰাবৃত্ত, লোকোক্তি আদি সম্বন্ধ আৰু সম্পৰ্ক প্ৰযুক্ত ৰূপৰ মাজত থকা পাৰম্পৰিক পাৰ্থক্যখিনিও স্পষ্টভাৱে দেখুৱাই দিয়ে। R.M Dorson এ মৌখিক সাহিত্যক বুজাবলৈ 'expressive literature' পদটোও ব্যৱহাৰ কৰা দেখা যায়। মৌখিক পৰম্পৰা বা সাহিত্যই সঘনে লিখিত পৰম্পৰা বা

৩০। নবীন চন্দ্ৰ শৰ্মা ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ ৩৬

৩১। R M Dorson (ed) Folklore and Folklife An Introduction, p 1

৩২। W R Bascom Contributions to folkloristics, p 67

সাহিত্যত প্ৰৱেশ লাভ কৰিব পাৰে।[৩৩] এনেবোৰ সাহিত্যত প্ৰয়োগ হোৱা ভাষাযো স্থানীয় আঞ্চলিক জতুৱা ঠাঁচলৈ ৰূপান্তৰিত হয় আৰু মান্যভাষাৰ পৰা ই আঁতৰি আছে। তেনে পুৰণি আৰু উপভাষিক শব্দ তথা লোকভাষা (folk speech) লোকবিদ্যা বিজ্ঞানীৰ বাবে বিশেষ আকৰ্ষণীয়।

ভৌতিক সংস্কৃতি (matenal culture) বুলিলে সাধাৰণতে প্ৰাকৃতিক লোক জীৱনৰ (physical folklore) কথাকে বুজা যায়। যুগে যুগে প্ৰবহমান পৰম্পৰা আৰু ৰক্ষণশীল ঐতিহ্যৰ অংগীভূত বাচিক কলা-কৌশল, পাৰদৰ্শিতা, পদ্ধতি আদিক সাধাৰণতে ভৌতিক সংস্কৃতি বোলে। পৰম্পৰা আশ্ৰয়ী সমাজত (traditional oriented society) পুৰুষ-স্ত্ৰী আদিয়ে কেনেকৈ ঘৰ-দুৱাৰ নিৰ্মাণ কৰে, কেনেকৈ কাপোৰ বয় অথবা খাদ্যদ্ৰব্য ৰান্ধে, খেতি-বাতি কৰে, মাছ-কাছ পোহে, মাটি-পানীৰ ব্যৱস্থা কৰে, যন্ত্ৰপাতি নিৰ্মাণ কৰে, সাজ-সৰঞ্জাম, বাচন-বৰ্তন প্ৰস্তুত কৰে আদি চৰ্চাই ভৌতিক সংস্কৃতিৰ প্ৰধান উপজীব্য।[৩৪]

মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজত সংযোগ সেঁতু স্বৰূপ পৰম্পৰাগত জীৱন (traditional life)। পৰম্পৰাগত জীৱনক একপ্ৰকাৰ আমি সামাজিক লোক আচাৰ ব্যৱহাৰ (social folk custom) বুলিবও পাৰোঁ। সমাজ আৰু পৰিয়ালৰ মাজত উদ্‌যাপিত কৃষি, জন্ম, বিবাহ, মৃত্যু আদি বিষয়ক ৰীতি-নীতি আদি পৰম্পৰাগত জীৱনৰ ভিতৰত পৰে। এইবোৰ মুখ্যতঃ লোকবিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত, সুনিৰ্দিষ্ট (specific) আৰু স্থানীয় (local)। যিবিলাক আচাৰ-ব্যৱহাৰ, ৰীতি-নীতিত কিছু পৰিমানে ঐন্দ্ৰজালিক (magical) আৰু ধৰ্মীয় প্ৰচ্ছন্ন শক্তি (sacred potency) অংগীভূত হৈ আছে সেইবিলাককে সাধাৰণতে ক্ৰিয়া-কাণ্ড বা আচাৰ পদ্ধতি (rituals) বোলে।

আকৌ সমাজৰ অধিকাংশ লোক একগোট হৈ ৰাজহুৱা উদ্‌যাপনৰে আমোদ প্ৰমোদত যোগ দিয়াৰ ফলত উৎসৱ-অনুষ্ঠান আদি সামাজিক লোক-প্ৰথাৰ সৃষ্টি হয়। গীত, নৃত্য, অভিনয়, শোভাযাত্ৰা আদি উৎসৱৰ পৰিসীমাৰ অন্তৰ্ভুক্ত।[৩৫] সাধাৰণতে এই উৎসৱ-অনুষ্ঠানবোৰ কিছুমান ধৰ্মীয় আৰু কিছুমান ধৰ্ম নিৰপেক্ষ ঐতিহ্যৰ ওপৰত প্ৰতিষ্ঠিত।

লোকবিদ্যা আৰু লোকজীৱনৰ চতুৰ্থ অংশ স্বৰূপে পৰিৱেশ্য কলালৈ আঙুলিয়াব পাৰি। পৰম্পৰাগত সংগীত, নৃত্য আৰু নাট, পৰম্পৰাগত পৰিৱেশ্য কলাৰ ভিতৰত ধৰিব পাৰি। অসমীয়া লোকসংস্কৃতিত পুতলা-নাচ, খুলীয়া ভাউৰীয়া, ভাৰীগান, কুশানগান আদি এনে পৰিৱেশ্য কলাৰ নিদৰ্শন।

৩৩। "Oral literature can and frequently does enter into written literature "
—R. M Dorson, Op-cit, p 2

৩৪। R. M Dosson, Op-Cet, P 4

৩৫। Ibid

লোকবিদ্যা বা লোক-সংস্কৃতিৰ পৰিসৰে সামৰি লোৱা সমলৰাজিৰ আভাস তলত দিয়া হ'ল। যেনে—

১ মৌখিক লোকবিদ্যা (Oral folklore)ঃ
(ক) লোক-কাহিনী (Folk Narrative)
(খ) বৰ্ণনাত্মক লোক-কবিতা (Narrative folkpoetry)
(গ) লোক মহাকাব্য (Folkepic)
(ঘ) লোকোক্তি (Proverbs, Sayings, Maxims, etc)
(ঙ) লোক-ভাষা (Folk speech)
২ সামাজিক লোক-প্ৰথা বা লোকাচাৰ (Social Folkcustom)ঃ
(ক) উৎসৱ-অনুষ্ঠান (Celebrations)
(খ) অসৰৰ বিনোদন আৰু খেল-ধেমালি (Recreation & Games)
(গ) লোক-ঔষধ (Folkmedicine)
(ঘ) লোক-ধৰ্ম (Folkreligion)
৩ ভৌতিক-সংস্কৃতি (Meterial Culture)ঃ
(ক) লোক-শিল্প (Folkcrafts)
(খ) লোককলা (Folkart)
(গ) লোক স্থপতি বিদ্যা (Folkarchitecture)
(ঘ) লোক আভৰণ (Folkcostume)
(ঙ) লোক ৰন্ধন-প্ৰণালী (Folkcookery)
৪ লোক কলা (Folkarts)ঃ
(ক) লোক নাট্য (Folkdrama)
(খ) লোক-সংগীত (Folkmusic)
(গ) লোক-নৃত্য (Folkdance)

উপৰৰ আলোচনাত স্পষ্টভাৱে প্ৰতিফলিত হৈছে যে সামাজিক আৰু বাচিক কলা বা মৌখিক সাহিত্য নিয়তভাৱে সম্পৰ্কযুক্ত আৰু ইবোৰ 'verble art' অভিধাৰে লোকবিদ্যাত আলোচিত হৈছে। সেয়েহে বাচিক-কলা বা মৌখিক সাহিত্যৰ উপশ্ৰেণীবোৰো লোকবিদ্যাৰ বৈশিষ্ট্যপূৰ্ণ উপাদান। সেইবোৰ—

১ লোকগীত (Folk Songs)ঃ

(ক) বেলাড, (খ) ধৰ্মীয় গীত, (গ) প্ৰণয়গীত, (ঘ) কৰ্মগীত, (ঙ) উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত, (চ) তত্ত্বপূৰ্ণ গীত, (ছ) চিকাৰ আদিৰ লগত জড়িত গীত, (জ) বিদ্ৰূপাত্মক গীত, (ঝ) কেঁচুৱা আৰু ল'ৰা-ছোৱালীৰ লগত সম্পৰ্কযুক্ত গীত, টোপনি নিওৱা গীত (lullabies) নিচুকণি গীত (nursery rhymes) শিশুৰ খেল-ধেমালিৰ লগত জড়িত গীত (children gamesongs)

২ বৰ্ণনাত্মক মৌখিক কাহিনী (Oral narratives):
(ক) অতিকথা বা পুৰণি-কথা (Myth)
(খ) জনশ্ৰুতিমূলক (Legend)
(গ) সাধুকথা (Tale)
৩ প্ৰবাদ-প্ৰবচন-যোজনা বা যোজোনা, লোকোক্তি, ফকৰা (Proverbs, Sayings, Maxims etc)
৪ সাঁথৰ (Riddles)
৫ মন্ত্ৰ (Charm)

উল্লিখিত বিভিন্ন বিভাগবোৰেই হৈছে— লোকবিদ্যা অধ্যয়নৰ বিভিন্ন দিশ আৰু উপাদান। লোক-সাহিত্যৰ পাঠ বিভিন্ন দিশ আৰু স্তৰৰ ফালৰ পৰা বিচাৰ বিশ্লেষণ কৰিব পাৰি। যেনে— বিষয়-বস্তু (content) ৰূপ (form) শৈলী (style) সংযুতি (structure) জমিন (texure), ক্ৰিয়া (function) প্ৰয়োগ (use) আৰু অৰ্থ (meaning)।

লোকবিদ্যা সমাজ জীৱনৰ মুকুট স্বৰূপ। আনহাতে লোকজীৱনৰ হৃদয়-স্পন্দন ('the pulse of the people')। ব্যক্তি আৰু সমাজ জীৱনৰ বিভিন্ন সংযুক্তিসমূহ সুখ-দুখ, আনন্দ-বেদনা, হাঁহি-কান্দোন, অভাব-অভিযোগ, দুখ-দাৰিদ্ৰ্য, বিবাহ-মিলন, অৰ্থনৈতিক দুৰৱস্থা, ৰাজনৈতিক অস্থিৰতা, শাসন-শোষণ আদিয়ে ভাষাময় ৰূপ লাভ কৰে লোকবিদ্যাৰ সংযোগত।

লোকবিদ্যাৰ সাংস্কৃতিক প্ৰসংগও অস্বীকাৰ কৰিব নোৱাৰি। আমেৰিকাৰ বিখ্যাত লোকবিদ্যা বিজ্ঞানী আৰচাৰ টাইলাৰ-এ লোকবিদ্যাৰ তিনি প্ৰকাৰৰ সাংস্কৃতিক প্ৰসংগৰ বিষয়ে উল্লেখ কৰিছে:
(ক) লিখিত সাহিত্যৰ লগত লোকসংস্কৃতিৰ অবিচ্ছিন্ন সম্পৰ্ক।
(খ) লিখিত সাহিত্যত লোকসংস্কৃতিৰ সমল সদা-সৰ্বদা বৰ্তমান থাকে।
(গ) লেখকে লোকসংস্কৃতি অৱগত কৰায়।[৩৬]

সাহিত্য যুগৰ প্ৰতিবিম্ব স্বৰূপ, একোজন সাধকৰ জীৱন আৰু সমসাময়িক সমাজ জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ ভিত্তিত প্ৰতিষ্ঠিত শিল্পকৰ্ম। সেয়েহে সাহিত্যত লোকবিদ্যাৰ সকলোবোৰ সম্পদেই অন্তৰ্ভুক্ত হয়। দাৰ্শনিক পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল: 'Literature must voice the past, reflect the present and mould the future'[৩৭] অতীত, বৰ্তমান, ভৱিষ্যতৰ ত্ৰিবেণীসংগমৰ ইংগিত বহন কৰা সাহিত্যৰ বুকুত সমসাময়িক লোক-জীৱনৰ সকলোবোৰ সমলেই বৰ্তমান। সেয়ে লোকবিদ্যা অধ্যয়নৰ প্ৰশস্ত ক্ষেত্ৰৰূপে লিখিত সাহিত্যও বিবেচিত হ'ব পাৰে।

৩৬। Archer Taylor 'Folklore and the Student of Literature' in The Specific Spectator, Vol II, p 219
৩৭। S Radhakrishnan Contemporary Indian Literature, Foreward, Sahitya Akademi

।। তৃতীয় অধ্যায়।।

পুৰণি অসমীয়া কবিৰ ৰচনাত সমসাময়িক লোকায়ত সমাজৰ প্ৰতিফলন

'সাহিত্য আৰু সংস্কৃতি সমাজৰ দাপোণ স্বৰূপ।' যুগে যুগে সাহিত্য সৃষ্ট হৈ আহিছে সমাজৰ বুকুত সমসাময়িক লোকজীৱনৰ বিভিন্ন দিশৰ প্ৰতিফলনত। ব্যক্তি আৰু সমাজ জীৱনৰ বিভিন্ন সংযুক্তিসমূহ সুখ-দুখ, হাঁহি-কান্দোন, আনন্দ-বেদনা, অভাৱ-অভিযোগ, দুখ-দাৰিদ্ৰ্য, বিৰহ-মিলন, অৰ্থনৈতিক দুৰৱস্থা, ৰাজনৈতিক অস্থিৰতা, শাসন-শোষণ আদিয়ে সাহিত্যৰ বুকুত বাংময ৰূপ লাভ কৰে। সেযেহে ভাষাৰ মাধ্যমেৰে জীৱনৰ প্ৰকাশেই হ'ল সাহিত্য। এই ক্ষেত্ৰত লঙৰ উক্তি প্ৰণিধানযোগ্য ঃ

"প্ৰতিখন কিতাপৰ আঁৰত একোজন মানুহ আছে। মানুহজনৰ আঁৰত এটা জাতি আছে। জাতিটোৰ আঁৰত প্ৰাকৃতিক আৰু সামাজিক বাতাৱৰণ আছে। অজ্ঞাতসাৰে এই আটাইবোৰৰ প্ৰভাৱ একোখন কিতাপত প্ৰতিফলিত হয।"[১]

সমালোচকৰ উক্ত মন্তব্যপুৰণি অসমীযা কবিসকলৰ ৰচনাতো সমানেই প্ৰযোজ্য। পুৰণি অসমীয়া কবি-সাহিত্যিকসকলে সমসাময়িক সমাজৰ লোক-প্ৰযোজনীয়তালৈ লক্ষ্য ৰাখি সাধাৰণ জনগণৰ বোধগম্যতাৰ নীতি আৰু আদৰ্শৰে গীত-পদ ৰচনা কৰিছিল। সেয়েহে তেওঁলোকে লোক জীৱনৰ মুখৰ ভাষা (dialect) বুটলি গীত-পদত ঠাই দিছিল। লগতে চিনাকি পটভূমি সৃষ্টিৰ বাবে লোক-সমাজত ব্যৱহৃত যোজোনা-পটন্তৰ, খণ্ডবাক্য আদিক সাহিত্যৰ বুকুত স্থান দিছিল। ফলত সেই সময়ৰ তথাকথিত মুখৰ ভাষাই সাহিত্যক মৰ্য্যাদা লাভ কৰাত অসমীয়া ভাষাই নতুন এক সমৃদ্ধিশালী ৰূপ লাভ কৰিবলৈ সক্ষম হয়। এই ভাষা-বৈশিষ্ট্য অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন স্বৰূপ হেম সৰস্বতীৰ 'প্ৰহ্লাদচৰিত' পুথিৰ ভাষালৈ মন কৰিলেই দেখা যায়। এই পুথিত সমসাময়িক সমাজৰ পণ্ডিতমণ্ডলীৰ সাহিত্যৰ ভাষা সংস্কৃতিতকৈ, সেই সময়ত প্ৰচলিত জনসাধাৰণৰ তথা কথিত ভাষা প্ৰাকৃতৰ প্ৰভাৱ সকলো দিশতেই বেছি।[২] এই ভাষা-বৈশিষ্ট্য কম বেছি পৰিমাণে পুৰণি অসমীয়া কবি সাহিত্যিকসকলৰ সকলোবোৰ ৰচনাতে পৰিলক্ষিত হয়। কিয়নো সেই যুগৰ কবি-

---

১। উপেন্দ্ৰনাথ গোস্বামী ঃ ভাষা আৰু সাহিত্য প্ৰষ্টত প্ৰাপ্ত।

২। "The language in all its aspects show rather a prakrt influence than of Sanskrit"
— D Neog New Light on Asamiya Literature, p 108

সাহিত্যিকসকলৰ মূল লক্ষ্যই হৈছে তেওঁলোকৰ ৰচনাক সৰ্বসাধাৰণৰ সহজবোধগম্য জনসাহিত্যত পৰিণত কৰা।[৩]

পৃথিবীৰ অন্যান্য ভাষা-সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰো প্ৰথম নিদৰ্শন হৈছে মৌখিক সাহিত্য। সৃষ্টিক্ষম, কল্পনাপ্ৰিয় মানুহৰ মনত গীত-কবিতাৰ বীজ সদায় নিহিত থাকে আৰু তাৰেই বৰ্হিপ্ৰকাশ গীত-পদ, মালিতা, কিংবদন্তী, সাধুকথা আদিৰ ৰূপত যুগ যুগ ধৰি পৰম্পৰা ভিত্তিত মুখ বাগৰি চলি থাকে। তাৰ পিছতহে কালক্ৰমত লিখিত সাহিত্যৰ সৃষ্টি হয। লিখিত সাহিত্যৰো প্ৰথম স্তৰ গীতি-সাহিত্য। সাহিত্যৰ এই ধাৰাটোৰ প্ৰধান বৈশিষ্ট্য হৈছে ভাব-অনুভূতি, ভাষা আৰু ৰচনা প্ৰণালীৰ সৰলতা। অসমীয়া সাহিত্যৰ বুৰঞ্জীক তিনিটা যুগত ভাগ কৰিব পাৰি— আদি, মধ্য আৰু আধুনিক বা বৰ্তমান। মধ্য যুগক আকৌ তিনিটা পৰ্য্যায় বা স্তৰত বিভাগ কৰিব পাৰি— প্ৰাক্ শংকৰী, শংকৰী আৰু উত্তৰ শংকৰী।[৪]

খ্ৰীঃ চতুদৰ্শ শতিকাৰ প্ৰাৰম্ভৰ পৰা মহাপুৰুষ শংকৰদেৱৰ সাহিত্যাকাশত আৱিৰ্ভাৱলৈকে এই কালছোৱা মধ্যযুগৰ সাহিত্যৰ বুৰঞ্জীত প্ৰথম পৰ্য্যায় ৰূপে পৰিগণিত হৈছে। মোটামুটিভাৱে পুৰণি অসমীয়া কবি-সাহিত্যিক সকলৰ সৃষ্টি বিভিন্ন গীত-পদৰ পুথি সাহিত্যৰ বুৰঞ্জীত এই যুগৰ ভিতৰতে সামৰিব পাৰি। খ্ৰীঃ চতুৰ্দশ শতিকাৰ পৰাই অসমীয়া লিখিত সাহিত্যৰ সমৃদ্ধিপূৰ্ণ স্তৰ আৰম্ভ হয় বুলি বাণীকান্ত কাকতিযে মত প্ৰকাশ কৰে।[৫]

পুৰণি অসমীয়া সাহিত্যৰ এই স্তৰত কেবাজনো কবিৰ উদ্ভৱ দেখা পোৱা যায। সেইসকল হ'ল (১) হেম সৰস্বতী, (২) ৰুদ্ৰ কন্দলী (৩) হৰিবৰ বিপ্ৰ, (৪) কবিৰত্ন সৰস্বতী আৰু (৫) মাধৱ কন্দলী। এই কবিসকলে কাব্য ৰচনাৰ প্ৰধান অনুপ্ৰেৰণা লাভ কৰিছিল সমসাময়িক ৰজাসকলৰ পৰা। পৃষ্ঠপোষক ৰজা কেইজন হ'ল— কমতাপুৰৰ ৰজা দুৰ্লভনাৰায়ণ, পুতেক ইন্দ্ৰনাৰায়ণ, শ্ৰীমন্ত তাম্ৰধ্বজ, তেওঁৰ অনুজ আৰু বৰাহী ৰজা শ্ৰীমহামাণিক্য। খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ শেষভাগত ৰজা দুৰ্লভনাৰায়ণে ৰাজত্ব কৰিছিল। হেমসৰস্বতী[৬] হৰিবৰ বিপ্ৰ[৭] আৰু কবিৰত্ন

৩। "This is mostly due to the fact that the foundations of Assamese literature were laid by the Vaisnavite reformers whose chief aim was to appeal to the masses and who composed their books as much as possible in the language of the people"
— B Kakati Asamese Its Formation and Development, p 22

৪। সত্যেন্দ্ৰনাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,পৃ ১২

৫। "The distinctive Assamese period of literature, to speak from the materials hitherto discovered begins with the 14th century"—B Kakati, Op-cit, P 13

৬। হেম সৰস্বতী : প্ৰহ্লাদ চৰিত্ৰ, পদ ৬০-৬১

৭। হৰিবৰ বিপ্ৰ : বভ্ৰুবাহনৰ যুদ্ধ, পদ ২২৩

সৰস্বতীয়ে[৮] এইজনা ৰজাৰ উদ্যোগত অসমীয়া ভাষাত গীত-পদ ৰচনা কৰিছিল। এই সময়তে আন এজন বৈষ্ণৱ কবি ৰুদ্ৰ কন্দলীৰ পৃষ্ঠপোষক শ্ৰীমন্ত তাম্ৰধ্বজ। তাম্ৰধ্বজ সম্পৰ্কে সঠিক আৰু সবিশেষ বিৱৰণ নাপালেও তেওঁ যে খ্ৰীঃ চতুৰ্দশ শতিকাৰ কামৰূপৰ কোনো অঞ্চলৰ ৰজা আছিল তাত কোনো সন্দেহ নাই।[৯] সৰ্বসাধাৰণৰ অবোধগম্য সংস্কৃত পুৰাণ শাস্ত্ৰাদিত নিহিত থকা নৈতিক, ধৰ্মীয়, আধ্যাত্মিক তত্ত্বক জনসাধাৰণৰ বোধগম্য হোৱাকৈ সহজ সৰল ৰূপত অনুবাদ কৰিবলৈ উদীয়মান এই নৃপতিসকলে পণ্ডিত কবিসকলক নিযোগ কৰিছিল।

কন্দলী, সৰস্বতী, কবিৰত্ন উপাধিধাৰী এই কবিসকল সংস্কৃত ভাষা আৰু শাস্ত্ৰত যথেষ্ট ব্যুৎপত্তি থকা পণ্ডিত। সংস্কৃত ভাষাত পুথি ৰচনা কৰা তেওঁলোকৰ বাবে সমূলি কঠিন নাছিল। তথাপিতো এই কবিসকলে কাব্য সৃষ্টিৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল সমসামযিক সমাজৰ আবাল-বৃদ্ধ-বণিতা সকলোৱেই সহজে বুজিব পৰা কথিত অসমীযা ভাষা। ইযাৰ প্ৰধান উদ্দেশ্য আছিল লোকমানসক আকৃষ্ট কৰা, জনসাধাৰণৰ সহজ বোধগম্যতা, লোকশিক্ষা আৰু দৰিদ্ৰজনৰ প্ৰতি সহানুভূতি ব্যক্ত কৰা।[১০] এইকথা ব্যাকৰণ পণ্ডিত কবি চন্দ্ৰভাৰতী ওৰফে অনন্ত কন্দলীযে নিজে দশম স্কন্ধ ভাগৱতৰ পদ অনুবাদ কৰোঁতে ব্যক্ত কৰিছিল ঃ

'শ্লোক সংস্কৃতে আমি লিখিবাক ভাল জানি
তথাপি কৰিবো পদবন্ধ।
স্ত্ৰী শূদ্ৰ আদি যত জ্ঞানোক পৰম তত্ত্ব
শ্ৰৱণত মিলয আনন্দ ।।[১১]

প্ৰাক্ শংকৰী কবি মাধৱ কন্দলীৰ ৰচনাতো এনে কথাৰ স্পষ্ট অভিব্যঞ্জনা পোৱা যায ঃ

'কবিৰাজ কন্দলীযে আমাকেসে বুলিবয
কৰিলোহো সৰ্বজনবোধে।
ৰামায়ণ সুপযাৰ শ্ৰীমহামাণিক্য যে
বৰাহ ৰাজাৰ অনুৰোধে।।[১২]

আকৌ

৮। কবিৰত্ন সৰস্বতী : দ্ৰোণ পৰ্ব (কৈলাশ বৰ্ণন), হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত অসমীয়া মহাভাৰত, পদ ২৩৭০৫-০৬

৯। সত্যেন্দ্ৰনাথ শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ৬৮

১০। নবীন চন্দ্ৰ শৰ্মা : পুৰণি অসমীয়া সাহিত্যৰ সুবাস, পৃ ৯

১১। অনন্ত কন্দলী : দশম, পদ ৩১০৫

১২। মাধৱ কন্দলী : ৰামায়ণ : লংকাকাণ্ড পদ ৬৭১০

'কবিসব নিবন্ধয় লোক ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে।।
দৈৱবাণী নুহি ইটো লৌকিকহে কথা।
এতেক ইহাৰ দোষ নলৈবা সৰ্বথা।।[১৩]

একে আদৰ্শতে মহাপুৰুষ দামোদৰদেৱে প্ৰধান শিষ্য ভট্টদেৱক আজ্ঞা দিছিলঃ

পূৰ্বে মহাপুৰুষে কৰিলা দশমস্কন্ধ।
কীৰ্তন ভটিমা ছবি দুলড়ী সুছন্দ।।
তাত কৰি সুগম কৰিও ভাগৱত।
স্ত্ৰী শূদ্ৰ সৰ্বলোকে বুঝে যেন মত।।[১৪]

এই কবি সাহিত্যিকসকলে লোক সমাজৰ উপযোগীকৈ ধৰ্মৰ সহায়ত লোকশিক্ষা দিবৰ বাবে সংস্কৃতমূলীয় কথা বা আখ্যানৰ সত্যতাৰ ওপৰত আঘাত নকৰাকৈ থলুৱা উপাদান সন্নিৱিষ্ট কৰি জনসাধাৰণৰ কথিত ভাষাত সাহিত্যাদি ৰচনা কৰিছিল। সেয়েহে পুৰণি অসমীয়া কবিৰ ৰচনাৰাজিত সমসাময়িক লোকায়ত সমাজৰ প্ৰতিফলন লক্ষ্য কৰা যায়।

ভাষাৰ সহায়েৰে সংস্কৃতিক বাংময় ৰূপ দিয়া হয়। গতিকে ভাষাৰ যোগেদি এখন সমাজৰ সাংস্কৃতিক জীৱন সাহিত্যৰ বুকুত প্ৰতিফলিত হয়। এই বিষয়ত সচেতন পুৰণি অসমীয়া কবি-সাহিত্যিকসকলে অসমীয়া থলুৱা জীৱনক সাহিত্যৰ বুকুত ঠাই দিয়াৰ আপাহতে সমসাময়িক যুগৰ তথাকথিত থলুৱা ভাষাক সাহিত্যৰ বুকুত ঠাই দিছিল। সাহিত্যৰ মাধ্যমৰূপে প্ৰতিষ্ঠিত হবলৈ যিকোনো এটি ভাষা সমৃদ্ধিশালী হ'ব লাগিব। পুৰণি অসমীয়া গীত-পদ আদি চালি-জাৰি চালে অসমীয়া ভাষাৰ থলুৱা উপাদানকে মুখ্য কৰি বিভিন্ন উৎসৰ পৰা অহা শব্দৰাজিৰ কথা মনলৈ আহে। বাণীকান্ত কাকতিৰ মতে মূল অনুধাৱন কৰি অসমীয়া শব্দৰাজিক প্ৰধানতঃ তলত দিয়া ধৰণে শ্ৰেণীভুক্ত কৰিব পাৰি :

(ক) অবিকৃত সংস্কৃত বা তৎসম শব্দ,
(খ) বিকৃত সংস্কৃত বা অৰ্দ্ধ তৎসম বা ভগ্ন তৎসম শব্দ,
(গ) বৈদিক বা সংস্কৃত ভাষাৰ পৰা প্ৰাকৃতৰ মাজেদি ক্ৰম পৰিবৰ্তিত হৈ অসমীয়া ৰূপ লাভ কৰা তদ্ভৱ শব্দ।
(ঘ) বিভিন্ন আৰ্য্য-বৰ্হিভূত স্থানীয় ভাষাৰ শব্দ বা দেশী শব্দ।
(ঙ) ভাৰতৰ বিভিন্ন আৰ্য্য ভাষাৰ পৰা অহা শব্দ বা ভাৰতীয় শব্দ।

১৩। উক্ত গ্ৰন্থ, পদ -৩১১৩
১৪। গুৰুলীলা, পদ -৩৩৮

(চ) ভাৰতৰ বাহিৰৰ বিভিন্ন ভাষাৰ পৰা অহা শব্দ বা অভাৰতীয় শব্দ।[১৫]

অসমীযা ভাষাৰ শব্দমালাৰ মূল উৎস সংস্কৃত ভাষা। পুৰণি অসমৰ গীত-পদৰাজিৰ বহুবোৰ শব্দ অবিকৃত পুৰণি ঠাঁচৰ। এইবোৰক তৎসম শব্দ বোলা হয। দুৰাচাৰ[১৬] ললাট,[১৭] ম্লেচ্ছ,[১৮] কুলাঙ্গাৰ,[১৯] মৎস্য,[২০] ইত্যাদি এনেধৰণৰ প্ৰচুৰ শব্দৰ নিদৰ্শন।

যিবিলাক তৎসম শব্দ উচ্চাৰণৰ তাৰতম্যৰ কাৰণে পৰিৱৰ্তিত হৈ অসমীযা ভাষাত স্থান পাইছে, সেইবিলাক শব্দকে কোৱা হয় অৰ্ধ তৎসম বা ভগ্নতৎসম শব্দ।[২১] অৰ্ধ তৎসম শব্দও পুৰণি কবিসকলৰ নিৰ্মিতিত প্ৰচুৰ পৰিমাণে প্ৰযোগ হোৱা পৰিলক্ষিত হয। যেনে—

উদাহৰণ ঃ	সংস্কৃত	অৰ্দ্ধতৎসম
	ভক্তি	ভকতি[২২]
	ধ্যান	ধিযান[২৩]
	শক্তি	শকতি[২৪]
	মাতৃ	মাৱ[২৫]
	জ্ঞান	গিয়ান,[২৬] ইত্যাদি।

যিবোৰ শব্দ প্ৰাচীন ভাৰতীয আৰ্য্য ভাষাৰ (বৈদিক সংস্কৃত) পৰা মধ্যভাৰতীয আৰ্য্যভাষা (প্ৰাকৃত)ৰ ভিতৰেদি ধাৰাবাহিক পৰিৱৰ্তন লাভ কৰি আহি অসমীযা ভাষাত স্থান পাইছে সেইবোৰ শব্দক 'তদ্ভৱ' শব্দ বোলে।[২৭] পুৰণি অসমীয়া বাক্যত এনে শব্দৰ প্ৰযোগো প্ৰচুৰ পৰিমাণে পোৱা যায; যেনে ঃ

উদাহৰণ ঃ	সংস্কৃত	তদ্ভৱ ৰূপ
	মিথ্যা	মিছ্যা[২৮]

১৫। B Kakati Op-cit., p 22
১৬। হেম সৰস্বতী ঃ প্ৰহ্লাদ চৰিত, পদ- ৬
১৭। কন্দ্ৰ কন্দলী ঃ সাত্যকি প্ৰৱেশ, অসমীয়া মহাভাৰত (সম্পা) হৰিনাৰায়ণ দত্তবৰুৱা, পদ-২৪৫৭১
১৮। উক্ত গ্ৰন্থ, পদ- ২৪৫৫০
১৯। হৰিবৰ বিপ্ৰ ঃ তাম্ৰধ্বজৰ যুদ্ধ, পদ- ১৫৭-৫৮
২০। উক্ত গ্ৰন্থ, পদ- ২৮৪
২১। B Kakati, op-cit , P 23
২২। হেম সৰস্বতী ঃ প্ৰাগুক্ত গ্ৰন্থ, পদ- ৫০, ৫৯
২৩। কবিৰত্ন সৰস্বতী ঃ দ্ৰোণ পৰ্ব, পদ- ২৩৬৯১
২৪। কন্দ্ৰ কন্দলী ঃ প্ৰাগুক্ত গ্ৰন্থ, পদ- ২৪৫৭৬
২৫। হৰিবৰ বিপ্ৰ ঃ বভ্ৰুবাহনৰ যুদ্ধ, পদ- ৩৮৩
২৬। উক্ত গ্ৰন্থ, পদ- ৩৮৩
২৭। B Kakati op-cit, p 22
২৮। হেম সৰস্বতী ঃ প্ৰাগুক্ত গ্ৰন্থ, পদ- ১৯

দীৰ্ঘ	দীঘল[29]
হস্ত	হাত[30]
কৰ্ম	কাম,[31] ইত্যাদি।

শংকৰদেৱে তৎসম শব্দ ব্যৱহাৰ কৰিলেও তদ্ভৱ আৰু ঘৰুৱা শব্দও ব্যৱহাৰ কৰিছিল যাতে জনসাধাৰণে সহজে বুজি পায়।[32] আনহাতে তৎসম, তদ্ভৱ আৰু ঘৰুৱা শব্দৰ সাৰ্থক সমন্বয়ে তেখেতৰ ৰচনা মনোগ্ৰাহী আৰু শক্তিশালী কৰি তুলিছে।

সময়ৰ অগ্ৰগতিৰ লগে লগে ভাষাৰ বিস্তৃতি আৰু পৰিবৰ্তন সাধিত হয়। বিভিন্ন দেশৰ বিভিন্ন জাতিৰ সংমিশ্ৰিত প্ৰভাৱৰ ফলত কেতিয়াবা এটা ভাষাৰ শব্দও আন এটা ভাষাত প্ৰবেশ কৰেহি। পুৰণি অসমীয়া ভাষাত এনে কিছুমান শব্দ পোৱা যায়। যেনেঃ দাহিন[33] (সোঁফাল), ধন্ধা,[34] নিকাল,[35] ইত্যাদি। এনে ধৰণৰ শব্দ ওচৰ-চুবুৰীয়া হিন্দী ভাষাৰ পৰা অহাৰ সপক্ষে মত পোষণ কৰিব পাৰি। পূৰ্বসূৰী কবিৰ ভাষা প্ৰয়োগৰ এনে প্ৰৱণতা শংকৰদেৱৰ সাহিত্যৰাজিতো দেখা যায়। অসমীয়া সমাজত প্ৰচলিত শব্দসমূহকো শংকৰদেৱে সাহিত্যত স্থান দিছে। ভগবান মৰলে এনে কেতবোৰ শব্দৰ তালিকা যুগুত কৰিছে—দ্ৰাবিড় ভাষাৰ ওৰা (কীৰ্তন), ঘাঞ্চ (ৰুক্মিণী হৰণ কাব্য), দেৱান (কীৰ্তন), চায়েৰ (বৰগীত), পাৰ্চী ভাষাৰ চাকৰ (বৰগীত), চাবুক (দশম), খুচি কুছি (বৰগীত), খচম, ডাবৰ (কীৰ্তন), বাজু (কীৰ্তন) ফৰমত (ৰুক্মিণী হৰণ কাব্য), আচোৰাৰ, অষ্ট্ৰিক ভাষাগোষ্ঠীৰ চাওতালী ভাষাৰ আণ্ঠুকুৰি (বৰগীত) ইত্যাদি।[36]

পুৰণি অসমীয়া কাব্যত ব্যৱহৃত খণ্ড,[37] জঞ্জাল[38] আদি শব্দ অষ্ট্ৰ-এচিয় খৈদৰ খাচী ভাষাৰ উপাদান। তেনেকৈয়ে ঢাক (cover)[39], কামি[40], আদি শব্দ ক্ৰমে চাওতালী আৰু তিব্বত-বৰ্মী বৰো ভাষাৰ উপাদান।

২৯। হৰিবৰ বিপ্ৰ : প্ৰাগুক্ত গ্ৰন্থ, পদ- ৮
৩০। উক্ত গ্ৰন্থ, পদ- ১৬১, ৪৭৫
৩১। মাধৱদেৱ : আদিকাণ্ড ৰামায়ণ, পদ, ১৪-১৫
৩২। ৰমেশ পাঠক : অসমীয়া ভাষাৰ ইতিহাস, ১৯৮৫, পৃ ১১
৩৩। মাধৱ কন্দলী : অসমীয়া ৰামায়ণ, পদ- ৪০, ১০৫, ১১৯
৩৪। হেম সৰস্বতী : প্ৰাগুক্ত গ্ৰন্থ, পদ- ৩৪
৩৫। মাধৱ কন্দলী : প্ৰাগুক্ত গ্ৰন্থ, পদ- ১৬
৩৬। ভগবান চন্দ্ৰ মৰল : 'শংকৰদেৱৰ ভাষাত আৰ্যভিন্ন উপাদান' শংকৰী সাহিত্যৰ সমীক্ষা, ভৱপ্ৰসাদ চলিহা সম্পাদিত), পৃ - ১০৭০
৩৭। হেম সৰস্বতী : প্ৰাগুক্ত গ্ৰন্থ, পদ- ৯৬
৩৮। মাধৱ কন্দলী : প্ৰাগুক্ত গ্ৰন্থ, পদ- ৩৮
৩৯। হৰিবৰ বিপ্ৰ : বভ্ৰুবাহন যুদ্ধ, পদ- ১৫৯-৬০
৪০। উক্ত গ্ৰন্থ, পদ- ২৫

খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ আৰম্ভণিৰ পৰা সপ্তদশ শতিকাৰ শেষ দশকলৈকে মুছলমান সকলে অসমৰ ওপৰত উপৰ্য্যুপৰি আক্ৰমণ চলোৱাৰ ফলস্বৰূপে অসমীয়া ভাষা-সংস্কৃতিত ইছলাম ধৰ্ম আৰু সংস্কৃতিৰ প্ৰভাৱ পৰে। ইছলামিক প্ৰভাৱৰ ফল স্বৰূপে পাৰ্চী, আৰবী আদি ভাষাৰ পৰা অহা শব্দয়ো পুৰণি অসমীয়া ভাষাত প্ৰৱেশ কৰিছে। নফৰ[৪১], তুৰুক,[৪২] চাবুক[৪৩] ইত্যাদি এনে শব্দৰ নিৰ্দশন।

পুৰণি অসমীয়া কবি-সাহিত্যিকসকলে তেওঁলোকৰ নিৰ্মিতিত লোকায়ত সমাজত সদা-সৰ্বদাই ব্যৱহৃত বাক্যাংশ, খণ্ডবাক্য, প্ৰবাদ, প্ৰবচন, ফকৰা ,যোজনা আদিও প্ৰয়োগ কৰিছিল। শংকৰদেৱে ব্যৱহাৰ কৰা বাক্যাংশবোৰেই এই প্ৰসংগত উল্লেখনীয়। কোবাৰি চেলেকি, চিতকৰি পেলাই, হিয়া ঢাকুৰি, প্ৰাণ টাকি, লাই পাই,, মৰো জীউ কৰি, হিলদল ভাঙি, তিনি কতপা, থিয় দঙ্গা দিয়া, পেটফিকি, অধক যাই ইত্যাদি।[৪৪]

অসমীয়া লোকজীৱন এক সুনিৰ্দিষ্ট স্বকীয় মহিমাৰে মহিমামণ্ডিত। এই কথা অসমীয়া থলুৱা লোকৰ কথনভংগী আৰু অন্যান্য বৈশিষ্ট্যৰাজিয়ে প্ৰমাণ কৰে। অসমীয়া ভাষাটো যদিও পৰিপক্কতাৰ পিনে ধাবিত এক প্ৰচেষ্টা আছিল সেই সময়ত, তথাপিতো লোক জীৱনৰ অভিজ্ঞতাৰ ওপৰত সৃষ্টি হোৱা অনেক বাক্যাংশ, প্ৰবাদ, প্ৰবচন, ফকৰা-যোজনাই কবিসকলক আকৰ্ষণ কৰিছিল। সেয়ে এই যুগৰ কবি-সাহিত্যিকসকলে ভক্তি ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ আদৰ্শত যিবোৰ দাৰ্শনিক তত্ত্বগধুৰ মতবাদ সেইবোৰ লোকজীৱনৰ বিভিন্ন সমলৰ সংযোগত লোকআকৰ্ষণৰ বাবে পৰিবেশন কৰিছিল। পুৰণি অসমীয়া গীত-পদৰ মাজত ব্যৱহৃত বহু খণ্ড বাক্য বা বাক্যাংশৰ উদাহৰণ প্ৰচুৰ পৰিমাণে পোৱা যায়। যেনে অজৰ-অমৰ,[৪৫] আজোৰ-পিজোৰ,[৪৬] শুনি যেন নুশুনিলা,[৪৭] খালেসে জানিয়া পথ্য তিতা কি মধুৰ,[৪৮] ছাগে কি কৰিব পাৰে বাঘৰ আগত[৪৯] ইত্যাদি।

লোকজীৱনসুলভ প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনাই শংকৰদেৱৰ ৰচনাৱলীকো

৪১। হেম সৰস্বতী : প্ৰাগুক্ত গ্ৰন্থ, পদ- ৮৫
৪২। হৰিবৰ বিপ্ৰ : লব-কুশৰ যুদ্ধ, পদ- ৯৬
৪৩। উক্ত গ্ৰন্থ, পদ- ১০৫
৪৪। শিৱনাথ বৰ্মন : শ্ৰীমন্ত শংকৰদেৱৰ কৃতি আৰু কৃতিত্ব, পদ- ২৫
৪৫। হেম সৰস্বতী : প্ৰাগুক্ত গ্ৰন্থ, পদ- ২৫
৪৬। হৰিবৰ বিপ্ৰ : বব্ৰুবাহনৰ যুদ্ধ, পদ- ১৪১
৪৭। ৰুদ্ৰ কন্দলী : প্ৰাগুক্ত গ্ৰন্থ, পদ- ২৪৫৫০
৪৮। হৰিবৰ বিপ্ৰ : প্ৰাগুক্ত গ্ৰন্থ, পদ- ৮৮
৪৯। উক্ত গ্ৰন্থ, পদ-৩১৫

লোকজীৱনৰ আপোন কৰি তুলিছে। কেতবোৰ বাছকবনীয়া উদ্ধৃতিয়ে কথাষাৰ সাব্যস্ত কৰিব।[৫০] যেনে ঃ

আপুনি বয়স হৈলে বুদ্ধি হৈব ভাল।[৫১]
মুখক চাহেন্তে লাগয় বেথা।[৫২]
অমৃত সাগৰ পাই কোনে খাৰ খাই।[৫৩]
নাহিকে চেতন কাল অজগৰে গিলে।[৫৪]
গুৰুণিক ভয়ে কোনে মুণ্ডি আছে কেশ।[৫৫]
মাধবৰ নামে সিটো জুইত নেদে খেৰ।[৫৬]
কাচক চাহেন্তে কোনো মানিক হৰায়।[৫৭]
হস্তিৰ দেখিয়া লাদ শশা যেন ফাড়ে মাৰ্গ।[৫৮] ইত্যাদি

সৰ্বসাধাৰণে ব্যৱহাৰ কৰা প্ৰচুৰ যুৰীয়া বা ধ্বন্যাত্মক শব্দ পুৰণি অসমীয়া কবি সকলৰ ৰচনাৱলীত পোৱা যায়। যেনে ঃ ঘনে ঘনে, গিৰ-গিৰ, হৰ-হৰ, দিনে দিনে, অস্ত্ৰ-শস্ত্ৰ, আথে-বেথে, আলে-জালে, কুজি-মুজি, খল-খলি, জুমা-জুমি, মক-মকি, লুণ্ডি-ঘুণ্ডি, হুল-ফল, হতাহতি, ইকাতি-সিকাতি, তৰ্জন-গৰ্জন, বাগৰা-বাগৰি, হুক-হুকি ইত্যাদি।

পুৰণি অসমীযা কবি-সাহিত্যিকসকলে মূল আধাৰ গ্ৰন্থৰ অলংকাৰ অনাদৰ কৰা নাছিল ঠিকেই, কিন্তু কথাত ৰঞ্জন দি জনগণৰ মন জয় কৰিবৰ বাবে যিবোৰ অলংকাৰ সৃষ্টি কৰিছিল সিবোৰ জনজীৱনৰ অভিজ্ঞতাৰ পৰিসৰৰ পৰা লোৱা হৈছিল। ফলত এই কবিসকলৰ ৰচনাৰাজি জনসাধাৰণৰ আপোন হৈ পৰিছিল।

পুৰণি অসমৰ সমাজখনত সংখ্যা গৰিষ্ঠ লোকেই আছিল নিৰক্ষৰ, সহজ-সৰল আৰু গাঁৱলীয়া লোক। এই সহজ-সৰল গাঁওবাসীয়ে সেই সময়ৰ প্ৰচলিত পৰম্পৰা অনুযায়ী দৰ্শনীয় বিষয় অথবা পঠনপাঠনত অতিকথা, অদ্ভুত বৰ্ণনা, কাল্পনিক মনোমোহা চিত্ৰৰ সমাবেশ, বীৰত্ব ব্যঞ্জক যুদ্ধ আদিৰ বৰ্ণনা অতিশয় ভাল পাইছিল। সেই সময়ৰ সমাজ সচেতন কবি-সাহিত্যিকসকলে সেয়েহে লোকৰুচি অনুসৰি কাব্যৰ

৫০। বেণুধৰ ৰাজখোৱা ঃ অসমীয়া খণ্ডবাক্য কোষ, পাততনি- ১০৫
৫১। শংকৰদেৱ ঃ কীৰ্তনঘোষা, পদ- ৩৫১
৫২। উক্ত গ্ৰন্থ, পদ- ৬৬৬
৫৩। শংকৰদেৱ ঃ দশম, পদ- ১২৯১
৫৪। উক্ত গ্ৰন্থ, পদ- ৪৪
৫৫। শংকৰদেৱ ঃ হৰিচন্দ্ৰ উপাখ্যান, পদ- ২৯
৫৬। শংকৰদেৱ ঃ ৰুক্মিণী হৰণ কাব্য, পদ- ৪৭
৫৭। উক্ত গ্ৰন্থ, পদ- ৩০৫
৫৮। শংকৰদেৱ ঃ ৰামায়ণ, উত্তৰাকাণ্ড, পদ- ৭০৪১

মূল বিষয়বস্তু অক্ষুন্ন ৰাখি জনসাধাৰণৰ মন আকৰ্ষণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। যুদ্ধৰ বৰ্ণনা আৰু বীৰত্বব্যঞ্জক বৰ্ণনাৰে গণচিত্ত আকৰ্ষণ কৰিবলৈ কেইবাজনো পুৰণি অসমীয়া কবিয়ে কাব্যগ্ৰন্থৰ ঠায়ে ঠায়ে চেষ্টা কৰিছিল। সেই যুগৰ সাহিত্যৰ বুৰঞ্জীত বীৰ কবিৰূপে পৰিচিত হৰিবৰ বিপ্ৰই বভ্ৰুবাহন আৰু সুবেগৰ মাজত যুদ্ধ,[৫৯] বভ্ৰুবাহন আৰু বৃষকেতুৰ মাজত যুদ্ধ,[৬০] ৰুদ্ৰ কন্দলীয়ে দ্ৰোণ ৰজা আৰু কৈকেয় ৰজাৰ মাজৰ যুদ্ধ[৬১] অতি আকৰ্ষণীয়ভাৱে বৰ্ণনা কৰিছে। যুদ্ধৰ বৰ্ণনাৰে ত্ৰাস সৃষ্টি কৰিব পৰা সুদক্ষ কবি হৰিবৰ বিপ্ৰই ময়ুৰ ধ্বজৰ মূৰটো উৰাই নিয়াৰ যি বৰ্ণনা[৬২] দাঙি ধৰিছে সেয়া সঁচাকৈয়ে শ্ৰোতাসকলৰ বাবে অতি উপভোগ্য।

খ্ৰীঃ পঞ্চদশ শতিকাৰ পিছৰ ফালে কামৰূপৰ ভাৰতীয় আৰ্য্যসংস্কৃতি পৰিবহন কৰি আনে সেই সময়ৰ ৰাজ-পৃষ্ঠপোষকতাত কনৌজৰ পৰা অহা কেইবাজনো ব্ৰাহ্মণ পণ্ডিতে। সংস্কৃত ভাষাত বিদগ্ধ এই পণ্ডিতসকলক যেতিয়া ৰাজকীয় অনুগ্ৰহত বৌদ্ধিক পৰিবেশ প্ৰসাৰৰ উদ্দেশ্যে বিভিন্ন পদ-পুথি ৰচনাত নিয়োগ কৰা হ'ল, তেতিয়া তেওঁলোকে আৰ্য্য সংস্কৃতিৰ লগতে বিভিন্ন জনকৃষ্টি, সাংস্কৃতিক উপাদানক অৱহেলা নকৰি নতুন এক সমন্বয়ৰ সংস্কৃতিহে গঢ়ি তুলিলে। তাৰ প্ৰমাণ তেওঁলোকৰ সৃষ্টি পুৰণি অসমীয়া সাহিত্যৰ বিভিন্ন অংগত এতিয়াও বিৰাজমান। উদাহৰণ স্বৰূপে মাধৱ কন্দলীয়ে 'ৰামায়ণ' অনুবাদত যেতিয়া ছত্ৰিশ প্ৰকাৰ জাতি, বৃত্তি আদিৰ নামোল্লেখ কৰিছে, তাত মূল আধাৰ গ্ৰন্থৰ নামবিলাক উল্লেখ নকৰি থলুৱা জাতি গোষ্ঠী, বৃত্তিয়াল লোকৰ নামহে উল্লেখ কৰিছে। তেনেকৈ বৈষ্ণৱ কবি শংকৰদেৱে ভাগৱত অনুবাদ কৰোতেও এই কৌশল অৱলম্বন কৰিছে। আধাৰ গ্ৰন্থ মূল ভাগৱতৰ জাতিগোষ্ঠীৰ বৰ্ণনা ঃ

'কিৰাত হূনান্ধ্ৰ পুলিন্দপুক্কশা আভীৰ কংকা যবনা ঃ খসাদয ঃ যেহন্যে চ পাপা যদুপাশ্ৰযাশ্ৰযা ঃ শুধ্যন্তি তস্মৈ প্ৰভ বিষ্ণৱে নমঃ।।[৬৩]

শংকৰদেৱৰ অনুবাদ ঃ

কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ধোবা যে তুৰুক
কুৱাচ ম্লেছ চাণ্ডাল।।

৫৯। হৰিবৰ বিপ্ৰ ঃ বভ্ৰুবাহন যুদ্ধ, পদ- ১৮৪-৯৯
৬০। উক্ত গ্ৰন্থ, পদ- ২৩১-৭৭
৬১। ৰুদ্ৰ কন্দলী ঃ প্ৰাগুক্ত গ্ৰন্থ, পদ- ২৪৬০২-১২
৬২। হৰিবৰ বিপ্ৰ ঃ তাম্ৰধ্বজৰ যুদ্ধ, পদ-৩১১-১২
৬৩। ভাগৱত পুৰাণ, - ২/৪/১৮

আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পবিত্র হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।[৬৪]

শংকৰদেৱে মূলৰ হুণ, অন্ধ্র, পুলিন্দ পুক্কশ, আভীৰ, খস আদি জাতিৰ সলনি অসমৰ থলুৱা জাতি-গোষ্ঠী আৰু বৃত্তিয়াল লোকসকলৰ নাম দিয়াৰ বাবে সমসাময়িক সমাজৰ তাৎপৰ্য্য বিশেষভাৱে উজ্জ্বলাই তুলিছে।

খ্রীঃ ষষ্ঠদশ শতিকাৰ লৌকিক কবিৰূপে পৰিচিত পাঁচালী কবি পীতাম্বৰ, দুৰ্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱে অসমীয়া লোকসংস্কৃতিৰ মৌখিক পৰম্পৰা (oral tradition) ৰ পৃষ্ঠপোষক (preserver) আৰু পৰিবাহক (carriers)। একাদশ শতিকাৰ শেষৰফালে ৰোমান শাসন বিস্তৃত হৈ পৰাৰ লগে লগে ইংলণ্ডতো ইউৰোপৰ আন দেশৰ দৰে কাহিনী কোৱা আৰু শুনাৰ নতুন আগ্রহে ৰোমাঞ্চকৰ কাহিনী চক্রৰ (cycles of romance) সৃষ্টি কৰিছিল।[৬৫] এই প্ৰৱণতা পৃথিৱীৰ সকলোবোৰ দেশৰ লোকসংস্কৃতিৰ বুৰঞ্জীত কমবেছি পৰিমাণে দেখা যায়। নৱবৈষ্ণৱ আন্দোলনৰ সমসাময়িক এই পাঁচালী কবিসকলেও ওজাপালি অনুষ্ঠানৰ উদ্দেশ্যে গীত ৰচিছিল। ওজাই কেইজনমান পালিৰ সহায়ত নৃত্যগীত, হাতৰ মুদ্রা, আবৃত্তি আৰু অংগীভংগীৰ যোগেদি কাব্যবৰ্ণিত কাহিনী দৰ্শকৰ আগত প্ৰদৰ্শন কৰে।[৬৬]

অসমীয়া জাতি আৰ্য্য, অনাৰ্য্য, অষ্ট্রিক, মঙ্গোলয়দ আদি বিভিন্ন প্ৰজাতীয় উপাদানৰ সংমিশ্রিত ৰূপ। বিভিন্ন উৎসৱ পৰা অহা আচাৰ-বিচাৰ, ধৰ্মীয় বিশ্বাস, ৰীতি-নীতি, লোকবিশ্বাস আদিৰ সংমিশ্রিত সাংযুতিক উপাদান সময়ৰ লগে লগে আপোনাআপুনি আৰ্য্যসংস্কৃতিৰ লগত সংমিশ্রিত হৈ এক পৰিশোধিত ৰূপত (sanskritised) হিন্দুধৰ্ম (Hindufold)ত লীন যায়। তেনে এক পৰিণতি হৈছে আৰ্য্যহিন্দু সংস্কৃতিত সৰ্পপূজা (snake worship)ৰ প্ৰচলন। অসমত মনসাদেৱীৰ কল্পনাত এই সৰ্প পূজাৰ আৰম্ভ, আৰু প্ৰসাৰ অতীজৰে পৰা চলি আহিছে। মনকৰ, দুৰ্গাবৰ আৰু সুকবি নাৰায়ণ দেৱৰ মনসাৰ মহাত্ম্যসূচক ৰচনাসমূহক মনসা গীত বা বিষহৰিৰ গীত বোলা হয়। এইবোৰ আজিও মনসা পূজাৰ অনুষংগত আবৃত্তি কৰা হয়। মনসা-গীতত সমসাময়িক লোকসমাজৰ বিভিন্ন উপাদান যেনে— ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, জনবিশ্বাস, জনশ্রুতি, প্ৰবাদ, প্ৰৱচন, যোজোনা,

৬৪। শ্ৰীমদভাগৱত (সম্পা): কেশৱানন্দ দেৱগোস্বামী পদ- ২/২/৫৩-৫৪
৬৫। মহেশ্বৰ নেওগ: মহেশ্বৰ নেওগ ৰচনাৱলী, পৃ - ৫৬১
৬৬। সত্যেন্দ্ৰনাথ শৰ্মা: প্ৰাগুক্ত গ্ৰন্থ, পৃ - ১১৩

লোকোক্তি, ফকৰা, মন্ত্ৰ, লোকশিল্প, খেল-ধেমালিকে আদি কৰি সমগ্ৰ লোকজীৱন (folklife) অতি প্ৰাঞ্জল আৰু নিটোল ৰূপত বৰ্ণিত হৈছে। আনকি মনসা গীতত সমসাময়িক ইছলাম ধৰ্ম আৰু লোকধৰ্মৰো উল্লেখ পোৱা যায়।

ব্ৰাহ্মণ্য ধৰ্মৰ পূজা-পদ্ধতিত মনসাদেৱীৰ পূজা প্ৰচলন হোৱাৰ লগে লগে মনসাৰ মাহাত্ম্যজ্ঞাপক গীত-পদ (পোএগৰ পাঁচালী) ওজাপালিয়ে গাবলৈ ধৰে। ওজাপালিয়ে দেওধনি বা দেওধা উঠি নৃত্য কৰা আৰু সেইসযমত দেওধাই ভাল-বেয়া ভবিষ্যত আগজাননী দিব পৰাৰ পৰম্পৰাও লোকসমাজত চলি আহিছে।

লৌকিক কবি ৰূপে পৰিচিত মনকৰ সম্ভৱতঃ নিজে সংগীতজ্ঞ বা গীতাল আছিল। শাস্ত্ৰীয় আৰু লৌকিক আচাৰ পদ্ধতি সম্পৰ্কে তেওঁৰ যথেষ্ট জ্ঞান আৰু অভিজ্ঞতা থকাৰ প্ৰমাণ তেওঁৰ ৰচনা 'পদ্মা পুৰাণ'ৰ অংশ বিশেষত পোৱা যায়। মনসা কবিৰ চৰিত্ৰ সৃষ্টি মন কৰিলেও দেখা যায যে দেৱ-দেৱীৰ চৰিত্ৰত লৌকিকতাৰ প্ৰলেপ সানি দেৱতাৰ শাৰীৰ পৰা মানুহৰ শাৰীলৈ নমাই আনিছে। সেয়েহে সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে ঃ "মনকৰৰ কাব্যত তিনিটা চৰিত্ৰ লৌকিকতাৰ ধুলি-মাকতি সানি সাধাৰণ শ্ৰোতা আৰু পাঠকৰ ওচৰ চাপিছে। এই তিনিটা চৰিত্ৰ হ'ল মহাদেৱ, নাৰদ আৰু দুৰ্গা।"[৬৭]

বিশ্বকৰ্মা,[৬৮] কুবেৰ,[৬৯] গংগা,[৭০] নাৰদে[৭১] সাধাৰণ দুৱৰীৰ দৰে তামোল খাই খাই পহৰা দিছে। শিৱই দেৱত্ব পাহৰি সাধাৰণ কামমত্ত লোকৰ দৰে কামনা বাসনাত উত্বাউল হৈ পাৰ্বতী,[৭২] দুৰ্গা,[৭৩] আনকি কুচুনী[৭৪] দুমুনীৰো[৭৫] ওচৰ চাপিছে বাসনা চৰিতাৰ্থে। হাতত লাঠি আৰু মুৰত ছাতি লোৱা সদাশিৱক সাধাৰণ গাঁৱলীয়া লোক যেন দেখা গৈছে। সদাশিৱৰ পত্নী গংগাই তেওঁৰ স্বামীৰ কাৰ্য্যত সাধাৰণ ঈৰ্ষাপৰায়ণ তিৰোতাৰ দৰেই খণ্ডত জ্বলি-পকি উঠিছে।[৭৬] এইদৰে পাঁচালী কাব্য-সাহিত্যৰ চৰিত্ৰ সৃষ্টিত মন কৰিবলগীয়া বিশেষত্ব এইটোৱেই যে ইয়াত মানুহ দেৱতাত পৰিণত হৈছে আৰু দেৱতা সাধাৰণ মানুহৰ শাৰীলৈ নামি আহিছে। অসমীয়া বিৱাহৰ শাস্ত্ৰীয় আৰু

৬৭। সত্যেন্দ্ৰনাথ শৰ্মা, প্ৰাগুক্ত গ্ৰন্থ, পৃ - ১২৪
৬৮। মনকৰ ঃ মনসা কাব্য, ১ম খণ্ড, বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, পৃ - ১৪,১৮,১৯
৬৯। উক্ত গ্ৰন্থ, পৃ - ১৮
৭০। উক্ত গ্ৰন্থ, পৃ - ২০
৭১। উক্ত গ্ৰন্থ, পৃ - ৪৬
৭২। উক্ত গ্ৰন্থ, পৃ - ৩৩-৩৪
৭৩। উক্ত গ্ৰন্থ, পৃ - ৩১
৭৪। উক্ত গ্ৰন্থ, পৃ - ৭৪
৭৫। সুকবি নাৰায়ণদেৱ ঃ সুকন্যাৰী পদ্মাৱতী
৭৬। মনকৰ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ - ৩৭, ৪৪

স্ত্ৰী-আচাৰ, অসমীয়া নাৰীৰ সাজ-সজ্জা আৰু অলংকাৰ, আহাৰ-বিহাৰ আদি সামাজিক বিৱৰণ মনকৰৰ কাব্যত পোৱা যায়। পুৰণি অসমীয়া লোকসমাজৰ বিভিন্ন আচাৰ-অনুষ্ঠান পীতাম্বৰ কবিৰ 'উষা পৰিণয' কাব্যত প্ৰতিফলিত হয়। উষা অনিৰুদ্ধৰ মাজত সংঘটিত হোৱা যি বিবাহ অনুষ্ঠান, সেইয়া হুবহু পুৰণি অসমৰ এখন বিয়াৰ বিৱৰণ।[৭৭]

দুৰ্গাবৰৰ 'গীতি ৰামাযণ' খন সমসাময়িক লোকজীৱনৰ বিভিন্ন সমলৰে পৰিপূৰ্ণ। সেয়েহে বাণীকান্ত কাকতিয়ে "গীতি ৰামায়ণক বাল্মীকিৰ মহাকাব্যৰ গাওঁলীয়া তাণ্ডৰণ" বুলি কৈছে।[৭৮] গীতি-ৰামায়ণৰ লৌকিক প্ৰতিচছবি লক্ষ্য কৰিয়েই মহেশ্বৰ নেওগে মন্তব্য কৰে যে 'অৰণ্যকাণ্ড'ৰ শেষৰ ফালৰ পৰা পিছডোখৰ লক্ষ্য কৰিলে 'গীতি ৰামাযণ'ক মাধৱ কন্দলীৰ পদ ৰামায়ণৰ ওজাপালি তাণ্ডৰণ বুলিলেহে বেছি ৰক্তিতা খাব যেন লাগে।[৭৯] দুৰ্গাবৰ এজন ওজা আছিল। তেওঁ নিজৰ কল্পনা আৰু জন সমাজত চলি থকা পৰম্পৰাগত ৰামকথা সংযোজন কৰি নানা ৰাগযুক্ত গীতৰ ৰূপত ৰচনা কৰে।

কামৰূপ, দৰং আৰু গোৱালপাৰা অঞ্চলত সৰ্বাধিক জনপ্ৰিয় লোকসমাজত সাধাৰণতে 'সুকনান্নী' (সুকবি নাৰায়ণী) নামে জনাজাত 'পদ্মাপুৰাণ'ৰ ৰচয়িতা সুকবি নাৰায়ণদেৱ। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মাজত সাংস্কৃতিক সংযোগ স্থাপনত এই কাব্যৰ অৰিহণা তাৎপৰ্যপূৰ্ণ। এসময়ত ইয়াৰ পদ গোৱা বহুখিনি ওজা মুছলমান সমাজৰ পৰা অহা হেতু অথবা সেই সম্প্ৰদায়ৰ শ্ৰোতা আৰু দৰ্শকক উদ্দেশ্য কৰিয়েই 'হাচান হুচেইন' পালা এই কাব্যত সন্নিবিষ্ট কৰা হয়।[৮০] পুৰণি অসমৰ লোক সাংস্কৃতিক-সম্পদ ওজাপালি অনুষ্ঠানক কবি সাহিত্যিকসকলে সম্প্ৰসাৰণৰ প্ৰচেষ্টা চলাইছিল।

সমসাময়িক সমাজৰ সকলো দিশ, প্ৰাচীন ঐতিহ্য পৰম্পৰাগত লোকগীত-পদৰ লগত পৰিচয় থকা সুকবি নাৰায়ণদেৱ এজন অভিজ্ঞ সমাজ পৰ্য্যবেক্ষক। সেয়ে তেওঁৰ ৰচনাত পুৰণি অসমৰ লোক সংস্কৃতিৰ বৈচিত্ৰ্যপূৰ্ণ উপাদান সাজ-পোছাক, আ-অলংকাৰ, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, জনপ্ৰিয় বিশ্বাস, মঙ্গলা-মঙ্গল বিচাৰ আদি, শিল্পকৰ্ম, জাতি-বৰ্ণৰ উল্লেখ আদি সকলোবোৰৰে আভাস পাব পাৰি।

বৈষ্ণৱ যুগৰ ভক্তি ধৰ্মৰো পটভূমি লোকায়ত সমাজ। ভক্তি আন্দোলনৰ মুখ্য উদ্দেশ্য আছিল লোক জীৱনৰ বৌদ্ধিক-উন্নতি। বৈদিক বিষ্ণু সামাজিক উপাসনা পদ্ধতিৰ লগত লোক ধৰ্মৰ (popular cults) সংযোগ প্ৰক্ৰিয়াৰ পৰিণতিত ভক্তি

৭৭। পীতাম্বৰ : উষা পৰিণয়, পদ- ১৩৪৯-৫৪

৭৮। বাণীকান্ত কাকতি : পুৰণি অসমীয়া সাহিত্য, পৃ - ১০১

৭৯। মহেশ্বৰ নেওগ : মহেশ্বৰ নেওগ ৰচনাৱলী, পৃ - ৫৮৬

৮০। সত্যেন্দ্ৰনাথ শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ, পৃ - ১২৭

ধৰ্মৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈছে।[৮১] পুৰণি অসমত ভক্তি ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে শংকৰদেৱ আৰু তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱে ধৰ্মৰ প্ৰকাশ আৰু প্ৰচাৰ মাধ্যম ৰূপে গ্ৰহণ কৰিছিল-ভাষা সাহিত্য, শিল্পকলা আদি। ভক্তি পৰিবেশনৰ লগে লগে শাস্ত্ৰ তত্ত্ব প্ৰাঞ্জলকৈ ব্যাখ্যা কৰি আৰু নৈতিক আদৰ্শ দাঙি ধৰি জনসমাজক শিক্ষা দিয়া আৰু জনৰুচিৰ উন্নতি সাধন কৰা বৈষ্ণৱ সাহিত্যৰ প্ৰধান নহ'লেও অন্যতম লক্ষ্য।

সেযে বৈষ্ণৱ কবিসকলে মূলৰ অস্তিত্বক আঘাত নকৰাকৈ থলুৱা উপাদান সন্নিবিষ্ট কৰি কাব্য ৰচনাৰ কামত হাত দিছিল। তাৰ উদাহৰণ বিভিন্ন কাব্যগ্ৰন্থত প্ৰতিফলিত হয়।

কীৰ্তনৰ 'হৰমোহন' খণ্ড মূল ভাগৱতৰ ৮ম স্কন্ধৰ ১২শ অধ্যায়ৰ আধাৰত ৰচিত। কীৰ্তনত শংকৰদেৱে যি দিব্য উপবনৰ ৰমন্যাসিক ছবি আঁকিছে সি মূলৰ মাত্ৰ এটা শ্লোকৰ ইংগিতৰ ওপৰত আধাৰিত।[৮২] ভক্ত কবিয়ে প্ৰকৃতিৰ ৰম্যভূমি অসমত সুলভ বিভিন্ন ফুলৰ শোভা আৰু সুগন্ধিৰে, সৰোবৰৰ নিৰ্মল কান্তিৰে, থলুৱা নানা চৰাই-চিৰিকতিৰ সুমধুৰ সংগীতেৰে, মধুলোভী ভোমোৰাৰ গুঞ্জনৰে 'দিব্য উপবন' খনিক অসমৰ জনসাধাৰণৰ অতি আপোন কৰি তুলিছে। ভাগৱতৰ ৰাস পঞ্চাধ্যাযৰ ভাওনিতো 'কীৰ্তন' আৰু 'দশম'ত শংকৰদেৱে মূলত নথকা থৈকৰ, পাকৰি, শিৰীস, সেউতী আদি অসমৰ গছৰ নাম উল্লেখ কৰিছে।

'ৰুক্মিণী হৰণ' কাব্যত আৰু নাটত শংকৰদেৱে কৃষ্ণ ৰুক্মিণীৰ বিবাহ অনুষ্ঠানৰ বৰ্ণনা দিওঁতে অসমীয়া সংস্কৃতিৰ এটি দিশ তুলি ধৰিছে। ভৱানী মন্দিৰলৈ যোৱা ৰুক্মিণীৰ বেশ-ভূষা[৮৪] দ্বাৰকাত দৰা-কন্যা কৃষ্ণ-ৰুক্মিণীক দৈৱকী প্ৰমুখ্যে আন নাৰীসকলে জনোৱা আদৰণি[৮৫] দ্বাৰকাত শশী প্ৰভা-দৈৱকীৰ মেল[৮৬] ৰভা নিৰ্মাণ[৮৭] আদিৰ বৰ্ণনাত অসমীয়া বিবাহ অনুষ্ঠানৰ নানা বৰ্ণময় চিত্ৰ পৰি স্ফুট হৈছে। শংকৰদেৱৰ অপূৰ্ব সৃষ্টি নাটকৰাজিৰ মাজতো সমসাময়িক সমাজ-জীৱনৰ বিভিন্ন সমল প্ৰতিফলিত নোহোৱাকৈ থকা নাই। 'পাৰিজাত হৰণ' নাটত ৰুক্মিণী, সত্যভামা আৰু শচী-সত্যভামাৰ মাজৰ যি কাজিয়া সেয়া গাঁৱলীয়া দুজনী দন্দুৰী তিৰোতাৰ

৮১। নবীন চন্দ্ৰ শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ পৃ - ১০৬
৮২। ভাগৱত পুৰাণ, ৮/১২/১৮
৮৩। ভাগৱত পুৰাণ, ১০/১৯/৩৩
৮৪। ৰুক্মিণী হৰণ কাব্য, পদ- ২৫৩-২৫৮
৮৫। উক্ত গ্ৰন্থ, পদ- ৬৬২-৬৬৭
৮৬। উক্ত গ্ৰন্থ, পদ- ৬৮৩-৬৮৪, ৬৮৭, ৬৮৮, ৭৮৩, ৭৮৪
৮৭। উক্ত গ্ৰন্থ, পদ- ৬৮৯-৬৯৩

কাজিয়াৰ অবিকল চিত্ৰ মাথোন।[৮৮]

ভগবান শ্ৰীকৃষ্ণৰ চৰিত্ৰ অংকনত মাধৱদেৱে কৃষ্ণক এটি সৰল গাঁৱৰ বোকা-পানীয়ে গৰু চৰাই ফুৰা গৰখীয়া ল'ৰাৰ ৰূপত অংকন কৰিছে। আনহাতে নন্দ যশোদাও যেন লোকসমাজৰ তথাকথিত স্বামী-স্ত্ৰী। শিশু কৃষ্ণক লৈ নন্দ-যশোদাৰ মাজত লগা কাজিয়াখন গাঁৱৰ সাধাৰণ গিৰিয়েক-ঘৈণীয়েকৰ মাজত হোৱা কাজিযাৰ সদৃশ। জনচিত্তক আকৰ্ষণ কৰিবৰ বাবেই সন্ত কবি দুজনাই লোকসমাজৰ এইবোৰ চিত্ৰ কাব্য-গ্ৰন্থত সমাৱেশ ঘটাই বক্তব্য বিষয় বুজাবলৈ চেষ্টা কৰিছে।

অনন্ত কন্দলীৰ ৰচনাতো লোকসাংস্কৃতিক সমলৰ পয়োভৰ লক্ষ্য কৰিব পাৰি। অনন্ত কন্দলীযে দশমৰ পদ ৰচনা কৰি শংকৰদেৱক দেখুৱাওঁতে শংকৰদেৱে হেনো কৈছিল ঃ 'বামুণীৰ পুতেক হৈ টোকৰ মাইলা, বেল শিৰত নপৈল, ভক্তি পৰ হ'ল ৰছ (হ্ৰস্ব) যুদ্ধক কৈল দৃঘ (দীৰ্ঘ)'।[৮৯] ইয়াৰ অন্তৰালত কন্দলীয়ে জন-গণ-মন আকৰ্ষণৰ ওপৰত যে বিশেষভাৱে গুৰুত্ব দিছিল তাৰ আভাস পাব পাৰি।

অতি লৌকিক (miracles) বৰ্ণনাই গণহৃদয়ক আকৰ্ষণ কৰাৰ লগে লগে মনোৰঞ্জনো কৰে। পুৰণি অসমীয়া কবিসকলে তেওঁলোকৰ কাব্যত এই কৌশলৰো সুপ্ৰযোগ কৰা দেখা যায়। প্ৰহ্লাদক হিৰণ্যকশিপুৱে ৰাম নামৰ পৰা বিৰত ৰাখিবৰ বাবে বিভিন্ন শাস্তি দি উতলা তেলত পেলাই দিছিল। ভক্তপ্ৰাণ প্ৰহ্লাদে তেনে তেলকো শীতল পানীলৈ পৰিবৰ্তন কৰিবলৈ সমৰ্থ হৈছিল— একান্ত ভক্তিৰ বলত।[৯০] প্ৰহ্লাদক জুয়ে পুৰিবও নোৱাৰিছিল, হাতীৰে গছকাই বধ কৰিবও নোৱাৰিছিল।[৯১] এইবোৰ ঘটনা বাস্তৱ নহয় অতিবাস্তৱ। নিৰক্ষৰ জনগণক ভক্তিমাহাত্ম্য প্ৰদৰ্শন কৰাৰ মানসেৰে কবিয়ে এনেবোৰ অলৌকিক চিত্ৰ দাঙি ধৰিছে।

অসমীযা সাহিত্যৰ বুৰঞ্জীত ব্যাসৰূপে পৰিচিত ৰামসৰস্বতীয়েও বৈষ্ণৱ যুগত ভক্তি ধৰ্ম প্ৰচাৰ প্ৰসাৰৰ মন্ত্ৰৰে কাব্যগ্ৰন্থ ৰচনা অনুবাদত হাত দিছিল। তেওঁ সংস্কৃত মহাভাৰত অসমীয়ালৈ অনুবাদ কৰিছিল। এই অনুবাদ কাৰ্য্যত আধাৰ গ্ৰন্থৰ ওপৰত লিখকৰ সম্পূৰ্ণ শ্ৰদ্ধা ৰাখিলেও লোকসমাজৰ বোধগম্যতা আৰু জনপ্ৰিয়তাৰ বাবে বিভিন্ন লোক সাংস্কৃতিক উপাদান অন্তৰ্ভুক্ত কৰি আচল অৰ্থত এখন অসমীয়া মহাভাৰত অসমীয়া সমাজক দি গ'ল। সেয়েহে বিৰিঞ্চি কুমাৰ বৰুৱাই উচিত মন্তব্য কৰিছে ঃ

৮৮। বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা) ঃ অংকীয়া নাট, ৰুক্মিণী হৰণ, প -১৬৩
৮৯। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু (সম্পা) ঃ কথা গুৰু-চৰিত, পৃ - ২৬৫
৯০। হেম সৰস্বতী ঃ প্ৰহ্লাদ চৰিত, পদ-৩২-৩৫
৯১। উক্ত গ্ৰন্থ, পদ- ২৫-২৬

"The istances of local elements are too numerous to be recounted here They generally consist of description of nature, incorporating long list of flowers, trees and animals, marriage scene and drink, fasts and festivities, merrymaking and musical instruments Local customs and manners find illustrations in many verses The Assamese elements are far more discernible in the use of homely similies, an metaphors, drawn on observations of rural life in Assam "[৯২]

সংস্কৃত মহাভাৰতৰ পটভূমি আছিল ভাৰতীয় সমাজ আৰু সংস্কৃতি। ৰাম সৰস্বতীযে অসমীয়া মহাভাৰতক অসমীয়া সমাজ আৰু সংস্কৃতিৰ উপাদানেৰে সজাই-পৰাই অসমীয়া লোকজীৱনৰ সহজবোধ্য আৰু জনপ্ৰিয় কৰি তুলিবলৈ সক্ষম হৈছিল।

অসমীয়া কাব্য সাহিত্যত নতুন সংযোজনা বধকাব্য আন এক শ্ৰেণীৰ জনপ্ৰিয় কাব্যৰ সৃষ্টিও ৰাম সৰস্বতীৰ হাততেই সম্ভৱ হৈ উঠিছিল। বধকাব্য বিলাকৰ আখ্যানবোৰ মহাভাৰতৰ বনপৰ্বক আশ্ৰয় কৰি নানান পুৰাণ, উপপুৰাণ আদিৰ পৰা সংগৃহীত। বধবাক্যবোৰে একেধাৰে গীত-পদ, নাট, গল্প আৰু উপন্যাসৰ দাবী পুৰণ কৰিছে। লোকজীৱনে দাৰ্শনিক তত্ত্বৰ বৰ্ণনাতকৈ কাহিনী বা কথাহে অধিক ভাল পায়। সেয়েহে ৰাম সৰস্বতীযে দাৰ্শনিক তত্ত্বৰ ওপৰত গুৰুত্ব নিদি কাহিনী কথাৰ ওপৰত গু ৰুত্ব প্ৰদান কৰিছে। বধকাব্যৰ জনপ্ৰিয়তালৈ লক্ষ্য ৰাখি বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছে : 'খটাসুৰ, বঘাসুৰ, কুলাচল, অশ্বকৰ্ণ, কুৰ্মাৱলী, জংঘাসুৰ বধ আদি আখ্যানবোৰে পুৰণি সাহিত্যত আজিকালিৰ উপন্যাস, গল্প আদিৰ ঠাই অধিকাৰ কৰি আছে। অসমীয়া গাঁৱলীয়া সমাজত এতিযাও এইবোৰৰ প্ৰভূত সমাদৰ।'[৯৩] ৰাম-সৰস্বতীযে এই শ্ৰেণী জনপ্ৰিয় সাহিত্যৰ সৃষ্টিত অপূৰ্ব দক্ষতা প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছিল। বধকাব্যৰ কাহিনীৰ মাজে মাজে তেওঁ পৰম্পৰাগত লোকসমাজত প্ৰচলিত কাহিনী বা কথা (narratives), কিংবদন্তী, সাধুকথা, আলৌকিক লোককথা আদিৰ সংযোজন কৰিছিল। সহজ-সৰল হৃদয়ৰ পাঠক আৰু দৰ্শকবৃন্দই এইবোৰ সমল আগ্ৰহৰে উপভোগ কৰিছিল। পাণ্ডৱসকলৰ বনবাস বিভিন্ন ঘটনাৰ লগত লোকসমাজক সাঙুৰি দিয়াত স্বভাৱতে এইবোৰ পাঠকৰ সহজ বোধগম্য হৈ পৰিছিল।

অসমীয়া লোকসমাজত বহুল প্ৰচলিত সাবিত্ৰী-সত্যবানৰ কাহিনীক ৰাম-

৯২। বিৰিঞ্চি কুমাৰ বৰুৱা : পাতনি, অসমীয়া মহাভাৰত, হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত, পৃ ৪

৯৩। বাণীকান্ত কাকতি : পুৰণি অসমীয়া সাহিত্য, পৃ - ২৫

সৰস্বতীয়ে বেলেগাই "সাবিত্ৰী উপাখ্যান"ত ৰূপ দিছিল জনমানসত পতিব্ৰতা নাৰীৰ মহত্ব তুলিবলৈ।[১৪] সাবিত্ৰী চৰিত্ৰটোক উজ্জ্বলকৈ অংকন কৰিবলৈ ইয়াত ৰাম-সৰস্বতীয়ে যি সুবিধা পাইছে হয়তো মহাকাব্যৰ মাজত তেওঁ হেপাহ পলুৱাই কাহিনী ভাগৰ নায়িকা চৰিত্ৰটিক দেখুৱাবলৈ সুবিধা পোৱা নাছিল। অসমীয়া নাৰী সমাজত আদৰ্শ প্ৰচাৰৰ বাবেও হয়তো পুৰণি অসমীয়া এই কবিজনাৰ সেই প্ৰচেষ্টা হ'ব পাৰে।

পুৰণি অসমখনি হাবি-বননিৰে পৰিপূৰ্ণ খেতি কৰি জীৱিকা উপাৰ্জন কৰা গাঁৱলীয়া লোকৰ বাসস্থান। ৰাম সৰস্বতীয়ে 'ভীমচৰিত' কাব্যত সদাশিৱক এজন খেতিয়ক আৰু ভীমক সদাশিৱৰ কাম কৰা গৰখীয়া ল'ৰা হিচাপে অংকন কৰিছে। সেয়েহে 'ভীম' অসমীয়া জাতীয় জীৱনৰ অতি আপোন আৰু জনপ্ৰিয় চৰিত্ৰ।

ৰাম সৰস্বতীৰ 'গীত গোবিন্দ' কাব্যখনি এখন অনূদিত কাব্য হ'লেও তাত বৰ্ণিত হোৱা ৰাধা তথা গোপী চৰিত্ৰত সমসাময়িক লোক সমাজৰ প্ৰভাৱ নপৰাকৈ থকা নাই। এইদৰে পুৰণি অসমীয়া সাহিত্যৰ বিভিন্ন গীত-পদৰ মাজত সমসাময়িক সমাজৰ লোক জীৱনৰ বিভিন্ন সম্পদ সংমিশ্ৰিত হৈ আছে।

পুৰণি অসমীয়া কবি সকলে সাহিত্যৰ বিশ্বজনীনতা আৰু জনপ্ৰিয়তাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। এইক্ষেত্ৰত কৃতকাৰ্য্যতা লাভ কৰিবলৈ সমসাময়িক সমাজৰ লোকপৰম্পৰা আৰু সাংস্কৃতিক সম্পদক সমূলি উলাই কৰা নাছিল। সেই যুগৰ কবি-সাহিত্যিক সকলৰ সেই বৈশিষ্ট্য মাধৱ কন্দলীৰ সাহিত্যিক প্ৰতিভাৰো অন্যতম প্ৰধান বৈশিষ্ট্য। সেয়েহে মাধৱ কন্দলীৰ অনূদিত গ্ৰন্থ 'অসমীয়া ৰামায়ণে' পুৰণি অসমীয়া সমাজৰ সাংস্কৃতিক অধ্যয়নৰ বহলক্ষেত্ৰ মুকলি কৰিবলৈ সমৰ্থ হৈছে।

১৪। S N Sarma Epics and Puranas in Early Assamese Literature, p 101

।। চতুৰ্থ অধ্যায় ।।

মাধৱ কন্দলীৰ ৰামায়ণৰ কাহিনীভাগত প্ৰতিফলিত লোকায়ত সমল

মাধৱ কন্দলীয়ে বাল্মীকি ৰামায়ণৰ পূৰ্বভাৰতীয় গৌড়ীয় পাঠ[১] অনুসৰণ কৰি অসমীয়া ৰামায়ণখনি অনুবাদ কৰে। বহুকাল ধৰি মানুহৰ মুখে মুখে মৌখিক পৰম্পৰাত চলি অহা ৰামায়ণৰ কাহিনীভাগক ভাৰতৰ বিভিন্ন ঠাইৰ লিখিত ৰূপ অনুসৰি গৌড়ীয় পাঠ বা পূৰ্বভাৰতৰ পাঠ, দাক্ষিণাত্য পাঠ আৰু পশ্চিমোত্তৰীয় পাঠত ভাগ কৰা হৈছে। মাধৱ কন্দলীয়ে বাল্মীকি ৰামায়ণৰ বাহিৰে অন্য ৰামায়ণ পাঠ বা পুৰাণ আদিৰ পৰা সমল আহৰণ কৰা নাই। তেওঁ যে গৌড়ীয় পাঠ অনুসৰণ কৰিছে তাৰ প্ৰমাণ স্বৰূপে কামিল বুল্কেই কেইটামান পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰিছে। যিকেইটা দাক্ষিণাত্য পাঠ বা পশ্চিমোত্তৰীয় পাঠত পোৱা নাযায় অথচ গৌড়ীয় পাঠ আৰু মাধৱ কন্দলীৰ ৰামায়ণত পোৱা যায়, যেনে (১) সীতাৰ মাতৃ মেনকাৰ বৃত্তান্ত, (২) ৰামৰ কুশ নিৰ্মিত পাদুকা সম্পৰ্কীয় বৰ্ণনা, (৩) ৰামৰ প্ৰতি তাৰাৰ অভিশাপ বৰ্ণন, (৪) ৰাৱণৰ দ্বাৰা বিভীষণক পাদপ্ৰহাৰ, (৫) কালনেমিৰ বৃত্তান্ত, (৬) সম্পাতিৰ পুতেক সুপাৰ্শ্বৰ বান্দৰ সৈন্যৰ মাজত উপস্থিতি আৰু বিভীষণে ৰামৰ আশ্ৰয় লোৱাৰ আগতে মাক নিকষা আৰু বৈমাত্ৰেয় ভাই কুবেৰৰ লগত পৰামৰ্শ ইত্যাদিৰ বৰ্ণন।[২]

আনহাতেদি গৌড়ীয় পাঠত নথকা কেইটামান পৰিস্থিতিও মাধৱ কন্দলীৰ ৰামায়ণত পোৱা যায়। যিবিলাকৰ উৎস হয়তো কন্দলীৰ সমসাময়িক লোকসমাজ। মাধৱ কন্দলীৰ ৰচনাৰ চাৰিভাগৰ তিনিভাগ পদেই বাল্মীকিৰ শ্লোকৰ হয় আক্ষৰিক অনুবাদ, নহয় ভাবানুবাদ । ভাবানুবাদ প্ৰসংগত বহুখিনি শ্লোকৰ মূল কথাখিনি অনুবাদ কৰা হয়, বক্তব্য বিষয়ৰ ৰূপৰেখা প্ৰায় অবিকৃত হৈ থাকে, কিন্তু বিভিন্ন শ্লোকৰ লগত জড়িত শব্দ, চিত্ৰ বা উপমাদি সাধাৰণতে যথাযথভাৱে অনুবাদ কৰা নহয়। উদাহৰণ স্বৰূপে গৌড়ীয় পাঠৰ অযোধ্যাকাণ্ডৰ ১১৯ টা সৰ্গৰ কথা অসমীয়া সংস্কৰণত ৪৭ টা অধ্যায়ত, অৰণ্যকাণ্ডৰ ৭৫টা সৰ্গৰ বিষয়বস্তু ২২ টা অধ্যায়ত

১। ড° গোৰেছিঅই পেৰিচৰ এই পাঠটো প্ৰকাশ কৰিছিল। কলিকতা সংস্কৃত চিৰিজৰ সংস্কৰণটোৰ পাঠ গৌড়ীয় পাঠ। লোকনাথৰ প্ৰখ্যাত টীকা সম্বলিত এই গৌড়ীয় পাঠকে অমৰেশ্বৰ ঠাকুৰৰ সম্পাদনাত প্ৰকাশ পাইছে।

২। কামিল বুল্কে ঃ ৰামকথা, 'ৰামায়ণৰ ইতিবৃত্ত' দ্ৰষ্টব্য, পৃ ২৭৮

আৰু লংকাকাণ্ডৰ ১২৮ সৰ্গৰ কথা ৫৬টা অধ্যায়ত সামৰিছে ।[৩]

এইদৰে আক্ষৰিক অনুবাদৰ বাহিৰে ভাবানুবাদখিনিত কন্দলীয়ে স্বকীয় প্ৰতিভা নিয়োজন কৰি সমসাময়িক লোকজীৱনৰ সমল সংমিশ্ৰণ কৰিছে। কন্দলীয়ে কি ৰীতি অৱলম্বন কৰি ৰামাযণ ৰচনা কৰিবলৈ অগ্ৰসৰ হৈছিল তাৰ আভাস এনেদৰে দিছেঃ

"শুনিলাহা সামাজিক ৰামৰ চৰিত্ৰ।
নানা ৰসে ৰসৱন্ত পৰম পবিত্ৰ।।
আক শুনি হুইয়ো সবে মনত সন্তোষ।
কিন্তু বঢা-টুটা নধৰিবা গুণ দোষ।।
বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য পদ্য ছন্দে ।
তাহাক বিচাৰ আমি কৰিয়া প্ৰবন্ধে।।
আপোনাৰ বুদ্ধি অৰ্থ যিমতে বুঝিলো।
সংক্ষেপ কৰিয়া তাক পদ বিৰচিলো।।
সমস্ত ৰসক কোনে বুঝিবাক পাৰে।
পখীসব উৰই যেন পখা অনুসাৰে।।
কবিসব নিবন্ধয় লোক ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে।।[৪]

মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণ ৰচনাৰ উদ্দেশ্য আছিল মূল বাল্মীকি ৰামায়ণৰ অমৃতময় কাহিনীভাগ, চৰিত্ৰ আৰু কাৰ্য্যৰ ৰসময় প্ৰকাশ আদি অসমীয়া জনসমাজত প্ৰচাৰ কৰা। বাল্মীকি ৰামায়ণৰ ৰসাস্বাদন ব্যাপাৰ কেৱল পণ্ডিত সমাজতহে সীমিত। চতুৰ্দশ শতিকাৰ অসমীয়া লোকসমাজে যাতে বাল্মীকি ৰামায়ণৰ অমৃতময় সুধা পান কৰিব পাৰে সেই উদ্দেশ্যেৰে মাধৱ কন্দলীয়ে সেই সময়ৰ লোকসমাজৰ বাবে উপযোগী সহজ-সৰল ঘৰুৱা চিনাকি পৰিবেশ চিত্ৰণৰ যোগেদি ৰামায়ণৰ কাহিনীভাগ উপস্থাপন কৰিবলৈ প্ৰয়াস কৰিছিল।

মূল বাল্মীকি ৰামায়ণৰ কাহিনীভাগ মাধৱ কন্দলীৰ কাহিনীৰ লগত মিলাই চালে দেখা যায় যে, কিছুমান বৰ্ণনা, উপমা, চিত্ৰ আদিৰ প্ৰয়োগ কন্দলীৰ সম্পূৰ্ণ নিজা। বাল্মীকি ৰামায়ণক আধ্যাত্মিক শাস্ত্ৰৰূপে সৃষ্টি নকৰি লৌকিক কাব্যৰূপে গঢ় দিবলৈ কবিজনাই নিজৰ সামৰ্থ্য অনুযায়ী পাঠক শ্ৰোতাৰ মনোৰঞ্জনাৰ্থে ঠাইবিশেষে লোক ৰহণ দি জন আবেদন বঢাবলৈ কাহিনীভাগৰ ভিতৰুৱা বিষয়বস্তু সাধাৰণভাৱে

৩। সত্যেন্দ্ৰনাথ শৰ্মা : উক্ত গ্ৰন্থ, পৃ ২৬৩

৪। মাধৱ কন্দলী : ৰামায়ণ, কিষ্কিন্ধা কাণ্ড, ৩১১০-৩১১২

ইফাল সিফাল কৰিছে। ইয়াৰ দ্বাৰা মূল বাল্মীকিৰ ৰচনা বিকৃত কৰি তুলিছে বুলি ভাবিলে ভুল কৰা হ'ব। যিখন সমাজ আগত ৰাখি কবিয়ে গ্ৰন্থ বা কাব্য ৰচনা কৰে অথবা কোনো গ্ৰন্থ অনুবাদ কৰে, সেই সমাজৰ অনুভৱ ক্ষমতা আৰু গ্ৰহণ শক্তিৰ প্ৰতি সততে সচেতন হৈ মূল কাহিনীভাগৰ ৰূপৰেখা বা ঐতিহাসিক সত্যতা বিকৃত নকৰাকৈ সেই সমাজৰ পৰিচিত বিভিন্ন সমল সংযোজন কৰিব লাগিব। মাধৱ কন্দলীয়েও চতুদৰ্শ শতিকাৰ অসমীয়া সমাজৰ শিক্ষা-দীক্ষা, ৰুচি-অভিৰুচি, অনুভৱ ক্ষমতা তথা গ্ৰহণ শক্তিৰ প্ৰতি অৱগত হৈ বাল্মীকি ৰামায়ণৰ মূল কাহিনীভাগৰ ৰূপৰেখা অবিকৃতভাৱে ৰাখি সমসাময়িক সমাজ জীৱনৰ পৰা বিভিন্ন সমল সংগ্ৰহ কৰি অনুবাদত সংযোগ কৰিছে। ইয়াৰ পৰিণতি স্বৰূপে তেওঁৰ অনুবাদটি চতুৰ্দশ শতিকাৰ অসমীয়া সামাজিক জীৱনৰ ইতিহাসৰ পৰ্য্যায়লৈ উন্নীত হৈছে।

অযোধ্যাকাণ্ডৰ আৰম্ভণিতে ৰামৰ অভিষেক উৎসৱৰ সিদ্ধান্ত প্ৰসংগত কন্দলীয়ে দশৰথ ৰজাই ৰাতি সপোনত ৰজাৰ মৃত্যু আৰু ৰাষ্ট্ৰৰ বিনাশসূচক যি স্বপ্নদৰ্শন আৰু দৈৱজ্ঞৰ বৰ্ণনা[৫] দাঙি ধৰিছে মূল বাল্মীকি ৰামায়ণত তাৰ আভাস পোৱা নাযায়। মূল অনুসৰি বিচাৰবুদ্ধি সম্পন্ন ধৰ্মাত্মা ৰজাই মন্ত্ৰীসকলক ক'লে ঃ

"মোৰ বাৰ্দ্ধক্যকাল উপস্থিত, অন্তৰীক্ষত মহাবাতাদি আৰু পৃথিৱীত ভূকম্পন আদি উৎপাতসমূহ দেখি মোৰ মনত ভয়ৰ সঞ্চাৰ হৈছে। এতেকে পূৰ্ণচন্দ্ৰানন সৰ্বজনপ্ৰিয় ৰামক যৌৱৰাজ্যত অভিষিক্ত কৰিব পাৰিলে, মোৰ শোক দূৰ হ'ব আৰু লগে লগে প্ৰজাবৰ্গৰো প্ৰীতি আৰু হিত সাধন কৰা হ'ব।[৬]

মূলত দশৰথে ভৰত অযোধ্যাৰ পৰা আঁতৰি থকাৰ সময়তে ৰামৰ অভিষেক পাতিব খুজিছে। কিয়নো মানুহৰ চিত্ত চঞ্চল, আজিৰ সিদ্ধান্ত হয়তো কালিলৈ ঠিকে নাথাকিবও পাৰে বা ভৰতৰ চৰিত্ৰ সৎ যদিও তেওঁযো বিঘিনি ঘটাব পাৰে বুলি পিতৃ দশৰথে সন্দেহ নকৰা নহয়। কন্দলীয়ে উত্তৰাধিকাৰীসূত্ৰে সৃষ্টি হ'ব পৰা জটিল সমস্যাৰ বৰ্ণনা লোক সমাজৰ বাবে জটিল হ'ব বুলিয়েই নতুবা আকৰ্ষণীয় নহ'ব বুলি ভাবিয়েই চিৰাচৰিত লোক সমাজত প্ৰচলিত সপোনৰ প্ৰভাৱক স্থান দি কাহিনীৰ আৰম্ভণিভাগ লোক সমাজৰ সহজবোধ্য কৰি তুলিছে।

মাধৱ কন্দলীৰ ৰামায়ণৰ কাহিনীভাগত কবিৰ আন এটি মৌলিক সংযোজনা হৈছে কুঁজী মন্থৰাৰ গুপ্ত পটেশ্বৰী হোৱাৰ আকাংক্ষা। বাল্মীকিৰ ৰচনাত মন্থৰাই কৈকেয়ীৰ যোগেদি ভৰতৰ কাৰণে ৰাজ্য আদায় কৰিছিল। ৰাম ৰজা হ'লে কৈকেয়ীৰ সতিনীয়েক কৌশল্যাৰ মান আৰু শক্তি বাঢ়িব, কৈকেয়ী আৰু ভৰত, ৰাম আৰু

৫। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ১৫৪৭

৬। বাল্মীকি ৰামায়ণ, অযোধ্যাকাণ্ড, ১/৪১-৪৫, ৪১-৪৫

কৌশল্যাৰ অনুগ্ৰহপ্ৰাৰ্থী হ'ব লাগিব- এই আশংকা কৰিয়েই ভৰত আৰু কৈকেয়ীৰ সুখৰ অৰ্থে ৰামক বনলৈ পঠাই ভৰতক ৰাজ্য দিবৰ বাবে কৈকেয়ীৰ যোগেদি মন্থৰাই ব্যৱস্থা কৰাইছিল। মন্থৰাৰ মনত কোনো স্বাৰ্থজড়িত অসামাজিক গুপ্ত অভিসন্ধি নাছিল।[৭] কিন্তু মাধৱ কন্দলীৰ মন্থৰাই ভৰত ৰজা হ'লে তাই ভৰতৰ গুপ্ত পটেশ্বৰী হ'ব পাৰিব বুলি অনুচিত হাবিয়াস কৰিছে ঃ

'মই বাঢ়ো ৰূপ বৰ হেনয় নোহয়।
মোহোৰ স্বৰূপে দেখো আথানো জ্বলয়।।
বয়সত বৰ মই ভৰতত কৰি।
কামবশ হৈলে সিটো দোষক নধৰি।।
বিদিতে কুমাৰে যেবে লাজ কিছু কৰি।
গুপ্তৰূপে তথাপিটো হৈবো পটেশ্বৰী।।[৮]

ৰামৰ অভিষেকৰ কথা জানিবলৈ পাই মন্থৰাই কৈকেয়ীক গৈ কোৱা কথাখিনি সংক্ষিপ্তৰূপত মূল অনুসৰি বৰ্ণনা কৰিলেও কন্দলীৰ বৰ্ণনা অধিক শক্তিশালী হৈছে। কুঁজীৰ মুখেৰে ৰাম অভিষেকৰ খবৰ পাই কৈকেয়ী আনন্দিত হৈ মন্থৰাক কণ্ঠহাৰ উপহাৰ দিয়াত কন্দলিৰ কুঁজী খণ্ডত জাজ্বল্যমান হৈ উঠিছে ঃ

ক্ৰোধত খঙ্গিল কুঁজী জাজ্বল্যসমান।
আছাৰিয়া পেলাইলেক কৈকেয়ীৰ দান।।
হাতে হাতে পিষয় ৰজায়া দান্তে দান্ত।
আসজ শুনিয়া যেন তেলীয়াৰ জান্ত ।।[৯]

মন্থৰাই পূৰ্ব্বৰ প্ৰতিশ্ৰুত বৰ দুটাৰ কথা সোঁৱৰাই দি কৈকেয়ীক ক্ৰোধঘৰত মলিন বেশেৰে থাকিবলৈ কোৱা আৰু তেতিয়া দশৰথে কৈকেয়ীক মণিৰত্ন দি প্ৰিয় বচনৰে শান্ত কৰিব খুজিলে নৃপতিক শপত কৰাই এটা বৰৰ দ্বাৰা ভৰতক ৰাজ্য দান কৰিবলৈ আৰু আনটো বৰৰ দ্বাৰা ৰামৰ বনবাস প্ৰাৰ্থনা কৰিবলৈ কোৱাৰ বৰ্ণনা কন্দলীৰ ৰচনাত চমু যদিও মূলৰ অনুগামী। পিছে মূলত কুঁজীয়ে 'বৃদ্ধৰ তৰুণী ভাৰ্য্যা আতি বৰ ৰতি/তোৰ বোল ৰুধিবাক নাহিকে শকতি'[১০] বুলি কোৱা নাছিল। অৱশ্যে মূলত ৰোহঘৰত গৈ কৈকেয়ীক দেখাৰ সময়ত ৰজাক বৃদ্ধ আৰু কৈকেয়ীক তেওঁৰ প্ৰাণতকৈয়ো অধিক তৰুণীভাৰ্য্যা বুলিহে কোৱা হৈছে। মাধৱ কন্দলীৰ এনেধৰণৰ বৰ্ণনা জনসমাজৰ বাবে অধিক আকৰ্ষণীয় হৈ পৰিছে।

৭। বাল্মীকি ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-৭/১২-৩০
৮। কন্দলী ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-২২৮৭
৯। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ১৫৭৭
১০। মাধৱ কন্দলী ঃ পূৰ্বোক্ত গ্ৰন্থ, পদ- ১৬০১

মূল বাল্মীকি ৰামাযণৰ গৌডীয় পাঠত কৈকেয়ীয়ে কুঁজীৰ কুমন্ত্ৰণা গ্ৰহণ কৰাৰ কাৰণ স্বৰূপে এটা কাহিনী কোৱা হৈছে। পূৰ্বে কেকয় দেশত কৈকেয়ীয়ে বাল্যকালত দেখাত মুৰ্খৰ নিচিনা এজন ব্ৰাহ্মণক নিন্দা কৰিছিল। সেই ব্ৰাহ্মণে কৈকেয়ীক এইবুলি অভিশাপ দিলে ঃ 'তুমি ৰূপৰ গৰ্বত মত্ত হৈ ব্ৰাহ্মণক নিন্দা কৰিছা। গতিকে তুমি কুৎসিৎ নিন্দাৰ ভাগী হ'ব লাগিব।'[১১] কন্দলীয়ে এই অনু কাহিনীভাগ পৰিহাৰ কৰিছে।

ৰামক ৰাজ্যভাৰ দিবলৈ ঠিক কৰাৰ পিছত যেতিয়া দশৰথে ৰামক মাতি আনিবলৈ সুমন্ত্ৰক পঠাই দিলে তেতিয়া ৰামে শীঘ্ৰে ৰাজপাট দিবলৈ মাতি পঠাইছে বুলি অনুমান কৰি কোৱা কথাখিনি মুলৰ অনুৰূপ হ'লেও ৰামে পত্নী সীতাক কোৱা কথাখিনি কন্দলীৰ নিজা সংযোজনা। যেনে ঃ

জানা প্ৰাণেশ্বৰী যুৱৰাজ হুযা
আমি আছো যেতিক্ষণ।
মোৰ সঙ্গে চলি আসিবেক সবে
যত পাত্ৰ মন্ত্ৰী গণ।।
তাসম্বাক অৰ্চ্চা কৰিতে জানকী
মই যেন নোহো লাজ।
জানিবা নিশ্চয তোমাতে লাগিল
ইঠাৱৰ যত কাজ ।।[১২]

সীতাযো উত্তৰ দিছে ঃ

স্বামীৰ বচন শুনি সীতা দেৱী
বুলিলা হৰিষ মনে ।।
ইঠানৰ কাৰ্য্য চৰ্চ্চিবোহো আমি
চলিয়ো তুমি এক্ষণে।
এহি বুলি দ্বাৰ মানে আগবঢাই
থৈলা জগতৰ মাব।
স্বামীক সম্মুখি পাচে সীতা সতী
আসিলন্ত নিজা ঠাৱ ।।[১৩]

এই চিত্ৰটো কবিৰ স্বকল্পিত সংযোজনা। সীতা নতুন বোৱাৰী। গৃহস্থীৰ আচৰণ শিক্ষা তেওঁ পাব লাগে। ৰামৰ সৈতে পাত্ৰ-মন্ত্ৰীসকল আহিব। গতিকে তেওঁলোকৰ

১১। বাল্মীকি ৰামায়ণ (গৌডীয় পাঠ) ২/৮/৩২-৩৩
১২। মাধৱ কন্দলী ঃ পূৰ্বোক্ত গ্ৰন্থ, পদ-১৬৫৯
১৩। উক্ত গ্ৰন্থ, পদ- ১৬৬১

যথেষ্ট সমাদৰ যাতে হয় আৰু ৰাম যাতে লাজত নপৰে তাৰ বাবে ৰামে সীতাক কৰ্তব্য সোঁৱৰাই দিছে। ই আদৰ্শ গৃহস্থী জীৱনৰ চিত্ৰ। কথাবোৰ যেন অসমীয়া পৰিয়াল এটিতহে হৈছে।[১৪]

মাধৱ কন্দলীৰ ৰামায়ণত বৰ্ণিত কাক বৃত্তান্তটো মূলৰ ওপৰত নিৰ্ভৰশীল নহয়। বাল্মীকি ৰামায়ণৰ প্ৰায়বিলাক পাঠতে সুন্দৰাকাণ্ডত যিটো কাক বৃত্তান্ত[১৫] আছে, তাৰ লগতো কন্দলীৰ এই বৰ্ণনাৰ মিল নাই। বাল্মীকি ৰামায়ণৰ গৌড়ীয় পাঠ[১৬] আৰু পশ্চিমোত্তৰীয পাঠত[১৭] ৰামে সীতাক মানস শিলাৰ ফোঁট দিয়া আৰু সীতাক এটা কাউৰীয়ে আক্ৰমণ কৰাৰ কাহিনী বৰ্ণনা কৰা হৈছে। মূল ৰামায়ণত অশোক বনত সীতাই হনুমানৰ আগত কোৱা আৰু হনুমন্তই অভিজ্ঞান স্বৰূপে এই কাহিনী ৰামক কোৱাৰ কথা আছে।

গৌড়ীয় পাঠ মতে ৰামে সীতাৰ আগত চিত্ৰকূটৰ শোভাসৌন্দৰ্য্যৰ বৰ্ণনা দি এজোপা লতাই এজোপা গছৰ আশ্ৰয় লোৱাৰ কথা কলে। ৰামে মনঃশিলা পৰ্বতত আঙুলি ঘহাঁই সীতাৰ কপালত ধুনীয়াকৈ এটা ফোঁট দিলে। মনৰ আনন্দত ৰামে বকুল ফুলেৰে সীতাৰ অলকা সজাই দিলে। এটা ডাঙৰ বান্দৰ দেখি ভয় খাই সীতাই ৰামক সাৱটি ধৰিলে। তেতিয়া ৰামৰ বুকুত সীতাৰ কপালৰ মনঃ শিলাৰ ফোঁটটোৰ সিন্দুৰবোৰ লাগি গ'ল। তাকে দেখি সীতাই কৌতুক পাই হাঁহিবলৈ ধৰিলে।[১৮] কন্দলীয়ে এই অনুকাহিনীটোৰ কেৱল আভাসহে দিছে।[১৯]

মূলৰ মতে ইয়াৰ পাছতে ৰাম-সীতা উভয়ে অশোক বনলৈ গৈ দুয়ো দুয়োকে ফুলেৰে সজাই দুয়ো আশ্ৰমলৈ উলটি আহিল। লক্ষ্মণে তেওঁলোকক আগবঢাই নি তেওঁ মাৰি আনি থোৱা দহোটা কৃষ্ণসাৰ পছ দেখুৱালে গৈ। তাৰে কোনোটো টুকুৰা কৰি থোৱা আছে, কোনোটোৰ মাংস ৰ'দত শুকাবলৈ দিয়া হৈছে, কোনোটো বান্ধি থোৱা আছে। ৰামে সীতাক মাংস ভাগ ভাগ কৰি ভূতগণলৈ বুলি প্ৰস্তুত কৰিবলৈ ক'লে। সীতাই সেই মতে মাংস অৰ্পণ কৰাৰ পাছত ৰাম-লক্ষ্মণক মধু আৰু মাংস খাবলৈ দিলে, তেওঁ নিজেও খালে। তাৰ পাছত সীতাই ৰামৰ কথামতে ৰ'দত দি থোৱা মাংসবোৰ কাউৰীয়ে নিব নোৱাৰাকৈ ৰখি থাকিল।[২০]

১৪। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু : অসমীয়া ৰামায়ণ সাহিত্য, পৃ - ৬৭
১৫। বাল্মীকি ৰামায়ণ, ৪/৩৮/১৩-৩৬
১৬। উক্ত গ্ৰন্থ, (গৌড়ীয় পাঠ) ২/১৩৫ সঃ
১৭। বাল্মীকি ৰামায়ণ (পশ্চিমোত্তৰীয় পাঠ)-২/১০৯ স
১৮। বাল্মীকি ৰামায়ণ (গৌড়ীয় পাঠ) - ২/১০৫/১৩-২৬
১৯। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২৪৯০
২০। বাল্মীকি ৰামায়ণ, ২/১৩৫/১৩-২৬

এনেতে ৰামে এটা ধূৰ্ত কাউৰীয়ে সীতাক ব্যতিব্যস্ত কৰি তোলা দেখিবলৈ পালে। তাকে দেখি ৰামে সীতাক পৰিহাস কৰিলত সীতাৰ খং উঠিল। ইফালে কাউৰীটোৱে ডেউকা, ঠোঁট আৰু নখৰে আক্ৰমণ কৰি সীতাক জ্বলা কলা কৰিবলৈ ধৰিলে। সীতাৰ বৰকৈ খং উঠা দেখি ৰামে কাউৰীটো খেদিব খুজিলে। সি কিন্তু ৰামলৈ ভ্ৰূক্ষেপকে নকৰিলে। তেতিয়া ৰামে মন্ত্ৰসিদ্ধ (মুগা ঘাঁহৰ) ইষিকা বাণ মাৰি পঠালে। সেই বাণে কাউৰীটো খেদি নিলে। দেৱতাৰ বৰ পাই থোৱা কাউৰীটোৱে ৰামৰ বাণৰ হাত সাৰিবলৈ ত্ৰিভুৱন ঘূৰিলে। কতো ৰক্ষা নাপাই শেষত সি ৰামৰ চৰণত পৰি প্ৰাণ ভিক্ষা কৰিলে। শৰণাগত বৎসল ৰামে তেওঁৰ অব্যৰ্থ বাণৰ আগত এটা মাত্ৰ অংগ এৰি দি কাউৰীটোক প্ৰাণৰক্ষা কৰিবলৈ কোৱাত সি এটা চকু এৰি দিলে। ৰামৰ বাণে এটা চকু নষ্ট কৰাৰ পাছত কাউৰীটোৱে ৰামক প্ৰণতি জনাই গুচি গ'ল।[২১]

মাধৱ কন্দলীৰ ৰামাযণত বৰ্ণিত কাক বৃত্তান্তটো মূলৰ উপৰত প্ৰতিষ্ঠিত নহয়। কন্দলীৰ ৰামায়ণৰ মতে লক্ষ্মণে নিতৌ মৃগ মাৰি আনে, সীতাই ৰান্ধে, তিনিওজনে খায়। এদিন লক্ষ্মণ পছু মাৰিবলৈ গ'ল। তেনেতে সৰযু নদীৰ তীৰত ৰামে সীতাৰ উৰুত মূৰ থৈ টোপনি গ'ল। ওচৰৰ এজোপা গছৰ ডালত এটা কাক পৰিলহি। সীতাৰ ৰূপত বিভোল হৈ কাকে সীতাৰ উন্মুক্ত স্তনযুগলত আঘাত কৰিলে। কন্দলীৰ ভাষাত ঃ

> সীতাৰ ৰূপক দেখি কাক ভৈল ভোল।
> একদোৰা কৰি গৈয়া চাপি গৈলা কোল।।
> ৰাঘৱৰ আতিশয় নিদ্ৰাক দেখিযা।
> সীতাৰ তনত পৰিলেক জাম্প দিয়া।।
> তনমাজে গোসানীৰ কৰিলেক ঘাৱ।
> ক্ৰোধিলন্ত সীতা মাৱ কাম্পে হাত পাৱ।।
> কোপে শোকে সীতাদেৱী ক্ৰন্দন কৰিল।
> ৰামৰ শৰীৰ সবে লোতক ভৰিল।।
> সীতাৰ আগতে কাকে কেলি কৰে বৰে।
> থপা মুণ্ডি দিয়া বেগে তন মাজে পৰে।।
> মাৰিবে নপাৰে সীতা কান্দিল বহুত।
> জাগিয়া দেখিলা ৰাম দশৰত সুত।।

২১। বাল্মীকি ৰামায়ণ, ২/১০৫/২৭-৫৮

সীতাৰ তনয় মাজে বহয় ৰুধিৰ।
ক্রোধিলন্ত ৰামে দেখি নসহে শৰীৰ।
নগনিয়া ৰামক সীতাক প্ৰহাৰয়।
পুনু পুনু প্ৰহাৰিয়া তনয় পৰয়।।
ক্রোধিয়া বোলন্ত ৰাম লৈবোহো পৰাণ।
মন্ত্র পঢ়ি মাৰিলেক ইষিকাৰ বাণ।।[22]

ৰামৰ মন্ত্রপূত ইষিকাৰ বাণে খেদি নিয়াত 'ইন্দ্ৰৰ তনয়', 'অতি বৰ খল'[23] কাকে গৈ দেৱ সমাজৰ শৰণ পশিলে। কাকে ক'তো আশ্রয় নাপাই পুনৰ ঘূৰি আহি ৰামৰ চৰণত আশ্রয় ল'লে,

বোলে নিচিনিলো প্ৰভু ৰাখিয়োক প্ৰাণ।।
ক্ষমা কৰিয়োক মোক অজ্ঞানৰ পাপ।
তুমিসি ত্রৈলোক্যনাথ জগতৰ বাপ।।
বৰদ্ৰোহ আচৰিলো জগতৰ মাৰে।
এহি বুলি বায়স পৰিল দুই পাৱে।।[24]

তেতিয়া ৰামে তেওঁৰ অমোঘ বাণেৰে কাকৰ এটা চকু নষ্ট কৰিলে আৰু সি ৰামক প্ৰণাম কৰি গুচি গ'ল। কন্দলীৰ মতে সেইদিন ধৰি কাউৰীয়ে এটা চকুৰে নেদেখে।[25] কাক সম্পৰ্কীয় উপৰি উক্ত অণুকাহিনী আৰু বিশ্বাসটো সমসাময়িক অসমৰ লোকসমাজৰ পৰা আধৃত, যিহেতু কাউৰীযে এটা চকুৰে নেদেখা ঘটনাদি বৰ্তমানো লোকাযত সমাজত জীৱন্তভাবে প্ৰচলিত।

কন্দলীৰ ৰামায়ণৰ সুন্দৰাকাণ্ডটো সীতাই নিজৰ 'সংকেত কাহিনী' স্বৰূপে হনুমন্তক কাক সম্পৰ্কীয় অণুকাহিনীভাগৰ আভাস মাথোন দিছে তলত দিয়াৰ দৰে ঃ

চিত্ৰকূটে শুইলে মোৰ উৰুত সিথানে।
কাকে মোৰ তনে ঘাৱ কৰিলেক টনে।।
তাক লাগি হানিলন্ত ইষিকাৰ বাণ ।
সিকাৰণে কাকৰ দক্ষিণ চক্ষু কাণ ।।[26]

ৰামে মানস শিলাৰ ফোঁট দিয়াৰ কথাও এই প্ৰসংগত সীতাই কেৱল উল্লেখহে কৰিছে ঃ

২২। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২৪৯৩-২৪৯৭
২৩। উক্ত গ্ৰন্থ, পদ - ২৪৯৮
২৪। মাধৱ কন্দলী ঃ পূৰ্বোক্ত গ্ৰন্থ, পদ-২৫০১
২৫। কেশদা মহন্ত ঃ অসমীয়া ৰামায়ণী সাহিত্য, কথাবস্তুৰ আঁতিগুৰি, ১ম খণ্ড, পৃ - ৪০৪-৪০৫
২৬। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰাকাণ্ড, পদ- ৪৩৩৫

মানস শিলাৰ ফোট সীতাদেৱী দিল।
আলিঙ্গন্তে ৰামৰ হিয়াত সঞ্চৰিল।।
হেন দেখি সীতায়ে কৰিলে পৰিহাস।
সুৰত শৃংগাৰ বৰ ভৈল অভিলাস ।।[২৭]

মূল বাল্মীকি ৰামায়ণত সীতাৰ জাতিস্মৰত্বৰ একো আভাস পোৱা নাযায। কন্দলীৰ ৰামাযণত কিন্তু ৰাম-লক্ষ্মণ সীতা অত্রিমুনিৰ আশ্রমত প্রৱেশ কৰাৰ পিছত মুনিপত্নী অনসূযাৰ আগত সীতাই কৈছে :

পূর্ব জন্মে অনেক তপস্যা কৈলো আমি।
তাৰ প্রতিফলে ৰাঘৱক পাইলো স্বামী ।।[২৮]

মূলৰ মতে সীতাই তেওঁৰ পিতাকে উর্মিলাক লক্ষ্মণলৈ বিয়া দিয়াৰ কথা মাত্র উল্লেখহে কৰিছিল।[২৯] কন্দলীৰ 'ৰামায়ণ'ত উর্মিলাৰ নখ-শিখা-ৰূপ বর্ণনা প্রস্তুত কৰি ৰূপে-গুণে মুনিকো মুহিব পৰা লক্ষ্মীসম সেই কন্যাক লক্ষ্মণে বিযা কৰালে বুলি দীঘলীয়া বর্ণনা দিযা হৈছে।[৩০]

অৰণ্যকাণ্ডত সংঘটিত 'বিৰাধ বধ' উপকাহিনীটিৰ প্রসংগত কন্দলীয়ে মূলক অনুসৰণ কৰিলেও অসমীয়া কবিজনাই লোক সমাজৰ বাবে অধিক আবেদনক্ষম কৰি তুলিবলৈ চেষ্টা কৰিছে। মূলত বিৰাধে ৰাম-লক্ষ্মণ-সীতাক দেখি খঙত বিকট চিঞৰ মাৰি খেদি গ'ল আৰু সীতাক কোলাত তুলি সি অলপ আঁতৰি গৈ কবলৈ ধৰিলে :

"তোমালোকে বল্কল ধাৰণ কৰিছা, অথচ লগত নাৰী লৈ অস্ত্র-শস্ত্রেৰে দণ্ডকাৰণ্যত ভ্রমিছা। তোমালোক যদি তপস্বীয়েই, লগত ত্রৈলোক্যমোহিনী নাৰী কিয় ? তোমালোক অধর্মচাৰী, মুনিকুলৰ কলংক।"[৩১]

বিৰাধে সীতাক ধৰি নিয়াৰ বর্ণনা কন্দলীয়ে দিছে :

'চিলে যেন থাম্প দিয়া মাছক নিলেক।
মায়া ধৰি সীতাক গগনে উঠাইলেক।।'

বিৰাধে ৰাম-লক্ষ্মণক পৰা গালিখিনি মূলৰ অনুৰূপ যদিও বিৰাধে ৰামক পৰা গালিখিনি কন্দলীৰ উদ্ভাৱনা।[৩২]

২৭। উক্ত গ্রন্থ : সুন্দৰা কাণ্ড, পদ- ৪৩৩৫
২৮। উক্ত গ্রন্থ : অৰণ্যকাণ্ড, পদ- ২৬৭২
২৯। বাল্মীকি ৰামায়ণ (গৌড়ীয় পাঠ) ৩/৪/৫৩
৩০। মাধৱ কন্দলী : ৰামায়ণ, অৰণ্যকাণ্ড, পদ-২৬৬৬-৭২
৩১। বাল্মীকি ৰামায়ণ, ৩/২/৩-১৪
৩২। ক্ষত্রী জাতি হয়া তুমি ভৈলাহা তপ্‌স্বী পৰনাৰী হৰিলাহা কমন ভিতৰ ইত্যাদি।

অৰণ্যকাণ্ডত মাধৱ কন্দলীয়ে উপস্থাপন কৰা ঋষি অগস্ত্যৰ শাৰীৰিক বৰ্ণনাও মূল ৰামায়ণৰ উপৰত প্ৰতিষ্ঠিত নহয়। বাল্মীকিয়ে অগস্ত্যৰ বৰ্ণনা এনেদৰে দিছে ঃ

ততঃ শিষ্যৈ পৰিবৃতো মুনিৰ ন্যভিনিস্পতৎ।
তৎ দদৰ্শাগ্ৰতো ৰামো নুনীনাং দীপ্তেতেজসম।।[৩৩]

বাল্মীকিৰ মতে অগস্ত্য ঋষি মুনিসকলৰ মাজত 'দীপ্ত তেজস্বী', কিন্তু কন্দলীয়ে লোক সমাজৰ অভিজ্ঞতাৰ পৰিসৰৰ মাজত সীমিত ৰাখি ঋষিগৰাকীৰ দৈহিক বৰ্ণনা এনেদৰে দিছে ঃ

'বিদুৰতে ৰামৰ ঋষিক লক্ষ্য ভৈল।
হাতৰ পাৱৰ নখ ফুলি ফুলি গৈল।।
ভোবোকাৰ দাটি শন পাঞ্চি কেশ পাশী।
সকলে গাৱৰ লোম ফুলি গৈল কাশি।।
যেন পুণ্ডা কুমুণ্ডাক দেখোতে বিশেষ।
ভাপলীয়া মুণ্ডা তালু মাথে নাই কেশ ।।[৩৪]

কন্দলীৰ বৰ্ণনা মতে অগস্তি ঋষিৰ হাতৰ-ভৰিৰ নখ দীঘল, ভোবোকাৰ দাড়ি, শনসূতাৰ দৰে পকা চুলি, কহুৱা ফুলৰ দৰে গোটেই গাৰ নোম বগা, কোমোৰাৰ দৰে চুলি নোহোৱা মূৰ।

বাল্মীকিৰ ৰামাযণত বৰ্ণিত শূৰ্পনখাৰ নাসিকা ছেদন অনুকাহিনীভাগৰ লগত কন্দলী ৰামাযণৰ পাৰ্থক্য পৰিদৃষ্ট হয়। বাল্মীকিৰ শূৰ্পনখাই ৰাম-লক্ষ্মণক দেখি কামত বিভোল হৈ তেওঁলোকৰ এজনক পতিৰূপে পাবৰ কাৰণে নিজৰ প্ৰকৃত ৰূপেৰেই ওচৰ চাপিছিল।[৩৫] কিন্তু কন্দলীৰ শূৰ্পনখাই অপূৰ্ব সুন্দৰীৰ বেশেৰে পোনতে ৰামৰ ওচৰ চাপিছিল, যেনে ঃ

"ত্ৰিভুৱন মোহিনী সুন্দৰী ভৈল বালা।
ৰামৰ আগত গৈয়া কৰে কেলি কলা।।[৩৬]

পৰিহাসৰ ছলেৰে ৰামে ক'লে ঃ 'ভৈয়াই অনাথ শিশু তাৰে পতি কৰ' বুলি লক্ষ্মণৰ ওচৰলৈ পঠাই দিয়ে। তদনুক্ৰমে শূৰ্পনখাই লক্ষ্মণৰ ওচৰ চাপি 'কামদেৱ যেন শোভে শৰীৰ তোমাৰ' বুলি লক্ষ্মণৰ ৰূপ-সৌন্দৰ্য্যক প্ৰশংসা কৰিছে ঃ

'যেহেন নদীৰ জল নথাকয় ৰহি।
সেহিমতে নৰৰ যৌৱন যায় বহি।।

৩৩। বাল্মীকি ৰামায়ণ, ২/১২/২৩-২৪
৩৪। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২৭৭৪
৩৫। বাল্মীকি ৰামায়ণ, ৩/৭/১২-২৩
৩৬। মাধৱ কন্দলী ঃ ৰামায়ণ অৰণ্যকাণ্ড, পদ- ২৩০১

তোমাৰ আমাৰ ৰূপ জগতত সাৰ।
গুচায়ো বিৰহ দুখ অশেষ নিকাৰ।।[৩৭]

লক্ষ্মণৰ দ্বাৰা উপেক্ষিতা আৰু ভগ্ন মনোৰথা শূৰ্পনখা ক্ৰোধান্বিতা হৈ ৰামক স্বামীৰূপে পোৱাৰ পথত জনক নন্দিনী সীতা প্ৰধান অন্তৰায় ৰূপে ভাবি ৰাৱণ-ভগ্নীযে নিজৰ প্ৰকৃত ৰূপ গ্ৰহণ কৰি বৈদেহীক গ্ৰাস কৰিবলৈ খেদি গ'ল।

লক্ষ্মণৰ হাতত নাক-কাণ কটা গৈ পলাই যোৱা শূৰ্পনখাৰ প্ৰাণ, কন্দলীৰ মতে স্ত্ৰীজাতি বুলিহে ৰক্ষা পৰিল। কি কাৰণে শূৰ্পনখাৰ প্ৰাণ ৰক্ষা পৰিল তাৰ যুক্তি মূল ৰামাযণত নাই। লোকসমাজত নাৰী হত্যা সম্পৰ্কীয নিষেধাজ্ঞাৰ লগত জড়িত প্ৰাজ্ঞোক্তি পৰম্পৰাগতভাৱে প্ৰচলিত। হযতো এই নিষেধাজ্ঞা 'ধৰ্মশাস্ত্ৰ' বা স্মৃতিশাস্ত্ৰৰ পৰাও আহিব পাৰে। কিন্তু 'নাৰী'ৰ প্ৰতি জন-গণ-মনৰ কেনে ব্যৱহাৰ হোৱা উচিত তদৃশ বচন পৰম্পৰাগতভাৱে লোকসমাজত প্ৰচলিত। গতিকে কি যুক্তিৰ ভেটিত লক্ষ্মণে সীতাক বধ নকৰিলে তাৰ কৈফিযৎ কন্দলীযে লোক সমাজত প্ৰচলিত পৰম্পৰাগত নিষেধ-বচনৰ পৰা গ্ৰহণ কৰিব পাৰে।

ৰাৱণৰ দ্বাৰা সীতা হৰণ বৃত্তান্ত সম্পৰ্কীয় কাহিনীভাগ বাল্মীকি ৰামাযণৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও ৰাৱণে সীতাক হৰণ কৰাটো কিমান বিপদজনক কথা আৰু ৰাম-ৰাৱণৰ মাজত কিমান পাৰ্থক্য সেই কথা বুজাবলৈ সীতাই 'গংগাক এৰিযা কোনে কুপত মজিবো', 'সুকুতাক খাইবো কেনে অমৃত তেজিযা', 'ঘৃত পৰিহৰিয়া ঘোলক কেন পিবো'[৩৮] আদি প্ৰাজ্ঞোক্তিৰে ৰাৱণৰ প্ৰতি ওপজা ঘৃণাভাৱৰ সংকেত মূল ৰামাযণত পাবলৈ নাই।

তদুপৰি সীতাই ৰাৱণক পতিবৰণ নকৰিলে তেওঁ জানকীক অৱশ্যে বলপূৰ্বক হৰণ কৰিব বুলি কোৱাত কন্দলীৰ সীতাৰ ভযতে জীৱ উৰি গ'ল। সীতাই ৰাৱণক তেওঁৰ কু-কৰ্মৰ পৰিণতি কি হ'ব তাৰ ইংগিত দিয়াৰ প্ৰসংগত প্ৰযোগ কৰা উক্তি কন্দলীৰ নিজা সৃষ্টি। "হাড়ী জাতি হুয়া পঢ়িবাক চাস বেদ"ৰ[৩৯] নিচিনা কথাৰ ইংগিত মূল ৰামাযণত পোৱা নাযায়। 'লংকাৰ অগনি কুণ্ড মোক যেৱে নিবি। ৰামৰ হাতত মূঢ় অৱশ্যে মৰিবি'[৪০] ইত্যাদি কথাৰে সীতাই ৰাৱণক সাৱধান বাণী শুনায়ো একো লাভ নহ'ল। বৰং লংকেশ্বৰ ক্ৰুদ্ধ হৈ উঠিল আৰু ঋষিবেশ ত্যাগ কৰি ভয়ংকৰ ৰাক্ষসৰূপে আত্মপ্ৰকাশ কৰিলে ঃ

৩৭। উক্ত গ্ৰন্থ, পদ-২৮২৩
৩৮। মাধৱ কন্দলী ঃ ৰামাযণ, অৰণ্যকাণ্ড, পদ-৩১৫৫-৫৬
৩৯। উক্ত গ্ৰন্থ, পদ- ৩১৭১
৪০। উক্ত গ্ৰন্থ, পদ-৩১৭৩

কুৰি কাণ দশ নাক কুৰিখন হাত।
ডাঙৰ কপালে চিত্র দশগোটা মাথ।।
দশমুখ মাজে কুড়ি নয়ন বলয়।
যেন কৰি কুণ্ডা বহ্নি পৰ্বতে জ্বলয় ।।
কালবৰ্ণ দেহা যেন অঞ্জন পৰ্বত ।
ভয়ংকৰ বেশে থিয় ভৈ গৈল আগত।।
কৰকৰি চোবাৱয় কুৰি পাৰি দান্ত।
একে বেলে টানে যেন কুৰিখান জান্ত ।।[৪১]

ৰাৱণৰ দ্বাৰা সীতা হৰণ কাহিনীভাগৰ অনুষংগতো সীতাই প্ৰদৰ্শন কৰা স্পষ্টবাদিতা আৰু নিৰ্ভীকতা তথা ৰাৱণৰ আচৰণ আৰু ভয়ংকৰ ৰূপ সম্পৰ্কীয় ধাৰণা লোকসমাজত পৰম্পৰাগত ৰামকথাৰ জৰিয়তে প্ৰচলিত। মাধৱ কন্দলীয়ে তেনেধৰণৰ পৰম্পৰাগত ধ্যান ধাৰণাৰ পৰা সমল গ্ৰহণ কৰি ওপৰোল্লিখিত পৰিস্থিতি বিশেষ নিৰ্মাণ কৰিব পাৰে।

সীতাক ৰাৱণে হৰণ কৰি লৈ যাওঁতে বাটতে জটায়ুৱে বাধা দিয়া আৰু জটায়ুৰ লগত ৰাৱণৰ যুদ্ধৰ বৰ্ণনা মূলৰ অনুৰূপ। অৱশ্যে সীতাই মৃত্যুমুখী জটায়ুক আশীৰ্বাদ দিয়াৰ বৰ্ণনাংশ কন্দলীৰ স্বকীয় সৃষ্টি

শান্তী সীতা হুও যেৱে তত্ত্ব পৰমাণ।
ৰাঘৱক কহিলে তোমাৰ যাইব প্ৰাণ।।[৪২]

সীতাৰ অনুসন্ধানত ব্ৰতী হোৱা ৰাম-লক্ষ্মণক মৃত্যুমুখী জটায়ুয়ে ৰামৰ আগত 'সীতাৰ কাৰণে মোৰ প্ৰাণখানি বৈল'[৪৩] বুলি কোৱা কথাখিনি বাল্মীকি ৰামায়ণত পোৱা নাযায়, ই অসমীয়া কবিৰ স্বকীয় উদ্ভাৱনা। ৰাৱণে সীতাক বলপূৰ্বক হৰণ কৰি অশোক বনত ৰখা পৰিস্থিতিৰ লগত বাল্মীকি আৰু কন্দলীৰ মাজত সাদৃশ্য পৰিলক্ষিত হয় যদিও, অশোকবনৰ বৰ্ণনাৰ অনুষংগত কন্দলীয়ে উল্লেখ কৰা সীতাই অশোক বনত থকা শিংশপা নামৰ গছ এজোপাৰ গুৰিতে থকা 'সুবৰ্ণ-মাণিক ভূমি'ত উপস্থিত হোৱা পৰিস্থিতিটোৰ আভাস মূল ৰামায়ণত পাবলৈ নাই। ই কন্দলীৰ নিজা সংযোজনা।[৪৪]

কোনো এটা ভাল কামেই হওক বা বেয়া কামেই হওক তাৰ প্ৰভাৱ সম্পৰ্কে

৪১। উক্ত গ্ৰন্থ, পদ-৩১৭৬-৭৭
৪২। মাধৱ কন্দলী : ৰামায়ণ, অৰণ্যকাণ্ড, পদ-৩২৩৪
৪৩। উক্ত গ্ৰন্থ, পদ- ৩৩৪২
৪৪। উক্ত গ্ৰন্থ, পদ-৩২৩৭

লোকমানসে আগধৰি এটা সামূহিক প্ৰতিক্ৰিয়া ব্যক্ত কৰে। দ্বিতীয়তে, কোনো ক্ষমতাশালী লোকে জনসাধাৰণৰ চিৰাচৰিত বিশ্বাস আৰু ধাৰণাৰ বিপৰীতে কোনো কাম কৰিলে তাৰ বিৰোধিতা ব্যক্তিগত বা সামূহিকভাৱে দেখা দেখিকৈ কৰিব নোৱাৰিলেও সামূহিকভাৱে বু-বু বা-বা কৰা স্বাভাৱিক। ইয়াক এক প্ৰকাৰ সামাজিক দমিত আচৰণৰ সুপ্ৰকাশ বুলিব পাৰি।[৪৫] ৰামৰ ভাৰ্য্যাক হৰণ কৰি যে ৰাৱণে ভাল কাম কৰা নাই সেই বিষয়ে লংকাৰ সাধাৰণ প্ৰজাৰ মাজত বু-বু বা-বা কৈ কণাকণি হোৱা কথাটো কন্দলীয়ে সেই সময়ৰ লোকসমাজে অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ কৰা প্ৰৱণতাৰ পৰা গ্ৰহণ কৰিছে। স্বৰূপাৰ্থত ৰাৱণৰ অনুচিত কাৰ্য্যৰ বিৰুদ্ধে লংকাৰ ৰাইজে কৰা আচৰণৰ ওপৰোল্লিখিত সমাজৰ অৱদমিত সামাজিক আচৰণৰে বহিঃপ্ৰকাশ।

বাল্মীকি ৰামাযত বালীয়ে সুগ্ৰীৱৰ সৈতে পুনৰ যুদ্ধ কৰিবলৈ আহিবলৈ ওলোৱাত শান্তী পটেশ্বৰী তাৰাই অতি সাৰগৰ্ভ বচনৰে সুগ্ৰীৱৰ লগত যুদ্ধ কৰি সুগ্ৰীৱৰ মিত্ৰ ৰামৰ লগত বিৰোধ কৰিবলৈ বাধা দিছে।[৪৬] মাধৱ কন্দলীয়ে তাৰাৰ এই নিষেধবাক্যৰ প্ৰসংগত মূল ৰামাযণৰ কাহিনীভাগক অনুসৰণ নকৰি মৌলিকতাৰ পৰিচয দিছে। মূলত নথকা তাৰাৰ স্বপ্নদৰ্শনৰ কথাটোও কন্দলীয়ে নিজাকৈ সংযোজনা কৰিছে। তাৰাই বালীক যুদ্ধৰ পৰা বিৰত কৰিবলৈ চেষ্টা কৰি ৰাতি দেখা দুঃস্বপ্নৰ ব্যাখ্যা দিছে এইদৰে ঃ

স্বপনৰ কথা কহো শুনিযোক প্ৰভু তযু
হৃদযত লাগি গৈল মাটি।
উপৰক হুযা গোড তোহাৰ শৰীৰ গোট
সমূলে পশিল মাটি ফাটি।।
সিংহাসনে বহি ৰঙ্গে সুগ্ৰীৱ দেৱৰ মোৰ
তিনি কোনো ইটা গোট গিলে।
হেনয় স্বপন জানা যাকে যাকে দেখিবয়
তাতে গৈয়া ৰাজশ্ৰী মিলে।[৪৭]

আমাৰ সমাজত প্ৰচলিত স্বপ্নৰ ফলিতা বিচৰা বিশ্বাসৰ ভিত্তিত অসমীয়া কবিয়ে এই দুঃস্বপ্নৰ কথা সংযোগ কৰি দিছে আৰু মূলৰ বৰ্ণনাৰ লগত সঙ্গতিও ৰক্ষা কৰিছে।

৪৫। Heda Jeson "Content Anlysis of Oral Literature 1 A Discussion" in Pattern in Oral Literature, Jason, P 278

৪৬। বাল্মীকি ৰামায়ণ (গৌড়ীয় পাঠ)- ৪/১৪/৯-৩০

৪৭। মাধৱ কন্দলী : ৰামায়ণ, কিষ্কিন্ধ্যাকাণ্ড, পদ-৩৫৮৫

সপোনৰ ফলিতাৰ ওপৰত গুৰুত্ব নিদি বালী যুদ্ধলৈ যাবলৈ উদ্যত হ'ল। তেতিয়াও তাৰাই তেওঁৰ সোওঁ চকু নাচি অমঙ্গল সূচনা কৰাৰ কথা ক'লে :

ডাহিনৰ চকু মোৰ সঘনে সঘনে ফুৰে
আক হৃদয়ত ভালে গুনা।[৪৮]

তাৰাই কিস্কিন্ধ্যাত শান্তিৰে বাস কৰি থকা প্ৰজাগণৰ কথা চিন্তা কৰাটোও কন্দলীৰ নিজা সাৰ্থক উদ্ভাৱনা।

ৰাজাৰ নিদানে আৰো সৰ্বলোক সুখে আছে
আক প্ৰভু নাজানা কিসক।[৪৯]

কন্দলীৰ ৰামায়ণত বালীয়ে তাৰাৰ নিষেধ বচন আওকাণ কৰি কৈছে :

স্ত্ৰীবৈৰী পিতৃবৈৰী সীমাবৈৰী নোহো।
ৰাজ্যৰ নিমিত্তে আমি দুই ভাই যুজুহো।।
কোন অপৰাধে ৰামে বধিব আমাক।[৫০]

স্বামীৰ প্ৰত্যুত্তৰ স্বৰূপে মাধৱ কন্দলীৰ তাৰাই কৈছে :

ভকতৰ পদে ৰাম অন্যায় কৰন্ত।।
ভকত বৎসল গুণ এতেকে ৰামৰ।
সুগ্ৰীৱে ভকতি তান্তে কৰে নিৰন্তৰ।।
এতেকে সংশয় প্ৰভু কৰোহো মনত।[৫১]

তাৰাৰ এই উক্তিত ৰামৰ শৰণ্যগুণ ব্যক্ত হৈছে। ৰামৰ শৰণ্যগুণৰ পৰিচয় মূল ৰামাযণত পোৱা নাযায। কিন্তু কন্দলীয়ে স্বকীয়ভাৱে ৰামৰ ভক্তবৎসলতাৰ ভাৱ প্ৰকাশ কৰিছে। শেষত বাধা আৰোপ নামানি সমৰলৈ যোৱা বালীৰ ওপৰত কাক-শগুণ উৰা, বাওঁফালে সাপ আৰু সোঁফালে শিয়াল যোৱা, আকাশত কাক-গৃধ পক্ষীৰ কোলাহল আদি অমঙ্গলসূচক পৰিস্থিতি কবি কন্দলীৰ স্বকীয় কল্পনা। ই নিশ্চিতভাৱে সমসাময়িক লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত লোকবিশ্বাসৰ প্ৰভাৱ।

বালী-সুগ্ৰীৱৰ দ্বিতীয়খন যুদ্ধও কন্দলীয়ে মূলতকৈ বিস্তৃতভাৱে প্ৰায় পৰিবেশন কৰিছে। কন্দলীৰ ৰামায়ণত তাৰাই বালী-সুগ্ৰীৱৰ আৰ্তনাদ শুনিয়েই 'হিয়ে মুঠি হানিয়া স্বামীৰ পাশে যায়। বানৰী সহস্ৰে বেৰি লগত বজায়।'[৫২] কন্দলীয়ে বান্দৰগণৰ পলায়নৰ চিত্ৰ স্বকল্পনাৰে প্ৰস্তুত কৰিছে।

৪৮। মাধৱ কন্দলী : পূৰ্বোক্ত গ্ৰন্থ, পদ-৩৫৮৮
৪৯। উক্ত গ্ৰন্থ, পদ-৩৫৯১
৫০। মাধৱ কন্দলী : ৰামায়ণ, কিস্কিন্ধ্যাকাণ্ড, পদ-৩৫৯৪
৫১। উক্ত গ্ৰন্থ, পদ-৩৫৯৫
৫২। উক্ত গ্ৰন্থ, পদ-৩৬৪৮

পলাই দাৰি দুৰি কৰি মনতে বিভঙ্গে।
থাৰে থোৰে কহে কথা বানৰৰ সঙ্গে।।
জাম্প দিয়া কতোহো বৃক্ষৰ আগে চৰে।
বৃক্ষ এৰি কতো কতো গহ্বৰত পৰে।।
কিচ কিচ কৰিয়া বানৰে পাৰে উকি।
ৰামে পাইলে দেয় নিকুঞ্জত লুকি ।।[৫৩]

কন্দলীৰ ৰামাযণত বালী 'নিশ্চেষ্টে আছন্ত পৰি, উৎকোল কৰি আতি, শালি আছে ৰাঘৱৰ বাণে।'[৫৪] সেই মুহূৰ্তত অন্য বানৰীগণেও 'স্বামীক বেঢিযা গৈয়া, হৃদয়ত পৰি পৰি, কান্দে সৱে হাকলে বিকলে" বুলি কবিজনাই কল্পনা কৰিছে। মূলত তাৰাই বালীৰ লগত সহগমন কৰিবলৈ বিচাৰিছে। কন্দলীৰ ৰচনাত অঙ্গদ অনাথ হ'ব বুলিযেই তাৰাই স্বামীৰ অনুগমন কৰিব পৰা নাই। আনহাতে পিতৃ বালীৰ মৃত্যুত পুত্ৰ অঙ্গদৰ শোক-ব্যথা প্ৰকাশক পৰিস্থিতিটো কন্দলীয়ে নিজাকৈ সংযোজন কৰিছে।[৫৫] বালীৰ শৱ-সৎকাৰ, অঙ্গদৰ দ্বাৰা পিণ্ডদান, বৃষোৎসৰ্গ আদি অসমীয়া সমাজৰ ঔৰ্ধদৈহিক ক্ৰিয়াৰ আধাৰতে কবিয়ে বৰ্ণনা কৰিছে। বালীৰ মৃত্যুৰ পাছত তাৰাক ৰামে সুগ্ৰীৱৰ ওপৰত সমৰ্পণ কৰা কথাও কন্দলীৰ নিজা সংযোজনা।

ৰাজ্য লাভ কৰি সুগ্ৰীৱে নগৰীত প্ৰবেশ কৰা আৰু সুগ্ৰীৱৰ অভিষেকৰ বৰ্ণনাও অসমীয়া কবিজনাই স্ব-কল্পনাৰে সজাই তুলিছে। মূলত নাই যদিও কন্দলীযে সুগ্ৰীৱৰ লগত 'দাহিনত লোমাদেৱী বামত বসিলা তাৰা' বুলি বৰ্ণনা কৰিছে।[৫৬]

কিষ্কিন্ধ্যাকাণ্ডৰ শেহৰফালে বৰ্ণিত মাধৱ কন্দলীৰ ৰামাযণত সম্পাৰ্তিৰ পক্ষদগ্ধ হোৱাৰ প্ৰসংগত উপস্থাপন কৰা অণুকাহিনীটোৰ লগত মূল ৰামায়ণৰ মুঠেই মিল নাই। আনকি অন্য উৎসতো কন্দলীয়ে উপস্থাপন কৰা এই কাহিনীভাগৰ আভাস পোৱা নাযায়। এই কাহিনীভাগ মাধৱ কন্দলীয়ে লোকসমাজত মৌখিক পৰম্পৰাত প্ৰচলিত ৰামকথাৰ পৰা ল'ব পাৰে।

মূল বাল্মীকি ৰামায়ণত সম্পাতিয়ে তেওঁৰ পক্ষ দগ্ধ হোৱাৰ কাহিনীভাগ এনেদৰে কৈছিল ঃ

"পূৰণি কালত বৃত্ৰাসুৰ বধ হোৱাৰ পাছত আমি দুয়োজন বলবান যুবক জটায়ু আৰু মই ইন্দ্ৰক জয় কৰিবৰ মনৰে উল্লাসিত

৫৩। উক্ত গ্ৰন্থ, পদ-৩৬৪৯
৫৪। উক্ত গ্ৰন্থ, পদ-৩৬৫৬
৫৫। উক্ত গ্ৰন্থ, পদ-৩৬৬৫-৬৬
৫৬। মাধৱ কন্দলী ঃ পূৰ্বোক্ত গ্ৰন্থ, পদ-৩৭১৭

হৈ আকাশলৈ উৰা মাৰিছিলোঁ। **জ্বলন্ত কিৰণমালাৰে মণ্ডিত সূৰ্য্যক লক্ষ্য কৰি গৈ আছিলো। **সূৰ্য্য আকাশৰ মাজভাগ পোৱাত জটায়ু অবসন্ন হৈ পৰিল। জটায়ুক সূৰ্য্যৰ তাপত পীড়িত হোৱা দেখি মই তেওঁক ডেউকা মেলি ঢাকি ধৰিলোঁ। ডেউকা পুৰি যোৱাত মই এই বিন্ধ্যপৰ্বতত পৰি গ'লোঁ। জটায়ুৰ একো উৰা দিহকে নাপালোঁ।"[৫৭]

মাধৱ কন্দলীৰ ৰামায়ণত উল্লেখ থকা মতে সম্পাতিয়ে তেওঁৰ পক্ষদগ্ধ হোৱাৰ কাহিনী এনেদৰে কৈছিল : গৰুড়ৰ দুই পুত্ৰ জটায়ু আৰু তেওঁ একেটা দ্বীপতে থাকিবলৈ ল'লে। দ্বীপটোক কেন্দ্ৰ কৰি দুয়োৰে মাজত কন্দল লাগিল। তেওঁলোক দুয়ো আঠাইছ হাজাৰ ঋষিয়ে তপস্যা কৰি থকা আশ্ৰম এখনলৈ গৈ ঋষি সকলক তেওঁলোক দুয়োজনৰে ভিতৰত কোন বেছি বলৱন্ত, ক'বলৈ ক'লে। যাকে সৰু বুলি কব সেই জনেই তেওঁলোকক খাই পেলাব বুলি ঋষিসকলৰ বৰ ভয় লাগিল। বহুত ভাবি-চিন্তি চাই ঋষিসকলে ক'লে যে তেওঁলোকৰ ভিতৰত যিজনেই গৈ আগতে সূৰ্য্যৰ ৰথখন স্পৰ্শ কৰিব পাৰিব, তেৱেঁই অধিক শক্তিশালী বুলি পৰিগণিত হ'ব। দুয়ো পক্ষীয়ে আকাশলৈ উৰা মাৰিলে। তাকে দেখি সূৰ্য্যই ভাবিলে : 'এই দুষ্ট পক্ষী দুটাই মোক অপঘাত কৰিবলৈ আহিছে।' এই বুলি সূৰ্য্যই অগ্নিশৰ মাৰি পঠোৱাত জটায়ুয়ে সম্পাতিৰ চৰণত ধৰি 'তোমাৰ গাৰৱ/পাখা যেবে নাসে/যোগাইবো আমি আহাৰ' বুলি অংগীকাৰ কৰি শৰণ পশিলে। ভায়েকৰ আতুৰ বচন শুনি সম্পাতিয়ে দুযো পাখা মেলি জটায়ুক সূৰ্য্যৰ অগ্নিশৰৰ প্ৰহাৰৰ পৰা ৰক্ষা কৰিলে। নিজে পক্ষদগ্ধ হৈ জ্ঞান-চুৰ্তি হেৰুৱাই পৰ্বতত সৰি পৰিল। সুস্থ হৈ সেই পৰ্বতত থাকোতে অগস্ত্য ঋষিৰ লগত তেওঁৰ সাক্ষাত হ'ল। সম্পাতিয়ে বিনীতভাবে ঋষিক সুধিলে 'তুমি সৰ্বজান, জীৱন-মৰণ/কৈয়ো মোৰ বিমৰিষি'। ঋষিয়ে হাঁহি মাৰি কলে – "গৰুড়ৰ পুত্ৰ তোমাৰ মৰণ নাই। তুমি ইয়াতে সহস্ৰ বছৰ বহি থাকা। হৰিয়ে দশৰথৰ ঘৰত ৰামৰূপে অৱতাৰ গ্ৰহণ কৰি সন্তক পালি, দুষ্টক নাশি ভূমিৰ ভাৰ খণ্ডাব। তেওঁৰ ভাৰ্য্যা সীতাক ৰাৱণে হৰি নিব, সীতাক বিচাৰি অহা অঙ্গদ আদি ৰামসেনাৰ আগত তোমাৰ বৃত্তান্ত বিবৰি ক'লে তোমাৰ 'নৱে কোটি পাখা' পুনৰ গজিব, সকলো দুখ-ব্যথা দূৰ হ'ব।" এই বুলি কৈ ঋষি আশ্ৰমলৈ গুচি গ'ল।[৫৮]

কন্দলীৰ ৰামায়ণৰ সুপাৰ্শ্বৰ বৃত্তান্তটোও মূলতকৈ[৫৯] কিছু ভিন্ন। মূল বাল্মীকি ৰামায়ণ অনুসৰি গৃধ্ৰৰাজ সম্পাতিয়ে সীতা অন্বেষণকাৰী বান্দৰসকলক লক্ষ্য কৰি

৫৭। বাল্মীকি ৰামায়ণ : ৩/৬১/১-১৭
৫৮। মাধৱ কন্দলী : ৰামায়ণ, কিষ্কিন্ধ্যাকাণ্ড, পদ-৩৯৪০-৩৯৫১
৫৯। বাল্মীকি ৰামায়ণ, ৩/৫৯/৮-২২

কৈছে ঃ "মোৰ এনে অৱস্থা দেখি বিহ্‌গপ্ৰৱৰ সুপাৰ্শ্বনামে মোৰ পুত্ৰই যথাসময়ত আহাৰ যোগাই মোক প্ৰৱৰ্ত্তাই ৰাখিছে। এদিনাখন ক্ষুধাৰ্ত অৱস্থাত মোৰ কাৰণে আহাৰ বিচাৰি সূৰ্য্যোদয়ৰ লগে লগে মোৰ পুত্ৰ সুপাৰ্শ্বই ওলাই গৈ কোনো আমিষ আহাৰ সংগ্ৰহ কৰিব নোৱাৰি সন্ধ্যাকালত উভতি আহে। মোৰ আহাৰৰ সংস্থান নোহোৱাৰ কাৰণে মই তিৰস্কাৰ কৰাত মোৰ প্ৰিয় পুত্ৰই মনত বেজাৰ পাই বিনীতভাৱে মোক ক'বলৈ ধৰিলে ঃ "পিতা, যথাসময়ত মই মঙহ বিচাৰি আকাশলৈ উঠো আৰু মহেন্দ্ৰ পৰ্বতৰ দ্বাৰদেশ আগুৰি ধৰি ৰৈ থাকোঁ। এনেতে কৃষ্ণবৰ্ণ পৰ্বতসদৃশ কোনোবা এজনে এগৰাকী ৰমণীক লৈ যোৱা মোৰ চকুত পৰিল। এই প্ৰাণী দুটাকে খাদ্য হিচাপে ধৰি আনিম বুলি স্থিৰ কৰোঁতে সেই পুৰুষজনে বিনীতভাৱে বাট এৰি দিবলৈ মোৰ ওচৰত প্ৰাৰ্থনা জনালেঃ "হে পিতৃ, আপুনি জানেই সকটি হৈ শান্তিপূৰ্ণভাৱে থকাজনক কোনোৱে বধ নকৰে।" তেতিয়া সি তেজোবলে বেগৰ মাত্ৰা বঢ়াই আকাশপথেৰে বেগাই যাব ধৰিলে। আকাশ-পথাবলম্বী সিদ্ধচাৰণাদিযে প্ৰসংসা কৰি মোক ক'লে ভাগ্য গুণে সীতা ৰক্ষা পৰিল, এই পুৰুষজনে ৰমণীগৰাকীক লৈ কোনো প্ৰকাৰে যাব পাৰিলে, তুমি নিশ্চয় অশেষ মঙ্গলৰ অধিকাৰী হ'বা। তাৰ পাছত ঋষি গণে মোক জনালে যে, এইজনেই ৰাক্ষসাধিপতি ৰাৱণ ৰামৰ ভাৰ্য্যা জনকাত্মজা সীতাই শৰীৰৰ পৰা পটবস্ত্ৰ আৰু অলংকাৰাদি সোলোকাই শোকাভিভূত অৱস্থাত ৰাম আৰু লক্ষ্মণৰ নাম উচ্চাৰণ কৰি কান্দি কান্দি মুক্তকেশে গৈ থকা অৱস্থা চাই থাকোঁতে মোৰ সময় অতিবাহিত হ'ল।"

কন্দলী ৰামায়ণৰ সুপাৰ্শ্ব বৃত্তান্তটো এনেধৰণৰ ঃ সদাই সাতঘটি বেলা হ'লে পিতাকক আহাৰ যোগোৱা সুপাৰ্শ্বই এদিন আহাৰ লৈ আহোঁতে 'নৱঘটি' বেলা হ'ল। সুৰ্পাশ্বই সম্পাতিয়ে খাবলৈ 'পঞ্চ গজ শাৰ্দুল কচ্ছপ নাগচয়' লৈ আহিছিল। পিছে পলম হোৱাত অসন্তোষ কৰি সম্পাতিয়ে আহাৰ নোখোৱাত সুপাৰ্শ্বই তেওঁৰ চৰণত ধৰি আহাৰ খাবলৈ অনুৰোধ কৰিলে। সুপাৰ্শ্বই তেওঁৰ বিলম্ব হোৱাৰ কাৰণ দেখুৱাই কলেঃ লংকাৰ ৰাৱণে আকাশৰ পথেৰে ৰামৰ ভাৰ্য্যাক হৰি নিছে। সেই ত্ৰৈলোক্য সুন্দৰীযে আৰ্তৰাব কৰি গৈছে। মই জলচৰ স্থলচৰ প্ৰাণীবোৰ মাটিত পেলাই মহাক্ৰোধে ৰাৱণক খেদি গ'লো আৰু সীতাৰ সৈতে ৰাৱণক ধৰি আনিলোঁ। তেতিয়া ৰাৱণে কাৰুণ্য কৰি কৰযোৰে ক'লে ঃ

সম্পাতিৰ পুত্ৰ তুমি গৰুড়ৰ নাতি।
ব্যাপি আছে জগতক তযেৰ সুখ্যাতি।।
তোমাৰ বংশৰ একো নোহো অপৰাধী।
শত্ৰুৰ ভাৰ্য্যাক নেও কেন মোক ব্যাধি।।

ক্ষত্রি হুয়া ৰামে মোক মাৰি নেউক আসি।
ভাৰ্য্যা কি কৰিবেক তপস্বী বনবাসী ।।[৬০]

তেতিয়া সুৰ্পাশ্বই ৰাৱণক এৰি দিলে। পুতেকৰ বিলম্বৰ কাৰণ জানিব পাৰি বিনা বাক্যব্যয়ে সম্পাতিয়ে আহাৰ গ্ৰহণ কৰিলে। সুৰ্পাশ্ব সম্পৰ্কীয় এই অনু-কাহিনীভাগো মাধৱ কন্দলীয়ে সমসাময়িক লোক সমাজত প্ৰচলিত ৰামকথাৰ পৰা গ্ৰহণ কৰিব পাৰে। বৰ্ণনাভংগীত সমসাময়িক লোকসমাজৰ পৰা লোৱা 'সাতঘটি' বেলা, 'নৱঘটি' বেলা-এইবোৰ প্ৰচলিত সময়ৰ জোখ বা মাপকাঠি মাথোন।

কন্দলীৰ ৰামায়ণত অঙ্গদৰ মুখে ৰামৰ সমস্ত বৃত্তান্ত শুনি সম্পাতিৰ পূৰ্বতে ঋষিয়ে কোৱা কথালৈ মনত পৰিল। পূৰ্বতে অগস্তি ঋষিয়ে সম্পাতিক এইবুলি কৈছিল যে, যেতিয়া সীতা অন্বেষণকাৰী ৰাম সেনাগণ সেই স্থানলৈ আহিব, তেতিয়া তেওঁলোকৰ আগত সম্পাতিৰ এই কাৰুণ্যপূৰ্ণ জীৱনৰ কথা ক'লে নৰ্ব্বে কোটি পাখি গজি সম্পূৰ্ণ হৈ উঠিব। সেয়েহে সম্পাতিয়ে অঙ্গদক প্ৰমুখ্য কৰি কপিগণৰ পৰা সীতা অন্বেষণৰ যাত্ৰাৰ কথা গম পাই ক'লেঃ 'ৰামসেনা হোৱা যেৱে গজিবেক পাখি/নুহি খাইবো সবাকো পৃথিবী হৈবা সাক্ষী'। কন্দলীয়ে লোকৰুচিৰ অনুকূলে সম্পাতিৰ মুখত এনে উক্তি সংযোজনা কৰিছে।[৬১] সম্পাতিৰ ততালিকে পাখি গজিল। পিতাকে সুস্থতা লাভ কৰা দেখি সুপাৰ্শ্বৰ বৰ ৰং লাগিল। সম্পাতিয়ে সুপাৰ্শ্বক 'ৰাম কাৰ্য্য হেলা আপোনাৰ কাৰ্য্য নাই' বুলি কোৱাত সুপাৰ্শ্বই নামি আহি ৰামসেনাক নমস্কাৰ কৰি ক'লে :

"সাগৰ তৰিতে কেহো নকৰিবা শংকা।
পিঠিত ছড়াইয়া সবাহাংকে নিবো লংকা।।[৬২]

সেইমতে সুপাৰ্শ্বৰ পিঠিত সকলো উঠিলত তেওঁ আকাশলৈ উৰা মাৰি লীলাপূৰ্বক উৰি ফুৰিবলৈ ধৰিলে। কপিগণে সুপাৰ্শ্বৰ বল দেখি ধন্য ধন্য মানিলে। তেওঁলোকে সীতাক ৰাৱণে নিয়া কথাবোৰ সঁচা নে মিছা বুলি সোধাত সম্পাতি শিখৰত উঠি লংকালৈ দৃষ্টিপাত কৰি নামি আহিল। 'সত্য স্বৰূপত জানা আমাৰ বচন' বুলি ৰাৱণৰ নগৰীত সীতা বন্দিনী হৈ থকাৰ বৰ্ণনা দিলে। তাৰ পাছত সম্পাতিয়ে লংকাৰ পথ বানৰগণক দেখুৱাই দিলে।

বানৰগণে সুপাৰ্শ্বৰ পিতৃসেৱা আৰু বলবীৰ্য্য প্ৰশংসা কৰাৰ পিছত জাম্বৱন্তই বানৰগণক ক'লে :

৬০। মাধৱ কন্দলী: ৰামায়ণ, কিষ্কিন্ধাকাণ্ড, পদ-৩১৫৫-৬০
৬১। কেশদা মহন্ত: প্ৰাগুক্ত গ্ৰন্থ, ২য় খণ্ড, পৃ ৬২
৬২। মাধৱ কন্দলী: ৰামায়ণ, কিষ্কিন্ধাকাণ্ড, পদ-৩১৭৩

'সম্পাতিৰ কথা কিছু নকৈবা ৰামত।
সীতাৰ বাৰ্তাক পাইলে তাহাৰ মুখত।।
সম্পাতিৰ যশ হইবে আমাসাৰ নাই।[৬৩]

তাকে শুনি বানৰগণে 'ধন্য জাম্বৱন্ত তুমি বুদ্ধিৱন্ত সাৰ' বুলি আৰু অঙ্গদে বৃদ্ধৰ কথা শিৰোধাৰ্য্য কৰিব লাগে বুলি মত দিলে। কন্দলীয়ে ওপৰোল্লিখিত কাহিনী দুটা মূলৰ পৰা বহুখিনি ইফাল-সিফাল কৰি প্ৰাসংগিকভাবে লোক সমাজৰ সহজবোধগম্যতা আৰু লোকমনোৰঞ্জনক প্ৰাধান্য দিছে।

ৰামায়ণৰ সুদীৰ্ঘ কাহিনীভাগৰ হৰ্ষ, বিষাদ, যুদ্ধাদি ঘটনা বৈচিত্ৰ্যৰ মাজতো অসমীয়া কবি মাধৱ কন্দলীয়ে সুবিধা পালেই কৌতুক নকৰাকৈ থকা নাই। হাঁহি, কৌতুক, খুহুতীয়া বৰ্ণনাদি গণহৃদয় আকৰ্ষণৰ মূল আহিলা। কন্দলীয়ে সুন্দৰাকাণ্ডত হনুমন্তৰ লংকাপ্ৰবেশ বৰ্ণনা, লংকাকাণ্ডত কুম্ভকৰ্ণক টোপনিৰ পৰা জগাবলৈ ৰাক্ষসবোৰে কৰা চেষ্টা আদিৰ বৰ্ণনাত লোকজীৱনৰ বৈশিষ্ট্য প্ৰকাশ পাইছে।

হনুমন্তই সুবেলৰ পৰা নামি লংকাপুৰীলৈ যাওঁতে বাটত পোৱা বনসমূহত কন্দলীয়ে নিজাকৈ জোপাচেৰেক থলুৱা গছ ভৰাই দিছে। গধুলি হ'লত তেওঁ নিজ শৰীৰৰে লংকাত সোমালে ধৰা পৰাৰ ভযত নিজৰ গাটো বিড়ালৰ সমান কৰি প্ৰাচীৰৰ উপৰত উঠিল। মূলত হনুমানে লংকাৰ কোনো এটাইত খেলি থকা শিশুৰ কোঢাল শুনিবলৈ পালে বুলি থকা বৰ্ণনাৰ[৬৪] ঠাইত কন্দলীয়ে থলুৱা অসমীয়া বিভিন্ন খেল ভন্টা, মালযুঁজ, ঢোপ, গুৱাল-গুৱালী, দলিযুঁজ আদি খেলৰ নাম উল্লেখ কৰিছে। কন্দলীৰ ৰামায়ণত হনুমন্তই লংকানগৰী পাত পাত কৰিছে। হনুমানে মূৰ তুলি অশোক বনখন দেখিবলৈ পাই সীতাক বিচাৰি যোৱাৰ কথা কন্দলীৰ নিজা সংযোজনা। কন্দলীয়ে ৰামায়ণৰ কাহিনীভাগৰ অলৌকিকতাক লৌকিকতাৰ পৰ্য্যায়লৈ নমাই আনিবলৈ চেষ্টা কৰিছে।

সুন্দৰাকাণ্ডত হনুমানে সৌৰাষ্ট্ৰ দেশৰ ব্ৰাহ্মণৰ ৰূপ ধৰি মধুবনত প্ৰবেশ কৰাৰ বৰ্ণনাও মাধৱ কন্দলীৰ অভিনৱ সৃষ্টি। কন্দলীৰ ৰামায়ণত সীতাই হনুমন্তক 'অভিজ্ঞান বৃত্তান্ত' দুটা কোৱাৰ পাছত হনুমন্তই 'কিছু বস্তু আছে দিয়া যাওঁ খাই' বুলি খোৱা বস্তু খুজিলে। তেতিযা সীতাই তেওঁক এটা মধুফল দিলে। তাকে খাই হনুমন্তই 'আঠ গুণ প্ৰাণ আতি, দশ গুণ তেজ বল' হৈ পৰিল। হনুমন্তই সেই ফল ক'ত পায় বুলি সীতাক সুধিলে। তেতিয়া সীতাই ক'লে ঃ ইটো মধুফল কথা, তোমাৰ কহিব বাপ, সৰ্বকাৰ্য্য কৰিবে বিনাশ' ঃ কাৰণ তাৰ একোজোপা গছ কৌটি ৰাক্ষসে ৰখি

৬৩। উক্ত গ্ৰন্থ, পদ-৩৯৮৭
৬৪। বাল্মীকি ৰামায়ণ (গৌড়ীয় পাঠ) ৫/১০/৯৩

থাকে। সকলো ৰাক্ষসে মিলি হনুমন্তক মাৰি পেলাব আৰু তেতিয়া 'ৰামে তৈত্ত বাতৰি নাপাইব'। তাৰ পিছত সীতাই হনুমন্তক ৰামক দেখুৱাবলৈ মণিটো দিলে। হনুমন্তই সীতাক আশ্বাস বাণী শুনাই তাৰ পাছত ক'লে : 'আপোন পৌৰুষ বলে, প্ৰকাশ কৰিয়া যাইবো, ৰাৱণক সন্দেশক দিয়া'। তাৰ পিছত হনুমন্তই ভাবিলে :

এহি বুলি হনুমন্তে কতো দূৰ গৈলা পাছে
ঘনে ঘনে গুণন্ত মনত।
একাৰ্য্যক লাগি আসি অনেক কাৰ্য্যক কৰে
সেহি যে উত্তম হোৱে দূত।।
ৰণত হৰিষ মোৰ হাত পাৱ চুলকাৱে
কণ্ডু আতি কৰে নিৰন্তৰ।
লংকা নগৰীত পশি খলমলি লগাই পাছে
চৰণ প্ৰণামো ৰাঘৱৰ।।
মোৰ বল মহিমাক নজানি জানকী মাৱে
মনে অতি কৰন্ত সংশয়।
তাহান আগত মই একামায়া ধৰি আজি
যেন মতে যাহন্ত প্ৰত্যয়।।
এহি গুণি হনুমন্তে তেখনে সীতাৰ আগে
ধৰিলন্ত ব্ৰাহ্মণৰ বেশ।
হাতত কৰন্ডি কুশ চৰবি খোখৰা ছাতি
শন পাঞ্জি হেন ভৈল কেশ।।
আপোন লাঙুল তান কান্ধৰ লগুণ ভৈল
জক জক কৰে ফোট দান্ত।
থিৰ নাযায় হাত ভৰি বৃদ্ধ ব্ৰাহ্মণৰ বেশ
দেখি সীতা হাসি তুলিলন্ত ।।[৬৫]

এইদৰে হনুমন্তই সীতাৰ ওচৰত নিজৰ মহিমা দেখুৱা উদ্দেশ্যটো মূলত নাই। হনুমন্তই সীতাৰ সন্মুখতে এক অভিনৱ ব্ৰাহ্মণৰ বেশ ধাৰণ কৰিলে, যিটো দেখি দুখত কাতৰ হৈ থকা সীতাদেৱীৰ হাঁহি নুঠাকৈ নাথাকিল। হাত-ভৰি থৰক-বৰক কৰা বৃদ্ধ ব্ৰাহ্মণৰূপী হনুমন্তক দেখি সীতাই হাঁহি মাৰি হনুমন্তৰ প্ৰতি সন্তুষ্ট হৈ ক'লেঃ 'লংকাৰ চৌৰাশী হাটী, ঘৰে ঘৰে ফুৰি আস, ৰাক্ষসেনো কি কৰিব তোক'।[৬৬] হনুমন্তই ৰাৱণৰ ওৱাৰিত প্ৰবেশ কৰি কলৈগেঃ 'মই সৌৰাষ্ট্ৰ দেশৰ ব্ৰাহ্মণ, কালিৰ একাদ

৬৫। মাধৱ কন্দলী : ৰামায়ণ, সুন্দৰকাণ্ড, পদ-৪৩৪৪-৪৬
৬৬। প্ৰাগুক্ত গ্ৰন্থ, পদ-৪৩৪৭

শীৰ লঘোণত মই ৰ'ব নোৱাৰা হৈছোঁ, এটি মধুফল খাই ৰজাৰ আগত বেদ পঢ়ি যাওঁ। হনুমন্তই লাখুটিত ভৰ দি বাৰীত সোমাল আৰু গোটেইখন অশোক বনকে নিজৰ কৰি ৰাম-লক্ষ্মণ আদিলৈ কিছু কিছু আগবঢাই নিজে মহতিয়াই খাবলৈ আৰম্ভ কৰিলে। মধুফল খায়ে সন্তুষ্ট নাথাকি সযতনে ৰখা বাৰীখন খেকাৰ, শেঙ্গুন, মুল-পুৰিযেৰে নষ্ট কৰাত লাগিল।

মূলত বাল্মীকিযে চাৰিটা শ্লোকত মধুবন দলন কৰা বৰ্ণনা দিছে আৰু শেষত লিখিছে ঃ

ন ৰভৌ তদ্বনং তত্র দাবানলহতং যথা।
ব্যাকুলাবৰণা ৰেজুঃ বিহ্বলা ইৱ তা লতাঃ।।[৬৭]

অৰ্থাৎ বনে পোৰা জুযে ধ্বংস কৰা দৰে সেই বন (মধুবন) শোভাহীন হ'ল আৰু লতাবোৰে স্খলিত বসনা বিহ্বলা নাৰীৰ দৰে বিৰূপ ধাৰণ কৰিলে। কিন্তু কন্দলীৰ ৰামাযণত বিশ্বকৰ্মাই নিমাৰ্ণ কৰা ৰাৱণৰ অতি প্ৰিয মানিক সুবৰ্ণ থান মধুবন খনিৰ ধ্বংসৰ বৰ্ণনা অতি আকৰ্ষণীয আৰু স্বকীয়ভাৱে পৰিবেশন কৰিছে।

কৌতুকপূৰ্ণ হাস্যজনক আৰু আকৰ্ষণীয় দৃশ্য দেখিবলৈ পোৱা যায যেতিয়া হনুমন্ত ৰাক্ষস সেনাৰ সৈতে যুদ্ধত প্ৰবৃত্ত হয। ইন্দ্ৰজিৎৰ সৈতে যুদ্ধত হনুমন্তই আপুনি বান্ধ ল'লে। ইযাৰ উদ্দেশ্য অন্য নহয় ঃ

"বন্দী হয়া কৌতুকে ৰাৱণা আগে যাইব।
নগৰৰ নৰনাৰী মোক বেৰি চাইব।।
তেবেসে কৌতুক আমি পাইবোহো বিস্তৰ
এহি বুলি বন্ধন লৈলন্ত কপিবৰ।।[৬৮]

হনুমন্তই মৰা ভাও জুৰিলে। ৰাক্ষসবোৰে হনুমন্তক বান্ধি সাঙ্গিত কৰি তুলি ল'লে। হনুমন্তক কোনে মাৰিলে তাকে কৈ গৌৰববোধ কৰিলে এইদৰে ঃ

"কেহো বোলে বানৰ মাৰিলে মোৰ ভাই।
কেহো বোলে মাৰিলেক খুৰত সোমাই ।।[৬৯]

ৰাক্ষসবোৰে দাহৰ জোখেৰে হনুমন্তক প্ৰহাৰ কৰিলে ঃ

ঘঘ্ৰায়া পিসায়া লোটাযা থেথলায়া।

৬৭। বাল্মীকি ৰামায়ণ, ৫/৪১/১৬-১৯
৬৮। মাধৱ কন্দলী ঃ ৰামায়ণ সুন্দৰাকাণ্ড, পদ-৪৪৫৭
৬৯। উক্ত গ্ৰন্থ, পদ- ৪৪৬৩

সাঙ্গি বাৰি বান্ধিয়া কান্ধত তুলি লৈয়া ।।[৭০]

এইদৰে নি হনুমন্তক ৰাৱণৰ আগত পেলালেগৈ। তেতিয়া মৰাৰ ভাও জুৰি যোৱা হনুৱে লাহেকৈ মূৰ দাঙি সভাখন চাই ল'লে। ৰাৱণৰ প্ৰশ্নোত্তৰত হনুৱে ক'লে : 'মই লংকা নগৰখন চাবলৈ নিজ ইচ্ছামতেহে আহিছিলোঁ। তলৰ বানৰ জাতি, ৰজাৰ মুখখনি চাবলৈ বৰ ইচ্ছা আছিল এয়ে মোৰ অপৰাধ। মোৰ প্ৰাণ ৰক্ষা নপৰা যেন দেখিহে ৰাক্ষস মাৰিলোঁ। আততায়ী হ'লে ব্ৰাহ্মণকো মাৰিব পাৰি এয়ে শাস্ত্ৰৰ বিধান'। এইবাৰ ৰাৱণ ক্ৰোধত জ্বলি উঠি আকৌ সুধিলে। উত্তৰত হনুমন্তই ক'লে যে তেওঁ শ্ৰীৰামচন্দ্ৰৰ দূত। সুগ্ৰীৱ ৰজাই কৈ পঠাইছে, যে, ৰাৱণে সসন্মানে সীতাক ৰামৰ হাতত সমৰ্পণ কৰিব লাগে। নহ'লে বিষময় পৰিণতি হ'ব। হনুমন্তৰ উত্তৰত ৰাৱণ ক্ৰোধত জ্বলি জাজ্বল্যমান হৈ ইন্দ্ৰজিতক হনুমন্ত বধৰ আজ্ঞা দিলে। বিভীষণৰ কথাত দূতৰ প্ৰাণদণ্ড যিহেতু নিষিদ্ধ সেয়ে হনুমন্তৰ প্ৰাণ ৰক্ষা পৰিল।

কিন্তু হনুমন্তক উপযুক্ত শাস্তি হিচাপে নেজত জুই লগাই দিবলৈ দিয়া হয়। হনুমন্তৰ নেজত জুই দিয়াৰ কাহিনী বাল্মীকি ৰামায়ণতো আছে।[৭১] এই কাহিনীটোত মাধৱ কন্দলীয়ে অবাল্মীকীয় কথা সংযোগ নকৰাকৈ থকা নাই। কন্দলীৰ বৰ্ণনামতেঃ

> ৰাজাৰ বচনে ভণ্ডাৰৰ বস্ত্ৰ আনি।
> বানৰাৰ লাঙ্গত বান্ধিয়া টানি।।
> কাপোৰ নোজোৰে তৈল সবে ভৈল ক্ষয়।
> পুনু পুনু মাৰুতিৰ লাঙ্গুল বাঢ়য়।।[৭২]

এইদৰে হনুমন্তই মায়াৰ বলত নেজ দীঘল কৰি নিয়াত তাত মেৰিয়াই যাওঁতে ৰাজভাণ্ডাৰৰ সকলো কাপোৰ শেষ হ'ল। তেতিয়া ৰাৱণে ভণ্ডাৰীক সহস্ৰ কন্যাৰ ভিতৰত মুখ্য পটেশ্বৰী মন্দোদৰী ওচৰলৈ গৈ কন্যাগণৰ বস্ত্ৰ লৈ আহিবলৈ আদেশ দিলে মন্দোদৰীয়ে "আবেসে জানিলো ছন্ন ভৈল লংকাৰাজ' বুলি উপলব্ধি কৰিলে যদিও ৰজাৰ ভয়ত সকলো বস্ত্ৰ ভণ্ডাৰীৰ হাতত দি পঠালে। সেইখিনি কাপোৰেও নোজোৰাত ৰাৱণে সীতাক ৰখি থকা ৰাক্ষসীবিলাকৰ আৰু লগতে সীতাৰো বস্ত্ৰ লৈ আহিবলৈ আদেশ দিলে। সীতাৰ বস্ত্ৰ আনিবলৈ যোৱা বুলি শুনি হনুমন্তই 'দীঘল লাঙ্গক তান টুটাইলক আতি'। তেতিয়া যেনে তেনে তেলেৰে আধা বস্ত্ৰ তিতিলতে হনুমন্তৰ নেজত জুই লগাই দিয়া হ'ল।' উল্লিখিত কাহিনীভাগৰ কথাখিনি মূল বাল্মীকি ৰামায়ণত পোৱা নাযায়।

৭০। উক্ত গ্ৰন্থ, পদ-৪৪৬৫
৭১। বাল্মীকি ৰামায়ণ, ৪৪৬৫/৫৩/১-৪০
৭২। মাধৱ কন্দলী : ৰামায়ণ, সুন্দৰাকাণ্ড, পদ-৪৪৯৬

মাধৱ কন্দলীয়ে কাহিনীৰ মাজে মাজে প্ৰাসংগিকভাৱে চৰিত্ৰ আৰু অৱস্থা দুয়োটাকে লোকৰুচি অনুসৰি প্ৰকৃষ্ট ৰূপত বৰ্ণনা কৰি জনমানসৰ আকৰ্ষণ বঢ়াইছে। কপিসৈন্যৰ মধুফল ভক্ষণ আৰু দধিমুখৰ লগত যুদ্ধ প্ৰসংগত সুগ্ৰীৱৰ মোমায়েক দধিমুখৰ অৱস্থাই হাস্যৰসৰ সৃষ্টি কৰিছে। দধিমুখে নিজে নিজৰ অৱস্থাৰ কথা স্বীকাৰ কৰিছে ঃ

"আগবাঢ়ি অঙ্গদে আমাক ধৰি নিল।
ভূমিত পেলায়া মোক হিয়াত বসিল।।
চৰৰৰ চোটে মোৰ গাল ভাঙ্গিলন্ত।
হেৰা চাহিয়োক গোটে গোটে সবে দান্ত ।।[৭৩]

অত্যন্ত বিষাদৰ মাজতো ৰাম-লক্ষ্মণেও দধিমুখৰ অৱস্থা দেখি হাঁহিছিল ঃ

"শ্ৰীৰাম লক্ষ্মণ তথা আছন্ত দোভাই।
অনেক হাসিলা সবে মোৰ মুখ চাই ।।[৭৪]

এইদৰে কুম্ভকৰ্ণৰ নিদ্ৰাভংগৰ বৰ্ণনাও লোকাযত সমাজৰ সমলৰে সমৃদ্ধ। ৰাৱণে ৰামৰ সৈতে যুঁজি হতাশ হৈ ভায়েক কুম্ভকৰ্ণক ছমহীয়া টোপনিৰ পৰা জগাবলৈ ৰাক্ষসবোৰক আজ্ঞা কৰিলে আৰু ভোজন সম্ভাৰ লৈ যাবলৈ ক'লে। ৰাক্ষসগণ কুম্ভকৰ্ণ থকা ঘৰত সোমাবলৈ যাওঁতেই কিছুমান নাকৰ বা লাগি উৰি গ'ল। কিছুমানে বেৰৰ মুঠাতে ধৰি তম্ভি ৰ'ল আৰু যি পিনে নাকৰ বা বলা নাছিল সেইপিনে গা কাটি কৰি সোমাল। কুম্ভকৰ্ণৰ ভোজন সম্ভাৰৰ বৰ্ণনাও এনেধৰণৰ ঃ

"ডেকা পৰ্বতৰ সমান বাঢ়িল
অন্ন ব্যঞ্জনৰ মিঠা।
মেৰুৰ সমান চৰাব কৰিয়া
খৰিকা জহাৰ পিঠা।।
মহিৰ বৰাহ ছাগল মাৰিয়া
থৈলা দৌলা দৌলি কৰি।
কৌটি অসংখ্যাত ডাঙৰ কলস
মদ্য ৰুধিৰক ভৰি।।[৭৫]

উল্লিখিত খাদ্য-সম্ভাৰ সজাই দেৱাংগ বসন পিন্ধাই, চন্দন আৰু পুষ্পমালাৰে বিভূষিত কৰি ৰাক্ষসবোৰে চাৰিওপিনে বেৰি মহাৰোল কৰিলে। বাবহেজাৰ ৰাক্ষসে

৭৩। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰাকাণ্ড, ৪৬৩৭
৭৪। উক্ত গ্ৰন্থ, পদ-৪৬৪৬
৭৫। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৫৪২২

চিঞৰিলে, ঢোল আদি বাদ্য বজালে, হাজাৰ হাতীয়ে গাত দাঁত ভিৰি নাদ কৰিলে, ঘোঁৰাই চিঞৰিলে, চিঞৰত ৰাক্ষসৰ গল ফাটি গ'ল। কিন্তু কুম্ভকৰ্ণৰ টোপনি নাভাগিল। বৰঞ্চ টোপনিৰ বাগৰহে সলালে। আকৌ কুম্ভকৰ্ণক দুনাই গদা মুদ্গৰেৰে কোবালে, বুকুত উঠি লঠিয়ালে, নাকত পাঁচশ কলহকৈ পানী ঢালিলে। অনেক ৰাক্ষসে চুলি আজোৰে, নাক পকায়, কাণত কামোৰে, ঘুকুটি, লাঠি আৰু কিল মাৰে, তেতিয়াও কুম্ভকৰ্ণই সাৰ নেপায়। ৰাক্ষসবোৰ হতাশ হ'ল। ইয়াৰ পিছত নিজ সময়তে কুম্ভকৰ্ণ সাৰ পাই উঠিল। ৰাক্ষসবোৰে ৰক্ষা পাই ভোজন সম্ভাৰ আগত দিলে। পিছে আটাইবোৰ খাদ্য সাত-আঠ গ্ৰাসত খাই শেষ কৰিলে। মদ, তেজ আৰু পানী ষাঠি কলহ খালে, ম'হ, বৰা, ছাগলী আদিৰে আধা পেট ভৰালে।[৭৬]

এনেধৰণৰ বিসদৃশ অৱস্থাৰ বৰ্ণনা বাল্মীকি 'ৰামায়ণ'ত পোৱা নাযায়। কন্দলীয়ে সাধাৰণ লোকসমাজক অব্যাৰ্থ কৰিবৰ কাৰণে এনেদৰে কাহিনীভাগৰ মাজত লোক জীৱনৰ সমল নিহিত থকা হাস্যজনক পৰিস্থিতিৰ উদ্ভাৱন কৰিছে।

লংকাকাণ্ডত বৰ্ণিত সীতাৰ অগ্নি পৰীক্ষা আৰু তৎপূৰ্ব ঘটনা বাল্মীকি আশ্ৰিত যদিও কন্দলীযে তাৰ মাজতে অধিক উজ্জ্বল কৰিবলৈ চেষ্টা কৰিছে। সীতাক শিবিকাৰ পৰা নমাই ৰামৰ ওচৰলৈ আনোতে সীতাক সম্মুখত দেখা পাই ৰামৰ ক্ৰোধ আৰু বেজাৰৰ মানসিক সংকট বাল্মীকিয়ে স্পষ্টভাৱে বৰ্ণনা কৰা নাই। বৰং সীতাক সম্মুখত দেখি নিষ্ঠুৰভাৱে পত্নীক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি য'লৈকে ইচ্ছা ত'লৈকে যাব কৈছে।[৭৭] কন্দলী কিন্তু ইমান নিষ্ঠুৰ হ'ব পৰা নাই। তেওঁ ৰামৰ মানসিক অৱস্থা বৰ্ণনা কৰি উল্লেখ কৰিছে :

"সীতাক দেখিয়া ৰাম অন্তৰ্গতে স্নেহ।
ক্ষণে সকৰুণ ক্ষণে নিকৰুণ দেহ।।
দুঃখ দেখি ৰামৰ চক্ষুৰ পৰে পানী।
ক্ৰোধ কৰি পুনঃ তাক ধৰে টানি টানি।।
ধৰন্তে ধৰন্তে লোহ ধৰণ নাযায়।
শোক দুখ ক্ৰোধ সব ভৈল এক ঠাই ।।[৭৮]

কন্দলীৰ মানসিক অৱস্থা চিত্ৰণ অধিক বাস্তৱ আৰু সজীৱৰূপে প্ৰকাশ পাইছে, মহাকবি এই ক্ষেত্ৰত প্ৰায় নীৰৱ।

মাধৱ কন্দলীয়ে অসমীয়া ৰামায়ণক আধ্যাত্মিক কাব্যৰ পৰিবৰ্তে লৌকিক ৰূপ

৭৬। মাধৱ কন্দলী : ৰামায়ণ, লংকাকাণ্ড, পদ-৫৪৩২
৭৭। বাল্মীকি ৰামায়ণ, ৫/১৫০/১৭-২১
৭৮। মাধৱ কন্দলী : পূৰ্বোক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৬৪৯৪

দিব বিচৰা অন্যতম প্ৰধান সাক্ষী হৈছে ৰামায়ণৰ কাহিনী ভাগত প্ৰতিফলিত ৰামৰ বনবাসৰ কাৰণ আৰু গুৰুত্ব । মাধৱ কন্দলীৰ ৰামায়ণত ৰামৰ বনবাস ৰাজ-আজ্ঞাৰূপেহে ৰূপায়িত হৈছে। মূলৰ দৰে পৰম ধৰ্ম পালনত কন্দলীয়ে গুৰুত্ব দিয়া নাই । বাল্মীকি ৰামায়ণত ৰামে পিতৃ বচন সত্যত পৰিণত কৰি পৰম ধৰ্ম আচৰণ কৰিব খুজিছে। কন্দলীৰ ৰামায়ণত কৈকেয়ীয়ে ৰামক 'ৰাজাৰ আদেশ ভৈল চলি যাইযো বন' বুলি ৰাজ আজ্ঞা শুনাইছে। ৰামে কৌশল্যাকো গৈ কৈছেঃ 'ৰাজাৰ আদেশে আজি চলি যাইবো বন'। আনকি লগত যাবলৈ ওলোৱা কৌশল্যাক বিৰত কৰিবলৈকো ৰামে কৈছে 'তোমাৰ আমাৰ নৃপতিসে অধিকাৰী'।।

সেয়েহে কন্দলী ৰামায়ণত ৰামে সীতাক এৰি যাবলৈ 'গলে শিলা বান্ধি সাগৰে জাম্প' দিয়াৰ অৱস্থাত পৰিছিল। মূলত সীতাই যিখিনি কথা কৈ ৰামৰ লগত যাবলৈ বিচাৰিছিল, তাৰ বিপৰীতে কন্দলীৰ ৰামায়ণত সীতাই এই বুলিহে কামনা কৰিছে।

"বিবিধ পুষ্পিত বন সুগন্ধি নিশেষ ।
সমুচিত ক্ৰীড়া স্থান কুঞ্জৰ বিশেষ।
কামে সমে ৰতি যেন কৰিবো অশেষ।।"[৭১]

এইদৰে মাধৱ কন্দলীয়ে ৰাজপুত্ৰ-ৰাজকন্যা বা অন্যান্য পাত্ৰ-পাত্ৰীৰ মনবোৰ স্বতন্ত্ৰীয়াকৈ জুমি চাই ৰামায়ণৰ কাহিনীভাগত বিভিন্ন প্ৰংসগত খাজ খুৱাই মানৱ সুলভ অনুভূতিৰে ৰূপ দিবলৈ চেষ্টা কৰাৰ ফলত মূল বাল্মীকি ৰামায়ণৰ আধ্যাত্মিক কাব্যয়ো অসমীয়া ৰামায়ণত উপাদেয় লৌকিক কাব্যৰূপে পৰিণত হৈছে। সেয়েহে অসমীয়া ৰামায়ণৰ বুকুত লোকায়ত জীৱনৰ বিভিন্ন উপাদান সন্নিবেশিত হৈছে, যাৰ ফলত অসমীয়া ৰামায়ণে সমসাময়িক লোকজীৱনৰ সমাজ বুৰঞ্জীত তথ্য বহন কৰিবলৈ সমৰ্থ হৈছে।

৭১। মাধৱ কন্দলী: ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৮৫১

।। পঞ্চম অধ্যায়।।

মাধৱ কন্দলীৰ ৰামায়ণৰ চৰিত্ৰ চিত্ৰণত লোকায়ত সমল

অনুবাদৰ প্ৰসংগত মাধৱ কন্দলীয়ে সততে বাল্মীকি ৰামায়ণৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিলেও চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত সেইসময়ৰ সমাজ জীৱনৰ আচৰণৰ প্ৰতি সচেতন হৈ তেওঁ বাল্মীকিৰ চৰিত্ৰক আদৰ্শাত্মক স্তৰৰ পৰা কিছু পৰিমাণে লোকায়ত স্তৰলৈ নমাবলৈ প্ৰয়াস কৰিছে। কাব্যৰ সক্ৰিয়তা আৰু পূৰ্ণতাৰ বাবে বৈচিত্ৰ্যপূৰ্ণ চৰিত্ৰ সৃষ্টি অতিকে প্ৰয়োজনীয়। বৈচিত্ৰ্যপূৰ্ণ চৰিত্ৰসৃষ্টিৰ বাবে কাব্যকাৰৰ অৰ্ন্তদৃষ্টিৰ সূক্ষ্মতাৰ যিদৰে আৱশ্যক সেইদৰে বাহ্যস্বৰূপৰ নিৰীক্ষণ আৰু প্ৰত্যক্ষকৰণৰো বিশেষ আৱশ্যক।[১] মাধৱ কন্দলীয়ে সূক্ষ্ম পৰ্য্যবেক্ষকৰ ভূমিকাৰে সমসাময়িক সমাজৰ লোক জীৱনক নিৰীক্ষণ কৰি মানৱীয় অনুভূতিৰে ৰামায়ণৰ চৰিত্ৰসমূহ অংকণ কৰিছে। সেযেহে অসমীয়া কবিজনাই মূল উৎসৰ চৰিত্ৰসমূহৰ মাজত সুকণ্ঠা পালেই অভিনৱত্ব আৰোপ কৰি চৰিত্ৰসমূহক পাঠক-শ্ৰোতাৰ সহজবোধ্য স্তৰলৈ নিবলৈ সক্ষম হৈছে। ইয়াৰ পৰিণতিত এনে চৰিত্ৰসমূহৰ মাজতে লোকজীৱনৰ বিভিন্ন উপাদানে ভুমুকি মৰা দেখা যায়।

মূল বাল্মীকি ৰামায়ণৰ প্ৰধান চৰিত্ৰাৱলী, যেনে— ৰাম, সীতা, দশৰথ, কৌশল্যা, কৈকেয়ী, ভৰত, লক্ষ্মণ আদিৰ ব্যৱহাৰ-আচৰণ আৰু কাৰ্য্য সম্পূৰ্ণ মানৱীয় স্তৰতে চিত্ৰিত হৈছে। সেইদৰে কিষ্কিন্ধ্যাৰ বালী, সুগ্ৰীৱ, তাৰা আদিৰ কাৰ্য্যাৱলীত মানৱীয় দোষ-ত্ৰুটি আৰু গুণেৰে সমৃদ্ধ, তেওঁলোকৰ কথা-বাৰ্তা আৰু আচৰণত বানৰৰ পৰিবৰ্ত্তে মানৱৰ চাৰিত্ৰিক বৈশিষ্ট্যহে প্ৰকটিত হৈছে। 'ৰামায়ণ'ৰ চৰিত্ৰাৱলীক জটিল আৰু সংকটময় পৰিস্থিতিত পেলাই, নৈতিক আদৰ্শৰ সম্মুখীন কৰি প্ৰত্যয়শীল ৰূপত বাল্মীকিয়ে শ্ৰোতা আৰু পাঠকৰ আগত দাঙি ধৰিছে।[২]

মাধৱ কন্দলীয়ে মূল ৰামায়ণৰ আদৰ্শক সশ্ৰদ্ধভাৱে ৰক্ষা কৰিও ৰামায়ণৰ চৰিত্ৰাৱলীক মূলৰ আদৰ্শৰ পৰা বিচ্যুত নকৰাকৈ চৰিত্ৰসমূহক সমসাময়িক লোক সমাজৰ আদৱ-কায়দাৰে উপস্থাপন কৰিবলৈ চেষ্টা কৰিছে। ফলত চৰিত্ৰসমূহ মূল বাল্মীকি ৰামায়ণতকৈ অসমীয়া ৰামায়ণত সহজবোধ্য আৰু আকৰ্ষণীয় হৈছে।

১। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু : অসমীয়া ৰামায়ণ সাহিত্য, পৃ -৫৩

২। সত্যেন্দ্ৰ নাথ শৰ্মা, ৰামায়ণৰ ইতিবৃত্ত, পৃ-৫৬-৫৭

মাধৱ কন্দলীৰ ৰামায়ণৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰি মূল বাল্মীকি ৰামায়ণৰ চৰিত্ৰাৱলীৰ লগত তুলনা কৰি চালেই অসমীয়া কবিজনাই আৰোপ কৰিব বিচৰা লোকসমলসমূহ প্ৰতিধ্বনিত হয।

ৰাম ঃ ৰামাযণৰ নাযক চৰিত্ৰ ৰাম। বাল্মীকি ৰামায়ণৰ ৰাম চৰিত্ৰ আদৰ্শাত্মক, গাম্ভীৰ্য্যপূৰ্ণ, অহংকাৰ শূণ্য আৰু বিনযৰ প্ৰতিমূৰ্ত্তি স্বৰূপ। কিন্তু কন্দলীয়ে মূল ৰামাযণৰ ৰাম চৰিত্ৰত আদৰ্শ ৰক্ষিত কৰিও চৰিত্ৰটিৰ কাৰ্য্যকলাপ মূলতকৈ কিছু পৰিমাণে স্বাভাৱিক আৰু বাস্তৱধৰ্মী কৰি তুলিছে।

মূল ৰামাযণৰ মতে অভিষেকৰ দিনা দশৰথে বৃদ্ধ সাৰথি সুমন্ত্ৰৰ জৰিয়তে ৰামক কৈকেযীৰ ভৱনলৈ মাতি পঠাইছে। সমুজ্জ্বল সূৰ্য্যসদৃশ নিজ তেজোবলে দীপ্তিমান ৰামচন্দ্ৰক দেখা পাই স্তুতিবন্দনাভিজ্ঞ সুমন্ত্ৰই কৃতাঞ্জলিপুটে মিনতি কৰি তেওঁৰ প্ৰসন্নবদন দেখি সুখশয্যাশাযী অৱস্থাতে ৰজাৰ আদেশ নিবেদন কৰি ক'ব ধৰিলে, "ৰাম, আপোনাক পুত্ৰ হিচাপে পাই কৌশল্যাদেৱী পৰম ভাগ্যৱতী হৈছে, এতিযা মহিষী কৈকেযীৰ সৈতে ৰজাই আপোনাক চাবলৈ ইচ্ছা কৰিছে, এতেকে বিলম্ব নকৰি শীঘ্ৰে তালৈ আহক।" সুমন্ত্ৰৰ কথা শুনি ৰামচন্দ্ৰই ৰাজাজ্ঞা শিৰোধাৰ্য্য কৰি "সৰ্বকাৰ্য্যকুশলা মাতা কৈকেযীযে মঙ্গল কামনা কৰিয়েই সম্ভৱতঃ মোৰ কাৰণে পিতাক কোনো কামত অনুপ্ৰেৰিত কৰিছে" বুলি ভাবি অলপো পলম নকৰাকৈ তেওঁ কৈকেযীৰ ভৱনলৈ যাত্ৰা কৰিছে। পিতৃভৱনত প্ৰৱেশ কৰি ৰামে দেখিলে যে, তেওঁৰ পিতৃদেৱ, কৈকেযীৰ সৈতে বিষন্নবদনে দীনভাৱে বহি আছে, তেওঁৰ মুখ শুকান। অশ্ৰুপূৰ্ণ নেত্ৰে দীনভাবাপন্ন ৰজা দশৰথে 'ৰাম' এই বুলি কৈ উঠিযে পুনঃ তেওঁৰ পিনে চাব বা আন কোনো কথা ক'ব নোৱৰা হ'ল। ৰজাৰ অভাৱনীয় শোক দেখি ৰাম আচম্বিত হ'ল ঃ "পিতাই মোক দেখি আনন্দ প্ৰকাশ নকৰাকৈ আছে কিয়, বিশেষকৈ আজিৰ দিনত"। তেতিযা ৰামে শোকাভিভূত হৈ দীনভাৱে ম্লানবদনে প্ৰণাম কৰি কৈকেয়ীক সুধিলে ঃ

> "মাতঃ, অজ্ঞানতা হেতু মই পিতৃদেৱৰ ওচৰত কোনো অপৰাধ কৰিছো নেকি যাৰ বাবে তেওঁ কুপিত হ'ব পাৰে? আপুনি অনুগ্ৰহ কৰি মোৰ হকে কওক তেওঁ যেন প্ৰসন্ন হয়। যদিহে ৰজা কুপিত হৈছে তেন্তে তেওঁক অসন্তুষ্ট কৰি অথবা তেনে এজন পিতৃদেৱৰ অবাধ্য হৈ মুহুৰ্ত্তকাল পৰ্য্যন্ত জীয়াই থকাটো মোৰ ইচ্ছা নহয়। অথবা আপুনিয়েই কি অভিমান হেতু খঙতে মোৰ পিতৃদেৱৰ প্ৰতি কোনো কৰ্কশ কথা প্ৰযোগ কৰিছে নেকি যাৰ বাবে পিতাই মনত বেজাৰ পাইছে। হে দেৱী! মই কাবৌ কৰিছোঁ, মনুজাধিপ মোৰ পিতৃদেৱত

এই অভূতপূৰ্ব বিকাৰৰ ভাব কিয় দেখা গৈছে, মোক কওঁক।[৩]

ৰামে এইদৰে কোৱাত কৈকেয়ীয়ে লাজ-মানলৈ ভ্ৰূক্ষেপ নকৰি নিজ স্বাৰ্থৰ পিনে লক্ষ্য কৰি ৰজাৰ পূৰ্ব-প্ৰতিশ্ৰুত বৰ দুটাৰ কথা ক'লে আৰু সেই প্ৰতিজ্ঞা ৰক্ষা কৰিবলৈ অসমৰ্থ হৈ ৰজাই সাধাৰণ মানুহৰ নিচিনাকৈ অনুতপ্ত হৈছে বুলিও ক'লে।

কৈকেয়ীৰ কথা শুনি ৰামে ব্যথিত চিত্তে ৰজাৰ সন্মুখতে তেওঁক ক'ব ধৰিলে ঃ "দেৱী, মোত ধিক। আপুনি এইদৰে কোৱাৰ কোনো প্ৰয়োজন নাই। ৰজাই আদেশ দিলে মই অগ্নিত প্ৰৱেশ কৰিবলৈকো সাঁজু আছো। যদি মোৰ হিতাকাঙ্ক্ষী পিতৃদেৱ ৰজাই আদেশ দিয়ে তেন্তে মই দাৰুণ গৰল পান কৰিব পাৰো, আনকি সাগৰতো জাপ দিব পাৰোঁ। এতেকে হে দেৱী। পিতৃদেৱে কি ইচ্ছা কৰিছে আপুনি কওক। মই প্ৰতিজ্ঞা কৰি কৈছোঁ মই তাকেই কৰিম, ৰামে নিজে কোৱা কথাৰ বিপৰীতে দ্বিতীয় আন কথা ক'ব নাজানে"।[৪]

মূলত ৰামে অতি বিনয়পূৰ্বক কথাৰে পিতাকৰ ইচ্ছা পূৰণ কৰিবৰ বাবে যি কৰিব লাগে তাকে কৰিবলৈ তেওঁ প্ৰস্তুত থকাৰ কথা ব্যক্ত কৰে। ৰামৰ এই উক্তিত দম্ভ নাই। আত্মশ্লাঘাও নাই, বৰং পিতৃভক্তিত আপ্লুত পুত্ৰৰ আবেগ-অনুভূতিহে প্ৰকাশ পাইছে। ইয়াৰ বিপৰীতে মাধৱ কন্দলীৰ ৰামে কৈছে ঃ

বাপৰ ইন্দ্ৰক প্ৰতি ভৈল ক্ৰোধ মন।
বান্ধিয়া আগত আনি দিবো এতিক্ষণ।।
দশ দিক্‌পাল পুৰ খোজা নৃপবৰ।
বশ্য কৰি দিবো আজি ধৰি ধনুশৰ।।
পিতৃপুৰ পয়ান কৰিবো একেশ্বৰ।
বন্দী কৰি আনিবো যমৰ পৰিকৰ।।
ক্ষত্ৰ বীৰ যতেক আছয় ৰবিতলে।
কেহো নোহে শকত মোহোৰ বাহুবলে।।
কাহাকো মাৰিবে কাকো কমৰত ধৰি।
বাপৰ আগত বান্ধি দিবো জড় কৰি।।[৫]

অৰ্থাৎ দশৰথে যদি দেৱৰাজ হ'বলৈ বাঞ্ছা কৰে; তেনেহ'লে ৰামে ইন্দ্ৰক খেদাই দেৱগণক বন্দী কৰি দশৰথক স্বৰ্গত স্থাপন কৰিব। দশৰথে বিচাৰে যদি ৰামে

৩। বাল্মীকি ৰামায়ণ, ২/১৩/১০-১৮
৪। বাল্মীকি ৰামায়ণ, ২/১৩/২৭-৩০
৫। মাধৱ কন্দলী ঃ ৰামায়ণ ঃ অযোধ্যাকাণ্ড, পদ-১৬৭৪-৭৫

চাৰিদঁতীয়া দিগ্‌গজগণক বন্দী কৰি আনি দিব, মেৰু-পৰ্বত উজাৰি ধন-সোণ আনি দিব, আজ্ঞা ভংগ কৰা ৰজাগণক দমন কৰিব, নাৰাচেৰে পৃথিৱী ভেদিব, মুখ্য নাগগণৰ ফণা ছেদ কৰিব, বাসুকিক বান্ধি আনিব। ব্যাঘ্ৰমুখ, চন্দ্ৰমুখ ধেনুক, প্ৰলম্ব, বাণ, নৰক আদি দেৱতাৰো দৰ্পচূৰ্ণকাৰী অসুৰক পিতাকৰ আদেশ হ'লে ৰামে 'মুণ্ডে মুণ্ডে হানি' মাৰিব। পিতাকে যদি ত্ৰিভুৱনৰ ঈশ্বৰ হ'বলৈ বিচাৰে, ৰামে সেই বাঞ্চাও পূৰণ কৰিব, যদি যুৱক হ'বলৈ বিচাৰে ৰামে পিতাকৰ বাৰ্ধক্য মূৰ পাতি লব। পিতাকৰ আজ্ঞা হ'লে ৰামে ঘৰে ঘৰে ভিক্ষা মাগিব, হৃদয়ত খাণ্ডা হানি প্ৰাণ-ত্যাগ কৰিব। শেষত পিতৃভক্ত ৰামে কৈছে, পিতাকৰ আদেশ হ'লে তেওঁ ৰাজ্য পৰিহৰি বনলৈ যাব।

এনেদৰে দশৰথৰ বিষাদ দেখি শ্ৰীৰামৰ যিখিনি উক্তি কন্দলীয়ে সুদীৰ্ঘ উনেশটা পদত বৰ্ণনা কৰিছে সেই বৰ্ণনাত ৰামৰ উক্তি যে অহংকাৰপূৰ্ণ আৰু আত্মশ্লাঘাপূৰ্ণ তাত সন্দেহ নাই। ইয়াৰ দ্বাৰা ৰামৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষযেও অৱগত হ'ব পাৰি। যিহেতু এনে দম্ভোক্তি অহংকাৰী আৰু বৰকথা কোৱা লোকৰ ক্ষেত্ৰতহে প্ৰযোজ্য। অসমীয়া লোকসমাজত প্ৰায়ে পৰিলক্ষিত উদ্ধত-ওফাইদাং মৰা আৰু গুৰু-গোঁসাই নমনা 'বৰপো'ৰ আদৰ্শত যে মাধৱ কন্দলীয়ে ৰামৰ চৰিত্ৰটি সৃষ্টি কৰিবলৈ গৈছে তাত সন্দেহ নাই। মূলৰ ৰাম চৰিত্ৰৰ গাম্ভীৰ্য্য আৰু শালীনতা বিনষ্ট হ'লেও লোক সমাজৰ ৰুচিৰ প্ৰতি সচেতন হৈ কন্দলীয়ে ৰাম-চৰিত্ৰত লোকৰহণ দিয়া যেন লাগে।

বনবাসৰ আদেশ শিৰে ধৰি ৰাম চন্দ্ৰই প্ৰথমে মাতৃ কৌশল্যাৰ পৰা বিদায় লৈ নিজৰ প্ৰাসাদলৈ উভতি আহি পত্নী সীতাৰ ওচৰত উপস্থিত হযহি। ৰামৰ বিষাদগ্ৰস্ত মুখ দেখি সীতাই প্ৰশ্ন কৰাত বাল্মীকিৰ ৰামে সীতাক বনবাসৰ সংবাদ দি কৌশল্যা দশৰথক শুশ্ৰূষা কৰি, ভৰতক ভ্ৰাতৃবৎ স্নেহ কৰি অযোধ্যাত থাকিবলৈ সীতাক কয়।[৬] কিন্তু মাধৱ কন্দলীয়ে এইখিনিতে আদিৰসৰ সঞ্চাৰ কৰি সীতাৰ যৌৱনসুলভ শাৰীৰিক সৌন্দৰ্য্যৰ নখশিখাৰ বৰ্ণনা পৰিবেশন কৰিছে। ৰাম-সীতা দুয়োজনে সাধাৰণ নায়ক-নাযিকাৰ দৰে পাৰস্পৰিক যৌৱন উপভোগৰ পৰা বঞ্চিত হোৱাৰ কাৰণে ক্ষোভ প্ৰকাশ কৰি কৈছে যে "জীৱন্ত বা মৃতক' যি কোনো অৱস্থাতেই নহওক কিয় সীতাক এৰিব লগা হ'লে তেওঁ গলত শিল বান্ধি সাগৰত জাপ দিব। যেনে :

সুৰগণ গন্ধৰ্ব নাগৰ তেজ হৰে।
বেশ দেখি কিমতে যুৱতে প্ৰাণ ধৰে।।
জীৱন্তে মৃতক মই তোক পৰিহৰো।
গলে শিলা বান্ধিযা সাগৰে জাম্প কৰো।।

৬। বাল্মীকি ৰামায়ণ, ২/২৬/১-৩৮

পৰিহৰ দুখ সীতা চিন্ত্ৰ শোক ৰোগ।
মৰন্ত্ৰ জনৰ দুৰ নোহে হেন যোগ ।।[৭]

মূল ৰামায়ণত ৰামে সীতাক মাথোন কৈছিল ঃ "দেৱী, তোমাক দুখ দি স্বৰ্গলাভ পৰ্য্যন্ত মই ইচ্ছা নকৰোঁ।"[৮]

গতিকে ৰামৰ মুখত দিয়া এই কথাখিনি যে মাধৱ কন্দলীৰ স্বকীয় ৰচনা তাত সন্দেহ নাই। দ্বিতীয়তে, ৰামক লোকচৰিত্ৰৰূপে চিত্ৰণ কৰাৰ উদ্দেশ্যৰে যে এই কথাখিনি সংযোগ কৰি দিয়া হৈছে তাতো সন্দেহ নাই।

মূল বাল্মীকি ৰামায়ণত ৰামে ৰামৰ বনবাস ৰাজ আজ্ঞা ৰূপে পালন কৰাতকৈযো ধৰ্ম পালনৰ ওপৰতহে অধিক গুৰুত্ব দিয়া হৈছে। ৰামে পিতৃ সত্য ৰক্ষা কৰি পৰম ধৰ্মহে আচৰণ কৰিব খুজিছে, ৰজাৰ আদেশৰ বাধ্যবাধকতাত পৰি তেওঁ বনলৈ যাব খোজ্য নাই। ৰামে তেওঁৰ বনগমনৰ উদ্দেশ্য ব্যাখ্যা কৰি কৈছিলঃ

ধৰ্মে স্থিতি পৰো লাভো ধৰ্মো ধাৰয়তে ধৃতঃ।
ন চ ধৰ্মো ধৃতো মেহদ্য পিতুৰাবা ধনাদৃতে ।।[৯]

কন্দলীৰ ৰামায়ণত ৰাজ আজ্ঞাৰ বাধ্য বাধকতাই যেন ৰামক ক্ষুণ্ণ কৰিছে। উদাহৰণ স্বৰূপে ঃ

মোৰ কৰ্মে অভিবেকে মিলিল বিঘাত।
মন পৰিতাপ পৰিহৰিয়ো ইহাত।।[১০]

আকৌ-

পাপক সঞ্চিলে শৰীৰ দংশিলে
কৈকেয়ীক কালসৰ্প।
মিলিল বিঘাত বাক্যবিষে ছলি
হৰি লৈল বল দৰ্প ।।[১১]

বাল্মীকি ৰামায়ণত চিত্ৰকূটৰ বাসন্তী শোভা দেখি ৰামৰ কোনো কাম-পীড়া হোৱা নাই। মাত্ৰ তিনিদিনৰ আগতে পিতৃ-মাতৃ, আপোনজন আৰু প্ৰজা-পৰিজনক এৰি থৈ বনবাসী হৈ সুদুৰ পথ বাটকুৰি বোৱাৰ পাছত বনৰ বাসন্তী শোভা দেখি ৰামৰ 'কামব্যাধি পীড়িয়া নসহে মোৰ গাৱে' অৱস্থা হোৱাটো স্বাভাৱিক যেন নালাগে। মাধৱ কন্দলীৰ বৰ্ণনাত চিত্ৰকূটৰ 'ফলমূল মুকুত বিবিধ তৰু বন' দেখি ৰামৰ সেই

৭। মাধৱ কন্দলী ঃ ৰামায়ণ; অযোধ্যাকাণ্ড, ১৮৩৬
৮। বাল্মীকি ৰামায়ণ, ২/৩০/২৬
৯। উক্ত গ্ৰন্থ, ২/১৮/৪৬
১০। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ১৭৫১
১১। উক্ত গ্ৰন্থ ঃ পদ, ১৮২১

অৱস্থা ঘটিছে। কন্দলীৰ ৰচনাত ৰামে সীতাক কৈছে :

বসন্ত সময়ে কামৰাজাৰ পয়াণ।
পুষ্পৰ ধনুত আৰোহিয়া পাঞ্চবাণ।।
ভাৰ্য্যা পুৰুষৰ কামবাণে কৰে লক্ষ্য।
বিৰহীজনৰ ভৈল সহন আশক্য।।
সেনাপতি লৰি ভৈল মলয়ৰ বাব।
মহাবীৰ নাদ ভৈল কোকিলৰ ৰাৱ।।
পক্ষীগণ ৰাৱে যেন বাৱে বাদ্যভণ্ড।
নাগেশ্বৰ ফুল কাম নৃপতিৰ দণ্ড।।
গুঞ্জৰিত ৰাৱে সবে ভ্ৰমৰ লৰিল।
কেতেকী কুসুমে যেন কোণ্ডক গঢ়িল।।
কোকিল ভ্ৰমৰ পক্ষী ময়ুৰৰ ৰাৱে।
কামব্যাধি পীড়িয়া নসহে মোৰ পাৱে ।।[১২]

এই পৰিবেশত কামপীড়িত হোৱা 'ভালেসে ক্ৰোধত কাম দহিলা ঈশ্বৰে' বুলি উপলব্ধি কৰিছে। এই ক্ষেত্ৰতো মূলৰ ৰাজকুমাৰ ৰাম চৰিত্ৰ লৌকিক স্তৰলৈ নামি আহিছে।

কন্দলীৰ ৰামায়ণত ৰামে পিতৃ বিয়োগৰ সংবাদ পায়ো মূলৰ দৰে ভৰতক সাৰগৰ্ভ কথা ক'বলৈ যোৱা নাই। মূলত ৰাম স্থিতপ্ৰজ্ঞ। পিতৃ-বিয়োগৰ দুখত অধৈৰ্য্য নহৈ ৰাজসুলভ ধৈৰ্য্য আৰু প্ৰকাশৰে ভৰতক পুনৰ ঘূৰি গৈ অযোধ্যাত শাসন কৰিবলৈ প্ৰবোধ দান কৰিছে।[১৩]

কন্দলীৰ ৰামায়ণত দশৰথ ৰজাৰ মৃত্যুৰ খবৰ শুনি ৰামৰ অৱস্থা ৰ'দৰ তাপত অলপ পানীৰ মাছ যেন হৈছে, তেওঁৰ স্মিত মুখমণ্ডল শোকৰ কলা মেঘে ঢাকি ধৰিছে, আনকি তেওঁ নৈৰ পাৰৰ দৰে বেদনাহত হৈ ঢলি পৰিছে :

কৰন্ত সন্তাপ হা বৃদ্ধ বাপ
দশৰথ মহীপাল।
জানিলোহো নিষ্ঠে আমিসে পাপীষ্ঠে
তোমাৰ কৰিলো কাল।।
পাপে তল গৈলো জ্যেষ্ঠ পুত্ৰ ভৈলো
পৃথিবীৰ মহাভাৰ।

১২। মাধৱ কন্দলী : ৰামায়ণ, পদ- ২০৭৫-৭৭
১৩। বাল্মীকি ৰামায়ণ : ২/১০১/৪-১৪

বাপ গৈলা কহি নিজকান্ধে বহি
নকৰিলো সংস্কাৰ।।[১৪]

উপৰৰ আলোচনাৰ পৰা দেখা যায় যে, মাধৱ কন্দলীয়ে ৰামৰ চাৰিত্ৰিক বৈশিষ্ট্যও লোকমানসৰ উপযোগীকৈ মানৱীয় স্পৰ্শ দিবলৈ সাৰ্থকভাবে চেষ্টা কৰিছে।

ৰামায়ণৰ কাহিনীভাগত মূল বাল্মীকি ৰামায়ণতেই হওক বা কন্দলীৰ অনুবাদতে হওক ৰাম চৰিত্ৰৰ লগত লক্ষ্মণ চৰিত্ৰ ছাঁৰ দৰে সংযুক্ত হৈ আছে। বিশ্বামিত্ৰৰ লগত সিদ্ধাশ্ৰমলৈ যোৱাৰ পৰা আৰম্ভ কৰি ৰামৰ দ্বাৰা বৰ্জনলৈকে ৰামৰ সকলো ঘটনাৰ লগত ভাতৃপ্ৰেমত জীৱন উচৰ্গা কৰা লক্ষ্মণ ঘনিষ্ঠভাবে জড়িত।[১৫]

ৰামৰ যেতিয়া বনবাসৰ আদেশ হয় আৰু ভৰতক যুৱৰাজ পতাৰ সিদ্ধান্ত হয় তেতিয়া ৰামৰ অতি প্ৰিয় অনুজপ্ৰতিম লক্ষ্মণ জ্বলি উঠে আৰু দশৰথ, কৈকেয়ী আৰু ভৰতৰ বিৰুদ্ধে অস্ত্ৰ ধৰিবলৈকো সাজু হয়। দৈৱত বিশ্বাস কৰা ৰামক পৌৰুষৰ আশ্ৰয় লবলৈ তেওঁক দঢ়াই দঢ়াই সকীয়াই দিছে।[১৬] মাধৱ কন্দলীয়ে লক্ষ্মণ চৰিত্ৰক মূল ৰামায়ণৰ আদৰ্শ অনুসৰণ কৰি চিত্ৰণ কৰিবলৈ চেষ্টা কৰিলেও সমসাময়িক লোকসমাজত সচৰাচৰ লগ পোৱা উগ্ৰ স্বভাৱৰ উদণ্ড ডেকা এজনৰ দৰেই লক্ষ্মণৰ চৰিত্ৰটি চিত্ৰিত হৈছে। মাধৱ কন্দলীৰ লক্ষ্মণ চৰিত্ৰ ক্ৰোধ, অভিমান, অহংকাৰ, আস্ফালন আদিৰ সমষ্টি। ইয়াৰ পৰিণতিত মূল ৰামায়ণৰ লক্ষ্মণ চৰিত্ৰৰ গাম্ভীৰ্য্য আৰু শালীনতাবোধ খৰ্ব নোহোৱাকৈও থকা নাই। কন্দলীয়ে সংযোগ কৰা লম্ফ-জম্ফপূৰ্ণ সংলাপধৰ্মী উক্তিয়ে লক্ষ্মণ চৰিত্ৰৰ গাম্ভীৰ্য্য আৰু মহত্ব ম্লান কৰিছে ৰামৰ বনবাসৰ বাতৰি পোৱাৰ লগে লগে ক্ৰোধান্বিত হৈ লক্ষ্মণে ৰজা দশৰথ আৰু সতীয়ামাক কৈকেয়ীক উদ্দেশ্য কৰি কৈছে :

শুনিয়া লক্ষ্মণে হেন বুলিলন্ত বাণী।
উত্তম বুলিয়া মাৰ জগত গোসানী।।
স্ত্ৰীজিত বৃদ্ধ বাপ কপট চৰিত।
তান বোলে বন যাইবা কিনো বিপৰীত।।
কৈকেয়ী পাপিষ্ঠী নৃপতিত ৰাজ্য মাগে।
বৈৰিণীৰ বোলত মাৰিতে কেন লাগে।।
হেন বুলি ক্ৰোধিলন্ত লক্ষ্মণ প্ৰচণ্ড।
বুঢ়াৰ আগত কাটি কৰো খণ্ড খণ্ড ।।[১৭]

১৪। মাধৱ কন্দলী : প্ৰাগুক্ত গ্ৰন্থ, পদ ২৫৩৬
১৫। সত্যেন্দ্ৰনাথ শৰ্মা, প্ৰাগুক্ত গ্ৰন্থ, পৃ-৬৯
১৬। বাল্মীকি ৰামায়ণ, ২/২৩/১৭-১৮
১৭। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, ১৭৩৩

এনে উক্তি ৰাজকুমাৰ লক্ষ্মণ চৰিত্ৰৰ অনুপযোগী। কিন্তু এনে উক্তি লোকৰুচিৰ অনুকূল।

ভৰতৰ পক্ষ লৈ যিসকলে ৰামৰ বিৰোধিতা কৰিবলৈ আগবাঢ়ি আহিব তেওঁলোককো নিৰ্মূল কৰিবলৈ প্ৰতিজ্ঞা কৰি কোৱা লক্ষ্মণৰ কথাখিনি মূলানুগামী হ'লেও কন্দলীয়ে তাক নিজা সংযোজনাৰে তেজস্বী কৰি তুলিছে—

ভৰতক সাৰাইল তোমাক পৰিহৰি।
নিৰ্মল কৰিবো আজি অযোধ্যা নগৰী।।
সমদলে সাজি আসন্তোক মহীপাল।
লক্ষ্মণৰ হাতত সবাৰো হৈব কাল ।।[১৮]
× × × × ×
দেৱগণে গমে ভৰতত অনুবলে।
ইন্দ্ৰদেৱো ধাব যদি কৰে সমদলে।।
তাহাঞ্জো জিনিবো আজি সমৰৰ মাজে।[১৯] ইত্যাদি

ৰামে অভিষেকৰ বিভ্ৰাটৰ বাবে কাকো দোষাৰোপ নকৰি দৈৱক ধিয়াই লক্ষ্মণক কোৱা কথাখিনি আৰু সেই কথা শুনি ক্ৰোধান্বিত হৈ লক্ষ্মণে ৰামক সমালোচনা কৰি, দৈৱতকৈ পুৰুষাৰ্থৰ শ্ৰেষ্ঠত্ব দেখুৱাই কোৱা কথাখিনি চমু হ'লেও মূলৰ অনুবৰ্তী, পিছে লক্ষ্মণৰ উক্তিৰ তলত উদ্ধৃত অংশটোৱে মূলৰ লগত সংগতি ৰক্ষা কৰিব পৰা নাই ঃ

দাব সুহায়ন মোৰ নোহে চন্দ্ৰহাস।
টোন হাত সুহায়ন নোহে বনবাস।।
শৰীৰ শোভন মোৰ নোহে দুই বাহু।
জিনিবো শত্ৰুক চন্দ্ৰক যেন ৰাহু ।।[২০]

মূলত এনেদৰে কোৱা হৈছে ঃ "মোৰ এই দুই বাহু শৰীৰৰ শোভাৰ কাৰণে নহয়, ধনু অলংকাৰৰ কাৰণে নহয়, অথবা তৰোৱাল বান্ধি থবৰ কাৰণে নহয় আৰু শৰসমূহ স্তম্ভৰ দৰে ৰাখিবলৈ নহয়, মোৰ এই চাৰিওটা বস্তু শত্ৰু দমনৰ কাৰণেহে।"[২১] লোক সমাজৰ ৰুচিৰ প্ৰতি সচেতন হৈ কন্দলীয়ে নতুনত্বৰ সমাবেশ কৰা যেন লাগে।

লক্ষ্মণ চৰিত্ৰৰ বিকাশত কন্দলীয়ে যে লোকায়ত সমল সংযোগ কৰিছে তাত

১৮। উক্ত গ্ৰন্থ, পদ- ১৭৩৪
১৯। কন্দলী ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৭৩৬
২০। উক্ত গ্ৰন্থ, পদ ১৭৫৯
২১। বাল্মীকি ৰামায়ণ, ২/২০/৩৫-৩৬

সন্দেহ নাই। মাধৱ কন্দলীয়ে লক্ষ্মণৰ ক্ৰোধ সম্বৰণ কৰিবলৈ ৰামে দিয়া প্ৰবোধ বাক্য মূলানুগ হ'লেও লক্ষ্মণৰ ক্ৰোধ সম্বৰণৰ প্ৰসংগত প্ৰয়োগ কৰা শক্তিশালী ব্যঞ্জনা বিশিষ্ট উপমা দুটি লোকায়ত পটভূমিৰ পৰা লোৱা হৈছে ঃ

শুনি লক্ষ্মণৰ কোপ উপশাম ভৈল।
হস্তীমদ যেহেন হস্তীতে অস্ত গৈল।।
যেহেন সৰ্পৰ বিষ শিখাগ্ৰহ গৈল।
নমাই আনি গাৰুড়ী নিস্প্ৰভ কৰি থৈল ।।[২২]

আকৌ ৰামৰ বনবাসৰ কথা শুনি বাল্মীকি ৰামায়ণতো লক্ষ্মণৰ খং উঠিছে। কিন্তু এই খং ৰাজপুত্ৰ চৰিত্ৰোপযোগী। আনহাতে মাধৱকন্দলীৰ লক্ষ্মণ চৰিত্ৰই ৰাজপুত্ৰোচিত ৰুচিবোধ হেৰুৱাই আত্মসন্মান বিহীন লোকৰ নিচিনাকৈ বৃদ্ধ পিতৃ দশৰথ আৰু মাহীমাক কৈকেয়ীক গালি পাৰি লোকসমলৰ নিদৰ্শন দাঙি ধৰিছে ঃ

বাল্মীকি ৰামায়ণৰ ভৰত চৰিত্ৰ ৰামতকৈয়ো অধিক আদৰ্শাত্মক আৰু ত্ৰুটিশূণ্য। মূলতো ভৰতে মাকক তিৰস্কাৰ কৰিছে আৰু লগতে মাতৃহত্যাৰ পাপ তথা ৰামে ত্যাগ কৰাৰ ভয় নথকা হ'লে মাকক বধ কৰিলেহেঁতেন বুলিও কৈছে। কিন্তু মাধৱ কন্দলীয়ে মূলৰ কথাখিনি অটুট ৰাখিও ভৰতৰ মুখত কিছুমান অশোভনীয় গালি সংযোগ কৰিছে— যাৰ দ্বাৰা এই চৰিত্ৰটিৰ মহত্ব কিছু পৰিমাণে হ্ৰাস হৈছে। যেনে-

হাওৰে পাপিষ্ঠী মাৱ কি কৰিলি কাজ।
কোননো বাপেৰে তোত মাগিলেক ৰাজ ।।
ৰাম লক্ষ্মণৰ খণ্ডিলিহি ৰাজভোগ।
বাপক মাৰিলি তই অচিকিৎস ৰোগ।।[২৩]
× × × × ×
শুৰিণী নাগিনী নিকাৰুণী সংহাৰিণী।
নিৰ্দয়িনী ৰাক্ষসিনী বাঘিনী দাৰুণী।।
যক্ষিণী ডাইনী তই স্বস্বামী ভক্ষিণী।
পিশাচিনী আৰে ৰাণ্ডী ভৈলি আখিনী।।
সকলো লোকক শোকে মাৰিলি বিচুই।
অযোধ্যা ৰাজ্যত তই ভৈলি সোণগুই ।।[২৪]

ওপৰৰ উদ্ধৃতাংশ পদবোৰৰ কিছু অংশ বাল্মীকিৰ শ্লোকাশ্ৰিত হ'লেও 'শুৰিণী', 'নাগিনী', 'কোননো বাপেৰে', 'ডাইনী যক্ষিণী', 'পিশাচিনী', ৰাণ্ডী' আদি গালিবোৰ

২২। মাধৱ কন্দলী' ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৭৬৬
২৩। মাধৱ কন্দলী ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২২৭৪
২৪। উক্ত গ্ৰন্থ, পদ- ২২৭৮

লোক অভিজ্ঞতাৰ পৰা সংগ্ৰহ কৰা। এনে ধৰণৰ সংযোজনাই কাব্যৰ চাৰিত্ৰিক গাম্ভীৰ্য্য ক্ষুণ্ণ কৰিলেও জনআকৰ্ষণৰ বাবে উপাদেয় হৈ পৰিছে।

বাল্মীকিৰ 'ৰামায়ণ'ৰ দশৰথ শোকসন্তপ্ত চৰিত্ৰ। শোকাবহ পৰিণতিৰ কাৰণে তেওঁ নিজে কিছুদূৰ দায়ী। অৱশ্যে দশৰথ আছিল আদৰ্শ ৰজা। বাল্মীকিৰ বৰ্ণনানুসাৰে দশৰথ বেদাদিশাস্ত্ৰত সুপণ্ডিত, দীৰ্ঘদৰ্শী, মহাতেজা, পুৰবাসীৰ অতি প্ৰিয়, অতিৰথী, মহৰ্ষিকল্প, ৰাজৰ্ষি, মিত্ৰবান, শত্ৰুহীন, বিজিতেন্দ্ৰিয়, ধন আৰু সঞ্চযত কুবেৰ আৰু ইন্দ্ৰতুল্য, বৈৱস্বত মনুৰ দৰে তেজস্বী আৰু লোকপালক।[২৫] মাধৱ কন্দলীৰ দশৰথ-চৰিত্ৰত এই গুণাৱলী আৰোপিত হোৱা নাই। কন্দলীয়ে বৃদ্ধৰজা দশৰথৰ চৰিত্ৰৰ যোগেদি বৰপুত্ৰ শ্ৰীৰামচন্দ্ৰক ৰাজঅভিষেকৰ আযোজন কৰি ৰাজ্যভাৰ দিবলৈ স্থিৰ কৰা আৰু এই শুভকাৰ্য্যত ৰাণী কৈকেয়ীৰ যোগেদি সৃষ্টি হোৱা সংকটজনক পৰিস্থিতিত ৰজাৰ অতি দুখজনক চৰিত্ৰহে প্ৰতিফলিত হৈছে। কন্দলীৰ চৰিত্ৰ চিত্ৰণত দশৰথ ৰজাৰ ৰাজকীয আদব-কাযদা, কথা-বাৰ্তাৰ মাজতে লোক সমাজৰ বুকুৰ পৰা সমল সংযোজনা কৰি সাধাৰণ মানৱীয চৰিত্ৰলৈ নমাই আনিছে। কন্দলীৰ দশৰথ বহুপত্নীক, লোক সমাজৰ তথাকথিত ঘৈণীযেকৰ কথাত হ্যভৰ দিযা, সপত্নীৰ মন্ত্ৰণাত নিজপুত্ৰক বিনা কাৰণত কষ্ট দিব পৰা বিবেচনাহীন এগৰাকী বৃদ্ধ মাথোন।

মূলত দশৰথে বনগমনৰ সংকল্পত অবিচল ৰামক শেষত এইবুলি অনুৰোধ কৰিছে ঃ

> "তুমি এৰাতিৰ কাৰণে ইযাত থাকি যোৱা। মোৰ
> সৈতে বাঞ্চিত ভোগ্যবস্তু আৰু ধনভোগ কৰি (অদ্য
> ভুক্ত মযা সাৰ্ধিং ভোগনিষ্ঠান্ ধনানি চ) দুখাতুৰা
> মাৰাক সান্ত্বনা দি তুমি (কাইলৈ) যাত্ৰা কৰিবা।"

তেতিযা ৰামে ক'লে ঃ

"আজি মই যিবোৰ ভোগৰ বস্তু পাম, কাইলৈ সেইবোৰ মোক কোনে দিব (যানদ্য ভোগান্ প্ৰাপ্স্যামি কো যে স্বস্তান্ প্ৰদাস্যতি)।"[২৬]

মাধৱ কন্দলীয়ে 'ৰামায়ণ'ত লোক সমাজৰ সাধাৰণতে ব্যবহৃত ধাৰণাৰ অন্তৰ্ভুক্ত কৰি দশৰথৰ যোগেদি ব্যক্ত কৰাইছে ঃ

> আজি থাকি অনুগ্ৰহ কৰিযো আমাত।
> পৰিছেদা একে থানে ভুঞ্জো আজি ভাত।।

তেতিযা

২৫। বাল্মীকি ৰামায়ণ, ২/৩৫/৩৭
২৬। বাল্মীকি ৰামায়ণ, ১/৭/১-৪

ৰাঘৱে বোলন্ত বাপ শুনিয়ো আপোনে।
আজি দুয়ো ভাত খাইবো কালি খাইবো কোনে ।।[২৭]

মূলত বল্কল পিন্ধি পুতেকক বনলৈ যাবলৈ ওলোৱা দেখি বিলাপ কৰি কৰি দশৰথ মূৰ্চ্ছিত হৈছিল। কন্দলীৰ মতে ৰামে যেতিয়া তেওঁৰ মাতৃৰ জীৱন ৰক্ষাৰ বাবে দশৰথক তৎপৰ হ'বলৈ অনুৰোধ কৰিলে তাকে শুনিহে দশৰথ মূৰ্চ্ছিত হ'ল। দশৰথে সীতাক কুলৰ বোৱাৰী বুলি সম্বোধন কৰি 'পৰিছেদা দেখো পিন্ধিয়োক অলংকাৰ' বুলি কোৱা কথাও কন্দলীৰ উদ্ভাৱনা। এইবোৰ কন্দলীয়ে সমসাময়িক সমাজ জীৱনৰ পৰা বুটলি তেওঁৰ নিৰ্মিতিত প্ৰয়োগ কৰিছিল।

বাল্মীকিযে দশৰথৰ শোকাৱহ মৃত্যুৰ যোগেদি এজন ধাৰ্মিক, প্ৰজাৰঞ্জক আৰু শক্তিশালী ৰজাৰ বহুপত্নীক, কামপৰায়ণ আৰু স্ত্ৰৈণ হোৱাৰ ফলত কেনে পৰিণতি হ'ব পাৰে তাক দেখুৱাইছে। মূলৰ একে প্ৰতিক্ৰিয়াকে কন্দলীযেও তেখেতৰ ৰামাযণত প্ৰদৰ্শন কৰিলেও কন্দলীৰ দশৰথ চৰিত্ৰৰ হাব-ভাব আৰু কথা-বতৰাত সাধাৰণ লোকসমাজৰ লৌকিক সমল প্ৰতিফলিত হৈছে।

ৰামায়ণৰ ঘটনা প্ৰবাহত প্ৰতিনায়ক চৰিত্ৰ ৰাৱণ। ৰাৱণে সাহস, পৰাক্ৰম আৰু বীৰত্বত অপ্ৰতিদ্বন্দ্বী যোদ্ধাৰূপে নিজকে প্ৰতিষ্ঠা কৰি জগতৰ বিভীষিকাৰ কাৰণ হৈ পৰে। বাল্মীকি ৰামায়ণত ৰাৱণৰ মৃত্যুত বিভীষণে শোকসন্তপ্তচিত্তে যিখিনি কথা কৈছিল তাৰ পৰাই ৰাৱণ চৰিত্ৰৰ কিছু আভাস পাব পাৰি।[২৮] তেওঁৰ বটবৃক্ষপ্ৰতিম বিশাল ব্যক্তিত্বৰ অধঃপতনৰ গুৰিতে কেইটামান চাৰিত্ৰিক দোষ আৰু দুৰ্বলতা চকুত নপৰাকৈ নাথাকে। প্ৰথমটো হ'ল তেওঁৰ অত্যধিক কামলিপ্সা। সুন্দৰাকাণ্ডত ৰাৱণৰ অন্তেষপুৰৰ যি বিৱৰণ দিয়া হৈছে তাৰপৰাও তেওঁৰ কামলিপ্সা আৰু ভোগলিপ্সাৰ আভাস পাব পাৰি। ৰাৱণৰ চৰিত্ৰৰ দ্বিতীয় উল্লেখযোগ্য দুৰ্বলতা হৈছে তেওঁৰ অহংকাৰ, আত্মম্ভৰিতা আৰু আত্মগৌৰৱবোধ।

মূল বাল্মীকি ৰামায়ণৰ প্ৰতিনায়ক চৰিত্ৰ ৰাৱণৰ চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য মাধৱ কন্দলীয়ে মূলৰ গাম্ভীৰ্য্য ৰক্ষা নকৰাকৈ এজন উদণ্ড, অহংকাৰী, আত্মম্ভৰিতাৰেপূৰ্ণ বীৰপুৰুষৰ পৰ্য্যায়লৈ নমাই আনিছে। কন্দলীৰ ৰামায়ণত ৰাৱণ চৰিত্ৰৰ বিশাল ব্যক্তিত্বৰ দোষ-গুণ ফুটি উঠিছে লংকাকাণ্ডত মন্দোদৰী প্ৰমুখ্যে নাৰীগণে ৰাৱণৰ মৃত্যুত কৰা বিলাপৰ অনুষংগত ঃ

লংকানাথ তুমি তিনিলোক চমৎকাৰ।
কিমতে মৰণ প্ৰভু মিলিল তোমাৰ ।।[২৯]

২৭। মাধৱ কন্দলী ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৯১১
২৮। বাল্মীকি ৰামায়ণ, ৬/১৩৯/৯-১২, ২২-২৩
২৯। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড, পদ-৬৪২০

তদুপৰি ৰাৱণৰ অধিক সামৰ্থ্যৰ বৰাই ফুটি উঠিছে অৰণ্যকাণ্ডত পঞ্চৱতী বনত সীতাক হৰণ কৰিবলৈ যোৱা প্ৰসংগত। কন্দলীৰ ৰামাযণত সীতাই ৰাৱণৰ পৰিচয বিচৰা নাই। ৰাৱণে নিজেই, লংকেশ্বৰ বুলি পৰিচয দি নিজৰ গুণ বখানিবলৈ ধৰিছে। কন্দলীৰ ৰামাযণত ৰাৱণে নিজৰ গুণ এইদৰে বখানিছে ঃ

পাতালৰ নাগলোকে মোকে কৰে সেৱ।
স্বৰ্গে গৈযা জিনিলোহো ত্ৰিদশ কোটি দেৱ।।
হৰি শংকৰক আৱে মোৰ নাহি শংকা।
সাগৰ মধ্যত মোৰ স্বৰ্ণপুৰী লংকা।
চৌষষ্টি কলাক জানো চৈধ্য শাস্ত্ৰনয।
যতেক পঞ্চিশ তত্ত্ব আমাত আছয।[৩০]

কন্দলীৰ ৰামাযণত সীতাৰ পৰিচয লাভ কৰাৰ অন্তত ৰাৱণে সীতাক 'হেন ৰূপৱতী ত্ৰিভুৱনে নাহি আৰ' ইত্যাদি বুলি কামভাৱ প্ৰকট কৰিছে। কন্দলীৰ ৰামায়ণত ৰাৱণে প্ৰথমতে ৰামৰ দোষবোৰ বৰ্ণনা কৰি তাৰ পাছত নিজৰ মহত্ত্ব বখানিছে। 'ব্ৰহ্মাৰ বৰত মোৰ অৱধ্য শৰীৰ'[৩১] আৰু 'মহাদেৱে সহিতে কৈলাস লৈলো তুলি'[৩২] এই দুটা কথা মূলত ৰাৱণে কোৱা নাছিল। ৰাৱণে সীতাক তেওঁৰ ভাৰ্য্যা হৈ শ্ৰেষ্ঠ ভোগ ভুঞ্জিবলৈ আহ্বান কৰি, সেইমতে কাৰ্য্যসিদ্ধি নহ'লে সীতাক নিশ্চিতভাৱে হৰণ কৰিবই বুলিও সকীযাই দিছে। মূল বাল্মীকি ৰামাযণত হৰণ কৰাৰ আগমুহূৰ্ত্ততো ৰাৱণে সীতাক নম্ৰভাৱে কৈছিল ঃ "ৰাক্ষস বুলি তুমি উদ্বিগ্ন হ'ব নালাগে, মই নিশ্চিতভাৱে তোমাৰ বশ হৈ থাকিম। লংকাত গৈ এবছৰলৈকে মই তোমাক কোনো অপ্ৰিয় কথা নকওঁ"।[৩৩] কন্দলীৰ ৰামায়ণত ৰাৱণ চৰিত্ৰৰ এনে শালীনতাপূৰ্ণ ব্যক্তিত্ব প্ৰকাশ পোৱা নাই। তাৰ পৰিবৰ্ত্তে ৰাৱণ অতি উদণ্ড হৈ সাধাৰণ স্তৰলৈ নামি আহিছে। যেনে—

ক্ৰোধিযা ৰাৱণে বোলে খৰতৰ বাক।
হৰিবো পাপিষ্ঠী ত্ৰিভুৱনে নাহি ৰাখ।।
হাওৰে পাপিষ্ঠী মোক হেনয় সিদ্ধান্ত।
চৰৰৰ চোটে তোৰ সাৰি এৰো দান্ত ।।[৩৪]

৩০। কন্দলী ৰামায়ণ,অৰণ্যকাণ্ড, ৩১৪১
৩১। কন্দলী ৰামায়ণ, অৰণ্যকাণ্ড, পদ-৩১৬৩
৩২। উক্ত গ্ৰন্থ, পদ-৩১৬৮
৩৩। বাল্মীকি ৰামায়ণ, (গৌড়ীয় পাঠ), ৩/৫৬/১৮-১৯
৩৪। কন্দলী ৰামায়ণ, অৰণ্যকাণ্ড, পদ-৩১৭৮

এইদৰে মূল বাল্মীকি ৰামায়ণৰ বিশাল ব্যক্তিত্বৰ অধিকাৰী ৰাৱণ চৰিত্ৰ কন্দলীৰ ৰামাযণত সাধাৰণ লোক সমাজৰ কথা-বাৰ্তাৰ ধৰণ-কৰণ আৰু আদৱ-কায়দাৰে সাধাৰণ উদণ্ড, অহংকাৰী কামাতুৰ লোকচৰিত্ৰত পৰিণতি লাভ কৰিছে।

আত্মপক্ষক বিশ্বাসঘাটকতা কৰি শত্ৰুপক্ষক আশ্ৰয় দিলে বা সহায় কৰিলে বুলি বিভীষণক আজিও লোকসমাজত 'ঘৰ বিভীষণ'ৰূপে আখ্যা দিয়া দেখা যায়। কথিত এই পৰম্পৰাৰ উৎস ৰামায়ণৰ কাহিনীভাগত লগ পোৱা বিভীষণ চৰিত্ৰ, ৰাৱণৰ ভায়েক। লোক সমাজৰ উপৰুৱা দৃষ্টিত বিভীষণ, ঘৰবিভীষণ অৰ্থাৎ দেশদ্ৰোহী হ'লেও নিজৰ ককায়েক ৰাৱণক যুদ্ধত সহায় নকৰি শত্ৰুপক্ষ ৰামৰ আশ্ৰয় লোৱাৰ কাৰণ আছে। বিভীষণ আছিল অতি ধৰ্ম্মপ্ৰাণ জ্ঞানী বীৰপুৰুষ। ৰাৱণৰ ৰাজসভাত বিভীষণে ৰাৱণৰ সীতা হৰণ কাৰ্য্যক প্ৰত্যক্ষভাৱে নিন্দা কৰি ৰাৱণ আৰু ৰাক্ষসকুলৰ হিত চিন্তা কৰি সীতাক প্ৰত্যাপৰ্ণ কৰি ৰামৰ লগত মিত্ৰতা কৰিবলৈ কয়। তেওঁ যুক্তি, শাস্ত্ৰোক্তি, ৰাজনীতি, আদি কেইবাটাও দিশৰ পৰা ৰামৰ লগত যুদ্ধত প্ৰবৃত্ত নহ'বলৈ হিত-বচন ৰাৱণৰ আগত দাঙি ধৰে। বিভীষণে ৰাজসভাত কুম্ভকৰ্ণ, প্ৰহস্ত, মহাপাৰ্শ্ব, ইন্দ্ৰজিৎ আদি সভা সদবৰ্গৰ যুক্তি খণ্ডন কৰি ৰামক পৰাজয় কৰা যে সম্ভৱ নহ'ব সেই কথা কৈ সভাসদসকলক উদ্দেশ্য কৰি কৈছে ঃ

"ৰাজা ৰাৱণ স্বভাৱতে উগ্ৰ প্ৰকৃতিৰ, অবিবেচক আৰু ব্যসন-প্ৰমত্ত। তোমালোকে মিত্ৰৰ বেশত শত্ৰুতা আচৰণ কৰিছা আৰু ৰাক্ষস কুলৰ ধ্বংসৰ নিমিত্তে ৰাজ সেৱাত নিযুক্ত আছা।"[৩৫]

বিভীষণৰ লগত ইন্দ্ৰজিতৰ এই প্ৰসংগত তৰ্ক হয় আৰু বিভীষণে ইন্দ্ৰজিৎক বালকবুদ্ধি সম্পন্ন, অবিবেকী, বিনয়বিহীন আৰু মূৰ্খ বুলি তিৰস্কাৰ কৰে। ৰাৱণে বিভীষণক জ্ঞাতিদ্ৰোহী, অনাৰ্য্য আৰু বধ্যাৰ্হ বুলি কঠোৰ ভাষাৰে নিন্দা আৰু তিৰস্কাৰ কৰাত বিভীষণে লংকাত থকাটো অনুচিত বুলি ভাবি ৰামৰ আশ্ৰয় ল'বলৈ যাত্ৰা কৰে।

মাধৱ কন্দলীৰ ৰামায়ণত এই বিভীষণ চৰিত্ৰৰ কাৰ্য্যকলাপ মূলানুগামী হ'লেও অন্যান্য চৰিত্ৰৰ দৰে বিভীষণ চৰিত্ৰও কন্দলীৰ হাতৰ স্পৰ্শত লোকায়ত ভৰলৈ নামি আহিছে। কন্দলীৰ ৰামায়ণত ৰাৱণৰ কাৰ্য্যকলাপৰ বিষয় লৈ বিভীষণে মাক নৈকষীৰ সৈতে আলোচনা কৰে শেষত মাকৰ কথামতে বিভীষণে ৰাৱণৰ ওচৰত গৈ অতি বিবেচনাসহকাৰে ভয়ে ভয়ে ৰাৱণক সীতাক আনি লংকাত সুমুৱাৰে পৰা ঘটা অঘটনসমূহৰ বৰ্ণনা দি সীতাক প্ৰত্যৰ্পণ কৰিবলৈ পৰামৰ্শ দিয়ে। কিন্তু ৰাৱণে এই পৰামৰ্শ প্ৰত্যাখ্যান কৰে। ৰাৱণৰ ৰাজসভাত কন্দলীৰ বিভীষণে ৰাৱণৰ মন্ত্ৰণাকাৰী

৩৫। বাল্মীকি ৰামায়ণ, ৬/১৪/১৭

সকলক 'ৰাম মেৰু পৰ্বতক ফুকে উৰুৱাহা' বুলি নিন্দা কৰি চাটুবচন ত্যাগ কৰিবলৈ কৈছে। ৰাক্ষসৰ তুলনাত যে ৰামৰ পক্ষ অধিক শক্তিশালী বিভীষণে সেই কথা, বীৰকপি এজনেই আহি লংকা ছন্ন কৰি যোৱাৰ সময়ত ৰাক্ষস সৈন্যই ৰক্ষা কৰিব নোৱাৰাৰ উদাহৰণৰে বুজাই দিলে। ৰামে খৰক অকলেই পৰাভূত কৰা আৰু ৰামৰ শৰত মাৰীচ-সুবাহু পতঙ্গ তুল্য হোৱাৰ কথাও বিভীষণে সোঁৱৰাই দিয়ে।[৩৬] বিভীষণ চৰিত্ৰৰ প্ৰসংগত এইখিনি কন্দলীৰ নিজা সংযোজনা। কন্দলীৰ ৰামাযণত বিভীষণে আনকি প্ৰৱল পুৰুষ ৰামৰ লগত বিবাদ নকৰি সীতাক ঘূৰাই পঠাবলৈযো ৰাৱণক কাতৰ অনুৰোধ কৰে—

তুমি যে বৈলখ দেখা আমি কান্ধে লওঁ।
ৰামৰ চৰণে নিযা সীতাক ভেটাওঁ ।।[৩৭]

বিভীষণে সুহৃদৰ হিতবচন নুশুনাজন হতায়ু বুলি প্ৰতিপন্ন কৰি পতিব্ৰতা কন্যাহৰণ কৰি অৰ্ধমত লিপ্ত হোৱা ৰাৱণৰ সংসৰ্গত তেওঁ নিজেও ধৰ্ম হেৰুৱাইছে বুলি কৈ তেওঁ ৰামৰ ওচৰলৈ যাব বুলি নিজৰ সিদ্ধান্ত জনাই দিছে ঃ

অধৰ্মত ৰত ভৈলে তুমি দুৰাচাৰ।
পতিব্ৰতা কন্যা হৰিলাহা পৰদাৰ ।।
তোমাৰ সংসৰ্গে আমি ধৰ্ম্ম হৰুৱাওঁ।
তুমি আছা দদা আমি ৰাম পাশে যাওঁ।।[৩৮]

ইযাৰ পাছতে বিভীষণক ৰাৱণে পদাঘাত কৰা বুলি কন্দলীৰ ৰামাযণত পোৱা যায। এইদৰে মূলতকৈ কিছু লৌকিক সমলৰে সমৃদ্ধ কৰি মাধৱ কন্দলীযে অন্যান্য চৰিত্ৰৰ লগতে বিভীষণ চৰিত্ৰকো ৰূপ দিছে।

ৰামায়ণৰ অন্যান্য পুৰুষ চৰিত্ৰ দ্বন্দ্বহীন গতিকে এই চৰিত্ৰবোৰ সক্ৰিয নহয যেন লাগে। অৱশ্যে দ্বন্দ্বহীন হ'লেও হনুমন্ত চৰিত্ৰই ৰামায়ণৰ কাহিনীভাগত সক্ৰিয় অংশ গ্ৰহণ কৰা নাই বুলিলে ভুল কৰা হ'ব। হনুমান বান্দৰ চৰিত্ৰ হ'লেও তেওঁ প্ৰসন্ন, ভক্ত, বীৰ, সাহসী আৰু প্ৰত্যুৎপন্নবুদ্ধিসম্পন্ন তথা কাৰ্য্যতৎপৰ। সুগ্ৰীৱৰ দ্বাৰা অনুপ্ৰেৰিত হৈ হনুমানে ৰাম-লক্ষ্মণক অতি সুমধুৰ ভদ্ৰজনোচিত পাণ্ডিত্যপূৰ্ণ বাক্যৰে পৰিচয় সুধিছে। মূলত বাক্‌পটু হনুমানৰ কথা শুনি শ্ৰীৰামচন্দ্ৰই মুগ্ধ হৈ প্ৰকাশ কৰে ঃ

"তিনিখন বেদৰ জ্ঞান নাথাকিলে কোনেও এনে বাক্য প্ৰয়োগ কৰিব নোৱাৰে। এওঁ বহু কথা কৈছে যদিও এটাও অশুদ্ধ পদ প্ৰয়োগ কৰা নাই। গতিকে নিশ্চয তেওঁ বহুকাল ব্যাকৰণ অধ্যয়ন কৰিছে"।[৩৯]

৩৬। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰাকাণ্ড, পদ-৪৭১৭
৩৭। উক্ত গ্ৰন্থ, পদ-৪৭৪৪
৩৮। উক্ত গ্ৰন্থ পদ-৪৭৬৪
৩৯। বাল্মীকি ৰামায়ণ, ৪/৩/২৮-৩৩

'ৰামায়ণ'ৰ কাহিনী ভাগত ৰামৰ সকলো কাৰ্য্যত হনুমানে একান্ত আনুগত্য আৰু সেৱাৰ মনোভাৱেৰে ৰামচন্দ্ৰক বিভিন্ন দিশত সহায় কৰিছে। অন্যপ্ৰকাৰে ৰামৰ কাৰণে হনুমানে সম্পূৰ্ণভাৱে আত্মোৎসৰ্গ (complete dedication) কৰিছে বুলিও ক'ব পাৰি। তেওঁৰ আনুগত্য আৰু সেৱাত স্বাৰ্থ নাই, মানসিক দ্বন্দ্ব নাই, সন্দেহৰ থল নাই, দ্বিধা-সংকোচ নাই। এইবোৰ কাৰণেই পৰৱৰ্তীকালত হনুমান দেৱতালৈ পৰিণত হৈ হনুমান পূজাৰ ৰীতি-প্ৰৱৰ্ত্তন কৰাৰ পথ মুকলি কৰিছে।[৪০]

মাধৱ কন্দলীৰ 'ৰামায়ণ'ত হনুমানৰ ৰামৰ প্ৰতি ভক্তি তথা সম্পূৰ্ণ আত্মোৎসৰ্গ মূলৰ দৰে প্ৰকাশ পালেও কন্দলীৰ হনুমান চৰিত্ৰই লোকসমাজক অধিক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সীতা অন্বেষণত গৈ লংকাত হনুমানে এইবোৰ কাৰ্য্য-কলাপ কৰি দেখুৱাইছে সেয়া সচাঁকৈয়ে হাস্যৰসৰ উৎস। তদুপৰি হনুমন্তৰ কাৰ্য্য-কলাপত আশ্চৰ্য্যজনক অতিৰঞ্জনবো ছাঁ পৰিছে। লংকাত প্ৰৱেশ কৰিয়েই হনুমন্তই সূৰ্য্য অস্ত যাবলৈ ধৰা দেখা জানু পাৰি কৰযোৰে সূৰ্য্যক প্ৰণতি জনাই 'খানিতেক তম্ভিয়োক ৰাম কাৰ্য্য সাওঁ। দিবাভাগে লংকাৰ গডক ফুৰি চাওঁ।।[৪১] বুলি প্ৰাৰ্থনা জনোৱা আৰু সেই প্ৰাৰ্থনা মতে সূৰ্য্য স্তব্ধ হৈ ৰৈ যোৱা কথাটো কন্দলীৰ নিজা সংযোজনা। আকৌ দিনটো লংকাৰ বনৰাজি চাই গধূলি হ'লত নিজ শৰীৰেৰে লংকাত সোমালে ৰাক্ষসে চিনি পাই বান্ধি থ'ব বুলি ভয় কৰি হনুমন্তই নিজৰ গাটো মেকুৰীৰ সমান কৰি লৈ প্ৰাচীৰৰ ওপৰ উঠিল।[৪২]

মাধৱ কন্দলীৰ 'ৰামায়ণ'ত পৰিবেশিত হনুমন্তৰ মধুফল ভক্ষণ আৰু মধুবন ধ্বংসৰ কাহিনীভাগো অবাল্মীকিয়, কন্দলীৰ সংযোজনা মাথোন। কন্দলীৰ 'ৰামায়ণ'ত ইন্দ্ৰজিৎ হনুমন্তৰ যুদ্ধখনিও কৌতুকপূৰ্ণ। ইন্দ্ৰজিতে গৈ দেখিলে যে, বান্দৰে তোৰণৰ উপৰত বহি যুঁজিবৰ মনেৰে 'হৰিষ বদনে' ঘনে ঘনে চাই আছে। তাকে দেখি ইন্দ্ৰজিতে 'কোথেৰ বানৰ তই আদি ভৈলি লংকা' ইত্যাদি বুলি তৰ্জন গৰ্জন কৰি উদ্যান ধ্বংসকাৰী, ভ্ৰাতৃনিহন্তা জম্বুমালীক বধ কৰা সেই বানৰক 'মোহোৰ ক্ৰোধত তোক ৰাখিবেক কোনে' বুলি যুদ্ধলৈ আহ্বান কৰিলে। হনুমন্তয়ো প্ৰত্যাহ্বান বাণীৰে ফেৰ পাতি উঠিলে। হনুমন্ত আৰু ইন্দ্ৰজিৎৰ এই বাক্ যুদ্ধখন[৪৩] মূলত নাই। কন্দলীয়ে সমসাময়িক লোক সমাজৰ প্ৰতি দৃষ্টিপাত কৰি এই বাক্‌যুদ্ধখন সংযোগ কৰিছে। আনহাতে কন্দলীৰ কাপত সৃষ্টি হোৱা হনুমন্তৰ অলৌকিকতাই লোকমানসক হাঁহিৰ খোৰাক যোগাইছে।

৪০। সত্যেন্দ্ৰনাথ শৰ্মা, ৰামায়ণৰ ইতিবৃত্ত, পৃ-৯০
৪১। মাধৱ কন্দলী : ৰামায়ণ, সুন্দৰাকাণ্ড, পদ-৪০৩৪
৪২। উক্ত গ্ৰন্থ, পদ-৪০৯২
৪৩। মাধৱ কন্দলী : ৰামায়ণ, সুন্দৰাকাণ্ড, পদ-৪৪৩৪-৩৮

ৰামায়ণৰ ঘটনাক্ৰমত বিভিন্ন প্ৰসংগত পোৱা নাৰী চৰিত্ৰসমূহৰ ভিতৰত প্ৰথমে আমাৰ মন আকৃষ্ট হয় সীতাদেৱীৰ কৰুণ জীৱনলৈ। দৰাচলতে সীতাৰ গোটেই জীৱনটোৱেই পাঠক-শ্ৰোতাৰ দৃষ্টিত কাৰুণ্যৰ অশ্ৰুৰে সিক্ত। তথাপি মূল ৰামায়ণত সীতাই নিজকে কোনোদিনে অসুখী বুলি ভবা নাই, ৰামৰ প্ৰতি ভক্তিৰ প্ৰগাঢ়তা কোনোদিনেই হ্ৰাস পোৱা নাই।

বাল্মীকি 'ৰামাযণ'ত মহিমাময়ী, পতিব্ৰতা আৰু স্বামী প্ৰাণা নাৰীৰ আদৰ্শত সীতা-চৰিত্ৰটি অংকিত হৈছে। এইফালৰ পৰা এই চৰিত্ৰটি আদৰ্শাত্মক হোৱাই স্বাভাবিক। অযোধ্যাকাণ্ডত যেতিয়া সুমন্ত্ৰই ৰামক দশৰথৰ ওচৰলৈ নিবলৈ আহে, তেতিয়া সীতাই আগন্তুক অভিষেক উপলক্ষে মাংগলিক আচাৰ-পালন কৰি ৰামক সুমন্ত্ৰৰ লগত পঠোৱাৰ ব্যৱস্থা কৰে। বনবাসৰ আজ্ঞা লৈ কৈকেয়ীৰ মহলৰ পৰা উভতি আহি প্ৰথমতে কৌশল্যা আৰু তাৰ পাছত সীতাৰ ওচৰলৈ গৈ ৰামে বনবাসৰ সংবাদ দিয়াত লক্ষ্মণ বা কৌশল্যাৰ দৰে শোক আৰু ক্ৰোধাভিভূত হৈ সীতাই ৰামক বনলৈ যাবলৈ বাধা দিয়া নাই। দশৰথ বা কৈকেযীৰ বিৰুদ্ধে তেওঁ এষাৰ বিৰূপ বাক্য প্ৰয়োগ কৰা নাই। ৰামৰ বনবাসৰ সংবাদে সীতাক অলপো বিচলিত কৰা নাই। বৰং পতিব্ৰতা নাৰীৰ ধৰ্ম, পিতৃগৃহত স্বামী শুশ্ৰূষা সম্পৰ্কে লাভ কৰা উপদেশ, পিতৃগৃহত কোনো এজন জ্যোতিষী ব্ৰাহ্মণে তেওঁৰ হস্তৰেখা বিচাৰ কৰি বনবাস খাটিব লাগিব বুলি কোৱা ভৱিষ্যত বাণী, পিতৃগৃহলৈ অহা যোৱা কৰা তপস্বিনীৰ মুখৰ পৰা শুনা বনবাসী জীৱনৰ লগত ঘটা পৰিচয়, বনত ৰামৰ বোজা নহৈ সকলো প্ৰকাৰে সহায়কাৰিণী হোৱাৰ মানস, বনৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰাৰ কামনা, বনত কষ্টভোগ কৰাৰ সামৰ্থ্য- এই সকলো যুক্তি দাঙি ধৰি সীতাই ৰামক বনলৈ নিবলৈ সানুনযে অনুমতি বিচাৰিছে।[৪৪]

ৰামে সীতাৰ অনুৰোধ শুনি বনৰ ভয়াবহতা, হিংস্ৰ জন্তুৰ আক্ৰমণ, বনবাসী জীৱনৰ কৃচ্ছ্ৰসাধমসাধন, সীতাৰ কোমলতা আদিলৈ আঙুলিয়াই তেওঁক বিৰত কৰিবলৈ যত্ন কৰাত সীতাই ভৎৰ্সনাৰ সুৰত ৰামক কলে :

স্বয়ং তু ভাৰ্য্যাং কৌমাৰীং চিৰ মধ্যুষিতাং সতীম্।
শৈলুষ ইব মাং ৰাম পৰস্মৈ দাতু মিচ্ছসি ।।[৪৫]

"পত্নীক আনৰ হাতত গটাই জীৱন নিৰ্বাহ কৰা শৈলুষৰ (নটৰ) দৰে তুমি মোক আনৰ হাতত এৰি যাব খুজিছা। তোমাৰ লগত বনবাসো স্বৰ্গসুখ তুল্য, তৃণ শয্যাও দুগ্ধফেননিভ কোমল শয্যা-সদৃশ, ফল-মূল আহাৰ অমৃতসম, তোমাৰ সংগ

৪৪। বাল্মীকি ৰামায়ণ, ২/২৭/৬-৭
৪৫। বাল্মীকি ৰামায়ণ, ২/৩০/৬

মোৰ কাৰণে স্বৰ্গ আৰু বিৰহ নৰক যেন হ'ব।" এই বুলি সীতাই কান্দিবলৈ ধৰি ৰামে এৰি গ'লে আত্মহত্যা কৰিব বুলি দৃঢ়ভাৱে জনায়। ৰামে অৱশেষত সীতাৰ ইচ্ছা আৰু মনোভাৱ প্ৰসংসা কৰি তেওঁৰ লগত ওলাবলৈ সীতাক অনুমতি দান কৰে। ৰাম-সীতাৰ বাক্যালাপ বাল্মীকিয়ে পাঁচটা অধ্যাযত (২৬-৩০ অধ্যায) বৰ্ণনা কৰিছে।

মাধৱ কন্দলীৰ ৰচনাত সীতা চৰিত্ৰৰ মূলৰ গাম্ভীৰ্য্য সমূলি ৰক্ষিত হোৱা নাই। কন্দলীৰ ৰামায়ণত সুমন্ত্ৰৰ লগত ৰামক পঠাই দি সীতাদেৱীয়ে ৰাম ৰজা হ'লে তেওঁ পটেশ্বৰী হোৱাৰ সপোন দেখিছে ঃ

আতি অপৰ্য্যন্ত হৰিষ কৰন্ত
গাৱে অলংকাৰ ধৰি।
মোৰ স্বামী ৰাম ৰাজা হৈবা আজি
আমি হৈবো পটেশ্বৰী।।[৪৬]

তদুপৰি ৰাম-বনবাসৰ কথা শুনি সীতাই 'হা প্ৰভু' বুলি হৃদয়ত মুঠি হানি ঢলি পৰিছে ঃ "যেন মহাদেৱ, দহিলা কামক, বিলাপ কৰন্ত ৰতি'।"[৪৭] ভয়ত সীতাৰ শৰীৰ কঁপিছে, হাতৰ বলয় খহি পৰিছে। ৰামে বন গমনৰ সংবাদ দি বিদায় ল'ব খোজাত তেওঁ মাটিত ঢলি পৰিছে। ইতিমধ্যে মূৰ্চ্ছিত হৈ পৰা সীতাই চেতন পাই উঠি 'মইনো মাটিৰ ভিতৰত থাকোঁতেই কিয় নমৰিলোঁ' বুলি খেদ প্ৰকাশ কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। যেনে—

কিনো অপৰাধে প্ৰভু মোক
শোক অগনিত দিয়া।
আমি পতিব্ৰতা নাৰীক গোসাই
চলিলা কেনে তেজিয়া ।।[৪৮]

তাৰ পাছত সীতাই 'নাযাইবাহা প্ৰভু' বুলি চৰণত ধৰি বনলৈ নাযাবলৈহে অনুৰোধ কৰিছে। আনকি তেওঁক এৰি বনলৈ যাব খোজা ৰামক শাৰীৰিক সৌন্দৰ্য্যৰে প্ৰলুব্ধ কৰিবলৈও যত্নৰ ত্ৰুটি কৰা নাই ঃ

চম্পক কলিকা যেন মোৰ কলেবৰ।
লুণ্ডি ঘুণ্ডি আছিলাহা যেহেন ভ্ৰমৰ।।
যেৱে আসি বিকশিত ভৈল ফলফুল ।

৪৬। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৮১২
৪৭। উক্ত গ্ৰন্থ, পদ-১৩২৫
৪৮। উক্ত গ্ৰন্থ, পদ-১৮২৫

উপভোগ এৰি কেনে কৰাহা নিস্ফল ।।[৪৯]

আনকি মাধৱ কন্দলীৰ সীতাই ৰামৰ লগত বনলৈ যাবলৈ কামনা প্ৰকাশ কৰি বনবাসসুখৰ কলপনাও এইদৰেহে কৰিছে—

সমুচিত ক্ৰীড়া স্থান কুঞ্জৰ বিশেষ।
কামে সমে ৰতি যেন কৰিবো আশেষ।।[৫০]

মাধৱ কন্দলীয়ে লোকৰুচিৰ ওপৰত প্ৰাধান্য দি বাল্মীকি ৰামায়ণৰ আদৰ্শাত্মক গাম্ভীৰ্য্যপূৰ্ণ চৰিত্ৰ সীতাক লৌকিক নায়িকা ৰূপে চিত্ৰণ কৰিছে। সেয়েহে কন্দলীৰ সীতাই মূলৰ আদৰ্শক নেওচি লৌকিক ভোগ বিলাস, কামনা-বাসনাৰ ওপৰত বেছি গুৰুত্ব দিছে। সীতাৰ এই ইন্দ্ৰিয়গ্ৰাহ্য কামনাসিক্ত উক্তিৰ লগত লোকমানসে সহজে সহৃদয়তা স্থাপন কৰিব পাৰে।

ৰাৱণে সীতাক হৰণ কৰিবলৈ যাওঁতে সীতাক হৰণ কৰাটো কিমান বিপদজ্জনক কথা আৰু ৰাম-ৰাৱণৰ মাজত কিমান পাৰ্থক্য সেই কথা বুজাবলৈ থূলৰ দৰে কন্দলীয়েও ৰাৱণক সকীয়াই দিছে ঃ

ৰাঘৱক এৰি কেনে তোহোক ভজিবো।
গঙ্গাক এৰিয়া কেনে কূপত মজ্জিবো।।
গাধক ভজিবো কেনে সিংহক এৰিয়া।
সুকুতাক খাইবো কেনে অমৃত তেজিযা ।।[৫১]

আকৌ—

ঘৃত পৰিহৰিযা কিসক ঘোল পিবো।
ৰামৰ আপচু কাচু তোৰ মুণ্ডে দিবো।।[৫২]

সীতাই ৰাৱণক পতিবৰণ নকৰিলে ৰাৱণে তেওঁক অৱশ্যে হৰণ কৰিব বুলি কোৱাত ৰাৱণক তেওঁৰ কুকৰ্মৰ পৰিণতি যে অতিকে ভীষণ হ'ব সেই বিষয়েও ৰাৱণক সতৰ্ক কৰি দিছে ঃ

'হাডী জাতি হুয়া পঢিবাক চাস বেদ।
অবিলম্বে ৰাঘৱে কৰিব স্কন্ধচ্ছেদ' ।।[৫৩]

আৰু,

৪৯। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৮৩৯
৫০। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৩৫১
৫১। মাধৱ কন্দলী ঃ ৰামায়ণ, অৰণ্যকাণ্ড, পদ-৩১৫৫
৫২। উক্ত গ্ৰন্থ, পদ-৩১৫৭
৫৩। মাধৱ কন্দলী ঃ ৰামায়ণ, পদ-৩১৭১

'লংকাৰ অগনিকুণ্ড মোক যেবে নিবি।
ৰামৰ হাতত মূঢ় অৱশ্যে মৰিবি'।।[৫৪]

সীতাৰ মুখত দিয়া উপমাব্যঞ্জক বৰ্ণনাৰ মূল লক্ষ্য লোকসমাজক লৌকিক আনন্দ প্ৰদান।

ৰামাযণৰ নাৰী চৰিত্ৰসমূহৰ ভিতৰত সীতাৰ পিছতে উল্লেখযোগ্য চৰিত্ৰ হৈছে কৈকেযী। কাহিনীভাগৰ ঘটনাক্ৰমত কৈকেয়ী অধিক দ্বন্দ্বপূৰ্ণ চৰিত্ৰ, কাৰণ কৈকেয়ীৰ কাৰ্য্যই ৰামায়ণৰ প্ৰধান ঘটনা প্ৰবাহৰ মূল উৎস বুলিব পাৰি।

কৈকেয়ী সুন্দৰী আছিল, বাল্মীকিয়ে প্ৰয়োগ কৰা বিশেষণবোৰে সেই কথাৰ সম্ভেদ দিয়ে। দশৰথৰ লগত হয়তো বয়সৰ প্ৰভেদো কিছু আছিল, নহ'লে 'বৃদ্ধস্য তৰুণী ভাৰ্য্যা' বাক্যাংশ বাল্মীকিয়ে প্ৰয়োগ নকৰিলেহেঁতেন।[৫৫] স্বাভাৱিকতে অধিক শুশ্ৰূষাপৰায়ণা আৰু সুন্দৰী কৈকেযীৰ প্ৰতি দশৰথৰ স্নেহ আৰু আকৰ্ষণ বেছি আছিল।

বাল্মীকি ৰামায়ণ মতে দেৱাসুৰৰ যুদ্ধত দশৰথে দেৱতাৰ পক্ষ গ্ৰহণ কৰি শম্বৰাসুৰৰ লগত যুদ্ধ কৰোঁতে গুৰুতৰভাৱে আহত হোৱাত কৈকেয়ীয়ে শুশ্ৰূষা কৰি তেওঁক যুদ্ধ জয় কৰাত সহায় কৰা কাৰণে দশৰথে দুটা বৰ দিবলৈ প্ৰতিশ্ৰুত হয়।[৫৬] পিছত এই বৰ দুটাৰ যোগেদিয়েই মন্থৰাই কৈকেয়ীক প্ৰৰোচিত কৰি এটা বৰৰে ভৰতক ৰাজ সিংহাসনত বহুৱায় আৰু আনটোৰে ৰামক চৈধ্য বছৰৰ বাবে বনবাস দিয়ে। মন্থৰাই কিন্তু সহজে কৈকেয়ীক অভিষেক উৎসৱত বিধি পথালি দিবলৈ মান্তি কৰাব পৰা নাছিল, কাৰণ ৰামে তেওঁক মাতৃবৎ জ্ঞান কৰি শুশ্ৰূষা কৰিছিল। সেই কাৰণে মন্থৰাই কৈকেয়ীক যেতিয়া ৰাম অভিষেকৰ সংবাদ দি ৰাম ৰজা হ'লে কৈকেয়ীৰ আৰু ভৰতৰ কি মহাবিপদ উপস্থিত হ'ব সেই কথা অতিৰঞ্জিত কৰি বৰ্ণালে, তেতিয়া কৈকেয়ীয়ে মন্থৰাক বহুমূলীয়া অলংকাৰ এপদ উপহাৰ দি কলে :

"মন্থৰা, তুমি মোক বৰ সুখ সংবাদ দিলা। ৰামৰ অভিষেকৰ সংবাদতকৈ মোৰ কাৰণে প্ৰিয়তৰ সংবাদ আন একো নাই। এই প্ৰিয় সংবাদ দিয়াৰ বাবে তোমাক অধিক মূল্যবান কি দিম কোৱা ?"[৫৭]

কৈকেয়ীয়ে দিয়া উপহাৰ দলিয়াই পেলাই ৰাম ৰজা হ'লে তেওঁলোকৰ ভৱিষ্যত বিপদৰ এটা ভয়াবহ চিত্ৰ দাঙি ধৰি মন্থৰাই কৈকেয়ীক অসৎ প্ৰস্তাৱলৈ প্ৰৰোচিত কৰাত পুনৰ কৈকেয়ীয়ে ৰামৰ গুণ বখানিলে। কিন্তু ঘহোঁতে ঘহোঁতে শিলো ক্ষয়

৫৪। উক্ত গ্ৰন্থ, পদ-৩১৭২
৫৫। বাল্মীকি ৰামায়ণ,-২/৯/১১-১৭
৫৬। উক্ত গ্ৰন্থ,-২/৯/১১-১৭
৫৭। উক্ত গ্ৰন্থ,-২/৭/৩৪-৩৬

যোৱাৰ দৰে মন্থৰাৰ চতুৰ যুক্তিযে ভয়াবহ সম্ভাৱনাৰ ছবি আৰু ভৰত ৰজা হ'লে উজ্জ্বল ভৱিষ্যতৰ ৰঙীণ স্বপ্নৰ বৰ্ণনাই কৈকেযীৰ নাৰীচিত্ত বিপৰীতমুখী কৰি তুলিলে। হিংসাৰ দাবানল নাৰী চৰিত্ৰত জগাব পাৰিলে বিপৰীতমুখী কাৰ্য্য সম্পাদনাও সম্ভৱ হৈ পৰে। কৈকেযীৰ ক্ষেত্ৰতো সেয়ে হ'ল। সেযেহে দশৰথৰ নানা অনুনয-বিনয, ভৰতক ত্যাজ্যপুত্ৰ কৰাৰ ভীতি প্ৰদৰ্শন, সমস্ত অযোধ্যাৰ ধন ৰত্ন আৰু প্ৰজাক ৰামৰ লগতে বনলৈ পঠোৱাৰ ভাবুকি, বশিষ্ঠ, সুমন্ত্ৰৰ তিৰস্কাৰপূৰ্ণ বাক্য একোৱেই কৈকেযীক তেওঁৰ দাবীৰ পৰা বিচলিত কৰিব নোৱাৰিলে। আনকি দুখ-শোকত যেতিযা দশৰথ অচেতনপ্ৰায, তেতিযা ৰজাৰ মুখৰ পৰা ওলাব নোখোজা ৰামৰ বনবাস আৰু ভৰতৰ অভিষেক এই দুটা কথা কৈকেযীযে ৰামক নিঃসংকোচিত্তে শুনাই পিতৃৰ সত্য ৰক্ষাত সহায কৰিবলৈ নিৰ্দ্দেশ দিছে।

ৰাণী কৈকেযীৰ চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰতো কন্দলীৰ মৌলিক দৃষ্টিৰ পৰিচয পোৱা যায। এনে সংযোজনাৰ ফলত কন্দলীৰ হাততেই কৈকেযী চৰিত্ৰই বিচিত্ৰতা লাভ কৰিবলৈ সমৰ্থ হৈছে। মূল বাল্মীকি ৰামাযণৰ দৰেই কন্দলীৰ ৰামাযণতো কুঁজীৰ কুমন্ত্ৰণা আৰু প্ৰৰোচনাত প্ৰৰোচিত হৈ যদিও কৈকেযীয়ে পূৰ্ব প্ৰতিশ্ৰুত বৰ দুটাৰ দাবীৰে ৰোহঘৰত সোমাবলৈ স্থিৰ কৰিছে, তথাপিও ৰামৰ কাৰণে তেওঁ খেদ নকৰাকৈ থকা নাই। যেনে—

কুঁজী তোৰ বচনে ভুমিত থাকো লুটি।
হা ৰাম বোলন্তে পৰাণ যায় ফুটি।।
পাপিষ্ঠী কুবুজী মোৰ ভেদিলি হৃদয়।
জানিলি কথাক কহি অনেক সংশয়।।
তোহোৰ বোলোত আৱে কৰো মন্দ যত্ন।
ভৰত কাচক লাগি হৰাওঁ ৰাম ৰত্ন।।
মোৰ বোলে ৰাম বন যাইবে হেন জানি।
মৰিবো কটাৰ হানি নখাই ভাতপানী।।[৫৮]

ওপৰোল্লিখিত বৰ্ণনাংশৰ যোগেদি ৰাম যে কৈকেয়ীৰ অতি মৰমৰ আছিল সেই কথা জানিব পাৰি। কিন্তু পৰিস্থিতিৰ দাস হৈ এই কৈকেয়ীও পৰৱৰ্ত্তী ঘটনাত কঠোৰ হ'বলৈ বাধ্য হৈছে। ভৰত মোমোযেকৰ ঘৰৰ পৰা ঘূৰি আহি দশৰথ আৰু ৰামৰ অনুপস্থিতি তথা সংঘটিত বিপৰ্য্যযৰ খবৰ সোধোতে কৈকেযীযে ভৰতৰ ওচৰত ৰাম-লক্ষ্মণৰ বিপক্ষেহে অভিযোগ তুলিছে। যেনে—

৫৮। মাধৱ কন্দলী: ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৬০৪

দুই গোটা ভায়েকত পৰে গৰ্ব্বী নাই।
ঘনে ঘনে মোক চাবৈ চক্ষুক পকাই।।
নিদাৰুণ দেখো বৰ সুমিত্ৰাৰ পোক।
দুয়ো গোটা ভাযেকে মাৰিতে চাহে মোক।।
লক্ষ্মণেও মোৰ মাৰিতে সাজ ভৈলা।
ৰামৰ বচনে পাচে বাহুৰিয়া গৈল ।।[৫৯]

এইখিনি কথা কবি কন্দলীয়ে কৈকেয়ীৰ মুখত সংযোগ কৰিছে। এনে মৌলিক সংযোজনাই স্বৰূপাৰ্থত কৈকেযী চৰিত্ৰত বিচিত্ৰতা প্ৰদান কৰিছে আৰু সেযেহে এনে চৰিত্ৰই কাহিনীভাগক বেছি সক্ৰিযতা দান কৰিবলৈ সক্ষম হৈছে। কন্দলীযে এইবোৰ সমসামযিক তথা কথিত লোকজীৱনৰ পৰা আহৰণ কৰিছে। কিয়নো সতিনীযেকৰ ল'ৰা-ছোৱালীৰ ওপৰত মাহীমাকৰ ঈৰ্ষাজনিত দ্বন্দ্ব-খৰিয়াল ইত্যাদি লোক-পৰিযালৰ বুকুত সঘনাই সংঘটিত হয।

কৌশল্যা শ্ৰীৰামচন্দ্ৰৰ মাতৃ, দশৰথ ৰজাৰ জ্যেষ্ঠা আৰু প্ৰধান মহিষী, ৰামাযণৰ অন্যতম নাৰী চৰিত্ৰ। অৱশ্যে কৌশল্যাৰ চৰিত্ৰও আন কেইটামান পাৰ্শ্বচৰিত্ৰৰ দৰে অযোধ্যাকাণ্ডতে সীমাবদ্ধ। বাল্মীকিয়ে ৰামায়ণত কৈকেযীক ইষ্ট বৰ লাভৰ পৰা নিবৃত্ত কৰিবৰ উদ্দেশ্যে দশৰথে প্ৰসংগক্ৰমে ৰামক যে বনলৈ পঠালে সাধ্বী কৌশল্যাৰ প্ৰতি অন্যায হ'ব সেইকথা কৈ কৌশল্যাৰ গুণসমূহ বখানিছে।[৬০] কৌশল্যা যে দশৰথ আৰু কৈকেযীৰ দ্বাৰা অনাদৃতা হৈছিল সেই কথা কৌশল্যাৰ নিজ মুখৰ পৰাই একাধিক ঠাইত প্ৰকাশ পাইছে। ৰামে বনলৈ যাবলৈ অনুমতি বিচাৰোঁতে কৌশল্যাই শোক কৰি কৈছে ঃ

"মই স্বামীৰ মৰম ধন্যা হৈ সুখ ঐশ্বৰ্য্যৰ মুখ কেতিয়াও দেখা পোৱা নাই। পুত্ৰৰ পৰাই সেই সুখ পাম বুলি আশা পুহিছিলোঁ। কিন্তু এতিয়া জ্যেষ্ঠা হৈও কনিষ্ঠা সপত্নীৰ কঠোৰ কথা শুনিব লাগিব, মোৰ প্ৰতি কঠুৱা ব্যৱহাৰ কৰাত তেওঁলোক অভ্যস্ত। সতিনীৰ কৰ্কশ বাক্য শুনাতকৈ নাৰীৰ কি অধিক দুখ থাকিব পাৰে? মোৰ দুখ আৰু শোক কোনোদিনেই শেষ নহ'ব। বৎস তুমি মোৰ কাষতে আছা, তথাপি মই অনাদৃতা, উপেক্ষিতা আৰু অপমানিতা, তুমি বনলৈ গ'লে মোৰ কি অৱস্থা হ'ব? মোৰ নিশ্চয় মৃত্যু হ'ব। পতিৰ পৰা সহানুভূতি নোপোৱা কাৰণে মই নিগ্ৰহিত হৈছোঁ কৈকেয়ীৰ পৰিচাৰিকাতকৈযো হীন জীৱন যাপন কৰিছোঁ। কৈকেয়ীয়ে মোক সদায়

৫৯। মাধৱ কন্দলী ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৬০৪
৬০। মাধৱ কন্দলী ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৭৮০

খঙেৰে কটু কথা শুনায়। এনে অৱস্থাত মই তোমাৰ অনুপস্থিতিত কেনেকৈ কাল কটাম।"[৬১]

কৌশল্যাৰ চৰিত্ৰটো বাল্মীকিয়ে শোকাতুৰা জননী ৰূপে লগতে অনাদৃতা, অৱহেলিতা ৰূপে চিত্ৰণ কৰিও পতি পৰায়ণা, স্বামীহিতৈষিণীৰূপে অংকিত নকৰাকৈ থকা নাই।

মাধৱ কন্দলীৰ ৰামায়ণত মূলৰ আদৰ্শ ৰক্ষিত হ'লেও লোকসমাজৰ প্ৰভাৱত কন্দলীৰ কৌশল্যাই সাধাৰণ স্তৰলৈ নামি আহিছে। ৰামৰ বনবাসৰ কথা শুনি কৌশল্যা মূৰ্চ্ছিত হোৱা আৰু পাছত চেতন পাই 'হৃদযত মুঠি হানি' কান্দি-কাটি অনেক যুক্তি দেখুৱাই ৰামক বনবাসৰ পৰা বিৰত কৰিব খুজিছে। যেনে–

জপে তপে পাইলোহো তোমাক গৰ্ভে ধৰি।
পৰম আশায়ে তুলিলোহো বৰ কৰি।।
কৈকেয়ী প্ৰচণ্ড সূৰ্য্য জনিল তৰাস।
পুত্ৰ তৰু ছাযাত কৰিলো বৰ আশ।।
ফল ধৰিবাৰ যেবে হৈ গৈল সময।
মোৰ কৰ্ম্ম বায়ু উৰে বিধি বিডম্বয়।।
সতিনীৰ পৰাভৱ কতেক সহিবো।
সত্যে সত্যে কহিলোহো জীৱন ত্যাগিবো ।।
বৈৰিণীৰ বোলে ৰাম দেশৰ বজাস।
ৰাজধৰ্ম্ম দেখি বাপু নজা বনবাস।।[৬২]

নিম্নোক্ত উক্তিখিনিও কন্দলীৰ নিজা সংযোজনা।
যথা-

দুই পুত্ৰ হৰুৱাইলো কি কাম কৰিলো।
এবেসে জানিলো মই জীৱন্তে মৰিলো।।
প্ৰাণ প্ৰভু দশৰথ মহা মহীপাল।
জানিলো এবেসে তোমাৰ ভৈল কাল।।[৬৩]

আকৌ-

কামবশ বাপৰ বচন পৰিহৰি।
ৰাজ্যভাৰ লৈয়ো জান্টে অযোধ্যানগৰী।।[৬৪]

এগৰাকী সৰ্বসাধাৰণ গাৱঁলীয়া তিৰোতাৰ দৰেই সতিনীয়েক কৈকেয়ীক দেখি কৌশল্যাৰো ক্ৰোধাগ্নিৰ দাবানল জ্বলি উঠিছে ঃ

৬১। উক্তগ্ৰন্থ, পদ- ১৭৮৫
৬২। মাধৱ কন্দলী ৰামায়ণ, পদ- ১৭৩৩
৬৩। উক্তগ্ৰন্থ, পদ- ১৭৯৮-৯৯
৬৪। উক্তগ্ৰন্থ, পদ-২৩০৯

কৈকেয়ীক দেখিয়া শৰীৰ মোৰ কাম্পে।
হৰিণীক নিতে যেন বাঘিনীয়ে জাম্পে।।
সৰ্পিনীৰ আগে যেন মণ্ডুকীৰ গতি।
শেনীৰ আগত যেন কাম্পে কপোৱতী।।
কৈকেয়ীৰ দাস ৰাজা মই যাইবো বন।
তুমি এৰি গৈলে মোৰ নাহিকে জীৱন।।[৬৫]

মূলত ৰাম-সীতাৰ সেৱাৰ অৰ্থে বনলৈ যাবলৈ ওলোৱা লক্ষ্মণক কৌশল্যাই বিদায় পৰত এবাৰো কথা কোৱা নাই। কন্দলীৰ ৰচনাত এই সময়ত কৌশল্যাই লক্ষ্মণক দিয়া উপদেশ আৰু তাৰ প্ৰত্যুত্তৰত লক্ষ্মণে দিয়া আশ্বাসৰ বৰ্ণনাটি কবিজনাৰ সাৰ্থক সংযোজনা। কৌশল্যাই লক্ষ্মণৰ ডিঙিত সাৱটি ধৰি কৈছে :

শুন শুন বাপু মোৰ লক্ষ্মণ কুমাৰ।
সীতাক ৰাখিবি ভালে বনৰ ভিতৰ।।[৬৬]

ভৰত মোমাযেকৰ ঘৰৰ পৰা আহি ৰামৰ বনবাসৰ কথা শুনি কৌশল্যাক দেখিয়েই ভৰত 'হা মৰিলোহো' বুলি মূৰ্চ্ছিত হৈ পৰিল। কৌশল্যাই তেতিয়া ভৰতক ক'লে ঃ

উঠ উঠ বাপু তই মুখে এৰ লাজ।
মায়েৰৰ হাতে তই মাগি লৈলি ৰাজ।।
ৰজাকো মৰাইলি ৰাম বনবাস দিলি।
পিতৃবধ কৰি কোন কৰ্ম্মক সাধিলি।।[৬৭]

এনেদৰে কাহিনীভাগৰ বিভিন্ন ঘটনাক্ৰমত কন্দলীৰ ৰামায়ণতো পুত্ৰশোকত কাতৰ এগৰাকী মাতৃ ৰূপে কৌশল্যা চৰিত্ৰটি পোৱা যায়।

ৰামায়ণৰ কাহিনীভাগত যুগজয়ী দিশ পৰিবৰ্তনত মুখ্য ভুমিকা লয় মন্থৰা চৰিত্ৰই। মন্থৰা কৈকেয়ীৰ পিতৃগৃহৰ পৰা লগত অনা দাসী। ৰামৰ বনবাসৰ মূলতে হ'ল মন্থৰাৰ কুমন্ত্ৰণা, ৰাম আৰু কৌশল্যাৰ প্ৰতি পুহি ৰখা বিদ্বেষ। মন্থৰা দাসী হ'লেও কৈকেয়ীৰ ওপৰত যথেষ্ট প্ৰভাৱ থকা যেন ধাৰণা হয়। তাই চতুৰা, মুখৰা আৰু সৰু কথাকে সজাই পৰাই অতিৰঞ্জিত কৰি ক'ব পৰা ক্ষমতাৰ অধিকাৰিণী। ৰামৰ অভিষেক উপলক্ষে অযোধ্যানগৰী অলংকৃতা আৰু পুৰবাসীসকলে উৎসৱ কৰা দেখি তাই ৰামৰ ধাত্ৰীক সুধি যেতিয়া ৰামৰ অভিষেকৰ কথা গম পালে, তেতিয়া

৬৫। মাধৱ কন্দলী, ৰামায়ণ, পদ- ১৭১৮-১১
৬৬। উক্ত গ্ৰন্থ, পদ-১৯৪৯
৬৭। উক্তগ্ৰন্থ, পদ- ২৩০৯

পোনচাটেই কৈকেযীৰ শয়নকক্ষত উপস্থিত হৈ হাঁয়ে-বিঁয়ে কৰি ৰামৰ অভিষেকৰ সংবাদ দি প্ৰথমতে দশৰথ ৰজাৰ বিৰুদ্ধে অলীক অভিযোগ উত্থাপন কৰি কৈকেযীৰ মন বিষাক্ত কৰিবলৈ চেষ্টা কৰে। ৰাম অভিষিক্ত হ'লে কৌশল্যাৰ সৌভাগ্য আৰু কৈকেযীৰ দুৰ্ভাগ্যৰ কথা কৈ সপত্নী-বিদ্বেষ জগাই তুলিলে। ৰাম ৰজা হ'লে কৈকেযী-কৌশল্যাৰ দাসী হ'ব আৰু ভৰত দাসী পুত্ৰৰূপে গণ্য হ'ব বুলিও ভযানক বিপৰ্য্যয়ৰ সম্ভাৱনা দাঙি ধৰে।

মন্থৰাৰ কথাত প্ৰথমে কৈকেয়ীয়ে আপত্তি জনাইছিল যদিও আগন্তুক ভযানক ভৱিষ্যতৰ চিত্ৰই শেষত তেওঁৰ মন ঘূৰাই পেলায। সেয়েহে মন্থৰাৰ মন্ত্ৰণা মতেই পূৰ্ব প্ৰতিশ্ৰুত বৰ দুটাৰ সুৰুঙা উলিয়াই ভৰতক ৰাজ্যদান আৰু ৰামক বনবাস দিয়াৰ ব্যৱস্থা কৰিলে। এইদৰে মন্থৰা কুঁজী বুঢ়ী (কুব্জা) নিজৰ উদ্দেশ্যত সফল হৈছে।

মাধৱ কন্দলীৰ ৰামায়ণত কুঁজী চৰিত্ৰৰ কাৰ্য্যকলাপ মূলৰ অনুৰূপ হ'লেও তেওঁ উপস্থাপন কৰা কুঁজী চৰিত্ৰ গ্ৰাম্য ৰুচিসম্পন্ন, লোকসমাজৰ স্থূল হাস্যৰসৰ উপাদান। বাল্মীকি 'ৰামায়ণ'ৰ মন্থৰা বা কুঁজী বুঢ়ী (কুব্জা)যে ভৰতক ৰাজ সিংহাসনত স্থাপন কৰাৰ যি মন্ত্ৰণা বা উদ্দেশ্য তাৰ অন্তৰালত আছে অলংকাৰৰ আশা।[৬৮] অন্যহাতে মাধৱকন্দলীৰ কুঁজী ভৰতৰ ওচৰলৈ গৈছিল অন্ততঃ দেখাদেখিকৈ নহ'লেও লুকাই চুৰকৈ গুপ্ত পটেশ্বৰী হোৱাৰ আশাত ঃ

বিমৰিষ কৰে কুঁজী আউৰ কিবা চাও।
ভৰতক সমীপক কিসক নযাও।।
মই বান্ধো ৰূপ বৰ হেনয় নোহয়।
মোহোৰ স্বৰূপে দেখো আথানো জ্বলয়।।
বয়সত বৰ মই ভৰতত কৰি।
কাম বশ ভৈলে সিটো দোষক নধৰি।।
বিদিতে কুমাৰে যেৱে লাজ কিছু কৰি।
গুপ্তৰূপে তথাপিতো হৈবো পটেশ্বৰী।।[৬৯]

কন্দলীৰ কুঁজী চৰিত্ৰৰ হাব-ভাৱ আৰু কাৰ্য্যাৱলীয়ে সম্পূৰ্ণভাৱে ৰুচি বিগৰ্হিত গ্ৰাম্যদোষ যুক্ত তাত সন্দেহ নাই, কিন্তু কুঁজী চৰিত্ৰৰ অসংগতিৰ জৰিয়তে গ্ৰাম্য শ্ৰোতাই লাভ কৰে সীমাহীন স্থূল হাস্যৰস। দ্বিতীয়তে মুখ পৰম্পৰা প্ৰচলিত সাধুকথাত নাতি আৰু আইতাকৰ মাজত থকা নিষিদ্ধ সম্পৰ্কৰ প্ৰতিফলনো এই পৰিস্থিতি বিশেষৰ পৰা পাব পাৰি।

৬৮। বাল্মীকি ৰামায়ণ, ২/৯/৩৬-৫২
৬৯। মাধৱ কন্দলী ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-২২৮৬-৮৭

।। ষষ্ঠ অধ্যায়।।

মাধৱ কন্দলীৰ ৰামাযণৰ বিভিন্ন পৰিৱেশ বৰ্ণনাত লোকজীৱনৰ প্ৰতিফলন।

মাধৱ কন্দলীৰ 'ৰামায়ণ' অনুবাদমূলক। অনুবাদমূলক গ্ৰন্থত সাধাৰণতে অনুবাদকৰ সমসাময়িক সমাজ-জীৱনৰ প্ৰতিচ্ছবি অঙ্কণ কৰাৰ সুৰুঙা কম। অৱশ্যে প্ৰতিভাশালী আৰু সমাজ সচেতন অনুবাদকে তেওঁৰ অনূদিত গ্ৰন্থতো সমসাময়িক জীৱন আৰু সমাজৰ ছবি ফুটাই তুলিবলৈ সক্ষম হয়। পৰিচিত সমাজ জীৱনৰ বৰ্ণনাই পাঠক বা শ্ৰোতাৰ অন্তৰত অন্তৰংগতা আৰু সহৃদয়তা স্থাপন কৰিব পাৰে। মাধৱ কন্দলীও আছিল প্ৰতিভাশালী আৰু সমাজ সচেতন শিল্পী আৰু অনুবাদক। কন্দলীয়ে বাল্মীকি ৰামাযণ অনুবাদ কৰিছিল সংস্কৃত ভাষা নজনা লোকাযত সমাজৰ বাবে । গতিকে লোকায়ত সমাজৰ ৰুচিবোধ আৰু গ্ৰহণ ক্ষমতাৰ প্ৰতি অৱগত হৈ তেওঁ অসমীয়া সমাজ জীৱনৰ পৰিপ্ৰেক্ষিতত কাহিনীৰ পৰিৱেশ ৰচনা কৰি প্ৰকৃত কথকৰ নিচিনাকৈ কাহিনী বা কথা ক'বলৈ প্ৰয়াস কৰিছিল। সেইবাবে তেওঁৰ দ্বাৰা অনূদিত 'ৰামায়ণ'ৰ পৰিৱেশ ৰচনাৰ প্ৰসংগত খৃঃ চতুৰ্দশ শতিকাৰ অসমীয়া লোকাযত জীৱনৰ সমল সাৰ্থকভাবে সংমিশ্ৰণ কৰিছিল আৰু ইয়াৰ পৰিণতিত কন্দলীৰ 'ৰামায়ণ' গ্ৰন্থখনি অনূদিত গ্ৰন্থৰ পৰিসৰতে আবদ্ধ নাথাকি মৌলিক গ্ৰন্থৰ স্তৰলৈ উন্নীত হৈছিল। কন্দলীয়ে তেওঁৰ অনুবাদৰ জৰিয়তে তদানীন্তন সমাজ-জীৱনৰ ছবি ৰূপায়ণ কৰিবলৈ বিস্ময়কৰভাৱে কৃতকাৰ্য্য হোৱা বাবেই তেওঁৰ এই নিৰ্মিত বিশেষ খ্ৰীঃ চতুৰ্দশ শতিকাৰ অসমীয়া সমাজ-জীৱনৰ ইতিহাসৰূপে পৰিগণিত হোৱাৰ যোগ্যতা লাভ কৰিছে।

কন্দলী ৰামায়ণৰ পৰিৱেশাদি লোকায়ত জীৱনৰ সমলৰে ঋদ্ধ। এই পৰিৱেশবোৰ তলত দিয়াৰ দৰে ভাগ কৰি দেখুৱাব পাৰি, যেনে—

ক) বিভিন্ন ঠাই, ৰাজসভা আদিৰ বৰ্ণনা আৰু নৈসৰ্গিক চিত্ৰণাদি,

খ) শাসন ব্যৱস্থা আৰু সমাজ ব্যৱস্থাৰ ক্ষেত্ৰত লোকসাংস্কৃতিক সমল,

গ) জাতি, বৃত্তি, ব্যৱসায় আদিৰ বৰ্ণনা,

ঘ) বিশ্বাস, ধৰ্মীয় আৰু সামাজিক,

ঙ) খাদ্য, খাদ্যাভাস আদি,

চ) সাজ-সজ্জা, আ-অলংকাৰ আৰু প্ৰসাধন আদি,

ছ) গীত-নৃত্য-বাদ্য,
জ) খেল-ধেমালি আৰু আমোদ-প্ৰমোদাদি,
ঝ) আচাৰ-অনুষ্ঠান আৰু উৎসৱাদিৰ বিৱৰণ,
ঞ) ব্যাধি, ঔষধ আদিৰ বিৱৰণ,
ট) শাও-শপনি, যাদু বিদ্যাদিৰ বৰ্ণনা,
ঠ) দৈনন্দিন ব্যৱস্থাৰ সামগ্ৰী আৰু আদৰ-অভ্যৰ্থনা আদি,
ড) শিল্পসৃষ্টি আদিত।

ক বিভিন্ন ঠাই ৰাজসভাৰ বৰ্ণনা আৰু নৈসৰ্গিক চিত্ৰণাদিৰ প্ৰসংগত লোকায়ত জীৱনৰ সমল :

কন্দলীৰ ৰামাযণত অযোধ্যা আৰু লঙ্কাৰ বৰ্ণনাত পুৰণি অসমৰ নগৰ-চহৰৰ উমান পাব পাৰি। বৰ্তমানৰ দৰেই অতীত অসমতো ৰাজ্যত বসতিৰ প্ৰধান ভাগ নগৰ আৰু গ্ৰাম বা গাঁও। নগৰত বাস কৰা লোকক নগৰীয়া আৰু গ্ৰাম বা গাঁৱত বাস কৰা লোকক গ্ৰামবাসী বোলা হৈছিল। একাধিক ঠাইত নগৰ আৰু গ্ৰামৰ উল্লেখ আছে।

নগৰীৰ লোকক তুষিলা দানে মানে ।।[১]
o o o o o
নগৰীক অলঙ্কৃত কৰিলা উৎসুকে।।[২]
o o o o o
নগৰীক ভৰিল আসি আনো দেশীজনে।।[৩]
o o o o o
এৰাইল অনেক গ্ৰাম নগৰ অশেষ।[৪]
o o o o o
ৰাম দশৰথ শূন্য গ্ৰাম দেখা জনে।
নাৰীক নোশোভে যেন স্বামী অবিহনে।[৫]

অযোধ্যা নগৰ চাৰিওপিনে প্ৰাসাদেৰে পৰিবেষ্টিত আছিল, তাৰ মাজত ৰাজপ্ৰাসাদ বা ৰজাৰ মন্দিৰ। মন্দিৰ শব্দৰ প্ৰয়োগ সেই সময়তো মনকৰিবলগীয়া।

১। মাধৱ কন্দলী : ৰামায়ণ, অয্যোধ্যাকাণ্ড, পদ- ১৫০৮
২। উক্ত গ্ৰন্থ, পদ- ১৫৬৩
৩। উক্ত গ্ৰন্থ, পদ- ১৫৬৬
৪। উক্ত গ্ৰন্থ পদ- ২২৩৬
৫। উক্ত গ্ৰন্থ, পদ- ২৩৪৪

অযোধ্যা নগৰ চাৰি দ্বাৰ যুক্ত নগৰলৈ সোমোৱা বহল 'ৰাজপথ' আছিল। নগৰৰ মাজত দীঘি-সৰোবৰ খান্দোৱা হৈছিল। সৰোবৰৰ পাৰ শিলৰে বন্ধোৱা। উৎসৱৰ সময়ত নগৰখন মনোমোহাকৈ সজোৱাৰ বৰ্ণনাও পোৱা যায় ঃ

সুপক্ক কন্দলী কইল বাহিৰে তোৰণ।
কণকে ৰচিত ধ্বজ ভূষিত বসন।।
জমকে জমকে জ্বলে মাণিক অপাৰ।
শেতে নেতে মণ্ডিত নগৰী জাতিস্কাৰ।।[৬]

নগৰ-গাঁও, ধনী-নিৰ্ধনী, দৰিদ্ৰ, ব্ৰাহ্মণ, ক্ষত্ৰিয় আদি ছত্ৰিছ জাতিৰ বাসস্থান আছিল। সাধাৰণ প্ৰজাই হাল-কোৰ বাই খেতি কৰি জীৱন নিৰ্বাহ কৰিছিল। মুঠতে সেই সময়ৰ সমাজখন আছিল কৃষিভিত্তিক। তদানীন্তন জনসাধাৰণে যে কৃষিৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰিছিল তাৰ আভাস তলৰ উদ্ধৃতিসমূহৰ পৰা পোৱা যায় ঃ

ক বিচিধান কইলো যেনে উখৰাভূমিত।[৭]
খ মেৰুৰ সমান চৰাব কৰিল খৰিকা জহাৰ পিঠা।[৮]
গ ষাণ্ডে ধান খাইলে তাঁতিৰ কাটে বাটি ।[৯]
ঘ খৰ লগা ধান যেন বৰিষণ জলে ।[১০]
ঙ কোন বংশে হোৱস পতান যেন তুস।[১১]
চ মুখে দিল ধান আখৈ হোৱে যেন হেসনি বহে নিশ্বাস।[১২]

বন-উপবন-আশ্ৰমৰ বৰ্ণনাত যিবোৰ জীৱ-জন্তু, চৰাই-চিৰকতি, গছ-ফল-ফুলৰ নাম পোৱা যায়, সেইবোৰৰ সৰহভাগেই অসমৰ প্ৰকৃতিৰ বুলি অনুমান কৰিব পাৰি। মূল বাল্মীকি ৰামায়ণত সাতোটা কি আঠোটা শ্লোকত চিত্ৰকূটৰ নৈসৰ্গিক শোভাৰ ছবি চিত্ৰিত হৈছে। কন্দলীয়ে সুদক্ষ চিত্ৰশিল্পীৰ দৰে চিত্ৰকূটৰ বিস্তৃত বৰ্ণনা সংযোগ কৰিছে ঃ

দেখা দেখা জানকী হৰিষ কৰি মন।
ফলমূল যুকুত বিবিধ তৰু বন।।

৬। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ১৪৯৮
৭। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৫৮৪৫
৮। উক্ত গ্ৰন্থ, পদ- ৫৪২২
৯। উক্ত গ্ৰন্থ, পদ- ৬০২৯
১০। উক্ত গ্ৰন্থ, পদ- ৪৯৫৫
১১। উক্ত গ্ৰন্থ, পদ- ৫২৯৪
১২। উক্ত গ্ৰন্থ, পদ- ৫২০৮

জাই যুতি বকুল বন্দুলি কৰ্ণিকাৰ।
কাঞ্চন তগৰ কুন্দ শেৱালী মন্দাৰ।।
অশোক পলাশ ফুলি গৈল হিসাহিসি।
নাগেশ্বৰ চম্পক ফুলিল অহর্নিশি।।[১৩]

এইখিনেতে মনকৰিবলগীয়া যে, অসমীয়া ৰামায়ণৰ কবিয়ে তেওঁৰ ৰচনাত কেৱল চিনাকী ফুল-ফলৰ নামেই অন্তৰ্ভুক্ত কৰা নাই, আনকি জোক-পোক, কীট-পতঙ্গ আদিকো বৰ্ণনাত ঠাই দিছে। জীৱ-জন্তু, পোক-পৰুৱাৰ ভিতৰত আছে ঃ অজগৰ, ইন্দুৰ, উই, ওকণি, ঋষভ, ক্রিমি, কুম্ভীৰ, কচ্ছপ, কৃষ্ণ সাৰ, কুঞ্জৰ, গোদা গোদাঙ্গুঁল, গণ্ড, গজ, গুণ্ডকুৰি পৰুৱা, গবয় (গৰু) ঘোং, ঘঁৰিয়াল, চোৰবিপহু, ছাগ, টুনিসাপ, নেউল, নিগনি, ফৰিং, বানৰ, বৃষ বৰাহ, বাঘ-বাঘিনী, বিড়ালী, ভালুক, ভ্রমৰ, মৃগ, মগৰ শিশু (শিহু), সোণগুঁই, সিংহ আদি। এইদৰে যথাসম্ভৱ নিষ্ঠাৰে কন্দলীয়ে তেওঁৰ সমকালীন অসমখনৰ ছবি ফুটাই তুলিছে- লংকাৰ উপবন, বিভিন্ন ঋষি-মুনি আশ্ৰম আদিৰ নৈসৰ্গিক চিত্ৰৰ বৰ্ণনাৰ জৰিয়তে।

বাল্মীকিৰ অযোধ্যাকাণ্ডত ৰামৰ প্ৰাসাদৰ এটি বিৱৰণ উপস্থাপিত হৈছে।[১৪] কন্দলীয়ে ৰামৰ প্ৰাসাদৰ বৰ্ণনা দিছে, কিন্তু এই বৰ্ণনা পুৰণি অসমৰ কাঠ-বাঁহেৰে নিৰ্মিত এটি আহল-বহল ঘৰৰ বৰ্ণনাহে । কবিৰ ভাষাত ঃ

সুবৰ্ণৰ মাগুলি চালত বলিযাইল।
বৈদুৰ্য্য ৰুৱলি শুদ্ধ ৰজতেহি ছাইল।
শতেক শতেক হাত চৈধ্যয মাগুলি।
পশ্চাশ পশ্চাশ হাত এৰ্কৈক ৰুৱলি।।[১৫]

অসমীয়া ৰামায়ণত ৰামৰ ভৱন অসমীয়া ঘৰৰ দৰে খুটা, মাৰলি, ৰুৱা, সুচি আৰু কামিৰে নিৰ্মিত। কন্দলী কল্পিত ৰাম-ভৱনত দেৱালভিত্তিক চিত্ৰ কৰ্মৰ সবিশেষ বিৱৰণ পোৱা যায়। অনুমান হয় মাধৱ কন্দলীৰ সময়ত ৰাজভৱন বা আঢ্যৱন্তসকলৰ ঘৰৰ বেৰত এনেধৰণৰ চিত্ৰাংকন কৰাৰ ৰীতি প্ৰচলিত আছিল। এই কথা মাধৱ কন্দলীৰ সমসাময়িক কবি হৰিবৰ বিপ্ৰৰ 'বভ্ৰুবাহনৰ যুদ্ধ' কাব্যৰ বৰ্ণনাৰ পৰাও জানিব পাৰি। সুন্দৰাকাণ্ডত বৰ্ণিত লংকাৰ বৰ্ণনাও যেন তথাকথিত অসমৰ সেই সময়ৰ এখনি চিনাকী উদ্যানহে। যেনে ঃ

গুঞ্জৰিত শবদে ভ্ৰমৰা মধুপান।
পদ্মিনী দিঘী জলাশয় ৰম্য থান।।

১৩। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-২০৭৩
১৪। বাল্মীকি ৰামায়ণ, -২/১৫/৩০-৩৭
১৫। কন্দলী ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৬৪১

সৰল পিয়াল খৰনিখৰ খৰ্জ্জুৰ।
শাল তাল তমাল গমাৰি বীজপুৰ।।
অশ্বত্থ কপিত্থ বট নাৰঙ্গ বদৰ।
তেন্তেলি কন্টকি আম জাম নাগেশ্বৰ।।
খাজুৰি হাৰিঠা আমলখি ডহাফল।
ছাতিয়াল গুৱা নাৰিকেল যে শ্ৰীফল।।
সলঙ্গা মহৰি আৰু কমলা টেঙ্গৰা।
কৰ্দ্দে পিচুমৰ্দ্দক যে সোলঙ্গা আমৰা।।
কদম্ব গুলাল পাৰিজাতক আশেষ।
সেৱতী মালতী গুটিমালী যে বিশেষ ।[১৬]

আকৌ লংকা নগৰীৰ বৰ্ণনাৰ অনুষংগত উপস্থাপন কৰা নামবোৰো অসমীয়া লোকজীৱনৰ অতিকে পৰিচিত ফলমূলৰ নাম। এনে নামৰ দুই এটাহে মূল ৰামাযণৰ পৰা অনা হৈছে। তলত দিয়া ফলবোৰৰ ব্যবহাৰ অসমীয়া লোকজীৱনত সদা-সৰ্বদাই লক্ষ্য কৰা যায়।

কমলা কপুৰা কন্টকি যে নাৰিকল।
আম জাম্ব লেটেকু বদৰী জৰা বেল।।
কৰদই আমৰা বসন্ত কেন্দু কল।
মধুৰি মুহৰি নানাবিধ পকা ফল।।[১৭]

খ শাসন ব্যৱস্থা আৰু সমাজ ব্যৱস্থাৰ বৰ্ণনাত লোক-সাংস্কৃতিক সমল :

কন্দলীৰ ৰামায়ণে চতুৰ্দশ শতিকাৰ অসমীয়া ৰাজনৈতিক জীৱন আৰু সামাজিক জীৱনৰ ভালেখিনি তথ্য পোহৰলৈ আনিছে। ৰাজ-অভিষেক,. শাসন সম্পৰ্কীয় বিভিন্ন নীতি-নিয়ম, ৰাজকীয় আদৱ কায়দা তথা আদৰ-অভ্যৰ্থনা, সেৱা-সৎকাৰ, মান-সম্মানত প্ৰযোগ কৰা বিভিন্ন ব্যৱহাৰিক পৰিবেশ বৰ্ণনাই সমসাময়িক সমাজ জীৱনৰ পৰিচয় দাঙি ধৰিছে। চতুৰ্দশ শতিকাৰ অসমৰ শাসন ব্যৱস্থাও ৰাজতন্ত্ৰৰ অধীনতে চলিছিল। কন্দলীৰ শাসন সম্পৰ্কীয় বৰ্ণনাত বৰাহী ৰজা মহামাণিক্যৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। কন্দলীৰ বৰ্ণনামতেও ৰজাই আছিল ৰাজ্যৰ শাসন-যন্ত্ৰৰ মুখ্য পৰিচালক। শাসনৰ বাঘজৰী হাতত লৈ ৰজাই যি আদেশ কৰে তাকেই প্ৰজাসকলে মূৰ দোঁৱাই পালন কৰে অৱশ্য নীতি ব্যৱস্থাই' ৰজাক স্বেচ্ছাচাৰী শাসক হোৱাত বাধা প্ৰদান কৰে কিয়নো :

১৬। কন্দলী ৰামায়ণ, সুন্দৰাকাণ্ড, পদ -৪০৮৮-৮৯
১৭। উক্ত গ্ৰন্থ, পদ-৫৪৮৩

নৃপতিসবৰ বৃদ্ধি মত্ত হস্তী গওঁ।
নীতি আঙ্কুশেকে যদি নকৰিলে সওঁ।।
মন্ত্রী হৈয়া ৰাজাৰ বিৰুদ্ধে মতি লয়।
মিছাতেসে ভূঞ্জা ৰাজ্য চোৰৰ আশ্রয়।।[১৮]

দোষীক দণ্ড বা শাস্তি দিয়াটোও বিধি সম্মত হ'ব লাগিব। যেনে ঃ

ভেদ শাম দম যে উপায় নিসিজয়।
তেবেসে বিহিয দণ্ড শাস্ত্রত আশ্রয় ।।[১৯]

কন্দলীৰ বৰ্ণনামতে দোষ (crimes) আৰু পাপ (sins)ৰ ধাৰণা একে। সমাজত লটক, তস্কৰ, টেন্টন, চোৰ, খন্টাচোৰ, মচ্চল (liar) আদিও আছিল। যেনে ঃ

দুহাস্তৰো আগে পাচে কৰন্ত শপত।।
মোহোৰ কপট যেৱে সত্য পটুৱাওঁ।
মিছা যেৱে বোলো ব্রহ্মবধ পাপ পাওঁ।।
দশ কপিলাক মাৰো গুৰুভাৰ্য্যা হৰো।
ৰামক পঠাইলো বনে আত্মঘাত কৰো।।
মোৰ বোলে বুলিলা কৈকেয়ী নিজ মাব।
ঘোৰ নৰকত তেবে মোৰ হৌক ঠাব।।[২০]

০ ০ ০ ০ ০

কোনবংশে উতপতি তিৰী চোৰ নট।
সীতা হৰি নিলা তাৰ কমন কপট।।[২১]

০ ০ ০ ০ ০

মাতৃবধ লাগিবে ইহাতে মই হাৰো।[২২]
স্ত্রীবৈৰী পিতৃবৈৰী সীমাবৈৰী নহো।।[২৩]

০ ০ ০ ০ ০

ব্রহ্মবধ সুৰাপান গুৰুৰ ভাৰ্য্যাক হৰে
মহাপাপ সুবৰ্ণ হৰণ।
ৰাজবধ পিতৃবধ গুৰুতিৰী মাৰে আৰু
আচাৰে যতেক পাপকৰ্ম।।[২৪]

১৮। উক্ত গ্রন্থ, পদ -৫৪৮৩
১৯। উক্ত গ্রন্থ, পদ -৪৭৪১
২০। কন্দলী ৰামায়ণ, অযোধ্যাকাণ্ড, পদ -২৩১৩
২১। উক্ত গ্রন্থ, পদ -৩৩৪১
২২। উক্ত গ্রন্থ, পদ -২৪৪৬
২৩। উক্ত গ্রন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ -৩৫১২
২৪। উক্ত গ্রন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ -৩৫৬৭

আকৌ,

কাটিবাক লাগি যেন লৈয়া চোৰ।[২৫]

০ ০ ০ ০ ০

উত্তম নাৰীৰ স্বামী যেহেন টেন্টন।[২৬]

ৰাজ্যত বান্ধিতে সবে লটক তস্কৰ [২৭]

০ ০ ০ ০ ০

খন্টাচোৰ মচ্চল যতেক দুৰাচাৰ[২৮]

০ ০ ০ ০ ০

সিদ্ধি খুজি ফুৰন্তে দুৱাৰে পাইল পথ[২৯]

০ ০ ০ ০ ০

কাটিবেক লাগি যেন লৈয়া যায় চোৰ[৩০]

মূৰ খুৰাই, চুণ চিটিকাই লৈ ফুৰোৱাটোও সমাজত যেন দোষীৰ আন এক যথাবিহিত ব্যৱস্থা। যেনে :

মাথা মুণ্ডি পাঞ্চ চৰিলা কৰিয়ো
গলে দিয়া কালি চূণ।
দূতৰ শাস্তি যে প্ৰাণান্তিক নুহি
গাৱে কিছু কৰে খুন।।[৩১]

ৰাৱণে তেওঁৰ সভাত মন্ত্ৰীবৰ্গৰ আলোচনা কৰোঁতে মন্ত্ৰীৰ থাকিবলগীয়া বিভিন্ন প্ৰকাৰৰ গুণবোৰলৈ আঙুলিয়াই দিছে। লংকালৈ দূত হৈ যোৱা হনুমানৰ কথা-বতৰা আৰু মনোভাৱৰ মাজেৰে কন্দলীয়ে সমসাময়িক ৰাজনৈতিক ধ্যান-ধাৰণা ব্যক্ত কৰিছে। মেঘনাদে ৰাজসভাত ব্যক্ত কৰে যে, যিদৰে ৰোগে দেখা দিয়াৰ লগে লগে ৰোগনিৰ্মূল কৰিব লাগে। সেইদৰে শত্ৰুয়ে প্ৰথম মূৰ দাঙি উঠোতেই তাক ধ্বংস কৰিব লাগে। যেনে :

প্ৰথম ৰোগত যেৱে নেদয় আসুধি।
ব্যাধি বাঢ়ি গৈল পাচে হৃত হোৱে বুদ্ধি।।[৩২]

ৰামক সিংহাসনত বহুৱাৰ মন কৰি ৰজা দশৰথে শত্ৰুৰ ওচৰ চাপিব পৰা ষড়বিধি

২৫। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ -৩০৬৫
২৬। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ -৩৬১৪
২৭। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ -৪১৫৭
২৮। মাধৱ কন্দলী : ৰামায়ণ, কিষ্কিন্ধ্যাকাণ্ড, পদ -৩৬৩০
২৯। উক্ত গ্ৰন্থ, পদ -৩৮৯৬
৩০। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ -৩০৬৩
৩১। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ -৪৪৯৩
৩২। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ -৪৪৮৮

আদিকে ধৰি কেতবোৰ ব্যৱহাৰিক উপদেশ ৰামক দিয়া দেখা যায়। যেনে ঃ

জন প্ৰতিপালিবে জানিবে ছয় গুণ।।
সন্ধি বিগ্ৰহৰ তত্ত্ব আৰৰ আসন।
দ্বৈধ সয্য যান ছয় গুণে দিবে মন।।[৩৩]

সম্ভৱতঃ উক্ত তথ্যসমূহ লক্ষ্য কৰিয়েই মহেশ্বৰ নেওগে মন্তব্য কৰিছে যে, মন্ত্ৰী বা ৰাজদূতৰ কৰ্ত্তব্য অথবা শত্ৰুৰ ওচৰ চাপোঁতে পালিবলগীয়া ষডবিধিৰ সঘন উল্লেখেই প্ৰমাণ কৰে যে কন্দলীৰ পৃষ্ঠপোষক ৰজা মহামাণিক্যই এই ৰাজনৈতিক ধাৰণাবোৰক ব্যৱহাৰিক ক্ষেত্ৰতো প্ৰয়োগ কৰিছিল।[৩৪]

সন্ধিকৈ (সন্দিকৈ) আৰু পাইক— এই দুটা শব্দৰ উল্লেখ কন্দলী ৰামাযণত পোৱা যায়। ডা-ডাঙৰীয়াৰ ঘৰত গা খাটি দিযা আৰু অন্যান্য কাযিক শ্ৰম কৰা পাইকসকল এক শ্ৰেণীৰ সক্ষম বনুৱা বুলি অসম বুৰঞ্জীত পোৱা যায়।[৩৫]

কন্দলীযে এঠাইত 'পাতৰ' শব্দৰ ব্যৱহাৰ কৰিছে। "কেহো বোলে তুমি হোৱা কিসৰ পাতৰ"।[৩৬] পাতৰ শব্দই কন্দলীৰ সমসাময়িক সমাজত নিশ্চয় ওখ খাপৰ বিষযাক বুজাইছে। অসম বুৰঞ্জীত পাতৰক বৰফুকন বা ৰাজপ্ৰতিনিধি (Viceroy) খিতাপৰ উপযুক্ত ৰাজবিষয়াসকলৰ অন্যতম বুলি বৰ্ণনা কৰিছে।[৩৭] সন্দিকৈ উপাধিধাৰী ব্যক্তিক আহোম ৰাজ্যত বৰবৰুৱা (মুখ্যবিচাৰক) বা বৰফুকন (মুখ্য সামৰিক বিষয়া) বাব দিয়া হৈছিল। এইবিলাক মধ্যযুগীয়া শাসন ব্যৱস্থাৰ প্ৰতিচ্ছবি। মূল বাল্মীকি ৰামায়ণত এইবোৰৰ আভাস পোৱা নাযায়।

যুদ্ধ বিষয়ৰ বৰ্ণনাত যুদ্ধৰ আয়োজন, সৈন্য সংগ্ৰহ, যুদ্ধযাত্ৰা, বিভিন্ন ধৰণৰ যুদ্ধ, যান-বাহন, অস্ত্ৰ-শস্ত্ৰ আদিৰ নাম পোৱা যায়। এইবোৰৰ ভিতৰত চতুৰঙ্গ সেনা, পদাতিক, কটক, ধনুৰ্ধৰ মহাবীৰ, সেনাপতি, যুথপতি, যুঁজাৰু আদি উল্লেখযোগ্য। ভাৰতীয় সকলো সাহিত্য আৰু 'পুৰাণ' আদিত হয় হস্তী, ৰথ, পদাতিক এই চতুৰংগ সেনাবাহিনীৰ উল্লেখ থকা দেখা যায়। নৌসেনা বা নৌবাহিনীৰ উল্লেখ পুৰণি পুথিত দেখা নাযায়। কন্দলীৰ 'ৰামায়ণ'ত কিন্তু নৌবাহিনীৰ ছবি চিত্ৰিত হৈছে। ভৰতে ৰামক বনৰ পৰা ঘূৰাই আনিবলৈ যাওঁতে গংগা পাৰ হোৱা প্ৰসংগত কন্দলীয়ে দিয়া নৌবাহিনীৰ বৰ্ণনা ঃ

নিৰন্তৰে নাৱৰা গংগাত কেলি কৰে।

৩৩। উক্ত গ্ৰন্থ অযোধ্যাকাণ্ড, পদ -১৫৪১

৩৪। M Neog 'Assamese Literature Before Snakaradeva' in Aspects of Early Assamese Literature, ed B Kakati, p 29

৩৫। পদ্মনাথ গোহাঁঞিবৰুৱা ঃ অসম বুৰঞ্জী, পৃ -২১৩

৩৬। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰাকাণ্ড, পদ -৩৮৯৬

৩৭। পদ্মনাথ গোহাঁঞিবৰুৱা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ -২২৮

কতো কতো নাৱত সহস্র লোক ধৰে।।
পঞ্চদশ শতলোক কাহাতো ধৰয়।
কাহাতো ষোড়শ শত কাহাতো শতৰয়।।
গৈল লৰি ৰংগে বৰ অশ্ব গজ দলে।
দিন-গোট পাৰ হৈল কটক সকলে।।
পঞ্চিশে তিৰিশে চল্লিশে সে হাতী চৰে।
তথাপিতো নাৱ সব খানিকো নলৰে।।
পৰ্বত সমান নাৱ সৱে বহি যায়।
ছাপে ছাপে নাৱ যেন পৱন উৰায়।।[৩৮]

অযোধ্যাকাণ্ডৰ আন এঠাইতো নাৱৰ উল্লেখ পোৱা যায় ঃ

আউৰ কিবা চাৰ কোটি সংখ্যা নাৱ
সজায়ো ঝণ্টে আমাৰ।
নকৰিবা দৈন্য যেন পৰসৈন্য
গঙ্গাঁত নুহিকে পাৰ ।।[৩৯]

ভেল, ভেলা বা ভুৰ মধ্যযুগীয় অসমীয়া লোকসমাজত যে প্রচলিত আছিল তাৰ প্রমাণ কন্দলীৰ ৰামায়ণত পোৱা যায় ঃ

কতো হান্টি কতো ভুৰে কতলোক ভেলে।
কতো কতো সাম্ভুৰিয়া পাৰ হোৱে হেলে।।[৪০]

গড বান্ধি যুঁজা ৰীতি মধ্যযুগীয় অসমৰ যুদ্ধৰ বৈশিষ্ট্য। কন্দলীয়ে বাস্তৱ অভিজ্ঞতাৰ ভেটিত ৰাম ৰাৱণৰ যুদ্ধৰ সময়ত কাঠৰ গড সজাই গড়ৰ ভিতৰৰ পৰা আৰু সময়ে সময়ে গড়ৰ বাহিৰলৈ ওলাই গৈও ৰামৰ বাহিনীয়ে ৰাৱণৰ বাহিনীৰ বিৰুদ্ধে যুঁজ কৰা বৰ্ণনাও কন্দলীৰ সমকালীন যুদ্ধৰীতিৰ পৰিচয় ভিন্ন আন একো নহয়। যেনে ঃ

বীৰ বাহু বল আৰ সুবাহু বানৰে।
কাঠগড়া নিৰ্ম্মিলেক আদেশে ৰামৰে।।
পূৰ্বৰ দুৱাৰে কুমুদাক্ষ নামে হৰি।
দশ কোটি সেনা লৈয়া থাকিলা আৱৰি।।
দক্ষিণ দুৱাৰে কাঠ গডাক আকলি।

৩৮। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ -২৪৫৪-৫৬
৩৯। উক্ত গ্রন্থ ঃ পদ -২৩১২
৪০। উক্ত গ্রন্থ ঃ অযোধ্যাকাণ্ড , পদ -২৪৫৭

ত্ৰিছ কোটি বানৰ থাকিলা মহাবলী।।[৪১]

কবি কন্দলী আছিল এজন সুদক্ষ পৰ্য্যবেক্ষক। বাল্মীকি ৰামায়ণৰ মূল কাহিনীৰ লগত পাৰস্পৰিক সংগতি ৰক্ষা কৰি থলুৱা পৰিবেশৰ ৰহণ দিবলৈ ক'তো তেওঁ যত্নৰ ত্ৰুটি কৰা নাই। আনকি সীতাৰ দোলা ৰখীয়াকো সমকালীন অসমৰ বিশিষ্ট ৰাজপুৰুষ বা ডা-ডাঙৰীয়াসকলৰ দোলা ৰখীয়াৰ ৰূপত উপস্থাপন কৰিছে। যেনেঃ

হাতত বেতৰী গাৱত কাঞ্চনী

মাথাত ওলোমা পাগ।[৪২]

কন্দলী ৰামাযণৰ বিভিন্ন প্ৰসংগত চৌবিশ বিধ অস্ত্ৰৰ নাম উল্লেখ কৰা হৈছে। এইবোৰৰ ভিতৰত কটাৰ, কটাৰী, কুঠাৰ খড়গ, খাণ্ডা, গদা, বাণ, ত্ৰিশুল, ধনুশৰ, নাৰাচ, নাগপাশ, পাশ, পৰিঘ, পৰশু, বজ্ৰ, মুদ্‌গৰ, মুষল ইত্যাদি। এইবিলাকৰ কিছুমান মূল ৰামাযণৰ হ'লেও বেছি ভাগেই সমসামযিক লোকজীৱনত ব্যৱহৃত অস্ত্ৰৰ নামহে।

গ জাতি, বৃত্তি, ব্যৱসায় আদিৰ বৰ্ণনাত লোক-সংস্কৃতিক সমল ঃ

শংকৰদেৱৰ বৈষ্ণৱ আন্দোলনৰ সুত্ৰপাত হোৱাৰ ঠিক আগলৈকে অসমৰ বৰ্ণ আৰু জাতি-ব্যৱস্থা কেনেকুৱা আছিল তাৰ কিছু বাস্তৱ চিত্ৰ মাধৱ কন্দলীৰ 'ৰামাযণ'ত পোৱা যায়। মাধৱ কন্দলীযে চাৰি বৰ্ণৰ উল্লেখ একাধিকবাৰ কৰিছে। যেনে ঃ

ব্ৰাহ্মণ, ক্ষত্ৰিয বৈশ্য শূদ্ৰ সবে আচৰয

যাহাৰ বিহিত যেন ধৰ্ম।[৪৩]

০ ০ ০ ০ ০

ব্ৰাহ্মণসকলে নপঢয আৰো বেদ।।

ক্ষত্ৰে এৰিলেক অস্ত্ৰ কৰ্ম ধৰ্ম।

বৈশ্যে এৰিলেক কৃষি বাণিজ্যৰ কৰ্ম।।

শূদ্ৰে এৰিলেক সেৱা বিষাদিত সবলোক।[৪৪]

মাধৱ কন্দলীৰ ৰামাযণত কাযস্থ জাতিৰো উল্লেখ পোৱা যায়। কাযস্থ সম্ভৱতঃ প্ৰাচীন কালত এটি বৃত্তিমূলক উপাধি আছিল। ধৰ্মীয় আচাৰ-আচৰণ, দৈনন্দিন ষট্‌কৰ্মৰ প্ৰতি আনুগত্য আৰু সামাজিক সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত ৰক্ষণশীলতা সেই যুগৰ ব্ৰাহ্মণে কঠোৰভাৱে অনুসৰণ কৰিছিল। ব্ৰাহ্মণসকলে সমাজৰ লোকসকলৰ পৰা শ্ৰদ্ধা লাভ কৰিছিল। ব্ৰাহ্মণ হত্যা আৰু ব্ৰাহ্মণৰ দ্ৰব্য অপহৰণ পাপৰূপে পৰিগণিত হৈছিল

৪১। উক্ত গ্ৰন্থ ঃ লংকাকাণ্ড, পদ -৫০৩৭
৪২। উক্ত গ্ৰন্থ ঃ পদ -৬৪৭৮
৪৩। মাধৱ কন্দলী ঃ ৰামায়ণ, লঙ্কাকাণ্ড, পদ -৬৭০৫
৪৪। উক্ত গ্ৰন্থ ঃ অযোধ্যাকাণ্ড, পদ -২০০৫-০৬

কিন্তু সেই একে কালতে সাধাৰণৰ চকুত ব্ৰাহ্মণসকলৰ মৰ্য্যাদা ক্ষুণ্ণ হোৱা যেন লাগে। ইয়াৰ এটা থাই কাৰণ, অৰ্থনৈতিক স্বচ্ছলতাৰ ক্ষেত্ৰত তেওঁলোক পিছ পৰি আছিল। ইয়াৰ আভাস কন্দলীৰ ৰামায়ণত এনেদৰে পোৱা যায় :

পাচে বৃদ্ধ ব্ৰাহ্মণে ৰামক পাইল ভেট।
আমি পাঞ্চ বৰিযে ৰাজাত কৰি জেষ্ঠ।।
শিশুসুত মোহোৰ কিন্তৰ পৰিজন।
পুষিতে নপাৰো মোক কিছু দিয়ো ধন।।[৪৫]
০ ০ ০ ০ ০

হাতত কৰণ্ডীকুশ চৰৱী খোখোৰা ছাতি
সনপাঙ্খি হেন ভৈল কেশ।।
আপোন লাঙুলে তান কান্ধৰ লগুণ ভৈল
জক মক কৰে ফোট দান্ত।।[৪৬]

সমসাময়িক সমাজৰ বৃত্তিমূলক জাতিবোৰৰ কথা কন্দলীয়ে উল্লেখ কৰিছে। বৃত্তিমূলক জাতিৰ সংখ্যা হিচাপে 'ছত্ৰিছ' শব্দটো জনপ্ৰিয় আছিল বুলি ধাৰণা হয়। বংগদেশতো 'ছত্ৰিছ জাতি' শব্দটোৰ প্ৰচলন আছে। উড়িষ্যাৰ 'ছত্ৰিছ পাটক' এই ছত্ৰিছ জাতিৰেই নামান্তৰ। এই বৃত্তিকেন্দ্ৰিক জাতিবোৰৰ সৰহভাগেই শূদ্ৰ সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত আছিল।[৪৭]

মাধৱ কন্দলীয়ে বৃত্তিমূলক জাতিবিলাকৰ এখন তালিকা এইদৰে আগবঢ়াইছে:

মন্ত্ৰী বৈশ্যগণ কায়স্থ সজ্জন
নট ভাট তেলী তান্তী।
ঠঠাৰি সোণাৰী কসাৰ সেখাৰি
ভৰতৰ লগে যান্তি।।
বণিয়া চমাৰ কমাৰ সুতাৰ
ধোবা আৰো কুম্ভকাৰ।
ইসব প্ৰমুখ্যে চলিল যতেক
আদি অন্ত নাহি তাৰ।।[৪৮]

কন্দলীৰ মতে ব্ৰাহ্মণ, বিপ্ৰসকল, কুলগুৰু পুৰোহিত, উপাধ্যায় স্বৰূপে নিযুক্ত

৪৫। উক্ত গ্ৰন্থ : পদ -১৮৭২
৪৬। মাধৱ কন্দলী : সুন্দৰাকাণ্ড, পদ -৪৩৪৪
৪৭। মলয় বৰা : মাধৱ কন্দলীৰ ৰামায়ণত জাতি, বৰ্ণ আৰু বৃত্তি প্ৰসংগ (অসম সাহিত্য সভা পত্ৰিকা), পৃ. -৪২
৪৮। মাধৱ কন্দলী : ৰামায়ণ; অযোধ্যাকাণ্ড, পদ -২৩৮২

হৈছিল। দৈৱজ্ঞসকলে গ্ৰহ পূজা আৰু গননা কৰিছিল। যোগী ('যোগীৰ কান্ধত কানি ঝুলি যত হা৮ দোৱাদশ কাথি') যতী, ভিক্ষু মহন্তৰো সমাজত উচ্চ স্থান আছিল। নট, নটী এই শব্দ দুটাৰ উল্লেখ বহুবাৰ পোৱা গৈছে। ব্যৱহাৰ ৰীতিৰ পৰা বুজা যায় যে তেখেতে নটীক বৃত্তিধাৰী নাচনী হিচাপে গণ্য কৰিছে—

গুৰু গৰ্বিতক একো নমানস
যেন ভৈলি তই নট।
× × × × ×
বক্ৰভাৱে শুতিলেক ৰঞ্জাইত কটি।
ভঙ্গিভাৱ কৰি যেন ৰঙ্গেঁ নাচে নটী।।
× × × × ×
আমাক ইতৰ নাৰীসম দেখিলাহা।
নটৰ নটিনী যেন আনক বিলাহা।।[৪৯]

মাছ্ আৰু মাছ্ ধৰাৰ উপমাবোৰৰ পৰাও মাছমৰীয়া সম্প্ৰদায়ৰ উমান পাব পাৰি।

ঘ ধৰ্ম, ধৰ্মবিশ্বাসৰ প্ৰসংগত লোকসাংস্কৃতিক সমল :

কন্দলীৰ 'ৰামায়ণ'ৰ প্ৰত্যেক অধ্যাযৰ শেষত সংযোজিত ভণিতা প্ৰক্ষিপ্ত বুলি উপেন্দ্ৰ চন্দ্ৰ লেখাৰু আদি পণ্ডিতে মন্তব্য কৰিছে। গতিকে তাত উল্লিখিত শব্দ বা বৰ্ণনাৰ পৰা সমসাময়িক সমাজৰ ধৰ্ম বা ধৰ্মীয় বিশ্বাসৰ সম্বন্ধে মন্তব্য কৰা সমীচীন নহ'ব।[৫০] ভণিতাৰ বাহিৰে বাকী কাহিনীভাগৰ বৰ্ণনাত সিঁচৰতি হৈ থকা চিত্ৰসমূহৰ পৰা সেই সময়ৰ ধৰ্ম আৰু ধৰ্মীয় বিশ্বাসৰ বিষয়ে কিছু তথ্য উদ্ধাৰ কৰিব পাৰি।

বাল্মীকিয়ে উল্লেখ নকৰা সত্বেও শিৱ, দুৰ্গা আদি দেৱ-দেৱীৰ নাম বহু ঠাইত উল্লেখ পোৱা যায়। শিৱ, দুৰ্গাক স্থাপন কৰি পূজা কৰাৰ কথাও 'ৰামায়ণ'ৰ কাহিনীৰ মাজত পোৱা যায়। অসমত বৈষ্ণৱ জাগৰণৰ আগতে বৈষ্ণৱ ধৰ্মৰ এটা ক্ষীণ সুঁতি প্ৰবাহিত হৈ আছিল যদিও শৈৱ আৰু শাক্ত ধৰ্মৰহে প্ৰাবল্য আছিল, কাৰণ এই দুটা ধৰ্ম অসমৰ প্ৰাচীন ধৰ্ম আৰু অসমৰ অনাৰ্য্য প্ৰধান লোক সমষ্টিৰ বিশ্বাসৰ অনুকূল ধৰ্ম ৰামৰ পিছে পিছে যোৱা প্ৰজাসকলৰ মাজত মুখত 'শিৱ', 'শিৱ' কৈ উচ্চাৰণ কৰি কানি-জুলি লৈ যোৱা শৈৱ সম্প্ৰদায়ৰ যোগি মানুহ বিলাকলৈ মন কৰিলে সহজে অনুমান কৰিব পাৰি, শৈৱ সম্প্ৰদায়ৰো সামাজিক ভিত্তি আছিল। শৈৱ সম্প্ৰদায়ৰ নাথ বা যোগীসকলৰ ছবি হাস্যাস্পদকৈ চিত্ৰিত কৰাৰ পৰা এইটোও ধাৰণা হয় যে,

৪৯। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ -৬৫০৮
৫০। বিৰিঞ্চি কুমাৰ বৰুৱা : কন্দলীৰ ৰামায়ণৰ ভাবাত অসমীয়া জীৱন, (অসম সাহিত্য সভা পত্ৰিকা), পৃ-৭

সমাজত শৈৱ যোগীসকলৰ প্ৰভাৱ টুটি আহিছিল বা সামগ্ৰিকভাৱে সমাজৰ ওপৰত তেওঁলোকৰ প্ৰভাৱ নাছিলেই। কিন্তু উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৱে সঠিকভাৱে আঙুলিয়াই দেখুৱাইছে যে কন্দলীৰ দিনত অসমত শিৱপূজাৰ প্ৰচলন প্ৰবল আছিল আৰু সেয়েই শিৱৰ চিন্তাই তেওঁৰ মনোজগতৰ অধিকাংশ ঠাই আগুৰি আছিল, যাৰ ফলত কন্দলীৰ সমগ্ৰ 'ৰামায়ণ'ত শিৱৰ নাম ৰাঠিবাৰতকৈয়ো অধিকবাৰ উল্লিখিত হৈছে।

উপমাৰ মাজেদি হ'লেও শিৱ আৰু শিৱ পত্নী পাৰ্বতী প্ৰায়েই বিষয়-বস্তুৰ লগত সাঙোৰ খাই আছে যেনে :

পূৰ্বজন্মে নৰাধিলো পাৰ্বতী শঙ্কৰ।
কি কাৰণে মোক পৰিহৰে প্ৰাণেশ্বৰ।।[৫১]

০ ০ ০ ০ ০

ধৌৰলিৰ উপৰত চড়িল যুৱতী।
কৈলাস শিখৰে শোভে যেহেন পাৰ্বতী।।[৫২]

০ ০ ০ ০ ০

তুমি সমে চিত্ৰকুটে হৈবো আমি থিত।
গৌৰী মহাদেৱে যেনে কৈলাস গিৰিত।।[৫৩]

০ ০ ০ ০ ০

ভক্তিভাৱে তুষিয়ো শঙ্কৰ দেৱ হৰি।
সত্বৰে আসিবো মই বনবাস তৰি ।।[৫৪]

শক্তিপূজাৰ বিষয়েও মাধৱ কন্দলীৰ ৰামায়ণৰ পৰা সংকেত পোৱা যায়। দেৱী পূজা, চামুণ্ডা, চণ্ডী (ৰণ-চণ্ডী) এইবোৰৰ নাম আৰু পূজাবিধিৰ ইংগিত ঠায়ে ঠায়ে পোৱা যায়। বলিদানৰ উল্লেখো কেবা ঠাইতো আছে। লংকাকাণ্ডৰ এটা পদত শুক আৰু চাৰণৰ আগত ৰামে নিজে কৈছে যে, তেওঁ বলিৰূপে ৰাৱণৰ দশমূৰ কাটি চণ্ডীৰ উপাসনা কৰিব। যেনে :

দশশিৰ ছেদিবোহো ৰণচণ্ডী পূজিবোহো
ৰাৱণ হৈবেক বলিদান।[৫৫]

চণ্ডীপূজাৰ উপমাব্যঞ্জক পদ আৰু পোৱা যায়। যেনে :

৫১। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ -১৮৩৮
৫২। উক্ত গ্ৰন্থ, পদ -১৫০৪
৫৩। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড পদ -২০৮৮
৫৪। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ -১৯৫৩
৫৫। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ -৪৮৯৬

আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ।।[৫৬]

০ ০ ০ ০ ০

ধীৰে ধীৰে যায় ভৰি নবাঢয আগ।
কাটিবাক নেই যেনে অষ্টমীৰ ছাগ।।[৫৭]

০ ০ ০ ০ ০

উৎসৰ্গৰ ছাগ যেন অৱশ্যে মৰিবি।।[৫৮]

সেই সময়ত দেশত অগ্নিপূজাৰো প্ৰচলন আছিল। সেই পূজাত ক'লা ছাগলী বলি দিয়া হৈছিল ঃ

কলিয়া ছাগল আনি টেটু মসাৰিল।[৫৯]

০ ০ ০ ০ ০

তপত যে ৰুধিৰে লোহাৰ ভৰি স্ৰবে।
অগণিক পূজিলা অক্ষত তিল দূৰ্বে।।
আহুতি কৰয় মন্ত্ৰ পঢ়ে ধীৰে ধীৰে।
ভয়ৰা কাষ্ঠ হুমে মাখিযা ৰুধিৰে।।[৬০]

শনি, সোম আদি বিবিধ গ্ৰহৰ কৃপা লাভ কৰিবলৈ পূজা-পাতল আগবঢোৱা হৈছিল,

সীতাক পাইলেকত যেন শনৈশ্বৰ গ্ৰহে।[৬১]

০ ০ ০ ০ ০

শনিশ্বৰ ভয়ে সৰ্ব্বে সৰ্বস্ব তেজয়।[৬২]

গণপতি আদি অন্য দেৱ-দেৱীৰ লগত বট, বৃক্ষ আৰু তুলসীকো পূজা কৰা হৈছিল। বিপদ-আপদৰ পৰা ৰক্ষা পাবলৈ ধৰ্মীয় বিশ্বাসৰ ফলশ্ৰুতি স্বৰূপে মন্ত্ৰৰ প্ৰয়োগ আৰু ৰক্ষাকৱচ ধাৰণ কৰা হৈছিল।

দেৱত পূজিয়া দেৱী কৰি সমাপতি।

৫৬। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ -২১০৪
৫৭। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ -৩০৬৭
৫৮। উক্ত গ্ৰন্থ, পদ -৩২১২
৫৯। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ -৫৬৭৩
৬০। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড, পদ -৫৬৭৪
৬১। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড পদ -৩১১৯
৬২। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ -৪৮১৫

মঙ্গল কৰিনা মন্ত্ৰ জপিয়া সম্পত্তি।।
ৰক্ষা বান্ধিলন্ত মাথে ৰাম-লক্ষ্মণৰ।
ৰক্ষা কৰন্তোক পথে দেৱ নিৰন্তৰ।।[৬৩]

০ ০ ০ ০ ০

সীতাদেৱী যাত্ৰা দিল সৰ্ব্ব সুকুশল।
ৰক্ষা বান্ধি তুলিলন্ত অব্যাহত চল।।[৬৪]

সম্পূৰ্ণ উপবাসে থাকি অথবা কেৱল ফলমূল খাই ব্ৰত-পালন (উপবাস ব্ৰততে মোৰ সন্তাপ সাধিল) তীৰ্থযাত্ৰাত পূণ্য সঞ্চয়, মাঙ্গলিক কাৰ্য্যত তীৰ্থ-জল প্ৰযোগ, পুণ্য কাৰ্য্যৰ ভিতৰত স্নান ('স্নানত দুস্কৃত যত গুচয নিশেষ, কল্যাণ লভিযা পূণ্য কথা শেষ') দান স্নান উৎসৱ আৰু অন্যান্য সংস্কাৰ পালনত ব্ৰাহ্মণক দান দিযা ধৰ্মীয় বিশ্বাসাদিৰ উমান পোৱা যায়।

ধৰ্ম আৰু ধৰ্মীয বিশ্বাস সম্পৰ্কত উদ্ধৃত কৰা সৰহভাগ পদ বাল্মীকিৰ ৰামাযণত পোৱা নাযায। এইবোৰে সমসাময়িক সমাজক প্ৰতিধ্বনিত কৰিছে আৰু কন্দলীৰ 'কবিসব নিবন্ধয লোক ব্যৱহাৰে' উক্তিক সমৰ্থন কৰিছে।[৬৫]

ঙ খাদ্য আৰু খাদ্যাভ্যাসাদি বৰ্ণনাত লোকসাংস্কৃতিক সমল :

কন্দলীৰ ৰামাযণত পুৰণি অসমৰ খাদ্য আৰু খাদ্যাভ্যাসৰো কিছু সম্ভেদ পোৱা যায। সাধাৰণ দৈনন্দিন কাৰ্য্যৰ ভিতৰত আহাৰ-বিহাৰেই প্ৰধান। কন্দলীৰ ৰামায়ণৰ বৰ্ণনা অনুসৰি ভাত, ফলমূল, শাক-পাচলি আৰু গাখীৰ চৈধ্য-শতিকাৰ অসমীযা মানুহৰ প্ৰধান আহাৰ আছিল। অসমীয়া মানুহে দিনটোত দুবাৰ (দুপৰীয়া আৰু সন্ধ্যা) ভোজন কৰাৰ উল্লেখ পোৱা যায়। দুপৰীযা আৰু নিশাৰ ভোজনৰ বস্তু সুকীয়া সুকীয়া আছিল। ডাকৰ বচনতো এই বিষযে কিছু সংকেত আছে। চাউল অৰ্থাৎ চাউলৰ পৰা প্ৰস্তুত কৰা ভাত সেই সময়ৰ মানুহৰ প্ৰধান আহাৰ আছিল। সিজোৱা আৰু নিসিজোৱা দুযোবিধ চাউলৰ উল্লেখ ৰামায়ণত পোৱা যায়।

মৰিবো কটাৰ হানি নখাই ভাতপানী।[৬৬]

০ ০ ০ ০ ০

আজি থাকি অনুগ্ৰহ কৰিয়ো আমাত।

৬৩। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ -১৮০৩
৬৪। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ -৪৫৪৬
৬৫। সত্যেন্দ্ৰনাথ শৰ্মা : ৰামায়ণৰ ইতিবৃত্ত, পৃ ৩০৪
৬৬। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ -১৬০৪

পৰিচ্ছেদা একে থানে ভুঞ্জো আজি ভাত।।
ৰাঘৱে বোলন্ত বাপ শুনিয়ো আপোনে।
আজি দুয়ো ভাত খাইব কালি খাইবো কোনে।।[৬৭]

আজিও অসমীয়া মানুহৰ মাজত এই নিয়ম দেখা যায়। ক'ৰবালৈ দূৰ হৈ বা অলপ দিনৰ বাবে আঁতৰি যাব লগা হ'লে এসাজ ভাত আগদিনা একেলগে বহি খায়। দশৰথৰ তেনে আহ্বানক ৰামে অস্বীকাৰ কৰিছে, যে আজি বাৰু এসাজ ভাত একেলগেই খালোঁ, কালিলৈনো কোনে খাব? এইয়া কন্দলীৰ আপোন মনৰ সংযোজনা, সমসাময়িক সমাজ তথা পৰিয়ালৰ বান্ধোনৰ প্ৰভাৱ।

আৰৌ,

ৰামে তৈত বন ফলক খাইবন্ত
মই ভুঞ্জিবোহো ভাত।[৬৮]

০ ০ ০ ০ ০

দিব্য শালি তণ্ডুলে ঋষিক দেই ভাত।
মেষ মাংসে ৰান্ধয় ব্যঞ্জন পাঞ্চ সাত।।[৬৯]

০ ০ ০ ০ ০

ৰাৱণে বোলয় দুৰ্জ্জন বানৰা
থাকিবি গৌৰব ৰাখি।
গিৰিবতে লোকে সুখে ভাত খাই
কুকুৰৰ তিনি আখি।।[৭০]

০ ০ ০ ০ ০

গ্ৰাস আঠ সাত খায়া আন্টাইলেক
ব্যঞ্জন যে ভাত পিঠ।
মদ্য যে কধিৰ সুগন্ধ জলক
যাঠি কলসেক পিল।।[৭১]

'ভাত-পানী' এইটো বৰ্তমানলৈকে ব্যৱহৃত অতি ঘৰুৱা অসমীয়া শব্দ। ভাতৰ লগত ব্যঞ্জন বা আঞ্জা আৰু শাক-পাচলি অপৰিহাৰ্য্য আছিল। শাক-পাচলিৰ ভিতৰত

৬৭। উক্ত গ্ৰন্থ, পদ -১৯১২
৬৮। উক্ত গ্ৰন্থ, পদ -১৯৭৫
৬৯। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ -২৭৬০
৭০। মাধৱ কন্দলী : ৰামায়ণ, লংকাকাণ্ড, পদ -৫০২২
৭১। উক্ত গ্ৰন্থ, লংকাকাণ্ড পদ -৫৪৩২

শোকোতায়ো (এবিধ তিতা শাক) ঠাই পাইছিল। মাছ উপাদেয় খাদ্য সামগ্ৰী আছিল। কন্দলীয়ে ৰৌ আৰু শ'ল মাছৰ নাম উল্লেখ কৰিছে। মানুহে বিবিধ জন্তুৰ মাংসও খাইছিল। তাৰ ভিতৰত হৰিণা, মেষ, বৰাহ, ম'হ আৰু ছাগলীৰ মাংস প্ৰিয় আছিল। মাছ ধৰা আৰু জন্তু চিকাৰৰ বিবিধ প্ৰণালীৰ উল্লেখো কন্দলীৰ ৰামায়ণত পোৱা যায় ঃ

মেৰুৰ সমান চৰাৱ কৰিয়া
খৰিকা জহাৰ পিঠা।।
মহিষ বৰাহ ছাগল মাৰিয়া
থৈলা দৌলা দৌলি কৰি।
কোটি অসংখ্যাত ডাণ্ডৰ কলস
মদ্য ৰুধিৰক ভৰি।।[৭২]

০ ০ ০ ০ ০

মহিষ বৰাহ ছাগল ভুঞ্জিয়া
অৰ্দ্ধেক পেট ভৰিল।।[৭৩]

০ ০ ০ ০ ০

শোকোতাক খাইব কেনে অমৃত তেজিয়া।[৭৪]

০ ০ ০ ০ ০

বোজাৰ উপৰে শাক যেন পটম্ভৰ।[৭৫]

০ ০ ০ ০ ০

একহাতে কোনে ধৰিবেক দুই শ'ল। [৭৬]

০ ০ ০ ০ ০

হৰিণাক মাৰিয়া তৈতে খাইলা।[৭৭]

০ ০ ০ ০ ০

মেষ মাংস ৰান্ধিয়া ব্যঞ্জন পাঞ্চ সাত।[৭৮]

০ ০ ০ ০ ০

মহিষ, বৰাহ ছাগল মৰিয়া

৭২। উক্ত গ্ৰন্থ, পদ -৫৪২২
৭৩। উক্ত গ্ৰন্থ, পদ -৫৪৩৩
৭৪। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ -৩১৫৪
৭৫। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ -২৩০২
৭৬। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ -৫১২১
৭৭। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ -৫১২১
৭৮। উক্ত গ্ৰন্থ, পদ -২৭৫৮

থৈলা দৌল দৌল কৰি।[৭৯]

গাখীৰৰ পৰা পায়স, দধি, ক্ষীৰ, ঘৃত প্ৰস্তুত কৰা হৈছিল। অতীজৰে পৰা পায়স অসমীয়া মানুহৰ এবিধ জনপ্ৰিয় খাদ্য। 'কালিকা পুৰাণ'ত দেৱীৰ উদ্দেশ্যে তিৰোতাসকলে পায়স উচৰ্গা কৰাৰ উল্লেখ আছে। লংকাৰ তিৰোতাসকলে পাযস আৰু মিঠা ফলমূল ভাল পোৱাৰ কথাও কন্দলীৰ ৰামায়ণত পোৱা যায়। ডাবৰ পানী উপাদেয় পানীয়।

কমলা কপুৰা কন্টকি যে নাৰিকল।
আম জাম্ব লেটেকু বদৰী জৰা বেল।।
কৰদই আমৰা বসন্ত কেন্দু কল।
মধুৰি মুহৰি নানাবিধ পকা ফল।।[৮০]

সুৰাপানৰ পৰম্পৰাও সাজত প্ৰচলিত আছিল, "মুখ সুঙ্গি চাহন্তে মদ্যৰ পাইল ঘ্ৰাণ"[৮১] লংকাত হনুমন্তই সীতাক বিচাৰি ফুৰোঁতে অনিন্দ্যসুন্দৰী মন্দোদৰীৰ ৰূপ-জেউতি দেখি সীতা বুলি ভাবি ওচৰলৈ যাওঁতে মন্দোদৰীৰ মুখত মদৰ ঘ্ৰাণ পায়। 'হাণ্ডীশালা'ৰ কলহত মদ ভৰাই থোৱা হৈছিল। কলহত প্ৰস্তুত কৰা মদৰ পৰম্পৰা বৰ্তমানো অসমীয়া সমাজত বিশেষকৈ জনজাতীয় সমাজত প্ৰচলিত। আনকি পূজা উপাসনাতো জনজাতীয় জীৱনত মদ অপৰিহাৰ্য্য। গতিকে কলহ বা হাডীত প্ৰস্তুত কৰা মদৰ বৰ্ণনা সমসাময়িক সমাজৰ সামাজিক আচৰণৰ প্ৰতিফলন বুলিব পাৰি।

ভোজনৰ অন্তত কৰ্পূৰ তাম্বোলৰে মুখুদি অৰ্থাৎ মুখ শুদ্ধি কৰাৰ নিযম মাধ ৱ কন্দলীৰ সমকালীন সমাজত প্ৰচলিত আছিল। এই অভ্যাস আজিও পৰম্পৰাগত অসমীয়া সমাজত দেখা যায। বাল্মীকিৰ 'ৰামাযণ' বা 'মহাভাৰত' ক'তোৱেই তামোলৰ উল্লেখ নাই। আহাৰ গ্ৰহণৰ বেলিকা কেতবোৰ বিশেষ উপলক্ষ্যত থকা বাধা-নিষেধৰ ইংগিতো কন্দলীৰ ৰামাযণত পোৱা যায। এইবোৰ আচলতে চতুৰ্দশ শতিকাৰ অসমীযা জাতীয় জীৱনৰ দৈনন্দিন পালন কৰা ৰীতি-নীতি বা আচৰণহে।

চ সাজ-সজ্জা, অলংকাৰ আৰু প্ৰসাধন আদিৰ বৰ্ণনাত লোকসাংস্কৃতিক সমল :

সাজ-সজ্জা, অলংকাৰ আৰু প্ৰসাধন সামগ্ৰীৰ ব্যৱহাৰৰ পৰম্পৰাই একোখন সমাজৰ বস্তু সংস্কৃতিৰ (material culture) পৰিচয় দাঙি ধৰে। মাধৱ কন্দলীৰ 'ৰামাযণ'ৰ পৰা পুৰণি অসমৰ সাজ-পাৰ, আ-অলংকাৰ আৰু সুগন্ধি দ্ৰব্য আদিৰ সম্ভেদ পাব পাৰি।

৭৯। উক্ত গ্ৰন্থ, পদ -৫৪২১
৮০। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ -৪৬৯৮
৮১। উক্ত গ্ৰন্থ পদ -৪১৫০

কন্দলীৰ ৰামায়ণত উল্লেখ থকা মতে উচ্চ শ্ৰেণীৰ লোকে নেত বা পাটৰ বস্ত্ৰ পিন্ধিছিল। ৰজা-ঋষিৰ অভ্যৰ্থনাৰ্থে প্ৰাসাদ বা মণ্ডপলৈ সোমোৱা বাটত নেত অৰ্থাৎ পাট কাপোৰ (আজি-কালি কাৰ্পেট পৰাৰ দৰে) ব্যৱহাৰ কৰা হৈছিল। ৰজাই পৰিধান কৰিছিল 'দেৱাঙ্গ বসন' আৰু জঁটাধাৰী-সন্ন্যাসীয়ে পৰিধান কৰিছিল বাকলি-বস্ত্ৰ। স্নানৰ প্ৰসংগত ব্যৱহাৰ কৰা সাজৰ সুকীয়া উল্লেখো কন্দলীৰ ৰামায়ণত পোৱা যায়। যেনে ঃ

দেৱাঙ্গ বস্ত্ৰক তেজিলন্ত তেতিক্ষণে।
পিন্ধিলা বাকলি বস্ত্ৰ শ্ৰীৰাম লক্ষ্মণে।।[৮২]

মতা মানুহৰ পৰিধান-বস্ত্ৰ হিচাপে মাধৱ কন্দলীয়ে 'ধুতি'ৰ বিষয়ে উল্লেখ

ধুতি কৰণ্ডী আমি চৰৰি বোকণ্ডী থৈয়া
চৰিলাহা বৃক্ষৰ উপৰে।[৮৩]

মাধৱ কন্দলীয়ে সাধু-সন্ন্যাসীৰ সাজ হিচাপে ৰাৱণে মগনীয়াৰ ছদ্মবেশত সীতাক হৰণ কৰিবলৈ যোৱাৰ প্ৰসংগত উল্লেখ কৰিছে ঃ

মেৰাইলেক গাৱত কপিন এক বস্ত্ৰ।
পানৈত চৰিল সিটো কান্ধে এক ছত্ৰ।।
কাখে জুলি কন্থা কমণ্ডলু ধৰি হাতে।
মাথাত ৰুদ্ৰাক্ষ মালা তপস্বী সাক্ষাতে।।[৮৪]

যোগীবিলাকে কানি-জুলি আদি ব্যৱহাৰ কৰিছিল।[৮৫] তিৰোতাই পাটৰ শাৰী, ৰঙীণ বস্ত্ৰ পিন্ধাৰ উমান পোৱা যায়। বস্ত্ৰৰ আঁচলেৰে স্তনযুগল ঢাকিছিল।[৮৬] ওৰণিৰ কিন্তু উল্লেখ নাই।

কন্দলীৰ ৰামায়ণৰ বিভিন্ন ঠাইত বিভিন্ন কেশ-সজ্জাৰ ইংগিত পোৱা যায়। ৰাৱণৰ প্ৰাসাদত হনুমন্তই নিদ্ৰাৰতা সুন্দৰী স্ত্ৰীলোকক নিৰীক্ষণ কৰি ফুৰোঁতে কালিনীখোপাকে ধৰি তিৰোতাই বিভিন্ন ধৰণৰ খোপা বান্ধি কেশ-সজ্জা কৰাৰ আভাস পোৱা যায় ঃ

কালিনীখোপাৰ মাজে বিহৰিলা চেলি।[৮৭]

৮২। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ -১৯২৮
৮৩। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ -৪৩৪৯
৮৪। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ -৩১১৭
৮৫। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ -১৯৬০
৮৬। শিখৰ উপৰে মন্দাকিনীগুৰু জল।
তনক ঢাকিয়া যেন বস্ত্ৰৰ অঞ্চল।।— অযোধ্যাকাণ্ড, পদ-২০৮৬

গাভৰু, ৰমণী আদিয়ে বেণী প্ৰস্তুত কৰি চুলি বান্ধিছিল।[৮৮] সেই যুগৰ নাৰীসকলে খোপাত, গলত ফুল আৰু ফুলৰ মালা পিন্ধিছিল। দেহত অগৰু, চন্দন, কস্তুৰী ঘহিছিল। কপাল আৰু শিৰত সেন্দুৰৰ ফোঁট লৈছিল। বিধৱাসকলে শিৰত সেন্দুৰ আৰু ফোট নলৈছিল। বালীৰ মৃত্যুত তাৰাই কৰা বিলাপৰ পৰা বিধৱাৰ বৈধব্য ৰূপ অনুমান কৰিব পাৰি ঃ

শিখৰ সিন্দুৰ মোৰ খসাইলাহা প্ৰভুদেৱ
ৰাজযোগ্য আনো অলংকাৰ।
পতিব্ৰতা নাৰী হুইয়া কেনমতে ৰহিবোহো
মহাদুখ বিধবাৰ ভাৰ।।[৮৯]

তাৰাৰ বৈধব্য যন্ত্ৰণাৰ ৱৰ্ণনাও লোকাযত সমাজৰ বিধবা নাৰীৰ যন্ত্ৰণাৰ অনুৰূপ।

তিৰোতাসকলে দৰ্পণত মুখ চাইছিল। আলতা ব্যৱহাৰৰ কথাও পোৱা যায়। কন্দলীযে উল্লেখ কৰা বত্ৰিছ অলংকাৰৰ ভিতৰত আছে-আঙঠি, উজতি, কাচ, কাঞ্চি, কুণ্ডল, কঙ্কণ-কিঙ্কিণী, কেশমণি, গজমুক্তা, গজমতি, ঘাগৰ টাৰ নূপুৰ, বলয়, মাথাৰ মণি, সাতসৰী হাৰ আদি ঃ

পাট পট কুণ্ডল কঙ্কন মণি হাৰ।
নূপুৰ পগৰি দিলা নানা অংলকাৰ।[৯০]

'পগৰি' নামৰ এবিধ অলংকাৰৰ উল্লেখ কন্দলীৰ 'ৰামাযণ'ত পোৱা যায। 'পগৰি' ভৰিত পিন্ধা অলংকাৰ। 'পগৰি' সম্ভৱতঃ 'পয়ৰি' বা 'পাযল' শব্দৰ ৰূপান্তৰ। শংখৰে নিৰ্মিত বালাৰ ব্যৱহাৰৰ কথাও কবিয়ে উল্লেখ কৰিছে ঃ

শাগু পাণ্ডশতে পিন্ধাইলন্ত অলংকাৰ।
মুকুট কুণ্ডল গ্ৰীবে সাতসৰি হাৰ।।
নেপূৰ পগৰি আনো অলংকাৰ যত।
থানে থানে প্ৰতি প্ৰতি পিন্ধাইলা সমস্ত।।
কংকণ কুণ্ডল ৰত্নাঙ্গুৰি আৰো কাঞ্চি।
সমস্ত শৰীৰ অলংকাৰে দিলা খাঞ্চি।।[৯১]

০ ০ ০ ০ ০

কৰ্ণত কুণ্ডল কম্বুকণ্ঠ মনোহৰ।

৮৭। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰাকাণ্ড, পদ -৪১২৭
৮৮। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ -৫৮২৩
৮৯। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ -৩৬৫৮
৯০। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ -৩৬৫৮
৯১। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৯৩৮

উন্নত কঠিন স্তন ত্রিবলি উদৰ।।
গলে গজমুক্তা শোভে সাতেসৰি হাৰ।
বাহুত কঙ্কণ তাৰ বলয়া সোণাৰ।।
ৰত্নৰ শলকা সম আঙুলিৰ পান্তি।
আঙুঠি উজ্জল নখচন্দ্র কৰে কান্তি।।
জঙ্ঘা মনোহৰ উৰু যেন ৰাম কল।
ৰত্নৰ নূপুৰে শোভে চৰণ যুগল।।
চম্পাৰ পাকৰি সম আঙুলিৰ পান্তি।
উঙ্গাটি উজ্জল নখ মণি কৰে কান্তি।।[১২]

মাধৱ কন্দলীয়ে বিচনাৰ কাপোৰৰ ভিতৰত তুলি (matress) আৰু নেতকমলিৰ (softsılken blanket) ৰ উল্লেখ কৰিছে। কপাহী কাপোৰৰ উল্লেখো কেইবা ঠাইতো আছে ঃ

উতপাত কৰে যিটো নেত কামলিত।
হেন প্রভু শুতি আছা কেবলে মাটিত।।[১৩]

যুদ্ধত পিন্ধা কবচ (সন্নাহ)ৰ উল্লেখো কন্দলী ৰামায়ণত আছে। মূল ৰামায়ণৰ দৰে কন্দলীৰ ৰামাযণতো যুদ্ধলৈ যোৱাৰ আগতে ৰাক্ষসবীৰ সকলে নিজকে সজ্জিত কৰিছে। এঠাইত ৰঙা কাপোৰ পিন্ধি জাম্বুমালী যুদ্ধলৈ যোৱাৰ উল্লেখ আছে।[১৪] শুভ অনুষ্ঠান আদিত কাপোৰ দান কৰাও দেখা যায়। শুভ-কামত কাপোৰ পাৰি তাৰ ওপৰত বহাৰ কথাও পোৱা যায়। শুভকার্য্যত বগা বস্ত্রও পৰিধান কৰা হৈছিল। বগা কাপোৰ পিন্ধি কৌশল্যাই বিষ্ণুক পূজা কৰিছিল ঃ

কথা শুনি কৌশল্যায়ো শুক্ল বস্ত্র ধৰি।
আছন্ত দেৱৰ ঘৰে কৃতাঞ্জলি কৰি।।[১৫]

কন্দলী ৰামায়ণত গুণাসুতাৰ উল্লেখো আছে আৰু ইয়াৰ পৰা বুজা যায় যে সেই সময়ত বন কৰা কাপোৰৰ প্রচলন আছিল।

ছ সংগীত, নৃত্য, বাদ্য-যন্ত্রাদিৰ বর্ণনাত লোকসাংস্কৃতিক সমল ঃ

কন্দলীৰ সমকালীন অসমত নৃত্য-গীতৰ প্রচলন লক্ষ্য কৰিব পাৰি। নৃত্যগীত সুন্দৰভাৱে পৰিবেশন কৰিবলৈ নৃত্য-গীতৰ লগত বিভিন্ন বাদ্যযন্ত্রৰো ব্যৱহাৰ হৈছিল।

১২। উক্ত গ্রন্থ, অৰণ্যকাণ্ড, পদ-২৬৭০
১৩। উক্ত গ্রন্থ, লংকাকাণ্ড, পদ-৫১৫৩
১৪। ৰক্তনীয়া বস্ত্রে তাৰ গাৱ আবৰিল।
গৰ্দ্দভ যুগতন্ত ৰথবান চলি যায়।।- অৰণ্যকাণ্ড-৪৩৮০
১৫। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৫৫১

কন্দলীয়ে তেওঁৰ ৰামায়ণৰ কেইবা ঠাইতো নৃত্য আৰু নৰ্তকীৰ কথা উল্লেখ কৰিছে। নট বা নটুৱাসকলে নৃত্য কৰিছিল আৰু এই কাম তেওঁলোকে বৃত্তিৰূপে গ্ৰহণ কৰিছিল।

নানা ভাব-ভঙ্গী কৰি বিদ্যাধৰে নাচে গাৱে
অসংখ্য যোগান ভাট নট।।[৯৬]

কন্দলীৰ লিখনীৰ পৰা অনুমান হয় যে, তেওঁৰ সময়ৰ সমাজত নট বা নটুৱাসকলৰ সন্মানজনক স্থান নাছিল, কাৰণ ৰামে সীতাক গ্ৰহণ কৰিবলৈ অমান্তি হোৱাত আৰু সীতাক বিভীষণ বা লক্ষ্মণৰ ওচৰলৈ যাবলৈ কোৱাত সীতাক ৰামে এজনী হীন নটুৱা তিৰীৰ লগত ঠাই দিয়া বুলি আক্ষেপ কৰিছে।

অভিনয়াদিৰ ভিতৰত পুতলা-নাচৰ উল্লেখ পোৱা যায়ঃ

'নিশ্চলে থাকিলা যেন চিত্ৰৰ পুতলি'।[৯৭]

সুগ্ৰীৱৰ অভিষেকৰ সময়ত বজোৱা বাদ্যযন্ত্ৰবোৰ—

বীৰ ঢাকঢোল বাজে ডবল ডগৰ দণ্ডি
শবদ শুনিয কোলাহল।
ভেমচ ফৈমচ চয়, ঝ ঝাৰ ৰেমচি বাজে,
ৰামতাল আৰু কৰতাল।।
টোকাৰি কেন্দৰা ৰুদ্ৰ বিপাঞ্চি দোতৰা বাজে,
বীণা, বাঁশী দোশৰী-মহৰী।
জিজিৰি কাহালি শিঙ্গা ভেৰী ডাকে নিৰন্তৰ
স্বৰ্গ ভুৱনকো গৈলা পুৰি।[৯৮]

উল্লিখিত বাদ্য-যন্ত্ৰবোৰৰ বিদ্যমান মূল বাল্মীকি ৰামায়ণৰ হলেও কন্দলীৰ নিজা সংযোজনাও আছে। এইবোৰৰ কিছুমান বাদ্য-যন্ত্ৰ মাধৱ কন্দলীৰ দিনত ৰজা-প্ৰজা উভয়ৰে ঘৰত ব্যৱহৃত হৈছিল।

জ খেল-ধেমালি আৰু আমোদ-প্ৰমোদৰ বৰ্ণনাত লোকসাংস্কৃতিক সমলঃ

খোৱা-বোৱা, আ-অলংকাৰৰ দৰেই খেল-ধেমালি আৰু অৱসৰ বিনোদনৰ বৰ্ণনাৰ ক্ষেত্ৰতো বিভিন্ন থলুৱা সমল কন্দলীৰ ৰামায়ণত দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে লংকাত ৰাক্ষসবোৰে খেলা কিছুমান খেল-ধেমালিৰ বৰ্ণনালৈ আঙুলিয়াব পাৰি। যেনে ঃ

৯৬। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ-৩৭১৮
৯৭। উক্ত গ্ৰন্থ, লঙ্কাকাণ্ড, পদ-৫৯৮২
৯৮। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ-৩৭১৯

ৰঙ্গস্থানে কৌতুহলে ৰাক্ষস মিলিলা।
কৌতূহলে খেলাৱয় সুবর্ণৰ ঘিলা।।
ভন্টাখেডি খেলাৱয় কতো খেলৈ ঝুন্টি।
ঠাৱে ঠাৱে ক্রীড়া কৰে আকুটি ভাকুটি।।
ছৱাল মেলেকসবে কৰে হাতাহাতি।
মালবান্ধে যুজয় দেখিতে ভাল আতি।।
ঢোপ খেডি খেলাৱয় কতো খেলে লুনি।
গুৱাল গুৱালী খেলে সুললিত শুনি।।
ফলমূল টোকৰা আৰৰ জুৱা পাশ।
দলি যুঁজ খেলে কতো লৰৰি হুতাশ।।[৯৯]

উল্লিখিত খেল-ধেমালি আটাইবোৰৰে প্রচলন সাম্প্রতিক অসমীযা সমাজত দেখা নগ'লেও ঘিলা, ভন্টা, ঢোপ, পাশা, জুৱা, মালযুঁজ, গুৱালগুৱালী আদি খেল-ধেমালিৰ জনপ্রিয়তা লক্ষ্য কৰা যায়। বৰ্তমানো অসমৰ বিভিন্ন ঠাইত ভোগালী বিহুৰ অনুষংগত ঢোপ খেল অনুষ্ঠিত হয়।

অৱসৰ বিনোদনত আমোদ-প্রমোদ হিচাপে ৰজা দশৰথে শয্যাত কৌশল্যা আৰু সুমিত্ৰাৰ আগত পূর্ব স্মৰণৰে অন্ধমুণিৰ বৃত্তান্ত কওঁতে চিকাৰলৈ যোৱা কথাৰ পৰা অনুমান কৰিব পাৰি যে, চিকাৰ পুৰণি অসমৰ এক অৱসৰ বিনোদনৰ সমল আছিল। বাঘ, হাতী চিকাৰ ('প্রথমে ধৰিলে যে অৰণ্যৰ হাতী') ৰজা আৰু অন্যান্য বিষয়াৰ ক্রীডা-কৌতুক আছিল। বন্যপশু চিকাৰৰ প্রসংগত পোৱা যায়।

জাল পাতি মাৰয় পাচত খেদি শৰে।
বনে আৰ হুয়া মাৰে পলাইবাক ডৰে।।
যাঠী জোঙ্গে মাৰে কতো কুৰা ফান্দ পাতি।
নানামতে মাৰয় বনৰ পশু জাতি।।[১০০]

যেয়ে বাঘ মাৰিছিল সেয়ে বাঘ-ছালৰ অধিকাৰী হৈছিল ('বাঘ মাৰিলেসে পাবে ছাল')

ঝ উৎসৱ আৰু আচাৰ-অনুষ্ঠান আদিৰ বর্ণনাত লোকসাংস্কৃতিক সমল ঃ

উৎসৱ-অনুষ্ঠানসমূহ পৰম্পৰাগত সমাজ-জীৱনৰ সামাজিক আচৰণৰ ফল। জেকব্ গ্রীম, মেক্সমূলাৰ, উইলিয়াম মেনহৰট, জেমচ্ ফ্রেজাৰ আদি পণ্ডিতসকলে

৯৯। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰাকাণ্ড, পদ-৪১০০-০১
১০০। উক্ত গ্রন্থ, কিষ্কিন্ধাকাণ্ড, পদ-৩৬৩৫

উৎসৱ-অনুষ্ঠানৰ লগত মানৱৰ বিশ্বাস আৰু আচাৰ-অনুষ্ঠানৰ যোগসূত্ৰ স্থাপন কৰিছে। উৎসৱ-অনুষ্ঠানৰ সংযোগত সমাজৰ জনসাধাৰণে পৰম্পৰাগত পোচাক-পৰিচ্ছদ পৰিধান কৰি পৰম্পৰাগত আচাৰ-নীতি পালন কৰিবলৈ সুবিধা লাভ কৰে। লগতে উৎসৱ-অনুষ্ঠানৰ অনুষংগত পৰম্পৰাগত গীত, বাদ্য, নৃত্য আদিও অনুষ্ঠিত হয়। একোটা জাতিৰ জাতীয় উৎসৱ বা সাধাৰণ উৎসৱৰ লগত দেশৰ জলবায়ু তথা প্ৰকৃতি আৰু ধৰ্মৰ কথাও জড়িত থাকিব পাৰে।

মধ্যযুগীয় পুৰণি অসমীয়া সমাজৰ উৎসৱ আৰু আচাৰ-অনুষ্ঠানসমূহ প্ৰধানকৈ (১) কৃষি-সম্বন্ধীয়, (২) যাদুমূলক বা ধৰ্মীয়, (৩) জীৱন-বৃত্তৰ লগত জড়িত আৰু (৪) ৰাজকীয় বা প্ৰশাসনীয় এই চাৰিভাগত ভগাব পাৰি। মাধৱ কন্দলীৰ 'ৰামাযণ'ত উল্লিখিত বিভাগসমূহৰ কেইটিমানৰ আভাষ পোৱা যায়।

মাধৱ কন্দলীৰ ৰামায়ণৰ অসমীয়া সমাজখন আছিল কৃষিজীৱী। কৃষিৰ লগত সম্বন্ধ থকা অসমৰ প্ৰধান উৎসৱ হৈছে বিহু উৎসৱ। এই উৎসৱৰ সবিশেষ বৰ্ণনা কন্দলীৰ ৰামায়ণত পোৱা নগ'লেও, কন্দলীযে লংকাকাণ্ডত 'বিষু' শব্দটো উৎসৱৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিছে। বীৰেন্দ্ৰনাথ দত্তই এই সম্পৰ্কত এনেদৰে অভিমত আগবঢ়াইছে ঃ

> "Madhava Kandalı uses the word 'Bishu' ın the sense of festıval ın Lankakanda but ın the publıshed edıtıons the word does not occur"[১০১]

শৈৱ, শাক্ত আৰু বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত কিছুমান ধৰ্মীয় অনুষ্ঠানো উৎসৱৰ পৰ্য্যায়ত পালন কৰা হয়। শাক্তসকলৰ ভিতৰত শাৰদীয় দুৰ্গা-পূজা-দুৰ্গোৎসৱ ৰূপে পালন কৰা হয়। মাধৱ কন্দলীৰ 'ৰামায়ণ'ত দুৰ্গা পূজাৰ প্ৰচলনৰ বিষয়ে আভাস পোৱা যায় উপমা বা ৰূপক স্বৰূপে ব্যৱহৃত দুৰ্গা পূজা বা চণ্ডী পূজা বিষয়ক বৰ্ণনাৰ পৰা।[১০২]

ৰাজকীয় উৎসৱৰ ভিতৰত প্ৰধানকৈ আমি দুটা উৎসৱৰ কথা জানিব পাৰোঁ। এটা হ'ল ৰজাৰ অভিষেক উৎসৱ আৰু আনটো হ'ল যুদ্ধৰ অন্তত বিজয়ী ৰজা নগৰলৈ ঘুৰি আহোঁতে অনুষ্ঠিত হোৱা উৎসৱ।

মাধৱ কন্দলীৰ ৰামায়ণত ৰাজ্যাভিষেকৰ বৰ্ণনাৰ উল্লেখ আছে। লংকাকাণ্ডৰ শেষ ভাগত শ্ৰীৰাম চন্দ্ৰৰ অভিষেক উৎসৱৰ বৰ্ণনা কন্দলীয়ে বৰ সুন্দৰকৈ দাঙি ধৰিছে। চাৰিসাগৰ, বিভিন্ন তীৰ্থসদৃশ নদ-নদীৰ জল আৰু পৱিত্ৰ ফল সংগ্ৰহ কৰি

১০১। B Datta 'Bıhu ın Lower Assam', ın The Assam Academy Review, 1982, p

১০২। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড, পদ-৪৮৯৬, অযোধ্যাকাণ্ড, পদ-২১৩৪, অৰণ্যকাণ্ড, পদ-৩০৬৭, ৩২১২।

সৰ্বৌষধিৰে ৰাম-সীতাক স্নান কৰোৱাই বেদবিহিত ভাৱে অগ্নিত হোম দি ৰাম-সীতাৰ অভিষেক উৎসৱৰ বৰ্ণনা বাহুল্যভাৱে দিয়া হৈছে ঃ

শাস্ত্ৰত বিহিত যত বস্তু সবিশেষ।
অভিষেক মানে যত কৰিলা প্ৰৱেশ।।
সুৱৰ্ণ পাটত ৰাম জানকীক থৈল।
সুমঙ্গল আভৰণ শীৰৰত ভৈল।।[১০৩]

০ ০ ০ ০ ০

বহুবিধ ফলে নান তীৰ্থ জলে
ৰাঘৱ সীতা স্নানিল।
বিধি ব্যৱহাৰে অগনি জ্বালিযা
আশেষ আহুতি দিল।।
ৰাজ্যৰ যতেক মুখ্য মুখ্যতৰ
ব্ৰাহ্মণ পাত্ৰ সকলে।
শ্ৰীৰাম সীতাক ৰাজ্য জোকাৰিলা
চাৰি সাগৰৰ জলে।।[১০৪]

তদুপৰি কন্দলীৰ ৰামায়ণত সুগ্ৰীৱ, বিভীষণ আদিয়ে সিংহাসন আৰোহণ কৰাৰ আগতে আয়োজন কৰা অভিষেক উৎসৱৰ বিষদ বিৱৰণ আছে।

কিস্কিন্ধাকাণ্ডত সুগ্ৰীৱৰ ৰাজ্য অভিষেক উৎসৱৰ বাহুল্য বৰ্ণনা পোৱা যায়। যেনে—

সুৱৰ্ণৰ অষ্টঘট অগৰু সুগন্ধি জলে
ভৰি আম ডালি দিয়া ফল।।
পণ্ডিতসকলে বডি ধৰি শুভলগ্ন কৰি
শুভদিন চাই শুভ ক্ষণ।[১০৫]

০ ০ ০ ০ ০

অগনিৰ ঘৃত আহুতি কৰিয়া
ব্ৰাহ্মণে দিলা আশিষ।
সুগন্ধি পৱনে আমোদ কৰয়

১০৩। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড, পদ-৬৬৮৫
১০৪। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৬৬৮৭
১০৫। উক্ত গ্ৰন্থ ঃ ৰামায়ণ, কিষ্কিন্ধাকাণ্ড, পদ-৩৭১৬

সুপ্ৰসন্ন দশোদিশ।।
নাচে নটীগণ গায়নে গাবয়
চপয় পঢয় ভাট।
এৱে বিভীষণ নৃপতি ভৈলন্ত
খাণ্ডিলা দুখ ললাট।।
সুবৰ্ণ পাটত বসিলন্ত ৰাজা
বেঢিলা পাত্ৰ মণ্ডলে।
অভিষেক ৰঙ্গে কৰিলা লখাই
সুবৰ্ণ ঘটৰ জলে।।[১০৬]

অভিষেক উৎসৱৰ আনুষঙ্গিক নৃত্য-গীত-বাদ্য আদিৰ বৰ্ণনাই উৎসৱৰ আনন্দ আৰু বৃদ্ধি কৰে। যেনে ঃ

নানা ভাৱ ভঙ্গি কৰি বিদ্যাধৰে নাচে গাৱেঁ
অসংখ্য যোগান ভাট নট।।[১০৭]
০ ০ ০ ০ ০
পণ্ডিত ব্ৰাহ্মণগণে বহ্নিত আহুতি দিল
কন্যাগনে কৰিল মঙ্গল।
দ্বিজগণে মন্ত্ৰ পঢি দূৰ্বাক্ষত দিলা মাথে
আৰো সাত সাগৰত জল।।[১০৮]

যুদ্ধৰ অন্তত বিজয়ী ৰজা নগৰলৈ ঘূৰি আহোঁতেও মহোৎসৱৰ আয়োজন কৰা হৈছিল। এই মহোৎসৱৰ বৰ্ণনাত মাধৱ কন্দলীৰ মৌলিকতা বিশেষভাৱে প্ৰকাশ পাইছে। উৎসৱত 'উৰুলী জোকাৰ' মাঙ্গলিক বুলি পৰিগণিত হোৱাৰ পৰিচয় পোৱা যায়। অভিষেক তথা বিজয়ী মহোৎসৱৰ বৰ্ণনাৰ প্ৰসংগত মাধৱ কন্দলী মূলৰ পৰা আঁতৰি আহি তেওঁৰ পৃষ্ঠপোষক ৰজা বা ৰাজপুত্ৰৰ অভিষেক উৎসৱৰ বাস্তৱ বৰ্ণনাৰ দ্বাৰা ঋদ্ধ কৰি এনেধৰণৰ বৰ্ণনাবোৰ উপস্থাপন কৰা যেন লাগে।

জীৱনবৃত্তৰ লগত জৰিত উৎসৱ আৰু কৃত্যসমূহ প্ৰধানভাৱে (ক) জন্ম (খ) বিবাহ আৰু (গ) মৃত্যু সম্পৰ্কীয়। মাধৱ কন্দলীৰ 'ৰামায়ণ'ত জন্মৰ লগত জৰিত কৃত্যাদিৰ বৰ্ণনা পোৱা নগ'লেও বিবাহ আৰু মৃত্যুৰ লগত সম্পৃক্ত কৃত্যাদিৰ চিত্ৰণ পোৱা যায়।

১০৬। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড, পদ-৬৪৫৩
১০৭। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ-৩৭১৮
১০৮। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ-৩৭২০

কন্দলী ৰামায়ণত বিবাহৰ সম্পূৰ্ণ চিত্ৰৰ বৰ্ণনা নাথাকিলেও ৰাম-লক্ষ্মণে বিশ্বামিত্ৰৰ লগত মিথিলালৈ গৈ হৰধনু ভাঙি জনক ৰজাৰ কন্যাৰ সৈতে লক্ষ্মণ, ভৰত, শত্ৰুঘ্নও পত্নীসহ অযোধ্যালৈ প্ৰত্যাবৰ্ত্তন কৰাৰ এক বৰ্ণনা আছে। অসমৰ লোক সমাজত দৰা-কন্যাক বৰণ কৰি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত পালিত আচাৰ অনুষ্ঠানসমূহ ৰাম-সীতা আদিক আগবঢ়াই নিওঁতে পালন কৰাৰ বৰ্ণনা মাধৱ কন্দলীৰ ৰামায়ণত উপস্থাপিত হৈছে। যেনে :

ৰাম সীতা আগমন দেখি সৰ্বলোকে।
থানে থানে উৰুলি পাৰায় জাকে জাকে ।।[109]

o o o o o

কৌশল্যা গৃহত কৈলা বিধিৰ আচাৰ।[110]

o o o o o

থাপিলন্ত গৃহত সুবৰ্ণময় ঘট।
কন্যাসবে পাৰিল বাটত নেত পট।।
আপোনাৰ আচাৰ কৰিল নাৰীগণে।[111]

মৃত্যুৰ লগত জড়িত অনুষ্ঠানসমূহ হ'ল তিনি দিনত তিলনি, বামুণৰ চাৰিদিনত চতুৰ্থী, দহদিনত দহা আৰু মাহেকৰ মূৰত আদ্যশ্ৰাদ্ধ। মৃত্যুৰ পিছতেই হিন্দুৰ মৃত ব্যক্তিৰ কাঠ-সংস্কাৰ কৰা হয়। সাধাৰণতে মৃত ব্যক্তিৰ জ্যেষ্ঠ পুত্ৰ বা একমাত্ৰ পুত্ৰ হ'লে সেই পুত্ৰই কাঠ-সংস্কাৰ আৰু শ্ৰাদ্ধকাৰ্য্য সম্পাদন কৰি পিণ্ডদান কৰে। বালীৰজাই পুতেক অঙ্গদক মৃত্যুৰ সময়ত সুগ্ৰীৱৰ ওচৰত চমজাই দিওঁতে পুত্ৰৰ পিণ্ডদানে কেনেকৈ বংশ উদ্ধাৰ কৰে সেই বিষয়ে বিৱৰি কৈছে :

একৰ তনয় আছে আৰু কাৰো নাই।।
সেহি পুত্ৰগুটি সবাহাৰ হোৱে সাৰ।
জল পিণ্ডদান কৰে বংশক উদ্ধাৰ।।[112]

সেইদৰে ৰাৱণৰ কাঠ-সংস্কাৰৰ অৰ্থাৎ শৱ দাহনৰ সময়ত দেখা যায় যে ৰাৱণৰ আগতে ৰাম-ৰাৱণৰ যুদ্ধত লক্ষ্মণৰ হাতত পুতেক ইন্দ্ৰজিৎৰ মৃত্যু হৈছে। সেয়ে ৰাৱণৰ ভায়েক বিভীষণে ইন্দ্ৰজিতৰ মুখাগ্নি কৰিছে :

ৰাজগুৰু ব্ৰাহ্মণৰ শৰীৰ নসহে।

১০৯। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৫০৭
১১০। উক্ত গ্ৰন্থ, পদ-১৫১২
১১১। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-১৫১২
১১২। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ-৩৬৭৪

অগনিত ঘৃত দেন্ত আতি বৰ স্নেহে।।
ঘৃত মিসলাযা যেন পশুগোট হুনে ।।
মুখাগ্নিক দিলন্ত কণিষ্ঠ বিভীষণে।।[১১৩]

মাধৱ কন্দলীৰ ৰামায়ণত দশৰথ ৰজা, বালী আৰু ৰাৱণৰ শৱদাহন, অন্ত্যোষ্টিক্রিযাৰ বর্ণনালৈও এই প্রসংগত আঙুলিয়াব পাৰি।

দশৰথ ৰজাৰ দহাকার্য্যত প্রাচীন কালৰ দহানুষ্ঠানৰ এটি সম্যক চিত্র পোৱা যায়। বর্তমান অসমৰ হিন্দুসকলৰ মাজত প্রচলিত দহানুষ্ঠানৰ লগত মাধৱ কন্দলীৰ ৰামাযণত বর্ণিত এই দহানুষ্ঠানৰ অমিল দেখা যায়। হয়তো চতুদর্শ শতিকাৰ অসমীযা সমাজত বিশেষকৈ হিন্দুসকলৰ মাজত প্রচলিত দহানুষ্ঠান মাধৱ কন্দলীৰ দ্বাৰা উপস্থাপিত তলৰ দহানুষ্ঠানৰ বর্ণনাৰ অনুৰূপ আছিল। যেনে ঃ

চিতাত থাপিলা নিযা উত্তৰ শিথানে ।
উপৰত যজ্ঞপাত্র থৈলা থানে থানে ।।
তহিতে ব্রাহ্মণে তিনি অগনি থাপিযা।
ঘৃতাহুতি দিলন্ত হাতত শৰ লৈয়া।।
উডুখল মুষলকো থাপিলন্ত নিয়া।
অগ্নিত হুনিলা পশুগোটক মাৰিয়া।।
সবৎসা অনেক ধেনু প্রদান কৰিলা।
বিধিৰ নিযমে পাছে মুখাগ্নি কৰিলা ।।[১১৪]

দশৰথৰ মৃত্যুত ৰাম-লক্ষ্মণৰ অনুপস্থিতি হেতু মুখাগ্নি আৰু শ্রাদ্ধকার্য্য সম্পাদন কৰিবৰ বাবে ভৰতক মোমাযেকৰ ঘৰৰ পৰা অনা হৈছে। যেনে ঃ

নিঃশেষ দগধ ভৈলা দশৰথ ৰাজ ।
সৰযুত বুৰ দিযা প্রেতাঞ্জলি কাজ ।।
জল দান কৰিতে ভৰত লৰি গৈলা।।[১১৫]

ভৰত মোমাযেকৰ ঘৰৰ পৰা আহি শৱদাহ কৰা পর্য্যন্ত দশৰথ ৰজাৰ মৃতদেহ তেলত দি ৰখাৰো উমান পোৱা যায, যেনে ঃ

তৈলহস্তে নৃপতিক তুলিলন্ত কোলে।
দুই ভাই নিয়া থাপিলন্ত চতুৰ্দ্দোলে।।
অগৰু চন্দনে দেখা ভূষিত কৰাইল।

১১৩। উক্ত গ্রন্থ ঃ ৰামায়ণ, লংকাকাণ্ড, পদ-৬৪৩৮
১১৪। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-২৩৩১
১১৫। উক্ত গ্রন্থ, অযোধ্যাকাণ্ড, পদ-২৩৩৮

সব অলঙ্কাৰ নিয়া গাৱত চড়াইল।।[১১৬]

আজিও শৱদাহনৰ সময়ত মৃতদেহ সাজ-সজ্জা কৰি লোৱাৰ নিয়ম দেখা যায়। দশৰথৰ আদ্যশ্ৰাদ্ধ ত্ৰয়োদশ দিনত পতা হৈছিল। কাৰণ তেওঁ আছিল ক্ষত্ৰিয়।[১১৭] দশৰথৰ শৱদাহ প্যাছত শ্ৰাদ্ধ পৰ্য্যন্ত অশৌচৰ আচাৰ-নিযম যেন তথাকথিত অসমীয়া জনজীৱনৰ দৰেই ৰজাৰ ঘৰতো পালন কৰা হৈছে, যেনে ঃ

তৃণশয্যা দোভায়ে কৰিলা দশদিন।।
দশপিণ্ড দিলন্ত আৱৰ দশকৰ্ম্ম।
ত্ৰিদশা কৰিলা যতেক কুলধৰ্ম্ম।।
একদশা দোৱাদশা শ্ৰাদ্ধ নিবৰ্ত্তিল।
নানবিধ দান পাচে ব্ৰাহ্মণক দিল।।
হাতী ঘোঁৰা ৰথ যত চতুৰ্দ্দোল যান।
দাসী দাস ৰূপা সোণা গৃহ বস্ত্ৰদান ।।
তাম্বুল ভাজন মাল্য আৰো বৰবস্ত্ৰ।
শয্যা ধেনু বৃষভ দিলন্ত বৰছত্ৰ।।
ইসব পূৰ্ব্বকে যত বাপৰ উদ্দেশ্যে।
দিলা দান কৰ্মকাণ্ড কৰিলা নিঃশেষে।।[১১৮]

বালীৰজাৰ অন্ত্যেষ্টিক্ৰিয়ৰ বিৱৰণৰ মাধ্যমেৰেও পুৰণি সমাজৰ পিণ্ডদানৰ চিত্ৰ অসমীযা উৎসৱৰ গোন্ধ পোৱা যায়। যেনে ঃ

কান্দতে কান্দতে লৈয়া গৈয়া চতুৰ্দোলে।
বালীক পুৰিলা গৈয়া গিৰি নদী কোলে।।
দন্তকাষ্ঠ কাকবলি আৰু স্নান বলি।
অঙ্গদে পিতৃৰ দিলা পিণ্ড জলাঞ্জলি।।
নিজগুৰু ব্ৰাহ্মণে দিলন্ত স্বাহি পাহি।
অঙ্গদে কৰিলা কৰ্ম্ম বিধিৱতে চাহি।।
নানাবিধ দান কৰিলন্ত বৃষোৎসৰ্গ।
হনুমন্ত সুগ্ৰীৱ সমন্তে জ্ঞাতিবৰ্গ।।[১১৯]

১১৬। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-২৩২৬
১১৭। সত্যেন্দ্ৰনাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত, পৃ ৩০১
১১৮। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-২৩৪৭
১১৯। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ-৩৬৯৮

তেনেদৰে ৰাৱণৰ শবদাহৰ বৰ্ণনাতো লোকায়ত জীৱনৰ সমল প্ৰতিফলিত হোৱা দেখা যায়, যেনে :

অগৰু চন্দনে নিৰ্ম্মিলন্ত চিতাখান।।
বন্দুৰ জুৰিলেক বহুল বিস্তৰ।
উচ্ছ্রিত ভৈলেক যেন পৰ্বত শিখৰ।।
তাহাত তুলিল নিয়া ৰাৱণৰ কায়।
ঠাৱে ঠাৱে অগনি লগাইলা সমুদাই।।
পাৱে দিলা কটত উৰুত উৰুখল।
মুখত থাপিলা সাত সাগৰৰ জল।।[১২০]

সেইদৰে জটায়ুৰ শবদাহৰ চিত্ৰণতো পুৰণি অসমৰ লোক-সাংস্কৃতিক সমল লক্ষ্য কৰিব পাৰি, যেনে :

চিতাখন নিৰ্ম্মিলন্ত বহুল বিস্তৰ।
তাতে তুলি তাঙ্ক কৰিলন্ত সংস্কাৰ।।
দুই ভাই দিলা পাচে পিণ্ড জলাঞ্জলি।
বৌমাছে দিলন্ত চটকৰ কাকবলি।।[১২১]

ঞ ঔষধ, ব্যাধি আদিৰ বৰ্ণনাত লোকায়ত জীৱনৰ সমল :

দৈনন্দিন জীৱনত বেমাৰ-আজাৰ আৰু ইয়াৰ নিৰাময়ৰ বাবে লোকজীৱনত প্ৰয়োগ হোৱা বনৌষধি তথা আন আন উপায়ৰ অধ্যয়ন পৰম্পৰাগত সমাজ-জীৱনৰ এক অবিচ্ছেদ্য অংগ। অতীজৰ অসম অৰ্থাৎ কামৰূপ ৰাজ্য তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলি জনাজাত। মাধৱ কন্দলীৰ সমকালীন লোক সমাজত তন্ত্ৰ-মন্ত্ৰ আৰু যাদুৰ প্ৰভাৱ ব্যাপক আছিল আৰু এইবোৰেই তেওঁৰ নিৰ্মিতিত বনৌষধি, তন্ত্ৰ-মন্ত্ৰ-যাদু আদিৰ সন্ভেদ দিয়ে।

বৃটিছ লেখক ডন য়নড়াৰ-এ (Don Yonder) লোক-ঔষধক দুটা ভাগত ভাগ কৰি দেখুৱাইছে। প্ৰাকৃতিক লোকঔষধ (natural folkmedicine) আৰু তান্ত্ৰিক চিকিৎসা (magico-religious folkmedicine)। প্ৰকৃতিৰ গছ-বন-লতা, গছৰ মূঢ়া, শিপা, খনিজ সম্পদ, জন্তুৰ তেল, হাড়, চৰ্বি আদিৰে ঔষধ প্ৰস্তুত কৰি বিভিন্ন ৰোগ নিৰাময়ৰ বাবে প্ৰয়োগ কৰা হয়। অতীজৰে পৰা লোকসমাজত এইবোৰৰ প্ৰয়োগ চলি আহিছে। ঔষধৰ বাহিৰেও মন্ত্ৰৰে জাৰি-ফুকি, প্ৰাৰ্থনা কৰি পবিত্ৰ শব্দ উচ্চাৰণ কৰি নতুবা দেৱতাৰ কু-প্ৰভাৱ বুলি বিশ্বাস কৰি তাৰ নিৰাময়ৰ বাবে পূজা-পাতল

১২০। মাধৱ কন্দলী : ৰামায়ণ, লংকাকাণ্ড, পদ-৬৪৩৭
১২১। মাধৱ কন্দলী : ৰামায়ণ, অৰণ্যকাণ্ড, পদ-৩৩৫৩

আদি আচাৰ অনুষ্ঠান পালন কৰাটোও লোকসমাজৰ আন এবিধ ব্যৱহৃত অৱলম্বন। ডন য়ানড়াৰে প্ৰথমবিধ লোকঔষধক- 'rational' or herbal folk medicine- আৰু দ্বিতীয়বিধক "occult" folkmedicine বুলি নামকৰণ কৰিছে ।"[১২২]

মাধৱ কন্দলীৰ ৰামায়ণত উল্লিখিত দুয়োবিধ উপায়েৰে ৰোগ-ব্যাধি, অস্ত্ৰাঘাত আদিৰ চিকিৎসা কৰা দেখা যায়। লক্ষ্মণক অৱশ্যম্ভাৱী মৃত্যুৰ গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ আৰু আন আন ঠাইতো যুদ্ধত মূৰ্চা যোৱা লোকৰ চেতনা ঘূৰাই অনাৰ ক্ষেত্ৰত বিশল্যকৰণীৰ দৰে বনোষধি ব্যৱহাৰ কৰাৰ উল্লেখ পোৱা যায়, যেনে :

গন্ধ যে মাৰ্দন নামে গিৰি আছে
দেখিতে আতি বিড়িঙ্গ।
তহিত্তে জানিবা ঔষধি আছয়
সুশোভন গিৰি শৃঙ্গ।।[১২৩]

বিশল্যকৰণীৰ পৰিচয়মূলক বৰ্ণনাও পৰিবেশন কৰা হৈছে :

বিশল্যকৰণী যি ঠাল ঔষধি
কহওঁ আমি তোমাত।
ৰক্ত চন্দনৰ বৰ্ণ লতা তাৰ
হালধিয়া দেখি পাত।।[১২৪]

দেৱতা-দানৱৰ যুদ্ধতো মৃত্যু বৰণ কৰা দেৱগণক বৃহস্পতি গুৰুৱে কেনেকৈ বিশল্যকৰণীৰ দ্বাৰা জীয়াই তুলিছিল সেই সম্পৰ্কেও বৈদ্য সুষেণে হনুমন্তক কৈছিল :

দুৰ্বাৰ দানৱে ৰণে আশেষ অস্ত্ৰক জানে
মাৰিলা অনেক দেৱগণ।।
গুৰু বৃহস্পতি জানি বিশল্যকৰণী আনি
নিৰন্তৰে মৃতক জীয়াইল।[১২৫]

০ ০ ০ ০ ০

চাৰিয়ো ঔষধ জ্বলে দশো দিশে জ্বানি।
এক নাম আছে তাৰ মৃত্যুসঞ্জীৱনী।।
বিশল্যকৰণী আৰ সন্ধান যে কৰি।

১২২। Yonder, Don "Folk Medicine" in Folklore and Folklife, An Introduction (ed) R.M Dorson, p 192
১২৩। মাধৱ কন্দলী : ৰামায়ণ, লংকাকাণ্ড, পদ-৬১৮৪
১২৪। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৬১৮৫
১২৫। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৫১১৯

স্বৰূপকৰণী সমে ঔষধ যে চাৰি।।[126]

০ ০ ০ ০ ০

শ্ৰীৰাম লক্ষ্মণে ঔষধৰ গন্ধ পাই।
নিৰ্ব্বিষ শৰীৰে বসিলন্ত দুই ভাই।।
ঔষধৰ প্ৰভাৱে সকল কপিগণ।
উঠিয়া বসিলা শৰীৰত নাই ব্যান।।[127]

০ ০ ০ ০ ০

পৰ্বতৰ তুলি আনি শিলাত পিষিল।
লক্ষ্মণৰ নাসা তলে পন কৰি দিল।।
দিব্য ঔষধিৰ গন্ধ শৰীৰে পশিল।
নিদ্ৰাৰ জাগিযা যেন উঠিয়া বসিল।।[128]

এইদৰে কন্দলীৰ 'ৰামাযণ'ৰ বিভিন্ন ঠাইত বনৌষধিৰূপে বিশল্যকৰণী প্ৰযোগ কৰাৰ উল্লেখ পোৱা যায়।

মাধৱ কন্দলীৰ 'ৰামাযণ'ৰ স্থানবিশেষে উপমাব্যঞ্জক পদত সৰ্প-বৈদ্যই সাপৰ বিষ নমাই অনাৰ উল্লেখ পোৱা যায, যেনে ঃ

যেহেন সৰ্পৰ বিষ শিখাগ্ৰহ গৈল।
নমাই আনি গাৰুডী নিস্প্ৰভ কৰি থৈল।।[129]

অসমৰ লোকায়ত সমাজত বৰ্তমানো সৰ্পবৈদ্যৰ জৰিযতে সৰ্পই দংশন কৰা জনক আৰোগ্য কৰা দেখা যায়।

কেতিযাবা ঔষধ ব্যবহাৰৰ ক্ষেত্ৰত দেখা যায যে ৰোগ অনুসৰি উপযুক্ত ঔষধ বা পথ্য প্ৰযোগ নহ'লে কেতিয়াও ৰোগ নিৰ্মূল নহয়। অৰ্থাৎ এনে ঔষধ প্ৰযোগৰ কোনো ফল নধৰে। ইয়াৰ আভাসো কন্দলীযে তেওঁৰ নিৰ্মিতিত দিছে ঃ

শুকান ঘাৱত ঘষা আকণাৰ আঠা।
ইন্দ্ৰজিৎ মৰিল সীতাক কিয় কাটা।।[130]

ধৰণী বা 'ধাৰণি-মন্ত্ৰ'ৰ পৰম্পৰাৰ উল্লেখ অৰ্থৱবেদত পোৱা যায। বৌদ্ধসকলে 'ধাৰণি-মন্ত্ৰ' বিভিন্ন প্ৰসংগত প্ৰয়োগ কৰিছিল। তিব্বতী পৰম্পৰাৰ মতে 'ধৰণি-মন্ত্ৰ' স্বযং বুদ্ধদেৱৰ মুখৰ পৰা পৰাই ওলাইছিল। অসমৰ লোকাযত সমাজত 'ধাৰণি-

১২৬। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৫৬৯৮
১২৭। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৫৭১৩
১২৮। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড, পদ-৬২৫১
১২৯। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-১৭৬৬
১৩০। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-৬০২৮

মন্ত্ৰ' ধৰণী-মন্ত্ৰ বা ধন্নী-মন্ত্ৰৰূপে পৰিচিত।[১৩১] মাধৱ কন্দলীৰ সমসাময়িক সমাজত যে 'ধৰণী-মন্ত্ৰ'ৰ প্ৰচলন আছিল তাৰ আভাস তেওঁৰ ৰামায়ণৰ পৰা পোৱা যায়। যেনে ঃ

যতেক যতেক প্ৰহাৰ কৰিল
ঐৰাৱত দন্ত ঘাৱে।
ৰামস বান্ধিয়া পালপি আছয়
ৰাৱণ ৰাজাৰ গাৱে।[১৩২]

ৰামস এক প্ৰকাৰৰ বান্ধোন বা ধৰণী স্বৰূপ। তেজ ৰাখিবৰ বাবে ইয়াক ব্যৱহাৰ কৰা হয। দেহৰ কটা স্থানৰ তেজ বন্ধ কৰিবৰ বাবে আজিও গাঁওৰ সমাজত কাপোৰেৰে কটা ঘা-ডোখৰ বান্ধি দিয়া হয়।

ঔষধ প্ৰয়োগ সম্পৰ্কত ঠায়ে ঠায়ে প্ৰাসংগিকভাৱে কন্দলীয়ে জনপ্ৰিয় লোক প্ৰবাদো ব্যৱহাৰ কৰা দেখা যায়। যেনে ঃ

প্ৰথম ৰোগত যেৱে নেদয় আমুধি।
ব্যাধি বাঢি গৈল পাচে হুত হোৱে বুদ্ধি।।[১৩৩]

০ ০ ০ ০ ০

তোমাক ভৎসিলে নজবয় সদ্ বুদ্ধি।
মৰন্তাক নলগায় জীৱাৰ ঔষধি।।[১৩৪]

মাধৱ কন্দলীৰ ৰচনাত মাজে মাজে কিছুমান বিৱৰণত ৰোগৰ নাম কেতবোৰো পোৱা যায় ঃ

অচিকিৎস্য ব্যাধি ভৈলা যেন গৰ্ভৰোগ।[১৩৫]

০ ০ ০ ০ ০

ভূমিত পৰিয়া তেতিক্ষণে মূৰ্চ্ছা গৈলা।।[১৩৬]

০ ০ ০ ০ ০

১৩১। প্ৰফুল্ল দত্ত গোস্বামী ঃ অসমৰ জনকৃষ্টি আৰু অন্যান্য ৰচনা, পৃ ২২
(————) ঃ 'মন্ত্ৰ' (অসম সাহিত্য সভা পত্ৰিকা)
১৩২। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰাকাণ্ড, পদ-৪১৩৯
১৩৩। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰাকাণ্ড, পদ-৪৪৪৪
১৩৪। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৪৯৬৩
১৩৫। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-১৯২৪
১৩৬। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-১৯৩৩

গৰ্ভত পশিলা গৈয়া আতি বৰ বেগে।
উখসিল পেট যেন জলন্ধৰ ৰোগে।।[১৩৭]

০ ০ ০ ০ ০

ভূত হুয়া তেল কুঢ বোলাৱস
গৃহস্থৰ গাৱে খসু।।[১৩৮]

০ ০ ০ ০ ০

কতো কাণী কতো খুৰী কতোহো গলগুী।[১৩৯]

০ ০ ০ ০ ০

বিকৃত খসুৰা লাগি গণ্ডা কুজা খোৰা।।[১৪০]

০ ০ ০ ০ ০

কতোহো নাৰঙ্গা সোভা কুণ্ডৰীয়া শোলা।।[১৪১]

০ ০ ০ ০ ০

পাত্ৰক মিলাইলা ডৰে পাইলা চিন্তা জ্বৰ।।[১৪২]

০ ০ ০ ০ ০

উপৰৰ উদ্ধৃতিবোৰত উল্লেখ থকা অচিকিৎসৰ ব্যাধি (থম্মা আদি) গৰ্ভৰোগ, মূৰ্চ্ছা যোৱা, জলন্ধৰ ৰোগ, খসু (খহু), কণা, খোৰা, গলগুীৰোগ, গোধৰোগ, নাৰঙ্গী, জ্বৰ আদি ব্যাধিৰ প্ৰকোপ আৰু ইয়াৰ চিকিৎসা অসমৰ লোকাযত সমাজত লক্ষ্য কৰা যায়।

ট শাও-শপনি, অন্ধবিশ্বাস, জ্যোতিষ-চৰ্চা, যাদু বিদ্যাদিৰ বৰ্ণনা প্ৰসংগত লোকায়ত জীৱনৰ সমল ঃ

মঙ্গল-অমঙ্গল শুভ-অশুভ নিৰ্ণায়ক বিভিন্ন বিশ্বাস, অন্ধবিশ্বাস, শাও-শাপনি, গালি-গালাজ, জ্যোতিষ-চৰ্চা, যাদুবিদ্যাদিৰ প্ৰয়োগ আদি তথাকথিত পৰম্পৰাগত সমাজৰ দৈনন্দিন জীৱনৰ সংঘটিত ঘটনা। এইবোৰৰ প্ৰভাৱ ব্যতিৰেক কোনো ব্যক্তিয়েই জীৱন কটাব নোৱাৰে। ব্যক্তিৰ সমাজ-জীৱনৰ এই প্ৰভাৱ সমসাময়িক সৃষ্টি সাহিত্যৰ বুকুত প্ৰতিফলিত হয়। মাধৱ কন্দলীৰ ৰামায়ণৰ কাহিনীভাগতো এনেবোৰ লোকায়ত সমল সিঁচৰতি হৈ আছে।

১৩৭। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ-৪০৭৫
১৩৮। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ-৩৭৫৮
১৩৯। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ-৪১৭৩
১৪০। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ-৪১০৩
১৪১। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰাকাণ্ড, পদ-৪১০৪
১৪২। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৪১৬৬

মানুহে অন্তৰত প্ৰচণ্ড আঘাত পোৱা নতুবা আত্ম সম্মানত আঘাত পোৱাৰ ফলস্বৰূপে খং, ৰাগ, অভিমান আদি আবেগিক মুহূৰ্ত্তত হিতাহিত জ্ঞান হেৰুৱাই তেতিয়া স্বতঃস্ফূৰ্ত্তভাৱে মানুহৰ মুখেদি কিছুমান ভাব ব্যক্ত হয়। এইবোৰকে সমাজত বিভিন্ন প্ৰসংগত শাও-শপনি, গালি-গালাজ আদি বোলা হয়। মানুহৰ মুখৰ শাও-শপনি, গালি-গালাজৰ যোগেদিও সমাজৰ মনস্তাত্বিক বিশ্লেষণ সম্ভৱ হয়। কন্দলী ৰামায়ণৰ কাহিনীভাগৰ বৰ্ণনাত মূল উৎসৰ উপৰিও সমসাময়িক লোকজীৱনত প্ৰচলিত এনে কিছুমান শাও-শপনি, অভিশাপ, প্ৰতিজ্ঞা আদিৰ উল্লেখ পোৱা যায়। যেনে ঃ

হাওৰে পাপিষ্ঠ সদ্‌গতি নাতি তোৰ।
এতমান ৰাজা হয়া ভৈলি তিৰী চোৰ।।[১৪৩]

০ ০ ০ ০ ০

শুষিণী, নাগিনী, নিকাৰুণী সংহাৰিণী।
যক্ষিণী, ডাহিনী তই স্বস্বামী ভক্ষিণী।।
পিশাচনী আৰে ৰাণ্ডী ভৈলি অলক্ষিণী।[১৪৪]

০ ০ ০ ০ ০

নিলাজী বৈৰিণী চাৰী মাৰিবাক সাহা।[১৪৫]

০ ০ ০ ০ ০

অধৰ্ম্মী দুৰ্জ্জন তই অলপিক জন।।[১৪৬]

০ ০ ০ ০ ০

নিৰন্তৰে বেঢ়িয়া মন্ত্ৰীক পাৰে গালি।
এৰি আইলা ৰামক চণ্ডাল পাপশালী।।[১৪৭]

০ ০ ০ ০ ০

ৰামৰ যি বেটা অনিষ্ট চিন্তিলে
সিটো গৈলা ৰসাতল।।[১৪৮]

০ ০ ০ ০ ০

১৪৩। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ-৩২৪২
১৪৪। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-২২৭৮
১৪৫। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-২২৭৯
১৪৬। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৬০০০
১৪৭। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-২১০১
১৪৮। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ-৬৬৮৮

হাস্য কৰি কিঞ্চিতেক লক্ষ্মণেয়ো বুলিলন্ত
শুনৰে অধম নিশাচৰ।
আপুনাক বৰ কৰি পৰক নিন্দয় যিবা
তাকে বুলি নিলাজ পামৰ।।[১৪৯]

০ ০ ০ ০ ০

জাম্বৱন্ত বোলন্ত শুনৰে কালমুখ।
আমাত বিৰোধ কৰ এতমান বুক।।
কোন বংশে হোৱাস পতান যেন তুষ।
এহি বুলি কাটি লৈলা গজৰ অঙ্কুশ।।[১৫০]

সীতাই লক্ষ্মণক কৰ্কৰ্থনা কৰিছিল-সোণৰ হৰিণা বিচাৰি ৰোৱা ৰাম অসুৰৰ কবলত পৰা বুলি ৰামক বিচাৰি যাবলৈ। তেনে প্ৰসংগতো পৰম্পৰাগত গালি-শপনি ব্যৱহাৰ কৰা দেখা যায় ঃ

হাওৰে পাপিষ্ঠ দুৰাচাৰ দুৰচিত্ত।
আজিসে জানিলো ৰাঘৱৰ যেন হিত।।[১৫১]

× × × × ×

তিৰীচোৰ পাপিষ্ঠ হাড়ীৰ আউথা খাহা।
গলে শিলা বান্ধি দুষ্ট মৰিবাক যাহা।।[১৫২]

গএৱা ৰাইজে চন্দ্ৰ, সূৰ্য্য আদিক সাক্ষী কৰি শপত যায়। লোকজীৱত সদা-সৰ্বদাই প্ৰচলিত এই পৰম্পৰা বিশেষৰ প্ৰতিফলন মাধৱ কন্দলীৰ ৰামায়ণত পৰিলক্ষিত হয, যেনে ঃ

চন্দ্ৰ-সূৰ্য্য-বায়ু, বসুমতি হৈবা সাখি।[১৫৩]

ভৰতে ৰামৰ আগত শপত খোৱাৰ প্ৰসংগতো লোকজীৱনৰ সমল প্ৰতিফলিত হোৱা দেখা যায়। যেনে ঃ

কৰোহো শপত গুৰু তোমাৰ আগত।
তুমি হেন সহস্ৰ ব্ৰাহ্মণ কৰো হত।।
সহস্ৰ কপিলা মাৰো গঙ্গাৰ তীৰত।।

১৪৯। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৫৯০৯
১৫০। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৫২৪৯
১৫১। মাধৱ কন্দলী ঃ ৰামায়ণ, অৰণ্যকাণ্ড, পদ-৩১০৩
১৫২। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ-৩২৪৪
১৫৩। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-১৬১৩

পূৰ্ব পুণ্য আছে যত সিও হৌক হত।।
গোত্র-হত্যা, সুৰাপান, অগম্যাগমন।
মহাপাপ ব্ৰাহ্মণৰ সুবৰ্ণ হৰণ।।[১৫৪]

চৰাই-চিৰিকতি, জীৱ-জন্তুৰ আচৰণৰ জৰিয়তে শুভ-অশুভ, মঙ্গল-অমঙ্গল নিৰ্ণয় কৰা হয়। এনেধৰণৰ বৰ্ণনাবোৰ লোকয়ত সমাজৰ সমলৰ দ্বাৰা ঋদ্ধ :

বাধাক নুগুনি বালী সমৰক যায়।
মাথাৰ উপৰে কাক শগুণ বৰ্ণায়।।
বামপাশে সৰ্প যায় ডাহিনে শৃগাল।
কাক গৃধ্র পাখীৰ আকাশে কোলাহল।।[১৫৫]

ৰাম-ৰাৱণৰ যুদ্ধত :

ৰাৱণৰ উপৰে মণ্ডলি কৰে কাক।
দক্ষিণ দিশত গৃধ্র ভ্ৰমে জাকে জাক।।
দশগ্রীৱ ৰাজাৰ আগত ভূমিকম্প।
জোটা জোটা কৰি কাকে মাথে দিলা জাম্প।।[১৫৬]

অসময়ত ফেৰুৱাৰ ৰাৱো অমংগলজনক বুলি লোক সমাজত পৰিগণিত। ইয়াৰ প্ৰতিফলন মাধৱ কন্দলীৰ 'ৰামায়ণ'ত এনেদৰে পোৱা যায় :

মুখ চাই ফেৰুৱায়ে নাদয় হৰিষে।
ৰাৱণৰ মৰণ জানিয়া দশোদিশে।।[১৫৭]

থকা ঘৰৰ বা যান-বাহনৰ ওপৰত শগুণ পৰা, গাধৰ ৰাৱ, শৃগালৰ চিঞৰ, ঢোৰা কাউৰীৰ ৰাৱ আদিও লোকায়ত সমাজৰ দৃষ্টিত অমংগলজনক। মাধৱ কন্দলীৰ ৰামায়ণত ইয়াৰ প্ৰতিফলন তলত দিয়াৰ দৰে পোৱা যায় :

খৰ মহাবীৰ যেবে যুদ্ধক চলিল।
ৰথৰ উপৰে তাৰ শগুণ পৰিল।।
ৰুধিৰৰ বৰ্ণ গাৱে আকাশে উদয়।
মাংস শোণিতৰ হাতে পুষ্প বৰিষয়।।
গন্ধৰ্ব্বে কাঢ়য় ৰাৱ শৃগালে নাদয়।
ৰামৰ লোকৰ মাংস ভুঞ্জিতে সাধয়।।

১৫৪। উক্ত গ্ৰন্থ অযোধ্যাকাণ্ড, পদ-২৩৭০
১৫৫। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ-৩৫১৭
১৫৬। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৬৩৫২
১৫৭। মাধৱ কন্দলী : ৰামায়ণ, লংকাকাণ্ড, পদ-৬৩৫৫ .

দক্ষিণ দিশত পৰি ৰাবে ঢোণ্ডা কাক।
মুখত অগনি নিকলয় জাকে জাক।।
বাম হাতে পাৱ চক্ষু ফুৰে নিৰন্তৰ।
উতপাত দেখি ৰৱ বুলিলেক খৰ।।[১৫৮]

লোকায়ত সমাজৰ দৃষ্টিত ফেঁচা (পেচক), শেন আদি চৰায়ো অংগলজনক। অনুৰূপ মাধৱ কন্দলীয়েও ফেঁচা, শেন আদি চৰাইক অমংগলজনক বুলিছে। যেনে ঃ

ধূম্রাক্ষ যি বেলা ৰণক চলিল
বিমঙ্গল নানা বিধ।
ধ্বজৰ ওপৰে পেঁচা পৰি গৈল
মাথাৰ ওপৰে গৃধ।।
শেন যে শকুন আকাশে বনাবে
মণ্ডলি কৰয কাক।।[১৫৯]

লোকসমাজত সপোনৰ পৰাও শুভ-অশুভ গণনা কৰা হয। মাধৱ কন্দলীৰ 'ৰামাযণ'ৰ বিভিন্ন স্থানত এনে সপোনৰ ফলিতা বিবৰা আৰু জ্যোতিষ চৰ্চাৰ কথা পোৱা যায়। দশৰথ ৰজাই ৰাতি সপোনত ৰজাৰ মৃত্যু আৰু ৰাষ্ট্ৰৰ বিনাশসুচক সপোন দেখাৰ বৰ্ণনা অযোধ্যাকাণ্ডৰ আৰম্ভণিতে পোৱা যায়। তদুপৰি দৈৱজ্ঞৰ গণনামতে ৰজাৰ জন্ম-নক্ষত্ৰ, সূৰ্য্য, মঙ্গল আৰু ৰাহু তিনিওটা পাপ গ্ৰহৰ দ্বাৰা আক্ৰান্ত হোৱাত ৰাজ্যত ঘোৰ আপদে দেখা দিয়াৰ চিন্তাত ৰজা দশৰথ চিন্তিত হৈ পৰিছে। যেনে ঃ

স্বপ্নকে দেখিয়া বিচলিত মোৰ চিত।
ভূমিকম্পে নিৰ্ঘাত পৰিল পৃথিবীত ।।
দুই গ্ৰহ মন্দ মোৰ ৰাহুৰে মঙ্গলে।
দৈৱজ্ঞে গণিয়া মোত কহিল সকলে।।[১৬০]

আকৌ দশৰথ ৰজাৰ মৃত্যুত ভৰত মোমায়েকৰ ঘৰত আছিল আৰু তাতেই এক অশুভ সপোন দেখা পাইছিল ঃ

পৰম দুৰ্ঘোৰ স্বপ্ন দেখি মোৰ
থিৰ আৰ নোহে চিত।
আকাশ ছানিয়া দেখিলো সম্পূৰ্ণ
পৰিল চন্দ্ৰ ভূমিত।।

১৫৮। উক্ত গ্ৰন্থ অৰণ্যকাণ্ড, পদ-২৮৯৭-৯৯
১৫৯। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৫২১৩
১৬০। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-২২২৩

আৰৱ দেখিলো সাগৰ শুকাইল
ৰাহুৱে গ্ৰাসিল সুৰ।
কিনা মেঘে হাসি নিৰ্ঘাত পৰিয়া
যেন ভূমি ভৈলা চুৰ॥
আমাৰ পিতৃৰ শৰীৰ দেখিলো
ৰক্ত বস্ত্ৰ আনি দিল।
খিল নুহি কায়া মাটিত ঘসাইয়া
দক্ষিণক লাগি নিল।[161]

০ ০ ০ ০ ০

আৰো এক স্বপ্ন দেখিলোহো মই
গাৱে ক'লা বস্ত্ৰ লই।
পিতৃ দশৰথ লোহাৰ খাটত
থেপেকাই বসিলা গৈ॥
দেখিলো আউৰ ৰাতুল পুষ্পৰ
মালা মাথে তুলি দিল।
পিঙ্গল বৰ্ণী নাৰী একজনী
আলিঙ্গি আসি ধৰিল॥
ইসব স্বপ্নৰ ফলে নিৰন্তৰ
কহয় বাপৰ কাল।
লয় মোৰ মন নোহে বা জীৱন
তেজীলন্ত মহীপাল॥[162]

বালীৰজাৰ যুদ্ধযাত্ৰাৰ পূৰ্বে পত্নী তাৰাই অশুভসূচক সপোন দেখিছিল।[163] কন্দলী ৰামায়ণৰ কেবা ঠাইতো পূৰ্ব লক্ষণত বিশ্বাস (belief in omen), মন্ত্ৰ, যাদুবিদ্যা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এইবোৰ যে সমসাময়িক সমাজত প্ৰচলিত ব্যাপাৰ তাত সন্দেহ নাই। কবিৰ ভাষাত ঃ

ডাহিনৰ চকু মোৰ সঘনে সঘনে ফুৰে
আক হৃদয়ত ভালে শুনা॥[164]

১৬১। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-২২২৩
১৬২। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-২২২৪
১৬৩। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ-৩৫৮৫
১৬৪। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ-৩৫৮৮

পুৰুষৰ ক্ষেত্ৰত বাওঁ চকু, বাওঁ বাহু কঁপা আৰু নাৰীৰ ক্ষেত্ৰত সোঁ চকু, সোঁ বাহু কঁপা আদি দৈহিক আচৰণ বৰ্তমানো লোকায়ত জীৱনত অশুভজনক বুলি বিশ্বাস কৰা হয। সেইদৰে অসময়ত চৰায়ে মাত মাতিলে, যেনে ঃ দিনত ফেঁচাই মাতিলে, শাপ আৰু সোণগুই (iguana) ঘৰৰ ভিতৰ সোমালে ইত্যাদি অতি প্ৰাকৃত অশুভ পৰিচযৰ চিন বুলি গণ্য কৰা হয। মাধব কন্দলীৰ ৰামায়ণৰ কৈকেযী আৰু সীতাক বিভিন্ন অনুষংগত 'সোণগুই' বোলা হৈছে ঃ

সকলো লোকক শোকে মাৰিলি বিছুই।
অযোধ্যাৰাজ্যত তই ভৈলি সোণগুই।।[১৬৫]

মোহোৰ লঙ্কাত আসি সোণগুই পশিল।
অমাত্য সহিতে পুত্ৰ ৰণত নাশিল।।[১৬৬]

যাদুবিদ্যাৰ প্ৰয়োগৰ উদাহৰণ স্বৰূপে মন্ত্ৰপূত শৰ নিক্ষেপ কৰা বিভিন্ন পৰিস্থিতিলৈ আঙুলিযাব পাৰি। 'কাক' অনুকাহিনীভাগৰ অনুষংগত ৰামে মন্ত্ৰ পঢ়ি নিক্ষেপ কৰা ইকৰাডালেই অগ্নিসম শৰ হৈ কাকৰূপী দেৱতাক তীব্ৰবেগে খেদি লৈ গৈছিল ঃ

মন্ত্ৰপঢ়ি মাৰিলেক ইষিকৰ বান ।।
অগ্নিসম শৰ দেখি বাযস উৰায়।
ৰাঘৱৰ শৰে তাক পাচে খেদি যায়।।[১৬৭]

আকৌ লংকাকাণ্ডত ইন্দ্ৰজিৎ আৰু লক্ষ্মণৰ মাজত হোৱা প্ৰবল যুদ্ধত ইন্দ্ৰজিতে মন্ত্ৰ উচ্চাৰণ কৰি অসুৰৰ অস্ত্ৰ নিক্ষেপ কৰিছে ঃ

অসুৰৰ অস্ত্ৰক ৰাৱণি তুলি লৈল।
মন্ত্ৰ পঢ়ি আনিয়া ধনুৰ গুণে ভৈল।।
আকৰ্ণ পুৰিয়া তাক হানিলন্ত বলে।
অস্ত্ৰৰ মুখৰ জাকে অগনি নিকলে ।।[১৬৮]

লক্ষ্মণেযো প্ৰতিৰোধাৰ্থে শিৱমন্ত্ৰ পঢ়ি 'মহেশ্বৰ শৰ' নিক্ষেপ কৰিছে ঃ

লক্ষ্মণেযো শিৱমন্ত্ৰ পঢ়িযা মনত।
মহেশ্বৰ অস্ত্ৰ আনি চড়াইলা গুণত।।

১৬৫। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-২২৭৮
১৬৬। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৬০২০
১৬৭। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-২৪৯৭
১৬৮। মাধব কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড, পদ-৫৯৭১

বল দিলা হানিলা আকাশে চলি যায়।
ৰাৱণিৰ অস্ত্র-সব খেদি খেদি যায়।।[১৬৯]

আকৌ,—

মায়া অস্ত্র ধৰি পাচে ক্রোধ ৰব কৰি।
হুং বুলি ৰাঘৱক হানিলেক ধৰি।।[১৭০]

ঠ দৈনন্দিন ব্যৱহাৰৰ সামগ্রী আৰু আদৰ অভ্যৰ্থনা আদি বৰ্ণনাত লোকায়ত জীৱনৰ সমল :

দৈনন্দিন ব্যৱহাৰৰ সামগ্রীবোৰ দুটা দিশৰ পৰা আলোচনা কৰিব পাৰি। যেনে- (ক) ৰজা আৰু ৰজাঘৰৰ সামগ্রী আৰু (খ) সাধাৰণ প্ৰজাই ব্যৱহাৰ কৰা সামগ্রী। ৰাজপ্রাসাদ আদিৰ বৰ্ণনাত সুবৰ্ণৰ মাগুলী, কবলী, স্তম্ভ, সিংহদুৱাৰ কুন্দৰক্ষৰ (কুন্দ্ৰাক্ষ) কপাটৰ উল্লেখ আছে। প্রাসাদৰ লগতে বন্ধনশালা, ক্রোধৰ ঘৰ আৰু দেৱঘৰ সংযুক্ত আছিল। ৰজাঘৰীয়া সামগ্রীৰ ভিতৰত সুবৰ্ণৰ আসন, সুবৰ্ণৰ ভাজন, ৰত্নৰ প্ৰদীপ, কণক ভৃঙ্গাৰ, কাঁহৰ পাত্র, লোহাৰ খাট, ছত্ৰ, চামৰ, নেতকামলি কোমল তুলি আদি শয্যাৰ নাম পোৱা যায়। সাধাৰণ প্ৰজাই 'তৃণৰ গৃহ'ত বাস কৰিছিল। তেওঁলোকে কুশাসন আৰু কঠত[১৭১] বহি ভোজন কৰিছিল। মৃত্তিকাৰ পাত্র, হাড়ি[১৭২] ভাতৰ চৰুৰূপে ব্যৱহৃত হৈছিল। খোলাত মাছ ভাজিছিল। তিৰোতাই কাখত কলহ লৈ পানী আনিবলৈ গৈছিল। সাধাৰণ ক্রিয়া-কৰ্মত ব্যৱহাৰ হোৱা সা-সৰ্জুলিৰ ভিতৰত 'কুমাৰৰ চকা' 'তেলীয়াৰ জাত' বাঢৈৰ কুন্দ, নেওঠনি শিল, হাতুৰি বটালি আদিৰ নাম পোৱা যায়। ৰজাঘৰত ৰূপ, ৰত্ন, পোৱাল, ইন্দ্ৰনীল আদি মণিৰত্ন আৰু বিবিধ ধাতু ব্যৱহৃত হৈছিল। চতুৰ্দোলা, পুষ্পক বিমান ৰথ এইবোৰ ৰজাঘৰীয়া বাহন আছিল।

মাধৱ কন্দলীয়ে সৰ্বসাধাৰণ মানুহে ব্যৱহাৰ কৰা কিছুমান সামগ্রীৰ নাম উল্লেখ কৰিছে, যিবোৰৰ কিছুমান পুৰণি অসমীয়া সমাজ আনকি আজিও ব্যৱহাৰ হয়। এইবোৰ নাম মূল উৎসত পোৱা নাযায়। যেনে- দোন, পেটাৰি, বোকাণ্ডি (bag) কৰণ্ডী (flower basket) সুচী (needle), ছাতি, কুলা, বিচনী ইত্যাদি।

<u>দোণৰ</u> সমান যত মধুবাস পাৱে।[১৭৩]

০ ০ ০ ০ ০

১৬৯। উক্ত গ্ৰন্থ পদ-৫১৭৩
১৭০। উক্ত গ্ৰন্থ পদ-২১২৮
১৭১। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৫১৬৮
১৭২। বিড়ালীৰ যদি দোৱক ধৰিয়া
নিতেহি হাড়ি পেলাইব।—কিষ্কিন্ধ্যাকাণ্ড, পদ-৩৭৬৬
১৭৩। মাধৱ কন্দলী : ৰামায়ণ, সুন্দৰাকাণ্ড, পদ-৪৬২০

পেটাৰিত ভৰি লৈয়া ঝান্ট কৰি
সুমন্ত্ৰ চড়িলা গৈয়া।।[১৭৪]

০ ০ ০ ০ ০

হাতত কৰণ্ডী কুশ চৰৰি খোখৰা ছাতি
শন পাঙ্কি হেন ভৈল কেশ।।[১৭৫]

০ ০ ০ ০ ০

মেৰু কি টলয় অল্প বিচনীৰ বাব।।[১৭৬]

০ ০ ০ ০ ০

সুচিৰ মুখত দিয়া নয়ন জাণ্টস।।[১৭৭]

০ ০ ০ ০ ০

আদৰ-অভ্যাৰ্থনা, সেৱা-সৎকাৰ, মান-সন্মান আদিৰ আদৰ-কায়দাই কোনো এখন সমাজৰ উন্নত ৰুচিবোধ থকা পৰিমাৰ্জিত উচ্চ-মানবিশিষ্ট সমাজকেই বুজায়। মাধৱ কন্দলীৰ ৰামায়ণৰ কাহিনীভাগত বিভিন্ন চৰিত্ৰৰ যোগেদি যিবোৰ আদৰ-কায়দা প্ৰকাশ হৈছে সেইয়া উচ্চ-মানবিশিষ্ট ভাৰতীয় আৰ্য্য-সংস্কৃতিৰ আদৰ-কায়দাৰ লগতে পুৰণি অসমীয়া সংস্কৃতিৰ থলুৱা আদৰ-কায়দাও সন্নিবিষ্ট হৈ আছে। দেৱতাৰ পূজাৰ বন্দনাত আছে ঃ

বিষ্ণুক পূজন্তে ৰামে নমিলন্ত পাৱ।[১৭৮]

০ ০ ০ ০ ০

আচন্ত দেৱৰ ঘৰে কৃতাঞ্জলি কৰি (কৌশল্যা)[১৭৯]

ঋষিক অভ্যাৰ্থনা জনোৱা আৰু অভ্যাৰ্থনা সম্বন্ধীয় পদত পোৱা যায়ঃ

ৰামদেৱে বশিষ্ঠক কৰিলা প্ৰণাম।
আশীৰ্বাদ দিলা পাছে চিৰঞ্জীৱ ৰাম।।[১৮০]

ঋষিয়ে (ভৰদ্বাজ) ৰামক কৰিলন্ত আশীৰ্বাদ।
বেদ ধ্বনি উঠলিলা ব্ৰাহ্মণৰ নাদ।।[১৮১]

১৭৪। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ-১৯৫৮
১৭৫। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ-৪৩৪৫
১৭৬। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ-৪৩২০
১৭৭। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ-৩১৫১
১৭৮। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-১৫৫১
১৭৯। উক্ত গ্ৰন্থ,, পদ-১৫৫০
১৮০। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড পদ-৬৬৪৯
১৮১। উক্ত গ্ৰন্থ,, অযোধ্যাকাণ্ড পদ-২০৬০

ৰজাৰ নমস্কাৰ কৰোঁতে ঃ

ৰাজাৰ আদেশ মন্ত্ৰী মাথাত লৈলন্ত।
প্ৰদক্ষিন কৰি কৃতাঞ্জলি কৰিলন্ত।।[182]

কন্দলীৰ ৰামায়ণত গুৰুক ভৰি চুই প্ৰণাম কৰি ভৰিৰ ধুলি মূৰত লোৱাৰ উল্লেখ আছে ঃ

বশিষ্ঠক দেখি ৰাজা চলিলন্ত গাৱ।
যেন ইন্দ্ৰে নমিলা গুৰুৰ দুই পাৱ।।[183]
o o o o o
লক্ষ্মণে সুগ্ৰীৱে কৰিলন্ত কৃতাঞ্জলি।
ৰামৰ চৰণ দুয়ো কৰিলা সেৱলি।।[184]

অভ্যাগতজনক পাদ্য-অৰ্ঘ্য লৈ আদৰণি জনোৱা, কুশল বাৰ্তাদি সোধা, অনুজক মূৰত ধৰি চুমা খোৱা, আলিংগন কৰা আদি কন্দলীৰ ৰামায়ণত বৰ্ণিত আদৰ অভ্যৰ্থনাৰ নমুনা, যিবোৰ অভ্যাস বৰ্তমানো লোকায়ত সমাজত প্ৰচলিত।

ড শিল্পকলাৰ বৰ্ণনাত লোকায়ত সমল ঃ

সুকুমাৰ কলা বা শিল্প প্ৰতিভাৰ স্বাক্ষৰ হিচাবে প্ৰত্যেক সমাজতে অভিনয় কলা, চিত্ৰকলা, ভাস্কৰ্য্য, স্থাপত্য আদি শিল্পৰ সৃষ্টি হয়। কন্দলীৰ ৰচনাত সমসাময়িক অসমীযা লোকসমাজৰ এনেবোৰ শিল্পকলাৰ আভাসো কম-বেছি পৰিমাণে পৰিলক্ষিত হয়। অযোধ্যা নগৰৰ ঘৰ-দুৱাৰ আদিৰ বৰ্ণনাৰ জৰিয়তে চতুদৰ্শ শতিকাৰ অসমীয়া স্থাপত্য শিল্পৰ সাধাৰণ আভাস পোৱা যায়। অসমৰ থলুৱা সম্পদ খেৰ-বাঁহ-কাঠেৰে নিৰ্মিত ঘৰ-দুৱাৰে অযোধ্যাৰ শোভাবৰ্ধন কৰিছিল। ৰামৰ ৰাজপ্ৰাসাদৰ বেৰবোৰত হাতী দাঁতেৰে বাৰ দি তাত হিঙ্গুলৰে কাম কৰা হৈছিল। বেৰবোৰত কুদ্ৰাক্ষ সদৃশ খিড়িকী ৰাখি শোভাবৰ্ধনৰ কৰা হৈছিল।

হস্তী দন্তে বাৰ দিলা হিঙ্গুলৰ কাম।
কুন্দকৰ জালা থৈলা দেখি অনুপাম।।[185]

তেনেদৰে–

বিদ্যুত মণিৰ ভালে লাগি গৈল কাপ।
শুক্ল মেঘখনে যেন জলে শক্ৰ চাপ।। [186]

১৮২। উক্ত গ্ৰন্থ, পদ-১৫৩২
১৮৩। উক্ত গ্ৰন্থ, পদ-১৫২৩
১৮৪। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ-৩৭৯০
১৮৫। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১৬৪৩
১৮৬। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-১৬৪৫

ঢ অতিৰঞ্জনৰ প্ৰধান্য ঃ

লোকমানস অতি সহজে অতিৰঞ্জনৰ প্ৰতি আকৃষ্ট হয়। তেওঁলোকৰ জীৱনৰ লগত বিভিন্ন ৰীতি-নীতি, বিশ্বাস, সংস্কাৰ আদিত অতিৰঞ্জনৰ প্ৰাধান্য লক্ষ্য কৰা যায়। বিবিধ প্ৰাকৃতিক ঘটনাৰ ব্যাখ্যাও লোকায়ত সমাজৰ প্ৰসংগত দিয়া হয়, অতিৰঞ্জনৰ সহায়ত। তেওঁলোকৰ মুখ পৰম্পৰা প্ৰচলিত পুৰাণ-কথা (myth) জনশ্ৰুতি (legend) সাধুকথা (tale) আদি বৰ্ণনাতো অনেক ক্ষেত্ৰত তেওঁলোকে অতিৰঞ্জনৰ সহায় লয়। অভাৱ-অনাটন আদিৰে পৰিপূৰ্ণ বাস্তৱক সাময়িকভাৱে হ'লেও তেওঁলোকে অতিৰঞ্জনৰ সহায়ত পাহৰিবলৈ চেলু পায়। প্ৰকৃতাৰ্থত অতিৰঞ্জনে লোকায়ত সমাজত বিষাদৰে বিৰেচন অৰ্থাৎ catharsis ৰূপে প্ৰকাৰ্য্য সাধন কৰে।

অতিৰঞ্জন দৰাচলতে মৌখিক আৰু লিখিত সাহিত্য উভয়ৰে অপৰিহাৰ্য্য শৈলী (style)। বৰ্ণনাত্মক কাহিনী বা সাহিত্যৰ ক্ষেত্ৰতো অতিৰঞ্জন শৈলীগত বৈশিষ্ট্য (stylistic feature) ৰূপে বিবেচিত হ'ব পাৰে। মহাকাব্য, পুৰাণ আৰু অন্যান্য বৰ্ণনাত্মক সাহিত্য ৰচিত হয় কথকতাৰ বাবে। মাধৱ কন্দলীয়ে বাল্মীকি ৰামায়ণ অনুবাদ কৰিছিল কথকতা বা আবৃত্তিৰ বাবে, যিহেতু সামাজিকজনৰ সন্মুখত ইয়াক আবৃত্তি কৰা হৈছিল। পদ-পুথি আবৃত্তি কৰোঁতা-জনকেই কথক বোলে।[১৮৭]

বৰ্ণনাত্মক সাহিত্যৰ প্ৰসংগত বৰ্ণনাকাৰী বা ব্যাখ্যাকাৰীয়ে কোনো এটা নিৰ্দিষ্ট পৰিস্থিতিৰ সমব্যথী চিনাক্তকৰণৰ পৰিণতিত অতিৰঞ্জনৰ সৃষ্টি হোৱা দেখা যায়। পুথিৰ কোনো এটা পৰিস্থিতিক সমব্যথীৰূপ দিওঁতে ব্যাখ্যাকাৰী বা বৰ্ণনাকাৰীৰ আবেগে সেই বৰ্ণনাত প্ৰৱেশ কৰি অতিৰঞ্জনৰ পথ সুগম কৰি তোলে। জৱহাৰলাল হান্দুৰ ভাষাত ঃ

" it is narrator's act of identification of sympathizing with a given situation that results in exaggeration or overstatement Thus while sympathizing with a particular situation of the text the narrator's emotions enter into his piece of work as sheer expression of self which leads to exaggeration [১৮৮]

১৮৭। "Kathakas are those who read before an audience episodes from original epics (Mahabharata or Ramayana) or the Puranas, and explain them with the art of a good story— teller interpreting\ their narration with songs, or musical recitation of original Sanskrit passages "

Manomohan Ghosh (ed) Nandikesvaras Abhinayadrapana, Introduction, p 19(fn)

১৮৮। J Handoo Current Trends in Folklore, p 24

আনকি বার্ণাড শ্ব-ৰ নিচিনা সৃজনী প্রতিভাসম্পন্ন লিখকেও অতিৰঞ্জনৰ ওপৰত গুৰুত্ব দিছে। তেওঁৰ ভাষাত :

"It is always necessary to overstate a case startingly to make people sit up and listen to it and frighten them into acting on it."[১৮৯]

মাধৱ কন্দলী আছিল বিশিষ্ট কথক। কথকস্বৰূপে শ্ৰোতাক বিশেষভাৱে আকর্ষণ কৰিবৰ বাবে তেওঁ প্রচুৰ পৰিমাণে অতিৰঞ্জনৰ সহায় লৈছিল।

ৰামায়ণৰ কাহিনীভাগৰ বিভিন্ন প্রসংগত শূর্পনখাৰ ৰূপ বর্ণনা কৰোঁতে, বিৰাট ৰাক্ষসৰ ভয়ংকৰ ৰূপ বর্ণনা কৰোঁতে, ৰাৱণৰ ক্রোধান্বিত ৰূপ বর্ণনা কৰোঁতে কন্দলীৰ অতিৰঞ্জনৰ বৈশিষ্ট্যৰ আভাস, পোৱা যায়, যেনে :

শূর্পনখাৰ ৰূপ বর্ণনা :

ৰামৰ ভার্য্যাক তাই ভুঞ্জিবাক মনে।
ৰাক্ষসীৰ বেশক ধৰিলা তেতিক্ষণে।।
ভয়ঙ্কৰ বেশ ভৈল পেটগোট খাল।
লহ লহ জিহ্বা খন দেখিতে বিশাল।।
আকট বিকট দন্ত উচ্চ নাকগোট।
কেশ পাশ বিকৃত লেৰুয়া দুই ওঠ।।
ডিমৰুৰ পাত যেন খসমস গাৱ।
লোমচয় উভতা ভেঙ্গুৰা দুই পাৱ।।
দুই গোটা চক্ষু জ্বলে অগনিৰ থান।
কুৰি গোটা নখ তাইৰ বজ্রৰ সমান।।[১৯০]

বিৰাট ৰাক্ষসৰ ৰূপ বর্ণনা :

বসিয়া আছয় সিটো যেন গিৰি গোট।।
চক্ষু যেন ধোন্দ কায়া আঙ্গাৰৰ বর্ণ।
নাকগোট বেঙ্কা কুলা হেন দুই কর্ণ।।
লহ লহ জিহ্বামুখ মাজতে লৰয়।
অগনি খণ্ডেক যেন গহ্বৰে জ্বলয়।।

১৮৯। Richard M Chmann, "Modes of Order" in Linguistics and Literary Style, ed by Freeman, p 233

১৯০। মাধৱ কন্দলী : ৰামায়ণ, অৰণ্যকাণ্ড, পদ-২৮৩১-৩২

দুই ভৰি ভেঙ্গুঁৰা পিঙ্গলবৰ্ণ কেশ।
বিকট দশন মুখ বিভঞ্জ কুবেশ।।[১৯১]

ৰাৱণৰ আত্ম-পৰিচয় প্ৰদানৰ পিছত সীতাক হৰণ কৰিবলৈ ওলোৱাত সীতাই অতি কৰ্কশ ভাষাৰে ৰাৱণক ককৰ্থনা কৰিবলৈ বাধ্য হয়। তেতিয়া ৰাৱণে খণ্ডত উগ্ৰমূৰ্তি ধাৰণ কৰি ছদ্মবেশ পৰিত্যাগ কৰে এনেদৰে ঃ

কুপিল ৰাৱণ বাক্য শুনিয়া সীতাৰ।
ঋষিবেশ এৰি ৰূপ ভৈল আপোনাৰ।।
কুৰি কাণ দশ নাক কুৰিখান হাত।
ডাঙৰ কপালে চিত্ৰ দশগোটা মাথ।।
দশমুখ মাজে কুড়ি নয়ন বলয়।
যেন কুৰি কুণ্ডী বহ্নি পৰ্বতে জ্বলয়।।
কালবৰ্ণ দেহা যেন অঞ্জন পৰ্বত।
ভয়ংকৰ বেশে থিয় ভৈ গৈল আগত ।।
কৰকৰি চোৱাবয় কুৰি পাৰি দান্ত।
একে বেলে টানে যেন কুৰিখান জান্ত।।
ক্ৰোধিয়া ৰাৱণে বোলে খৰতৰ বাক।
হৰিবো পাপিষ্ঠী ত্ৰিভুবনে নাহি ৰাখ।।[১৯২]

যুদ্ধৰ বৰ্ণনা ঃ

যুদ্ধৰ বৰ্ণনাত লোকজীৱনে সীমাহীন আনন্দ আৰু অপূৰ্ব শিহৰণ লাভ কৰে। সেইবাবে পুৰণি অসমীয়া কবিসকলে যুদ্ধৰ বৰ্ণনাত অত্যধিক গুৰুত্ব প্ৰদান কৰিছিল। হৰিবৰ বিপ্ৰ, শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী আদি পুৰণি অসমীয়া কবিসকলে যুদ্ধৰ বৰ্ণনাত কবি-কল্পনাক মুক্ত গতিত বিচৰণ কৰিবলৈ দিছিল। সেয়েহে মূল সংস্কৃত গ্ৰন্থত এটা বা দুটা শ্লোকৰ পৰিসীমাত বৰ্ণিত হোৱা যুদ্ধৰ বৰ্ণনা অতিৰঞ্জনৰ সহায়ত দীৰ্ঘ পৰিসৰ বিশিষ্টভাৱে চিত্ৰণ কৰিছে। মাধৱ কন্দলীয়েও অতিৰঞ্জনৰ সহায়ত যুদ্ধৰ দীঘলীয়া বৰ্ণনা পৰিবেশন কৰিছে।

কন্দলীৰ যুদ্ধ বৰ্ণনাক সাধাৰণতে তিনিটা স্তৰত ভাগ কৰিব পাৰি, যেনে-

প্ৰথমতে দুয়োজন প্ৰতিদ্বন্দ্বী বীৰে লম্ফ-জম্ফপূৰ্ণ বাক্যৰে নিজৰ শক্তি আৰু সামৰ্থ্য প্ৰকাশ কৰে। এই স্তৰৰ যুদ্ধক বাক্‌যুদ্ধ আখ্যা দিব পাৰি।

১৯১। মাধৱ কন্দলী ঃ ৰামায়ণ, অৰণ্যকাণ্ড, পদ-২৬৮২-৮৩
১৯২। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ-৩১৭৫-৭৭

সুন্দৰকাণ্ডত ইন্দ্ৰজিৎৰ লগত হনুমানৰ যুদ্ধৰ আৰম্ভণিতে এনে এখন বাক্‌যুদ্ধ পৰিলক্ষিত হয়, যেনে-

হেন দেখি ইন্দ্ৰজিত ক্ৰোধে জ্বলি গৈল।
বচন প্ৰহাৰে আগে গৰ্জ্জিবাক লৈল।।
কোপেৰ বাণৰ তই আসি ভৈলে লঙ্কা।
ৰাৱণৰ বংশক তোহোৰ নাহি শঙ্কা।।

মোহোৰ ক্ৰোধত তোক ৰাখিবেক কোনে।
নপলাইবে মাৰি পেযো যমৰ সদনে।।[১৯৩]

হনুমন্তই ইন্দ্ৰজিৎক উত্তৰ দিছে, যেনে–

কোপে হনুমন্ত ইন্দ্ৰজিৎক বোলন্ত।
গৰ্ব নকৰিবি আজি কৰিবোহো অন্ত।।
যত শৰ আছে মোৰ হান শৰীৰত।
গৰ্জ্জি কত দেখাৱস লোকত মহত্ত্ব।।[১৯৪]

বাক্‌যুদ্ধৰ পৰৱৰ্তী স্তৰতে উভয়ৰীৰে অসি যুদ্ধ, গদা, মুদ-গৰ যুদ্ধ বা ধনুৰ্যুদ্ধত প্ৰবৃত্ত হোৱা দেখা যায়। তৃতীয়তে, অনেক ক্ষেত্ৰত উভয়বীৰে শাৰীৰিক যুদ্ধ বা মল্ল যুদ্ধত প্ৰবৃত্ত হয়। কেতিয়াবা আকৌ উভয় বীৰে বৃক্ষ, শিল আদি অস্ত্ৰৰূপে প্ৰয়োগ কৰি যুদ্ধ কৰে। লংকাকাণ্ডত সুগ্ৰীৱ আৰু মত্তৰাক্ষসৰ মাজত সংঘটিত যুদ্ধৰ বৰ্ণনা :

দুয়ো যুদ্ধ কৰে বৰ গহন পয়দা।
সুগ্ৰীৱে পৰিঘ লৈলা মত্তে লৈলা গদা।।
দুয়ো বীৰ দুহান্তক হানিলন্ত বাৰি।
একেবাৰে ভূমিত পৰিলা প্ৰাণ ছাৰি।।
চেতন লভিলা দুয়ো উঠিলা লৰৰে।
ৰাজাক গৈ মত্তে ধৰিলেক কোলাথৰে।।
হিয়ে হিয়ে আস্ফাল বাজয় ধাত ধাত।
সাগৰ মাজত যেন পৰয় নিৰ্ঘাত।।
মুষ্টিৰ প্ৰহাৰ যেন বজ্ৰৰ নিপাত।
লাথিৰ প্ৰহাৰ দুয়ো মাৰে অসংখ্যাত।।

১৯৩। মাধৱ কন্দলী : ৰামায়ণ, সুন্দৰকাণ্ড পদ -৪৪৩৪-৩৭
১৯৪। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড পদ -৪৪৩৮

চৰৰৰ ছোটে ভিণ্ডাকাৰ ভৈলা গাল।
বাহু বাহু নিবন্ধিলা বান্ধ যেন মাল।।
মাল যুদ্ধ এৰি খাণ্ডা ধৰিলেক মত্ত।
হানিলেক কোব পশিলেক অৰণ্যত।।[১৯৫]

কিস্কিন্ধাকাণ্ডত সংঘটিত হোৱা বালী-সুগ্ৰীৱৰ যুদ্ধত উপৰি উক্ত যুদ্ধৰ আটাইকেইটা স্তৰ পোৱা যায়। বালী আৰু সুগ্ৰীৱৰ মাজত প্ৰথমে বাক্‌যুদ্ধ সংঘটিত হয। যেনে-

সুগ্ৰীৱ বোলন্ত দদা এৰা দম্ভ দৰ্প।
জানিবাহা মইসে তোমাৰ কালসৰ্প।।
আজি যেৱে জীয়া দৰ্প কৰিবাহা পাচে।
জানিবাহা নিশ্চয় বৰতো বৰ আছে।।[১৯৬]

প্ৰত্যুত্তৰত বালীযে কৈছে ঃ

নেত্ৰ ফুৰাই মাতিলন্ত ৰাজা বীৰ বালী।
এৱে তোৰ মুখৰ বজাইল বৰ গালি।
অসমৰ্থ প্ৰাণীৰ বচন চতুৰালি।
সিংহৰ আগত যেন শৃগালৰ টালি।।[১৯৭]

তাৰ পিছত

সুগ্ৰীৱে দেখন্ত বৃক্ষ চাপিলন্ত কোল।
বাহুত চাপৰ দিয়া কৰিলা হাস্ফোল।।
কটাক্ষ নয়নে চাহিলন্ত আগ পাচ।
মুঠিৰ প্ৰহাৰে ভাঙ্গিলন্ত শাল গাছ।।
বৃক্ষ ভাণ্ডি সুগ্ৰীৱেও কৰন্ত আস্ফাল।
শীঘ্ৰবেগে সুগ্ৰীৱে হানিলা দুই শাল।।[১৯৮]

০ ০ ০ ০ ০

লেঞ্জে মেৰাই পৰ্বতক উপাৰি আনিলা।
সুগ্ৰীৱক লাগি বীৰ বালীয়ে হানিলা।।
শত্ৰুক দলিলো বুলি ক্ষেপিলা পৰ্বত।
সুগ্ৰীৱ দেখন্ত গিৰি আসন্ত পথত।।

১৯৫। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড পদ -৬০৮৬-৮৮
১৯৬। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড পদ -৩৫১৬
১৯৭। উক্ত গ্ৰন্থ, পদ -৩৫১৯
১৯৮। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড পদ -৩৫২১

লেঞ্জে মেৰাই ধৰিলন্ত মাতঙ্গৰ লীলা।
সুগ্ৰীৱে হানিলা ৰঙ্গে গিৰি শৃঙ্গ শিলা।
শিখৰে শিখৰে একখান ভৈলা দুই।
পৃথিৱীত পৰি গৈলা চূৰ্ণীকৃত জুই।।[১৯৯]

পাছৰখিনি বালী-সুগ্ৰীৱৰ যুদ্ধৰ বৰ্ণনা লোকসমাজৰ অতি আকৰ্ষণীয়। উভয় বীৰে একোখন পৰ্বত তুলি লৈ অস্ত্ৰ হিচাবে প্ৰয়োগ কৰি যুদ্ধ কৰিবলৈ ধৰিলে। যেনেঃ

ত্ৰিভুৱনে লাগি গৈলা অদ্ভুত শবদ।
নৰ নাগ দেৱগন ভৈগৈলা তবধ।।
ভাসি আসি পৰিল শবদ কৰি দুই।
আউৰে আউৰ থাকিলন্ত চমকিত হুই।
থিয় লেঞ্জ কৰি লাগি গৈল হিঞ্চাহিঞ্চি।
বাহু দাম্ফ মাৰিয়া আন্দোল কিচাকিচি।
থাক থাক মাৰো বুলি উথলিল ৰোল।
দুই ভাই দুহাকো ধৰিলা কোলে কোল।।
দুই ভাই যুদ্ধ কৰে একপিণ্ড হুই।
প্ৰমাণত দেখিয় পৰ্বত যেন দুই।।[২০০]

এইদৰে মাধৱ কন্দলীয়ে আতিৰঞ্জনৰ সহায়ত যুদ্ধৰ বৰ্ণনাত মূলৰ পৰা আঁতৰি আহি লোকসমাজক আকৃষ্ট কৰিবলৈ সমৰ্থ হৈছে আৰু পৰিণতি স্বৰূপে মাধৱ কন্দলীৰ ৰামায়ণ মূল বাল্মীকি ৰামায়ণতকৈয়ো লোকসমাজত অধিক জনপ্ৰিয় হ'বলৈ সুবিধা পাইছে। কবিয়ে উল্লেখ কৰা 'লোকব্যৱহাৰ' কথাটিৰ সাৰ্থক ৰূপায়ণ লক্ষ্য কৰা যায় লোকসমাজ উপযোগী পৰিৱেশ সৃষ্টিৰ উপৰত দিয়া তাৎপৰ্য্যপূৰ্ণ গুৰুত্বৰ দিশত।

১৯৯। মাধৱ কন্দলী : ৰামায়ণ, কিষ্কিন্ধ্যাকাণ্ড পদ -৩৫৩২
২০০। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড পদ -৩৫৩৮

।। সপ্তম অধ্যায়।।

ভাষা আৰু ৰচনাভংগীত লোকসমল

অপ্রমাদী কবি মাধব কন্দলীৰ 'ৰামায়ণ' অনুদিত হ'লেও অসমীয়া ভাষাৰ ঐতিহাসিক আৰু সমাজতাত্ত্বিক অধ্যয়নৰ ফালৰপৰা প্রযোজনীয় গ্রন্থ। কন্দলীয়ে মূল বাল্মীকি ৰামাযণ মহাকাব্যৰূপে অসমীযা ভাষাত অনুবাদ কৰাৰ পৰা স্পষ্টভাবে ক'ব পাৰি যে চৈধ্য শতিকাতে অসমীযা ভাষাই পৰিপূর্ণ ৰূপ লাভ কৰিছিল। তদুপৰি বৰাহী ৰজা মহামাণিক্যই কন্দলীক অসমীযা ভাষাত 'ৰামাযণ' ৰচনা কৰিবলৈ অনুৰোধ জনোৱাৰ পৰাও নিঃসন্দেহে অনুমান কৰিব পাৰি যে, সেই সমযত অসমীয়া ভাষাই জাতি আৰু জনজাতি উভযৰে উমৈহতীযা ভাষাৰূপে গৃহীত হৈছিল। বৰাহী কছাৰীকে ধৰি তদানীন্তনৰ জাতি-প্রজাতি সকলোৱে অসমীয়া ভাষাক গ্রহণ কৰাত, সেই সময়ত অসমীযা ভাষাই কেবল বিশিষ্ট সাহিত্যিক মাধ্যম ৰূপেই গঢ লৈ উঠা নাছিল, সমগ্র বৰ অসমত সংযোগী ভাষাৰ মান্যতাও লাভ কৰিছিল।[১]

খ্রীঃ ষষ্ঠ ৭ম শতিকাৰ পৰা আৰ্য্য অসমীযা ভাষাই ক্রমে মৌখিকভাবে বিকাশ লাভ কৰি চৰ্য্যাগীতৰ মাজেৰে আহি ত্রযোদশ-চতুর্দশ শতিকাত এটি উন্নত বিকশিত ৰূপ লাভ কৰে। মাধব কন্দলীয়ে তেওঁৰ 'ৰামায়ণ'ত চতুৰ্দশ শতিকাৰ তৎকালীন অসমীযা সমাজৰ ব্যবহৃত ভাষাকে কাব্যিক ৰূপত তুলি ধৰিছে। 'ৰামায়ণ'ত ব্যবহৃত বিচিত্র শব্দৰাজি, তাৰ ৰূপগঠন পদ্ধতি আৰু ভাব-প্রকাশৰ বিভিন্ন ভংগীলৈ চালে দেখা যায যে কন্দলী ৰামায়ণৰ ভাষাই সমকালীন অসমৰ দুই শ্রেণীৰ লোকৰ কথিত ভাষাৰ নিদর্শন দাঙি ধৰে ঃ এটা হ'ল ৰাজপৰিয়াল আৰু সম্ভ্রান্ত শিক্ষিত শ্রেণীৰ মানুহৰ কথিত ভাষা আৰু আনটো অশিক্ষিত লোকজীৱনৰ মুখৰ ভাষা। সম্ভবতঃ এই দুই শ্রেণীৰ মানুহৰ মুখত প্রচলিত কথ্য অসমীযা ভাষাটোৱেই সেই সময়ৰ সুবিশাল অসমৰ আৰ্য্য-অনাৰ্য্য বিভিন্ন ভাষা-ভাষী লোকৰ মাজত ভাব-ভাষা আদান-প্রদানৰ একমাত্র মাধ্যম আছিল। ফলত সেই কথ্য ভাষাটোৱে 'Lingua Franca' ৰ মৰ্য্যাদা লাভ কৰিছিল আৰু বৰাহী ৰজা মহামাণিক্যই সেই ভাষাকে ৰাজভাষাৰ সম্মান দি তেনে সৰ্বজনবোধ্য কথ্য ভাষাত 'সংস্কৃত সাগৰত লুকাই থকা মাণিক' সৰ্বসাধাৰণৰ আগত দাঙি ধৰিবলৈ কবি কন্দলীক অনুৰোধ কৰিছিল।[২]

১। শশী শৰ্মা ঃ মাধব কন্দলীৰ ৰামায়ণ, পৃ ৫৪

২। লীলাৱতী শইকীয়া বৰা ঃ মাধব কন্দলীৰ ৰামায়ণৰ ভাষা, পৃ ১০

অসমীয়া 'ৰামায়ণ' কন্দলীৰ মৌলিক ৰচনা নহ'লেও, মাধৱ কন্দলীৰ লেখা স্বাভাৱিক, সুৱলা আৰু মনোগ্ৰাহী। মৌলিক সৃজনী প্ৰতিভাৰে তেওঁ লোকজীৱনৰ উপযোগীকৈ আৰু লোকজীৱনৰ ভেটিতেই 'ৰামায়ণ' ৰচনা কৰিছিল। কন্দলী 'ৰামায়ণ'ৰ ভাষাও সেয়েহে লোকজীৱনৰ মুখৰ ভাষা। লোকসাহিত্যৰ দৰে লোকভাষাও মুখ পৰম্পৰাত প্ৰচলিত আৰু সেয়ে লোক সাংস্কৃতিক অধ্যয়নৰ ক্ষেত্ৰত এনে লোকভাষাৰ গুৰুত্বও যথেষ্ট। লোকভাষাৰ যোগেদি স্থানীয় সাংস্কৃতিক পৰিৱেশৰ উমান পাব পাৰি। আনহাতে লোক-সাহিত্য যিদৰে লিখিত বা অভিজাত সাহিত্যৰ মূল ভেটি তদ্ৰূপ লোকভাষা সকলো ভাষাৰ বুনিয়াদ।[৩] এই প্ৰসংগত চিমণ্ডেও উচিত মন্তব্য আগবঢ়াইছে :

"It should be obvious by now that folk speech is the foundation on which all language is based"[৪]

সংস্কৃত ভাষাত ৰচিত মূল বাল্মীকি ৰামায়ণৰ সকলো কথা সশ্ৰদ্ধভাৱে আত্মস্থ কৰিও সমকালীন লোকজীৱনৰ আনন্দ-অনুভূতিক স্থান দি 'ৰামায়ণ'ৰ কাহিনীভাগ কন্দলীয়ে প্ৰকাশ কৰিছে। জতুৱা ঠাচ, জাতীয় জীৱনৰ লগত খাপ খোৱা ঘৰুৱা বৰ্ণনা আৰু কথাবাৰ্তাত লোকভাষাৰ প্ৰলেপে স্বাভাৱিকতে গ্ৰন্থখন মনোগ্ৰাহী আৰু আকৰ্ষণীয় কৰি তোলাটোও স্বাভাৱিক। সেয়েহে চতুৰ্দশ শতিকাৰ লোকসমাজত প্ৰচলিত বিবিধ শব্দ সম্ভাৰেৰে কন্দলীৰ 'ৰামায়ণ' সমৃদ্ধিশালী। এইবোৰে সমকালীন সমাজৰ সাংস্কৃতিক পৰিৱেশ আৰু প্ৰাত্যহিক জীৱনৰ তথ্যও যোগান ধৰিব পাৰে। গতিকে মাধৱ কন্দলীৰ ৰামায়ণৰ ভাষাতাত্ত্বিক বিশ্লেষণৰ জৰিয়তেও তদানীন্তন লোকায়ত জীৱনৰ সমল পাব পাৰি।

মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ ভাষাগত বৈশিষ্ট্যৰাজিত আলোকপাত কৰি এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে, 'ৰামায়ণ'ৰ ভাষাই অসমীয়া ভাষাৰ পূৰ্ণৰূপৰ পৰিচয় দিব পাৰে। ভাষাৰ পূৰ্ণৰূপ বুলি ক'লে প্ৰধানকৈ ৰূপগঠন প্ৰক্ৰিয়াৰ কথাই আহে। ৰূপগঠন পদ্ধতিয়ে বিভিন্ন শব্দৰ লগতে সেইবোৰৰ পিচত যোগ হোৱা বিবিধ প্ৰত্যয়, শব্দ বিভক্তি, ক্ৰিয়া-বিভক্তি, শব্দবোৰৰ শ্ৰেণীবিভাগ (বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, ক্ৰিয়াবিশেষণ, অব্যয়) শব্দগঠন পদ্ধতি আদি সামৰি লয়।[৫] কন্দলীৰ 'ৰামায়ণ'ৰ সুদীৰ্ঘ কাহিনীভাগৰ বৈচিত্ৰ্যপূৰ্ণ ঘটনা বৰ্ণনাত ব্যৱহৃত বিবিধ ধৰণৰ শব্দমালাৰ বিপুলতা

৩। নবীন চন্দ্ৰ শৰ্মা : অসমীয়া লোক-সংস্কৃতিৰ আভাস, পৃ ১০

৪। W E. Richmond "Folk Speech" in Folklore and Folklife, An Introduction, ed. R. M Dorson, p 154

৫। উপেন্দ্ৰনাথ গোস্বামী : কন্দলী ৰামায়ণৰ ভাষা (বিহুলঙনি, সাহিত্য সংখ্যা) পৃ ১০৪

আৰু বিচিত্ৰতা প্ৰকাশ পাইছে। এই শব্দবোৰৰ যোগেদি সমসাময়িক সমাজ আৰু সাংস্কৃতিক পাৰিপাৰ্শ্বিকতা আদিৰ পৰিচয় পোৱা যায়।

কন্দলী 'ৰামায়ণ'ত ব্যৱহৃত বিভিন্ন শব্দৰাজিক তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি :

(ক) ৰাজশাসন বিষয়ত প্ৰয়োগ হোৱা বিভিন্ন শব্দ :

ৰজা, ৰাজ্য, দেশ, দণ্ডপাট, সাম্ৰাজ্য, নগৰ, গাঁও, চক্ৰৱৰ্ত্তী, নৰেশ্বৰ, সিংহাসন, পটেশ্বৰী, পাটমাদৈ, যুৱৰাজ, পাত্ৰ-মন্ত্ৰী, ৰাজগুৰু, কুলগুৰু, পুৰোহিত, সন্দিকৈ, ভণ্ডাৰী, ভাট, প্ৰহৰী, দুৱৰী, দূত, দাস-দাসী, কিংকৰ, প্ৰজা, নগৰীজন, সেৱক, সেৱতীয়া, মহামন্ত্ৰী, বন্দীগণ, পতাকা ইত্যাদি।

(খ) আদৰ অভ্যৰ্থনাৰ প্ৰসংগত প্ৰয়োগ হোৱা শব্দৰাজি :

আদৰ-অভ্যৰ্থনা, সেৱা-সৎকাৰ, মান-সম্মানত প্ৰয়োগ হোৱা বিভিন্ন শব্দৰ ভিতৰত কৰযোৰ, কৃতাঞ্জলি, নমস্কাৰ, প্ৰণাম, প্ৰণতি, পুস্পাঞ্জলি, পদধূলি গ্ৰহণ, বন্দনা, যোৰহাত, সাষ্টাংগ প্ৰণাম, বৰ, আশিস বা আশীৰ্বাদ, সাৱটি, চুম্বন ইত্যাদি।

(গ) যুদ্ধাদিৰ অনুষংগত ব্যৱহৃত শব্দৰাজি :

যুদ্ধ বিষযৰ বৰ্ণনাত প্ৰযোগ হোৱা বিভিন্ন শব্দৰ ভিতৰত চতুৰংগ সেনা, পদাতিক, অশ্বাৰোহী, কটক, ধনুৰ্দ্ধৰ, মহাবীৰ, সেনাপতি, যুথপতি, যুঁজাৰু, মাল, বন্দী, মাহুত, সাৰথি, হাতী, অশ্ব, ৰথ, চাবুক, অংকুশ, হাতীশাল, ঘোঁড়াশাল, ব্যুহ, গড, মেহু আদি।

(ঘ) অস্ত্ৰ-শস্ত্ৰৰ নাম বুজোৱা শব্দৰাজি :

বিভিন্ন অস্ত্ৰৰ নাম যেনে-কটাৰ, খড়্গ, খাণ্ডা, গদা, বাণ, ত্ৰিশূল, ধনুশৰ, নাৰাচ, নাগপাশ, পাশ, পৰিঘ, পৰশু, বজ্ৰ মুদ্গৰ, মুষল, সন্মাহ, কবচ, কটাৰী, কুঠাৰ ইত্যাদি।

(ঙ) যান-বাহন সম্পৰ্কীয় শব্দ :

নাৱ, হস্তী, ঘোঁৰা, ৰথ, ভুৰ, ভেল, বিমান ইত্যাদি।

(চ) ঘৰুৱা বৰ্ণনাত প্ৰয়োগ হোৱা শব্দসমূহ :

ঘৰুৱা বৰ্ণনাত প্ৰয়োগ কৰা শব্দসমূহ তলত দিয়াৰ দৰে ভাগ কৰি দেখুৱাব পাৰি : (১) সম্বন্ধ বুজোৱা শব্দ, (২) আহাৰ-বিহাৰ সম্বন্ধীয়, (৩) আভৰণ বিষয়ক, (৪) দৈনন্দিন ব্যৱহাৰৰ সামগ্ৰী বিষয়ক (৫) উৎসৱ-অনুষ্ঠান বিষয়ক, (৬) খেল-ধেমালি সম্পৰ্কীয় আৰু (৭) আচাৰ-অনুষ্ঠান বিষয়ক।

(১) সম্বন্ধসূচক শব্দৰ ভিতৰত : আই, ককা, খুড়া, ঘৰিণী, ৰী, দাদা, দেৱৰ, নাতি, পৰিনাতি, পিতা, পিতামহ, পো, বহিনী, বাই, বহাৰী, ভাগিন, ভতিজা, মমা, মমাই, মাতামহ, মিতিনী, সখী, সখা, সতিনী, শাশু, শশুৰ, চেড়ী, দেৱী, নাথ,

প্ৰাণেশ্বৰী, বোহাৰী, বধু, বান্ধৱ, বাপ, সতমাৰ, সহোদৰ, স্বামী, মহাদে, মাতুল, মাউল, মিত্ৰ, খৰঞ্জা, গোসাঁই, গোসানী ইত্যাদি।

(২) আহাৰ-বিহাৰ সম্বন্ধীয় শব্দ যেনে : ভোজন, অন্ন-পানী, শালি তণ্ডুলৰ ভাত, খৰিকা জহাৰ পিঠা, আঁখৈ, শুকুতা, অমৃত, মাছ বা মৎস, ভাত-পানী, আঞ্জা, দধি, পায়স, ক্ষীৰ, ঘৃত, ঘোল, পিঠা, বৌমাছ, শ'ল মাছ, শাক, ব্যঞ্জন ইত্যাদি।

(৩) আভৰণ বিষয়ক শব্দৰাজিক তলত দিয়া দৰে ভাগ কৰিব পাৰি। যেনে- (ক) পোছাক-পৰিচ্ছদ বিষয়ক শব্দ, (খ) অলংকাৰ বিষয়ক শব্দ, (গ) কেশ আৰু কেশবিন্যাস বিষয়ক শব্দ, (ঘ) প্ৰসাধন সামগ্ৰী বিষয়ক শব্দ, (ঙ) কাপোৰ পিন্ধাৰ শৈলী বিষয়ক আদি।

(ক) পোছাক-পৰিচ্ছদ বিষয়ক শব্দ : বস্ত্ৰ, নেত-বস্ত্ৰ, পাট বস্ত্ৰ, দেৱাংগবসন, মনিল বস্ত্ৰ, পাটৰ শাৰী, ৰঙীণ বস্ত্ৰ, ধুতি, জুলি, ক্ষৌম্য বস্ত্ৰ, শুক্ল বস্ত্ৰ, চীৰ বস্ত্ৰ, তৈল বস্ত্ৰ ইত্যাদি।

(খ) অলংকাৰ বিষয়ক শব্দ : মণি, মণিৰত্ন, আঙঠি, উজতি বা উন্‌ঝান্টি, কুণ্ডল, কংকন-কিংকিনী, কেশমণি, গজমুক্তা, গজমতি, ঘাগৰ, টাৰ, নুপুৰ, বলয়, মাথামণি, মহাৰত্ন, সাতসৰী, হাৰ, মুকুট, ইন্দ্ৰনীল মণি, ৰত্নাংগুলি, ৰত্নকাঞ্চি, পোবাল মণি, ইত্যাদি।

(গ) কেশ আৰু কেশবিন্যাস বিষয়ক শব্দ : কেশ, খোপা, কালিনী খোপা, চেলি, একবেণী ইত্যাদি।

(ঘ) প্ৰসাধন সামগ্ৰী বিষযক শব্দ : অগৰু, চন্দন, কস্তুৰি, ফোঁট, সিন্দুৰ বা সেন্দুৰ, তৈল, দৰ্পণ ইত্যাদি ।

(ঙ) কাপোৰ পিন্ধাৰ শৈলী বিশেষক শব্দ : আচল, ওৰণি ইত্যাদি।

(ছ) গছ-গছনি, বিবিধ ফল-মূল, তৰু-তৃণৰ নাম বুজোৱা শব্দ :

আম, জাম্ব, লেটেকু, বদৰী, জবা, বেল, কৰদই, জাম, শ্ৰীফল, তাম্বুল, কমলা, কপূৰা, কন্টকি, নাৰিকল, শাল, ইঙ্গুদি, উলুকন্টক, ওৰ, কদলী, কৰ্দ্দে, কেন্দুকল, কদম্ব, কৰ্ণিকাৰ, কুন্দ, কাঞ্চন, কনৌৰ, কঠাল, খৰ্জ্জুৰ গুৱা, গুলাল, গুটিমালি, গন্ধ, গমাৰি, চম্পা, চম্পক, চন্দন, ছতিয়ান, জাম্ব, জাই, জলপদ্ম, জাৰি, জাতি, টগৰ, জহাকল, ডিমৰু, তাল, তমাল, তেতেলি, তুলসী, দুৱামালি, ধুন্দুৰ, নীলুৎপল, নাৰঙ্গ, নাগেশ্বৰ, পিণ্ডক, পিচুমৰ্দ্দক, পাৰিজাত, পনিয়ল, পলাশ, বটবৃক্ষ, ভয়ৱা, মাধৈ, মালি, মদাৰ, মালতী, মুহৰি (মেহুৰি), মধুৰি, যুতি, ৰামকদলি, ৰক্তকমল, লৱঙ্গ, শাল, শিংশপা, শেৱালি, সউৱা, সৰল, সেউতি, সোলেঙ্গ, স্থলপদ্ম, হাৰিঠা ইত্যাদি।

(জ) চৰাই-চিৰিকতি সম্পৰ্কীয় শব্দ :

কোকিল, কাক, চটক, কঙ্ক, বক্ক, মউপিয়া, জলচৰ পখী, ৰাজহংস, কলহংস, চক্রবাক, সাৰঙ্গ, ডাউক, শৰালী কোৰা, লকআলি, ভেলা-ঘোগ, উৰিকঙ্ক, পাতিকাউৰ, পানীকাউৰ, কপোৰতী, কোৰা, ক্রৌঞ্চ, খঞ্জন, চুটিয়া শালিকা, জটায়ু, টিপচী, ঢোডাকাক, পেচা, পুণ্ডৰীক, ভাটৌ, ভেলা, ময়ূৰ, মইনা, মৎস্যৰঙ্গ, শেন, শুকসৰি, সাৰস ইত্যাদি।

(ঝ) জীৱ-জন্তু, পোক-পৰুৱা বুজোৱা শব্দ :

বাঘ, ঘোঙ, ভালুক, গৰ্দ্দভ, শৃগাল, সিংহ, গজ, বেঙ্গ, অজগৰ ইন্দুৰ, উই, ওকণি, ঋষভ, ক্রিমি, কুম্ভীৰ, কচ্ছপ, কৃষ্ণসাৰ, কুঞ্জৰ, গোদা, গোদাঙ্গুল, গণ্ড, গুণ্ডকুৰি পৰুৱা, গবয় (ষাঁড গৰু), চোৰৰি পহু, ছাগ, জোক, টুনিসাপ, নেউল, নিগনি, নকুল, ফৰিং, বান্দৰ, বৃষ, বৰাহ, বিডালী, ভালুক, ভ্রমৰ, মৃগ, মগৰ, মূৰ্ষ, শিহু, ঘৰিযাল, সাপ সোণগুই, হৰিণা, ধেনু, শুকৰ, শশা, সৰ্পিনী, সিংহ, হনুমান ইত্যাদি।

(ঞ) অঙ্গ-প্রত্যঙ্গবাচক শব্দ :

নয়ন, চকু, চক্ষু, কৰ্ণ, নাক, নাসিকা, নাসা, জিহ্বা, মুখ, জঙঘা, বাহু, জঘন, উৰু, পাব, দশন, মাথা, কপাল, শিঙ্গ, লেজ, কণ্ঠ, চিবুক, শিৰ, গাল, পেট, গ্ৰীৱা, ভূজ, বাহু, কৰতাল, অঙ্গুলি, বক্ষস্থল, কমৰ, নখ, কেশ, লোম, দন্ত, অধৰ চৰণ, পদতল, ওঠ, ভ্ৰৱ, উদৰ, নাভি, কঙ্কাল, নিতম্ব, স্তন, কলেবৰ ইত্যাদি।

(ট) খেল-খেমালি বুজোৱা শব্দ :

পাশা, জুৱা, ঘিলা, ভণ্টা, ঝুণ্টি, ঢোপ, গুৱাল-গুৱালী, মালযুঁজ, দলি যুঁজ আদি।

(ঠ) ৰাদ্য বুজোৱা শব্দ :

শংখ, ঢাক, ঢোল, তবলা, কাংশতাল, কৰতাল, কেন্দৰা, কাহালি, খুমুচি, ঘন্টা, জিজিৰি, টোকাৰি, ডগৰ, ডম্বৰু, তাল, দোতৰি, বীণা, মৃদংগ, বাশী (সুবৰ্ণৰ), বীৰঢাক, বিপঞ্চি, ভেৰি, ভেমচ, মাদল, সুহুৰি, ৰামতাল, ৰুদ্র, শিঙ্গা আদিয়েই প্রধান।

(ড) জাতি, ব্যৱসায় সম্বন্ধীয় শব্দ :

ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শুদ্র, কায়স্থ, নট, ভাট, তেলী, তান্তী, সোণাৰি, কঁসাৰ, বনিয়া, চমাৰ, কমাৰ, সুতাৰ, ধোবা, কুম্ভকাৰ, ধনী-নিধনী, দৰিদ্ৰ, পুৰোহিত, উপাধ্যায়, দৈৱজ্ঞ, যোগী, যতী, ভিক্ষু, মহন্ত, চণ্ডাল, ঠটাৰি, নটিনী ইত্যাদি।

(ঢ) দৈনন্দিন ব্যৱহাৰৰ সামগ্ৰী নিৰ্দেশক শব্দ :

(১) ৰজাঘৰীয়া সামগ্ৰী-ৰাজপ্ৰাসাদ, মেহুঘৰ, দেৱঘৰ বা দেৱগৃহ, সিংহদুৱাৰ, মাগুলী, কৰলী, স্তম্ভ, সুবৰ্ণৰ আসন, ৰাজ সিংহাসন, সুবৰ্ণৰ ভাজন, ৰত্নৰ প্ৰদীপ, কণকভৃঙ্গাৰ, কাঁহৰ পাত্ৰ, লোহাৰ খাট, ছত্ৰ, চামৰ, বিচনী,

কুশাসন (কুশৰ আসন), চতুৰ্দোলা, দশভন্ত, লোহাযন্ত্ৰ, সুবৰ্ণৰ খাট, কোমল তুলি, নেতকামলি ইত্যাদি।

(2) সাধাৰণ ক্ৰিয়া-কৰ্মত ব্যৱহাৰ হোৱা সাঁ-সজুলিৰ ভিতৰত-কঠ, দোণ, সুচি, কুমাৰৰ চকা, তেলীয়াৰ জাল্তি, বাঢৈৰ কুন্দ, নেওঠনি শিল, হাতুলি বটালি আদি।

(ণ) ধৰ্ম, ধৰ্মবিশ্বাস সম্বন্ধীয় শব্দ ঃ

শৈৱধৰ্ম, বৈষ্ণৱ ধৰ্ম, পূৰ্ণব্ৰহ্ম, শক্তিপূজা, দেৱীপূজা, চামুণ্ডা, চণ্ডী (ৰণচণ্ডী), অগ্নিপূজা, পূজা-পাতল, গণপতি, যজ্ঞ, যজ্ঞপাত্ৰ, দেৱ-দেৱী, সৰস্বতী, শিৱ, পাৰ্বতী, দেৱী, দেৱ, মন্ত্ৰ, উপবাস, তীৰ্থ, তীৰ্থজল, গঙ্গাদেৱী, পয়স্বিনী, পুণ্য, কল্যাণ, মাল্য, দৈৱজ্ঞ, গ্ৰহ-নক্ষত্ৰ, গণি-পঢ়ি, মঙ্গল, পূজিলা, তিল দুৰ্বা, মহাদেৱ ইত্যাদি।

(ত) সংস্কাৰ সম্বন্ধীয় শব্দ ঃ

বিবাহ, অধিবাস, মৃত্যু, অন্ত্যেষ্টিক্ৰিয়া, ঘৃতাহুতি, চিতা, বৃষোৎসৰ্গ, মুখাগ্নি, পিণ্ড, জলাঞ্জলি, কাকবলি, স্নানবলি, দশদিন, দশপিণ্ড, দশকৰ্ম, প্ৰায়শ্চিত্ত, আহুতি ইত্যাদি।

(থ) অপৰাধ বিষয়ক শব্দ ঃ

মিত্ৰদ্ৰোহ, গোহত্যা, ব্ৰহ্মহত্যা, স্ত্ৰীহত্যা, অগম্যাগমন, সুৰাপান, কপিলাহৰণ, পৰদাৰগমন, মাতৃহত্যা, গোত্ৰহত্যা, সুৱৰ্ণ-হৰণ, স্ত্ৰীচোৰ, পিতৃহত্যা, ৰাজবধ, লটক, তস্কৰ, আদি।

(দ) আচাৰ-অনুষ্ঠানৰ লগত জড়িত শব্দ ঃ

অধিবাস, অভিষেক, অষ্টঘট, আমডালি, শুভলগ্ন, গন্ধ, পুষ্প, ধূপ, মন্ত্ৰ, বেদবাক্য, উৰুলি, পাদ্য-অৰ্ঘ্য আচমন, মাঙ্গল্য, জয়-জোকাৰ, স্ত্ৰী-আচাৰ, সুৱৰ্ণ কুম্ভ, তিল, ফুল, দুৰ্বা, চন্দন ইত্যাদি।

(ধ) গালি-শপনি বুজোৱা শব্দ ঃ

ৰাক্ষসিনী, বাঘিনী, গুৰ্ষিণী, নাগিনী, নিকাৰুণী, সংহাৰিণী, দাৰুণী, যক্ষিনী, ডাইনী, পিশাচিনী, নিলাজী, বৈৰিণী, চাৰী, চণ্ডাল, পাপিষ্ঠ, নপুংসক, কোপ বাপকৰ গোঁসানী, কামৰশবাণ, সৰ্পিনী, ৰাক্ষস পিশাচ, কালসৰ্প, টেন্টন, চোৰ, পাপী, নিঠুৰ, দুৰ্জন, মছল, স্বামীঘাতিনী, স্বস্বামীভক্ষিণী, ৰাণ্ডী, খন্টাচোৰ, অলক্ষিণী, নৰক, কুলনাশিনী, স্ত্ৰীচোৰা, নট, নটী ইত্যাদি।

(ন) মাৰ-কিল বুজোৱা শব্দ ঃ

লাথি, চৰৰ, ভুকু, কিল, ঘুকুচা, ঘৰাকাটি, কুৰকান্দ, লাথমাৰি লাঞ্জেবান্ধি, আজুৰিবো ভিৰি, পেলাইবোহো ছিৰি, পালটাই টানি, মাৰ, চিৰিবোহো, হৃদয় বিদাৰি, মাথাত কামোৰ দিয়া, ছিণ্ডি এৰো শিৰ, টেটু ছিণ্ডি, কোবাৰন্ত, বান্ধি আন, কাট মাৰি উভতাগোৰ, শৰাঘাত, চূৰ্ণীকৃত গোৰ, আছাৰন্ত, টৈকাঠিকি হানি, শুল হানি বা শালি, আচাৰি মাৰিল, কিটাইল ইত্যাদি।

(প) ৰোগব্যাধি সম্পৰ্কীয় শব্দ :

অচিকিৎসক ব্যাধি, গৰ্ভৰোগ, জলঙ্কৰ ৰোগ, মন্দৰোগ, আসুধি, চিকিৎসা, গাৰুডী, বামস, মুৰ্চ্ছা, খসু, কাণী, খুৰী, গলগুী, খসুৱা, গণ্ডা, কুঁজা, খোৰা, নাৰঙ্গা, কুণ্ডলীয়া, শোলা, জ্বৰ আদি।

(ফ) শিক্ষা, সাহিত্য, সুকুমাৰ কলা সম্বন্ধীয় শব্দ :

বেদ, উপনিষদ, ইতিহাস, নিগম, আগম, পুৰাণ, স্মৃতি, ধনুৰ্বেদ, ৰহস্যশাস্ত্ৰ, চৌধ্যশাস্ত্ৰ, চৌষষ্ঠি কলা, কাব্য, কৱিতা, ৰস, কবি, ছন্দ, নৃত্য, গীত, বাদ্য, পুতলানাচ, অভিনয়, চিত্ৰ, চিত্ৰাংকন, দেৱঘৰ, মন্দিৰ, দৌল, ঘট, মূৰ্তি, বেদধ্বনি, হস্তীদন্ত, বাৰ, হিঙ্গুল, কুন্দৰুখ জালা, বিচিত্ৰ পতাকা, হিৰ্মাণি, তোৰণ ইত্যাদি।

(ব) বিবিধ বিষয়ক শব্দ :

জীৱন, মন, কাল, শৰীৰ, বাক্য, বংশ, প্ৰাসাদ, আনন্দ, দুখ, পাপ, সত্য, কৃপা, দাস, চিত্ত, মতি, বিধি, দৈৱ, আকাশ, তৰা, পৌৰুষ, দিন-ৰাত্ৰি, ৰজনী, শশধৰ, বসন্ত, আধাৰ, আথান্তৰ, আটাস, আউঠা, হুড়াহুড়ি, হাম্‌লা, ঝামৰ, তুম্বুল, ৰোল, পুঙা, কোলাহল, ইত্যাদি।

বিভিন্ন অৱস্থাজ্ঞাপক মূৰ্ত আৰু বিমূৰ্ত ভাবপ্ৰকাশক বিচিত্ৰ ৰূপৰ শব্দৰ চমকপ্ৰদ ব্যৱহাৰ কন্দলীৰ ৰামাযণৰ ভাষাৰ এটি প্ৰধান বৈশিষ্ট্য। এই শব্দবোৰৰ সৰহভাগেই সংস্কৃতমুলীয় যদিও কন্দলীয়ে তদানীন্তন অসমীয়া সমাজত প্ৰচলিত আন বিভিন্ন মূলৰ অসংখ্য শব্দ ব্যৱহাৰ কৰিছে। সমাজ জীৱনৰ বিভিন্ন পৰিবেশৰপৰা সংগ্ৰহ কৰা বিভিন্ন অৰ্থবোধক এই বিচিত্ৰ শব্দৰাজিযে কন্দলীৰ প্ৰখৰ শব্দজ্ঞান আৰু ব্যৱহাৰৰ অদ্ভুত দক্ষতাৰ পৰিচয় দিযে। মনকাৰিবলগীয়া যে কন্দলীয়ে কেতিয়াবা সংস্কৃত তৎসম শব্দত অসমীয়া প্ৰত্যয যোগ দি নতুন শব্দ সজাই লৈছে আৰু কেতিয়াবা কিছুমান শব্দ নতুনকৈ নিৰ্মাণ কৰিছে। সম্পূৰ্ণ নতুনকৈ সৃষ্টি কৰি লোৱা ভালেমান শব্দ কন্দলীৰ পিছৰ পৰাই অপ্ৰচলিত হৈ পৰে।[৬]

মূল উৎসলৈ লক্ষ্য ৰাখি কন্দলীৰ 'ৰামায়ণ'ত ব্যৱহৃত সমস্ত শব্দৰাজিক তলত দিয়াৰ দৰে ভাগ কৰিব পাৰি :

ক তৎসম

খ অৰ্দ্ধ-তৎসম

গ তদ্ভৱ

ঘ অনাৰ্য্যমূলীয়া শব্দ

ঙ আন নব্য ভাৰতীয় আৰ্য্য ভাষাৰ শব্দ

৬। লীলাৱতী শইকীয়া বৰা : প্ৰাগুক্ত গ্ৰন্থ, পৃ ৩২

চ আৰবী ফাৰ্চীমূলীয় শব্দ।

ক তৎসম শব্দ :

কন্দলীৰ 'ৰামাযণ'ত তৎসম শব্দৰ প্ৰাধান্য বিশেষভাৱে লক্ষ্য কৰা যায়। এইশ্ৰেণীৰ শব্দৱলীৰ উদাহৰণ স্বৰূপে তলত কিছুমান দাঙি ধৰা হ'ল : নযন[৭], অমৃত[৮], ঋষি[৯], চন্দ্ৰ[১০], নৃপতি[১১], কুসুম[১২], সুবৰ্ণ[১৩], মৃতসঞ্জীৱনী[১৪], সঞ্চিত[১৫], সংকট[১৬], ক্ৰন্দন[১৭], হৃদয়[১৮], প্ৰচণ্ড[১৯], আদিত্য[২০], প্ৰভাত[২১], ভৃত্য[২২], সত্য[২৩], সন্ধ্যা[২৪], বায়ু[২৫], সূৰ্য্য[২৬], আকাশ[২৭], ভক্তি[২৮], মৃত্তিকা[২৯], বাসনা[৩০], ৰাজেশ্বৰ[৩১], পৃথিৱী[৩২], কলেৱৰ[৩৩], বাক্য[৩৪], বচন[৩৫], বদন[৩৬], কমল[৩৭], আশীৰ্বাদ[৩৮], স্বভাৱ[৩৯], পতি[৪০], প্ৰাণ[৪১], অনুৰাগ[৪২], শ্ৰাদ্ধ[৪৩], যজ্ঞ[৪৪], ছাগ[৪৫], বিপিন[৪৬], দুৰ্বাক্ষত[৪৭] ইত্যাদি।

খ অৰ্ধ তৎসম শব্দ :

ভকতি[৪৮], দৰশন[৪৯], হৰিষ[৫০], তৃপিতি[৫১], সতকাৰ[৫২], গিযানে[৫৩], অগনি[৫৪], বিঘিনি[৫৫], বিমৰিষি[৫৬], পৰাণ[৫৭], বৰিষ[৫৮], শকতি[৫৯], দীপিতি[৬০], শবদ[৬১], পৰমাণ[৬২],

---

৭। মাধৱ কন্দলী : ৰামাযণ, অযোধ্যাকাণ্ড, পদ- ১৮২৯
৮। উক্ত গ্ৰন্থ, পদ- ১৮৯১
৯। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ৩০৪৪
১০। উক্ত গ্ৰন্থ, পদ- ৩২০২
১১। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৪০৪
১২। উক্ত গ্ৰন্থ, পদ- ৩৪৫৩
১৩। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪৫৩১
১৪। উক্ত গ্ৰন্থ, পদ- ৪৪৩৩
১৫। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৫৬৯৮
১৬। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ২৮৬৫
১৭। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ২৫৪৫
১৮। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৫৮৫
১৯। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ২৭২৯
২০। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪০২৬
২১। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ২৪৫০
২২। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৭৭০
২৩। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ৩২৬১
২৪। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৬২৫
২৫। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪০২৬
২৬। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৫১৩
২৭। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ৩৩৭২
২৮। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৫২৪
২৯। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৪৮৫
৩০। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৬৯৬
৩১। উক্ত গ্ৰন্থ, পদ- ১৬৯৭
৩২। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ১৭০০
৩৩। উক্ত গ্ৰন্থ, পদ- ১৬৯৭
৩৪। উক্ত গ্ৰন্থ, পদ- ১৬৯৮
৩৫। উক্ত গ্ৰন্থ, পদ- ১৬৯৯
৩৬। উক্ত গ্ৰন্থ, পদ- ১৭০০
৩৭। উক্ত গ্ৰন্থ, পদ- ১৭০০
৩৮। উক্ত গ্ৰন্থ, পদ- ১৭০১
৩৯। উক্ত গ্ৰন্থ, পদ- ১৭০৩
৪০। উক্ত গ্ৰন্থ, পদ- ১৭০৩
৪১। উক্ত গ্ৰন্থ, পদ- ১৭০৫
৪২। উক্ত গ্ৰন্থ, পদ- ১৭১২
৪৩। উক্ত গ্ৰন্থ, পদ- ১৭১৮
৪৪। উক্ত গ্ৰন্থ, পদ- ১৭১৮
৪৫। উক্ত গ্ৰন্থ, পদ- ১৭২৫
৪৬। উক্ত গ্ৰন্থ, পদ- ১৮০৮
৪৭। উক্ত গ্ৰন্থ, পদ- ১৮১৬
৪৮। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২৪১৬
৪৯। উক্ত গ্ৰন্থ, পদ- ১৭০১
৫০। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ২৯০৯
৫১। উক্ত গ্ৰন্থ, পদ- ৩০৪২
৫২। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ২৪১৬
৫৩। উক্ত গ্ৰন্থ, পদ- ৩৭৬৮
৫৪। উক্ত গ্ৰন্থ, ৰামায়ণ, সুন্দৰকাণ্ড, পদ- ৪৫৩০
৫৫। উক্ত গ্ৰন্থ, পদ- ৪৫৭৭
৫৬। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ২৪১৬
৫৭। উক্ত গ্ৰন্থ, পদ- ৫৬৯০
৫৮। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৬৯৬
৫৯। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪০০৭
৬০। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৫৯২৪
৬১। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪১০৯
৬২। উক্ত গ্ৰন্থ, পদ- ৪২৮২

দগধ[৬৩], ৰকত[৬৪], ভকত[৬৫], অদভুত[৬৬], উতপতি[৬৭], তেজিয়া[৬৮], গুপুত[৬৯], আৰকত[৭০], ইত্যাদি।

গ তদ্ভৱ শব্দ ঃ

কন্দলীৰ ৰামায়ণত প্ৰচুৰ তদ্ভৱ শব্দৰ প্ৰয়োগ পৰিলক্ষিত হয়, যেনে- হাতী[৭১], দদা[৭২], কিৰণ[৭৩], কাজ[৭৪], লাথি[৭৫], নাক[৭৬], কাণ[৭৭], হাত[৭৮], বাঘ[৭৯], আটাস[৮০], মাছ[৮১], গাৱ[৮২], নেউল[৮৩], লাজ[৮৪], একুতী[৮৫], আপুতা[৮৬], পো[৮৭], চিত[৮৮], দুৱাৰ[৮৯], কুখিধৰ[৯০], ঝৰে[৯১], পাঁজি[৯২], ইত্যাদি।

প্ৰকৃত মূলজ শব্দ ঃ নাহা[৯৩], আৱৰ[৯৪], আউৰ[৯৫], নিহৰ[৯৬], আখি[৯৭], জামৰ[৯৮], ডাহিন[৯৯], নেহা[১০০], দেশী[১০১], ইত্যাদি।

ঘ অনা আৰ্য্যমূলীয় শব্দ ঃ

তৎসম আৰু তদ্ভৱ শব্দৰ বাহিৰে অনা-আৰ্য্যমূলীয় উৎসৰ পৰাও কিছুমান শব্দ প্ৰযোগ কৰা হৈছে। এনেবোৰ শব্দক অনা-আৰ্য্যমূলীয় শব্দ বুলিব পাৰি। কন্দলীৰ 'ৰামায়ণ'ত ব্যৱহৃত অনা-আৰ্য্যমূলীযা শব্দ সমূহক সাধাৰণভাৱে তলত দেখুওৱা দৰে ভাগ কৰিব পাৰি ঃ (১) অষ্ট্ৰীকমূলীয (২) দ্ৰাবিড়মূলীয, (৩) তিৰ্বতবৰ্মীয, (৪) দেশজ শব্দ আৰু (৫) অনিশ্চিত বা অজ্ঞাতমূলৰ পৰা অহা শব্দ।

৬৩। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৭১১
৬৪। উক্ত গ্ৰন্থ, পদ- ১৮০৮
৬৫। উক্ত গ্ৰন্থ পদ- ১৮১৮
৬৬। উক্ত গ্ৰন্থ, পদ- ১৮১৮
৬৭। উক্ত গ্ৰন্থ, পদ- ১৮২০
৬৮। উক্ত গ্ৰন্থ, পদ- ১৮২৫
৬৯। উক্ত গ্ৰন্থ, পদ- ১৮৩৪
৭০। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪৩৮০
৭১। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৭৫৯
৭২। উক্ত গ্ৰন্থ, পদ- ১৭৬৭
৭৩। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ২৯২৪
৭৪। উক্ত গ্ৰন্থ, পদ- ৩০০৩
৭৫। উক্ত গ্ৰন্থ, পদ- ৩৪৫১
৭৬। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪১৮০
৭৭। উক্ত গ্ৰন্থ, পদ- ৪১৮০
৭৮। উক্ত গ্ৰন্থ, পদ- ৪৩৮৭
৭৯। মাধৱ কন্দলী ঃ ৰামায়ণ, লংকাকাণ্ড, পদ- ৫৩২৪
৮০। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪৩৭৭
৮১। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ২৬৮৬
৮২। উক্ত গ্ৰন্থ, ৰামায়ণ, লংকাকাণ্ড, পদ- ৪১৪৩
৮৩। উক্ত গ্ৰন্থ, পদ- ৪১২০
৮৪। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৭০৪
৮৫। উক্ত গ্ৰন্থ, পদ- ১৭৮৬
৮৬। উক্ত গ্ৰন্থ, পদ- ১৭০৮
৮৭। উক্ত গ্ৰন্থ, পদ- ১৭০৮
৮৮। উক্ত গ্ৰন্থ, পদ- ১৭০৯
৮৯। উক্ত গ্ৰন্থ, পদ- ১৭১৪
৯০। উক্ত গ্ৰন্থ, পদ- ১৭১৫
৯১। উক্ত গ্ৰন্থ, পদ- ১৭২৪
৯২। উক্ত গ্ৰন্থ, পদ- ১৭২৯
৯৩। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৭০০
৯৪। উক্ত গ্ৰন্থ, পদ- ১৭১৫
৯৫। উক্ত গ্ৰন্থ, পদ- ১৭২০
৯৬। উক্ত গ্ৰন্থ, পদ- ১৭৯৮
৯৭। উক্ত গ্ৰন্থ, পদ- ১৮০২
৯৮। উক্ত গ্ৰন্থ, পদ- ১৮১৪
৯৯। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ১৮১৪
১০০। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৯৪৬
১০১। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৬৪২

(১) অষ্ট্ৰিকমূলীয় শব্দ :

অষ্ট্ৰিক ভাষাগোষ্ঠীৰ এটা শাখা হৈছে অষ্ট্ৰ-এচিয়। এই শাখাৰ অন্তৰ্গত মনখমেৰ পৰিয়ালৰ খাচী-ভাষাৰ শব্দই অসমীয়া ভাষাত প্ৰৱেশ নকৰাকৈ থকা নাই। তদুপৰি অষ্ট্ৰ-এচিয়ৰ ভিতৰৰা কোল আৰু মালয়ৰ শব্দৰ প্ৰচলনো অসমীয়া ভাষাত লক্ষ্য কৰা যায়।

মাধৱ কন্দলীৰ 'ৰামায়ণ'ত প্ৰয়োগ হোৱা শব্দৰ ভিতৰত তাম্বুল[১০২], কামোৰ[১০৩], খঙ্গ[১০৪], ঢোপ[১০৫] আদিয়ে অষ্ট্ৰিকমূলীয় শব্দ বুলি অনুমান কৰা হৈছে।

(২) দ্ৰাবিড়মূলীয় শব্দ :

দ্ৰাবিড়মূলীয় শব্দবোৰ সংস্কৃতৰ মাজেদিহে অসমীয়া ভাষালৈ আহিছে। কন্দলী ৰামায়ণত ব্যৱহৃত চুম্বন[১০৬], কুণ্ড[১০৭], কাক[১০৮], বল[১০৯], তুলা[১১০], চৰৰ[১১১] পুষ্প[১১২] আদি শব্দ দ্ৰাবিড়মূলীয় শব্দ বুলি অনুমান কৰা হৈছে।

(৩) তিৰ্বৃত-বৰ্মী ভাষাৰ শব্দ :

তিৰ্বৃত-চীনীয় ভাষা গোষ্ঠীৰ অন্তৰ্গত তিৰ্বৃত-বৰ্মী শাখাৰ লোকসকলেই অসমৰ প্ৰাচীনতম আধিবাসী। তিৰ্বৃত-বৰ্মী শাখাৰ বড়োজাতিৰ কোচ, খাচী, কছাৰী, চুতীয়া, আদি বিভিন্ন ফৈদে অসমৰ বিভিন্ন অঞ্চলত এসময়ত ৰাজত্ব কৰিছিল। 'ৰামায়ণ' ৰচনাৰ মূল অনুপ্ৰেৰক মহামাণিক্যও বৰাহী কছাৰী ৰজা আছিল। সেয়ে কবি কন্দলীৰ নিৰ্মিতিত তৎকালীন সমাজত প্ৰচলিত বড়ো উৎসৰ কথিত শব্দৰ অন্তৰ্ভুক্তি অতি স্বাভাৱিক। কন্দলীৰ 'ৰামায়ণ'ত ব্যৱহৃত বড়োমূলীয় শব্দৰ উদাহৰণ : জাৰি[১১৩], খোঙ্গ[১১৪], কুবলি[১১৫], কামি[১১৬], গোড[১১৭], ইত্যাদি।

তাই বা আহোম শব্দ :

কন্দলীৰ ৰচনাত সমসাময়িক আহোম ৰাজত্বৰ প্ৰতিফলন স্বৰূপে তাই বা আহোম শব্দবো প্ৰৱেশ ঘটিছে। যেনে- সন্ধিকৈ[১১৮], ঝিম[১১৯], খান[১২০], ফান্দ[১২১], বঙ্গ[১২২] ইত্যাদি।

১০২। মাধৱকন্দলী: ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২০৭৯
১০৩। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৫৭৯২
১০৪। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৭৩৮
১০৫। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪১০১
১০৬। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৫৭২২
১০৭। উক্ত গ্ৰন্থ, পদ- ৫৭২৩
১০৮। উক্ত গ্ৰন্থ, ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২৫৩৯
১০৯। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪০০৪
১১০। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৬৩৩৭
১১১। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৪৯১
১১২। উক্ত গ্ৰন্থ, পদ- ৩৬৮০
১১৩। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৯৩১
১১৪। উক্ত গ্ৰন্থ, পদ-
১১৫। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৬৩৫
১১৬। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৬৪২
১১৭। উক্ত গ্ৰন্থ, পদ- ১৬৪৩
১১৮। মাধৱকন্দলী: ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২২০৯
১১৯। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৫১৪৮
১২০। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪১৬২
১২১। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৬৩৫
১২২। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪০১৬

(৪) দেশজ শব্দ :

মাধৱ কন্দলীয়ে তৎকালীন সমাজত প্ৰচুৰভাৱে ব্যৱহৃত দেশজ শব্দসমূহৰ সংগ্ৰহত কাৰ্য্যকুশলতাৰ পৰিচয় দিছিল। দেশজ শব্দসমূহৰ ভিতৰত কন্দলীৰ 'ৰামায়ণ'ত প্ৰচুৰ ধ্বন্যাত্মক আৰু প্ৰতিধ্বন্যাত্মক শব্দই বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

কন্দলীৰ 'ৰামায়ণ'ত ব্যৱহৃত ধন্যাত্মক শব্দবোৰক দুই ভাগত ভাগ কৰা হৈছে-- সৰল আৰু পুনৰুক্তিমূলক। কন্দলীৰ ৰামাযণত ব্যৱহৃত বিভিন্ন ধ্বন্যাত্মক শব্দৰ উদাহৰণ তলত দিযা হ'ল :

(ক) সৰল ধ্বন্যাত্মক শব্দ : ঘোটোং কৰি[১২৩], থেপেকাই বসিলা[১২৪], খলকিল[১২৫], গিৰিসাই থৈলা[১২৬] ইত্যাদি।

(খ) দ্বিৰুক্তিমূলক ধ্বন্যাত্মক শব্দ : চিওঁ চিওঁ ঢপ ঢপ[১২৭], গুলগুলি[১২৮], খসি খসি[১২৯], মকমকি[১৩০], টলবল[১৩১], ৰুমঝুণ[১৩২], চটফট[১৩৩], খসমস[১৩৪], হুকহুকি[১৩৫], ধুমি ধুমি[১৩৬], জাক জাক[১৩৭] ইত্যাদি।

(৫) অনিশ্চিত বা অজ্ঞাতমূলৰ পৰা অহা শব্দৰ উদাহৰণ :

কন্দলীৰ ৰামাযণত প্ৰাপ্ত কিছুমান শব্দৰ মূল সম্পৰ্কে নিশ্চিতকৈ একো ক'ব নোৱাৰি। এই শব্দবোৰৰ কিছুমান কন্দলীৰ সময়ৰ পৰা বৰ্তমানলৈকে অসমীযা ভাষাত ব্যৱহৃত হৈ আহিছে। সেই শব্দবোৰৰ উদাহৰণ স্বৰূপে কেইটামান তলত দিয়া হ'ল

১২৩। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ-

১২৪। উক্ত গ্ৰন্থ, ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২২২৩

১২৫। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৪০০৪

১২৬। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪৪৬৫

১২৭। উক্ত গ্ৰন্থ, পদ- ৪১৬৪

১২৮। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৭৯১

১২৯। উক্ত গ্ৰন্থ, সুন্দৰ কাণ্ড, পদ- ৪১৬৭

১৩০। উক্ত গ্ৰন্থ, পদ- ৪৫৮৫

১৩১। উক্ত গ্ৰন্থ, পদ- ৪০৩৮

১৩২। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৬২৮৩

১৩৩। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪০৭৬

১৩৪। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ২৮৩২

১৩৫। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪৬৮৮

১৩৬। উক্ত গ্ৰন্থ, পদ- ৪১৬৭

১৩৭। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৫৬৬২

: বেঢা[১৩৮], আচাৰি[১৩৯], টেঁটন[১৪০], ভুকু[১৪১], ডহা[১৪২], কাঢে[১৪৩], গোবে[১৪৪], ঝুন্টি[১৪৫], কোবা[১৪৬], কেক্কা[১৪৭] ইত্যাদি।

ঙ আন নব্য-ভাৰতীয় আৰ্য্য ভাষাৰ শব্দ :

এই শ্ৰেণীৰ শব্দৰ ভিতৰত হিন্দুস্থানী বা হিন্দী ভাষাৰ শব্দই বেছি। এনে শব্দৰ কেইটামান তলত দিয়া হ'ল : তোড়ো[১৪৮], বহিনি[১৪৯], ডৰ[১৫০], পয়দা[১৫১], বেটা[১৫২], ভেট[১৫৩], ডাক[১৫৪], ছোট[১৫৫], নিকলি[১৫৬], আভো[১৫৭], পাঞ্জৰ[১৫৮] আদি।

চ আৰবী-ফাৰ্চীমূলীয় শব্দ :

কন্দলীৰ 'ৰামায়ণ'ত কিছুমান আৰবী ফাৰ্চীমূলীয় শব্দৰ প্ৰয়োগ পোৱা যায়। যেনে— দোকান[১৫৯], বাজাৰ[১৬০], নফাৰ[১৬১], খুন[১৬২], তবল[১৬৩] আদি।

মাধৱ কন্দলীৰ সময়ত অসমীয়া ভাষা-সাহিত্যৰ কেন্দ্ৰভূমি নামনি অসমহে আছিল যদিও তেওঁৰ ৰামায়ণত নামনি অসমৰ ভাষাতকৈ উজনি অসমৰ ভাষাত ব্যৱহৃত শব্দৰ সংখ্যাহে সৰ্বাধিক। 'ৰামায়ণ'ত ব্যৱহৃত এনে কিছুমান শব্দ আছে

১৩৮। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২১০০
১৩৯। উক্ত গ্ৰন্থ, পদ- ২২৯১
১৪০। উক্ত গ্ৰন্থ, পদ- ২০০৩
১৪১। উক্ত গ্ৰন্থ, পদ- ২২৮৯
১৪২। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪২২৬
১৪৩। উক্ত গ্ৰন্থ, পদ- ৪১২১
১৪৪। উক্ত গ্ৰন্থ, পদ- ৪৩৭৭
১৪৫। উক্ত গ্ৰন্থ, পদ- ৪১০০
১৪৬। উক্ত গ্ৰন্থ, পদ- ৪৪৮২
১৪৭। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৫৩২৭
১৪৮। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৬৭৮
১৪৯। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ২৭৯৩
১৫০। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ৩৩৬৬
১৫১। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৯৪৬, সুন্দৰকাণ্ড, পদ- ৪২৪৭
১৫২। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৫৫৭, অৰণ্যকাণ্ড, পদ- ২৮৫২
১৫৩। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪২৮০, ৪৭১৩
১৫৪। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ২৫৭৩
১৫৫। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪২৭১
১৫৬। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ২০৮৫
১৫৭। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪৬৭১
১৫৮। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৪৫৭
১৫৯। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ২৩৬১
১৬০। উক্ত গ্ৰন্থ, পদ- ২৩৬১
১৬১। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪২০৪
১৬২। উক্ত গ্ৰন্থ, পদ- ৪৪৯৩
১৬৩। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৩৭১১

যিবোৰৰ গঠন আৰু উচ্চাৰণ– বৈশিষ্ট্যৰ ফালৰপৰা কামৰূপী উপভাষাত বিশেষভাৱে ব্যৱহাৰ হোৱা দেখা যায়। যেনে– চেলি[১৬৪], থেথলায়া[১৬৫], খৰাখাই[১৬৬] ইত্যাদি।

কন্দলীৰ ৰামায়ণত আৰু অনেক শব্দ আছে যিবোৰৰ ব্যৱহাৰ পৰৱৰ্তী কালৰ নব-বৈষ্ণৱ সাহিত্যত অতি বিৰল। এই শব্দবোৰ কি প্ৰসংগত ব্যৱহৃত হৈছে, সেই বিষয়ে নাজানিলে সিবোৰৰ অৰ্থ উলিওৱাটো কঠিন। এনেধৰণৰ শব্দবোৰক অপৰিচিত (unfamiliar) শব্দৰ শিতানত থ'ব পাৰি। এনে শব্দৰ উদাহৰণ স্বৰূপে কেইটামান তলত দিয়া হ'ল ঃ উলি[১৬৭], ছাৰ[১৬৮], ঝান্টি[১৬৯], বাহুডিয়া[১৭০], বিছুই[১৭১], কিটাইল[১৭২], পুৰুজাইল[১৭৩], বিগুটিয়া[১৭৪], গয়[১৭৫], টাই[১৭৬], তঙ্ক[১৭৭], দাদৰি[১৭৮], আসঙ্ক[১৭৯] ইত্যাদি।

কন্দলীৰ ৰামায়ণত পোৱা বিশ্লেষণাত্মক শব্দ কিছুমান এনেকুৱা ঃ ভাল-মন্দ, শুদ্ধ, উত্তম, অধম, উন্নত, বৃদ্ধ, শুভ, গম্ভীৰ, কুশ, শুষ্ক, শোভন, বিমল, তপ্ত, ইত্যাদি। সৰ্বনাম শব্দবোৰ হ'ল– এনেধৰমৰ ঃ কেহো, সব, সবাহাক, তাঙ্ক, তুমি, তোমাৰ আমি, মোৰ, মোহোৰ, মোত, তোহোৰ, তোক, তাহাৰ, কাহাকো, কাকো, তই, ইহাঙ্ক, ইসব, মই, এই এহি আদি। ক্ৰিয়া বিশেষণাত্মক শব্দ কিছুমান আকৌ এনেদৰে পোৱা যায়– কেমনে, আথাকে, ঝান্টকৰি, ছুতফটাই, ঘটং কৰি, নম্ৰভাৱে, চপকৰে, কেনে কৰি, এহিমতে ইত্যাদি।

ওপৰৰ আলোচনাত কবি কন্দলীৰ শব্দ জ্ঞানৰ পাণ্ডিত্য আৰু চমৎকাৰ প্ৰয়োগৰ যাদুকৰী কাৰ্য্যকুশলতাৰ পৰিচয় পোৱা যায়। তদুপৰি কবি কন্দলীয়ে নিজৰ অভিজ্ঞতাৰ পৰিসীমাত থকা সমাজখনৰ ভিত্তিত ৰচনা কৰা বহুতো চিত্ৰ সাৰ্থকভাৱে প্ৰয়োগ কৰিছে। এই ঘৰুৱা কল্পচিত্ৰসমূহ সমাজৰ বিভিন্ন স্তৰ আৰু দিশৰ পৰা আহৰণ কৰা।

১৬৪। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰকাণ্ড, পদ- ৪১২৯
১৬৫। উক্ত গ্ৰন্থ, পদ- ৪৪৬৫
১৬৬। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৫০৮৫
১৬৭। উক্ত গ্ৰন্থ, পদ- ৫৩৮৪
১৬৮। উক্ত গ্ৰন্থ, কিষ্কিন্ধ্যাকাণ্ড, পদ- ৬৩২৮
১৬৯। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৫০৪৮
১৭০। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৭৭৪
১৭১। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৫১৩
১৭২। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪৪০৬
১৭৩। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ২৯১২, ৩০৬৬
১৭৪। উক্ত গ্ৰন্থ, পদ- ৩২০০
১৭৫। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪৬৩১
১৭৬। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৪৫৬
১৭৭। উক্ত গ্ৰন্থ, পদ- ৪৮০০
১৭৮। উক্ত গ্ৰন্থ, পদ- ৪২৪৮, ৪৫৯৩
১৭৯। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ৩০৪৪

প্রতিভাসম্পন্ন কন্দলীয়ে পৰিচিত ৰূপক, উপমা, তুলনা আদৰি জড়িয়তে তদানীন্তন সমাজত প্রচলিত যোজনা, পটন্তৰ আদি দাঙি ধৰি ৰামায়ণৰ ভাবাক এক জতুৱা আৰু সমৃদ্ধ কাব্যিক ৰূপ প্রদান কৰিছে। তলত কবি কন্দলীৰ পর্য্যবেক্ষণ শক্তি আৰু কল্পনাৰ স্বাক্ষৰ বহন কৰা এনে কিছুমান জতুৱা ৰূপৰ উদাহৰণ দাঙি ধৰা হ'ল :

অযোধ্যাকাণ্ড :

(১) চুন্দেবাসে তল যাস।[১৮০]

(২) অমৃত কুণ্ডত কুঁজী তই ঢাল বিষ।।[১৮১]

(৩) মুখত অমৃত তাৰ হৃদয়ত বিষ ।।[১৮২]

(৪) ভৰত কাচক লাগি হৰাওঁ ৰামৰত্ন।[১৮৩]

(৫) কৈকেয়ীৰ বচনত হৃদয় ভেদিল।
বাঘিনীক দেখি যেন মৃগ চমকিল।[১৮৪]

(৬) অগনি দহৱে পিম্পলিৰ দিয়া পথ।
আৰ মোৰ শোকত নিৰ্জীৱ দশৰথ।।[১৮৫]

(৭) টীপচিৰ ৰাৱে মেৰু পর্বত উৰিল।
টুনিসাপে সব নাগপুৰীক গিলিল।।[১৮৬]

(৮) সত্য পাশে কৈকেয়ী ৰজাক বন্দী কৈলা।
পলৱৰ চাবত দিগ্‌গজ বন্দী ভৈলা।।[১৮৭]

(৯) নখ লোম চোৰৰ হৈব ভোবোকাৰ কেশ।[১৮৮]

(১০) সাৰ ভাগ কাটি লৈলা পাইলো সত্য বোল।
ঘৃত কাটি লৈলা মই কি কৰিবো ঘোল।।[১৮৯]

(১১) অচিকিৎস ব্যাধি ভৈলে যেন গৰ্ভৰোগ।[১৯০]

(১২) আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ।।[১৯১]

১৮০। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ১৫৭৯
১৮১। উক্ত গ্রন্থ, পদ- ১৫৮২
১৮২। উক্ত গ্রন্থ, পদ- ১৫৮৭
১৮৩। উক্ত গ্রন্থ, পদ- ১৬০৩
১৮৪। উক্ত গ্রন্থ, পদ- ১৬১৭
১৮৫। উক্ত গ্রন্থ, পদ- ১৭২৫
১৮৬। উক্ত গ্রন্থ, পদ- ১৭৩০
১৮৭। উক্ত গ্রন্থ, পদ- ১৭৪৫
১৮৮। উক্ত গ্রন্থ, পদ- ১৮৬০
১৮৯। উক্ত গ্রন্থ, পদ- ১৯১৭
১৯০। উক্ত গ্রন্থ, পদ- ১৯২৪
১৯১। উক্ত গ্রন্থ, পদ- ২১০৪

(১৩) আমি আপুতীৰ আঞ্চলীৰ লাঠি তই।[১৯২]
(১৪) নবকৰ পলুৰ স্বৰ্গত নাহি আশ।।[১৯৩]
(১৫) আম্রবন দেখি যেন কইলো পলাশ।
কালে ফলশূণ্য দেখি হইলো হতাশ।।[১৯৪]
(১৬) অযোধ্যা ৰাজ্যত তই ভৈলি সোণগুই।।[১৯৫]
(১৭) কুঁজী পৰ চেৰীসে কহিকে স্বতন্তৰ।
বোজাৰ উপৰে শাক যেন পটন্তৰ।।[১৯৬]
(১৮) পূৰ্ণ-অমৃতৰ ঘটে ঢালিলিহি বিষ।।[১৯৭]
(১৯) কৌশল্যাৰ কোলে দুখে আছন্ত ভৰত।
তপত খোলাত কৰে মাছে যেন মত।।[১৯৮]

অৰণ্যকাণ্ড—

(১) চিলে যেন থাম্প দিয়া মাছক নিলেক।[১৯৯]
(২) আন ঋষিমতে তাঙ্কো অন্নদান কৰে।
আতি বুদ্ধি কচ্ছপ তৰত পৰি মৰে।।[২০০]
(৩) ডিমৰুৰ পাত যেন খসমস গাব।[২০১]
(৪) কোপ কৰি ছাগে গলে কটাৰ ঘঁসয়।।[২০২]
(৫) বহ্নি লাগি যেহেন পুৰল বাঁশ বন।।[২০৩]
(৬) ৰৱশীয়া ৰাৱণৰ পুণ্ডাতেসে দৃষ্টি।।[২০৪]
(৭) হাড়ী জাতি হুয়া বেদ পঢ়িবাক চাস।।[২০৫]
(৮) উৎসৰ্গৰ ছাগ যেন অৱশ্যে মৰিবি।।[২০৬]
(৯) আজুৰিয়া যেন কলা খোলক চিৰিলা।।[২০৭]
(১০) গলে শিলা বান্ধি দুষ্ট মৰিবাক যাহা।।[২০৮]
(১১) ঘৃত পৰিহৰিয়া কিসক ঘোল পিবোঁ।।[২০৯]
(১২) সুকুতাক খাইবো কেনে অমৃত তেজিয়া।।[২১০]

১৯২। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২১০৪
১৯৩। উক্ত গ্ৰন্থ, পদ- ২১২০
১৯৪। উক্ত গ্ৰন্থ, পদ- ২১৫০
১৯৫। উক্ত গ্ৰন্থ, পদ- ২২৭৮
১৯৬। উক্ত গ্ৰন্থ, পদ- ২৩০২
১৯৭। উক্ত গ্ৰন্থ, পদ- ২৪৪৪
১৯৮। উক্ত গ্ৰন্থ, পদ- ২৩১৬
১৯৯। উক্ত গ্ৰন্থ, পদ- ২৬৮৬
২০০। উক্ত গ্ৰন্থ, পদ- ২৭৬৩
২০১। উক্ত গ্ৰন্থ পদ- ২৮৩১
২০২। উক্ত গ্ৰন্থ, পদ- ২৮৪০
২০৩। উক্ত গ্ৰন্থ, পদ- ২৯২৩
২০৪। উক্ত গ্ৰন্থ, পদ- ৩১১৫
২০৫। উক্ত গ্ৰন্থ, পদ- ৩১৭০
২০৬। উক্ত গ্ৰন্থ পদ- ৩২১২
২০৭। উক্ত গ্ৰন্থ, পদ- ৩২১৭
২০৮। মাধৱ কন্দলী : ৰামায়ণ, অৰণ্যকাণ্ড, পদ- ৩২৪৪
২০৯। উক্ত গ্ৰন্থ, পদ- ৩১৫৭
২১০। উক্ত গ্ৰন্থ, পদ- ৩১৫৬

(১৩) নৰকৰ পলু স্বৰ্গ ভোগে কৰে আশ ।[211]

(১৪) মৃত্তিকাৰ পাত্ৰ গঢ় নলৱে দুনাই।।[212]

(১৫) সিংহৰ আগত যেন শৃগালৰ টালি।।[213]

(১৬) বটালী নকাটে যেন বিনা হাঠুৰিয়ে।।[214]

কিষ্কিন্ধাকাণ্ড—

(১) টোপলা বাহন্তে কলা ধাতু মাত্ৰ বৈল।[215]

(২) ধান্যক পীড়িয়া বিনই বনে থাকে জুৰি।
গৃহস্থৰ গলে কণ্ঠ লাবিকাত পৰি।।[216]

(৩) দোণ্ডাদোণ্ডি পাৰে বুঢাৰ হাতত চেণ্ডেলি।[217]

(৪) সিদ্ধি খুজি ফুৰন্তে দুৱাৰে পাইলে পথ।[218]

সুন্দৰকাণ্ড—

(১) নাৱ তলবল কৰে বিনা কাণ্ডাহাৰ।[219]

(২) বুঢ়া শালিকাৰ যেন চক্ষু ভূৰ কাঢ়া।।[220]

(৩) বিপ্ৰৰ কপিলা যেন চণ্ডালৰ থাৱে।।[221]

(৪) সুবৰ্ণক এৰিয়া পিন্ধস কাচকাছি।
সোণ এৰি সীতা তোৰ সানিয়াত গাছি।।[222]

(৫) ঢোল যেন কণী পাৰে চুণ্ডাৰ বাদুলি।
পিপিয়া চটকে পৰ্বতক লৱে তুলি।।[223]

(৬) কাকো তুলি আচাৰন্ত বস্ত্ৰ যেন ধোৱে।[224]

(৭) তপত খোলাত দিলে মৎস যেন মৰে।[225]

(৮) মেক কি টলয় অল্প বিচনীৰ বাৱে।।[226]

(৯) প্ৰথম ৰোগত যেৱে নেদয় আবুধি।
ব্যাধি বাঢ়ি গৈলে পাচে হত হোৱে বুদ্ধি।[227]

(১০) পকা কণ্টকিক এৰি ডহা ফল খাস।[228]

২১১। উক্ত গ্ৰন্থ, পদ- ৩২৭৪
২১২। উক্ত গ্ৰন্থ, পদ- ৩৪৮৫
২১৩। উক্ত গ্ৰন্থ, পদ- ৩৫১৯
২১৪। উক্ত গ্ৰন্থ, পদ- ৩৭৩৮
২১৫। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৬১৭
২১৬। উক্ত গ্ৰন্থ, পদ- ৩৭৩৯
২১৭। উক্ত গ্ৰন্থ, পদ- ৩৬২৩
২১৮। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৮৯৮
২১৯। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪০১৪
২২০। উক্ত গ্ৰন্থ, পদ- ৪০১৬
২২১। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪১৪৫
২২২। উক্ত গ্ৰন্থ, পদ- ৪২২৪
২২৩। উক্ত গ্ৰন্থ, পদ- ৪৩১৬
২২৪। মাধৱ কন্দলী : ৰামায়ণ, সুন্দৰকাণ্ড, পদ- ৪৩৯৪
২২৫। উক্ত গ্ৰন্থ, পদ- ৪৬৬৩
২২৬। উক্ত গ্ৰন্থ, পদ- ৪৩২০
২২৭। উক্ত গ্ৰন্থ, পদ- ৪৪৪৪
২২৮। উক্ত গ্ৰন্থ, পদ- ৪২২৬

(১১) তুলা নিবে নোৱাৰয় ভাৰ বান্ধে শিলে।
গুগুকুৰি পৰুৱায়ে হাতীগোট গিলে ।।[229]
(১২) উজানি কহন্তে মই কহিলোহো ভাটি।
লাভক চাহন্তে মূলক কৰিলোহো লাঠি।।[230]

লংকাকাণ্ড-

(১) খৰ লগা ধান যেন বৰিষণ জলে।[231]
(২) মৰন্তাক নলাগয জীবাৰ আষুধি।[232]
(৩) অল্প পানীৰ মাছ দদৰা দদৰি।[233]
(৪) আগ তল যায়, যদি হাতীও বুৰয।।[234]
(৫) সকল দেশক কুন্টুৰি ফুৰস
যেন উদয়াৰ ষাগু।।
গুৰু গৰ্বিতক একো নমানস
তই ভৈলি যেন নট।[235]
(৬) একহাতে কোন ধৰিবেক দুই শল।[236]
(৭) কাংস পৰি জিম গৈল সকলে বানৰ।
বায়ু নবহন্তে যেন তবধ সাগৰ।।[237]
(৮) কাণ্ডৰবিহীন যেন থিৰ নোহে নাও।[238]
(৯) মুখে দিলে ধান আখৈ হোৱে যেন
হেসনি বহে নিশ্বাস।[239]
(১০) শৰতকালৰ মেঘ মিছায়ে গৰ্জয়।[240]
(১১) কোন বংশে হোৱস, পতান যেন তুস।[241]
(১২) বাঁহশ বাণ ফুটে যেন শৰৰ প্ৰহাৰ।[242]
(১৩) তেলিয়াৰ জান্ত যেন চোবাবয় দাঁত।[243]
(১৪) লংকাপুৰীখান কাঁস পৰি জিম গৈল।[244]

২২৯। উক্ত গ্ৰন্থ, পদ- ৪৩১৬
২৩০। উক্ত গ্ৰন্থ, পদ- ৪৫৩৭
২৩১। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৪৩১৬
২৩২। উক্ত গ্ৰন্থ, পদ- ৪৯৬৩
২৩৩। উক্ত গ্ৰন্থ, পদ- ৪৯৮৫
২৩৪। উক্ত গ্ৰন্থ, পদ- ৪৯৭১
২৩৫। উক্ত গ্ৰন্থ, পদ- ৫০২০
২৩৬। উক্ত গ্ৰন্থ, পদ- ৫১২২
২৩৭। উক্ত গ্ৰন্থ, পদ- ৫১৪৮
২৩৮। মাধৱ কন্দলী : ৰামায়ণ, লংকাকাণ্ড, পদ- ৫১৮৬
২৩৯। উক্ত গ্ৰন্থ, পদ- ৫২০৮
২৪০। উক্ত গ্ৰন্থ, পদ- ৫২২৩
২৪১। উক্ত গ্ৰন্থ, পদ- ৫২৯৪
২৪২। উক্ত গ্ৰন্থ, পদ- ৫৩৭১
২৪৩। উক্ত গ্ৰন্থ, পদ- ৫৩৭৬, ৫৯৩৮
২৪৪। উক্ত গ্ৰন্থ, পদ- ৫৪১০

(১৫) বাঘ নমৰিয়া কেনে আখোৰাহা ছাল।[২৪৫]

(১৬) মেৰু পৰ্ব্বতক ফুকে উৰুৱাইতে চাহা।[২৪৬]

(১৭) দাঁত ভাঙা সাপ যেন মিছাতে ফোপাহা।[২৪৭]

(১৮) কাঁহাল গোমক হাতে ধৰিবাক চাহা।[২৪৮]

(১৯) মুদ্‌গৰ ফুৰাৰে গুৰালে যেন ভাণ্ড।[২৪৯]

(২০) কলিয়া ছাগল আনি টেটু ভসাৰিল।[২৫০]

(২১) নুযুঝয় কুকুৰায়ে নাদয় বিস্তৰ।[২৫১]

(২২) বিচি ধান কইলো যেন উখৰা ভূমিত।[২৫২]

(২৩) নিৰ্গতি প্ৰাণীৰ নাহি কৈত ভাত-কঠ।[২৫৩]

(২৪) শুকান ঘাৱত ঘঁসা আকণৰ আঠা।[২৫৪]

(২৫) যাণে ধান খাইলে তাঁতিৰ কাটে বাটি।
আনে চুৰি কৰিলে আনৰ চুল কাটি।।[২৫৫]

(২৬) চিনিবাক নপাৰি আপোন কোন পৰ।
কুঁহৰি ঢাকিল যেন পৌষ যে মাসৰ।।[২৫৬]

(২৬) পিজলা পৰিল যেন বুঢ়াৰ হাতত।[২৫৭]

(২৭) ছাতিৰ নালত যেন পশিল আঙুলি।[২৫৮]

(২৮) হাৰিয়া জিনয় কতো জিনিয়া হাৰয়।
কহিত শুনিলা সৰ্ব্বকালে হোৱে জয়।।[২৫৯]

(২৯) নটৰ নটিনী যেন আনক বিলাহা।[২৬০]

(৩০) বিচনীৰ বাৱে মেৰু টলিবন্ত কিক?[২৬১]

(৩১) লোথৰা বুঢ়াৰ বোলে পাইবাহা চেঙ্কৰি।।[২৬২]

(৩৩) কাচক চাহিয়া আসি হৰাইলো মাণিক।[২৬৩]

ওপৰত চাৰিকুৰিতকৈয়ো অধিক ঘৰুৱা প্ৰবচন সদৃশ পদ উদ্ধৃত কৰা হ'ল। সংস্কৃত পণ্ডিত কন্দলীয়ে সংস্কৃতমূলীয় অলংকাৰযুক্ত জতুৱা ৰূপ বা খণ্ডবাক্যবোৰৰ

২৪৫। উক্ত গ্ৰন্থ, পদ- ৫৪৬৫
২৪৬। উক্ত গ্ৰন্থ, পদ- ৫৪৭৮
২৪৭। উক্ত গ্ৰন্থ, পদ- ৫৪৭৯
২৪৮। উক্ত গ্ৰন্থ, পদ- ৫৪৭৯
২৪৯। উক্ত গ্ৰন্থ, পদ- ৫৫৫৪
২৫০। উক্ত গ্ৰন্থ, পদ- ৫৬৭৪
২৫১। উক্ত গ্ৰন্থ, পদ- ৫৮১৮
২৫২। উক্ত গ্ৰন্থ, পদ- ৫৮৪৫
২৫৩। উক্ত গ্ৰন্থ, পদ- ৫৯৬৮
২৫৪। উক্ত গ্ৰন্থ, পদ- ৬০২৯
২৫৫। উক্ত গ্ৰন্থ, পদ- ৬০২৯
২৫৬। মাধৱ কন্দলী: ৰামায়ণ, লংকাকাণ্ড, পদ- ৬১২১
২৫৭। উক্ত গ্ৰন্থ, পদ- ৬১৪৪
২৫৮। উক্ত গ্ৰন্থ, পদ- ৬১৪৪
২৫৯। উক্ত গ্ৰন্থ, পদ- ৬৪১৩
২৬০। উক্ত গ্ৰন্থ, পদ- ৬৫০৮
২৬১। উক্ত গ্ৰন্থ, পদ- ৬৫২৭
২৬২। উক্ত গ্ৰন্থ, পদ- ৪১৮৬
২৬৩। উক্ত গ্ৰন্থ, পদ- ৫১৫২

বাহিৰেও তৎকালীন স্থানীয় কথ্য-ভাষাৰ পৰা আহৰণ কৰা ওপকৰুক্ত যোজনা-পটন্তৰ আদি জতুৱা ঠাঁচবোৰৰ ব্যৱহাৰে যথাৰ্থতে কবিজনাৰ মৌলিক প্ৰতিভাৰ পৰিচয় বহন কৰিছে।

কাব্যৰ অংগ স্বৰূপ শব্দ আৰু অৰ্থৰ শোভা বৃদ্ধি কৰে অলংকাৰে। ভাবৰ উৎকৰ্ষ দেখুৱা আৰু বস্তুৰ ৰূপ, গুণ আৰু ক্ৰিয়াৰ বিশেষ অনুভৱ কৰাবলৈ অলংকাৰৰ আৱশ্যক হয়।[২৬৪] অলংকাৰ ব্যৱহাৰত ৰমণীয়তা নাথাকিলে সি কাব্যৰ শোভাবৃদ্ধি নকৰে। পণ্ডিতসকলৰ মতে উপমাদি অংলকাৰৰ পৰম্পৰা অভিজাত বা লিখিত সাহিত্যলৈ আহিছে লোক সমাজৰ পৰা।[২৬৫] কন্দলীৰ দ্বাৰা ব্যৱহৃত অসমীয়া 'ৰামায়ণ'ৰ অলংকাৰবোৰৰ কিছুমানৰ মূল উৎস বাল্মীকি 'ৰামায়ণ'ৰ, কিছুমান আন সংস্কৃত সাহিত্যৰ, কিছুমান দেশীয় আৰু কিছুমান নিজৰ উদ্ভাবনা। দেশীয় আৰু নিজা উদ্ভাবনা কৰা অলংকাৰসমূহৰ কল্পচিত্ৰ কবিৰ সমসাময়িক সমাজৰ পৰা আহৃত। এইবোৰ কবিৰ সূক্ষ্ম পৰ্য্যবেক্ষণ-ক্ষমতাৰ পৰিচয়ক। তলত মাধৱ কন্দলীৰ ৰচনাত প্ৰয়োগ হোৱা কেইবিধমান অলংকাৰৰ উদাহৰণ দাঙি ধৰা হ'ল :

অনুপ্ৰাস : (ক) সৃষ্টি স্থিতি লয় যাৰ লীলা অনুপাম।
হেন ৰাম পদে কৰো সদয় প্ৰণাম।।[২৬৬]
(খ) প্ৰলম্বিত বাহু মত্ত গজৰ গমন।
কোমল কমল দল সমান নয়ন ।।[২৬৭]

অন্ত্যনুপ্ৰাস-
(ক) স্বামী তোৰ গুণৱন্ত শ্ৰীমন্ত মহন্ত।
সন্তক পালন্ত যত অসন্ত নাসন্ত।।
বুদ্ধিমন্ত যশৱন্ত তেজৱন্ত সন্ত।
ধৃতিমন্ত লজ্জাৱন্ত ৰূপৱন্ত কান্ত।।[২৬৮]
(খ) সুগ্ৰীৱৰ হিত বুদ্ধি বালীৰ মৰণ।
মাধৱে ভনিলা শ্ৰীৰামৰ চৰণ।।[২৬৯]

ছেকানুপ্ৰাস-
(ক) ফুৰি ফুৰি টানিলন্ত।
গ্ৰীৱে গ্ৰীৱে জৰিলন্ত।।[২৭০]

২৬৪। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু : প্ৰাগুক্ত গ্ৰন্থ, পৃ - ৬১
২৬৫। মুকুন্দমাধৱ শৰ্মা : উপমা কালিদাসস্য, পৃ ৭
২৬৬। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ১৪১০
২৬৭। উক্ত গ্ৰন্থ, পদ- ১৫৩৪
২৬৮। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৪১৫০
২৬৯। উক্ত গ্ৰন্থ, পদ- ৩৩১২
২৭০। উক্ত গ্ৰন্থ, পদ- ৩৫৪৩

(খ) হিয়ে হিয়ে তাড়িলন্ত।
তুলি তুলি পৰিলন্ত।।[২৭১]

বৃত্তানুপ্ৰাস-

(ক) সাধু সাধু সখি তুমি মোৰ মহামিত্ৰ।[২৭২]

(খ) তোমাৰ তনয় ৰাম সাফল জীৱন।
নিজগুণে ৰঞ্জিলন্ত নগৰীৰ জন।।[২৭৩]

যমক-

(ক) নীলে বুলিলন্ত আম্ম শকতি যতেক।
এক মন্দ যাইতে পাৰো যোজন শতেক।।[২৭৪]

(খ) কেশৰীৰ ক্ষেত্ৰে সৰ্বজনত বিদিত।
উপজি দেখিলা ৰীৰে আদিত্য উদিত।।[২৭৫]

পুনৰুক্তবদাভাস-

(ক) আসন্ন কালত পণ্ডিতৰ বুদ্ধি নাশ।
ৰক্ষা নিচিন্তিয়া প্ৰভু ভৈলা সৰ্বনাশ।।[২৭৬]

(খ) ডেৰ দিয়া মস্ত পাচে ভূমিত পৰিল।
গদাগোট ধৰি গৈয়া সমৰে পশিল।।[২৭৭]

শ্লেষ-

(ক) জয়তি শ্ৰীৰাম দেৱতাৰ আদিদেৱ।
ব্ৰহ্মা হৰে যাহাৰ চৰণে কৰে সেৱ।।[২৭৮]

(খ) নেত্ৰ নীলোৎপল সম তিলফুল নাস।
অৱিৰল দশন দাড়িম্ব পৰকাশ।।[২৭৯]

বক্ৰোক্তি-

(ক) মায়বলে ৰাৱণী সবাকো জিনিলেক।[২৮০]

(খ) ৰাৱণে ক্ৰন্দন কৰে চেতনক পাই।
কৈক গৈলে দেৱান্তক ত্ৰিশিৰা বোপাই।।[২৮১]

২৭১। উক্ত গ্ৰন্থ, পদ-৩৫৪৪
২৭২। উক্ত গ্ৰন্থ, পদ-৩৭১৩
২৭৩। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ-১৫২৭
২৭৪। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ-৪১৩০
২৭৫। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ-২৬৭০
২৭৬। মাধৱ কন্দলী: ৰামায়ণ, লংকাকাণ্ড, পদ-৪৯৩৫
২৭৭। উক্ত গ্ৰন্থ, পদ-৬০৮৫
২৭৮। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ-৫০০০
২৭৯। উক্ত গ্ৰন্থ, পদ-৫১৫৯
২৮০। উক্ত গ্ৰন্থ, পদ-৫৬৮১
২৮১। উক্ত গ্ৰন্থ, পদ-৫৬৬৭

উপমা- বদন কমল যেন পূৰ্ণ শশীকলা।
গাম্ভিৰাৰ আছে যেন পঙ্কজৰ মালা।।[২৮২]

পূৰ্ণোপমা- চম্পাৰ পাকৰি সম আঙ্গুলিৰ পান্তি।
উজ্বাটি উজ্জ্বল নখ মণি কৰে কান্তি।।[২৮৩]

লুপ্তোপমা- ক্ষণেক অঙ্গদে সুস্থ কৰিলা শৰীৰ।
বজ্ৰসম মুষ্টি ধৰিলন্ত মহাবীৰ।।[২৮৪]

মালোপমা- তাসম্বাৰ মাজে দেবী সংসাৰত সাৰা।
মেঘে যেন ঢাকি আছে সৰ্ব্বোত্তম তাৰা।।
কেশে যেন ঢাকি আছে চম্পক মল্লিকা।
ভস্মে যেন ঢাকি আছে অগনিৰ শিখা।।[২৮৫]

উপমেয়োপমা- বদন জ্বলয় যেন পূৰ্ণিমাৰ শশী। [২৮৬]

ৰূপক- (ক) দশৰথ সাগৰ তৰঙ্গী নদী তই।
অলপতে শুকাই যাইবি জানিলোহোঁ মই।।
প্ৰিয় গঙ্গা কৌশল্যা গম্ভীৰ বেগে বহে।
ৰাম আভিষেকক বেকত কৰি কহে।।[২৮৭]

(খ) শ্ৰীৰাম লক্ষ্মণে দুই চন্দ্ৰ সূৰ্য্য ভৈলা।
সীতা সন্ধ্যা এৰিয়া বহুত দূৰ গৈলা।।
অন্ধকাৰ ৰাৱণ চাপিল গৈয়া কোল।[২৮৮]

নিৰঙ্গ ৰূপক- বদন কমল দেখো মাথা তুলি চাহা।।[২৮৯]

সাঙ্গ ৰূপক- ৰাম মুখ পদ্ম মোৰ নয়ন ভ্ৰমৰ।[২৯০]

মালা ৰূপক- ত্ৰৈলোক্য মোহিনী কন্যা মহাৰূপৱতী।
সুন্দৰ নাসিকা দন্ত মুকুতাৰ পান্তি।।

২৮২। উক্ত গ্ৰন্থ, সুন্দৰাকাণ্ড, পদ- ৪১৩০
২৮৩। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ২৬৭০
২৮৪। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৬০১৫
২৮৫। উক্ত গ্ৰন্থ, সুন্দৰকাণ্ড, পদ- ৪১৭৬-৭৭
২৮৬। মাধৱ কন্দলী : ৰামায়ণ, অৰণ্যকাণ্ড, পদ- ৩১৩৭
২৮৭। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৫৮০
২৮৮। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ৩১১৮
২৮৯। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৭০০
২৯০। উক্ত গ্ৰন্থ, পদ- ১৫০৫

মৃণাল যুগল বাহু কৃশ মধ্য দেশ।
কমলী নয়নী নীল আকুঞ্চিত কেশ।।[২১১]

প্ৰতীক- সম্পূৰ্ণ চন্দ্ৰতো কৰি শোভয় বদন।
প্ৰফুল্ল কমল জিনি প্ৰকাশে নয়ন।।[২১২]

উৎপ্ৰেক্ষা- গম্ভীৰত মেক যেন গহীনে সাগৰ।
যেন মেক মন্দৰ যুজন্ত একত্তৰ।।
হৰি শঙ্কৰৰ যেন মিলিল সমৰ।
গ্ৰহ যুদ্ধ ভৈল যেন মঙ্গল বুধৰ।।[২১৩]

বাচ্যোৎপ্ৰেক্ষা- উপৰত মেঘ যেন দেখিয় শোভন।
বাটিল নিকলি যেন পৃথিৱীৰ স্তন।।
শিখৰী উপৰে মন্দাকিনী শুক্লজল।
তনক ঢাকিয়া যেন বস্ত্ৰৰ অঞ্চল।।[২১৪]

প্ৰতীয়মানা উৎপেক্ষা-
নিজাৱৰ্ত্তহাতে গঙ্গা আহ্বান কৰিলা।
গঙ্গাক দেখিয়া ৰামে শোক পাসৰিলা।।[২১৫]

দৃষ্টান্ত- শান্ত কৰিবাক পাৰি সজ্জনৰ মন।
ভাঙ্গিলে গঢ়িবে পাৰি সুবৰ্ণ ভাজন।।
দুৰ্জনৰ মন শান্ত কৰণ নাযায়।
মৃত্তিকাৰ পাত্ৰ গঢ নলৰে দুনাই।।[২১৬]

নিদৰ্শনা- ৰামৰ ঘৰণী মোক ভজিবাক চাস।
মৰিবাক লাগি কালকূট বিষ খাস।।
ত্ৰিশূলৰ উপৰত নাচিবাক চাস।
মহাপাপী হুয়া তই স্বৰ্গে কৰ আশ।।
হুয়া তুই আক্ৰমী চন্দ্ৰক ধাৰ দেস।
জ্বলন্ত অগ্নিক বেটা বস্ত্ৰে বান্ধি নেস।।[২১৭]

২১১। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ২৬৬৭
২১২। উক্ত গ্ৰন্থ, পদ- ২৮১৭
২১৩। উক্ত গ্ৰন্থ; কিষ্কিন্ধাকাণ্ড, পদ- ৩৬০২
২১৪। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ২০৮৬
২১৫। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ২০১৭
২১৬। উক্ত গ্ৰন্থ; কিষ্কিন্ধাকাণ্ড, পদ- ৩৪৮৫
২১৭। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ৩১৪৯-৫০

অতিশযোক্তি-

(ক) হৰি হৰি লখাই তই কি কৰিলি মোক।
অগনি লগাইলি গাৱে কি কৰিবো তোক।।[২৯৮]

(খ) একেবাৰে তিনিগোট অকাৰ্য্য কৰিলি।
মোহোৰ দুষ্কীৰ্ত্তি ৰামে বনবাস দিলি।।
স্বামীক মৰাইলি দশৰথ মহাৰাজ।
তথাপিতো দাৰুণি তোহোৰ নাই লাজ।।[২৯৯]

দীপক-
আকাশৰ পথে যান্তি।
দশ দিশে নিহালন্তি।।
ভয়ে আতি চমকন্তি।
ক্রন্দন কৰিয়া যান্তি।।
লক্ষ্মণক সুমৰন্তি।
ৰাম ৰাম উচ্চৰন্তি।।
পৰ্ব্বতত উজাৰন্তি।।
মাথোগোট চপৰান্তি।।[৩০০]

প্রতিবস্তুপমা-
বসন্ত নোশোভে বিনে কোকিলৰ বোলে।
নিস্ফল জীৱন প্রভু তুমি বিনে কোলে।।[৩০১]

সামান্য-
দেৱবীৰ্য্যে জাত দুই হন্তুৰো দিব্য কায়া।
চিনন নযায় যেন দৰ্পণৰ ছায়া।।[৩০২]

বিষম-
সুমৰণে পাপ হৰে আদিত্যৰ বংশ।
তোমাৰ উপৰি যত সবে ধৰ্ম্ম অংশ।।
সূৰ্য্য বংশ সমস্তৰ শিৰৰ মুকুট।
নিৰ্ম্মল কুলত তুমি ভৈলা কালকূট।।[৩০৩]

অসঙ্গতি-
ষাণ্ডে ধান খাইলেক তাম্ভিৰ কাটে বাটি।
আনে চুৰি কৰিলে আনৰ চুল কাটি।।[৩০৪]

২৯৮। উক্ত গ্রন্থ, পদ- ৩৩০৯

২৯৯। উক্ত গ্রন্থ, অযোধ্যাকাণ্ড, পদ- ২২৭৫-৭৬

৩০০। উক্ত গ্রন্থ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৪২১-২২

৩০১। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ১৮৪১

৩০২। উক্ত গ্রন্থ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৫২৮

৩০৩। উক্ত গ্রন্থ, পদ- ৩৬১৭

৩০৪। উক্ত গ্রন্থ, লংকাকাণ্ড, পদ- ৬০২৯

সাৰ- দশবিপ্ৰ অধিক গৌৰৱে উপাধ্যায়।
তাতো দশগুণ পিতা দেখিতে সুবায়।।
বাপত অধিক দশ গুণে হুৱে মাঝ।
পৃথিৱীত গুৰুত্বৰ দেখিতে সুভাৱ।।[৩০৫]

অৰ্থান্তৰ ন্যাস- বৃদ্ধৰ তৰুণী ভাৰ্য্যা অতি বৰ ৰতি।
তোৰ বোল ৰাখিবাক নুহিকে শকতি।।[৩০৬]

অপ্ৰস্তুত প্ৰশংসা- 'অতিশয় তুমি কোপ নকৰিবা
নকৰিবা অতি খেদ।
বিষ বৃক্ষ যদি আপুনি ৰোৱয়
তাকো নকৰয় ছেদ'।।[৩০৭]

আক্ষেপ- অধিকে নিন্দিবে ৰাম মোৰ নাহি কাৰ।
আচাৰত হীন ৰাম ধৰ্মে ভৈলা বাজ।।[৩০৮]

অৰ্থাপত্তি- মোত নুবুলিলা তুমি ভৰতৰ বাধ।
প্ৰাণ দিতে পাৰোহো আচোক ধনৰাজ।।[৩০৯]

ব্যাজস্তুতি- সাধু সাধু সখি তুমি মোৰ মহামিত্ৰ।
আমাৰ কাৰ্য্যত দেখো উত্ৰাৱল চিত্ত।।
অল্প সে অন্তৰ মাত্ৰ বচন কাৰ্য্যত।
মুখত অমৃত দেখি কপট মনত।[৩১০]

স্বভাবোক্তি- চক্ষু উলটায়া ধৰণীত দিলা ঠোঁঠ।
সৰ্বাঙ্গে পৰিল ঢলি কলেৱৰ গোট।।
প্ৰাণ হুৰি গৈল মুখ ব্যাদান কৰিল।
ঘাড়গোট পালটায়া ভূমিত পৰিল।।
কম্প কম্প কৰিয়া শৰীৰ ভৈল কাটি।
মৰিল জটায়ু বীৰ কাশ্যপৰ নাতি।।[৩১১]

৩০৫। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৭৮৩
৩০৬। উক্ত গ্ৰন্থ, পদ- ১৬০১
৩০৭। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৭৬৬
৩০৮। উক্ত গ্ৰন্থ, পদ- ৩৬৩০
৩০৯। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৭০৪
৩১০। মাধৱ কন্দলী ঃ ৰামায়ণ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৭৯৩
৩১১। উক্ত গ্ৰন্থ, অৰণ্যকাণ্ড, পদ- ৩৩৫১

সঙ্কৰ- মুখচন্দ্ৰ অৰি অমৃতৰ অভিলাষে।
গ্ৰাসিবাক লাগি বাহু আসি গৈলা পাশে।।
ভ্ৰৱ যুগ ধনুত কটাক্ষ যেন শৰ।
চমকিযা ৰাহু গৈলা গগন উপৰ।।[৩১২]

মাতৃভাষা অসমীয়াৰ লগতে সংস্কৃত আৰু প্ৰাকৃত সাহিত্যৰ কলা-কৌশলৰ ওপৰতো কন্দলীৰ ভাল দখল আছিল। দ্বিতীযতে, মৌখিক পৰম্পৰাৰ লগতো তেওঁৰ পৰিচয আছিল। সেয়েহে তেওঁ 'ৰামাযণ'ৰ পদত বিভিন্ন ছন্দ আৰু ৰসৰ সমাৱেশ ঘটাই কাব্যখনিক অসমীয়া মহাকাব্যৰ মৰ্য্যাদা দান কৰিছিল। ছন্দ-শিল্পৰ পৰিকল্পনাত মাধৱ কন্দলী পৰম্পৰাগতভাৱে বাচিক কলাৰ ছন্দৰীতিৰ জৰিযতে প্ৰভাৱান্বিত হোৱাৰ অনুকূলেও মত পোষণ কৰিব পাৰি। তেওঁৰ ছান্দসিক প্ৰতিভাও আছিল বিস্ময়কৰ। মহেন্দ্ৰ বৰাই কন্দলীৰ ছান্দসিক প্ৰতিভা সম্পৰ্কে আলোচনা কৰি এনেদৰে মন্তব্য কৰিছে ঃ "বিশুদ্ধ অসমীযা ছন্দৰ বুৰঞ্জীৰ দুৱাৰদলিতে যিটো প্ৰাক্‌শংকৰী যুগ, সেই যুগৰ ছন্দ-সাধনা সম্পৰ্কে মাথোন এষাৰ কথা ক'লৈই যথেষ্ট হয়। 'পূৰ্বকবি মাধৱ কন্দলী আদি'ৰ কাব্য প্ৰতিভা যিদৰে বেছি মৌলিক তাতকৈ বহু বেছি সৌন্দৰ্য্য ৰূপময়, ছান্দসিক প্ৰতিভাও সেইদৰে যিমান বেছি অনুশীলনলব্ধ তাতকৈ বহু বেছি পৰিশীলিত। মাত্ৰ এটা ছন্দৰীতি যৌগিক আৰু মাত্ৰ তিনিটা ছন্দসজ্জা-পদ বা পয়াৰ, ছবি, দুলড়ী, কিন্তু সেই সীমিত ঘেৰটোৰ ভিতৰতে ছান্দসিক সৌন্দৰ্য্য শতধাৰে বিচ্ছুৰিত আৰু অফুৰন্ত ৰূপময"।[৩১৩] যৌগিক ৰীতিৰে মাত্ৰা সংস্থাপনত তলৰ স্তৱকটি ত্ৰুটিশূণ্য। যেনে ঃ

শংখিনী চিত্ৰিনী নাৰী পদ্মিনী হস্তিনী আদি
ত্ৰিভূৱনে যতেক সুন্দৰী।
দ্বিগীজয়ত সাজি দেৱাসুৰ ৰণে আজি
লংকেশ্বৰে আনি আছে হৰি।।[৩১৪]

মাধৱ কন্দলীৰ এনে ত্ৰুটিশূণ্য যৌগিক ৰীতিৰ প্ৰয়োগৰ দ্বাৰা অনুমান কৰিব পাৰি যে, প্ৰাক্‌শংকৰী যুগতে এইজনা কৱিৰ হাততে অসমীয়া ছন্দৰ যৌগিক ছন্দৰীতিয়ে পৰিপূৰ্ণৰূপ লাভ কৰিছে। 'চৰ্য্যাপদ'ৰ দিনৰেপৰা নাইবা মিশ্ৰ অসমীয়া পুথিৰ ৰচনা কালৰেপৰা অসমীয়া কবিতাৰ ছন্দ-সম্ভাৱৰ উমান লবলৈ পাৰি যদিও তাৰ আচল অসমীয়া অসমীয়া লগা মাধুৰ্য্যৰ সন্তেদ পোৱা যায় মাধৱ কন্দলীৰ দিনৰ পৰা। কন্দলীৰ 'ৰামায়ণ'ত ক'তো উজুটি নোখোৱা ছন্দ সজ্জাৰ শোভা দেখা যায়।[৩১৫] ছবি ছন্দৰ প্ৰকৃষ্ট উদাহৰণ-

৩১২। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৮২৮-২৯
৩১৩। মহেন্দ্ৰ বৰা ঃ অসমীয়া ছন্দৰ শিল্প তত্ত্ব, পৃ - ২০০
৩১৪। মাধৱ কন্দলী ঃ ৰামায়ণ, সুন্দৰকাণ্ড, পদ- ৪১০৮
৩১৫। কৰবী ডেকা হাজৰিকা ঃ কবিতাৰ ৰূপ ছায়া, পৃ ১২৮

'অনেক সুন্দৰী সবে ৰাজাৰ গাৱত ধৰি
শুতিলেক অতি মনৰঙ্গে।
ডাণ্ডৰ বৃক্ষক যেন নানাভাবে বেঢি আছে
কোমল মাধৱী লতা সঙ্গে।।[৩১৬]

অসমীয়া ভাষাৰ দৰেই অসমীয়া ছন্দৰ বংশলতাতো সংস্কৃত ছন্দৰ প্ৰেৰণা স্মৰণীয়। সুচতুৰ প্ৰতিভাসম্পন্ন কবি কন্দলীয়ে সংস্কৃত ছন্দৰ প্ৰেৰণাৰ লগতে লোক সমাজত প্ৰচলিত গীত-পদৰ ছন্দক লক্ষ্য কৰি তেওঁৰ নিৰ্মিতিত চাৰিপদযুক্ত ছন্দৰ ব্যৱহাৰ কৰিছে। সেইয়া পদ বা পয়াৰছন্দ, ছবি, দুলড়ী আৰু ঝুমুৰি।

অসমীয়া ছন্দসজ্জাসমূহৰ ভিতৰত পয়াৰ বা পদেই প্ৰাচীনতম। পয়াৰৰ প্ৰেৰণা আহিছিল বৈদিক সংস্কৃতৰ অনুষ্টভ ছন্দৰ পৰা। সংস্কৃত ভাষাৰ প্ৰতি ছন্দতে চাৰিটাকৈ শাৰী থাকে। একোটা শাৰীক চৰণ বোলে। কিন্তু অসমীয়াত চৰণৰ ঠাইত পদ বোলা হয়। পদ-ছন্দত চৈধ্য আখৰৰ দুটা শাৰী থাকে। পদ-ছন্দৰ প্ৰত্যেক শাৰীৰে অষ্টম আখৰৰ পাছত যদি পৰে। দুয়োটা শাৰীৰ শেষত অনুপ্ৰাস থাকে। প্ৰতি শাৰীৰ অষ্টম অক্ষৰৰ পিছত 'অৰ্দ্ধযতি' আৰু চৈধ্য-অক্ষৰৰ শেষত 'পূৰ্ণযতি' পৰিব। ৮+৬= মাত্ৰাসংখ্যা ১৪। পদ-ছন্দক ৰজা ছন্দ বুলিব পাৰি। কন্দলীৰ 'ৰামায়ণ'ৰ পদ-ছন্দৰ উদাহৰণ :

(ক) প্ৰজাসবে বোলয় হৰিষ কৰে মন।[১৪]
ৰাম যুবৰাজ ভৈলে সাফল জীৱন।[১৪]
৮ ৬

(খ) জয় জয় ৰামচন্দ্ৰ/জগত আধাৰ।
ব্ৰহ্মা হৰে পুৰন্দৰ/সেৱক যাহাৰ।।[৩১৭]

পদ বা পয়াৰৰ পাছতে প্ৰাচীনতম অসমীয়া ছন্দ-সজ্জাৰ নিদৰ্শন হ'ল ছবি। ইয়াৰ অনুপ্ৰেৰণাও সংস্কৃত ছন্দৰ পৰা 'চৰ্য্যাপদ'ৰ খিবিকিয়েদি আহিছিল। ছবি ছন্দ তিনিটা পৰ্বযুক্ত চৰণৰে একেটি স্তৱক পূৰ্ণ হয়। প্ৰতিটো চৰণ বা শাৰীৰ পৰ্ব তিনিটাৰ ধ্বনি সমষ্টিৰ মাত্ৰা সংখ্যা ৮, ৮, ১০।

অসমীয়া ৰামায়ণী কবি কন্দলীৰ দ্বাৰা ব্যৱহৃত আন এপদ ছন্দসজ্জা হ'ল দুলড়ী। এই ছন্দত দুটা চৰণৰে একোটা স্তৱক হয়। ইয়াৰ প্ৰতি চৰণত তিনিটাকৈ পৰ্ব থাকে আৰু এই তিনিটা পৰ্বৰ ধ্বনিবোৰৰ মাত্ৰাসংখ্যা ক্ৰমানুসৰি ৬+৬+৮ । দুয়োটা চৰণৰ চৰণান্তিক ধ্বনিৰ মিলনৰ সাদৃশ্যও এই ছন্দত প্ৰয়োগ হয়।

কন্দলী ব্যৱহৃত দুলড়ী আৰু ছবি ছন্দৰ উদাহৰণ :

ত্ৰিপদী (দুলড়ী)

৩১৬। মাধৱ কন্দলী : ৰামায়ণ, সুন্দৰকাণ্ড, পদ- ৪১৩৭
৩১৭। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ- ১৪৮৩

লঘু-ত্ৰিপদী (৬+৬+৮)

'যোগীৰ কান্ধত কানি জুলি যত ৬+৬
হাত দোৱাদশ কাৰি।৮
লৱৰন্তে লৱ ৰন্তে পাচে চান্তে
হিয়া মানে গৈল ফাটি।।[৩১৮]

ছবি (দীৰ্ঘ ত্ৰিপদী) ৮+৮+১০

'সাতকান্ত ৰামায়ণ পদবন্দে নিবন্ধিলো ৮+৮
লম্ভা পৰিহৰি সাৰোদ্ধৃতে।১০
মহামাণিক্যৰ বোলে কাব্যৰস কিছু দিলো
দুগ্ধক মথিলে যেন ঘৃতে।।[৩১৯]

মাধৱ কন্দলীয়ে আন এপদ অসমীয়া ছন্দসজ্জা ঝুমুৰি তেওঁৰ নিৰ্মিতিত সংযোগ কৰিছে। সংস্কৃত মধুমতীৰ অসমীয়া ৰূপায়ণ ঝুমুৰা বা ঝুমুৰি। এই ছন্দত মুঠ চাৰিটা চৰণ থাকে। প্ৰত্যেক চৰণত আঠোটাকৈ আখৰ থাকে। প্ৰত্যেক চতুৰ্থ আখৰৰ পাছত যতি পৰে। মাধৱ কন্দলীয়ে অসমীয়া ৰামায়ণৰ মাজত কেইবা ঠাইতো ঝুমুৰি ছন্দৰ ব্যৱহাৰ কৰিছে। যেনে–

(ক) ৮ 'ৰামে লক্ষ্মণক চাই।
৮ বোলন্ত দেখিয়ো ভাই।।
৮ চৈধ্যয় ৰাক্ষস আসে।
৮ যুজিবাক আভিলাসে।।[৩২০]

(খ) 'এহিমতে বীৰ দুই।
যুজে একপিণ্ড হুই।।
শৰীৰত উঠে জুই।
বলে দুই ক্ষীণ নুই।।[৩২১]

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, চতুদৰ্শ শতিকাৰ অসমীয়া ভাষাটো যে কন্দলীৰ 'ৰামায়ণ'ত কাব্যিক সৌন্দৰ্য্য, ৰচনাৰীতি আদি বিভিন্ন দিশৰপৰা পূৰ্ণাংগ ৰূপ লাভ কৰিছে। আঞ্চলিক থলুৱা ভাষাৰ ব্যৱহাৰে বিশেষকৈ সাধাৰণ কথা-বাৰ্তাত ব্যৱহৃত শব্দ, খণ্ডবাক্য, জঁতুৱা ঠাঁচ, প্ৰবাদ-প্ৰবচন আদিৰ উপৰিও মৌখিক পৰম্পৰাত প্ৰচলিত গীতপদৰ ছন্দসজ্জাক ৰামায়ণত অন্তৰ্ভুক্ত কৰি কন্দলীয়ে এক বিচিত্ৰ ৰূপ প্ৰদান কৰিছে। ইয়াৰ পৰিণতিত কন্দলী 'ৰামায়ণ' অতি সৱল, শুৱলা, স্পষ্ট আৰু সমসাময়িক লোক-সমাজৰ সাক্ষৰ-নিৰক্ষৰ সকলো শ্ৰেণীৰ মানুহৰ অন্তস্পৰ্শী জাতীয় মহাবাক্যত পৰিণত হৈছে।

৩১৮। উক্ত গ্ৰন্থ, অযোধ্যাকাণ্ড, পদ- ১৯৬০
৩১৯। উক্ত গ্ৰন্থ, লংকাকাণ্ড, পদ- ৬৭১০
৩২০। মাধৱ কন্দলী : ৰামায়ণ, অৰণ্যকাণ্ড, পদ- ২৮৫৩
৩২১। উক্ত গ্ৰন্থ, কিষ্কিন্ধাকাণ্ড, পদ- ৩৫৪২

।। অষ্টম অধ্যায়।।

অসমৰ পৰম্পৰাগত লোক জীৱনত মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ

অসমীয়া সমাজ আৰু জাতীয় জীৱনত মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। যাৰ বাবে কবিজনাক জাতীয় কবিৰূপেও আখ্যা দিব পাৰি। অতীজৰেপৰা মৌখিক পৰম্পৰাত চলি অহা ৰামকথাই বাল্মীকিৰ উৎসৰে মাধৱ কন্দলীৰ 'ৰামায়ণ'ত লিখিত ৰূপ পৰিগ্ৰহ কৰিলেও সমসাময়িক লোকসমাজত কন্দলী ৰামায়ণৰ পদ মুখে মুখে প্ৰচলিত হৈ থকাও দেখা যায়। মৌখিক পৰম্পৰাৰ ভিত্তিত যেনেকৈ লিখিত সাহিত্যৰ সৃষ্টি হ'ব পাৰে তদ্ৰূপ লিখিত সাহিত্যয়ো জনজীৱনৰ মাজত বহুল প্ৰচলিত হৈ লৌকিক পৰম্পৰাৰ সৃষ্টি কৰিব পাৰে। তাহানিৰ নিৰক্ষৰ সমাজত দেখা যায় যে, এজন কথক বা পাঠকৰ মুখেৰে বিভিন্নজনে শুনি শুনি লিখিত সাহিত্যৰ ৰস পান কৰে আৰু সেইদৰেই লিখিত সাহিত্যতও বিভিন্ন মুখ বাগৰি মৌখিক পৰম্পৰাত পৰিণতি লাভ কৰে।

ভাৰতীয় জনজীৱনত মহৰ্ষি বাল্মীকিৰ দ্বাৰা ৰচিত ৰামায়ণৰ কথাবস্তু সংস্কৃত পণ্ডিতসকলৰ মাজতে সীমাবদ্ধ নাথাকি সৰ্বভাৰতীয় জনগণৰ মাজলৈও বিস্তাৰিত হৈছিল।[১]

বিভিন্ন ধৰণে সম্প্ৰসাৰণ ঘটা ৰামকথাৰ মৌখিক পৰম্পৰাৰ ক্ষেত্ৰত কথকতা পদ্ধতি অন্যতম। মাধৱ কন্দলীও স্বৰূপাৰ্থত ৰামকথাৰ এজন কথকহে আছিল। 'কন্দলী বোলন্ত মহামানিয়ে শুনন্ত'— এনে উক্তিৰপৰা 'ৰামায়ণ'ৰ পদখিনি কবিয়ে ৰজাৰ আগত আবৃত্তি কৰি থকাৰ দৃশ্য কল্পনা কৰিব পাৰি।[২] লোকসমাজত কথক বা পাঠক বা ব্যাখ্যাকাৰীৰ জৰিয়তে বিভিন্ন সময়ত পঠিত বা গেয় বা আলোচিত

১। —The oral tradition of the Ramayana in the various States of Indian Union has been based on the great Indian epic, the Ramayana by the great poet Valmiki Though composed in classical Sanskrit not intelligible to the unlettered, yet due to the efforts of a class of oral expounders it was made understood to the unlettered mass irrespective of caste and creed Thus illiteracy has never been a bar in india for learning in literature, philosophy and even higher scriptures This practice of popular exposition of the Ramayana continued throughout the centuries and throughout the whole of India and has been handed down to the present day in absolutely an unbroken tradition"— A Bhattacharya "Oral Tradition of the Ramayana in Bengal" in The Ramayana Tradition in Asia, ed V Raghavan P 593

২। মহেশ্বৰ নেওগ : মহেশ্বৰ নেওগ ৰচনাৱলী, ১ম খণ্ড, পৃ ৫১৮

'ৰামায়ণ'ৰ কাহিনীয়ে নিৰক্ষৰ লোকৰ অন্তৰতো গভীৰ সাঁচ বহুৱায় আৰু ইয়াৰ পৰিণতিত জনমানসৰ সৃষ্টিক্ষম প্ৰতিভাৰ যোগেদি বিভিন্ন মৌখিক গীত-পদ, সাধুকথা, মালিতা, কাহিনী, উপকাহিনী, প্ৰবাদ-প্ৰবচন, জনবিশ্বাস আদিৰ সৃষ্টি হোৱা দেখা যায়।

অসমৰ পৰম্পৰাগত লোকজীৱনত এইদৰেই বিভিন্ন লোকসাংস্কৃতিক সমলৰ সৃষ্টি হোৱা দেখা যায়। এই ক্ষেত্ৰত মাধৱ কন্দলীৰ ৰামায়ণৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ। পৰৱৰ্তী লোকসমাজত তেওঁৰ 'ৰামায়ণ'ৰ প্ৰভাৱ মন কৰিবলগীয়া। অসমীয়া ৰামাযণী সাহিত্যত মাধৱ কন্দলীৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ আৰু অৱদানৰ দৰেই অসমীয়া সমাজত যুগ যুগ ধৰি সৃষ্টি হৈ অহা মৌখিক পৰম্পৰাৰ বিভিন্ন গীত-পদ, সাধুকথা, লোকনাটক, জনশ্ৰুতি, জনবিশ্বাস ইত্যাদিতো কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি।

লোক-সংস্কৃতি অধ্যয়নত মৌখিক সাহিত্যৰ উপশ্ৰেণীবোৰ তলত দিয়াৰ দৰে ভাগ কৰা হয়। যেনে—

১। লোকগীত (folksongs) : (ক) বেলাড, (খ) ধৰ্মীয় গীত, (গ) প্ৰণয গীত (ঘ) কৰ্মগীত, (ঙ) উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত, (চ) তত্ত্বপূৰ্ণ গীত, (ছ) চিকাৰ আদিৰ লগত জড়িত গীত, (জ) বিদ্ৰূপাত্মক গীত, (ঝ) কেঁচুৱা আৰু ল'ৰা ছোৱালীৰ লগত সম্পৰ্কযুক্ত গীত-টোপনি নিওৱা গীত (lullabies) নিচুকনি গীত (nursery rhymes) শিশুৰ খেল-ধেমালিৰ লগত জড়িত গীত (children game songs) ইত্যাদি।

২। বৰ্ণনাত্মক মৌখিক কাহিনী (oral naratives) :

(ক) অতিকথা (myth)

(খ) জনশ্ৰুতি মূলক (legend)

(গ) সাধুকথা (tale)

৩। প্ৰবাদ-প্ৰবচন-যোজনা বা যোজোনা, লোকোক্তি, ফকৰা (Proverbs, Saying, Maxims etc)।

৪। সাঁথৰ (riddlies)

৫। মন্ত্ৰ (charm)

উপৰোক্ত মৌখিক সাহিত্যৰ উপশ্ৰেণীবোৰৰ মাজত মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ বা ৰামকথাৰ উপাদান কিমান সিঁচৰতি হৈ আছে সেইয়া বিচাৰ্য্যৰ বিষয়।

(ক) বাৰমাহী গীত :

অসমীয়া লোক-সাহিত্যৰ অন্যতম উপশ্ৰেণী বাৰমাহী গীতৰ মাধ্যমেৰেও 'ৰামকথা' অভিব্যঞ্জিত হোৱা দেখা যায়। বিষয়-বস্তুৰ ফালৰ পৰা এই জাতীয় বাৰমাহী গীতক দুটা উপশ্ৰেণীত ভাগ কৰিব পাৰি। (I) সীতা বাৰমাহী আৰু (II) ৰামবাৰমাহী।

সীতা বাৰমাহী বিষয়ক দুটা গীত আৰু ৰাম বাৰমাহী বিষয়ক এটা গীতহে বৰ্তমানলৈকে উদ্ধাৰ হৈছে। সীতা বাৰমাহী দুয়োটি গীত আৰম্ভ হৈছে ব'হাগ মাহৰপৰা। অন্যহাতে 'ৰাম বাৰমাহী' গীতটো আঘোণ মাহৰপৰা আৰম্ভ হৈছে। অসমীয়া বাৰমাহী সাধাৰণতে আঘোণ মাহত আৰম্ভ হয়, হিন্দী ভাষাত সচৰাচৰ আহাৰ মাহত আৰু বঙলা ভাষাত প্ৰায়ে আঘোণ মাহত আৰম্ভ হয়।[২]

সত্যেন্দ্ৰনাথ শৰ্মাই "কৌশল্যা বাৰমাহী" গীততো প্ৰচলিত থকাৰ কথা উল্লেখ কৰে।[৩] তদুপৰি 'তাৰা পটেশ্বৰীৰ গীত', 'লৱ কুশৰ গীত' আনকি ফুলবতী কন্যাৰ গীতত ৰামকথাৰ উপাদান প্ৰতিফলিত হৈছে। তলত উদ্ধৃত কৰা পংক্তিটোৱে ৰামকথাৰ নিদৰ্শন দাঙি ধৰে।

'মাই ৰাইপেৰ ঘৰত
শান্তি নুজুৰে তোৰ গাৱ।
ৰাম হেন স্বামী পালা
কৌশল্যা যাৰ মাৱ।।[৪]

'সাউদ কোঁৱৰৰ গীত'[৫] ৰ কাহিনীভাগ ৰামকথাৰ ওপৰত প্ৰতিষ্ঠিত নহয়, কিন্তু গীতটিৰ আৰম্ভণি আৰু সামৰণিত ৰাম নামৰ উল্লেখ আছে। 'ৰাধিকা শান্তি'ৰ গীতটিও ৰাম নামেৰে সামৰণি মৰা দেখা যায়—

"ৰাধিকা দেখিলা শান্তিৰে মহিমা
ডাকি বোলা ৰাম ৰাম ।"[৬]

বাৰমাহী গীত মতা-মাইকী দুয়ো শ্ৰেণীয়ে গায়। এজনী গাভৰুৱে হয়তো বিদেশত থকা গিৰিয়েকক স্মৰণ কৰি প্ৰত্যেক মাহৰ নৈসৰ্গিক জীৱনৰ পৰিৱৰ্তন আৰু নিজৰ অন্তৰৰ ক্ৰিয়া বৰ্ণনা কৰি গৈছে, নতুবা কোনো সাউদে ঘাটত নাও বান্ধি অজ্ঞাত ভাৱে নিজৰ ঘৈণীয়েককে মাহৰ পাছত মাহ প্ৰণয় যাচি গৈছে— এয়ে বাৰমাহী গীতৰ সাধাৰণ বিষয় বস্তু। আখ্যানভাগৰ কথা তুলিলে বাৰমাহী গীতক মালিতা শ্ৰেণীত সুমুৱাব পাৰি, আৰু আখ্যানভাগৰ পৰিমাণ কম ধৰিলে তাক সাধাৰণ গীত বুলিয়ে ল'ব লাগে। বাৰমাহী ওজাপালিয়েও কেতিয়াবা গায়।[৭]

২। প্ৰফুল্ল দত্ত গোস্বামী (সম্পা) : বাৰমাহৰ তেৰ গীত, পৃ ৬৭
৩। সত্যেন্দ্ৰনাথ শৰ্মা : ৰামায়ণৰ ইতিবৃত্ত, পৃ ৪৬২
৪। মহেশ্বৰ নেওগ (সম্পা) : চতাই পৰ্বত আৰু চিৰি লুইত, পৃ ৫২-৫৩
৫। প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭২
৬। প্ৰাগুক্ত গ্ৰন্থ, পৃ ৮২
৭। প্ৰফুল্লদত্ত গোস্বামী : অসমীয়া জন-সাহিত্য, পৃ-৭৮

সীতা বাৰমাহী গীত/ৰাম বাৰমাহী গীত ঃ

সীতা বাৰমাহী আৰু ৰাম বাৰমাহী গীতত ৰামৰ আৰু সীতাৰ দৃষ্টিকোণেৰে মাহকেইটাৰ প্ৰাকৃতিক চিত্ৰ, সেই সেই মাহত, ৰাম-সীতাৰ মনৰ অৱস্থা, লগে লগে ৰামায়ণৰ ঘটনাৰ বিভিন্ন স্তৰ বা অৱস্থাও বৰ্ণিত হৈছে। বাৰমাহী গীতবোৰ সাধাৰণতে বিৰহ-জ্ঞাপক, ৰাম বাৰমাহী আৰু সীতা বাৰমাহী গীত দুটিও ইয়াৰ ব্যতিক্ৰম নহয়।

সীতা বাৰমাহী গীত (১)

দিহা ঃ কান্দে মোৰ জানকী সীতা।
পদ ঃ বৈহাগৰ মাহতে বাপু অশোকৰ তলে।
মই নাৰী নিদ্ৰা গৈলো উৰতৰ শিতানে ।।
জেঠৰ মাহতে বাপু ৰাৱণে নেই হৰিয়া।
ইন্দ্ৰে দিলা মুক্তাৰ মালা ব্ৰহ্মাক লাগিয়া।
আহাৰৰ মাহতে বাপু পকি পৰে আম।
সিতো বেলা থাকো মই ঋষিৰ আশ্ৰম।।
শাওনৰ মাহতে বাপু ৰাইজে দেই গছা।
মই অভাগিনী সীতাৰ কপালৰে দশা।।
ভাদৰে মাহতে বাপু পালঙত নাই ফুল।
ইতো কথা জানে মোৰ দয়াৰে শহুৰ।।
আহিনৰ মাহতে বাপু ঋতু স্নান পায়।
ইটো কথা জানো মোৰ দয়াৰ শাই আই।।
কাতিৰ মাহতে বাপু আছো আগ বাৰি।
দুষ্ট ৰাক্ষসক মাৰি আনিব উদ্ধাৰি।।
আঘোণৰ মাহতে বাপু শালিৰে বতৰ।
দূৰৰ পৰা ৰামচন্দ্ৰক কৰিছো কাতৰ।।
পুহৰ মাহতে বাপু অতি বৰ শীত।
মই অভাগিনী সীতাৰ নাই থান থিত।
মাঘৰ মাহতে বাপু ধৰমৰ থিতি।
বনবাসে দিলা মোক গৰভে সহিতি।।
ফাগুণৰ মাহতে বাপু পছোৱা মেলে বাৰ।
মই সীতা অভাগিনীৰ নাই বাপ মাৰ।।
চৈত্ৰৰ মাহতে বাপু চৈতালী গাৰে।
ইটো কথা জানে মোৰ দয়াৰ লক্ষণে।।

হাতে বাৰে ঢাক ঢোল মুখে বাৰে বাঁহী।
ইটো গীতৰ নাম থৈছে সীতা বাৰমাহী।।[৮]

সীতা বাৰমাহী গীত (২)

হাঁ প্ৰভু ৰঘুনাথ সংসাৰৰ সাৰ।
ৰাক্ষস কুলক প্ৰভু কৰিলা উদ্ধাৰ।।
বৈশাখৰ মাসতে নানান পুষ্পময়।
ৰাম ৰাজা হব বুলি সৰ্ব লোকে কয়।।
তাহান দাৰুণ বিধি দেৱৰ লিখন।
ভৰতক ৰাজ্য দিয়া ৰাম গৈল বন।।
জ্যেষ্ঠ মাসতে ৰাম সীতায়ে সহিতে।
দেখিয়া সুৱৰ্ণ মৃগ পাশাক খেলিতে।।
তাহাক বধিবে গৈলা শ্ৰীৰাম-লক্ষ্মণ।
শূণ্য গৃহ পাই সীতা হৰিলা ৰাৱণ।।
আহাৰ মাসতে হ'ল ঘন বৰিষণ।
আমাক ছাড়ি গৈলা ৰাম নাৰায়ণ।।
পাপিষ্ঠ ৰাৱণ ৰাজা দুষ্ট দুৰাচাৰ।
মিঠা ফল দিয়া সীতাৰ চাপিল কাষাৰ।।
শ্ৰাৱণ মাসতে মেঘে বৰিষে গম্ভীৰে।
কালোখ্য মৃগৰ ৰাৱ শুনো সুললিতে।।
নানা পুষ্পফুলে, ফুলগন্ধে ভৈলা ভোল।
ভ্ৰমৰ নাচাৰে ফুলৰ লৈতে জোল।।
ভাদৰ মাসত সীতা দেখিলা সপন।
সমুদ্ৰ ছেডাই আহিল পৱন নন্দন।।
পাইবোঁহো প্ৰভুৰ বাৰ্তা সকল বিৱৰণ।
ৰাম ৰাম বুলি সীতা জুৰিলা ক্ৰন্দন।।
আহিন মাহত সীতা ভাৱে অকলশৰে।
আমাক ছাডিয়া গৈলা ৰাম গদাধৰে।।
কোন বিধি লিখি থৈছে নাম মোৰ সীতা।
ভাবোতে চিন্তোতে মোৰ দেহা হ'ল তিতা।।

৮। প্ৰফুল্লদত্ত গোস্বামী: পূৰ্বোক্ত গ্ৰন্থ, পৃ-৭২-৭৩

কাতিৰ মাসত ভৈল অৰুণ উদয়।
আমাক ছাড়িয়া গৈলা ৰাম দযাময়।।
কৰ্ম্মদোষে বন্দী হৈলো ৰাক্ষসৰ ঘৰে।
উদ্দেশ নাপাওঁ মই কৰ্ম্মদোষ মোৰে।।
আঘাণ মাসৰ গুণে পৰে অতি জাৰ।
স্বামী ভাবি স্বামীৰ চৰণ কৰোঁ সাৰ।।
স্বামী বিনে গতি নাই ভৱ তৰিবাৰ।
ৰাম বিনে স্বামী নাই জানকী সীতাৰ।।
পুহৰ মাসৰ গুণে পৰে অতি শীত।
তথাপি নখণ্ডে সীতাৰ মনৰ বাঞ্চিত।।
পেঙ্গুৱা বৰণ সীতা অঙ্গত মাখিয়া।
যমুনাক যায় সীতা কান্দিযা কান্দিযা।।
মাঘৰ মাসত জাৰ আতি বিপৰীত।
ভালুক বান্দৰগণ হৈলা সচকিত।।
মন্দোদৰী কয ৰাজা ঘটালা প্ৰসাদ।
আপুনি মজালা প্ৰভু লঙ্কা হেন ৰাজ।।
আপোন বুদ্ধিতে প্ৰভু সীতা কৰি চুৰি।
আপুনি নাশিলা প্ৰভু লঙ্কা হেন পুৰী।।
ফাল্গুণ মাসতে উঠে অৰুণ আকাশ।
সমুদ্ৰ বান্ধিযা ৰামে বধিল্লা ৰাক্ষস।।
পৰিলা ৰণত ইন্দ্ৰজিত মহাবীৰ।
তথাপিতো শান্তী সীতাৰ মন নোহে থিৰ।।
চৈত্ৰৰ মাসতে দেৱী মঙ্গলা পূজন্তে।
সমূদ্ৰ বান্ধিয়া ৰামে বধিলা ৰাৱণে।।
বিভীষণ মৰিলে মন্দিৰ হৈব খালী।
দাসী কৰি দিলা ৰামে বালা মন্দোদৰী।।[১]

ৰাম বৰমাহী গীত

আঘোণৰ মাসতে ৰাম মনে কৈলা চিন্তা।
কিমতে বঞ্চিবো আমি সঙ্গে লৈয়া সীতা।।

১। যোগেশ চন্দ্ৰ তামুলী (সম্পা)ঃ অসমীয়া লোক-গীতি সংগ্ৰহ, পৃ ১০২-০৫

কান্দে দশৰথ ৰাজা আৰ্ত্তনাদ হৈয়া।
কৌশল্যা সুমিত্ৰা কান্দে পুত্ৰক লাগিয়া।।
পুসৰ মাসতে ৰাম বনে কৈলা সাৰ।
অযোধ্যাৰ নৰ আসে ৰাম দেখিবাৰ।।
অযোধ্যাৰ নৰ নাৰী কৰে হাঁহাকাৰ।
ৰাম প্ৰভু অবিহনে জগত আন্ধাৰ।।
লক্ষ্মণক লৈয়া ৰাম সঙ্গত কৰিয়া।
ভৰতক ৰাজ্যভাৰ দিলেক সঁপিয়া।।
মাঘৰ মাসত ৰাম দিগম্বৰ বাস।
শীতল কদম্ব তলে খাটিলে প্ৰবাস।।
লক্ষ্মণ উঠিয়া বলে ৰামক বুজাই।
বিধিৰ লিখন দাদা খণ্ডন নাযায়।
ফাল্গুণ মাসতে ৰামৰ পেটে লাগে ভোক।
শৰ-ধনু ভূমিত থই চৰিলা বৃক্ষত।।
লাফে উঠে লাফে নামে পাৰে বৃক্ষৰ ফল।
কুৰাইয়া লয় লক্ষ্মণ যত গাৱৰ বল।।
পূৰ্ব কালৰ কথা ৰাম স্মৰণ কৰিলা।
য'তে ৰাম, ত'তে অযোধ্যা সেই কথা হৈলা।।
কত কত মুনিগণ যায় সেই ঠাই।
ৰামক ভকতি কৰি কতেক বুজায়।।
চৈত্ৰৰ মাসতে ৰাম ৰবিৰ প্ৰতাপ।
সীতায় বোলন্ত প্ৰভু লাগিল পিয়াস।।
উপৰে ৰবিৰ জ্বাল তলে তপত বালু।
নাপাৰে হাঠীতে সীতা সুকুমল তনু।।
সীতাৰ কান্দন দেখি ৰামৰ লাগে দায়া।
বৃক্ষডাল ভাঙি ৰামে ধৰিলন্ত ছায়া।।
ৰাম ভাঙে বৃক্ষডাল লক্ষ্মণ ধৰে শিৰে।
তাৰ ছায়াত সীতা আয়ে চলে ধীৰে ধীৰে।।
ৰাম যায় আগে আগে লক্ষ্মণ যায় পাছে।
জল পাবা আগে সীতা সৰোবৰ আছে।
বৈশাখৰ মাসতে ৰামে যজ্ঞ আৰম্ভিলা।

লাখে লাখে মুনিগণ তথাত আসিলা।।
মুনিগণ আসিয়া যে বুলিলন্ত বাণী।
লাখে লাখে কাষ্ঠ-খৰি আনিলা জোগানি।।
আকাশ-পাতাল লৰে অগনিৰ ধ্বনি।
চাৰিকাষে মুনিগণে কৰে বেদধ্বনি।
যজ্ঞ কৰি ৰাম প্ৰভু তুষ্ট হৈলা মন।
মুনিক দক্ষিণা দিলা যত গাভীগণ।।
জেঠৰ মাসতে ৰামৰ নাই ঘৰবাৰী।
দণ্ডকা অৰণ্যে আছে সঙ্গে এক নাৰী।।
সঙ্গে এক নাৰী আৰু ভাই দুই নৰ।
পৰম আনন্দে থাকে অৰণ্য ভিতৰ।।
আষাৰৰ মাসতে ৰাম প্ৰভু মনত ভাবিল।
অযোধ্যাপুৰীৰ লোক আসিয়া থেকিল।।
অযোধ্যাপুৰীৰ লোক কৰে হাঁহাকাৰ।
তোমা অবিহনে আমাৰ দিনতে আন্ধাৰ।।
অযোধ্যাপুৰীৰ লোক কৰে নানা স্তুতি।
জনমে জনমে হোক তোমাতে ভকতি।।
শ্ৰাৱণ মাসতে ইন্দ্ৰে বৰষয় ধাৰে।
মাথায় হাত দিযা ভাবে অৰণ্য ভিতৰে।।
পিতৃবাক্য পলিতে আইলা ভাই দুই জন।
নিদাৰুণ মাতৃ বনে দিলা কি কাৰণ।।
ভাদৰ মাসতে বৰ বিপাক মিলিল।
সুবৰ্ণৰ মৃগ এক আসি দেখা দিল।।
মহাভয়ে মায়ামৃগ মাথা তুলি চায়।
ক্ষণেক থমকি মৃগে দূৰত পলায়।।
আহিনৰ মাসতে ধৰি বচন সীতাৰ।
ধনু ধৰি যায় ৰামে মৃগ মাৰিবাৰ।।
লৰৰি পশিল মৃগ আতি ঘন বন।
ৰামৰ সদৃশ মৃগে চেঞ্চায় ঘনে ঘন।।
কাতিৰ মাসতে ৰামে লক্ষ্মণক কৈলা।
ৰাক্ষসে বধিলে মোক আহি ৰক্ষা কৰা।।

সীতা বোলে শুনা লক্ষ্মণ আমাৰ বচন।
অকলশৰে গৈলা প্ৰভু হেৰাইলা জীৱন।।
লক্ষ্মণ বোলে জগতত আছে কোন বীৰ।
আমাৰ দাদাৰ স্পৰ্শ কৰিব শৰীৰ।।
সীতা বোলে তোৰ বাপু আশয় নোহে ভাল।
মুখত অমিয়া মধু পেটত আছে শাল।।
আগে গৈলা ৰামচন্দ্ৰ পাছত লক্ষ্মণ।
কাত্তিৰ শুক্ল পক্ষত সীতা কৰিলা হৰণ।।
বাৰ মাসত তেৰ গীত, মাহে মাহে তিথি।
ইটো গীতৰ নাম থৈছে ৰাম বাৰমাহী।।[১০]

তাৰা পটেশ্বৰী কন্যাৰ বৰমাহী গীত

(১)

যি ভৈলা ভৈলা বালি বছৰে এক
বালিৰ কপালত সেন্দুৰৰ চেক।
সেন্দুৰৰ চেক নহে কাজলৰ ৰেখা
হাৰুৱা মেঘৰ তলে চন্দ্ৰে দিলা দেখা।
বালি দয়া কৰ ক্ষমা দি ধৰ
মই নাৰীৰ হোৱা নাই বছৰ ভৰ।।

(২)

যি ভৈলা ভৈলা বালি বছৰে দুই
বৰ ঘৰৰ কাঠিত ৰুইছিলোঁ পুই।
হালিয়া জালিয়া পৰে মোৰ স্বামীৰ খোপা
বালি দয়া কৰ ক্ষমা দি ধৰ।।

(৩)

যি ভৈলা ভৈলা বালি বছৰে তিনি
ৰঙিয়াল ঘোঁৰাটো আনিছোঁ কিনি।
সিও ৰঙিয়াল ঘোঁৰাটো আগাল পাগাল
মোৰ স্বামীক দেখা নাপালে থিতাতে মৰ।।

১০। প্ৰাগুক্ত গ্ৰন্থ, পৃ ১০৫-০৮

(৪)
যি ভৈলা ভৈলা বালি বছৰে চাৰি
পাশা খেলাইছে শাৰী শাৰী।
সিও পাশাই নিদিয়ে ঢাল
এনেই দয়া কৰ ক্ষমা দি ধৰ ।।

(৫)
যি ভৈলা ভৈলা বালি বছৰে পাঁচ
শহুৰৰ নঙলাত ৰঙিয়াল গাছ।
ৰাঙিয়াল গাছৰ আটাইলো ফণি
এনে হেন লাহৰ চুলি চুচিব বুলি
বালি দয়া কৰ ক্ষমা দি ধৰ।।

(৬)
যি ভৈলা ভৈলা বালি বছৰে ছয়
গাঠিৰ ধনখিনি নকৰিবা ব্যয়।
ব্যয় কৰিলে কি হ্ব উপায়
পৰক ভাৰষা কৰা উচিত নহয়।
বালি দয়া কৰ ক্ষমা দি ধৰ।।

(৭)
যি ভৈলা ভৈলা বালি বছৰে সাত
সুবৰ্ণৰ হাঠাইদি ৰাঢিব ভাত।
সিও ভাত নপৰিল পাতত
আজি দেহা যাব মোৰ স্বামীৰ হাতত ।।

(৮)
যি ভৈলা ভৈলা বালি বছৰে আঠ
বালিৰ কাপোৰ খানি অতিকে ডাঠ।
সুতাৰ কাপোৰ নহে সিও পাটৰ ধুতী
তলমল কৰে বালিৰ পদ্ম নয়ন দুটি।।

(৯)
যি ভৈলা ভৈলা বালি বছৰে নও
এটি পুখুৰীৰ ছয়টি ঘাট।
ইঘাটে ডুব মাৰি সিঘাটে উঠে

আপোনৰ ছায়াটি আপুনি দেখে।।

(১০)

যি ভৈলা ভৈলা বালি বছৰে দহ
মাঘতে কমলা পকি ভৰি পৰে ৰস।
সিও কমলা আতিলে সিঠা
আইৰ বোপাইৰ মাততকৈ আবুৰ মাত মিঠা।।

(১১)

যি ভৈলা ভৈলা বালি বছৰে এঘাল
বাৰীৰ ইকৰা কাটি ঘোপৰি বেৰাও।
সিও ঘোপৰাত নাহিল ঘুমটি
হাসিতে খেলিতে পুৰাই গ'ল ৰাতি।।

(১২)

যি ভৈলা ভৈলা বালি বছৰে বাৰয়
বিছনাত দলিচা পাৰি শয়ন কৰাও।
একে অবলা আমি দীনা-হীনা নাৰী
ইটো গীত গাইছে কন্যা তাৰা পটেশ্বৰী।।[১১]

(খ) ধৰ্মীয় গীত ঃ

ধৰ্মীয় গীতৰ ভিতৰত শ্ৰৱণ-কীৰ্তনৰ নাম, দিহা নাম, ঢোল-খোল মৃদঙ্গৰ মালিতা, নাগেৰা নাম আদিত ৰামকথাৰ সম্ভেদ পোৱা যায়।

দিহা নাম ঃ ৰাম লক্ষ্মণ দুটি ভাই
ফুৰে বনে বনে অ
ফুৰে বনে বনে অ
পঞ্চবতী বনে সীতা হৰিলে ৰাৱণে।
০ ০ ০ ০

দিহা নাম ঃ ৰাম কান্দে ইনাই বিনাই লক্ষ্মণ কান্দে বৈ।
বাটতে জটায়ু কান্দে সীতাৰ কথা কৈ।।
০ ০ ০ ০

দিহা নাম ঃ কৌশল্যা নন্দন হৰি কৌশল্যা নন্দন।
পিতৃ বাক্যে বনবাস কৰিলা গমন।।

১১। অম্বিকা দেৱী গোস্বামী (সম্পা) সুৱাগ-মণি, পৃ ৭৬-৭৮

উল্লিখিত দিহানামবোৰ মধ্য অসমৰ বিভিন্ন অঞ্চলত গোপিনী নাম, শ্ৰৱণ-কীৰ্তনৰ নাম আদিও ৰামায়ণৰ পদৰ লগত দিহা হিচাবে দোহাৰি গায়। কামৰূপ জিলাত প্ৰচলিত দিহানামৰ নমুনাও পোৱা যায়ঃ

দিহা ঃ কান্দে ৰাম ৰঘুনাথ এ
লক্ষ্মণৰ শোকে।
এৰি গৈলা লক্ষ্মণ ভাই
সিন্ধু তীৰে মোকে।।

পদ ঃ পিতৃসত্য পালি মই অযোধ্যা এৰিলো।
বনবাসে কত মই নিকাৰ ভুগিলো।।
কৌশল্যা সুমিত্ৰা আই ভৰত শত্ৰুঘ্ন।
সবাকো তেজিয়া মই পাইলো ঘোৰ বন।।
বনতে হৰাইলো সীতা জনক জীয়াৰী।
শক্তিশেলে পৰি ভাই গইলা মোক এৰি।।
নেদেখা অযোধ্যা পুনু নাপালো সীতাক।
অনুজ লক্ষ্মণ বুলি মাতিম মই কাক।।
ৰামৰ লগত কান্দে যত কপি গণ।
নল নীল জাম্ববান কান্দে হনুমান।।
দোলাত বাগৰি কান্দে জগতৰে পতি।
বোলা ৰাম ৰাম মোকে সবাৰো সদ্‌গতি ।।[১২]

হুচৰি নাম বা হুচৰি-কীৰ্তন ঃ

একালৰ পথাৰৰ মাজৰ, গছ তলৰ বিহু যেতিয়া স্বৰ্গদেউৰ বাটচ'ৰা সৰকি 'দেউতাৰ পদুলি' গচকি গৃহস্থৰ চোতাল পালেহি, তেতিয়া 'বোলাহৰি' বুলি আৰম্ভ কৰি 'জয় হৰি' বোলা ধ্বনিৰে সামৰণি মৰা এই হুচৰিত কৃষ্ণ, ৰাম, 'শংকৰ এ আমাৰ নিজ গুৰু'ৰ বৰ্ণনাই ঠাই পালে। হুচৰিত গোৱা এনেকুৱা ভকতীয়া নামবোৰ দিহানাম ৰূপে সবাহ আদিত আৰু টোকাৰিৰ লগত এনেযেও মানুহে গায়।[১৩] মাধৱ কন্দলীৰ ৰামায়ণৰ বিষয়বস্তুৰেও এনে গীতত স্থান লাভ কৰিছে।

হনুমন্তই লংকাত গৈ নেজৰ জুইৰে গোটেই লংকানগৰ জুই জ্বলাই লংকাদাহ কৰাৰ কথা মনত পেলাই হুচৰিগীত গাই বিহুৱাই আমোদ পায়ঃ

১২। বি মহন্ত (সম্পা): কামৰূপীয়া লোকগীতৰ সঁফুৰা, পৃ ১৮
১৩। কেশদা মহন্ত: অসমীয়া ৰামায়ণী সাহিত্য ।। কথা বস্তুৰ আঁতিগুৰি।। দ্বিতীয় খণ্ড, পৃ ৩৪৩

কলমৌ খাওঁতে বুঢা হনুমন্তে
নগৰী কৰিলে চন ঐ গোবিন্দাই ৰাম।। ইত্যাদি

ঢোল, মৃদঙ্গ আৰু ওজাপালি ৰাগৰ মালিতা ঃ

ঢুলীযাৰ মালিতাবোৰ অসমৰ গাৱেঁ-ভুঁৱে, বিয়াই-সবাহে বহুলভাৱে প্ৰচলিত এক জনপ্ৰিয় লোকগীত। ঢুলীয়াৰ মালিতাত একোটা ধাৰাবাহিক কাহিনী বা তথ্য তাত্ত্বিক গভীৰতা থাকক বা নাথাকক, প্ৰাপ্তবয়স্ক সুলভ গাম্ভীৰ্য্যৰে ঢোলৰ লগত পৰিবেশন কৰা হয়। 'মহাভাৰত', 'ৰামায়ণ' আৰু 'পুৰাণ'ৰ কাহিনীৰ লগত জনশ্ৰুতি লোক-প্ৰবাদ প্ৰভৃতিৰ আলমত কোনোবা চহা কবিয়ে মুখে মুখে ৰচনা কৰি গোৱা এই মালিতাবোৰ ঢুলীয়াৰ পৰম্পৰাত পুৰুষ পৰম্পৰাৰূপে চলি আহিছে। ঢুলীয়াৰ মালিতাত প্ৰথমতে কিছুমান প্ৰশ্নৰ অৱতাৰণা কৰি তাৰ পাছত গীততে সেইবোৰ উত্তৰ দি থোৱা হয়।[১৪]

ঢুলীয়াৰ মালিতাত মাধৱ কন্দলীৰ ৰামায়ণৰ বিষয়বস্তুৱে যে স্থান লাভ কৰিবলৈ সক্ষম হৈছে তাৰ আভাস তলৰ গীতটিত পোৱা যায়ঃ

সত্য যুগে কোনে কাৰ পাতিছিলে বিয়া।
তেতিয়া বজালে ঢোল কোনজন ঢুলীয়া।।
কোন ভৈলা দুৰ্বা হোমৰ ভেটি ভৈলা কোন।

এই প্ৰশ্নৰ উত্তৰ স্বৰূপে কোৱা হৈছে ঃ

সত্য যুগে পাতিলেক শ্ৰীৰামচন্দ্ৰৰ বিয়া।
তেতিয়াই বজাই ঢোল সুধৰ্ম ঢুলীয়া।।[১৫]

মৃদঙ্গৰ মালিতাৰ প্ৰসংগত বৰ্ণিত ৰাগৰ উৎপত্তি বিষয়ক বৰ্ণনাৰ লগতো ৰামকথা জড়িত। মৃদঙ্গৰ মালিতাৰ লগত সম্পৃক্ত ৰামকথাৰ কিবা আঁতি-গুৰি আছে বুলি মনে নধৰে। ৰাগসমূহ মানুহৰ মাজত কিদৰে প্ৰচলিত হ'ল সেই বিষয়ে এনেদৰে কোৱা হৈছে ঃ

যিকালত শ্ৰীৰামে সীতাক বিহাইলা।
ব্ৰহ্মা আদি ত্ৰিদশ দেৱতা গণে ধাইলা।।
সেহিকাল হন্তে মনুষ্যে লাগ পাইলা।
ৰামৰ আদেশে ৰাগ পৃথিবীত ভৈলা।।[১৬]

১৪। উক্ত গ্ৰন্থ, পৃ ৩৫০

১৫। শ্ৰীশ্ৰীতীৰ্থনাথ গোস্বামী (সম্পা) ঃ ঢোল, মৃদঙ্গ আৰু তালৰ মালিতা, পৃ ১৮

১৬। উক্ত গ্ৰন্থ, পৃ ৪২

ধনশ্ৰীৰাগ, ইমনকল্যাণ আৰু পাহাৰী ৰাগৰ মালিতাৰ উৎপত্তি বিষযক মালিতাত ৰামকথা জুৰি দিয়া হৈছে ঃ

ৰাম-লক্ষ্মণ সীতা সঙ্গে দুই ভাই।
সসৈন্যে সহিতে বনবাস চলি যায।
সেহিবেলা আসি নাৰদ লগ পাইলা।
ৰামৰ আদেশে ধনশ্ৰীৰাগ গাইলা।।[১৭]

ওজাপালিৰ ৰাগৰ মালিতাত মৃদঙ্গমালিতাৰ দৰে ৰাগকেইটামানৰ উৎপত্তিৰ লগত ৰামকথাৰ সম্পৰ্ক জোৰা হৈছে। এইদৰে মালিতাসমূহত ৰামকথা জড়িত কৰাৰ প্ৰৱণতাই অসমৰ জনমানসত ৰামকথাৰ প্ৰভাৱৰ কথাকে সোঁৱৰায়। 'ৰামগিৰি' ৰাগৰ উৎপত্তি সম্পৰ্কত ৰামাযণৰ কথাকেই পোৱা যায ঃ[১৮]

ৰামগিৰি ৰাগ ঃ

শ্ৰীৰাম স্বৰূপে বালী ৰাজাক বধিলা।
অকন্টকা ৰাজ্যভাৰ সুগ্ৰীৱক দিলা।।
ৰাজ্য পাই পাসৰিলা সুগ্ৰীৱে ৰামক।
সময বুজিযা নাশে বানৰ লটক।।
হেন দেখি লক্ষ্মণৰ ক্ৰোধ উপজিলা।
সুগ্ৰীৱৰ মন্দিৰত গৰ্জ্জিবে লাগিলা।।
ৰাম কাৰ্য্য পাসৰিলি অৰে দুৰাচাৰ।
একপাট শৰে তোক পেশো যমদ্বাৰ।।
ভয পাই কঁপিৰাজ ৰামৰ পাশে গৈলা।
ফোঁকাৰি ফোঁকাৰি বীৰ ক্ৰন্দন কৰিলা।।
সুগ্ৰীৱৰ ক্ৰন্দনত ৰামগিৰি ৰাগ ভৈলা ।।[১৯]

নাও খেলোৱা গীত বা নাৱৰীয়া গীত ঃ

দূৰ দেশলৈ যোৱা সাউদৰ নাৱৰীযা, মাছমৰা নাৱৰীযা আদিয়ে নাও চলাওঁতে পৰিশ্ৰম লাঘৱ কৰিবলৈ ব'ঠাৰ ছেৱে ছেৱে যি গীত গায় তাকে নাৱৰীয়াৰ গীত বুলি কোৱা হয। বিভিন্ন ধৰ্মীয উৎসৱত বিশেষকৈ বৰপেটা আৰু গুৱালকুছিত বাৰ্ষিকভাৱে অনুষ্ঠিত নাওখেল প্ৰতিযোগিতাত প্ৰয়োগ হোৱাৰ পৰা পিছলৈ এনে গীতক 'নাও খেলোৱা গীত' বুলি নামাকৰণ কৰা হৈছে। 'ৰামায়ণ', 'মহাভাৰত' অথবা

১৭। উক্ত গ্ৰন্থ, পৃ ৪০
১৮। বীৰেন্দ্ৰনাথ দত্ত : অসমীয়া সংগীতৰ ঐতিহ্য, পৃ ৫৩,৫৫
১৯। নবেশ্বৰ শৰ্মা বৰুৱা : গীত-মালচি বন্দনা, পৃ ২০

অন্য 'পুৰণা'ৰ কাহিনীৰে ৰচিত বিভিন্ন গীত-পদ ব'ঠাৰ ছেৱে ছেৱে গোৱা হয়। তলত ৰামকথাৰ লগত জড়িত কেইটামান নাও খেলোৱা গীত উল্লেখ কৰা হ'ল-

(১)

ৰাম আহিল ৰে মায়ামৃগ মাৰি।
মায়া কৰে মাৰীচ মায়া চুড়ামণি।।
মায়া মৃগ ধৰি সাধে ৰামৰ বিঘিনি।
আঁতৰ কৰিলা ৰাম লক্ষ্মণ দুই ভাই।
হৰিলা ৰাৱণে সীতা শূণ্য ঘৰে পাই।।
হায় ৰে হৰি ৰে কন্যা ফুলেশ্বৰী ৰে অ ভায়া হুইচ,
কি চাই আছিলা ভায়াটিয়ে হে
ৰাৱণে হৰি নিলা সীতাক এ হে।
অ' ৰাম অ' হৰি।।[২০]

(২১)

সীতা হৰিল ৰে- অ' সীতা পঞ্চৱতী বনে।
পুষ্পক ৰথত তুলি মায়াবী ৰাৱণে।।
আকাশৰ উপৰে তুলি মাৰিলা উৰাৱে।
দুৰ্ঘোৰ ভয়ত সীতা কান্দে দীৰ্ঘৰাৱে।।
উত্ৰাৱল ভৈলা সীতা শিহৰিল গাৱে।
আকুলি বিকুলি কান্দে কম্পে হাত পাৱে।।
হৰি এ হে- হা প্ৰভু ৰাম মোৰ নিজপতি।
তোমাৰ ভাৰ্য্যাক হৰে ৰাৱণ দুৰ্মতি।।[২১]

উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীতসমূহক সংস্কাৰমূলক কৃত্য অনুসৰিও ভাগ কৰা হয়। যেনে ঃ

(ক) জন্মৰ লগত জড়িত উৎসৱ
(খ) অন্ন-প্ৰাসন
(গ) চুড়াকৰণ/চুন্নত
(ঘ) উপনয়ন
(ঙ) তোলনী
(চ) বিয়া-আগবিয়া, পাছ বিয়া, পোহন বিয়া

২০। যোগেশ চন্দ্ৰ তামুলী (সম্পা) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ ৩০
২১। উক্ত গ্ৰন্থ, পৃ ৮

(ছ) মৃত্যুৰ লগত জড়িত কৃত্য।

উল্লিখিত বিভিন্ন শিতানৰ উৎসৱ-অনুষ্ঠানত ব্যৱহৃত গীতত ৰামায়ণৰ উপাদান সানমিহলি হৈ থকা দেখা যায়।

বিয়া নাম ঃ অসমীয়া বিবাহ অনুষ্ঠানত বিভিন্ন প্ৰসংগত দৰা কন্যাক কৃষ্ণ-ৰুক্মিণী (বা ৰাধা) হৰ-গৌৰী বা উষা-অনিৰুদ্ধৰ লগত তুলনা কৰাৰ নিচিনাকৈ ৰাম-সীতাকো ক্ৰমে দৰা আৰু কন্যাৰ লগত তুলনা কৰি জাত জাত নাম গোৱা হয়। ৰাম-সীতাৰ ৰূপ বৰ-কন্যাত আৰোপ কৰা দেখা যায়। বৰৰ ঘৰ আৰু কন্যাৰ ঘৰ আযতীসকলে ক্ৰমে অযোধ্যা আৰু মিথিলাত স্থাপন কৰি লয়।

বিযাৰ আগদিনা জোৰণ পিন্ধোৱা অনুষ্ঠানত কন্যাৰ অলংকাৰ, কানি-কাপোৰ, সুগন্ধি প্ৰসাধন দ্ৰব্য আদি ৰামচন্দ্ৰই পঠোৱা বুলি জোৰণৰ আৰম্ভণিতে আযতীসকলে গায—

পানত পত্ৰ লেখি দিলাহে আইদেউ
পানত পত্ৰ লেখি দিলা,
সেই পত্ৰ খানি পাই ৰামচন্দ্ৰই
অলংকাৰ পঠিয়াই দিলাহে ৰাম ৰাম।
০ ০ ০
মাৰাৰ অলংকাৰ থোৱা কাটি কৰি
দেউতাৰাৰ অলংকাৰ থোৱা।
ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ
হাতে জোৰে কৰি লোৱা।।
০ ০ ০
কৈকেয়ী আহিছে সুমিত্ৰা আহিছে
আহিছে ৰামৰে মাও।
জনকৰ জীয়ৰী জানকী সুন্দৰী
জোৰোণ পিন্ধায আজি চাও।।[২২]

বিয়ানামত নামতীসকলে প্ৰতিটো নাম দোহাৰোতে বা গাওঁতে 'ৰাম ৰাম' নাইবা 'ঐ ৰাম' এই দুটা শব্দ জাত লগাই গায। বৰ-কন্যাক নোৱাওঁতে, সজাওঁতে কলগুৰিত বৰক আদৰোঁতে, হোমৰ গুৰিলৈ কন্যা উলিয়াই আনোতে, অধিবাস কৰোঁতে, হোমৰ গুৰিত সম্প্ৰদান কৰোঁতে বিভিন্ন পৰিস্থিতিৰ লগত সংগতি ৰাখি আয়তীসকলে যিবোৰ বিয়াগীত গায়, সেইবোৰত ৰাম-সীতাৰ জীৱনী কাহিনী প্ৰতিফলিত হয়। উদাহৰণ

২২। মহেশ্বৰ নেওগ ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃ ৫২-৫৩

স্বৰূপে কইনাক হোমৰ গুৰিত নছুৱাৰ সময়ত নামতীসকলে গায় ঃ

'ৰভাৰ চাৰিওফালে প্ৰজাগণ বহিছে
লোহাৰ পাতি থৈছে ধেনু।
এইনো প্ৰজাগণে ছানি পৰিছে
ৰামেহে ভাঙিব ধেনু।।[২৩]

বিয়াৰ আগদিনা অধিবাসৰ দিনা 'গাঠিয়ন খুন্দা' অনুষ্ঠানত ৰজা হৈয়ো নাঙলত ধৰা জনক ৰজাক টানি আনি চহা সমাজৰ অতি আপোন কৰি আয়তীসকলে গায়ঃ

'সোমৰ নাঙল খনি ৰূপৰে ফাল।
জনক মহাৰজাই জুৰিলে হাল।।
বালে মৈয়ালে চাহ হল মাটি।
তাতে মাৰি গল সৰিয়হ ছাটি।।
পেলালে সৰিয়হ হাতৰে লাচি।
গজিলে সৰিয়হ পৃথিৱী ঢাকি।।[২৪]

বিযাৰ দিনা দুপৰীয়া ন-পুৰুষৰ শ্ৰাদ্ধ কৰা হয়। শ্ৰাদ্ধ চলি থাকোঁতেও আযতীসকলে গায ঃ

ৰাম লক্ষ্মণ ভৰত শত্ৰুঘ্ন।
চাৰিও বান্ধিলা মিতাহে।
অযোধ্যা নগৰে ৰামে শ্ৰাদ্ধ কৰে
লগত নাই জানকী সীতাহে।।
০ ০ ০
"ৰভাৰে তলতে ৰামকলৰ পুলি
পাতে জিকি মিকি কৰে।
আমাৰ ৰামচন্দ্ৰই শ্ৰাদ্ধত বহিছে।
সোণে জলমল কৰে।।
চাৰিকালে চাৰি থালি মাজে ঘিউৰ বাতি
ৰামচন্দ্ৰই শ্ৰাদ্ধ কৰে হাজাৰ মানুহ মাতি।"[২৫]

দৰা নোওৱাৰ পাছত-আয়তীসকলে মুৰত চাউল দি উৰুলি দিয়াৰ লগে লগে দৰাক আৰ্শীবাদ দিয়া নাম গায় ঃ

২৩। কেশদা মহন্ত ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ ৩৩৮ দ্ৰষ্টব্য।
২৪। উক্ত গ্ৰন্থ, পৃ ৩৩৯ দ্ৰষ্টব্য
২৫। জ্ঞানদা দেৱী ঃ নামতী বা বিয়াৰ নাম, পৃ ২৫

আশীৰ্বাদ কৰিও বা ৰামৰ মূৰত ধৰিওক।
অবিলম্বে চলিয়োক।।
আন্তৰিব গমণে যেন শান্ত পবনে।
সীতাক কৌতুক মনে পাবা গৈয়া দৰিশনে।।
অঙ্গদত যত ভয় শুনা জ্ঞাতি সমন্তয়।
এৰিও সংশয় ভয় ডাকি বোলা জয় জয়।।[২৬]

অসমৰ পশ্চিমাঞ্চল গোৱালপাৰা জিলাৰ নামতীসকলেও ৰামকথামূলক বিযানাম বিবাহ অনুষ্ঠানত গায়, যেনে ঃ

দিহা ঃ
ধনুক ভাঙাইলা হে ৰাম
জনক ৰাজা হে ৰাম
সীতাক কৰিব দান।

পদ ঃ
ধনুবান দেখেয়া দিল জনক ৰাজেশ্বৰ।
আগমন কৰিলা ৰাম গদাধৰ।।
সভাতে উঠিয়া ৰাম প্ৰণাম কৰিল।
প্ৰণাম কৰিয়া ৰামধেনুৰ ঘৰে গেল।।[২৭]

আকৌ,

আইৰ সীতাৰ কপালতে মাণিকৰে জেঠী।
অযোধ্যাৰ ৰাম আহি ধনু ভাঙাইল আজি।।
কইনাৰ ঘৰৰ বাপৰ ভাই সবে ৰইল চাই।
ৰামচন্দ্ৰ ধনু ভাঙি সীতাক লৈয়া যায়।
সীতাদেবী পাটীত বহি মনে মনে গুণে।
অযোধ্যাৰ ৰাম আহি কাণ পাতি শুণে।।[২৮]

অসমীয়া সমাজত বিবাহ অনুষ্ঠানৰ বাহিৰেও উপনয়ন, ছোৱালী পুষ্পিতা হোৱা বা নোৱাই তোলনী বিয়া আদি সংস্কাৰমূলক অনুষ্ঠানতো নামতী আয়তীসকলে ৰাম-সীতাক কেন্দ্ৰ কৰি নাম গোৱা হয়। মধ্য অসমৰ নগাওঁ জিলাৰ কোনো অঞ্চলত দেখা যায় নে পুষ্পিতা হোৱা ছোৱালীজনীক নোৱাই ধুৱাই সমাজৰ মাজত বহুৱাই কাণাই কোলাত লোৱাৰ পিছত লংকালৈ নিয়া হয়।[২৯]

২৬। উক্ত গ্ৰন্থ, পৃ ১৭
২৭। বীৰেন্দ্ৰ নাথ দত্ত ঃ গোৱালপৰীয়া লোকগীত সংগ্ৰহ, পৃ ১৮০
২৮। পূৰ্বোক্ত গ্ৰন্থ, পৃ ১৬৯
২৯। সংবাদদাত্ৰী ঃ শ্ৰীকণমাই বৰুৱা (৬৫) পুৰণবীয়া, ৯/৫/৯১ ইং

তিব্বত-বৰ্মী জনগোষ্ঠীৰ অন্তৰ্গত বড়োসকলৰ বিবাহ— অনুষ্ঠানতো প্ৰচলিত বিযানামত ৰামকথাৰ উল্লেখ পোৱা যায়।[৩০]

নিচুকনি গীত ঃ

অসমীয়া লোকজীৱনত ৰামকথাৰ প্ৰভাৱ নিচুকনি গীতৰ জৰিয়তে ব্যঞ্জিত হৈছে। উপজিয়েই এটি শিশুৱে মাক-আইতাকৰ মুখত ৰাম নামৰ উচ্চাৰণ শুনিবলৈ পায়। কুমলীয়া শিশুটোক নিচুকাবলৈ যি নিচুকনি গীত গোৱা হয় তাতো ৰাম-কাহিনীৰ উপাদান সংযোজিত হৈ থাকে।

ৰামে হাতত ধনু-শৰ লৈ পছ খেদি ফুৰা চিত্ৰৰ কল্পনা অকণিহঁতৰ কাৰণে অতি আকৰ্ষণীয, যেনে ঃ

কলীয়া তুলসীৰ তলে মৃগ পছ চৰে।
তাক দেখি ৰামচন্দ্ৰই শৰ-ধনু ধৰে।।
নধৰিবা শৰধনু ৰজাই দিছে হাক।
সুবৰ্ণৰ মালা আনি ৰৰিব তোমাক।।[৩১]

এইদৰে অসমীয়া সমাজত আই ধাইৰ কোলাত থকাৰ দিনৰেপৰা নিচুকনি গীতৰ যোগেদি অসমীয়া শিশুসকলে ৰামকথাৰ লগত পৰিচয় লাভ কৰিবলৈ সুবিধা লাভ কৰে।

তুলসী গীত ঃ

আহিন আৰু কাতি-মাহৰ সংক্ৰান্তিৰ দিনা কাতিবিহু পালন কৰা হয়। তুলসীৰ পূজাও এই বিহুৰ আনুষংগিক অনুষ্ঠান। তুলসীভেটি সাঁজি গধূলী সময়ত গৰখীয়া ল'ৰাবোৰে তুলসীৰ আগত বন্তি জ্বলাই নৈবেদ্য আগবঢাই নাম গায়। তুলসী পূজাৰ নামতো ৰামকথাৰ সমল নিহিত হৈ আছে। তুলসীৰ আগত গৰখীয়া ল'ৰাই গোৱা গীতত কিদৰে ৰামকথাৰ সমলে স্থান পাইছে তাৰ আভাস তলৰ গীতটোৰ পৰা পোৱা যায, যেনে ঃ

'তুলসীৰ গোৰে গোৰে মৃগ পছ চৰি ফুৰে।
তাকে মাৰিবাক লাগি ৰামে যতন কৰে।।
ৰাম গৈলা মৃগ মাৰিবা লক্ষ্মণ গৈলা লৰি।
লংকাৰ ৰাৱণে পাই সীতাক নিলা হৰি।।
মৰি গেল তুলসী সৰি গেল পাত।
গোৰখা ছলি নাম ধৰে উঠে জাত জাত।।

৩০। M M Brahma (ed) Folksongs of the Bodos, p 21
৩১। কেশদা মহন্ত: প্ৰাগুক্ত গ্ৰন্থ, পৃ ৩০৫

ৰামে ৰোৱে তুলসী লক্ষ্মণ ঢালে পানী।
সাৰ গোবৰ দিয়া আছে সীতা গোসানী।।[৩২]

শিৱ শিৱ গীত :

কামৰূপ জিলাৰ মহহো বা বাম্বলপিটা গীতৰ নিচিনাকৈ গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত প্ৰচলিত 'শিৱ শিৱ গীত'তো ৰাম-লক্ষ্মণ-সীতাৰ উল্লেখ পোৱা যায়। ব'হাগ বিহুৰ চাৰি দিন আগতে গাঁৱৰ গৰখীয়া ল'ৰাবিলাকে শিৱ গীত গাই ভোজভাতৰ সামগ্ৰী সংগ্ৰহ কৰে। এই উৎসৱৰ আন নাম 'গাঁওমাগা' উৎসৱ। শিৱ শিৱ গীতত মাধৱ কন্দলীৰ ৰামায়ণৰ সমলে কিদৰে স্থান পাইছে তাৰ সংকেত স্বৰূপে তলত এটি এই জাতীয় গীত দিয়া হ'ল, যেনে :

শিৱ শিৱ গীত

'অৰে আৰিয়া হাতীৰ কান্ধৰ চৰিয়া।
হাতীৰ কাণ দুলমূল কৰে,
লাফা বাইগান গাছত চৰে।
লাফা বাইগান চিতল পাত,
আমাৰ ৰাখাল খাই কৰকৰা ভাত।
কৰকৰা ভাত খাইৰে
হিন্দল তলত যাইৰে
হিন্দল তলি বাঘেৰ ভয়
বাঘায় বাঘিনীক কয়।
আৰে আৰে ৰাখাল ভাই
তোমাক গলিত কাই গাই?
ৰাম লক্ষ্মণ দুই ভাই
সীতা বৰ দুষ্ট পাই।
সীতাৰ খেতা জলে ভাসে
সৰ্বলোকে হাসে
শি শিৱ।।[৩৩]

মন্ত্ৰপুথিৰ পদ (charm)

অসমীয়া মন্ত্ৰ-সাহিত্যও ৰামকথাৰ উপাদানেৰে সমৃদ্ধ। ৰামায়ণী লোকসমল উদ্ধাৰত এই মন্ত্ৰবিলাকেও প্ৰচুৰ অৰিহণা যোগাব পাৰে। অসমীয়া লোকসমাজত

৩২। হেমন্তকুমাৰ শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ, পৃ ১০৫
৩৩। হেমন্তকুমাৰ শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ, পৃ ২৬০

বহুলভাৱে প্ৰচলিত কেবাখনো মন্ত্ৰপুথিত সন্নিবেশিত ৰামাযণী উপাদানৰ বিষযে তলত আলোচনা কৰা হ'ল।

'গু-কৰতি', 'চক্ৰকৰতি', 'বায়ু-কৰতি', 'জল-কৰতি', 'সুদৰ্শন চক্ৰ-কৰতি', 'শ্ৰীৰাম কৰতি', 'হনুমন্ত মন্ত্ৰ'- এই আটাইবোৰ মন্ত্ৰপুথি প্ৰধানকৈ ৰামাযণ কাহিনীৰ ভিত্তিত ৰচিত হৈছে। 'গু-কৰতি' পুথিত কিদৰে ৰামাযণৰ সমল ধ্বনিত হৈছে চোৱা যাওকঃ

'দ্বাপৰ যুগত ৰাম অৱতাৰ ভৈলা, এহি মন্ত্ৰ খনি উচ্চাৰিলা, ৰামৰ আজ্ঞা, লক্ষ্মণৰ আজ্ঞা, সীতাদেৱীৰ আজ্ঞা, বিভীষণৰ আজ্ঞা, হনুমন্তৰ আজ্ঞা-ৰাম গৈলা বৈকুণ্ঠে কলিযুগে ভৈলা।'[৩৪]

এইদৰে 'চক্ৰ-কৰতি', 'বায়ু-কৰতি' আদি মন্ত্ৰপুথিতো মাধৱ কন্দলীৰ ৰামায়ণৰ উপাদানে স্থান পাইছে। 'ৰাম-কৰতি' মন্ত্ৰপুথিৰ বিষয়-বস্তু 'ৰামাযণ'ৰ পৰা আধৃত হৈছে। এই পুথিত স্বয়ং ৰামচন্দ্ৰই বেজৰ ভূমিকাত অৱতীৰ্ণ হৈছে। জুয়ে পোৰা মন্ত্ৰতো ৰাম, লক্ষ্মণ, সীতা হনুমান, আৰু লংকাৰ বৰ্ণনা পোৱা যায়।

ওপৰত উল্লেখ কৰা বিভিন্ন মৌখিক-সাহিত্যৰ সংযুতিৰ মাজত মাধৱ কন্দলীৰ ৰামাযণৰ সৈতে সংযোজিত পাৰম্পৰিক প্ৰভাৱক মুঠেই নুই কৰিব নোৱাৰি।

পৰৱৰ্তী লিখিত সাহিত্যত মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ ঃ

অসমীযা ভাষাত এটি বিস্তৃত আৰু সমৃদ্ধিশালী লিখিত ৰামায়ণী সাহিত্য বৰ্তমান। এই ৰামায়ণী সাহিত্যৰ ভাণ্ডাৰ কাব্য, গদ্য আৰু নাট্য- কেউবিধ ৰচনাৰে পুষ্ট। ইয়াৰ ভিতৰত মাধৱ কন্দলীৰ পদ ৰামায়ণেই অগ্ৰগণ্য আৰু পৰৱৰ্তী যুগৰ বাটকটীয়া স্বৰূপ।

পদ-ৰামাযণৰ ভিতৰত মাধৱ কন্দলীৰ পিছতেই অনন্ত কন্দলীৰ ৰামায়ণ। ভক্ত কবি অনন্ত কন্দলীৰ ৰামায়ণ ৰচনাৰ অনুপ্ৰেৰণা আৰু আধাৰো আকৌ মাধৱ কন্দলীৰ 'ৰামায়ণে'ই। মাধৱ কন্দলীৰ ৰামায়ণতেই "ভাগৱত মিশলাই" শংকৰ প্ৰৱৰ্তিত নতুন ভাগৱতী বৈষ্ণৱ আদৰ্শৰ সাঁচত ঢালি লোৱা বাবে ইয়াক যথাৰ্থতে মাধৱ কন্দলীৰ 'ভাগৱতী সংস্কৰণ' আখ্যা দিয়া হৈছে। কবিয়ে তেওঁৰ ৰামায়ণ ৰচনাক এইদৰে কৈফিয়ৎ দিছে ঃ

'মাধৱ কন্দলী বিৰচিলা ৰামায়ণ।
তাক শুনি আমাৰ কৌতুক কৰে মন।।
ৰামৰ সামান্য সন্ত গুণ যথাৰত।
ভজনীয় গুণ যত নভৈল ৰেকত।।

৩৪। হৰিনাৰায়ণ দত্তবৰুৱা (সম্পা) ঃ বৰ-কৰতি, পৃ ৪

এতেকে যতন কৰোঁ ভকতিক পদে।
নুবুলিবা নিন্দা সদা শুনা সভাসদে।।[৩৫]

আকৌ,-

ৰামায়ণ কথা পদে নিবন্ধিলো
ভাগৱত মিশ্র কৰি।
হৰি কথা বিনে দাৰুণ কলিত
তৰিবে কেহো নপাৰি।।[৩৬]

উল্লিখিত কবিজনাৰ নিজা উক্তিৰ পৰা আমি এটা সিদ্ধান্তত উপনীত হ'ব পাৰে যে, ভজনীয় গুণ আৰোপ কৰি ৰামায়ণৰ বৈষ্ণৱ সংস্কৰণ এটি সৃষ্টি কৰিব খুজিলেও অনন্ত কন্দলীয়ে পূৰ্ব্ববৰ্তী ৰামায়ণী কবিজনাৰ প্ৰেৰণা আৰু প্ৰভাৱ সশ্ৰদ্ধভাৱে গ্ৰহণ কৰিছে। অনুবাদভংগীত বিভিন্ন পৰিবেশ সৃষ্টিৰ যোগেদি বিষয-বস্তু পৰিবেশনাত, চৰিত্ৰ সৃষ্টিত, সমসামযিক লৌকিক জীৱনক কাব্যত স্থান দিয়া, নৈসৰ্গিক সৌন্দৰ্য্য বৰ্ণনাদিত অনন্ত কন্দলীৰ ৰচনাত মাধৱ কন্দলীৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। কাব্যৰ মূল বাল্মীকি ৰামাযণৰ পৰা যিখিনি গ্ৰহণ কৰিছে, অনন্ত কন্দলীযেও সেইখিনিকেহে গ্ৰহণ কৰিছে। মাধৱ কন্দলীৰ ৰামাযণত নোহোৱা কোনো বাল্মীকিয উপাদান আমি অনন্ত কন্দলীৰ ৰামাযণত দেখা নাপাওঁ। কেৱল মূল বিষয-বস্তুৰ উপস্থাপনতে নহয় মাধৱ কন্দলী আৰু অনন্ত কন্দলীৰ পদৰ মাজতো পাৰ্থক্য অতি সামান্যহে। তলত দুফাঁকি পদৰ তুলনা কৰি দেখুৱা হ'ল ঃ

মাধৱ কন্দলী ঃ

প্ৰাসাদ উপৰে ৰাজা মাথা তুলি চাইল।
হৃদয নন্দন শ্ৰীৰামক ভেট পাইল।।[৩৭]

অনন্ত কন্দলী ঃ

প্ৰাসাদ উপৰে/বসি আছা ৰাজা/ৰঙ্গে মুণ্ড তুলি চাইলা।
হৃদয় নন্দন/প্ৰসন্ন বদন/ৰাঘৱক দেখা পাইলা।।[৩৮]

আকৌ মাধৱ কন্দলী ঃ

তোমাক ভকতি মনে ভৰত কুমাৰে।
তোমাৰেসে আজ্ঞা পালি অন্ন পান কৰে।।[৩৯]

৩৫। অনন্ত কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-১২-১৩
৩৬। অনন্ত কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ-৭৮০
৩৭। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ ১৫৩৩
৩৮। অনন্ত কন্দলী ঃ ৰামায়ণ,
৩৯। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ ১৫৪৯

অনন্ত কন্দলী ঃ

তোমাতেসে ভকত ভৰত মতিমান।
তোমাৰেসে আজ্ঞা ধৰি কৰে অন্ন পান।।[৪০]

এইদৰেই মাধৱ কন্দলীৰ ৰামায়ণে অনন্ত কন্দলীক বিষয়-বস্তু, পদৰ পংক্তিত অলংকিত অলংকাৰ আদি সকলোদিশতেই প্ৰভাবান্বিত কৰিছে।

মাধৱ কন্দলীৰ কাব্যকৃতিক 'কবিতা শাস্ত্ৰ' আখ্যা দি লোকসমাজত সুপ্ৰতিষ্ঠিত কৰি ৰখাৰ উদ্দেশ্যেৰে শংকৰদেৱে মাধৱদেৱৰ হতুৱাই আদিকাণ্ড ৰচনা কৰাই আৰু নিজে উত্তৰা-কাণ্ড ৰচনা কৰি তাৰ লগত যোগ দিছিল আৰু সেইদৰেই 'অপ্ৰমাদী পূৰ্ব কবি'ৰ প্ৰতি তেওঁৰ অকুণ্ঠ স্বীকৃতি তথা প্ৰভাৱৰ কথা সশ্ৰদ্ধভাৱে স্বীকাৰ কৰিছিল। বৈষ্ণৱ ধৰ্মৰ উগ্ৰপন্থী কবি অনন্ত কন্দলীৰ দৰেই একে আদৰ্শৰে অনুপ্ৰাণিত আন এখন পদ-ৰামায়ণ হ'ল শংকৰদেৱৰ কীৰ্ত্তন ঘোষাৰ আৰ্হিত সমূহীয়াকৈ গাব পৰা ৰূপত ৰচিত অনন্ত ঠাকুৰৰ 'শ্ৰীৰামকীৰ্তন'। 'শ্ৰীৰাম কীৰ্তন'খনি সংক্ষিপ্ত ৰামায়ণ। কলাপচন্দ দ্বিজে ৰামায়ণৰ সাৰ সংগ্ৰহ কৰি এখনি সংস্কৃত ৰামায়ণ ৰচনা কৰিছিল। তাৰ পৰা অসমীয়া পদলৈ ভাঙি শংকৰদেৱৰ কীৰ্তনৰ আৰ্হিত ঘোষাপদ আদিৰে ৰামকীৰ্তনখনি ৰচনা কৰা হৈছে। ইয়াত শংকৰদেৱৰ লেখা পূৰ্ণপ্ৰভাৱ পৰিছে তাক নক'লেও হ'ব। পূৰ্বসূৰী ৰামায়ণী কবিজনাৰ পৰোক্ষ প্ৰভাৱৰ কথাও নুই কৰিব নোৱাৰি।

দুৰ্গাবৰী ৰামায়ণ বা গীতি ৰামায়ণ ঃ

ৰামায়ণৰ কাহিনী আশ্ৰিত খণ্ড খণ্ড গীতৰ সমষ্টি দুৰ্গাবৰৰ গীতি ৰামায়ণেও অসমীয়া ৰামায়ণী সাহিত্যত বিশিষ্ট স্থান অধিকাৰ কৰি আছে। বাণীকান্ত কাকতিৰ ভাষাত "গীতি-ৰামায়ণ বাল্মীকিৰ মহাকাব্যৰ গাঁৱলীয়া তাণ্ডৱ মাথোন" আৰু মহেশ্বৰ নেওগৰ মতে "ইয়াক, বিশেষকৈ ইয়াৰ শেষাৰ্ধক, মাধৱ কন্দলীৰ পদ-ৰামায়ণৰ ওজা-পালি তাণ্ডৱণ বুলিলেহে বেছি ৰজিতা খাব যেন লাগে।[৪১] ওজা আৰু সংগীতজ্ঞ দুৰ্গাবৰে নিজ কল্পনাৰে জন-সমাজত প্ৰচলিত সমলৰাজিৰ লগত মাধৱ কন্দলীৰ ৰামায়ণৰ সমল সংযোজন কৰি ওজাপালি শৈলীত গীত-পদ গাই ফুৰিছিল আৰু এই গীত-পদৰ সমষ্টিয়েই গীতি ৰামায়ণ।[৪২]

৪০। অনন্ত কন্দলী ঃ ৰামায়ণ

৪১। মহেশ্বৰ নেওগ (সম্পা) ঃ দুৰ্গাবৰী গীতৰামায়ণ, ভূমিকা, পৃ ২০

৪২। বীৰেন্দ্ৰনাথ দত্ত ঃ অসমৰ ৰাম-কথা আৰু তাত কন্দলী ৰামায়ণৰ স্থান, (বিহলঙনি, সাহিত্য সংখ্যা), পৃ ১০

কথা-ৰামায়ণ ঃ

ৰামায়ণৰ বিষয়-বস্তু কথা বা গদ্যৰ মাজেদি পোনতে ৰূপ দিয়ে গোলাঘাটৰ অন্তৰ্গত দৈয়াং সত্ৰৰ অধিকাৰ ৰঘুনাথ মহন্তই। ৰঘুনাথৰ 'কথা-ৰামায়ণ'খন খৃষ্টীয় ১৮শ শতিকাৰ ১ম দশকত ৰচিত। উল্লেখযোগ্য যে ৰঘুনাথ মহন্তৰ আগতে কোনো ভাৰতীয় সাহিত্যত গদ্যত ৰামায়ণ ৰচিত হোৱা বুলি শুনা নাযায়।[৪৩] এতিয়ালৈকে ৰঘুনাথ মহন্তৰ দ্বাৰা ৰচিত ৰামায়ণৰ আদি, অযোধ্যা আৰু অৰণ্যকাণ্ডহে পোৱা গৈছে। বিষয়বস্তু গ্ৰহণত এওঁ মাধৱ কন্দলীৰ ৰামায়ণৰ ওপৰত নিৰ্ভৰ কৰিছে।

এইবোৰৰ বাহিৰেও ৰামায়ণৰ বিষয়বস্তুক কেন্দ্ৰ কৰি পৰৱৰ্তী অসমীয়া ৰামায়ণী সাহিত্যত কিছুমান কাব্য ৰচিত হৈছিল যাক 'ৰামায়ণী কাব্য' বুলি আখ্যা দিব পাৰি। তাৰ ভিতৰত উল্লেখযোগ্য ৰঘুনাথ দ্বিজ আৰু লক্ষ্মীৰাম দ্বিজৰ 'অযোধ্যাকাণ্ড' শ্ৰীনাথ দ্বিজ, ৰঘুনাথ দ্বিজ আৰু দেৱীনন্দৰ 'কিস্কিন্ধাকাণ্ড', ৰুদ্ৰৰাম শৰ্মাৰ 'অৰণ্য-কাণ্ড', গংগাৰাম বা গংপাগতি দাসৰ 'সীতাৰ বনবাস' আৰু 'সীতাৰ পাতাল প্ৰৱেশ' আৰু ভৱনীনাথ দ্বিজৰ 'শ্ৰীৰামচন্দ্ৰ আভিষেক' ইত্যাদি। এইবোৰতো মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ প্ৰত্যেক্ষ প্ৰভাৱ নাথাকিলেও পৰোক্ষ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি।

অসমৰ বিভিন্ন জনজাতি সকলৰ মৌখিক আৰু লিখিত পৰম্পৰাত ৰামকথাৰ প্ৰচলন দেখা যায়। 'ছাবিন-আলুন' কাৰবি জনজাতীয় ভাষাত ৰচিত কাৰবী ৰামায়ণ। এটি দীঘলীয়া কাহিনী গীতৰ ৰূপত ৰচিত 'ৰামায়ণ'ৰ এই কাৰবি তাণ্ডৰণৰ মূল কাহিনীৰ লগত কাৰবি জনজাতীয় বৈশিষ্ট্যযুক্ত উপাদান আৰু উপকাহিনী সন্নিবিষ্ট কৰা হৈছে। যিহেতু কাৰবিসকলৰ বাসভূমি মাধৱ কন্দলী যে ৰামায়ণ ৰচনা কৰা অঞ্চলৰ লগত সংলগ্ন, সেই কাৰণে এনে অনুমান কৰাটো অসংগত নহয় যে কাৰবি ৰামায়ণ ৰচনাৰ অনুপ্ৰেৰণা মাধৱ কন্দলীৰ ৰামায়ণৰ পৰাই পোৱা গৈছিল। 'ছাবিন-আলুনৰ আলোচনা প্ৰসংগত ৰংবং তেৰাঙে সমীচীন মন্তব্য প্ৰকাশ কৰিছে ঃ 'সদ্যহতে প্ৰকাশ পোৱা ৰামায়ণ পুথিখন কন্দলীৰ ৰামায়ণৰ আক্ষৰিক অনুবাদো নহয় অথবা কাহিনী বিন্যাসৰ বেলিকাও ৰামায়ণৰ আধাৰত নহয়। ছাবিনৰ গীতত মাধৱ কন্দলীৰ ছাঁটোহে অনুভৱ কৰিব পাৰি'।[৪৪] লালুং সমাজত প্ৰচলিত জনশ্ৰুতিমূলক আখ্যানৰ পৰাও লাংলু জনগোষ্ঠীৰ মাজত পৰম্পৰাগত ৰাম-কথাৰ প্ৰভাৱৰ কথা জানিব পৰা যায়।[৪৫] এই আখ্যান ভাগত মাধৱ কন্দলী 'ৰামায়ণ'ৰ প্ৰতিধ্বনি ধ্বনিত হোৱা দেখা যায়।

অসমীয়া লোক-সমাজত মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ বিষয়-বস্তুৰ প্ৰভাৱ বাচিক

৪৩। হেমন্ত কুমাৰ শৰ্মা ঃ ৰামায়ণী সাহিত্য, অসমীয়া সাহিত্যতত দৃষ্টিপাত, পৃ ১৫৭

৪৪। ৰংবং তেৰাং ঃ কাৰবি ৰামায়ণত মাধৱ কন্দলীৰ প্ৰভাৱ, (বিহুলঙনি, সাহিত্য সংখ্যা), পৃ ১১০

৪৫। ইদ্ৰিছ আলি ঃ লালুং ৰামায়ণৰ পম খেদি (আলোক, বসন্ত সংখ্যা), পৃ ২৫

কলা আৰু লিখিত পৰম্পৰাতেই সীমিত নহয়, কাৰণ ইয়াৰ বাহক স্বৰূপে কেইটিমান জনপ্ৰিয় লোক-নৃত্যানুষ্ঠানেও, সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। এই লোক-নৃত্যানুষ্ঠান অথবা আনুষ্ঠেয় কলাসমূহৰ ভিতৰত ওজাপালি, পুতলা নাচ, খুলীয়া ভাওনা, খুলীয়া ভাউৰীয়া, কুশান গান, ভাৰীগান আদিলৈও আঙুলিয়াব পাৰি।

গ) আনুষ্ঠেয় কলা ঃ

(ক) ওজাপালি ঃ

ধৰ্মীয়, সামাজিক আৰু নান্দনিক বিভিন্ন দিশত তাৎপৰ্য্যপূৰ্ণ স্থান লাভ কৰি অহা পৰিবেশ্য কলা ওজাপালি সৰ্বভাৰতীয় কথকতা আৰু প্ৰাগজ্যোতিষ কামৰূপৰ সংগীত পৰম্পৰাৰ বিশিষ্ট ধাৰক আৰু বাহক। শাস্ত্ৰীয় অথবা মাৰ্গীয় সংগীত আৰু দেশী বা থলুৱা লোক-সংগীতৰ সুসমন্বয়ত সৃষ্টি হোৱা এইবিধ লোকনাট্যনুষ্ঠানৰ প্ৰভাৱ লোক-সমাজৰ ওপৰত অতিকে ব্যাপক। সামাজিক ব্যাপাৰৰূপে এইবিধ পৰিবেশ্য কলাই বিভিন্ন সাধুকথাৰ সৃষ্টি কৰে, বেলাড বা কাহিনী গীতৰ ধাৰকৰূপে প্ৰকাৰ্য্য সাধন কৰে, প্ৰবাদ, প্ৰবচন, ফকৰা-যোজনা (যোজোনা) সাঁথৰ দিষ্টান আদি আবৃত্তি কৰে। সৃষ্টিমূলক মিথ বা মালিতা আদি বৰ্ণনৰ উপযুক্ত প্ৰসংগ ৰূপেও ওজাপালিৰ আনুষ্ঠেয কলা-ৰীতিৰ ভূমিকা মুঠেই অস্বীকাৰ কৰিব নোৱাৰি।[৪৬]

ওজাপালিক গেয বিষয়-বস্তু অনুসৰি ভাগ কৰা হয়। যি ওজাপালিযে 'ৰামাযণ', 'মহাভাৰত' আৰু 'পুৰাণ'ৰ বিষয-বস্তু সম্বলিত গীত-পদ আবৃত্তি কৰে সেই ওজাপালিক মহাকাব্য আশ্ৰযী ওজাপালি আখ্যা দিব পাৰি। ৰামায়ণ সংগীত বা 'ৰামাযণ' গোৱা ওজাপালি বা ৰামায়ণ ওজাপালি এইবিধৰ অন্তৰ্গত। যি মহাকাব্য আশ্ৰযী ওজাপালিয়ে ব্যাসদেৱ কৃত 'মহাভাৰত' আৰু 'পুৰাণ'ৰ পৰা গীত-পদ (অসমীযা ভাঙনি) আবৃত্তি কৰে সেইবিধ ওজাপালিক ব্যাস ওজাপালি বা বিয়াহৰ ওজাপালি বোলে। বিভিন্ন সভাত এইবিধ ওজাপালিয়ে নৃত্য-অভিনয়-সহ গীত-পদ পৰিবেশন কৰে বাবে ইয়াৰ আন নাম সভাগোৱা ওজাপালি।

যি ওজাপালিয়ে ৰামায়ণ পৰম্পৰাই সামৰি লোৱা বিষয়-বস্তু সম্বলিত গীত-পদ আবৃত্তি কৰে, সেই ওজাপালিক ৰামাযণ গোৱা ওজাপালি অথবা 'ৰায়মন ওজাপালি' আখ্যা দিয়া হয়। স্বৰূপাৰ্থত ৰামায়ণ গীত গোৱা বিয়াহৰ ওজাপালিয়েই ৰায়মন ওজাপালি। এইবিধ ওজাপালিয়ে মাধৱ কন্দলী আৰু অনন্ত কন্দলীৰ 'ৰামায়ণ', দুৰ্গাবৰ কায়স্থৰ 'গীতি-ৰামায়ণ', ৰঘুনাথ মহন্তৰ 'অদ্ভুত ৰামায়ণ' আদিৰ পৰা গীত-পদ আবৃত্তি কৰে।

নাটকীয় উপাদান অৰ্থাৎ ভাৱৰ ওপৰত যি ওজাপালিয়ে বিশেষভাৱে গুৰুত্ব

৪৬। নবীন চন্দ্ৰ শৰ্মা ঃ অসমৰ ওজাপালি, পৃ ০৮

আৰোপ কৰে সেই ওজাপালিক সাধাৰণতে ভাউৰা বা ভাউৰীয়া ওজাপালি অথবা চমুকৈ ভাইৰা বোলে। উত্তৰ কামৰূপৰ ৰামায়ণ গোৱা ওজাপালিয়ে হাস্যৰস প্ৰধান নাটকীয় অভিনয়ৰ ওপৰত বিশেষভাৱে প্ৰাধান্য আৰোপ কৰে। এইবিধ ৰামায়ণ গোৱা বা ৰায়মন ওজাপালিৰ নামেই ভাইৰা। কামৰূপত এইবিধ ওজাক ওজা নুবুলি (ভাৱৰীযা) বোলা হয়। গীত-পদ আবৃত্তিৰ সময়ত কথা প্ৰসংগত ভাইৰাই ৰাম, লক্ষ্মণ, সীতা, হনুমান, ৰাৱণ আদি চৰিত্ৰৰ ভাও দেখুৱায়।

ৰাযমন ওজাপালি বা ৰামায়ণ গোৱা ওজাপালিয়ে পোন-প্ৰথমতে যি বন্দনা আবৃত্তি কৰে সেই বন্দনা গীততো ৰামায়ণ কাহিনীৰে প্ৰতিচ্ছবি দেখা যায়। মূল বন্দনাৰ আগতে এই বন্দনা গোৱা হয যাক দিগাৰ বা ৰাগ টনা বুলিও কোৱা হয। তলত তেনে এটি বন্দনাৰ উদ্ধৃতি দাঙি ধৰা হ'ল ঃ

অযোধ্যাৰ পতি ৰাম নৱ দুৰ্বাদল শ্যাম।
প্ৰণাম কৰো কৌশল্যা নন্দন।।
আদিকাণ্ডে ৰামৰ জন্ম সীতাদেৱীৰ বিযা।
ৰাম গৈলা বনবাসে ভৰতক ৰাজ্য দিযা।।
অযোধ্যা কাণ্ডতে দশৰথৰ মৰণ।
প্ৰেতকৰ্ম কৰিলা ভৰত শত্ৰুঘ্ন।।
অৰণ্যকাণ্ডত সীতাক ৰাৱণে নিলা হৰি।
কিষ্কিন্ধ্যাকাণ্ডত ৰামে মিত্ৰতা কৰিলা।।
সুন্দৰা কাণ্ডতে সাগৰ বান্ধিলা।
ৰাৱণৰ লগত ৰামে যুদ্ধ কৰিলা।।
লংকাকাণ্ডতে ৰাম সাগৰ বান্ধিলা।
ৰাম বান্দৰে মিলি সীতাক উদ্ধাৰিলা।।
পাতাল কাণ্ডতে সীতা পাতালে পশিলা।
কহয় মাধৱ দাসে সপ্তকাণ্ড সুমৰিলা।।[৪৭]

(খ) ঢুলীয়াৰ চং ঃ

নামনি অসমৰ অবিভক্ত কামৰূপ, গোৱালপাৰা, দৰং জিলাত প্ৰচলিত ঢুলীয়াৰ দলেও ঢোলৰ বাদ্য প্ৰদৰ্শনৰ লগে লগে বিভিন্ন ধৰণৰ চং বা নাট্যানুষ্ঠান পৰিবেশন কৰে। দৰং জিলাৰ প্ৰদৰ্শিত ঢুলীয়া চঙৰ আৰম্ভণিতে ৰামাযণ কাহিনী বিশিষ্ট গীতে গায়, যেনে ঃ

দিহা- 'অ' ৰাম কি হৰি জয় বাজে বাজনা।

৪৭। সংবাদদাতা ঃ প্ৰতাপ বেজবৰুৱা (৪৫), জাম্ৰা, তাং ২৩/৫/৯০ ইং

সৰ্ব ধৰ্ম শিৰোমণি তুৱা গুণ নাম।।
পদ- শ্ৰীৰাম ৰূপে কৌশল্যাত অৱতৰি।
বনবাস খপিলা পিতৃ বাক্য ধৰি।।
লংকাত পশিলা সাগৰত সেতু বান্ধি।
বান্ধিলা সাগৰ সীতা হৰমৰ হেতু।।[৪৮]

(গ) পুতলা নাচ :

অসমৰ প্ৰাচীনতম দৃশ্য-শ্ৰব্য কলা-শৈলী সমূহৰ ভিতৰত পুতলা নাচ অন্যতম। অসমৰ বিভিন্ন অঞ্চলত এতিয়া সক্ৰিয় হৈ থকা পৰম্পৰাগত পুতলা নাচৰ দল বিলাকৰ প্ৰায়বোৰ অনুষ্ঠানৰ মূল বিষয়-বস্তু মাধৱ কন্দলীৰ ৰামায়ণৰ কাহিনী। ৰামাযণৰ বিষয়-বস্তুৰে পুতলা নাচৰ যিমানবোৰ অভিনয় দেখা যায় তাৰ তুলনাত অন্যান্য মহাভাৰত পুৰাণৰ বিষয়-বস্তু কমেই দেখা যায়। পুতলা নাচৰ কাৰিকৰী কৌশল, অভিনয় প্ৰদৰ্শন আৰু পুতলাৰ সংখ্যা আদিৰ ফালৰপৰা ৰামায়ণৰ কাহিনী প্ৰদৰ্শন কৰা সহজ আৰু সুবিধাজনক। ৰামায়ণৰ কাহিনীৰ জনপ্ৰিয়তাকো পুতলানাচৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হয়। তদুপৰি পৰম্পৰাগতভাৱে পুতলা নাচত ৰামায়ণৰ কাহিনীকেই প্ৰদৰ্শন কৰি অহা হৈছে।[৪৯] সীতা স্বয়ম্বৰ, সীতা হৰণ, ৰাৱণ বধ, সীতাৰ বনবাস আদি মাধৱ কন্দলীৰ ৰামায়ণৰ বিষয়-বস্তু সম্বলিত কাহিনীয়েই পুতলানাচ অনুষ্ঠানৰ প্ৰধান আধেয়।

(ঘ) খুলীয়া ভাউৰীয়া :

খুলাযী ভাউৰীয়া দৰং আৰু কামৰূপ অঞ্চলৰ আন এটি নাট্যধৰ্মী অনুষ্ঠান। একোটি খুলীয়া দলত কেবাজনো মানুহ থাকে। তেওঁলোকৰ মূলজনক ওজা বোলা হয়। দলটোৰ আন লোকসকলৰ ভিতৰত আছে এজন বায়ন, কেইজনমান খুলীয়া, দুজনমান তালী আৰু কেইজনমান ভাৱৰীয়া। নৃত্য আৰু অভিনয় এই অনুষ্ঠানৰ প্ৰধান অংগ। ৰামায়ণ আৰু মহাভাৰতৰ আখ্যানৰ ভেটিত লিখা একোখন গীতি-নাট্য ইয়াত অভিনীত হয়। অভিনয় আৰম্ভ হোৱাৰ পূৰ্বে খুলীয়া কেইজনে বিভিন্ন ভংগীৰে নাচি নাচি খোল বজায়। খোল-তালৰ বাজনাৰ অন্তত ওজাই বন্দনা গায় আৰু নাটত থকা চৰিত্ৰসমূহৰ এটি আভাস গীত-পদ আৰু নাচৰ জৰিয়তে দাঙি ধৰে। দিহা, পদ আৰু ভাৱৰীয়াৰ বচনৰ মাজেদি নাট আগবাঢ়ে। ওজাই দিহা আৰু পদ গায়। ঘটনা

৪৮। সংবাদদাতা : ললিত চন্দ্ৰ নাথ (৫৫), টুপাপাৰা, হিপাৰাৰ, তাং ৫/৭/৯১ ইং
৪৯। সংবাদদাতা : হৰিকান্ত বৰ্মণ (৮৫) মইহুলি, নলবাৰী, ১২/৫/৮৫ (শ্ৰীবৰ্মণ পুতলানাচৰ এজন সক্ৰিয় উদ্যোক্তা আৰু বাহক)।

প্ৰবাহৰ মাজে মাজে হাস্যৰসাত্মক আৰু ব্যংগাত্মক পৰিস্থিতিও উপস্থাপন কৰা হয়। মূল নাটৰ লগত এনে পৰিস্থিতিৰ অংগাংগী সম্পৰ্ক নাই। এইদৰেই মাধৱ কন্দলীৰ ৰামায়ণৰ উপাদানে খুলীয়া ভাউৰীয়াৰ জৰিযতে জনপ্ৰিয়তা লাভ কৰিছে।

(ঙ) ভাওনা অনুষ্ঠান ঃ

শংকৰ-মাধৱৰ দ্বাৰা প্ৰবৰ্তিত অংকীয়া নাটৰ ভাৱনাৰ পৰাই সৃষ্টি হৈছে আন এটা নাট্যধৰ্মী অনুষ্ঠান ভাওনাৰ। অংকীয়া ভাওনাৰ গুৰু-গম্ভীৰ পৰিবেশ হ্ৰাস পাই লোকপ্ৰিয় উপাদান অধিক পৰিমাণে সংযুক্ত হোৱাৰ ফলতেই এই অনুষ্ঠানৰ জন্ম হৈছিল বুলি অনুমান কৰিব পাৰি। 'ৰাম বিজয' পৰা আৰম্ভ কৰি বহু নাটকে এই ৰীতিত লোক-সমাজত ৰাম-কথাৰ প্ৰচাৰ কৰি আহিছে।

বৈষ্ণৱোত্তৰ যুগত সত্ৰবিলাকতো প্ৰচুৰ পৰিমাণে নাট ৰচিত হৈছিল, যিবিলাকৰ কাহিনী মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ বিষয-বস্তুৰ আলমত সৃষ্টি হৈছে। ৰামাযণৰ বিষয-বস্তুৰ ভিত্তিত ৰচিত হোৱা নাটকৰ উদাহৰণ স্বৰূপে তলত এনেধৰণৰ কেইখনমান নাটৰ নামোল্লেখ কৰা হ'ল ঃ ৰামযাত্ৰা (মাধৱদেৱ) সীতাহৰণ (দত্তদেৱ গোস্বামী, ভদ্ৰদেৱ, নিৰঞ্জন অধিকাৰ, লক্ষ্মীনাথ পূজাৰী, পদ্মকান্ত দেৱগোস্বামী), তাৰকাসুৰ বধ (হেমচন্দ্ৰ গোস্বামী), ৰাৱণ বধ (কমলাবাৰী সত্ৰত প্ৰাপ্ত, লক্ষ্মীদেৱ, গোপাল চন্দ্ৰ দেৱ, তীখৰ চন্দ্ৰ দেৱ), ইন্দ্ৰজিৎ বধ, তৰণীসেন বধ, অঙ্গদ ৰাযবৰ (কমলাবাৰী সত্ৰত প্ৰাপ্ত), বালীবধ (ভৱকান্ত দেৱ, বিশ্বম্ভৰ দেৱ, শিৱচন্দ্ৰ ডেকা অধিকাৰ, তীখৰচন্দ্ৰ দেৱ), ৰামজন্ম (কৈৱল্যানন্দদেৱ), মাৰীচ বধ (নিত্যানন্দ) সীতা-বনবাস (মুহিচন্দ্ৰ আতা), ৰাৱণ দিগ্‌বিজয (চন্দ্ৰ খাটনীয়াৰ), শ্ৰীৰামচন্দ্ৰৰ বনবাস (গৌৰীকান্ত দেৱগোস্বামী), হনুমান যাত্ৰা (বসুকৃষ্ণ দেৱ), ৰামৰ বনবাস (তীখৰচন্দ্ৰ দেৱ) ইত্যাদি।[৫০]

উল্লিখিত নাটবোৰৰ উপৰিও মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ বিষয়-বস্তুৰ ভিত্তিত প্ৰণীত বিভিন্ন নাট উজনি অসমৰ বিভিন্ন অঞ্চলত প্ৰচলিত ভাওনা পৰম্পৰাত এতিয়াও মঞ্চস্থ কৰা দেখা যায়। শোণিতপুৰ জিলাৰ জামুগুৰি হাটত অনুষ্ঠিত বাৰেচহৰীয়া ভাওনা, নগাঁও জিলাৰ কলিয়াবৰ অঞ্চলত প্ৰচলিত হেজাৰী ভাওনা অনুষংগত এনে ৰামায়ণ ভিত্তিক নাট বৰ্তমানো অভিনীত হয়। যোৰহাট জিলাৰ আঠিলাগাঁৱত আজি কেইবা বছৰো বাৰ্ষিকভাৱে অনুষ্ঠিত হৈ অহা সদৌ অসম ভিত্তিত পতা ভাওনা প্ৰতিযোগিতাত এনে ৰামায়ণ ভিত্তিক নাটৰ ভাওনা প্ৰদৰ্শনৰ সম্ভেদ পোৱা গৈছে।

(চ) কুশান গান ঃ

৫০। অতুল চন্দ্ৰ হাজৰীকা ঃ মঞ্চলেখা, ১ম খণ্ড, চতুৰ্থ অধ্যায়, পৃ ৮১-৮৬

গোৱালপাৰা জিলাত প্ৰচলিত লোক-নাট্যনুষ্ঠানসমূহেও অসমৰ লোক-সংস্কৃতিত এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। নৃত্য, গীত, সংলাপ আৰু অভিনয়ৰে পুষ্ট অত্যন্ত জনপ্ৰিয় এই নাট্যানুষ্ঠানত এতিয়া পৌৰণিক বিভিন্ন কাহিনী পৰিবেশিত হয় যদিও মূলতে সম্ভৱতঃ ৰামায়ণৰ কাহিনীয়েই ইয়াৰ উপজীব্য আছিল। কুশান আখ্যাটো ৰামায়ণৰ 'লৱ-কুশ'ৰ পৰা অহা বুলি বিশ্বাস কৰা হয় আৰু সেই দিশৰপৰা ৰাম-কথাৰ লগত ইয়াৰ সম্পৰ্ক স্পষ্ট। অনুষ্ঠানটোৰ কোনো কোনো অঞ্চলত 'ৰাবান গান' বুলি এটা বিকল্প নাম আছে। 'ৰাবান' ৰামায়ণ শব্দৰেই বিকৃত ৰূপ। এই কথাই কুশান গানৰ লগত ৰাম-কথাৰ সংযোগৰ যুক্তি দৃঢ় কৰে।[৫১]

(ছ) ভাৰী গান :

ভাৰী গান গোৱালপাৰাৰ আৰু বিশেষকৈ দক্ষিণ গোৱালপাৰাৰ এটা উল্লেখযোগ্য অনুষ্ঠান। ভাৰীগানক কোনো কোনোৱে ভাওগান বুলিও কোৱা শুনা যায়। সেইফালৰপৰা ভাৰী শব্দ ভাৱৰীয়া শব্দৰেই বিকৃত ৰূপ বুলি ভাবিব পাৰি। ইয়াত এজন প্ৰধান গায়ক অৰ্থাৎ মূল আৰু এদল পালি থাকে। কিন্তু ইয়াত মূলৰ হাতত বেনা অথবা দোতৰাৰ পৰিবৰ্তে থাকে এডাল চোৱৰ। হাতত চোঁৱৰ লৈ নাচি নাচি মূলে গীত গাই যায় আৰু পালিসকলে একে ঠাইতে থিয় হৈ খোল, তাল বজাই তেওঁৰ সৈতে সহযোগ কৰে। দোতৰা গানৰ বিপৰীতে ভাৰীগানত অংগ-ভংগীৰ স্থান আছে। কিন্তু সংলাপৰ ব্যৱহাৰ প্ৰায় নাই বুলিয়েই ক'ব পাৰি।[৫২]

ভাৰী গানত ৰামায়ণৰ কাহিনীয়েই সাধাৰণতে উপস্থাপিত হয়। চৰিত্ৰসমূহে ব্যৱহাৰ কৰা মুখা অনুষ্ঠানটোৰ প্ৰধান আকৰ্ষণ। কেন্দ্ৰীয় চৰিত্ৰ ৰাম আৰু সীতাৰ বাহিৰে ৰাৱণ, হনুমান প্ৰমুখ্যে সৰহভাগ চৰিত্ৰই মুখা ব্যৱহাৰ কৰে। কাঠেৰে নিৰ্মিত এই মুখা পিন্ধিয়েই চৰিত্ৰসমূহে মঞ্চত প্ৰৱেশ কৰে। ৰাম, লক্ষ্মণ আৰু ৰাৱণে যুদ্ধত অস্ত্ৰ হিচাপে হাতত ধনু-কাঁড় লয়, আনকি কাঠৰ বন্দুকৰ ব্যৱহাৰো দেখা যায়। বান্দৰৰ পিঠিত উঠি ৰাম-লক্ষ্মণে যুদ্ধৰ ভংগী প্ৰদৰ্শন কৰে। এই অনুষ্ঠানৰ শিল্পীসকলৰ সৰহভাগেই পাতি ৰাভা জনজাতীয় গোষ্ঠীৰ লোক।

ভাস্কৰ্য্য আৰু চিত্ৰশিল্পত কন্দলী ৰামায়ণৰ প্ৰভাৱ :

মাধৱ কন্দলীৰ অপূৰ্ব সৃষ্টি ৰামায়ণে কেৱল লিখিত সাহিত্যৰ বাটকটীয়া হৈ বা অসমৰ পৰম্পৰাগত দৃশ্য-শ্ৰব্য কলাশৈলীৰ যোগেদিয়েই বিস্তৃতি লাভ কৰা নাই চতুৰ্দশ শতিকাৰ পাছত অসমৰ বিভিন্ন ঠাইত সৃষ্টি হোৱা ভাস্কৰ্য্য তথা চিত্ৰশিল্প আৰু

৫১। বীৰেন্দ্ৰনাথ দত্ত : পূৰ্বোক্ত প্ৰবন্ধ, পৃ ১৪

৫২। শৈলেন ভৰালী : অসমীয়া লোক-নাট্য পৰম্পৰা, পৃ ৮২

লোককলাৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰি আহিছে। যদিও অসমৰ বিভিন্ন ঠাইত প্ৰতিষ্ঠিত মঠ-মন্দিৰ আদিত বিষ্ণু আৰু শৈৱ ধৰ্মৰ ফলত সৃষ্টি হোৱা বিভিন্ন মূৰ্ত্তি, কাঠত খোদিত নানান ভাস্কৰ্য্য আদি পোৱা যায়, তথাপি এইবোৰৰ মাজতো ৰাম-কথাৰ পৰম্পৰা বহন কৰা সমল ঠায়ে ঠায়ে পোৱা গৈছে।

গোলাঘাট জিলাৰ নুমলীগড়ত অৱস্থিত দেওপাহাৰত পাঁচখন ৰামায়ণৰ চৰিত্ৰৰ চিত্ৰ পোৱা গৈছে। চিত্ৰখনিত দেখা গৈছে ৰাম আৰু লক্ষ্মণ বহি আছে, সুগ্ৰীৱ ৰামৰ ওচৰত আঁঠুকাঢি শৰণাগত হৈ আছে। হনুমানে হাতযোৰ কৰি আন এটি বান্দৰৰ সৈতে উপৰি উক্ত দৃশ্য লক্ষ্য কৰি আছে।[৫৩] আন এটি ৰামৰ মূৰ্তি (৩৪×৩৯চেঃমিঃ) নগাঁও জিলাৰ ডবকাৰ আনন্দাশ্ৰমত পোৱা গৈছে।[৫৪] ডিফুৰ দুৱজাম্বত আৰু এটি ৰামৰ মূৰ্তি উদ্ধাৰ হৈছে। ডবকা, ডিফু মাধৱ কন্দলীৰ জন্মস্থান বুলি অনুমান কৰা কন্দলী পাহাৰৰ ওচৰত অৱস্থিত। এইকালৰ পৰা এইবোৰ মাধৱ কন্দলীৰ সমসাময়িক সমাজত প্ৰচলিত ৰাম-কথাৰ পৰম্পৰাৰ প্ৰভাৱত সৃষ্টি হোৱাটো অসম্ভৱ নহয়। নগাঁও জিলাৰে হোজাইৰ আমতলত ৰাম, লক্ষ্মণ, সীতাৰ মূৰ্তি খোদিত শিল পোৱা গৈছে।

উত্তৰ গুৱাহাটীত অৱস্থিত অশ্বক্ৰান্ত মন্দিৰ যদিও বিষ্ণু মন্দিৰ হলেও মন্দিৰৰ বেৰত সম-পাদভংগীত খোদিত দুটা ৰামৰ মূৰ্তি দেখা যায়। দুয়োটা মূৰ্তিতে ৰামে হাতত ধনু-শৰ লৈ আছে আৰু আঠুলৈকে বস্ত্ৰ পিন্ধিছে। অসমৰ প্ৰায়বোৰ মঠ-মন্দিৰেই আহোম ৰজা ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ দ্বাৰা নতুনকৈ মেৰামতি কৰি সংৰক্ষণ কৰা হৈছে। সেয়েহে ওঠৰ শতিকাত সৃষ্টি হোৱা এইবোৰ ভাস্কৰ্য্য, চিত্ৰশিল্প মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱতে সৃষ্টি হোৱা সম্ভৱ। অশ্বক্ৰান্তৰ একে মন্দিৰৰ ভিতৰফালে বেৰত খোদিত এটি হনুমান মূৰ্তিও পোৱা গৈছে।

দৰং জিলাৰ খটৰা সত্ৰত ৰামায়ণী পৰম্পৰাৰ চিহ্ন পোৱা যায়। এই সত্ৰৰ মণিকূটত ৰাম, লক্ষ্মণ সীতা, লৱ-কুশ আৰু হনুমান মূৰ্তি দেখা যায়। কামৰূপ জিলাৰ গুৱালকুছিত অৱস্থিত ঈশ্বৰহাটী সত্ৰত নামঘৰৰ কাঠৰ বেৰত কাঠ কাটি অতি সুন্দৰভাৱে ৰামায়ণ কাহিনী প্ৰকাশক চিত্ৰসমূহ নিৰ্মাণ কৰা হৈছে। এইবোৰে পুৰণি অসমৰ ঐতিহ্যপূৰ্ণ লোককলাৰ স্বাক্ষৰ বহন কৰে। নগাঁও জিলাত অৱস্থিত বৰদোৱা বা বটদ্ৰৱা সত্ৰত সংৰক্ষিত কাঠত কটা মূৰ্তি সমূহৰ মাজত হনুমান আৰু গৰুড় পক্ষীৰ মূৰ্তি পোৱা যায়।

কামৰূপ জিলাৰ ৰামদিয়াত অৱস্থিত মালিদাপাৰত অৱস্থিত শ্ৰীশ্ৰীৰাম লক্ষ্মণ

৫৩। B K Barua A Cultural Hisotry of Assam p. 196

৫৪। N D Choudhury- Historical archaeology of Central Assam, p. 191

সত্ৰত কাঠত নিৰ্মিত ৰাম, লক্ষ্মণ, সীতা, হনুমান আৰু গৰুড় মূৰ্তি পোৱা যায়।[৫৫] এইবোৰে অতীত অসমৰ ৰামায়ণী প্ৰভাৱপুষ্ট লোককলাৰে পৰিচয় দিব পাৰে।

পুতলা নিৰ্মাণ পুৰণি অসমৰ লোককলাৰ অন্যতম এক দিশ। কাঠ, বাঁহ আৰু মাটিৰে পুৰণি অসমৰ প্ৰতিভাশালী শিল্পীসকলে সুন্দৰ সুন্দৰ পুতলা নিৰ্মাণ কৰিছিল। এই লোকশিল্পীসকলো কন্দলীৰ ৰামায়ণৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ৰাম, লক্ষ্মণ, সীতা, লৱ-কুশ, হনুমান, গৰুড়, ৰাৱণ, মাৰীচ আদি চৰিত্ৰসমূহৰ অনুকৰণত নিজৰ শিল্প নিৰ্মিতি গঢ়ি উলিয়াইছিল। পুৰণি অসমৰ লোকশিল্পীসকলে মুখা (mask) নিৰ্মাণতো দক্ষতাৰ পৰিচয় দিছে। পৰিৱেশ্য নাট্য-ধৰ্মী অনুষ্ঠানত ব্যৱহাৰ কৰিব পৰাকৈ ৰামায়ণৰ কাহিনীৰ চৰিত্ৰসমূহৰ পৰা বিশেষকৈ দশমুণ্ড ৰাৱণ, গৰুড়পক্ষী, জাম্বৱন্ত, হনুমান আদি আন আন বান্দৰবোৰৰ মুখা নিৰ্মাণ কৰা হৈছিল। এতিয়াও অসমৰ কিছুমান ঠাইৰ নামঘৰত কাঠ, বাঁহ বা মাটিৰে নিৰ্মিত ৰাৱণৰ দশমুণ্ড আৰু গৰুড়পক্ষীৰ মূৰ্তি সংৰক্ষণ কৰা দেখা যায়। এই সকলোবোৰেই অসমত প্ৰচলিত ৰাম-কথাৰ প্ৰসাৰিত পৰম্পৰাৰে প্ৰভাৱ।

চিত্ৰশিল্পৰ নিদৰ্শনো মাধৱ কন্দলীৰ ৰামায়ণৰ বিভিন্ন কাণ্ডত পোৱা যায়।

মাধৱ কন্দলীৰ সুন্দৰকাণ্ড ৰামায়ণ :

মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ সুন্দৰকাণ্ডৰ এটি পাঠ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুৰণি পুথিৰ সংৰক্ষণ বিভাগত পোৱা যায়। খুব সম্ভৱ এই পাঠটি শক বৰ্ষ ১৬৩৭ বা ১৭১৫ খৃষ্টাব্দত লিখিত। তুলাপাতত লিখিত অসম্পূৰ্ণ এই খণ্ডটি সত্ৰীয়া ৰীতিত (Sattriya style) লিখিত।[৫৬] মাধৱ কন্দলী কৃত লংকাকাণ্ডৰ সচিত্ৰ পাঠ এটি কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত হৈছে। এই কাণ্ডটিৰ চিত্ৰসমূহো সত্ৰীয়া শৈলীৰ আধাৰত প্ৰতিষ্ঠিত।[৫৭]

মাধৱ কন্দলীৰ 'লংকাকাণ্ড'ৰ আন এটি সচিত্ৰ প্ৰতিলিপি দৰং জিলাৰ দেৱানন্দ সত্ৰৰ অন্নদানন্দ গোস্বামীৰ ঘৰৰ ৰক্ষিত হৈছে। পুথিখন সাঁচিপাতত লিখা আৰু চিত্ৰবোৰো সাঁচিপাততে অংকিত। পুথিখনৰ প্ৰতিলিপিকৰণ আৰু চিত্ৰ অংকণ উভয় কৰ্মৰ সমাপ্তি ঘটিছিল ১৬২৮ শকৰ (১৬২৮+৭৮= ১৭০৬ খ্ৰীঃ চন) ৭ম বহাগত। প্ৰতিলিপিটোৰ প্ৰতিলিপিকাৰক আৰু চিত্ৰকৰ একেজনেই আছিল বুলি অনুমান কৰাৰ যুক্তি আছে। তেওঁৰ নাম কৃষ্ণানন্দ দেৱ শৰ্মা আৰু তেওঁৰ ঘৰ আছিল খেতমনাৰত।

৫৫। N.D Choudhury Op-cit, p 232

৫৬। Ibid., p 371

৫৭। Ibid., p 372

পুথিখনত ১৫টা ফলক আৰু ১৮৮ টা পৃষ্ঠা আছিল যদিও মাজৰ এটা পাত হেৰাইছে।[৫৮] লংকাকাণ্ডৰ পুথি চিত্ৰই সেই সময়ৰ অসমৰ লোক চিত্ৰৰ স্পষ্ট আভাস দিব পাৰে। পুথিখনৰ প্ৰতিটো পৃষ্ঠাই বিভিন্ন ধৰণৰ চিত্ৰৰে সমৃদ্ধ। এই চিত্ৰবোৰ আকৌ সেই পৃষ্ঠাটোৰ বিষয়বস্তুৰ ওপৰত প্ৰতিষ্ঠিত। চিত্ৰ অংকণৰ প্ৰসংগত চিত্ৰকৰে, ধল, হেংগুল, হৰিদ্ৰা, নীল, হৰিতাল, কাজল, মহী আদি ৰঙ যথোপযুক্তভাৱে ব্যৱহাৰ কৰিছে।[৫৯] পুথিখনৰ কেইটিমান পৃষ্ঠা বহুৰঙী লতা চিত্ৰৰ দ্বাৰা ঋদ্ধ। প্ৰায়বিলাক পৃষ্ঠাৰ নাভিৰন্ধ্ৰবোৰ বিভিন্ন ৰঙেৰে জাতিষ্কাৰ কৰা হৈছে। এইখিনি লংকাকাণ্ডৰ পুথি-চিত্ৰবোৰ বিশেষভাৱে ৰীতিবদ্ধ আৰু চাকচিক্যযুক্ত নহ'লেও চিত্ৰবোৰ আকৰ্ষণীয় আৰু সজীৱ। এই সন্দৰ্ভত নবীন চন্দ্ৰ শৰ্মাই সমীচীন মন্তব্য আগবঢাইছে ঃ

> "It is natural that the painting of this manuscript (i e , Lankakanda) cananot display elegance and sophistication of the highly stylized paintings, yet, it bears an exquisite freshness and sponteneity of conception and execution [৬০]

কৃষ্ণানন্দ দেৱশৰ্মাৰ দ্বাৰা লিপ্যন্তৰিত আৰু চিত্ৰ অংকিত 'লংকাকাণ্ড'ৰ চিত্ৰ দৰঙী লোক-চিত্ৰৰ অপূৰ্ব নিদৰ্শন মাথোন।

অসমীয়া পৰম্পৰাগত লোক-সমাজৰ জীৱনধাৰাৰ সকলো স্তৰতে শিপাই থকা মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ দৈনন্দিন জীৱনৰ আচাৰ-অনুষ্ঠানতো প্ৰতিফলিত হয়। মধ্য অসমৰ নগাঁ জিলাৰ কলিয়াবৰ অঞ্চলত 'ৰাঘৱ পঢোৱা' বুলি এটি ৰামায়ণ চৰ্চাৰ অনুষ্ঠান অনুষ্ঠিত হয়। গাঁৱৰ যিকোনো গৃহস্থীয়েই নিজৰ সাধ্য অনুযায়ী যা-যোগাৰ কৰি এদিন গাঁৱৰ ৰাইজ আৰু পাঠকক মাতি আনি ৰাঘৱ পুথি (ৰামায়ণ) পঢোৱাৰ ব্যৱস্থা কৰে। তেওঁলোকৰ বিশ্বাস যে এনেদৰে ৰাঘৱ পুথি আনি ঘৰত পাঠ কৰাব পাৰিলে গৃহস্থীৰ অপায় অমংগল দূৰ হয় আৰু সৰ্বতোপ্ৰকাৰ মংগল হয়। গোটেই ৰাতি পাঠকে ৰামায়ণৰ কাহিনী পঢি যায়, গাঁৱৰ ৰাইজে শুনে আৰু মাজে মাজে অৰ্থৰ ভাঙনি কৰি আনন্দ উপভোগ কৰে। ৰাঘৱ পুথিৰ ওপৰত অশিক্ষিত লোকসমাজৰ অগাধ বিশ্বাস।

এই সম্পৰ্কত এটি জনশ্ৰুতিও পোৱা যায়। এদিন এজন লোকে ৰাঘৱ পাঠ কৰাৰ বাবে ৰাঘৱপুথি আনিবলৈ যাওঁতে প্ৰবল বৰষুণে পালে। কিন্তু আচৰিত যে

৫৮। N C Sarma Folk Painting of the Lankakanda of Madhava Kandali in the Journal of the Assam Research Society, ed J N Phukan, Guwahati, 1989-90, pp 81-82

৫৯। Ibid , p 82

৬০। Ibid , p 83

ৰাঘৱ পুথি অনা মানুহজন অলপো বৰষুণত নিতিতাকৈ পুথিৰে সৈতে ঘৰ সোমালহি।[৬১] তদুপৰি গাঁৱৰ শিক্ষিত অশিক্ষিত সকলো লোকে ৰাঘৱ পুথিৰ ওপৰত এনে পবিত্ৰতা আৰোপ কৰে যে পুথিভাগ অশুচি গাৱে নুতুবা আবিয়ৈ ছোৱালীক (পুষ্পিতা হোৱা ছোৱালী) চুবলৈ দিয়া নহয়। এইদৰে ৰামায়ণ পৰম্পৰাত বিভিন্ন জনবিশ্বাসৰ সৃষ্টি আৰু বিকাশ হোৱা দেখা যায়।

অতীজৰে পৰা অসমত ৰামায়ণী পৰম্পৰাৰ প্ৰতিফলন ঘটে অসমৰ বিভিন্ন ঠাইত অৱস্থিত ৰামমন্দিৰ বা থানসমূহৰ পৰা। গোৱালপাৰা জিলাত অৱস্থিত ৰঘুনাথ প্ৰভুৰ থান, ৰংজুলিৰ শ্ৰীৰামচন্দ্ৰ থান, ৰঘুনাথ থান[৬২] মঙ্গলদৈ খটৰা সত্ৰৰ ৰঘুনাথ মন্দিৰ, গুৱাহাটীৰ পৰা চানডুবিলৈ যোৱাৰ পথত ৰামচন্দ্ৰ পাহাৰ, গুৱাহাটীৰ জালুকবাৰীৰ গাতে লাগি থকা লংকেশ্বৰ পাহাৰ আদিৰ নামকৰণে। ৰামচন্দ্ৰ পাহাৰত থকা শিল ৰামচন্দ্ৰৰ তীক্ষ্ণ শৰৰ পৰা বহিৰ্ভূত বুলি লোক-বিশ্বাস প্ৰচলিত। এই পাহাৰতে ৰামচন্দ্ৰই বালিক বধ কৰিছিল বুলিও বিশ্বাস কৰা হয়। ৰামচন্দ্ৰ পাহাৰত এতিয়াও ৰাম আৰু হনুমানৰ দুটা মূৰ্তি আছে।

এইদৰেই অসমীয়া পৰম্পৰাগত লোকজীৱনত মৌখিক ৰামকথাৰ লগতে মাধৱ কন্দলীয়ে আৰম্ভ কৰি যোৱা লিখিত ৰামায়ণ পৰম্পৰাৰ উপাদান সংমিশ্ৰিত হৈ সমৃদ্ধিশালী সাংস্কৃতিক জীৱন গঢ়ি উঠিছে।

৬১। সংবাদদাতা : গিৰি বৰুৱা (৬৮), পূৱথৰীয়া, তাং ৫/৫/৮৯

৬২। মহেশ্বৰ নেওগ : পবিত্ৰ অসম, পৃ ৩২৯, ৩১৬, ৩১৮

।। নৱম অধ্যায়।।

উপসংহাৰ

ৰামায়ণৰ পাততে ব্ৰহ্মাৰ বচন এফাঁকি আছে ঃ "যিমান দিনলৈকে এই ধৰাতলত গিৰিমালা থাকিব, স্ৰোতস্বিনী নদীসমূহ প্ৰবাহিত হৈ থাকিব— সিমান দিনলৈকে 'ৰামায়ণ'ৰ বাণী লোকসমাজত উদ্‌ঘোষিত হৈ থাকিব।"[1] ব্ৰহ্মাৰ এই বাণী আখৰে আখৰে আখৰে ফলিয়াইছে। ৰচনাকালৰ পৰাই ৰামায়ণে ভাৰতীয় গণমানসত এক গভীৰ ৰেখাপাত কৰি আহিছে ঃ দাৰ্শনিকক দৰ্শনৰ সন্ধান দিছে, কবি-সাহিত্যিকক সাহিত্যৰ সমল যোগাইছে, ৰাজনীতিবিদ্‌ক ৰাজনীতিৰ সম্ভেদ দিছে, আৰু ৰাম-লক্ষ্মণ, ভৰত-শত্ৰুঘ্ন, সীতা-উৰ্মিলা, তাৰা-মন্দোদৰী আদি অমৰ চৰিত্ৰাৱলীৰ বিচিত্ৰ কাহিনী-সমূহে ৰূপকথাৰ ইন্দ্ৰজালেৰে সৰ্বসাধাৰণক নিজৰ জীৱন গঢ়ি তোলাত প্ৰত্যক্ষভাৱেই হওক কিম্বা পৰোক্ষভাৱেই হওক বিভিন্ন প্ৰকাৰে অনুপ্ৰেৰণা যোগাই আহিছে।

বাল্মীকিৰ অনুপ্ৰেৰণাৰেই অসমীয়া কবি মাধৱ কন্দলীয়ে 'ৰামায়ণ'ৰ অমৰ কাহিনীৰ পোন প্ৰথম লিখিত সাহিত্যৰ ৰূপ দি অসমীয়া জাতীয় জীৱনলৈ আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জীলৈ প্ৰচুৰ সম্ভাৱনা কঢ়িয়াই আনিছে। পূৰ্ববৰ্তী অধ্যায় কেইটাত কবিজনাৰ মহৎ অৱদান অসমীয়া 'ৰামায়ণ'ৰ লোকসাংস্কৃতিক সমল সম্পৰ্কে বিশদভাৱে আলোচনা আগবঢ়োৱা হৈছে।

পদ্ধতিগত অধ্যয়নৰ ৰীতি অনুসৰি প্ৰথম অধ্যায়ত অসমীয়া জাতীয় কবিজনাৰ চমু পৰিচয় আগবঢ়োৱা হৈছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীত কন্দলীৰ কাল, স্থান আৰু ৰচনাকৃতিক কেন্দ্ৰ কৰি পণ্ডিতসকলৰ মাজত মতৰ অমিল দেখা যায়। কন্দলীৰ আত্মপৰিচয় সম্বলিত ৰচনাকৃতি 'ৰামায়ণ'ৰ উদ্ধৃতি তথা আনুষংগিক পৃষ্ঠপোষক ৰজা মহামাণিক্যৰ ৰাজত্বকাল আদি নিৰ্ণয় কৰি যথাৰ্থতে এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে, মাধৱ কন্দলী চতুৰ্দশ শতিকাৰ অসমৰ কবি। বৰাহী ৰজা মহামাণিক্যৰ অনুপ্ৰেৰণা আৰু পৃষ্ঠপোষকতাত কবিজনাই সমসাময়িক লোকসমাজক আগত ৰাখি বাল্মীকি ৰামায়ণ অসমীয়া ভাষাত অনুবাদ কৰে। অসমীয়া 'ৰামায়ণ' মাধৱ কন্দলীৰ অনুবাদগ্ৰন্থ হ'লেও, কবিজনাৰ অমিত প্ৰতিভাৰ স্বাক্ষৰৰূপে বাল্মীকি 'ৰামায়ণ'ৰ সমাজখনৰ পৰিবৰ্তে চতুৰ্দশ শতিকাৰ অসমীয়া সমাজখনক তেওঁ কাব্যত স্থান দিয়াত কাব্যখনি

১। যাৱত্তিষ্ঠন্তি গিৰিয়ঃ সৰিতশ্চ মহীতলে।
তাবদ্ ৰামায়ণ কথা লোকেষু প্ৰচৰিষ্যতি।।- বাল্মীকি ৰামায়ণ ১/২/৩৬

অসমীয়া জাতীয় জীৱনৰ সাংস্কৃতিক সম্পদেৰে সমৃদ্ধিশালী এখনি কাব্যত পৰিণত হৈছে।

দ্বিতীয় অধ্যায়ত কাব্যখনিৰ লোকসাংস্কৃতিক অধ্যয়নৰ বাবে প্ৰয়োজনীয় আধুনিক বিজ্ঞানসম্মত লোক-সংস্কৃতি অধ্যয়নৰ পদ্ধতিসমূহ, লগতে লোকসংস্কৃতি (Folklore)ৰ স্বৰূপ তথা উপাদানবোৰৰ এক বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। লিখিত সাহিত্যৰ লগত লোকসংস্কৃতিৰ অবিচ্ছিন্ন সম্পৰ্ক বিদ্যমান। যিহেতু সাহিত্য যুগৰ প্ৰতিবিম্ব স্বৰূপ, গতিকে লিখিত সাহিত্যৰ বুকুত লোক-সংস্কৃতিৰ সমল সদা-সৰ্বদাই বৰ্তমান থাকে। সেইফালৰপৰা চতুৰ্দশ শতিকাৰ অসমীয়া জীৱন তথা সাংস্কৃতিক জীৱনৰ বিভিন্ন সমল মাধৱ কন্দলীৰ অসমীয়া 'ৰামায়ণ'ত পোৱা গৈছে।

তৃতীয় অধ্যায়ত মাধৱ কন্দলীৰ সমসাময়িক, কবি-সাহিত্যিক সকলৰ সাহিত্যকৃতিসমূহৰ পৰ্য্যালোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। পুৰণি অসমীয়া কবিসকলৰ ভিতৰত কেৱল মাধৱ কন্দলীয়েহে নিজৰ নিৰ্মিতিৰ মাধ্যমেৰে সমসাময়িক লোক-সমাজৰ চিত্ৰ পৰিস্ফুট কৰিছে তেনে নহয়, হৰিবৰ বিপ্ৰ, শংকৰদেৱ, ৰামসৰস্বতী, অনন্তকন্দলী আদি কবিসকলেও সাহিত্যৰ সাৰ্বজনীনতা— বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি সমসাময়িক লৌকিক সমাজখনৰ চিত্ৰ ৰূপায়ণ কৰিছিল।

চতুৰ্থ অধ্যায়ত মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ কাহিনীভাগত প্ৰতিফলিত হোৱা লোকায়ত সমলসমূহ বিশ্লেষণ কৰা হৈছে। বাল্মীকি ৰামায়ণৰ মূল বিষয়-বস্তু অব্যাহতভাৱে ৰাখি অসমীয়া 'ৰামায়ণ' গ্ৰন্থ সৃষ্টি কৰিলেও তেওঁ লৌকিকতাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছিল। সেইবাবে লৌকিকতা কন্দলী ৰামায়ণৰ অন্যতম প্ৰধান বৈশিষ্ট্য। অনুবাদৰ ক্ষেত্ৰত কন্দলীয়ে মূল বিষয়-বস্তুৰ ওপৰত দৃষ্টি নিবদ্ধ ৰাখিলেও বিভিন্ন বিষয় বস্তুৰ ওপৰত দৃষ্টি নিবদ্ধ ৰাখিলেও সুবিধা বুজি বাল্মীকীয় বিভিন্ন সমল মানৱসুলভ অনুভূতিৰে নিজৰ কৰিবলৈ প্ৰয়াস কৰিছে। ইয়াৰ পৰিণতিত বাল্মকি 'ৰামায়ণ'ৰ আধ্যাত্মিক তত্ত্বই অসমীয়া ৰামায়ণত উপাদেয় লৌকিক সমল ৰূপে স্থান পাইছে।

পঞ্চম অধ্যায়ত কন্দলী 'ৰামায়ণ'ৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰিবলৈ যত্ন কৰা হৈছে। এই বিশ্লেষণৰপৰা দেখা যায় যে, কন্দলীৰ নিৰ্মিতিত স্থান লাভ কৰা চৰিত্ৰসমূহ সমসাময়িক লোক-সমাজৰ প্ৰাণৰ পৰশেৰে সিক্ত লৌকিক চৰিত্ৰ। মূল বাল্মীকি 'ৰামায়ণ'ৰ গুৰু গম্ভীৰ চৰিত্ৰৰাজিৰ পৰিবৰ্তে কন্দলীয়ে তদানীন্তন সমাজত দেখা পোৱা লোক চৰিত্ৰক আনি কাব্যগ্ৰন্থত ঠাই দি লৌকিক ভাব ভাষাৰে সংলাপ সংযোজন কৰি কাহিনীভাগৰ চৰিত্ৰসমূহ চিনাকী আৰু আপোন কৰি সৰ্বসাধাৰণ জন-গণৰ আকৰ্ষণীয় কৰি তুলিছে। এনেবোৰ চৰিত্ৰৰ মৌলিক সংযোজনাই তদানীন্তন সমাজ-

জীৱনৰ জীৱন নিৰ্বাহৰ আদয়-কায়দাকে মূখ্য কৰি প্ৰচলিত আচাৰ-নীতি-ব্যৱস্থাই প্ৰৱেশ কৰি কাব্য-গ্ৰন্থখনিক চতুদৰ্শ শতিকাৰ পুৰণি অসমীয়া সমাজ সম্পৰ্কে সম্ভেদ দিব পৰা সাংস্কৃতিক বুৰঞ্জীত পৰিণতি লাভ কৰিছে।

ষষ্ঠ অধ্যাযত মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ বিভিন্ন পৰিৱেশ সৃষ্টিত সমসাময়িক যুগৰ প্ৰতিচ্ছবি কেনেদৰে প্ৰতিফলিত হৈছে, সেইয়া নিৰীক্ষণ কৰা হৈছে। বিভিন্ন পৰিৱেশ সৃষ্টিটো কন্দলীয়ে মূলৰ ভাৰতীয় আৰ্য্য সমাজখন লগতে বাল্মীকিৰ চকুৰ আগত উদ্ভাসিত হোৱা প্ৰাকৃতিক সম্পদ তথা নৈসৰ্গিক চিত্ৰণৰ পৰিৱৰ্তে কন্দলীয়ে চতুৰ্দশ শতিকাৰ অসমীয়া সমাজ, প্ৰাকৃতিক সম্পদ তথা নৈসৰ্গিক জগতখনক অবিকলভাৱে ৰূপায়ণ কৰিছে। বিভিন্ন ঠাই, ৰাজসভা, প্ৰাকৃতিক জীৱ-জন্তু, চৰাই-চিৰিকতি আদি নৈসৰ্গিক চিত্ৰণৰ বাদেও সমসামযিক সমাজখনৰ জাতি, বৃত্তি, ব্যৱসায আদিৰ আকৰ্ষণীয় চিত্ৰ ফুটাই তুলিছে। কন্দলীৰ 'ৰামায়ণ'ৰ জৰিযতে চতুদৰ্শ শতিকাৰ অসমীযা সাংস্কৃতিক জীৱনৰ পৰিচয বিভিন্ন আচাৰ-অনুষ্ঠান, উৎসৱ, সংগীত, বাদ্যযন্ত্ৰ, শিল্পনুষ্ঠানৰ যোগেদি পাব পাৰি।

সপ্তম অধ্যাযত কন্দলী 'ৰামায়ণ'ৰ ভাষা আৰু ৰচনাভংগীত (Style) কেনেদৰে লোকসমাজৰ প্ৰভাৱ পৰিছে সেই বিষযে বিশ্লেষণ কৰা হৈছে। কন্দলী 'ৰামায়ণ'ত ব্যৱহৃত ভাষাটো হৈছে চতুদৰ্শ শতিকাৰ অসমীয়া সমাজত ব্যৱহৃত ভাষা। কন্দলীৰ 'ৰামাযণ'ৰ ভাষা পৰ্য্যবেক্ষণ কৰি চালে দেখা যায যে, কন্দলী 'ৰামায়ণ'ৰ ভাষাই সমকালীন অসমৰ দুই শ্ৰেণীৰ লোকৰ ভাষাক প্ৰতিনিধিত্ব কৰিব পাৰে। এটা হ'ল ৰাজ পৰিযাল আৰু সম্ভ্ৰান্ত শিক্ষিত শ্ৰেণীৰ মানুহৰ কথিত ভাষা আৰু আনটো অশিক্ষিত লোক জীৱনৰ মুখৰ ভাষা— লোকভাষা। লোকসাহিত্যৰ দৰে লোকভাষাও মৌখিকভাৱে প্ৰচলিত আৰু সেযে লোকসংস্কৃতিৰ অধ্যযনৰ ক্ষেত্ৰত এনে লোকভাষাৰ গুৰুত্ব তাৎপৰ্যপূৰ্ণ। মাতৃভাষা অসমীযাৰ লগতে সংস্কৃত আৰু প্ৰাকৃত সাহিত্যৰ কলা-কৌশলৰ ওপৰতো কন্দলীৰ অসমান্য দখল আছিল। সেয়েহে তেওঁৰ 'ৰামায়ণ'ত পৰম্পৰাগতভাৱে প্ৰচলিত ছন্দ, ৰস, প্ৰবাদ-প্ৰৱচন আদিৰ বৈচিত্ৰ্যপূৰ্ণ সমাবেশ ঘটিছে আৰু এই বাবে গ্ৰন্থখনিয়ে ঐতিহাসিক স্থান লাভ কৰিবলৈ সক্ষম হৈছে। স্বৰূপাৰ্থত মাধৱ কন্দলীৰ দ্বাৰা অনুদিত 'ৰামাযণে' অসমীয়া মহাকাব্যৰ দাবী পূৰণ কৰিবলৈ সক্ষম হৈছে।

অষ্টম অধ্যায়ৰ যোগেদি অসমীযা পৰম্পৰাগত লোকজীৱনত মাধৱ কন্দলীয়ে আৰম্ভ কৰি যোৱা ৰামায়ণ পৰম্পৰাৰ লগত সমসাময়িক সমাজৰ লোক-কলা আৰু শিল্পানুষ্ঠানসমূহ কিদৰে সংমিশ্ৰিত হৈ পৰিছে তাৰ এটি আলোচনা আগবঢ়োৱা হৈছে। অসমৰ বিভিন্ন ঠাইত কৰা ক্ষেত্ৰ অধ্যযনৰ যোগেদি এইটো পৰিলক্ষিত হয় যে অসমৰ

বিভিন্ন ঠাইত বৰ্তমানেও প্ৰচলিত ভাওনা অনুষ্ঠান, পুতলানাচ, ঢুলীয়াৰ চং, খুলীয়া ভাউৰীয়া, কুশানগান, ভাৰীগান ইত্যাদি দৃশ্য-শ্ৰব্য কলা সম্পদত মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ বিষয়-বস্তুৱে প্ৰাধান্য লাভ কৰিছে। তদুপৰি অসমীয়া সমাজত প্ৰচলিত জনশ্ৰুতি, সাধুকথা, ফঁকৰা-যোজনা, গীত,মাত আদিতো ৰামায়ণৰ কথাবস্তুৱে স্থান লাভ কৰিছে। পুৰণি অসমৰ চিত্ৰশিল্প, ভাস্কৰ্য্য আদিতো কন্দলীৰ 'ৰামায়ণ'ৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ সম্বলিত প্ৰাপ্ত চিত্ৰশিল্প, কাঠৰ মূৰ্তি আদিৰ যথাযথ বৰ্ণনা পৰিৱেশন কৰা হৈছে অষ্টম অধ্যায়ত।

পৰৱৰ্তী লিখিত সাহিত্যত মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ প্ৰভাৱ সম্পৰ্কে এক সুকীয়া অধ্যয়নবো যুক্তি নোহোৱা নহয়। অসমীয়া সাহিত্য জগতত লিখিত ৰামায়ণী সাহিত্যৰ বাটকটীয়া স্বৰূপে অসমীয়া সাহিত্যৰ বুৰঞ্জীত মাধৱ কন্দলী আৰু তেওঁৰ নিৰ্মিতিৰ আন এক ঐতিহাসিক স্থান চিৰবৰ্তমান। তদুপৰি লিখিত সাহিত্যৰ সুপ্ৰতিষ্ঠিত ৰূপ এটাও পুৰণি অসমীয়া কবিসকলৰ বাবে মাধৱ কন্দলীয়েই পোন প্ৰথমে প্ৰদৰ্শন কৰে। মাধৱ কন্দলীৰ সৃষ্টি অসমীয়া ৰামায়ণ পৰৱৰ্তী যুগৰ অসমীয়া কবি-সাহিত্যিক সকলৰ বাবে এক অনুপ্ৰেৰণাৰ স্থল। সেয়ে মাধৱ কন্দলীৰ প্ৰভাৱ পৰৱৰ্তী কবি সাহিত্যিক সকলৰ ওপৰত সুদূৰপ্ৰসাৰী।

বৈষ্ণৱ যুগৰ সৰ্বশ্ৰেষ্ঠ কবি-সাহিত্যিক শংকৰদেৱ-মাধৱদেৱে তেওঁৰ প্ৰভাৱৰ পূৰ্ণ স্বীকৃতিৰেই উত্তৰকাণ্ড আৰু আদিকাণ্ড ৰামায়ণ লিখিছিল। উত্তৰকাণ্ড ৰামায়ণতে শংকৰদেৱে পূৰ্বসূৰী কবিজনাৰ সাহিত্যিক প্ৰতিভা অকুণ্ঠচিত্তে স্বীকাৰ কৰি 'পূৰ্ব কবি অপ্ৰমাদী'[২] আখ্যাৰে শ্ৰদ্ধা নিবেদন কৰিছে। তদুপৰি 'ভাগৱত'ৰ অষ্টম স্কন্দৰ এঠাইত পূৰ্বকবিসকলৰ পদৰ আদৰ্শ সম্বন্ধে উক্তি কৰিছে :

মহাভাগৱত তাৰ কোনে তত্ত্ব
বুজিবেক সমুদায়,
লৈল যেন মতি ৰচিলো সম্প্ৰতি
পদ আদৰ্শ চাই।[৩]

উত্তৰকাণ্ড ৰামায়ণ ৰচনাৰ ক্ষেত্ৰত মাধৱ কন্দলীৰ প্ৰভাৱ শংকৰদেৱৰ ওপৰত কেনেদৰে পৰিছিল তাৰ প্ৰমাণ মাধৱ কন্দলীৰ 'ৰামায়ণ' আৰু শংকৰদেৱৰ উত্তৰকাণ্ডৰ পদ বিজাই চালে দেখা যায়—

২। শংকৰদেৱ : ৰামায়ণ, উত্তৰকাণ্ড, পদ-৭০৪১
৩। শংকৰদেৱ : ভাগৱত, অষ্টম স্কন্ধ, পদ-৮০৮৩

মাধৱ কন্দলী ঃ কৈকেয়ী মাৰে ভৈলা প্ৰচণ্ড অগনি।
শুকান অৰণ্যে প্ৰজা লাগি গৈলা ছলি।।
জাজ্জ্বল্য সমান ভৈল ৰাম হিংসা বাৱে।
প্ৰজা অৰণ্যক দহি অগনি উধাৱে।।[৪]

শংকৰদেৱ ঃ লক্ষ্মণৰ শোক প্ৰচণ্ড বতাসে
সীতাৰ সন্তাপ আগি।
শুখান অৰণ্য ৰামচন্দ্ৰ ভৈলা
দহে হৃদয়ত লাগি।।[৫]

কেৱল 'ৰামায়ণ' ৰচনাৰ ক্ষেত্ৰতে নহয় মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ শংকৰদেৱৰ অন্যান্য ৰচনাৰ মাজতো প্ৰতিধ্বনিত হয়। উদাহৰণ স্বৰূপে তলত উল্লেখ কৰা ৰামায়ণৰ পদখিনিৰ প্ৰতিধ্বনি অনুৰণিত হয় ৰুক্মিণী-হৰণ কাব্যৰ মাজত।

মাধৱ কন্দলী ঃ সভাখান ভৈল যেন নিৰ্ম্মল গগন।
ৰাজাসব ভৈল যেন নক্ষত্ৰ শোভন।।
ৰাঘৱৰ কান্তি চন্দ্ৰ সমান বলিল।
স্বৰ্গৰ খণ্ডেক যেন ভূমিত পৰিল।।[৬]

শংকৰদেৱ ঃ নিৰ্মল গগন যেন ভৈল সভাখান।
লক্ষেক নৃপতি তাতে ভৈল তাৰাগণ।।
সবাৰো মধ্যত কৃষ্ণ প্ৰকাশন্ত বসি।
শৰতকালত যেন পূৰ্ণিমাৰ শশী।।[৭]

অনন্ত কন্দলীৰ 'ৰামায়ণ'খন মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ এটা ভক্তিপ্ৰধান সংস্কৰণহে মাথোন। সংস্কৃতত প্ৰগাঢ় পণ্ডিত হোৱা সত্ত্বেও বাল্মীকিৰ ৰামায়ণ আগত নৰখাকৈ কেৱল মাধৱ কন্দলীৰ 'ৰামায়ণ'কে লৈ অনন্ত কন্দলীয়ে ৰামায়ণ ৰচনা কৰিছিল। অনন্ত কন্দলীৰ ৰচনাত মাধৱ কন্দলীত নথকা, কিন্তু বাল্মীকিত থকা, কোনো কথা পোৱা নাযায়। গতিকে তেওঁ বাল্মীকিৰ ৰামায়ণ সন্মুখত ৰাখিছিল নে নাই সন্দেহ হয়। দৰাচলতে মাধৱ কন্দলীৰ পদসমূহকে অলপ ইফাল-সিফাল কৰি বা ছন্দ পৰিবৰ্ত্তন কৰি আৰু বৈষ্ণৱ গঢ় দি অনন্ত কন্দলীয়ে ৰামায়ণখন ৰচনা কৰিছে। গতিকে মাধৱ কন্দলীৰ শব্দ, উপমা, পটন্তৰ আৰু বৰ্ণনাৰ স্পষ্ট প্ৰভাৱ তেওঁৰ ৰামায়ণৰ ওপৰত পৰা দেখা যায়।

৪। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ ২৫৯১
৫। শংকৰদেৱ ঃ ৰামায়ণ, উত্তৰকাণ্ড, পদ ৭৩২৬
৬। মাধৱ কন্দলী ঃ ৰামায়ণ, অযোধ্যাকাণ্ড, পদ ১৫৩৯
৭। শংকৰদেৱ ঃ ৰুক্মিণীহৰণ কাব্য, পদ ২৩০

দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ'ৰ বহুতো পদ প্ৰায়ে মাধৱ কন্দলীৰ পদৰ লগত হুবহু মিলি যায়, কেৱল ৰাগ-ৰাগিণী যুক্ত গীতসমূহহে কবিৰ মৌলিক ।[7] বিষয়চন্দ্ৰ বিশ্বাসীয়ে ছপা কৰা দুৰ্গাবৰী ৰামায়ণৰ কিষ্কিন্ধাকাণ্ডৰ প্ৰায়বিলাক পদেই মাধৱ কন্দলীৰ। ৰঘুনাথ মহন্তৰ কথা-ৰামায়ণতো মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ সুস্পষ্ট। লিখকে খুব সম্ভৱ মাধৱ কন্দলী আৰু অনন্ত কন্দলী দুয়োখন 'ৰামায়ণ'কেই আগত ৰাখি 'ৰামায়ণ' ৰচনা কাৰ্য্যত প্ৰবৃত্ত হৈছিল। অনন্ত ঠাকুৰ বা হৃদয়ানন্দ কায়স্থৰ 'শ্ৰীৰাম কীৰ্ত্তনো' মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ ঘটনাৱলী বে চমু পৰিচয়। বৰ্ণনাত মাধৱ কন্দলীৰ স্পষ্ট প্ৰভাৱ ঠায়ে ঠায়ে চকুত পৰে। মাধৱ কন্দলীক অনুসৰণ কৰি অনন্ত ঠাকুৰে বিড়াল বেশত হনুমানক লংকাত প্ৰৱেশ কৰাইছে। ৰাৱণে সীতাক পত্নীৰূপে গ্ৰহণ কৰিবলৈ অনুৰোধ কৰোঁতে সীতাই ৰাৱণক যি উত্তৰ দিছে তাত মাধৱ কন্দলীৰ প্ৰতিধ্বনি শুনা যায়। তদুপৰি হনুমানৰ ব্ৰাহ্মণবেশত অশোক বনত প্ৰৱেশ, জানকীৰ তুতিত অগ্নিয়ে হনুমানক নোপোৰা, শুই থকা মন্দোদৰীৰ কেশ জুখি আৰু মুখত মদৰ গোন্ধ পাই সীতা নহয় বুলি হনুমানে স্থিৰ কৰা আৰু ৰাৱণৰ দ্বাৰা বিভীষণক পদাঘাত— এইবোৰ মাধৱ কন্দলীৰ মৌলিক সংযোজনা, বাল্মীকিৰ ৰচনাত নাই । 'শ্ৰীৰামকীৰ্তন'ত এইখিনি কথাৰ অস্তিত্বই মাধৱ কন্দলীৰ প্ৰভাৱৰ ইংগিত দিয়ে।

মাধৱ কন্দলীৰ 'ৰামায়ণ'ৰ ঘটনা, চৰিত্ৰৰ কাৰ্য্য-কলাপৰ ভিত্তিত কবিসকলে নিজকল্পনাৰে ৰূপায়ণ কৰা বহুতো কাব্য-নাট খ্ৰীঃ সপ্তদশ অষ্টাদশ শতিকাত ৰচিত হৈছিল। অষ্টাদশ শতিকাত 'ৰামায়ণ', মহাভাৰত' আৰু বধকাব্যৰ কাহিনীৰ ভেটিত বহুত নাট ৰচিত হোৱা দেখা যায়। ৰামায়ণৰ কাহিনী বা ঘটনাৰ ভেটিত ৰচনা কৰা এই নাটবোৰৰ দুই-চাৰিখনত মাধৱ কন্দলীয়ে 'ৰামায়ণ'ৰ চৰিত্ৰৰ মুখত দিয়া পদবোৰকে বচনৰূপে ঠায়ে ঠায়ে ব্যৱহাৰ কৰিছে। গোপাল নামৰ এজন নাট্যকাৰে সীতাহৰণ নাটত শূৰ্পনখাৰ মুখত যি বচন দিছে তাৰ একাংশ মাধৱ কন্দলীৰ পদৰ গদ্যৰূপ মাত্ৰ।[8]

মাধৱ কন্দলীৰ অনুবাদ— নীতি, ৰচনাশৈলী আদিৰ দ্বাৰা পৰৱৰ্তী যুগৰ কবি-সাহিত্যিকসকল কিদৰে অনুপ্ৰাণিত হৈছিল, তাৰ স্পষ্ট নিৰ্দশন আমি ভালদৰে পৰ্য্যবেক্ষণ কৰি চালে আৰু দেখা পাওঁ । চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত মূল বাল্মীকি ৰামায়ণৰ মন্থৰাৰ চৰিত্ৰক কন্দলীয়ে কুঁজী চৰিত্ৰৰূপে তেওঁৰ নিৰ্মিতিত এক মৌলিক ৰূপ দিছে। কন্দলীৰ এই কুঁজী চৰিত্ৰৰ প্ৰভাৱ অনন্ত কন্দলীৰ 'কুমৰ হৰণ' কাব্যৰ কুঁজী চৰিত্ৰতো নপৰাকৈ থকা নাই। কুঁজী চৰিত্ৰৰ পৰিকল্পনা আৰু চৰিত্ৰটিৰ হাব-ভাৱ বৰ্ণনা

৮। সত্যেন্দ্ৰনাথ শৰ্মা ঃ সাহিত্যৰ আভাস, পৃ ১৩৬

আৰু বাণৰ গুপ্ত পটেশ্বৰী হ'ব খোজাৰ অনুচিত হাবিযাস চিত্ৰণত অনন্ত কন্দলীৰ কল্পনাৰ ওপৰত পূৰ্বসূৰী অপ্ৰমাদী কবি মাধৱ কন্দলীৰ প্ৰভাৱ সুস্পষ্ট।[৯] মূল বাল্মীকি 'ৰামাযণ'ত কুঁজী (কুব্জা) ভৰতৰ ওচৰলৈ গৈছিল অলংকাৰ লাভৰ আশাত।[১০] মাধৱ কন্দলীৰ 'ৰামায়ণ'ত নিজকে সজাই-পাই-পৰাই কুঁজী ভৰতৰ ওৰলৈ গৈছিল দেখাদেখিকৈ নহ'লেও গুপ্তভাৱে পটেশ্বৰী হোৱাৰ দুৰাকাংক্ষা পোষণ কৰি।[১১] তদ্ৰূপ 'কুমৰ হৰণ' কাব্যৰ কুঁজী বুঢীয়েও পিন্ধি উৰি পটেশ্বৰী হোৱাৰ আশাৰে বাণাসুৰৰ ওচৰলৈ গৈছিল। আনকি আধুনিক নাট্যকাৰ জ্যোতিপ্ৰসাদ আগৰৱালাই যেন 'শোণিত কুঁৱৰী' নাটকত ৰূপ দিয়া কুঁজী চৰিত্ৰৰ অনুপ্ৰেৰণা মাধৱ কন্দলীৰ 'কুঁজী মন্থৰা' নহয় বুলি কোনেও ক'ব নোৱাৰে। সাহিত্য জগতত পূৰ্ববৰ্তী কবি-সাহিত্যিকৰ প্ৰত্যক্ষ নতুবা পৰোক্ষ প্ৰভাৱ পৰৱৰ্তী যুগৰ কবি-সাহিত্যিকসকলৰ ওপৰত পৰা অতি স্বাভাৱিক প্ৰৱণতা। যদিহে প্ৰতিভাশালী, সাহিত্যৰ বুকুত ঐতিহাসিক স্থান লাভ কৰা কবি-সাহিত্যিক হয, তেন্তে তেওঁৰ লেখনিৰ প্ৰভাৱ সমসাময়িক কবি সাহিত্যিকসকলে সচেতনভাৱেও গ্ৰহণ কৰে। অসমীযা ৰামায়ণী সাহিত্যৰ পথ প্ৰদৰ্শক, পুৰণি অসমীয়া সাহিত্যৰ বুকুত লিখিত সাহিত্যৰ এক বলিষ্ঠ পৰম্পৰাৰ জন্ম দিওঁতা জাতীয় কবি ৰূপে স্বীকৃত মাধৱ কন্দলীৰ প্ৰভাৱ পৰৱৰ্তী যুগৰ কবি সাহিত্যিকসকলে আদৰ্শৰূপেও সচেতনভাৱে গ্ৰহণ কৰিছিল।

অসমীযা সাহিত্যত মাধৱ কন্দলীৰ স্থান নিৰ্ণয কৰিবলৈ গৈ আমি এটা সিদ্ধান্তত উপনীত হ'ব পাৰোঁ, যে অসমীয়া জাতিৰ, অসমীয়া সমাজৰ বাবে মাধৱ কন্দলীৰ 'ৰামায়ণ' এক অনুষ্ঠানসদৃশ। অসমীযা ভাষা আৰু সাহিত্যৰ বাবেই কন্দলীৰ 'ৰামায়ণ'ৰ ঐতিহাসিক গুৰুত্ব সীমাবদ্ধ নহয়। অসমীয়া সামাজিক জীৱন আৰু অসমীয়া সাংস্কৃতিক জীৱনৰ বাবেও কন্দলীৰ 'ৰামাযণ'ৰ গুৰুত্ব অপৰিসীম। চতুৰ্দশ শতিকাৰ অসমৰ সম্পূৰ্ণ ছবি নাপালেও সেই সমযৰ বিভিন্ন সামাজিক দিশৰ ওপৰত কন্দলীয়ে আলোকপাত কৰাৰ ফলত কন্দলীৰ 'ৰামায়ণ'খন পুৰণি অসমৰ সামাজিক দলিল স্বৰূপ হৈ পৰিছে। সেয়েহে কন্দলীৰ 'ৰামায়ণে' পুৰণি অসমৰ সাংস্কৃতিক জীৱনৰ বিষয়ে অধ্যয়ন কৰাৰ প্ৰসংগত এখনি বহল ক্ষেত্ৰ নিৰ্মাণ কৰি গৈছে। সাহিত্যৰ বুকুত সমসাময়িক সমাজখনৰ অধ্যয়ন বা গৱেষণা পাশ্চাত্য জগতত বহুদিনি আগবাঢ়িছে।

৯। নবীনচন্দ্ৰ শৰ্মা (সম্পা) : অনন্ত কন্দলী বিৰচিত কুমৰ হৰণ, পৃ ২২৫

১০। বাল্মীকি ৰামায়ণ, ২/৭৮/৫-৮

১১। মাধৱ কন্দলী : ৰামায়ণ, অযোধ্যাকাণ্ড, পদ ২২৮৮

১২। ভাৱণাৱলী (অসম সাহিত্য সভা), দ্বিতীয় খণ্ড, পৃ ৯১

এই কথা বহু আগতেই পণ্ডিত-প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈয়ে অনুভৱ কৰি এই বুলি আক্ষেপ কৰিছিল— ‘পুৰণি অসমীয়া সাহিত্যৰ বিষয়ে প্ৰকৃত গৱেষণা একো হোৱা নাই’।[১২] তেখেতেই মাধৱ কন্দলিৰ ‘ৰামায়ণ’ৰ গুৰুত্বৰ বিষয়ে পোন প্ৰথমতে অসমবাসীৰ চকু মেল খুৱায়। অসমীয়া সাহিত্য জগতৰ অমূল্য সম্পদ এই গ্ৰন্থখনিৰ প্ৰকাশ, গৱেষণাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ সাহিত্য সভাৰ সভাপতিৰ ভাষণত কৈছিল যে সংস্কৃত ৰামায়ণৰ শুদ্ধ পাঠ নিৰ্ণয়তো মাধৱ কন্দলীৰ ৰামায়ণে বিশেষভাৱে সহায় কৰিব পাৰে। সেযেহে এনে গ্ৰন্থৰ অধ্যয়ন আৰু গৱেষণাই কেৱল অসমীয়া সমাজতে বা অসমীয়া সাহিত্যতে নহয় ভাৰতীয় সাহিত্যৰ যোগেদি সমগ্ৰ পৃথিৱীৰ ৰামায়ণী সাহিত্যলৈকে অসমীয়া ৰামায়ণী সাহিত্য চৰ্চাৰ পৰম্পৰাৰ প্ৰাচীনতাক প্ৰদৰ্শন কৰিবলৈ সক্ষম হ’ব।

গ্ৰন্থপঞ্জী

অসমীয়া ঃ

কলিতা, ফণীন্দ্ৰনাথ (সম্পা) ঃ বাৰমাহী আৰু বিলাপ-গীত, গুৱাহাটী, ১৯৬০

কাকতি, বাণীকান্ত ঃ পুৰণি অসমীয়া সাহিত্য, গুৱাহাটী, ১৯৬৮

———— ঃ প্ৰাচীন কামৰূপৰ ধৰ্মৰ ধাৰা, পাঠশালা, ১৯৫৩

গোস্বামী উপেন্দ্ৰনাথ ঃ ভাষা আৰু সাহিত্য, গুৱাহাটী-১৯৯০

গোস্বামী, কেশবানন্দ (সম্পা) ঃ শ্ৰীমদ্ভাগবত, ডিব্ৰুগড, ১৯৮৪

গোস্বামী, তীৰ্থনাথ (সম্পা) ঃ মুখ ভঙা মন্ত্ৰ আৰু গু কৰতি, ঢলৰ সত্ৰ পুথিভঁৰাল, ১৯৬১

গোস্বামী, নৰনাথ (সম্পা) ঃ হৰি-কীৰ্তন, ঢল সত্ৰ, যোৰহাট, ১৯৬১

গোস্বামী, প্ৰফুল্ল দত্ত ঃ অসমীয়া জন-সাহিত্য গুৱাহাটী, ১৯৮৫

———— ঃ জাপানাৰ জনকৃষ্টি আৰু অন্যান্য ৰচনা, গুৱাহাটী, ১৯৮৪

———— (সম্পা) ঃ বাৰ মাহৰ তেৰ গীত, দিল্লী, ১৯৬২

গোস্বামী, হেমপ্ৰভা ঃ বিয়ানাম, যোৰহাট, ১৯২১

গোস্বামী, হেমচন্দ্ৰ (সম্পা) ঃ অসমীয়া সাহিত্যৰ চানেকী, কলিকতা বিশ্ববিদ্যালয়, ১৯২১

গোহাঞি বৰুৱা, পদ্মনাথ ঃ অসমৰ বুৰঞ্জী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৬

তামুলী, যোগেশচন্দ্ৰ (সম্পা) : অসমীয়া লোকগীতি সংগ্ৰহ, যোৰহাট, ১৯৬০

দত্ত, দণ্ডীৰাম (সম্পা) : সাৰ্থৰ, ফকৰা-যোজনা, গুৱাহাটী, ১৯৭১

দত্ত, ধীৰেণ (সম্পা) : গোৱালপৰীয়া লোকগীত, ২য় খণ্ড, গৌৰীপুৰ

দত্ত, বীৰেন্দ্ৰনাথ : গোৱালপাৰাৰ লোক-সংস্কৃতি, ধুবুৰী, ১৯৮২

———— (সম্পা) : গোৱালপৰীয়া লোকগীত সংগ্ৰহ, যোৰহাট, ১৯৭৪

———— : অসমীয়া সংগীতৰ ঐতিহ্য, যোৰহাট, ১৯৭৭

———— : ব্যক্তি, সংস্কৃতি ইত্যাদি, গুৱাহাটী, ১৯৮৫

দত্ত, ভবানন্দ : দৃষ্টি আৰু দৰ্শন, গুৱাহাটী, ১৯৬৩

দত্তবৰুৱা, হৰিনাৰায়ণ (সম্পা) : সপ্তকাণ্ড ৰামায়ণ, গুৱাহাটী, ১৯৮৬

———— („) : অসমীয়া মহাভাৰত, ১ম খণ্ড নলবাৰী, ১৯৬৭

———— („) : অসমীয়া মহাভাৰত, ২য় খণ্ড, নলবাৰী, ১৯৬৩

———— („) : হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰ গুৱাহাটী, ১৯৮২

দাস, যুগল : অসমৰ লোককলা, গুৱাহাটী, ১৯৬৮

দাস, যোগেশ : অসমৰ জনকৃষ্টি, নিউ দিল্লী, ১৯৭৮

দেৱশৰ্মা, সেনাপতি : সাহিত্যৰ সাজ, গুৱাহাটী, ১৯৮৮

দেৱী, জ্ঞানদা : নামতী বা বিযানাম, গুৱাহাটী, ১৯৫৯

নাথ, দ্বিজেন (সম্পা) : গোৱালপৰীয়া লোকগীতত দৃষ্টিপাত, গুৱাহাটী, ১৯৭৭

নেওগ, ডিম্বেশ্বৰ : অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ভূমিকা, যোৰহাট, ১৮৬৩

——————— : অসমীয়া সাহিত্যৰ অধ্যযন, গুৱাহাটী, ১৯৬৪

——————— : অসমীয়া সাহিত্যৰ বুৰঞ্জী, যোৰহাট, ১৯৫৭

নেওগ, মহেশ্বৰ : মহেশ্বৰ নেওগ ৰচনাৱলী, প্ৰকাশন ন্যাস পৰিষদ, ডিব্ৰুগড, ১৯৮৬

——————— (সম্পা) : গীতি-ৰামাযণ, গোলাঘাট, ১৯৬২

——————— („) : হৰিবৰ বিপ্ৰৰ লৱ-কুশৰ যুদ্ধ, অসম সাহিত্য সভা, ১৯৫৪

——————— („) : পবিত্ৰ-অসম, গুৱাহাটী, ১৯৬৯

——————— („) : প্ৰাচ্য শাসনাৱলী, গুৱাহাটী, ১৯৭৪

বৰদলৈ, মাধৱচন্দ্ৰ (সম্পা) : মাধৱদেৱ, মাধৱ কন্দলী আৰু শংকৰদেৱৰ সাতকাণ্ড ৰামায়ণ, বৰপেটা, ১৪৯৯ শক

বৰুৱা, বিৰিঞ্চি কুমাৰ : অসমৰ লোক-সংস্কৃতি, গুৱাহাটী, ১৯৮৫

——————— (সম্পা) : অসমীয়া ভাষা সংস্কৃতি, গুৱাহাটী, ১৯৫৭

——————— („) : অংকীয়া নাট, গুৱাহাটী, ১৯৫৪

——————— („) : ৰঘুনাথ মহন্তৰ 'অদ্ভুত ৰামায়ণ' গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৭২

বৰুৱা বিৰিঞ্চি কুমাৰ আৰু মহেশ্বৰ নেওগ (সম্পা) : হৰিবৰ বিপ্ৰৰ 'বভ্ৰুবাহনৰ যুদ্ধ'

গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৬০

বৰুৱা, হেমচন্দ্ৰ : হেমকোষ
শিৱসাগৰ, ১৯৫৫

ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ : অসমৰ লোক-উৎসৱ,
গুৱাহাটী, ১৯৬৯

ভট্টাচাৰ্য্য, হৰিনাৰায়ণ : অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি,
গুৱাহাটী, ১৯৬৮

ভট্টাচাৰ্য্য, হৰেন্দ্ৰনাথ (সম্পা) : ফঁকৰা-যোজনা,
ডিব্ৰুগড, ১৯৬৩

ভৰালী শৈলেন (সম্পা) : দেৱজিৎ,
গুৱাহাটী, ১৯৯৩

ভূঞা, সূৰ্য্যকুমাৰ (সম্পা) : কছাৰী বুৰঞ্জী
গুৱাহাটী, ১৯৪৮

———— („) : অসম বুৰঞ্জী,
গুৱাহাটী, ১৯৬০

———— („) : সাতসৰী অসম বুৰঞ্জী,
গুৱাহাটী, ১৯৭৪

মহন্ত, কবিচন্দ্ৰ (অনু) : বাল্মীকি-ৰামায়ণ,
গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৬৯

মহন্ত, কেশদা : অসমীয়া ৰামায়ণী সাহিত্য,
।। কথাবস্তুৰ আঁতি-গুৰি ।।
১ম খণ্ড, যোৰহাট, ১৯৮৪

———— : বিচিত্ৰ ৰামায়ণী কথা,
যোৰহাট, ১৯৮৬

———— : অসমীয়া ৰামায়ণী সাহিত্য,
।। কথাবস্তুৰ আতিগুৰি ।। ২য় খণ্ড,
যোৰহাট, ১৯৯০

ৰাজখোৱা, বেণুধৰ : অসমীয়া খণ্ড বাক্য কোষ,
গুৱাহাটী, ১৯৮০

ৰাজগুৰু, সৰ্বেশ্বৰ : অসমীয়া প্ৰবাদ, নগাওঁ, ১৯৭২

লেখাৰু উপেন্দ্ৰচন্দ্ৰ : অসমীয়া ৰামায়ণী সাহিত্য,

গুৱাহাটী, ১৯৪৮
———————— (সম্পা) : কথা-গুৰু চৰিত,
গুৱাহাটী, ১৯৫২
শইকীয়া বৰা, লীলাৱতী : মাধৱ কন্দলীৰ ৰামায়ণৰ ভাষা,
গুৱাহাটী, ১৯৯৩
শৰ্মা, কনকচন্দ্ৰ : মাধৱদেৱ, মাধৱ কন্দলী আৰু শংকৰদেৱৰ
'ৰামায়ণ', নগাওঁ, ১৯৪১
শৰ্মা, নবীনচন্দ্ৰ : অসমীয়া লোক-সংস্কৃতিৰ আভাস,
গুৱাহাটী, ১৯৮৯
———————— (সম্পা) : অনন্ত কন্দলী বিৰচিত-'কুমাৰ হৰণ কাব্য'
গুৱাহাটী, ১৯৮৬
———————— („) : দৰঙ্গ ৰাজবংশাৱলী,
গুৱাহাটী, ১৯৭৩
———————— („) : ৰঘুনাথ মহন্তকৃত - 'অদ্ভুত ৰামায়ণ',
কলিকতা, ১৯৭০
———————— („) : অসমৰ ওজাপালি, যোৰহাট, ১৯৯১
শৰ্মা, নৰেশ্বৰ (সম্পা) : গীত-মালচি-বন্দনা, গুৱাহাটী, ১৯৭৫
শৰ্মা, মুকুন্দ মাধৱ : উপমা কালিদাসস্য, গুৱাহাটী, ১৯৯১
শৰ্মা, শশী : মাধৱ কন্দলীৰ 'ৰামায়ণ'
(ঐতিহাসিক বিশ্লেষণাত্মক সমীক্ষা),
নলবাৰী, ১৯৮৯
শৰ্মা, সত্যেন্দ্ৰনাথ : ৰামায়ণৰ ইতিবৃত্ত
ডিব্ৰুগড বিশ্ববিদ্যালয়, ১৯৮৪
———————— : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,
গুৱাহাটী, ১৯৮৯
———————— : পুৰণি সাহিত্যৰ অধ্যয়ন,
গুৱাহাটী, ১৯৮৮
———————— : অসমীয়া নাট্য-সাহিত্য
গুৱাহাটী, ১৯৬৫
———————— (সম্পা) : কথা-ৰামায়ণ,
কলিকতা, ১৯৫৫
———————— (সম্পা) : অংকমালা,

		গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৭৩
শৰ্মা, হেমন্ত কুমাৰ (সম্পা)	:	অসমীয়া লোকগীতি সঞ্চয়ন, গুৱাহাটী, ১৯৭৪
শাস্ত্ৰী, মনোৰঞ্জন	:	সাহিত্য-দৰ্শন, নলবাৰী, ১৯৭০
সন্দিকৈ, ভূৱনচন্দ্ৰ	:	পুৰণি অসমৰ শিল্প, গুৱাহাটী, ১৯৫৯
হাজৰিকা, অতুলচন্দ্ৰ	:	মঞ্চলেখা, গুৱাহাটী, ১৯৬৭
——————	:	উছৱৰ ৰংচ'ৰা, গুৱাহাটী, ১৯৬৩

অসমীয়া আলোচনী :

গোস্বামী, মহেশচন্দ্ৰ (সম্পা)	:	বিহুলঙনি, সাহিত্য সংখ্যা, নগাওঁ, ১৯৮২
শৰ্মা, সত্যেন্দ্ৰনাথ (সম্পা)	:	অসম সাহিত্য সভা পত্ৰিকা, সপ্তদশ বছৰ, ২য় সংখ্যা, যোৰহাট, ১৯৮০ শক
পাঠক, দয়ানন্দ (সম্পা)	:	অসম সাহিত্য সভা পত্ৰিকা, যোৰহাট, ১৯৯২
ভূঞা যোগেন্দ্ৰ নাৰায়ণ	:	অসম সাহিত্য সভা পত্ৰিকা চতুস্ত্ৰিংশ বছৰ, ২য় সংখ্যা যোৰহাট, ১৯৭৭

অপ্ৰকাশিত অসমীয়া ৰামায়ণৰ প্ৰাপ্ত সাঁচিপতীয়া পুথি :

মাধৱ কন্দলী	:	(অসম্পূৰ্ণ) কিষ্কিন্ধাকাণ্ড, অভয়পুৰীৰ পৰা সংগৃহীত, গুৱাহাটী বিশ্ববিদ্যালয় পুথিভঁৰালত সংৰক্ষিত, নং ১৪৯০
——————	:	(অসম্পূৰ্ণ) কিষ্কিন্ধ্যাকাণ্ড, শাস্তবাৰী সৰভোগৰ পৰা প্ৰাপ্ত, অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটীত

সংৰক্ষিত পুথি নং ১৯১১

—————— : (অসম্পূৰ্ণ) সুন্দৰকাণ্ড,
নিত্যানন্দৰ কালজিৰাপাৰাৰ পৰা সংগৃহীত আৰু অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটীত সংৰক্ষিত, পুথি নং ৬৪৮ তাৰিখ, শক ১৭৩৬ (১৮১৪)

—————— : (সম্পূৰ্ণ) সুন্দৰকাণ্ড,
মেধিপাৰাৰ পৰা সংগৃহীত, অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটীত সংৰক্ষিত, পুথি নং ১১২৬ তাৰিখ শক ১৭১০

—————— : (সম্পূৰ্ণ) সুন্দৰকাণ্ড,
সুন্দৰীদিয়া সত্ৰৰপৰা সংগৃহীত আৰু অসম বুৰঞ্জী, পুৰাতত্ত্ব বিভাগ, গুৱাহাটীত সংৰক্ষিত, পুথি নং, ১৪৩৮ তাৰিখ শক ১৭৬৭ ()

—————— : (সম্পূৰ্ণ) সুন্দৰকাণ্ড,
বেঙ্গেনাআতি সত্ৰত প্ৰাপ্ত, কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত, পুথি নং ৪৭৯ (১৭৯), তাৰিখ শক ১৬৩৭ ()

—————— : (সম্পূৰ্ণ) সুন্দৰকাণ্ড,
সুন্দৰীদিযা সত্ৰত প্ৰাপ্ত,
তাৰিখ শক ১৬৫১ ()

—————— : (সম্পূৰ্ণ) সুন্দৰকাণ্ড,
সুন্দৰীদিয়া সত্ৰত প্ৰাপ্ত, তাৰিখ শক ১৭৮৪ ()

—————— : (অসম্পূৰ্ণ) লংকাকাণ্ড,
বৰপেটাৰ পৰা সংগৃহীত, কামৰূপ অনুসন্ধান সমিতি, গুৱাহাটী সংৰক্ষিত। পুথি নং ৩৯৩ (৯৩) তাৰিখ নাই।

—————— : (সম্পূৰ্ণ) লংকাকাণ্ড,
বেলশৰৰ পৰা সংগৃহীত, অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটীত

সংৰক্ষিত, পুথি নং ৯৪৮, শক ১৭৬৮ ()
(সম্পূৰ্ণ) লংকাকাণ্ড,
যোৰহাটৰ পৰা সংগৃহীত, কামৰূপ
অনুসন্ধান সমিতি, গুৱাহাটীত সংৰক্ষিত,
পুথি নং ৪৪০ (১৪০) শক ১৭২৭

——————— : (সম্পূৰ্ণ) লংকাকাণ্ড, (সচিত্ৰ)
দেৱানন্দ সত্ৰৰ (দৰঙৰ)* অন্নদানন্দ
গোস্বামীৰ দ্বাৰা সংৰক্ষিত আৰু ড° নবীন
চন্দ্ৰ শৰ্মাৰ সৌজন্যত প্ৰাপ্ত।

——————— : (সম্পূৰ্ণ) লংকাকাণ্ড,
গুৱালকুছিত প্ৰাপ্ত, শক ১৭৩১ ()

বাংলা গ্ৰন্থ ঃ

মুখোপাধ্যায, আনন্দময : ৰামায়ণযুগে ভাৰত,
কলিকতা, ১৯৭৪

সেন, প্ৰবোধ : ৰামাযণ ও ভাৰত সংস্কৃতি,
কলিকতা, ১৯৬২

ইংৰাজী ঃ

Acharyya, N N — History of Medieval Assam, Guwahati, 1986

Arya, S P — A Socialogical Study of Folklore, Calcutta, 1975

Benerji — Rama in Indian Literature, Art and Thought, Vol I, Delhi, 1986

Barua B K. — A Cultural History of Assam, Guwahati, 1969

Barua P (ed) — Assamese Proberbs, Guwahati, 1962

Basam, A. K. (ed) — A Cultural History of India Oxford University Press, 1975

Bascom, W.R. — Contributions to Folkloristics, Meerut, 1981

Benedict, R. — Pattern of Culture, London, 1938

Brahma, M M (ed)		Folksongs of the Bodos, Gauhatı Unıversıty, 1963
Chatterjı, S K		The Place of Assam ın the Hıstory and Cıvılızatıon of Indıa, Gauhatı Unıversıty, 1970
----------------		The Râmâyana Its Character, Genesıs, Hıstory, Expansıon and Exodus, A Resume, Calcutta, 1978
---------------- et-al		The Cultural Herıtege of Indıa, Vol I, Calcutta, 1970
Choudhury, P C		The Hıstory of Cıvılızatıon of the People of Assam, Guwahatı, 1966
Deva Goswamı, B K	.	A Crıtıcal Study of the Ramayana Tradıtıon of Assam (upto 1826), Calcutta, 1994
Dutta, B		Folk Toys of Assam Guwahatı, 1980
------------------		A Bıblıography of Folklore Materıal of Assam and Adjoınıng Area, Guwahatı, 1978
Dorson, R M (ed)		Floklore and folklıfe An Intruductıon, Chıcago, 1972
Dundes, A (ed)	·	Essays ın Folklorıstıcs, Meerut, 1978
Goswamı, I	·	Ràmàyana From Ganga to Brahmaputra, New Delhı, 1996
Goswamı, P	·	Essay on the Folklore and Culture of North-Eastern India, Guwahatı, 1982
---------------	·	Folk Lıterature of Assam, D H.A S., Guwahatı, 1965
Jason, H (ed)	·	Patterns ın Oral Literature, Nouton, 1977
Kakatı, B	:	Aspects of Early Assamese Lıterature, Unıversity of Gauhatı,

1952

Leach, M (ed) — Standard Dictionary of Forlklore Mythology and Legend, New York, 1949

Muchi, K M (ed) — Kamban Râmâyana Bombay, 1970

Navalekar, N R. — A New Approach to the Ramayana Jabalpur, 1957

Neog, M — Sankardeva and His Predecessors Guwahati, 1953

------------------- — Tradition and Style, Jorhat, 1981

Raghavan, V (ed) — The Râmâyana Tradition in Asia, New Delhi, 1980

Rajguru, S. — Medieval Assamese Society 1228-1826, Nagaon, 1988

Shah, A B and C R M Rao — Tradition and Modernity in India, Bombay, 1961

Sarma, N.C — The Vaisnavite Poets of North-Eastern India Ananta Kandali, Calcutta, 1991

---------------- — Essays of the Folklore of North Eastern India Guwahati, 1988

Sarma, S. N — Epics and Puranas in Early Assamese Literature, Guwahati, 1972

Sarma, S. N. — A Socio-Economic and Cultural History of Medieval Assam (1200-1800 A.D) Guwahati, 1989

--------------- (ed) — Kaliram Medhi's Studies in the Vaisnava Literature and

	Culture of Assam, Jorhat, 1978
Sastri, K S R	Studies in Râmâyana,Boroda 1944
Sen, D C	The Bengali Râmâyan, Culcutta University, 1920
Srinivas Sastri, V S	The Ramayana, Madras, 1952
Srivastava, S L	Folk Culture and Oral Tradition Delhi, 1974
Tylore, E B	Primitive Culture, Vol I New York, 1874
Winternitz, M	History of Indian Literature, New Delhi, 1972.

Hindi Book :

Bulcke, Fr Camille	Râmâyana, Allahabad University, 1971
Magadha, K Prassad	Asam-Prantiya Ram-Sahitya, Meerut, 1985
Vyasa, S K N	Râmâyana-Kâlin Samâj, New Delhi, 1948

Sanskrit book :

Sastri P K C (ed)	Valmiki's Râmâyana, Madras, 1958

Unpublished Ph.D. Thesis :

Bora, J	Folk Elements in Râmasarsvati, Ph.D Thesis submitted to G U in 1989
Goswami, B M	A Study of the Ojapali Art Form of Assam Ph.D. Thesis submitted to G U in 1985
Roy, N K	A Study of the Socio-cultural Aspect of the Ehstern Indian Versions of Ramayan, Ph D Thesis submitted to G.U in 1978
Thakuria, R C	The Râmâyana of Madhava Kandali A Text-Critical and Historical Study, Ph.D. Thesis submitted to G U. in 1983

নির্ঘন্ট

অ

অগ্নিপূজা ৯৮

অঙ্গদ-ৰাযবৰ ১৮৮

অঙ্গোমগোপ ২

অতিকথা ১৯,১৬৩

অতিশয়োক্তি ১৫৬

অদ্ভুত-ৰামায়ণ ১৮৫

অধিবাস ১৭৭

অনন্ত কন্দলী ৩,৫,২৬,১৮১

অনার্য্য মূলীয়া ১৪২

অৱধী ২

অযোধ্যাকাণ্ড ৬১

অশ্বক্রান্ত মন্দিৰ ১৯০

অষ্টঘট ১০৯

অষ্ট্রীকমূলীয়া ১৪২

অসমীয়া ভাষা ১

অসমীয়া সমাজ ১৯১

অসিযুদ্ধ ১৩০

অভিষেক ১০৯, ১১০

আ

আচাৰ-অনুষ্ঠান ১০৮

আত্মজীৱনীমূলক টোকা ৯

আদিকবি ১

আদি কাব্য ১

আদ্যশ্ৰাদ্ধ ১১১

অনুষ্ঠেয় কলা ১৭০

আন্তঃ সাংস্কৃতিক পদ্ধতি ৯

আবিয়ৈ ১৯১

আৰ এম ডৰাচন ৯, ১১

আৰবী ফাৰ্চীমূলীয় ১৩৯

আৰ্কিভচ ৯

আৰ্য্য সমাজ ১৬২

আহোম ১৩০

আদ্যশ্ৰাদ্ধ ১১২

ই

ইছলামিক ২৯

ইন্দ্ৰজিৎ ১১১, ১৩০

ইন্দ্ৰজিৎ বধ ১৩০

ঈ

ঈশ্বৰহাতী সত্ৰ ১৯০

উ

উপসংহাৰ ১৯৩

উখৰাভূমি ৮৮

উৎসৱ ১০৮

উত্তৰকাণ্ড ৫, ১৯৬

উপনয়ন ১৭৮

উৰুলি ১৭৮

উপবাস ১০৯

উপমা ১৫৪

উপেন্দ্ৰ লেখাৰু ২, ৯০

উৰ্দু ভাষা ১

উত্তৰণ ১৩

ঊ
ঊষা-পৰিণয় ৩৪

এ
এলিয়ট ১৪, ২৭

ঐ
ঐতিহাসিক পুনৰ্গঠন পদ্ধতি ৯

ও
ওজাপালি ১৭৯, ১৮৪

ক
কটকী ৫
কথা-ৰামাযণ ১৮৩
কপিলী উপত্যকা ৪
কবিতা শাস্ত্ৰ ১৮৩
কবিৰত্ন সৰস্বতী ২৫
কবিৰাজ ৫, ১১
কম্বান ২
কৰ্মগীত ২২
কঁহাৰ ৭
কাণ্ড বা আচাৰ পদ্ধতি ২১
কানাড়ী ভাষা ২
কাব্য ২
কামৰূপ ৩
কায়স্থ ৭
কাৰ্বি ৰামায়ণ ২
কালিকা পুৰাণ ৩
কাশ্মীৰি ভাষা ১
কাহিনী-গীত ১-২
কিস্কিন্ধ্যাকাণ্ড ১৫৫
কীৰ্তন ২৬
কুমৰ-হৰণ কাব্য ১৯৮
কুশান-গান ১৮৮
কৃষ্ণকান্ত সন্দিকৈ ১৯৯
কামিল বুল্কে ৩৯
কৃষ্ণানন্দ দেৱশৰ্মা ১৯১
কৌশল্য-বাৰমহী গীত ১৬৪
ক্ৰিযাত্মক পদ্ধতি ৯

খ
খণ্ড বাক্য ১৪২
খামটি ৩
খামটি ৰামায়ণ ৩
খুলীয়া ভাওৰীয়া ১৮৭
খুলীয়া ভাওনা ১৮৭
খেনা-ৰামায়ণ ৩
খেনা-ৰামেট উনাও থুংখু ৩
খোবা-খোবী ২

গ
গংগাৰাম বা গংগাগতি দাস ১৮৪
গণপতিৰ ঘট ৭
গণ সাংস্কৃতিক পদ্ধতি ৯
গৰখীয়া গীত ১৮০
গাঁঠিয়ন খুন্দা ১৭৭
গীত-গোবিন্দ ৩৬
গীতি-ৰামায়ণ ৩৪, ১৮৩
গীতি সংস্কৰণ ৩৪, ১৮৩
গু-কৰতি ১৮১

গুজৰাটী ভাষা ২
গোলাৰ্ধিত সিদ্ধান্ত ৯
গৌড়ীয় পাঠ ৩৯, ৪৩
গ্ৰীম ভ্ৰাতৃদ্বয় ১৮

চ

চক্ৰ কৰতি ১৮১
চক্ৰবৰ্তী ১২০
চণ্ডীপূজা ৯৮
চন্দ্ৰকন্দলী ৫
চন্দ্ৰভাৰতী ২৬
চমাৰ ৬
চৰ্য্যাপদ ১৪০
চাও-আলম-লামান ৩
চাহাবলাল শ্ৰীবাস্তৱ ১৩
চিত্ৰশিল্প ১৮৯

ছ

ছ্‌ঞিঙ জাতি ৯৬
ছত্ৰিছ পাটক ৯৬
ছবিছন্দ ১৪০
ছাবিন আলুন ৩, ১৮৪

জ

জনজাতি ৩
জনশ্ৰুতি ১৪৫
জমিন ২২
জৱহাৰলাল হান্দু ১২৭
জল-কৰতি ১৮১
জাতি ৩
জেকব গ্ৰীম ১৮
জেমছ ফ্ৰেজাৰ ১০৮
জৈন ২
জৈন ৰামায়ণ ২

ঝ

ঝুমুৰি ১৬০

ট

টাইলাৰ ১৪, ১৫, ৪৫
টেন্টন ৯১
টোপনি নিওৱা গীত ১৬৩

ড

ডবকা ১৮৯

ঢ

ঢুলীয়াৰ চং ১৮৬
ঢুলীয়াৰ মালিতা ১৭৩

ধ

ধনশ্ৰী ৰাগ ১৭৪
ধৰ্মী মন্ত্ৰ ১১৬
ধৰ্মীয় গীত ১৬৩, ১৭৩
ধাৰণি ১১৬
ধোবা ৭

ত

তত্তৱ ১৮১
তত্ত্বপূৰ্ণ গীত ২২
তণ্ডুলৰ ভাত ১০
তৰণীসেন বধ ১৮৮

তস্কৰ ১৩৮
তামিল ভাষা ২
তাম্রধ্বজ ২৫
তাৰকাসুৰ বধ ৩২৯
তাঁতী ৭
তিৰ্ব্বত-বৰ্মী ১৪৩
তুলসী গীত ১৭৯
তুলসী দাস ২
তোলনী বিয়া ১৭৮

দ
দৰ্পণ ১৩৬
দৰন্তী ১৯২
দহানুষ্ঠান ১১২
দশমুণ্ড-১৯০
দামোদৰদেৱ ৫২
দিহানাম ১৭২
দেৱজিত ৫
দেও পাহাৰ ১৮৯
দেশজ শব্দ ১৪২
দেশী বা থলুৱা ১৮৫
দুৰ্গা ১০৮
দুৰ্গোৎসৱ ১০৮
দুৰ্জন ১১৯
দুলড়ী ১৬০
দুৰ্লভনাৰায়ণ ২৫
দোতৰা গান ১৭৭
দ্ৰাবিড়মূলীয় ১২৩
দৃষ্টান্ত ১৫৬

ঢ
ঢুলীয়াৰ চং ১৮৬

ন
নট ৮৮
নৱঘটি ৫৫
নাও-খেলোৱা গীত ১৭৫
নাটক ২
নাৰঙ্গা ১০৮
নিচুকণি গীত ২২, ১৬৩
নিদৰ্শনা ১৫৬
নিৰঙ্গৰূপক ১৫৫
নেতকমলি ১০৫
নেপালী ৰামায়ণ ১

প
পগৰি ১০৪
পটম্ভৰ ২
পদ বা পয়াৰ ১৫৯
পদাতিক ১৩৫
পদ্ম-পুৰাণ ৩৩, ৩৫
পঞ্জাবী ভাষা ১
পয়ৰি ১৯৪
পৰম্পৰা ১৩, ১৪, ৩৬
পৰিবেশ্য কলা ২১
পশ্চিমোত্তৰীয় পাঠ ৩৯
পাইক ৯৩
পাঁচালী ৩৩
পাতৰ ৯৩
পায়ল ১০৪
পাৰিজাত হৰণ নাট ৩৬
পাহাৰী ৰাগ ১৭৪
পীতাম্বৰ ৩৩
পুনৰুক্তবদাভাস ১৫৪

পুতলা নাচ ১৮৭
পুৰাণ কথা ১
পূৰ্ণযতি ১৬০
পূৰ্ণোপমা ১৫৪
পোহনবিযা ১৭৪
প্ৰযণগীত ১৬৩
প্ৰতিবস্তুপমা ১৫৭
প্ৰতিলিপি ৯
প্ৰতীক ১৫৫
প্ৰতীয়মান উৎপ্ৰেক্ষা ১৫৬
প্ৰবচন ২, ১৯৫
প্ৰবাদ ১৯৫
প্ৰশ্নসূচক ১০
প্ৰহ্লাদ চৰিত ২৪
প্ৰান্তীয় ভাষা ২

ফ

ফকৰা ১৬৩
ফাৰ্চীমূলীয়া ১৩৯
ফিন্নিচ পদ্ধতি ৯

ব

বক্ৰোক্তি ১৫৪
বঙলা ভাষা ৩
বধকাব্য ৩৭
বৰ্ণাশ্ৰম ধৰ্ম ১৪
বভ্ৰুবাহনৰ যুদ্ধ (কাব্য) ১৬৮
বৰগীত ৫৭
বৰাহৰজা ৪
বৰাহী ৪
বৰোমূলীয় ৫
বস্তু-সংস্কৃতি ১৯১
বাকযুদ্ধ ২৩১
বাচিক কলা ১৮৪
বাচিক কাব্য ৯
বাচোৎপ্ৰেক্ষ ১৫৫
বাণীকান্ত কাকতি ৫
বাৰ্ণাড-শ্ব ১২৮
বাদ্য যন্ত্ৰ ১৩৭
বাৰেচহৰীয়া ভাওনা ১৮৮
বালী বধ ১৮৮
বাল্মীকি ১, ৩১৪, ১৮৮
বায়ু-কৰতি ১৮১
বিদ্ৰূপাত্মক গীত ২২
বিৰাধ বধ ৪১
বিৰিঞ্চিকুমাৰ বৰুৱা ৪২
বিৰেচন ১৫৮
বিশল্যকৰণী ১১৪
বিশ্বামিত্ৰ ১৩১
বিষয়চন্দ্ৰ বিশ্বাসী ১৯৭
বিষম ১৫৭
বিষু ২০০
বিয়ানাম ১৭৭
বিয়াহৰ ওজাপালি ১৮৫
বৃত্তানুপ্ৰাস ১৫৩
বেনেডিক্ট ৩১
বেজ ১৮১
বৈদিক ৫৫
বৈদেহী ৯৩

ভ

ভগ্ন-তৎসম ১৩৯

ভট্টদেৱ ২৬
ভৱানীনাথ দ্বিজ ১৮৪
ভাইৰা ১৮৫
ভাউৰা বা ভাউৰীয়া ওজাপালি ১৮৫
ভাওনা ১৮৭
ভাগৱতী সংস্কাৰণ ১৮৪
ভাত-পানী ১০১
ভানুভক্ত ২
ভাৰীগান ১৮৮
ভীমচৰিত ৩৮
ভেৰিয়াৰ এলুইন ৩
ভৌতিক সংস্কৃতি ২০

ম
মহহো গীত ২৮০
মচ্চল ৯১
মনকৰ ৩৩
মনসা দেৱী ৩৩, ৩৪
মণিপুৰী ৰামায়ণ ৩
মন্ত্র ৪,৫,৪৪
মন্ত্রপুথি ৩
মন্ত্রপুথিৰ পদ ১৮০
মৰেট ১৫
মল্লযুদ্ধ
মসিহি ৰামায়ণ ২
মহাকাব্য ১
মহামাণিক্য ৪
মাধৱ কন্দলী ১,২,৪,৭
মাধৱদেৱ ৪
মাৰাঠী ২
মাৰাঠী ৰামায়ণ ২
মালয়ালম ২
মালিতা ১৮৫
মালিনবস্কি ৩১
মালোপমা ১৫৪
মিজো-লে-ভে থুংথু ৩
(মিজো আৰু অনামিজো সাধু)
মিথ অৱ দ্যা নৰ্থ-ইষ্টাৰ্ণ ৩
ফ্রন্টিয়াৰ অৱ ইণ্ডিয়া ৩
মেকলভাৰ ১৬
মেক্সমুলাৰ ১৯১
মেজৰ সেক্সপীয়েৰ ৩
মেনহৰট ১০৮
মেহুঘৰ ১৩০, ১৩১
মুখা ১৮৯
মুখাগ্নি ১৩২
মৌখিক কবিতা ১৮
মৌখিক কলা ১৯
মৌখিক কাহিনী ১৪৫
মৌখিক গীত-পদ ২
মৌখিক পৰম্পৰা ৩১,৩৯
মৌখিক সাহিত্য ২৯
মৃদঙ্গ ১৭৩
মৃদঙ্গ মালিতা ১৭৪

য
যমক ১৫৩
যক্ষিণী ১০৮
যোগেন্দ্র সিংহ ১২

ৰ
ৰঘুনাথ মহন্ত ১৮৩

ৰঘুনাথ দ্বিজ ১৮৪
ৰূপক ১৫৫
ৰাগৰ মালিতা ১৭৩
ৰাঘৱ পঢোৱা ১৯১
ৰাধাকৃষ্ণন ২৩
ৰাবান গান ১৮৮
ৰামদিয়া ১৯০
ৰাম কৰতি ২
ৰামচৰিত মানস ১
ৰামচন্দ্ৰ পাহাৰ ১২৯
ৰামচন্দ্ৰ থান ১৯২
ৰাম ৰৰমাহী গীত ১৬৭
ৰাম-বিজয় ১৮৮
ৰাম-যাত্ৰা ১৮৮
ৰামাৱতাৰ ২
ৰাম পঞ্চাধ্যায় ৩৬
ৰামসৰস্বতী ৩৭, ৩৮
ৰামায়ণ ৯, ১৪৪, ১৫১, ১৫৩
ৰামায়ণী কাব্য ১৮৪
ৰায়মণ ওজাপালি ১৮৫
ৰাৱণ বধ নাট ১৮৮
ৰুক্মিণী হৰণ কাব্য ৩৬
ৰুচিনাথ কন্দলী ১১
ৰুদ্ৰ কন্দলী ৫, ২৫, ৩০
ৰুদ্ৰৰাম শৰ্মা ১৮৫
ৰুদ্ৰসিংহ ১৯০
ৰবাৰ্ট ৰেডফিল্ড ১৬

ল

লংকাকাণ্ড ৪, ১৯১
লংকেশ্বৰ পাহাৰ ১৯২
লি-চাও-লামান ৩
Lingua Franca ১৩৩
লুপ্তোপমা ১৫৪
লোক ঔষধ ১১৪
লোকোক্তি ৪২, ১৪৫
লোক জীৱন ১১,১৫,২১-৩৮,৫৯
লোকধৰ্ম ৩৫
লোক প্ৰবাদ ১৬৩
লোকবিদ্যা ১৮, ৩৮, ৪২
লোকবিদ্যাতত্ত্ব ৯
লোকবিদ্যা বিজ্ঞান ১৮
লোক-ব্যৱহাৰ ৬
লোক ভাষা ২০,২১, ১৩৩
লোক মহাকাব্য ২২
লোক সমাজ ২
লোক-সংস্কৃতি ১৬, ১৭, ১৮
লোক-সাংস্কৃতিক পদ্ধতি ৯
লোকায়ত ৭, ৮

ৱ

ব্যাজস্তুতি ১৫৭

শ

শংকৰদেৱ ৪, ২৪, ১৯৬
শংখাৰি ৭, ৯৬
শনি ৯৯
শনিশ্বৰ ৯৯
শক্তি ৯৮
শিখগুৰু গোবিন্দ ২
শিৱ ৯৭
শিৱমন্ত্ৰ ১১২

শিৱ শিৱ গীত ১৮০
শিৱসিংহ ১৮৯
শ্লেষ ১৫৪
শোণিত কুঁৱৰী ১৯৮
শৈলেন ভৰালী ৫
শৈৱ ১০১
শ্ৰীধৰ কন্দলী ৫
শ্ৰীৰাম কৰতি ১৮১
শ্ৰীৰাম-কীৰ্তন ১৮৩
শ্ৰীৰামচন্দ্ৰ অভিষেক ১৮৪
শ্ৰীৰামচন্দ্ৰ পাহাৰ ১৯২
শ্ৰীনামদ্বিজ ১৮৪

ষ

ষট্‌কৰ্ম ৯৫, ১০৯

স

সংকৰ ১৫৮
সংকেত কাহিনী ৪৪
সনপাখি ৯৫
সংস্কৃতি ৮, ১১, ১২, ১৫
সংযুতি ১৮১
সত্যেন্দ্ৰনাথ শৰ্মা ২, ৪
সচিত্ৰ পাঠ ১৯১
সৰ্পপূজা ৩৫
সম্বৰুৰাম শেখ ৩
সভাগোৱা ওজাপালি ১৮৫
স্বভাৱোক্তি ১৫৮
সত্ৰীয়াৰীতি ১৯১
সাগৰ কন্দলী ৫
সাঙ্গৰূপক ১৫৫
সাঁথৰ ৪৪, ২৯১
সাধুকথা ২, ২২, ৩৪
সামান্য ১৬৬
সাৰ ১৫৭
সাবিত্ৰী উপাখ্যান ৭৪
স্থানীয ৪১
স্থাপত্য ১২৬
সীতা ৰাৰমহী গীত ১৬৫
সীতাৰ বনবাস (নাট) ১৮৪
সীতাৰ পাতাল প্ৰৱেশ (নাট) ১৮৪
সীতাৰ স্বয়ম্বৰ (নাট) ১৮৪
সীতাহৰণ (নাট) ৪৬, ১৮৪
সুকনান্নী ৩৫
সুকবি নাৰায়ণদেৱ ৩৫
সুকুমাৰ সেন ২
সুদৰ্শন চক্ৰ-কৰতি ১৮১
সুন্দৰকাণ্ড ৭, ১৯০
সুচী ১১৬

হ

হনুমান মন্ত্ৰ ১৮১
হৰমোহন ৩৫
হৰিবৰ বিপ্ৰ ২৫
হাচান-হুচেইন, ৩৫
হাড়ি জাতি ৩২
হিন্দী ভাষা ৬
হিন্দু সংস্কৃতি ২
হিন্দুস্থানী ৪
হেজাৰী ভাওনা ১৮৮
হেম সৰস্বতী ২৮
হুচৰি নাম বা কীৰ্তন ১৭৩

ক্ষ

ক্ষেত্ৰ ৮, ৯
ক্ষেত্ৰ অধ্যয়ন ৯, ১০

ৰায়মন গোৰা ওজাপালি, বন্দনাভংগী, জাগ্ৰা নলবাৰী

ৰায়মন গোৰা ওজাপালি, গীত-নৃত্য প্ৰদৰ্শন জাগ্ৰা, নলবাৰী

ৰায়মন গোৰা ওজাপালি ওজা আৰু
ভাইৰাৰ কথোপকথন,
জাগ্ৰা নলবাৰী

ৰায়মন গোৰা ওজাপালি সামৰণি
ভংগী, জাগ্ৰা নলবাৰী

ৰাম, সীতা আৰু খুলীয়া ভাউৰীয়া, দৰং

ৰাৱণৰ দ্বাৰা সীতা হৰণ 'সীতাহৰণ' নাট, ভাওনা, কমলাবাৰী সত্ৰ, যোৰহাট

জটাযুবধ, সীতাহৰণ নাটৰ ভাওনা, লক্ষীমপুৰ

বালী সুগ্রীৱৰ যুদ্ধ, 'বালী বধ' ভাওনা, কলিয়াবৰ, নগাঁও



যুদ্ধৰত ৰাৱণ, লোকচিত্ৰ লংকাকাণ্ড, দৰং



ৰাঘৱ পঢ়োৱা অনুষ্ঠান, কলিয়াবৰ, নগাঁও

শুধৰণি তালিকা

মুদ্ৰিত ভুল শব্দ	শুধৰণি	পৃষ্ঠা নম্বৰ
স্বকবি	স্বকীয়	১
ৰামাযান	ৰামায়ণ	২
একোট	একোটা	৬
লোকবুৎপত্তি	লোকব্যুৎপত্তি	২০
কস্ক	কঙ্ক	৩২
চাণ্ডাল	চণ্ডাল	৩২
মান নিকষা	মাক নিকষা	৪০
অনসুযাৰ	অনুসূযাৰ	৪৮
লক্ষ্ণণে	লক্ষ্মণে	৫০
ইন্দ্ৰজিৎৰ	ইন্দ্ৰজিতৰ	৬০
পঠাইছে, যে,	পঠাইছে যে	৬১
দিলে	দিলে।	৬১
অব্যাৰ্থ	অক্ষণ	৬৩
উদ্ধাৱন	উদ্ভাৱন	৬৩
যজিও	যদিও	৬৩
ইন্দ্ৰজিৎক	ইন্দ্ৰজিতক	৭৭
কৃচ্ছ্ৰসাধমসাধন	কৃচ্ছ্ৰসাধন	৮০
প্ৰসাংসা	প্ৰশংসা	৮১
নিঃসকোচিত্তে	নিসংকোচচিত্তে	৮৪
পৰবৰ্ত্তী	পৰবৰ্ত্তী	৮৪
নাতিি	নাতি	৮৮
খান্দোৱা	খন্দোৱা	৯১
কন্দলী	কদলী	৯১
বৃদ্ধি	বুদ্ধি	৯৪
অবশ্য	অবশ্যে	৯৪
ভুঞ্জা	ভুঞ্জা	৯৫
চুণ	চুন	৯৫

মুদ্রিত ভুল শব্দ	শুদ্ধৰূপ	পৃষ্ঠা নম্বৰ
বৰ্মনাৰ	বৰ্ণনাৰ	১১২
গুলি	ঘুৰি	১১২
কৃত্যদিৰ	কৃত্যাদিৰ	১১৪
ইন্দ্ৰজিৎৰ	ইন্দ্ৰজিতৰ	১১৫
শৱদাহ	শৱদাহৰ	১১৭
অন্তোষ্টিক্ৰিয়ৰ	অন্তোষ্টিক্ৰিযাৰ	১১৭
ত্ৰুটিশূণ্য	ত্ৰুটিশূন্য	১৬২
যদি	যতি	১৬৩
মহাবাক্যত	মহাকাব্যত	১৬৪
সাহিত্যতও	সাহিত্যও	১৬৫
naratives	narratives	১৬৬
riddlies	riddles	১৬৬
গীততো	গীতো	১৬৭